UG ED S3-01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

শিক্ষাৰ সমাজতাত্ত্বিক আধাৰ

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, নেৰিম, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ ইন্দ্রানী কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়- অৰিহণা যোগাইছে	*ভাষান্তৰকাৰী*
১ ড° ইন্দ্রানী কলিতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২ ড° পিয়ালী ৰয় বড়োলেণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰ	ড° অপৰাজিতা শর্মা মানবেন্দ্র শর্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া
৩ ড° হৈম্য গোহাঁই ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ	ড° অর্চনা অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৪ আৰু ৫ ৰুণুমী দেৰী উত্তৰ গুৱাহাটী মহাবিদ্যালয়	ইদন চুলতানা আহমেদ, স্বতন্ত্রীয় লিখক আৰু সুমন বর্মন, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়
৬ ড° ইন্দ্রানী কলিতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু কৰবী দেৰী,	হৃদয়ানন্দ বৰা উত্তৰ গুৱহাটী মহাবিদ্যালয় প্রাগজ্যোতিষ বি. এড, কলেজ, পছৰীয়া
৭ ড° অর্চনা অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, মির্জা আৰু ড° হৈম্য গোহাঁই	ড° অর্চনা অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ
৮ ড° হৈম্য গোহাঁই ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ	ড° অর্চনা অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯ আৰু ১০ ড° হৈম্য গোহাঁই ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ	অর্চনা অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১১ ড° পিয়ালী ৰয় বড়োলেন্দ বিশ্ববিদ্যালয়, কোকৰাঝাৰ	ড° অপৰাজিতা শর্মা মানবেন্দ্র শর্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া
১২ কৰবী দেৰী, ড° অপৰাজিতা শর্মা	প্রাগজ্যোতিষ বি. এড. কলেজ, পছৰীয়া মানবেন্দ্র শর্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া
১৩ ড° ৰীতিমণি বৰদলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, মির্জা	প্রভাত বৰদলৈ মর্ডাণ্ড ইংলিছ স্কুল, কাহিলীপাৰা
১৪ ড° মঞ্জুশ্রী বৰা গুৱাহাটী বিশ্ববিদ্যালয়	ড° অপৰাজিতা শর্মা মানবেন্দ্র শর্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া
১৫ ড° অর্চনা অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, মির্জা	গীতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা	ঃ	ড° নীলিমা ভাগৱতী, গুৱাহাটী বিশ্ববিদ্যালয় ড° প্রণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাষা সম্পাদনা	ঃ	ড° স্বপ্নস্মৃতি মহন্ত, কে. চি দাস কমার্চ কলেজ, গুৱাহাটী ড° প্রণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	ড° ইন্দ্রানী কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশঃ ২০২৪

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
মহানগৰ কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১০০৬
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্যবিষয়ৰ পৰিচয় ঃ — শিক্ষাৰ সমাজতাত্ত্বিক আধাৰ

এক সামাজিক পটভূমিৰ পৰিধিৰ ভিতৰত এটা প্ৰক্ৰিয়া আৰু এটা ধাৰণা ৰূপে শিক্ষাৰ অস্তিত্ব বিৰাজমান। কোনো এক নিৰ্দিষ্ট দল, সম্প্ৰদায়, ৰাষ্ট্ৰ আৰু জাতিৰ সদস্যসকলে সমাজত আনুষ্ঠানিক অথবা অনানুষ্ঠানিক যিধৰণৰেই নহওক কিয় সকলো শিকন আৰু শিক্ষাক সংগঠিত ৰূপ দিয়ে। অৰ্থাৎ, এখন সমাজৰ শৈক্ষিক কাৰ্যকলাপ আৰু পাঠ্যক্ৰমভিত্তিক কামকাজৰ আয়োজনৰ প্ৰতি লক্ষ্য কৰিলেই সেই সমাজখনৰ তাৎপৰ্য বুজিব পৰা যায়। এইটো হ'ল তিনি বছৰীয়া স্নাতক মহলাৰ তৃতীয় ষান্মাসিকৰ শিক্ষা বিষয়টোৰ এটা পাঠ্যবিষয়। এই পাঠ্যবিষয়টোৱে শিক্ষা আৰু সমাজৰ মাজৰ সম্পৰ্কৰ বিষয়ে জনাত শিক্ষাৰ্থীক সহায় কৰিব। শিক্ষাৰ্থীয়ে পাঠ্যবিষয়টো পঢ়ি সমাজত শিক্ষাৰ ভূমিকা আৰু গুৰুত্ব সম্পৰ্কেও জানিব পাৰিব। সমাজতত্ত্ব হ'ল সমাজৰ বিজ্ঞানসন্মত অধ্যয়ন। ই মানৱীয় আন্তঃক্ৰিয়া আৰু সাংস্কৃতিক পৰিঘটনা সূক্ষ্মভাৱে পৰীক্ষা কৰি চোৱাৰ লগতে অসমতা আৰু নগৰীকৰণৰ দৰে বিষয়বোৰ তথা এইবোৰে মানৱ দল আৰু ব্যক্তিবিশেষৰ ওপৰত পেলোৱা প্ৰভাৱো অধ্যয়ন কৰে। আপুনি নিজস্ব সমাজতাত্ত্বিক কল্পনাৰ বিকাশ ঘটাব পৰাকৈ এই পাঠ্যবিষয়টোৰ জৰিয়তে আপোনাক এলানি মৌলিক সমাজতাত্ত্বিক নীতিৰ সৈতে পৰিচয় কৰাই দিব খোজা হৈছে।

এই পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোত শৈক্ষিক সমাজতত্ত্বৰ অৰ্থ, ধাৰণা, পৰিসৰ, ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত আলোচিত মুখ্য বিষয় হ'ল সমাজৰ উৎপত্তি আৰু সামাজিকীকৰণত শিক্ষাৰ ভূমিকা। তৃতীয় অধ্যায়ত সামাজিকীকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায়ত সামৰি লোৱা মূল বিষয়কেইটা হ'ল সামাজিক পৰিৱৰ্তনৰ ধাৰণা, কাৰণ আৰু প্ৰতিভূসমূহ। পঞ্চম অধ্যায়ত আধুনিকীকৰণ, পাশ্চাত্যকৰণ আৰু বিশ্বয়নৰ ধাৰণা তথা কাৰণবোৰৰ লগতে ভাৰতত এনে পৰিৱৰ্তন সাধন কৰাত শিক্ষাই পালন কৰা ভূমিকাৰ আলোচনাক সামৰি লোৱা হৈছে। ষষ্ঠ অধ্যায়ত আলোচিত গুৰুত্বপূৰ্ণ ধাৰণা দুটা হ'ল সামাজিক সংগঠন আৰু বিসংগঠন। সপ্তম অধ্যায়ত বিভিন্ন সামাজিক দলৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ত সামাজিক স্তৰীভৱণৰ এক স্পষ্ট বৰ্ণনাৰ লগতে সামাজিক স্তৰীভৱন প্ৰক্ৰিয়াৰ সৈতে শিক্ষাৰ সম্পৰ্ক ব্যাখ্যা কৰা হৈছে। নৱম অধ্যায়ত বহলাই আলোচনা কৰা বিষয়টো হ'ল সামাজিক গতিশীলতা আৰু শিক্ষা। দশম অধ্যায়ত শিক্ষা তথা সম্প্ৰদায়ৰ মাজৰ সম্পৰ্কৰ ওপৰত আলোকপাত কৰা হৈছে। একাদশ অধ্যায়ত সাংস্কৃতিক পটভূমিত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰা হৈছে। দ্বাদশ অধ্যায়ত আলোচিত বিষয়টো হ'ল সমাজৰ বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত শ্ৰেণীৰ বাবে শিক্ষা। ত্ৰয়োদশ অধ্যায়ত শৈক্ষিক সুযোগবোৰৰ সমানীকৰণৰ ধাৰণাটোৰ ওপৰত আলোকপাত কৰা হৈছে। চতুৰ্দশ অধ্যায়ত আলোচনা কৰা মূল বিষয়টো হ'ল গণতন্ত্ৰত শিক্ষাৰ ভূমিকা। পঞ্চদশ অধ্যায়ত সামাজিক নিয়ন্ত্ৰণ বোলা গুৰুত্বপূৰ্ণ সমাজতাত্ত্বিক ধাৰণাটোৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'সম্ভাব্য প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ **শিক্ষা সমাজতত্ত্ব** ৭-২৫

সমাজতত্ত্বৰ ধাৰণা, সমাজতত্ত্বৰ অর্থ আৰু সংজ্ঞা, শিক্ষা আৰু সমাজতত্ত্বৰ মাজত সম্পর্ক, শিক্ষা সমাজতত্ত্বৰ অর্থ, সংজ্ঞা, প্রকৃতি, শিক্ষা সমাজতত্ত্বৰ পৰিসৰ, শিক্ষাত সমাজতাত্ত্বিক দৃষ্টিভংগী গ্রহণৰ প্রয়োজনীয়তা আৰু গুৰুত্ব, শিক্ষা সমাজতত্ত্বৰ আৰু শিক্ষাৰ সমাজতত্ত্ব, শিক্ষা সমাজতত্ত্বৰ সীমাৱদ্ধতা।

অধ্যায় ২ঃ **শিক্ষা আৰু সমাজ** ২৬-৩৯

সমাজ আৰু ইয়াৰ উৎপত্তি, সমাজৰ কাৰক আৰু শিক্ষাত এনে কাৰকৰ প্রভাৱ সামাজিক ব্যৱস্থাৰূপে শিক্ষা, সামাজিকীকৰণৰ অর্থ, সামাজিকীকৰণ প্রক্রিয়াৰ আহিলাৰূপে শিক্ষা।

অধ্যায় ৩ঃ **সামাজিকীকৰণ প্রক্রিয়া** ৪০-৬৬

সামাজিকীকৰণৰ অর্থ, সংজ্ঞা,বৈশিষ্ট্য, প্রক্রিয়া, সামাজিকীকৰণ আৰু সামাজিক আন্তঃক্রিয়া, সহযোগিতাৰ অর্থ আৰু সংজ্ঞা, প্রকাৰ, প্রতিযোগিতাৰ অর্থ আৰু সংজ্ঞা, প্রতিযোগিতাৰ প্রকৃতি আৰু বৈশিষ্ট্য, প্রতিযোগিতাৰ ভাগ, সহযোগিতা আৰু প্রতিযোগিতাৰ মাজৰ পার্থক্য, সংঘর্ষৰ অর্থ, সংজ্ঞা, প্রকৃতি, বৈশিষ্ট্য,আৰু প্রকাৰ, প্রতিযোগিতা আৰু সংঘর্ষৰ মাজৰ পার্থক্য, সহযোগিতা আৰু সংঘর্ষৰ মাজৰ পার্থক্য, সংঘর্ষৰ কাৰণ, উপযোগীকৰণৰ অর্থ ; সংজ্ঞা, বৈশিষ্ট্য, ভাগ বা পদ্ধতি উপযোগীকৰণৰ প্রয়োজনীয়তা, সদৃশীকৰণৰ অর্থ ,সংজ্ঞা, বৈশিষ্ট্য, সদৃশীকৰণৰ সমর্থনৰ কাৰকসমূহ, সদৃশীকৰণৰ প্রতিবন্ধকতা বা বাধাৰ কাৰকসমূহ, উপযোগীকৰণ আৰু সদৃশীকৰণৰ মাজৰ পার্থক্যসমূহ ।

অধ্যায় ৪ঃ **শিক্ষা আৰু সামাজিক পৰিবর্তন** ৬৭-৭৮

সামাজিক পৰিবর্তনৰ অর্থ, প্রকৃতি আৰু বৈশিষ্ট্য, কাৰণ, সামাজিক পৰিবর্তনৰ মাধ্যম সামাজিক পৰিবর্তনৰ কাৰক স্বৰূপে শিক্ষা।

অধ্যায় ৫ঃ **ভাৰতবর্ষত সামাজিক পৰিৱর্তন** ৭৯-৯৯

আধুনিকীকৰণৰ অর্থ, ধাৰণা, আৰু বৈশিষ্ট্য, আধুনিকতাৰ চর্ত, আধুনিকীকৰণৰ কাৰকসমূহ, ভাৰতীয় সমাজত আধুনিকীকৰণৰ প্রক্রিয়া, আধুনিকীকৰণত শিক্ষাৰ

ভূমিকা,পাশ্চাত্যকৰণৰ ধাৰনা, ভাৰতবর্ষত পাশ্চাত্যকৰণ,গোলকীকৰণৰ অর্থ আৰু বৈশিষ্ট্য, গোলকীকৰণ আৰু শিক্ষা, গোলকীকৰণৰ কাৰণবোৰ, ভাৰতীয় শিক্ষা ব্যৱস্থাত গোলকীকৰণৰ প্রভাৱ, গোলকীকৰণৰ সমালোচনাত্মক বিশ্লেষণ।

অধ্যায় ৬ঃ **সামাজিক সংগঠন আৰু বিংশৃখলতা** ১০০-১২৫

সামাজিক সংগঠনৰ অর্থ, ধাৰণা আৰু বৈশিষ্ট্যসমূহ ,সামাজিক সংগঠনত প্রভাৱ পেলোৱা কাৰকসমূহ ,লোকৰীতিৰ অর্থ, সংজ্ঞা আৰু বৈশিষ্ট্য, লোকাচাৰৰ অর্থ আৰু সংজ্ঞা, লোকাচাৰৰ বৈশিষ্ট্য, লোকৰীতি আৰু লোকাচাৰৰ মাজৰ পার্থক্য লোকৰীতি আৰু লোকাচাৰৰ শৈক্ষিক প্রভাৱ, সামাজিক বিশৃংখলতাৰ অর্থ আৰু সংজ্ঞা, সামাজিক বিশৃংখলতাৰ প্রকাৰ, সামাজিক

বিশৃংখলতা সৃষ্টিৰ কাৰক, সামজিক বিশৃংখলতা আঁতৰোৱাৰ উপায়, সামজিক বিশৃংখলতা ৰোধ আৰু নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা ।

অধ্যায় ৭ঃ **সামাজিক দল** **১২৬-১৫০**

সামাজিক দলৰ অর্থ, সংজ্ঞা, বৈশিষ্ট্য, আৰু প্রকাৰ, সামাজিক আন্তঃক্রিয়াৰ অর্থ, বৈশিষ্ট্য, কাৰকসমূহ , সামাজিক আন্তঃক্রিয়াৰ শৈক্ষিক প্রয়োগ, দলীয় গতিশীলতাৰ ধাৰণা আৰু সংজ্ঞা, দলীয় গতিশীলতাৰ শৈক্ষিক তাৎপর্য্য, নেতৃত্ব ধাৰণা, অর্থ সংজ্ঞা, উদ্দেশ্যসমূহ আৰু প্রকাৰসমূহ , নেতৃত্বৰ প্রশিক্ষণত শিক্ষাৰ ভূমিকা।

অধ্যায় ৮ঃ **সামাজিক স্তৰীকৰণ** **১৫১-১৬৩**

সামাজিক স্তৰীকৰণৰ অর্থ, সংজ্ঞা, প্রকৃতি, সামাজিক স্তৰীকৰণৰ কার্য্যাৱলীসমূহ, স্তৰীকৰণৰ উৎস, তত্ত্বসমূহ, সামাজিক স্তৰীকৰণৰ প্রকাৰ অথবা শ্রেণীসমূহ, শিক্ষা আৰু সামাজিক স্তৰীকৰণ।

অধ্যায় ৯ঃ **সামাজিক গতিশীলতা আৰু শিক্ষা** **১৬৪-১৭৯**

সামাজিক গতিশীলতাৰ অর্থ, সংজ্ঞা, প্রকৃতি,আৰু প্রকাৰ, সামাজিক গতিশীলতাৰ ধাৰাবাহিকতা আৰু পৰিবর্তন, সামাজিক গতিশীলতাত প্রভাৱ পেলোৱা কাৰকসমূহ, শিক্ষা আৰু গতিশীলতা, শিক্ষা আৰু গতিশীলতাৰ ক্ষেত্রত বাধাসমূহ।

অধ্যায় ১০ঃ **শিক্ষা আৰু সম্প্রদায়** **১৮০-১৯২**

সম্প্রদায়ৰ অর্থ, সংজ্ঞা, বৈশিষ্ট্য আৰু সম্প্রদায়ৰ প্রকাৰ,শিক্ষাৰ প্রতি সম্প্রদায়ৰ দায়িত্ব সম্প্রদায়ৰ জীৱনৰ বাবে শিক্ষা, বিদ্যালয়-সম্প্রদায়ৰ সম্বন্ধ ,সম্প্রদায়, বিদ্যালয় আৰু সমাজৰ ভূমিকা।

অধ্যায় ১১ঃ **শিক্ষা আৰু সংস্কৃতি** **১৯৩-২০৪**

সংস্কৃতিৰ অর্থ , প্রকৃতি, প্রকাৰ, সংস্কৃতি আৰু শিক্ষা,সংস্কৃতিৰ পৰিবর্তন শিক্ষা আৰু সংস্কৃতিৰ পৰিবর্তন, সাংস্কৃতিক পশ্চাৎৱর্তিতা, সাংস্কৃতিক পশ্চাৎৱর্তিতাৰ কাৰণসমূহ, সাংস্কৃতিক পশ্চাৎৱর্তিতা দূৰ কৰাৰ উপায়, সামাজিকীকৰণ প্রক্রিয়াত সংস্কৃতিৰ গুৰুত্ব।

অধ্যায় ১২ঃ **সমাজৰ পিছপৰা শ্রেণীৰ বাবে শিক্ষা** **২০৫-২২৭**

সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ অর্থ আৰু ধাৰণা অনুসূচীত জাতি, জনজাতি আৰু মহিলাসকলৰ বাবে সাংবিধানিক ব্যৱস্থাসমূহ সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ শিক্ষাৰ বাবে থকা ৰাষ্ট্রীয় সিদ্ধান্তসমূহ-কোঠাৰী আয়োগ (১৯৬৪-৬৬), শিক্ষাৰ ৰাষ্ট্রীয় নীতি (১৯৯২),শিক্ষাৰ অধিকাৰ (২০০৯),

সর্বশিক্ষা অভিযান (২০০১), ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযান (২০০৯), মধ্যাহ্ন ভোজন আঁচনি, মহিলা সমক্ষা কার্যসূচী, সহস্রাব্দ বিকাশৰ লক্ষ্য সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে অপ্রত্যাশিত শ্রেণীৰ শিক্ষাৰ বাবে পৰামর্শসমূহ।

অধ্যায় ১৩ঃ **শৈক্ষিক সা-সুবিধাৰ সমানীকৰণ** **২২৮-২৪৮**

শৈক্ষিক সা-সুবিধাৰ সমানীকৰণ ধাৰণা, শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ আইনী বিধি-ব্যৱস্থা, শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ বাবে গ্রহণ কৰা ভিন্ন পদক্ষেপসমূহ, শিক্ষাৰ ক্ষেত্রত সমসুযোগ প্রদানৰ সমস্যাসমূহ।

অধ্যায় ১৪ঃ **শিক্ষা আৰু গণতন্ত্ৰ** **২৪৯-২৬৯**

গণতন্ত্ৰৰ অৰ্থ, গণতন্ত্ৰত শিক্ষাৰ গুৰুত্ব, শিক্ষাৰ বিভিন্ন দিশত গণতন্ত্ৰৰ প্ৰভাৱ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অভিকৰণবোৰৰ ভূমিকা,গণতন্ত্ৰৰ সফলতাৰ মৌলিক নীতিসমূহ।

অধ্যায় ১৫ঃ **সামাজিক নিয়ন্ত্ৰণ** **২৬৯-২৮০**

সামাজিক নিয়ন্ত্ৰণৰ অৰ্থ, সংজ্ঞা,প্ৰকৃতি অথবা বৈশিষ্ট্য, প্ৰকাৰ,আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণৰ প্ৰভেদ,সামাজিক নিয়ন্ত্ৰণৰ অভিকৰণসমূহ সামাজিক নিয়ন্ত্ৰণত শিক্ষাৰ ভূমিকা ।

অধ্যায় ১ ঃ শিক্ষা সমাজতত্ত্ব

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ সমাজতত্ত্বৰ ধাৰণা

১.৩.১ সমাজতত্ত্বৰ অর্থ আৰু সংজ্ঞা

১.৩.২ শিক্ষা আৰু সমাজতত্ত্বৰ মাজত সম্পর্ক

১.৪ শিক্ষা সমাজতত্ত্বৰ অর্থ

১.৪.১ শিক্ষা সমাজতত্ত্বৰ সংজ্ঞা

১.৪.২ শিক্ষা সমাজতত্ত্বৰ প্রকৃতি

১.৪.৩ শিক্ষা সমাজতত্ত্বৰ পৰিসৰ

১.৫ শিক্ষাত সমাজতাত্ত্বিক দৃষ্টিভংগী গ্রহণৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

১.৬ শিক্ষা সমাজতত্ত্ব আৰু শিক্ষাৰ সমাজতত্ব

১.৭ শিক্ষা সমাজতত্ত্বৰ সীমাৱদ্ধতা

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ প্রসংগ পুথি

১.১০ অগ্রগতিৰ খতিয়ান

১.১১ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি -

- সমাজতত্ত্বৰ ধাৰণাটোৰ সংজ্ঞা দিব পাৰিব
- শিক্ষা সমাজতত্ত্বৰ প্রকৃতি আৰু পৰিসৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- শিক্ষাত সমাজতাত্ত্বিক দৃষ্টিভংগী গ্রহণৰ প্রয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰিব পাৰিব
- শিক্ষা সমাজতত্ত্ব আৰু শিক্ষাৰ সমাজতত্ত্বৰ মাজৰ পার্থক্য নির্ণয় কৰিব পাৰিব।

১.২ পৰিচয়

মানুহ সমাজত জন্মে আৰু সমাজতেই জীৱনপাত কৰে। মানুহৰ ওপৰত বিভিন্ন ধৰণৰ সামাজিক প্ৰভাৱ পৰে আৰু মানুহেও সমাজক বিভিন্ন ধৰণে প্ৰভাৱিত কৰে। ব্যক্তি আৰু সমাজ উভয়ে পাৰস্পৰিক প্ৰতিক্ৰিয়া দেখুৱায়। দুয়োৰে মাজত পাৰস্পৰিক সম্পৰ্ক আছে। এই কাৰকটোৰ বাবেই শিক্ষা ক্ষেত্ৰত ব্যক্তি আৰু সমাজৰ আন্তঃক্ৰিয়াৰ বিষয়টো এক গুৰুত্বপূৰ্ণ অধ্যয়নৰ বিষয়ত পৰিণত হৈছে। এই আন্তঃক্ৰিয়া হ'ল সমাজতত্ত্বত অধ্যয়ন কৰা এটা বিষয়। শিক্ষাৰ সামাজিক বৈশিষ্ট্য শিক্ষা সমাজতত্ত্বৰ জৰিয়তে অধ্যয়ন কৰা হয়। এই অধ্যায়টিত সমাজতত্ত্ব আৰু শিক্ষা সমাজতত্ত্বৰ কিছুমান মৌলিক ধাৰণা, ইয়াৰ প্ৰাসংগিকতা আৰু প্ৰত্যেক ব্যক্তিৰ দৈনন্দিন জীৱনত ইয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰা হ'ব।

১.৩ সমাজতত্ত্বৰ ধাৰণা

সমাজতত্ত্বৰ বিকাশৰ ইতিহাস আৰম্ভ হৈছে ১৮৩৭ চনৰ পৰা। ফৰাছী দাৰ্শনিক অ'গষ্ট ক'টেই পোন প্ৰথমবাৰৰ বাবে এটা ভাষণত 'সমাজতত্ত্ব' শব্দটো উল্লেখ কৰিছিল। 'সমাজতত্ত্ব' শব্দটোৰে তেওঁ সমাজ আৰু ব্যক্তিৰ মাজত থকা সম্পৰ্কৰ অধ্যয়নত বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰাৰ কথা কৈছে। ক'টেই বিষয়টোক বিষয়টো 'বিশুদ্ধ জ্ঞান' (Pure Knowledge) বুলি অভিহিত কৰিছিল। কাৰণ প্ৰণালীৱদ্ধভাৱে আৰু বিশুদ্ধ গৱেষণাৰ জৰিয়তে সমাজতত্ত্ব অধ্যয়ন কৰিব পাৰি।

১.৩.১ সমাজতত্ত্বৰ অর্থ আৰু সংজ্ঞা

অন্য সামাজিক বিজ্ঞানৰ তুলনাত সমাজতত্ত্ব এক নতুন অধ্যয়নৰ বিষয়। সকলো সামাজিক বিজ্ঞানৰ ভিতৰত সমাজতত্ব হ'ল সবাতোকৈ নতুন শাখা। কিন্তু অধ্যয়নৰ এটা শাখা হিচাপে সমাজতত্ত্বৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব প্ৰাচীন কালতেই গ্ৰীক দাৰ্শনিকসকলে উপলব্ধি কৰিছিল। এৰিষ্ট'টলে মানুহক সামাজিক প্ৰাণী বুলি অভিহিত কৰিছিল। তেওঁ সামাজিক প্ৰাণীৰূপে মানুহৰ সমাজতাত্ত্বিক অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু সম্ভাৱনীয়তা উপলব্ধি কৰিছিল। অৱশ্যে সেই কালছোৱাত অধ্যয়নৰ এক সুনিৰ্দিষ্ট বিষয় হিচাপে সমাজতত্ত্বৰ বিকাশ হোৱা নাছিল। সমাজতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ 'Sociology' ৰ মূল হ'ল ক্ৰমে লেটিন শব্দ 'Socius' আৰু গ্ৰীক শব্দ 'Logos'। 'Socius' ৰ অর্থ হ'ল 'সহযোগী' (associates) অথবা 'সংগী' (Companions)।'Logos' ৰ অর্থ হ'ল বিজ্ঞান' (the science of)। অর্থাৎ

'সমাজতত্ত্ব' ৰ বুৎপত্তিগত অর্থ হ'ল মানৱীয় সহযোগিতা অথবা মানৱ সমাজৰ অধ্যয়নৰ বিজ্ঞান। সমাজতত্ত্বৰ আধুনিক ধাৰণাটো স্পষ্ট ৰূপত বুজিবলৈ তলত কেইটামান সংজ্ঞা তুলি দিয়া হ'লঃ

- গিডিংচ্ৰ (Giddings) মতে, "সমাজৰ উৎপত্তি, বিকাশ, গাঁথনি আৰু কার্যকলাপ অধ্যয়নৰ প্রয়াসেই হ'ল সমাজতত্ত্ব।"
- কিম্বল্ য়াং-ৰ (Kimball Young) মতে, "এটা দলত ব্যক্তিৰ আচৰণ কেনেকুৱা হয় তাৰ অধ্যয়নেই সমাজতত্ত্ব।"
- মূৰ আৰু ক'লেৰ (Moore and Cole) ভাষাত, "সমাজতত্ত্বই একাধিক আচৰণ (plural behaviour) অধ্যয়ন কৰে।"
- ইমাইল দুৰখেইমে (Emile Durkheim) সমাজতত্ত্বৰ সংজ্ঞা দাঙি ধৰি ইয়াক "সামাজিক অনুষ্ঠান অধ্যয়নৰ বিজ্ঞান" বুলি অভিহিত কৰিছে।

উল্লিখিত সংজ্ঞাবোৰৰ সাৰমর্ম হ'ল সমাজৰ বিজ্ঞানসন্মত অধ্যয়নেই সমাজতত্ত্ব। ইয়াৰ জৰিয়তে সামাজিক পটভূমিত মানুহৰ আচৰণ অধ্যয়ন কৰা হয়। মানুহৰ জীৱনৰ দুটা দিশ জৈৱিক আৰু সামাজিক। সমাজতত্ত্বই মানুহক জৈৱিক সত্বাৰূপে নহয়, সামাজিক সত্বাৰূপে অধ্যয়ন কৰে।

ওপৰৰ সংজ্ঞাবোৰৰ বিশ্লেষণ কৰাৰ অন্তত অধ্যয়নৰ বিষয় হিচাপে সমাজতত্ত্বৰ কিছুমান সাধাৰণ বৈশিষ্ট্য ঠাৱৰ কৰিব পৰা যায়। বৈশিষ্ট্যবোৰ হ'ল-

- সমাজতত্ত্ব হ'ল সমাজৰ বিজ্ঞান।
- ই মানুহৰ সামাজিক সম্পর্ক আৰু আচৰণৰ প্রকৃতি অধ্যয়ন কৰে।
- ই মানৱ সমাজৰ উৎপত্তি, বিকাশ আৰু উন্নয়ন অধ্যয়ন কৰে।

১.৩.২ শিক্ষা আৰু সমাজতত্ত্বৰ মাজত সম্পর্ক

মানুহ আৰু মানৱীয় জীৱনৰ সৈতে জড়িত জ্ঞান লাভৰ দুটা শাখা হ'ল সমাজতত্ত্ব আৰু শিক্ষা। দুয়োটা বিষয়ৰ ঘনিষ্ঠ আন্তঃসম্পর্ক আছে। পৃথিৱীৰ সর্বত্র শিক্ষা লাভ মানৱ সমাজবোৰৰ মৌলিক কার্য-কলাপৰ মাজৰে এটা হৈ পৰিছে। এখন সমাজৰ অবিৰত অস্তিত্ব সমাজখনৰ ঐতিহ্য যুৱপ্রজন্মৰ হাতলৈ হস্তান্তৰ কৰাৰ ওপৰত নির্ভৰশীল। সমাজৰ নৱপ্রজন্মক সামাজিক ধৰণ-কৰণ আৰু প্রত্যাশা অনুসৰি প্রশিক্ষিত কৰি তোলা দৰকাৰ। তেতিয়াহে তেওঁলোকে সমীচীন ধৰণে আচৰণ কৰিব। সকলো সমাজৰে নিজ নিজ প্রয়োজনীয়তা পূৰণৰ নিজ পন্থা আছে। 'শিক্ষা' এক প্রক্রিয়া হিচাপে সমাজৰ প্রয়োজনবোৰ পূৰণৰ এক ফলপ্রসূ উপায় হিচাপে বর্তি থাকিব।

শিক্ষাৰ ইংৰাজী প্রতিশব্দ 'Education' ৰ উৎস হ'ল লেটিন শব্দ 'educare'। ইয়াৰ অর্থ হ'ল 'to draw out' অর্থাৎ 'বিকশাই তোলা'। অন্য এটা লেটিন শব্দ হ'ল 'educere', যাৰ অর্থ হ'ল 'লালন পালন কৰা' (to bring up)।

বহল অর্থত শিক্ষা মানে হ'ল কোনো ব্যক্তিয়ে সমাজত থাকি শিকা প্রতিটো কথা অথবা বিষয়। ডুৰখেইমৰ (Durkheim) মতে শিক্ষা হ'ল "নতুনপ্রজন্মৰ সামাজিকীকৰণ" প্রক্রিয়া। ই হ'ল সামাজিক ঐতিহ্য হস্তান্তৰ কৰাৰ প্রক্রিয়া। শিক্ষা হ'ল "মানৱ সমাজৰ প্রাপ্তবয়স্ক সদস্য সকলে তেওঁলোকৰ নিজৰ জীৱন আদর্শ অনুসৰি উঠি অহা প্রজন্মৰ বিকাশক গঢ় দিবলৈ কৰা প্রচেষ্টা।"

আগতেই উল্লেখ কৰা হৈছে যে শিক্ষা আৰু সমাজতত্ত্বৰ ওতঃপ্রোত সম্পর্ক আছে। শিক্ষা হ'ল সমাজৰ এটা গুৰুত্বপূর্ণ অনুষ্ঠান। ই এক সমাজসৃষ্ট অনুষ্ঠান। শৈক্ষিক কার্য-কলাপ হ'ল মানুহৰ কার্য-কলাপৰে এটা অংশ। এই দিশৰ পৰা চাবলৈ গ'লে 'শিক্ষা' হ'ল সমাজতত্ত্বৰ এটা শাখা। শিক্ষা সমাজতত্ত্ব হ'ল মূল সমাজতত্ত্ব বিষয়টোৰ এনে এক শাখা যিটোৱে সমাজ আৰু শিক্ষাৰ মাজত থকা সম্পর্কটোৰ বিভিন্ন সমস্যা অধ্যয়ন কৰে।

অগ্রগতিৰ নিৰীক্ষণ



প্রশ্ন নং ১. 'Sociology' (সমাজতত্ত্ব) শব্দটোৰ জনক কোন?

.....

প্রশ্ন নং ২. আপোনাৰ নিজৰ ভাষাত সমাজতত্ত্বৰ সংজ্ঞা দিয়ক।

.....

১.৪ শিক্ষা সমাজতত্ত্বৰ অর্থ

শিক্ষা হ'ল প্রতিটো শিশুৰ সামাজিকীকৰণ প্রক্রিয়া। ইয়াৰ অর্থ হ'ল সমাজৰ প্রয়োজনীয়তা, আশা আৰু প্রত্যাশা অনুসৰি প্রতিটো শিশুকে শিক্ষা দিয়া হয়। শিক্ষাই শিশুক সমাজৰ বাবে উপযোগী ব্যক্তিৰূপে গঢ়ি তোলে। এগৰাকী ব্যক্তি হিচাপে মানুহে সমাজৰ সুবিধাবোৰ উপভোগ কৰাৰ সুযোগ পাব লাগে। এনে সময়তে মানুহে নিজৰ সৃজনশীল আৰু উৎপাদনমুখী কামেৰে সমাজকো উপকৃত কৰিব লাগে। সেয়েহে শিক্ষাক এক সচেতন আৰু উদ্দেশ্যধর্মী কার্য বুলি ধৰা হয়। শিক্ষাৰ সহায়ত প্রতিটো শিশুৱে সমাজত একোটা সার্থক জীৱন কটোৱাৰ প্রশিক্ষণ লাভ কৰে। বিদ্যালয়কেন্দ্রিক শিক্ষাৰে সমাজৰ আনুষ্ঠানিক শিক্ষাৰ অনুষ্ঠান-প্রতিষ্ঠানবোৰে শিশুৰ সামাজিকীকৰণ প্রক্রিয়াৰ প্রশিক্ষণ আগবঢ়ায়। শিক্ষালাভৰ বিষয়ৰূপে শিক্ষা সমাজতত্ত্বক ব্যৱহাৰিক সমাজতত্ত্বৰ এটা গুৰুত্বপূর্ণ শাখা বুলি ক'ব পাৰি। ই শিক্ষা ক্ষেত্রত, বিশেষকৈ শ্রেণীকোঠাৰ ভিতৰৰ শিকন প্রক্রিয়াত সমাজতত্ত্বৰ তাত্ত্বিক নীতিসমূহ প্রয়োগ কৰে।

শৈক্ষিক সমাজতত্ত্ব হ'ল এনে এক বিষয় যিটোৰে শিক্ষাৰ সমাস্যাবোৰ সমাজতাত্ত্বিক নীতিৰ ব্যৱহাৰেৰে সমাধান কৰাত সহায় কৰে। শিক্ষা সমাজতত্ত্বই শিক্ষাৰ সামাজিক প্ৰকৃতি, প্ৰয়োগ আৰু তাৎপৰ্য সম্পৰ্কে আমাক সজাগ কৰি তোলে। শিক্ষাৰ্থী আৰু শিক্ষকৰ আচৰণ আৰু মনোভাৰ বিচৰা ধৰণে সলনি কৰিবলৈ শিক্ষা সমাজতত্ত্বৰ জৰিয়তে পদ্ধতি আৰু কাৰ্যৰূপায়ণৰ নিয়ম, আঁচনি আৰু কাৰ্যসূচী যুগুতকৰণ আদিৰ দৰে কাম কৰা হয়। এনে কামত শিক্ষাৰ্থী, শিক্ষক, পিতৃ-মাতৃ, অভিভাৱক, প্ৰশাসককে ধৰি বিদ্যালয় সম্প্ৰদায়ৰ প্ৰতিগৰাকী সদস্য তথা সমাজ কৰ্মী আৰু শৈক্ষিক প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলো লোককে সামৰি লোৱা হয়।

সমাজৰ বিভিন্ন সদস্যৰ সৈতে কৰা মত বিনিময়ৰ অধ্যয়ন কৰাৰ পাছত শিক্ষা সমাজতত্ত্বই শিক্ষাৰ ওপৰত তেওঁলোকৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। শিক্ষা সমাজতত্ত্বই শিক্ষাৰ মাধ্যমেৰে সমাজৰ উন্নতিৰ ওপৰত জোৰ দিয়ে। বিদ্যালয়কেন্দ্ৰিক শিক্ষা আৰু নিৰ্দেশনাৰ সমস্যাবোৰকো শিক্ষা সমাজতত্ত্বই সমাজৰেই সমস্যা বুলি গণ্য কৰে। উদাহৰণ স্বৰূপে শিক্ষা সমাজতত্ত্বই ল'ৰা-ছোৱালীক কেনে ধৰণৰ শিক্ষা দিয়া উচিত, পাঠ্যক্ৰম কেনে হোৱা উচিত, কোনবোৰ কিতাপ পঢ়োৱা উচিত, ল'ৰা-ছোৱালী কিয় অমনোযোগী অথবা স্কুলৰ পৰা পলায়ন কৰে আদি বিষয় অধ্যয়ন কৰে। এই প্ৰশ্নবোৰৰ উত্তৰ সমাজৰ প্ৰকৃতি আৰু ৰূপ অধ্যয়ন কৰাৰ পাছতহে গম পোৱা যায়। শিক্ষা সমাজতত্ত্বই এই সমস্যাবোৰৰ উপযুক্ত সমাধান বাহিৰ কৰাৰ চেষ্টা কৰে। শিক্ষা প্ৰক্ৰিয়াৰ বাবে অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সামাজিক আন্তঃক্ৰিয়াবোৰৰ ওপৰত শিক্ষা মনোবিজ্ঞানে আলোকপাত কৰে। চমুকৈ ক'বলৈ হ'লে মানুহক উন্নত সামাজিক জীৱত পৰিণত কৰিব পৰাকৈ ব্যক্তিত্বৰ বিকাশ ঘটোৱাত সহায় কৰা সম্পূৰ্ণ শৈক্ষিক আন্তঃক্ৰিয়াকে শিক্ষা সমাজতত্ত্বই প্ৰয়োগ কৰে।

শিক্ষা সমাজতত্ত্বৰ আলোচনাৰ পৰা আমি দুটা মৌলিক কথা জানিব পাৰিলো। ইয়াৰ জৰিয়তে আমি-

- সমাজৰ সামগ্ৰিক প্ৰণালীটোৰ এটা উপ-প্ৰণালী হিচাপে শিক্ষা পদ্ধতিৰ অধ্যয়ন কৰিব পাৰোঁ আৰু
- শৈক্ষিক পৰিঘটনা বিশ্লেষণত সমাজতত্ত্বৰ দৃষ্টিভংগী সমূহৰ প্ৰয়োগ কৰিব পাৰোঁ।

১.৪.১ শৈক্ষিক সমাজতত্ত্বৰ সংজ্ঞা

শৈক্ষিক সমাজতত্ত্বৰ সংজ্ঞা বিভিন্ন সমাজতত্ত্ববিদে ভিন ভিন ধৰণে দাঙি ধৰিছে। ইয়াৰে দুটামান গুৰুত্বপূৰ্ণ সংজ্ঞা তলত উল্লেখ কৰা হ'ল ঃ

➢ অ'ট'ৱাই (Ottowa) তলত দিয়া ধৰণে শিক্ষা সমাজতত্ত্বৰ সংজ্ঞা দিছে- "শিক্ষা হ'ল সমাজত চলি থকা এটা ক্ৰিয়া আৰু সমাজে শিক্ষাৰ প্ৰকৃতি নিৰ্ধাৰণ কৰাৰ ভূমিকা পালন কৰে - এই ধাৰণাটোৰে শিক্ষা সমাজতত্ত্বৰ সূচনা হয়।"

- কুক আৰু কুকৰ (Cook and Cook) মতে, "মানৱীয় সম্পৰ্ক আৰু পার্থিৱ কল্যাণৰ ক্ষেত্ৰত থকা শৈক্ষিক সমস্যাবোৰ সমাধানৰ বাবে সমাজতাত্ত্বিক জ্ঞান আৰু কৌশলৰ প্ৰয়োগেই শিক্ষা সমাজতত্ত্ব।"
- ৰ'বার্ট ষ্টালকাপ্ৰ (Robert Stalcup) ভাষাত, "শিক্ষা পৰিচালনা আৰু শিক্ষা প্ৰক্ৰিয়াত সমাজতত্ত্বৰ সাধাৰণ নীতি আৰু সিদ্ধান্তবোৰৰ প্ৰয়োগেই শিক্ষা সমাজতত্ত্ব।"
- ব্ৰাউনৰ (Brown) মতে, "ব্যক্তি আৰু তেওঁৰ সাংস্কৃতিক পৰিৱেশৰ মাজত সংঘটিত হোৱা আন্তঃক্ৰিয়াৰ (interaction) অধ্যয়নেই শিক্ষা সমাজতত্ত্ব।"
- গুডৰ (Good) ভাষাত, "শিক্ষা সমাজতত্ত্ব হ'ল মানুহ কেনেদৰে সামাজিক গোটত বাস কৰে সেয়া জানিবলৈ কৰা বিজ্ঞানসন্মত অধ্যয়ন। ইয়াৰ জৰিয়তে বিশেষভাৱে সামাজিক গোটত বাস কৰোঁতে আহৰণ কৰা শিক্ষা আৰু সামাজিক গোট ফলপ্ৰসূভাৱে জীৱন নিৰ্বাহ কৰিবলৈ সদস্যসকলক প্ৰয়োজন হোৱা শিক্ষাৰ অধ্যয়নক সামৰি লোৱা হয়।"

১.৪.২ শিক্ষা সমাজতত্ত্বৰ প্ৰকৃতি

শিক্ষা সমাজতত্ত্বৰ প্ৰকৃতি তলত উল্লেখ কৰা ধৰণৰ হ'ব পাৰে ঃ

- মানুহ সামাজিক জীৱ। মানুহে বিদ্যালয়ত শিক্ষা আৰু সহপাঠীৰ সহায়ত সামাজিক সমাযোজনৰ পাঠ শিকিবলগীয়া হয়। শিক্ষা সমাজতত্ত্বই মানুহৰ সামাজিক প্ৰকৃতি চিনাক্ত কৰি সেইমতে পৰিকল্পনা যুগুত কৰে।
- সামাজিক জীৱ হিচাপে সকলো মানুহেই সমান। জন্ম, জীৱিকা, বিশ্বাস আৰু বাসস্থানৰ আধাৰত মানুহৰ প্ৰতি বৈষম্যৰ মনোভাৱ পোষণ কৰিব পৰা নাযায়। শিক্ষা সমাজতত্ত্বই এই মৌলিক নীতিটোক স্বীকৃতি দি কোনো ভেদভাৱ নৰখাকৈ সকলো মানুহৰ বাবে শিক্ষা লাভৰ পথ সুগম কৰি তোলে। মানুহক নিজৰ সর্বোচ্চ সামর্থ অনুসৰি শিক্ষা লাভৰ সুযোগ দিয়া হয়।
- মানুহ সামাজিক উপাদানৰ দ্বাৰা অৱশ্যেই প্ৰভাৱিত হয়। শিক্ষা সমাজতত্ত্বই এনে প্ৰভাৱ বস্তুনিষ্ঠভাৱে অধ্যয়ন কৰে আৰু লব্ধ ফলাফলবোৰ বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশত প্ৰয়োগ কৰে।
- সমাজৰ সবাতোকৈ গুৰুত্বপূর্ণ উপাদান হ'ল সংস্কৃতি। এই সংস্কৃতি বিদ্যালয়বোৰে আনুষ্ঠানিক ভাৱে সংৰক্ষণ আৰু হস্তান্তৰ কৰে। শিক্ষা সমাজতত্ত্বই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্কৃতি তুলনা কৰি কোনো এক সংস্কৃতিৰ বাঞ্ছিত আৰু অবাঞ্ছিত দিশবোৰ বিশ্লেষণ কৰে।

- শিক্ষা সমাজতত্ত্বই সমাজৰ আর্থ-সামাজিক প্ৰৱণতা আৰু চাহিদাৰ কথা মনত ৰাখি পাঠ্যক্ৰম যুগুত কৰাত দার্শনিকসকলক সহায় কৰে।
- শিক্ষা সমাজতত্ত্বই আন শৈক্ষিক গৱেষণাৰ বাবে মজবুত সামাজিক ভেটি গঢ়ি দিয়ে। শিক্ষাত সমাজতাত্ত্বিক গৱেষণাৰ বিশেষ গুৰুত্ব আছে।
- উপযুক্ত শিক্ষা প্ৰদান কৰি আঁতৰাবলগীয়া সামাজিক আৰু দলীয় সংঘাতৰ কাৰণবোৰ শিক্ষা সমাজতত্ত্বই অধ্যয়ন কৰে।
- শিক্ষা সমাজতত্ত্বই সমাজত শিশুক স্বতন্ত্ৰভাৱে জীয়াই থকাৰ পথ সুচল কৰি তোলে।

১.৪.৩ শিক্ষা সমাজতত্ত্বৰ পৰিসৰ

শিক্ষাৰ সূত্ৰ আৰু অনুশীলন ক্ষেত্ৰখনত এটা বিশেষ বিষয়ৰূপে শিক্ষা সমাজতত্ত্বৰ অধ্যয়নৰ গুৰুত্ব আছে। সমাজতাত্ত্বিক দৃষ্টিভংগী মতে শিক্ষা মানে কেৱল বিদ্যালয়কেন্দ্ৰিক কার্যকলাপ অথবা শিক্ষণ-শিকন প্ৰক্ৰিয়া অথবা কেইটামান বিষয়েৰে গঠিত নির্দিষ্ট গোট নহয়। ই হ'ল সামাজিক জীৱন আৰু ইয়াৰ অভিজ্ঞতাবোৰৰ শিক্ষা প্ৰদান কৰি শিক্ষার্থীৰ চৰিত্ৰ আৰু সামাজিক ব্যক্তিত্বৰ বিকাশ ঘটোৱা কার্য। আমাৰ সামাজিক জীৱন বহু ভিন্নধর্মী অভিজ্ঞতাৰে পুষ্ট। এনে অভিজ্ঞতাবোৰ খেল-ধেমালি, সংগীত, কলা আৰু সংস্কৃতি, ধর্মীয় আৰু সমূহীয়া ৰীতি-নীতি, উৎসৱ-পার্বন, বাদ-বিবাদ, আলোচনা আৰু শ্ৰেণীকোঠাৰ ভিতৰত তথা বাহিৰত সামাজিক-ৰাজনৈতিক অৱস্থালব্ধ অভিজ্ঞতাৰ বৌদ্ধিক ভাগ-বাটোৱাৰা আদিৰ পৰা আহৰণ কৰা হয়। অর্থাৎ শিক্ষাই সমাজতত্ত্ব অধ্যয়নৰ বহল পৰিসৰৰ সৃষ্টি কৰি দিয়ে। আধুনিক শিক্ষাক সেয়েহে সমাজতাত্ত্বিক অধ্যয়ন বুলিও ধৰিব পাৰি। ইয়াৰ মূল উদ্দেশ্য হ'ল প্ৰতিটো শিশুক বিদ্যালয়কেন্দ্ৰিক কার্যসূচীৰ যোগেদি সামাজিক কৰি তোলা। শিক্ষা সমাজতত্ত্বই আগবঢ়োৱা কেইটামান অধ্যয়ন ক্ষেত্ৰ অথবা প্ৰধান কার্যক্ষেত্ৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

শিক্ষাৰ লক্ষ্য

সমাজৰ সকলো শ্ৰেণীৰ লোকৰে গ্ৰহণযোগ্য উপযুক্ত শিক্ষাৰ লক্ষ্য এটা নির্ধাৰণ কৰাটো হ'ল শিক্ষাৰ এটা ডাঙৰ সমস্যা। এটা অধ্যয়নৰ বিষয় হিচাপে সমাজতত্ত্বই শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য নির্ধাৰণত এটা গুৰুত্বপূর্ণ ভূমিকা লয়। সমাজতাত্ত্বিক দৃষ্টিভংগীৰে শিক্ষাৰ লক্ষ্য হ'ল সমাজত ব্যক্তিক এটা উন্নত জীৱন যাপন কৰিব পৰাকৈ গঢ়ি তোলা। এটা শিশুৰ ব্যক্তিগত জৈৱিক গুণ, সহজাত প্ৰবৃত্তি আৰু আগ্ৰহবোৰক প্ৰশিক্ষিত আৰু বিকশিত কৰি সামাজিক উন্নতিৰ বাবে প্ৰয়োগ কৰিব লাগে। জন ডিৱীয়ে সমাজতাত্ত্বিক

দৃষ্টিভংগীৰে শিক্ষাৰ লক্ষ্য নির্ধাৰণত জোৰ দিছিল। এই লক্ষ্য মতে শিক্ষাই শিশু এটাক সামাজিকভাৱে যোগ্য আৰু সমর্থ কৰিব লাগে। শিক্ষাৰ এটা উপযুক্ত লক্ষ্য নির্ধাৰণত সমাজতত্ত্বই প্রত্যক্ষ প্রভাৱ পেলায়। সমাজতাত্ত্বিক অধ্যয়নে শিক্ষক আৰু শিক্ষাবিদক সমাজত ব্যক্তিগত বিকাশৰ সহায়ক হোৱাকৈ শিক্ষাৰ লক্ষ্য নির্ধাৰণ কৰাত সহায় কৰিব পাৰে।

শিক্ষাৰ কার্যকলাপ

এটা অধ্যয়নৰ বিষয় হিচাপে শিক্ষাৰ বিস্তৃত কার্যকলাপৰ সৈতে সমাজতত্ত্বৰ মিল আছে। শিক্ষাৰ চিন্তাবিদসকলৰ মতে শিক্ষাৰ কার্যকলাপক প্রধানকৈ দুটা ভাগত ভগাব পাৰি- ৰক্ষণশীল আৰু প্রগতিশীল। শিক্ষাৰ কাম হ'ল অতীতৰ মানুহৰ সামাজিক ঐতিহ্য সংৰক্ষণ আৰু প্রতিপালন কৰা। প্রতিটো নৱ প্রজন্মই পূর্বপুৰুষৰ কলা, সংস্কৃতি, সাহিত্য, বিজ্ঞান আৰু প্রযুক্তিৰ বিষয়ে জানিব লাগে। সৰু ল'ৰা-ছোৱালীয়ে এই কথাবোৰ কিতাপ নাইবা বিদ্যালয়ৰ পাঠ্যবিষয়ৰ যোগেদি জানিব পাৰে। শিক্ষকে নৱপ্রজন্মৰ মনত এই ঐতিহ্য সংৰক্ষণ কৰোৱা প্রক্রিয়াত সমাজক সহায় কৰে। এনেদৰে শিক্ষায়ো ভৱিষ্যতৰ বাবে সামাজিক ঐতিহ্যৰ অগ্রগতি আৰু বিকাশৰ বাবে প্রয়োজনীয় সহায় আগবঢ়াব লাগিব। শিক্ষাই এই উদ্দেশ্যে মানুহৰ মনত নতুন চিন্তা-ধাৰণা, নীতি আৰু নৱসৃষ্টিৰ বীজ অংকুৰিত কৰিব লাগে। অধ্যয়নৰ বিষয় হিচাপে সমাজতত্ত্বই শিক্ষাৰ মাধ্যমেৰে সামাজিক ঐতিহ্যৰ প্রগতিশীল বিকাশ সন্দর্ভত আমাক ধাৰণা আৰু সূক্ষ্মদৃষ্টিৰ যোগান ধৰিব পাৰে।

পাঠ্যক্রম

আধুনিক শিক্ষাৰ বাবে ফলপ্রসু পাঠ্যক্রম নিধাৰণৰ এক বহল সুযোগ সমাজতত্ত্বই আগবঢ়ায়। সমাজৰ প্রয়োজনীয়তা যিহেতু এক পৰিৱর্তনশীল প্রক্রিয়া, সেয়েহে ইয়াৰ সৈতে খাপ খোৱাকৈ পাঠ্যক্রমেও গতিশীলতা আৰু প্রগতিশীলতাৰ নীতি অনুসৰণ কৰিব লাগে। সমাজতাত্ত্বিক দৃষ্টিভংগী মতে পাঠ্যক্রমত সমাজৰ সামাজিক, সাংস্কৃতিক, বৈজ্ঞানিক আৰু প্রযুক্তিগত প্রমূল্যৰ লগতে সমাজৰ আশা, প্রত্যাশা, ভৱিষ্যৎ প্রয়োজনীয়তা আৰু ভৱিষ্যত সম্ভাৱনা আদি প্রতিফলিত হ'ব লাগে। সেয়েহে পাঠ্যক্রম পৰিকল্পনা সমাজৰ অৱস্থা তথা প্রয়োজনভিত্তিক হ'ব লাগে। বিদ্যালয়ৰ পাঠ্যক্রমত অর্ন্তভুক্ত বিষয়বস্তুবোৰ অতীতৰ আৰু বর্তমানৰ সমাজৰ বাবে প্রাসংগিক বিষয়ৰ হ'ব লাগে। সমাজৰ সমাজতাত্ত্বিক প্রয়োজন, আশা আৰু সম্ভাৱনাৰ বিষয়ে বিবেচনা কৰি পাঠ্যক্রমৰ বাবে কিছুমান নতুন বিষয় অর্ন্তভূক্ত কৰিব লাগে। অর্থাৎ আমি ক'ব পাৰোঁ যে বিদ্যালয়ৰ পাঠ্যক্রম নির্ধাৰণৰ বুনিয়াদ সমাজতত্ত্বই গঢ়ি দিয়ে।

শিক্ষা পদ্ধতি

অধ্যয়নৰ বিষয় হিচাপে সমাজতত্ত্বই আধুনিক শিক্ষাৰ পাঠদান পদ্ধতিৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। পুৰণি কালত শিক্ষা আছিল শিক্ষকৰ একপাক্ষিক কাৰ্য। শিক্ষকে পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতি নিয়ন্ত্ৰণ কৰাৰ লগতে বিদ্যালয়ত নিয়মানুৱৰ্তিতাৰ মান নিৰ্ধাৰণ কৰিছিল। শিক্ষকৰ এনে প্ৰায় একনায়কত্ববাদী ভূমিকা শিক্ষাৰ্থীৰ ওপৰত বলবৎ হৈছিল। শিক্ষাৰ্থীৰ আগ্ৰহ, শিক্ষা গ্ৰহণৰ ক্ষমতা, আশা আৰু ইচ্ছাক পুৰণি শিক্ষা পদ্ধতিত বিবেচনা কৰা হোৱা নাছিল। বৰ্তমান এনে শিক্ষা পদ্ধতি নাকচ কৰা হৈছে। শিক্ষকৰ একপাক্ষিক আৰু একছত্ৰী ভূমিকা আঁতৰ কৰা হৈছে। বৰ্তমান বিদ্যালয়বোৰক ল'ৰা-ছোৱালীক সামাজিক কাৰ্যদক্ষতা বৃদ্ধি কৰা আৰু উন্নতিৰ প্ৰশিক্ষণথলী বুলি গণ্য কৰা হয়। শিকনত স্ব-কাৰ্যৰ (self-activity in learning) জৰিয়তে ল'ৰা-ছোৱালীক আত্ম-প্ৰকাশৰ (self-expression) সুযোগ দিয়া হয়। বিদ্যালয়ৰ সদস্য হিচাপে শিক্ষাৰ্থীসকলে স্বতন্ত্ৰতা আৰু গণতান্ত্ৰিক মৰ্যাদা উপভোগ কৰে। শিক্ষণৰ আধুনিক পদ্ধতিয়ে আচৰণ, সামাজিক অংশগ্ৰহণ আৰু শিক্ষন প্ৰক্ৰিয়াত সহযোগিতাৰ ওপৰত গুৰুত্ব দিয়ে। শিক্ষণৰ আধুনিক পদ্ধতিয়ে শ্ৰেণীকোঠাৰ পৰিৱেশৰ দলীয় জীৱনক প্ৰভাৱিত কৰা সামাজিক শক্তিবোৰক ব্যৱহাৰ কৰাৰ প্ৰয়াস কৰে।

নিয়মানুৱৰ্তিতা

বৰ্তমানৰ নিয়মানুৱৰ্তিতাৰ পদ্ধতিবোৰ আৰু তাৰ অন্তৰ্নিহিত নীতিবোৰকো সমাজতত্ত্বৰ ধাৰণাই প্ৰভাৱিত কৰিছে। পুৰণি কালত নিয়মানুৱৰ্তিতা নিয়ন্ত্ৰণৰ নীতি আৰু শাস্তিৰ জৰিয়তে দমন পদ্ধতিৰে পৰিচালিত হৈছিল। এই দমনমূলক পদ্ধতিটোৰ সলনি আত্মউপলব্ধিৰ জৰিয়তে কৰা স্ব-কাৰ্য আৰু স্ব-নিয়ন্ত্ৰণৰ স্বাধীনতাৰ ধাৰণাটো প্ৰয়োগ কৰা হৈছে। বৰ্তমানৰ শিক্ষাই শ্ৰেণীকোঠাত সৃষ্টি হোৱা সামাজিক পৰিৱেশত শিশুৰ স্বতঃস্ফুৰ্ত আত্ম-প্ৰকাশত বিশ্বাস কৰে। ডিউইৰ প্ৰয়োগবাদী দৰ্শনে দলীয় জীৱনত কাম কৰাৰ সমূহীয়া দায়িত্ব অৰ্পণৰ যোগেদি শিশুক নিয়মানুৱৰ্তী কৰি তুলিব পাৰি বুলি বিশ্বাস কৰে। অৰ্থাৎ, আধুনিক শিক্ষাত কাৰ্য সম্পাদন কৰিবলৈ সক্ষম নিয়মানুৱৰ্তিতাৰ পদ্ধতি এটা উলিওৱাত শিক্ষকক সমাজতত্ত্বই সহায় কৰে।

শিক্ষকৰ ভূমিকা

সমাজতত্ত্বৰ ধাৰণাই শিক্ষকৰ ভূমিকা তথা দায়িত্বৰ ধাৰণাটোক গভীৰভাৱে প্ৰভাৱিত কৰিছে। শিক্ষকক পাঠস্ৰষ্টা আৰু কোমল মনৰ শিশুক নিয়মানুৱৰ্তিতা শিকোৱা ব্যক্তি বুলি ধৰা নহয়। তেওঁ শিক্ষকতা কৰি থকা বিদ্যালয়খন যিখন সমাজ অথবা সম্প্ৰদায়ৰ অংশ সেইখন সমাজ অথবা সম্প্ৰদায়লৈকো তেওঁৰ ভূমিকা আৰু দায়িত্ব প্ৰসাৰিত

হয়। বিভিন্ন সামাজিক সমস্যাৰ সন্মুখীন হোৱা আৰু সমাধান কৰাত তেওঁ সম্প্রদায় একোটাক সার্থক নেতৃত্ব দিব লাগে। মানুহৰ সমূহীয়া জীৱন যাপনৰ মান উন্নত কৰিবলৈ শিক্ষকে নিৰক্ষৰ প্রাপ্তবয়স্ক লোকসকলক শিক্ষিত কৰি তোলাৰ দায়িত্ব পালন কৰে। শিক্ষকে এই লোকসকলৰ স্বাস্থ্য আৰু ব্যক্তিগত পৰিচ্ছন্নতা বর্তাই ৰাখিবলৈ আৰু তেওঁলোকৰ অর্থনৈতিক তথা সাংস্কৃতিক জীৱনৰ উদগনি দিবলৈ প্রয়োজনীয় ব্যৱস্থা লয়। শিক্ষকৰ এই বিশাল উদ্দেশ্যবোৰৰ কথা বিবেচনা কৰি বর্তমান বিদ্যালয়বোৰক সমূহীয়া উন্নয়ন কেন্দ্র (Community development centre) বুলি কোৱা হয়। সমাজতত্ত্ব অধ্যয়নে শিক্ষকক তেওঁৰ দায়িত্ব আৰু ভূমিকা সম্পর্কে স্পষ্ট হোৱাত সহায় কৰে।

ওপৰত উল্লেখ কৰা শিক্ষা সমাজতত্ত্বৰ প্রভাৱ ক্ষেত্রবোৰৰ উপৰি বিষয়টো অধ্যয়নৰ সৈতে জড়িত থকা দুটামান সমস্যাৰ কথা ডº এছ. এছ. মাথুৰে উল্লেখ কৰিছে। সমস্যাবোৰ হ'ল-

- সমাজত শিক্ষকৰ গুৰুত্ব কি আৰু তেওঁক কেনেকৈ সমাজত এখন সন্মানীয় আসন দিয়া হ'ব?
- শিক্ষক আৰু শিক্ষার্থীৰ মাজত কেনে ধৰণৰ সম্পর্ক গঢ় লৈ উঠা উচিত? এই সম্পর্কক সামাজিক অনুভূতিয়ে কেনেদৰে প্রভাৱিত কৰে?
- বিদ্যালয় আৰু অন্য অনুষ্ঠান-প্রতিষ্ঠানৰ (agency) মাজত পাৰস্পৰিক সম্পর্ক কেনেদৰে স্থাপন কৰিব পৰা যায়?
- স্থানীয় সম্প্রদায়ৰ প্রয়োজনীয়তা আৰু অভিপ্রায়বোৰ কি?
- সামাজিক উপাদানবোৰ কেনেকৈ বিদ্যালয়, খেলপথাৰ আদিৰ দৰে ক্ষুদ্র এককত ভাঙিব পাৰি আৰু এনে উপাদানবোৰৰ মাজত কেনে সম্পর্ক থাকে?
- সামাজিক জীৱনে কেনেদৰে বিদ্যালয় আৰু ব্যক্তিক প্রভাৱিত কৰে?
- আদর্শ সামাজিক জীৱন আৰু বিদ্যালয়ত লাভ কৰা সু-শিক্ষাৰ দ্বাৰা কেনেদৰে গণতান্ত্রিক অনুভৱ জন্মা ব পাৰি?
- ব্যক্তি আৰু সামাজিক প্রগতিত সহায়ক হ'ব পৰাকৈ পাঠ্যক্রমত কেনেকৈ ঈপ্সিত পৰিৱর্তন সাধন কৰিব পৰা যায়?
- সমাজতাত্ত্বিক প্রগতিত ছপামাধ্যম, ৰেডিঅ' আৰু বোলছবিৰ গুৰুত্ব কি?
- সামাজিক প্রগতি আৰু সামাজিক নিয়ন্ত্রণ কেনেদৰে সম্ভৱপৰ হৈ উঠিব?

ওপৰৰ আলোচনাৰ অন্তত আমি ক'ব পাৰোঁ যে সামাজিক সম্পর্কৰ প্রতিটো প্রকাৰকে শিক্ষা সমাজতত্ত্বৰ পৰিসৰে সামৰি লয়।



জানি থোৱা ভাল

তলত ক্লার্কৰ বিখ্যাত আৰ্হিটো তুলি দিয়া হ'ল। এই আৰ্হিটোত শিক্ষা সমাজতত্ত্বৰ চাৰিটা খণ্ড অথবা অধ্যয়ন ক্ষেত্ৰৰ কথা কোৱা হৈছে।

শিক্ষা সমাজতত্ত্ব

শিক্ষা আৰু সমাজতত্ত্ব

শিক্ষানুষ্ঠান **শিক্ষা সংগঠনবোৰে** **অন্য অনুষ্ঠানৰ শিক্ষা উপ-পদ্ধতিবোৰ**



অগ্রগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩. শিক্ষা সমাজতত্ত্ব মানে কি?

.....

প্ৰশ্ন নং ৪. শিক্ষা সমাজতত্ত্বৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰক।

.....

১.৫ শিক্ষাত সমাজতাত্ত্বিক দৃষ্টিভংগী গ্ৰহণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

সমাজ বিজ্ঞানৰ সকলো শাখাৰে বিংশ শতিকাত উল্লেখযোগ্য বিকাশ ঘটিছে। এই পটভূমিত মানৱীয় সম্পৰ্কৰ বিজ্ঞান হিচাপে সমাজতত্ত্বৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সকলোৱে উপলব্ধি কৰিছে। বৰ্তমান অৰ্থনীতি, ৰাজনীতি, মনোবিজ্ঞান আৰু শিক্ষাৰ দৰে কলা বিভাগৰ বিভিন্ন শাখাত সমাজৰ বৈজ্ঞানিক অধ্যয়নৰ বিকাশ ঘটিছে। সাম্প্ৰতিক সময়ৰ শিক্ষাত গণতান্ত্ৰিক ধাৰণা আৰু ইয়াৰ বৰ্দ্ধিত জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা সমাজতত্ত্বৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। ই শিকন আৰু বিকাশৰ ক্ষেত্ৰত মানৱীয় সম্পৰ্ক আৰু আন্তঃসম্পৰ্কবোৰ বুজাত সহায় কৰে। আধুনিক শিক্ষাবিদসকল শৈক্ষিক সমস্যাবোৰক সমাজতাত্ত্বিক দৃষ্টিভংগীৰে ব্যাখ্যা কৰাৰ প্ৰতি আগ্ৰহী। সেয়েহে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত সমাজতত্ত্ব শিক্ষাৰ অধিক চাপি আহিছিল। বিশদ আলোচনালৈ নগৈ শিক্ষাত সমাজতাত্ত্বিক দৃষ্টিভংগী গ্ৰহণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব বুজি পাবলৈ তলৰ কথাকেইটা মনত ৰাখি থ'লে কামত আহিব-

- সমাজৰ বিভিন্ন শ্রেণীৰ লোকক সন্তুষ্ট কৰিব পৰাকৈ শিক্ষাৰ এটা গ্রহণযোগ্য লক্ষ্য নির্ধাৰণ কৰাত শিক্ষা সমাজতত্ত্বৰ অধ্যয়ন কৰিবই লাগিব।
- শিক্ষা সমাজতত্ত্বৰ অধ্যয়নে সমাজৰ বাবে লাভদায়ক পাঠ্যক্রম এখন যুগুত কৰাত সহায় কৰিব পাৰে। এনে পাঠ্যক্রম সামাজিক লোকৰ আশা আৰু প্রত্যাশাক বাস্তৱত ৰূপ দিয়াত সহায় কৰিব পাৰে।
- শিক্ষা সমাজতত্ত্বই সমাজত শিক্ষক আৰু শিক্ষার্থীক শিক্ষাৰ ৰক্ষাণশীল আৰু প্রগতিশীল ভূমিকা বুজাত সহায় কৰে।
- সমাজতত্ত্বই বিদ্যালয় আৰু সমাজ অথবা সম্প্রদায়ৰ মাজত থকা সম্পর্ক বুজাত সহায় কৰে। সামাজিক প্রগতিৰ সহায়ক আৰু সম্প্রদায়ৰ অংগ হিচাপে বিদ্যালয়বোৰে এখন বিশেষ সমাজৰূপে সম্পাদন কৰা কাম-কাজবোৰৰ বিষয়েও সমাজতত্ত্বই আমাক জনাৰ সুযোগ দিয়ে।
- ই শিক্ষক আৰু শিক্ষার্থীক সমাজৰ প্রতি থকা দায়িত্ব আৰু মোল বুজাত সহায় কৰে। ফলত তেওঁলোকৰ কাম-কাজ কল্যাণকাৰী হয়।
- সমাজতত্ত্বৰ যোগেদি মানুহে সমাজৰ অন্য সদস্যৰ সৈতে মিলি কেনেদৰে উন্নত জীৱন যাপন কৰিব পাৰে সেয়ে শিকে আৰু কাৰো ক্ষতি নোহোৱাকৈ সচেতনভাৱে ব্যক্তিয়ে নিজৰ অধিকাৰ আৰু নিজ দায়িত্ব বুজি পায়।
- শিক্ষা সমাজতত্ত্বৰ অধ্যয়নে সামাজিক অনুষ্ঠানবোৰৰ মাজৰ সম্পর্ক বুজাত আৰু সামাজিক জীৱনৰ অৱস্থা নিয়ন্ত্রণ তথা উন্নত কৰাত সহায় কৰে।
- এটা সামাজিক একক হিচাপে পৰিয়ালৰ ভূমিকা, বিদ্যালয় আৰু সমাজৰ প্রকৃতি আৰু বৈশিষ্ট্য আদি বিষয় সমাজতত্ত্বত স্পষ্টকৈ বর্ণনা কৰা হৈছে।
- শিক্ষাৰ সমাজতাত্ত্বিক ধাৰণাই শিক্ষাৰ বর্তমানৰ গণতান্ত্রিক নীতিবোৰ বুজাত তথা সেইবোৰৰ উপযুক্ত প্রয়োগত সহায় কৰে।
- বিজ্ঞান আৰু প্রযুক্তিৰ দ্বাৰা সৃষ্ট আধুনিক সমাজৰ জটিলতাবোৰ স্পষ্টকৈ বুজাত সমাজতত্ত্বই সহায় কৰাৰ লগতে সেইবোৰ ফলপ্রসূভাৱে সমাধান কৰাৰো উপায় আগবঢ়ায়।
- মানুহৰ নব্য দৃষ্টিভংগী আৰু মনোভাৱৰ বিকাশ ঘটাই বর্তমানৰ সমাজখনৰ আধুনিকীকৰণক সমাজতাত্ত্বিক অধ্যয়নে সম্ভৱপৰ কৰি তোলে।
- শিক্ষা সমাজতত্ত্বই বিভিন্ন ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় বিষয় তথা সমস্যা বুজাত সহায় কৰে। ইয়াৰ দ্বাৰা মানুহৰ মনত ৰাষ্ট্রীয় সংহতি আৰু আন্তঃৰাষ্ট্রীয় তথা বিশ্বজনীন বুজাপৰাৰ মনোভাৱৰ বিকাশ ঘটে।

১.৬ শিক্ষা সমাজতত্ত্ব আৰু শিক্ষাৰ সমাজতত্ত্ব

অধিকাংশ সমাজতত্ত্ববিদে মানি লয় যে শিক্ষাৰ অধ্যয়নত সমাজতাত্ত্বিক দৃষ্টিভংগী গ্রহণৰ কথা স্পষ্টভাৱে পোনপ্রথমবাৰৰ বাবে উল্লেখ কৰা চিন্তাবিদ গৰাকী হ'ল ইমাইল ডুৰখেইম (Emile Durkheim)। কিন্তু ডুৰখেইমে নিজৰ মতামত স্পষ্ট ৰূপত উল্লেখ কৰাৰ বহুবছৰ পাছতহে সমাজতত্ত্ববিদ সকলে এই দিশত অধ্যয়ন আৰম্ভ কৰিছিল।

স্মিথ, জোৰবাগ, কাল্‌প আৰু আন বহুতো তাত্ত্বিকৰ মতে শিক্ষা সমাজতত্ত্ব হ'ল শৈক্ষিক সমস্যাবোৰত সমাজতত্ত্বৰ প্রয়োগ। এই দৃষ্টিভংগী মতে শিক্ষা সমাজতত্ত্ব হ'ল মাথো প্রযুক্তি; ই বিজ্ঞান মুঠেই নহয়। ফ্রান্সিচ ব্রাউনৰ ভাষাত, শিক্ষা সমাজতাত্ত্বিকসকলে দুয়োখন ক্ষেত্রতে শিকা কথাবোৰ প্রয়োগ কৰে কিন্তু শিক্ষাৰ সমগ্র প্রক্রিয়াটোত সমাজতাত্ত্বিক নীতি প্রয়োগৰ দ্বাৰা এক নতুন বিজ্ঞানৰ মাধ্যমেদি দুয়োখন ক্ষেত্রক জোৰা লগায়। অর্থাৎ, শিক্ষা প্রক্রিয়াত সমাজতত্ত্বৰ সাধাৰণ নীতি আৰু সিদ্ধান্তবোৰ প্রয়োগ কৰা শাখাটোৱেই হ'ল শিক্ষা সমাজতত্ত্ব। শিক্ষাৰ বাবে কার্যসূচী আৰু কার্য-কলাপৰ পৰিকল্পনাত সমাজতাত্ত্বিক গৱেষণাৰ সিদ্ধান্তবোৰ প্রয়োগ কৰা হয়। শিক্ষা সমাজতত্ত্বই এনে কিছুমান আদর্শ গঢ়ি তোলে যিবোৰৰ দ্বাৰা শিক্ষা ক্ষেত্রৰ পকিকল্পনাবোৰৰ দিক্‌নির্দেশন কৰিব পাৰি। অর্থাৎ সমাজতাত্ত্বিক গৱেষণাই শিক্ষাৰ বাবে দিক্‌নির্দেশকৰ কাম কৰে।

সমাজতত্ত্ববিদ আৰু শিক্ষাবিদসকলৰ মাজত গৱেষণামূলক অন্বেষণৰ সংখ্যা বৃদ্ধি আৰু এই অন্বেষণৰ বিভিন্ন নতুন দিশ উন্মোচিত হোৱাৰ পৰিপ্রেক্ষিতত শিক্ষা সমাজতত্ত্বৰ সঠিক কার্যপৰিধি সম্পর্কে বিভ্রান্তিৰ সৃষ্টি হৈছিল। শিক্ষা সমাজতত্ত্বৰ শিৰোনামৰ অধীনত কেনে ধৰণৰ গৱেষণা চলিব লাগে সেই সম্পর্কে মতানৈক্য ঘটিছিল। ইয়াৰ পৰিণতিত জ্ঞান লাভৰ আন এক পৃথক শাখাৰ প্রয়োজনীয়তা সম্পর্কে চিন্তা-চর্চাৰ সূচনা হৈছিল। ইয়াক শিক্ষাৰ সমাজতত্ত্ব বুলি নামাংকিত হৈছিল। সোনকালেই শিক্ষা সমাজতত্ত্ব ঐতিহাসিক পৰিঘটনাত পৰিণত হ'ল। ১৯৬৩ চনত 'দ্য জার্নেল অৱ এডুকেশ্যনেল ছোচিয়'ল'জী' (The Journal of Educational Sociology) খনৰ নাম 'দ্য জার্নেল অৱ ছোচিয়'ল'জী অৱ এডুকেশ্যন' (The Journal of the Sociology of Education) ৰখা হ'ল।

১৯২৮ চনত এঙ্গেলে কৈছিল, "শিক্ষা সমাজতত্ত্ব হ'ল সমাজতত্ত্ব বিজ্ঞানৰ এটা শাখা মাত্র।" তেওঁ বিদ্যালয়ৰ পৰিৱেশত কৰা গৱেষণাবোৰৰ আধাৰত বিকাশ লাভ কৰা অধ্যয়ন ক্ষেত্রখনক শিক্ষাৰ সমাজতত্ত্ব বুলি অভিহিত কৰিছে। ইয়াৰ দ্বাৰা তেওঁ বুজাব খুজিছিল যে বিদ্যালয়ক তথ্যৰ উৎস হিচাপে বিশ্লেষণ কৰি চাব পাৰি। পৰৱর্তী সময়ত ৰিউটাৰেও (Reuter) এই ক্ষেত্রখন সম্পর্কে একে মত পোষণ কৰিছিল। তেওঁ জোৰ দি কৈছিল যে শিক্ষা সমাজতত্ত্ব বুলি অভিহিত সমাজতত্ত্বৰ ক্ষেত্রখনৰ উপৰি শিক্ষাৰ সমাজতত্ত্ব নামৰ আন এক অধ্যয়ন ক্ষেত্রৰো বিকাশ ঘটা উচিত।

শিক্ষা সমাজতত্ত্ব আৰু শিক্ষাৰ সমাজতত্ত্বৰ মাজত প্রভেদ নানিকীৰ (Znaniecki)

উক্তিৰে দিব পাৰি। তেওঁ কৈছিল, শিক্ষা সমাজতত্ত্ব হ'ল শিক্ষা মনোবিজ্ঞানৰ দৰে। এই শাখাটোক শিক্ষাবিদসকলক ভৱিষ্যত কার্যপন্থাৰ বাবে সাজু কৰি তুলিবলৈ যুগুতাই তোলা হৈছিল। শিক্ষাৰ বাবে কার্য-কলাপৰ পৰিকল্পনা আৰু এনে পৰিকল্পনাক বাস্তৱ ৰূপ দিবলৈ ফলপ্রসূ পদ্ধতি বিকশাই তোলাত ই সমাজতাত্ত্বিক গৱেষণাৰ ফলাফলবোৰ প্রয়োগ কৰে। আনহাতে শিক্ষাৰ সমাজতত্ত্ব হ'ল জ্ঞানৰ সেইটো শাখা যিটোৱে আনুষ্ঠানিক বিদ্যালয়, যেনে শৈক্ষিক পৰিৱেশ অথবা অন্য একাধিক অনানুষ্ঠানিক শৈক্ষিক পৰিৱেশত ব্যক্তিৰ মাজত সম্পন্ন হোৱা আন্তঃক্রিয়াৰ বিভিন্ন বিশ্লেষণাত্মক অধ্যয়নৰ জৰিয়তে বিকাশ ঘটা শিক্ষাৰ সমাজতাত্ত্বিক সূত্র উপস্থাপন কৰে।

শিক্ষাৰ সমাজতত্ত্বই সমাজৰ অন্যান্য দিশৰ সৈতে শিক্ষা ব্যৱস্থাৰ সম্পর্ক বিশ্লেষণ কৰে। এই বিশ্লেষণ কেইবাটাও উপ-বিভাগৰ জৰিয়তে সম্পন্ন হয়। ইয়াৰে দুটামানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল-

- সংস্কৃতিত শিক্ষাৰ ক্রিয়া-কলাপ
- সামাজিক নিয়ন্ত্রণ প্রক্রিয়া আৰু ক্ষমতা পদ্ধতিৰ শিক্ষা পদ্ধতিৰ সৈতে থকা সম্পর্ক
- সামাজিক আৰু সাংস্কৃতিক পৰিৱর্তন প্রক্রিয়াত অথবা স্থিতাৱস্থা বাহাল ৰখাত শিক্ষা পদ্ধতিৰ ক্রিয়া-কলাপ
- জাতিগত, নৃগোষ্ঠীয় আৰু অন্য গোটৰ মানুহৰ মাজত সামাজিক শ্রেণী ব্যৱস্থা অথবা সামাজিক প্রস্থিতি ব্যৱস্থাৰ আধাৰত গঢ়ি উঠা সম্পর্কৰ শিক্ষাৰ সৈতে থকা সম্বন্ধ।

ব্রুকঅ'ভাৰ আৰু গ'টলিবে (Brookover and Gottlieb) বিশ্লেষণাত্মক অধ্যয়নৰ দ্বিতীয়খন ক্ষেত্র বাহিৰ কৰিছিল। এই ক্ষেত্রখন হ'ল এক চলমান সামাজিক ব্যৱস্থা হিচাপে বিদ্যালয়ৰ বিশ্লেষণ। এই বিশ্লেষণক সাধাৰণতে দুভাগত ভগোৱা হয় ঃ (ক) বিদ্যালয় সংস্কৃতিৰ প্রকৃতি বিশ্লেষণ, বিশেষকৈ যদি বিদ্যালয়ৰ বাহিৰৰ সংস্কৃতি ভিন্ন হয় আৰু (খ) সামাজিক আন্তঃক্রিয়াৰ আর্হি অথবা বিদ্যালয় সংস্কৃতিৰ গাঁথনি বিশ্লেষণ।

শিক্ষার্থীসকল বিদ্যালয়ত বিভিন্ন শিক্ষকৰ সংস্পর্শলৈ আহে। শিক্ষকসকলেও ভিন ভিন ধৰণৰ শিক্ষার্থী লাভ কৰে। প্রতিজন শিক্ষার্থীৰ সৈতে শিক্ষকৰ এক বিশেষ ধৰণৰ সামাজিক সম্পর্ক গঢ় লৈ উঠে। এই সম্পর্কবোৰ অন্য সম্পর্কৰ সৈতে জোৱা লাগে। শিক্ষকৰ কাম হ'ল ছাত্র-ছাত্রীক শিক্ষিত কৰি তোলা। এই কামটোৰ জৰিয়তে একাধিক সংযুক্ত সম্পর্কৰ বিকাশ ঘটে। সেয়েহে এনে সম্পর্কবোৰক আন্তঃ সম্পর্কিত বুলি কোৱা হয়। আমি এই আন্তঃসম্পর্কিত সামাজিক সম্পর্কটোত এজন ব্যক্তিৰ অন্য বহু সামাজিক ভূমিকাৰ লগত সম্পর্ক হোৱা দেখা পাওঁ। শিক্ষকৰ সামাজিক ভূমিকা শিক্ষার্থীতকৈ পৃথক। এই দুয়োটা ভূমিকাই আকৌ অন্য সামাজিক ভূমিকাতকৈ পৃথক। শিক্ষাৰ সমাজতত্ত্বৰ বিশ্লেষণাত্মক অধ্যয়নত সামাজিক ভূমিকা অথবা একাধিক ভূমিকাৰ বিশ্লেষণক সামাৰি লোৱা হয়। ওপৰত উল্লেখ কৰা ক্ষেত্র তিনিখনৰ উপৰি শিক্ষাৰ সৈতে সংলগ্ন আন বহুতো ক্ষেত্রকে সমাজতাত্ত্বিক বিশ্লেষণে সামৰি লয়। শিক্ষাৰ

সামাজিক প্রক্রিয়া বিষয়ক গৱেষণামূলক অন্বেষণৰ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে বিশ্লেষণৰ পৰিসৰো বঢ়ি যাবলৈ ধৰিছে।

তলত উল্লেখ কৰাৰ দৰে শিক্ষা সমাজতত্ত্ব আৰু শিক্ষাৰ সমাজতত্ত্বৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰি-

- শিক্ষা সমাজতত্ত্বই মানুহৰ সামাজিক প্রকৃতি চিনাক্ত কৰি উলিয়াই সেইমতে পৰিকল্পনা যুগুত কৰে। আনহাতে, শিক্ষাৰ সমাজতত্ত্বই শিক্ষাৰ অনুষ্ঠান আৰু প্রতিষ্ঠানবোৰৰ বিশ্লেষণ কৰে।
- শিক্ষা সমাজতত্ত্বই কোনো এক সংস্কৃতিক ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সংস্কৃতিৰ সৈতে তুলনা কৰি ইয়াৰ বাঞ্চিত আৰু অবাঞ্চিত দিশবোৰ বাহিৰ কৰে। আনহাতে, শিক্ষাৰ সমাজতত্ত্বই সংস্কৃতিৰ বাহক হিচাপে শিক্ষাৰ বৈশিষ্ট্যবোৰ অধ্যয়ন কৰে।
- অধ্যয়নৰ বিষয় ৰূপে শিক্ষা সমাজতত্ত্বই অতীত, বর্তমান আৰু ভৱিষ্যতৰ পটভূমিত মানুহৰ প্রকৃতি, সংস্কৃতি আৰু সামাজিক ঐতিহ্য সম্পর্কে অধ্যয়ন কৰাৰ চেষ্টা কৰে। আনহাতে, শিক্ষাৰ সমাজতত্ত্বই বিদ্যালয় প্রতিষ্ঠানবোৰৰ অধ্যয়ন কৰাৰ লগতে সমাজৰ আন গাঁথনি, বিশেষকৈ সামাজিক শ্রেণী, পৰিয়াল আৰু চুবুৰীৰ সৈতে বিদ্যালয়ৰ কি সম্পর্ক সেয়া বিশ্লেষণ কৰি চায়।
- শিক্ষা সমাজত্ত্বই মানুহক সামাজিক প্রাণী হিচাপে গণ্য কৰে। আনহাতে, শিক্ষাৰ সমাজতত্ত্বই শিক্ষাৰ সামাজিক গুৰুত্বৰ ওপৰত জোৰ দিয়ে।

১.৭ শিক্ষা সমাজতত্ত্বৰ সীমাৱদ্ধতা

শিক্ষা সমাজতত্ত্বই শিক্ষাক নিজ লক্ষ্যত উপনীত হোৱাত সহায় কৰে। এই শাখাটোৱে আমাক শিক্ষা যে এটা সামাজিক প্রক্রিয়া সেয়া বুজাত সহায় কৰিছে। যেতিয়ালৈকে শিক্ষাই সামাজিক পৰিৱেশ আৰু এই পৰিৱেশৰ মানৱীয় ব্যক্তিত্বৰ ওপৰত প্রভাৱ অধ্যয়ন নকৰে, তেতিয়ালৈকে যে শিক্ষাক এটা বাঞ্চিত ৰূপ দিব পৰা নাযায়। কিন্তু আমি যদি শিক্ষাৰ সামাজিক দৃষ্টিকোণকহে অগ্রাধিকাৰ দিও, তেন্তে ইয়াৰ সর্বাংগীন বিকাশ নহয়। শৈক্ষিক দর্শন সম্পর্কে থকা আমাৰ জ্ঞানৰ আধাৰত আমি শিক্ষাৰ লক্ষ্য, পদ্ধতি, পাঠ্যক্রম, শাখ্য আদি নির্ধাৰণ কৰিব লাগে। শিক্ষা সমাজত্ত্বই এনে সমস্যাবোৰ সমাধান কৰাৰ বাবে আমাক প্রয়োজনীয় দৃষ্টিকোণ আগবঢ়ায়। শিক্ষা সমাজতত্ত্বই আমাক শিক্ষাৰ সামাজিক প্রকৃতিৰ বিষয়ে জনাত সহায় কৰে। ই শিক্ষা আৰু সমাজৰ মাজত থকা সম্পর্কৰ ওপৰত আলোকপাত কৰে। কিন্তু ই আমাক কেনে সমাজৰ প্রয়োজন সেই সম্পর্কে কোনো স্পষ্ট ধাৰণা দিব নোৱাৰে। এনে সমাজৰ লক্ষ্য, আদর্শ আৰু প্রমূল্য কেনে হোৱা উচিত অথবা এনে সমাজৰ বাসিন্দাৰ আদর্শ আৰু জীৱনৰ লক্ষ্য কেনে

হোৱা উচিত সেই সম্পর্কেও শিক্ষা সমাজতত্ত্বই একো উল্লেখ নকৰে। কেৱল দর্শনেহে এনেবোৰ সমস্যাৰ সমাধান আগবঢ়াব পাৰে। অর্থাৎ, আমি ক'ব পাৰোঁ যে কিছু সীমাৱদ্ধতাৰ মাজতহে শিক্ষা সমাজতত্ত্বই সুফলদায়কভাৱে কার্য- সম্পাদন কৰিব পাৰে। ই শিক্ষাৰ বহুতো গুৰুত্বপূর্ণ কাৰক নির্ধাৰণত সহায় কৰিব নোৱাৰে। নৱ প্রজন্মক শিক্ষা দিয়াৰ ক্ষেত্রত উত্থাপিত হোৱা গুৰুত্বপূর্ণ প্রশ্নবোৰৰ ই উত্তৰ দিব নোৱাৰে। অধিক ফলপ্রসূভাৱে শিক্ষা পৰিকল্পনা কৰিবলৈ সেয়েহে শিক্ষা দর্শনৰ সহায় ল'বই লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫. শিক্ষা সমাজতত্ত্বৰ দুটা সীমাৱদ্ধতা উল্লেখ কৰক।

.....

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজতত্ত্বৰ বিকাশৰ ইতিহাস আৰম্ভ হৈছে ১৮৩৭ চনৰ পৰা। ফৰাছী দার্শনিক অ'গষ্ট কম্‌টেই পোন প্রথমবাৰৰ বাবে এটা ভাষণত সমাজতত্ত্ব শব্দটো উল্লেখ কৰিছিল।
- সমাজতত্ত্বৰ ইংৰাজী প্রতিশব্দ 'sociology' ৰ মূল হ'ল ক্রমে লেটিন শব্দ 'Socius' আৰু গ্রীক শব্দ 'Logos' । 'Socius' ৰ অর্থ হ'ল 'সহযোগী' অথবা 'সংগী'। 'Logos' ৰ অর্থ হ'ল 'তত্ব/সূত্র' অথবা বিজ্ঞান (the science of)। অর্থাৎ, 'সমাজতত্ত্ব'ৰ বুৎপত্তিগত অর্থ হ'ল মানৱীয় সহযোগিতা অথবা মানৱ সমাজৰ সূত্র বা তত্ত্ব অথবা মানৱ সমাজৰ বিজ্ঞান।
- শিক্ষা আৰু সমাজতত্ত্বৰ মাজত ঘনিষ্ঠ আন্তঃসম্পর্ক আছে। শিক্ষা হ'ল সমাজৰ এটা প্রধান অনুষ্ঠান। ই এক সমাজসৃষ্ট অনুষ্ঠান। শৈক্ষিক কার্যকলাপবোৰে মানুহৰ সামাজিক কার্য-কলাপৰ এটা অংশ আগুৰি আছে। এইদৰে শিক্ষা সমাজতত্ত্বৰ এটা শাখাত পৰিণত হৈছে। শিক্ষা সমাজতত্ত্ব হ'ল সমাজতত্ত্বৰ সেইটো শাখা যিটোৱে সমাজ আৰু শিক্ষাৰ মাজৰ সম্পর্কত থকা সমস্যাবোৰৰ মুখামুখি হয়।
- শিক্ষা সমাজতত্ত্বক ব্যৱহাৰিক সমাজতত্ত্বৰ এটা গুৰুত্বপূর্ণ শাখা বুলি ক'ব পাৰি। ই শিক্ষাৰ ক্ষেত্র সমাজতত্ত্বৰ বিশেষকৈ শ্রেণীকোঠাৰ ভিতৰৰ শিক্ষা গ্রহণ প্রক্রিয়াত সমাজতত্ত্বৰ তাত্ত্বিক নীতিসমূহ প্রয়োগ কৰে। ই হ'ল এনে এক বিষয় যিটোৱে শিক্ষাৰ

সমস্যাবোৰ সমাজতাত্ত্বিক নীতিৰ ব্যৱহাৰেৰে সমাধান কৰাত সহায় কৰে।

- শিক্ষা সমাজতত্ত্বই শিক্ষাৰ সামাজিক প্ৰকৃতি, প্ৰয়োগ আৰু বৈশিষ্ট্য সম্পৰ্কে আমাক সজাগ কৰি তোলে। শিক্ষাৰ্থী আৰু শিক্ষকৰ আচৰণ আৰু মনোভাৱ বিচৰা ধৰণে সলনি কৰিবলৈ শিক্ষা সমাজতত্ত্বৰ জৰিয়তে পদ্ধতি আৰু কাৰ্যৰূপায়ণৰ নিয়ম, আঁচনি আৰু কাৰ্যসূচী যুগুতকৰণ আদিৰ দৰে কাম কৰা হয়। এনে কামত শিক্ষাৰ্থী, শিক্ষক, পিতৃ-মাতৃ, অভিভাৱক, প্ৰশাসনিক বিষয়াকে ধৰি বিদ্যালয় সম্প্ৰদায়ৰ প্ৰতিগৰাকী সদস্য তথা সমাজ কৰ্মী আৰু শিক্ষা প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলো লোককে সামৰি লোৱা হয়।
- শিক্ষা সমাজতত্ত্বই আমাক শিক্ষাৰ সামাজিক প্ৰকৃতিৰ বিষয়ে জনাত সহায় কৰে। ই শিক্ষা আৰু সমাজৰ মাজত থকা সম্পৰ্কৰ ওপৰত আলোকপাত কৰে। কিন্তু ই আমাক কেনে সমাজৰ প্ৰয়োজন সেই সম্পৰ্কে কোনো স্পষ্ট ধাৰণা দিব নোৱাৰে। এনে সমাজৰ লক্ষ্য, আদৰ্শ আৰু প্ৰমূল্য কেনে হোৱা উচিত অথবা এনে সমাজৰ বাসিন্দাৰ আদৰ্শ আৰু জীৱনৰ লক্ষ্য কেনে হোৱা উচিত সেই সম্পৰ্কেও শিক্ষা সমাজতত্ত্বই একো উল্লেখ নকৰে। কেৱল দৰ্শনেহে এনেবোৰ সমস্যাৰ সমাধান আগবঢ়াব পাৰে। অৰ্থাৎ, আমি ক'ব পাৰোঁ যে কিছু সীমাৱদ্ধতাৰ মাজতহে শিক্ষা সমাজতত্ত্বই সুফলদায়কভাৱে কাৰ্য-সম্পাদন কৰিব পাৰে।
- শিক্ষাৰ এক বিশেষীকৃত আনুষ্ঠানিক অভিকৰণ হিচাপে বিদ্যালয়ে শিশুবোৰক একো একোজন সামাজিক ব্যক্তিত পৰিণত হোৱাত সহায় কৰে। শিশুৱে বিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত হৈ অন্যৰ সৈতে বাৰ্তালাপ কৰিবলৈ, মিলিজুলি খেলিবলৈ, সহানুভূতি দেখুৱাবলৈ, অইনৰ অধিকাৰ বুজিবলৈ আৰু আবেগিক প্ৰতিক্ৰিয়া কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰিবলৈ শিকে।



১.৯ প্ৰসংগ পুথি

1. Talsera Hemlata, (2009), "Sociological Foundations of Education", Kanishka publishers, distributors, Ansari Road, Daryaganj, New Delhi-110002
2. Dr. S.S. Mathur, (2008), "A Sociological Approach to Indian Education" Vinod Pustak Mandir, Dr.Rangeya Raghava Marg, Agra-2
3. Bhattacharya, Srinibas. (2006): Sociological Foundation of Education: Atlantic Publishers
4. Singh, Y.K. (2007): Sociological Foundation of Education: APH Publishing

5. Aggarwal, J.C. (2002): The Philosophical and Sociological Perspectives on Education: Shipra Publication
6. Bhatia, Kamala. (1992): The Philosophical and Sociological Foundations of Education: Doaba House.



১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ সমাজতত্ত্ব শব্দটোৰ (Sociology) জনক হ'ল অ'গষ্ট কম্‌টে।

২ নং প্রশ্ন উত্তৰ ঃ'সমাজতত্ত্ব' হ'ল মানৱ সহযোগিতা অথবা মানৱ সমাজৰ বিষয়ে অধ্যয়ন কৰা বিজ্ঞান। ই মানুহৰ সামাজিক প্রকৃতি চিনাক্ত কৰে। ই মানুহৰ সামাজিক সম্পর্কৰ প্রকৃতি আৰু আচৰণ অধ্যয়ন কৰে। সমাজতত্ত্বই মানৱ সমাজৰ উৎপত্তি, বিকাশ আৰু উন্নয়ন অধ্যয়ন কৰে।

৩ নং প্রশ্ন উত্তৰ ঃ. শিক্ষা সমাজতত্ত্বক ব্যৱহাৰিক সমাজতত্ত্বৰ এটা গুৰুত্বপূর্ণ শাখা বুলি ক'ব পাৰি। ই শিক্ষা ক্ষেত্রত, বিশেষকৈ শ্রেণীকোঠাৰ ভিতৰৰ শিক্ষা গ্রহণ প্রক্রিয়াত সমাজতত্ত্বৰ তাত্বিক নীতি সমূহ প্রয়োগ কৰে। শিক্ষা সমাজতত্ত্ব হ'ল এনে এক বিষয় যিটোৱে শিক্ষাৰ সমস্যাবোৰ সমাজতাত্ত্বিক নীতিৰ ব্যৱহাৰেৰে সমাধান কৰাত সহায় কৰে। ই শিক্ষাৰ সামাজিক প্রকৃতি, প্রয়োগ আৰু বৈশিষ্ট্য সম্পর্কে আমাক সজাগ কৰি তোলে। শিক্ষার্থী আৰু শিক্ষকৰ আচৰণ আৰু মনোভাৱ বিচৰা ধৰণে সলনি কৰিবলৈ শিক্ষা সমাজতত্ত্বৰ জৰিয়তে পদ্ধতি আৰু কার্যৰূপায়ণৰ নিয়ম, আঁচনি আৰু কার্যসূচী যুগুতকৰণ আদিৰ দৰে কাম হয়। এনে কামত শিক্ষার্থী, শিক্ষক, পিতৃ-মাতৃ, অভিভাৱক, প্রশাসনিক বিষয়াকে ধৰি বিদ্যালয় সম্প্রদায়ৰ প্রতিগৰাকী সদস্য তথা সমাজকর্মী আৰু শিক্ষা প্রক্রিয়াৰ সৈতে জড়িত সকলো লোককে সামৰি লোৱা হয়।

৪ নং প্রশ্ন উত্তৰ ঃ শিক্ষা সমাজতত্ত্বৰ দুটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল-

- ই মানুহৰ সামাজিক প্রকৃতি চিনাক্ত কৰে আৰু সেইমতে শিক্ষাৰ পৰিকল্পনা যুগুত কৰে।
- শিক্ষা সমাজতত্ত্বই শিক্ষাৰ মৌলিক নীতিটোক স্বীকৃতি দি কোনো বৈষম্য নৰখাকৈ সকলো লোকৰ বাবে শিক্ষা সুলভ কৰি তোলে।

৫ নং প্রশ্ন উত্তৰ ঃ শিক্ষা সমাজতত্ত্বৰ দুটা সীমাৱদ্ধতা হ'ল-

- ই শিক্ষাৰ কিছুমান গুৰুত্বপূর্ণ কাৰক নির্ধাৰণ কৰিব নোৱাৰে।
- নতুন প্রজন্মক শিক্ষা দিয়াৰ সন্দর্ভত উত্থাপিত হোৱা গুৰুত্বপূর্ণ প্রশ্নবোৰৰ ই উত্তৰ দিব নোৱাৰে।



১.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ কোনে আৰু কেতিয়া পোন প্ৰথমবাৰৰ বাবে 'সমাজতত্ত্ব' (Sociology) শব্দটো ব্যৱহাৰ কৰিছিল ?

প্ৰশ্ন নং ২ ঃ সমাজতত্ত্বৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৩ ঃ শিক্ষা সমাজতত্ত্বৰ সংজ্ঞা দিয়ক।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ শিক্ষা আৰু সমাজতত্ত্বৰ মাজৰ সম্পৰ্ক আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষা সমাজতত্ত্বৰ প্ৰকৃতি চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ শৈক্ষিক সমাজতত্ত্ব আৰু শিক্ষাৰ সমাজতত্ত্বৰ মাজৰ পাৰ্থক্য বিচাৰি উলিয়াওক।

প্ৰশ্ন নং ৪ ঃ শিক্ষা সমাজতত্ত্বৰ সীমাৱদ্ধতাবোৰ চমুকৈ উল্লেখ কৰক।

(গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ শিক্ষা সমাজতত্ত্বৰ পৰিসৰ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষাত সমাজতাত্ত্বিক দৃষ্টিভংগী গ্ৰহণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ঃ শিক্ষা আৰু সমাজ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সমাজ আৰু ইয়াৰ উৎপত্তি
২.৪ সমাজৰ কাৰক আৰু শিক্ষাত এনে কাৰকৰ প্ৰভাৱ
২.৫ সামাজিক ব্যৱস্থাৰূপে শিক্ষা
২.৬ সামাজিকীকৰণৰ অৰ্থ
২.৭ সামাজিকীকৰণ প্ৰক্ৰিয়াৰ আহিলাৰূপে শিক্ষা
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্ৰগতিৰ খতিয়ান
২.১১ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক অৰ্থ আৰু ইয়াৰ উৎপত্তি ব্যাখ্যা কৰিব পাৰিব
- সমাজৰ কাৰকবোৰ চিনাক্ত তথা শিক্ষাত এই কাৰকবোৰৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব
- এটা সমাজ ব্যৱস্থাৰূপে শিক্ষাক আলোচনা আগবঢ়াব পাৰিব
- সামাজিকীকৰণৰ অৰ্থ আৰু এই প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ আহিলাৰূপে শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়


মানুহ সামাজিক প্ৰাণী। মানুহে সমাজৰ বাহিৰত জীৱন যাপন কৰিব নোৱাৰে। আমি জন্ম লাভ কৰাৰে পৰা মৃত্যু পৰ্যন্ত যি কামেই কৰোঁ সেই আটাইবোৰ কাম সমাজে বান্ধি লোৱা সীমাৰ ভিতৰত থাকিয়েই কৰো। সেয়েহে আমাৰ সমাজখন আৰু ইয়াৰ উৎপত্তি সম্পৰ্কে ভালদৰে জনাটো অতি গুৰুত্বপূৰ্ণ। এই অধ্যায়টি পঢ়ি আপুনি আমাৰ সমাজ সম্পৰ্কীয় কেতবোৰ সত্য, সমাজৰ উৎপত্তি, সমাজক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা বিভিন্ন তত্ত্ব, সমাজৰ বিভিন্ন কাৰক আৰু এই কাৰকবোৰে শিক্ষাৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়ে জানিব পাৰিব। সমাজৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল সামাজিক ব্যৱস্থা। সামাজিক ব্যৱস্থাই সমাজৰ সদস্যসকলৰ মাজত থকা আন্তঃসম্পৰ্ক, পাৰস্পৰিক বুজাবুজি আৰু 'আমি' ভাৱনাটোৰ বিষয়ে বৰ্ণনা কৰে। শিক্ষাকো এক সামাজিক

ব্যৱস্থা বুলি গণ্য কৰা হয়। কাৰণ, শিক্ষা হ'ল সমাজৰ যিকোনো ধৰণৰ শুধৰণি অথবা উন্নতিৰ আধাৰ। শিক্ষাই আমাৰ সংস্কৃতি সংৰক্ষণ কৰে আৰু ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মলৈ সংস্কৃতি প্ৰবাহিত হোৱাত সহায় কৰে। মানুহে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে সমাজৰ বিভিন্ন প্ৰমূল্য আৰু স্বীকৃত ৰীতি-নীতি (norms) ৰ বিষয়ে শিকে। শিক্ষা অবিহনে সামাজিকীকৰণ প্ৰক্ৰিয়া সংঘটিত হ'ব নোৱাৰে।

২.৩ সমাজ আৰু ইয়াৰ উৎপত্তি

মানুহ অকলশৰে জীয়াই থাকিব নোৱাৰে। সমাজ অবিহনে মানুহৰ অস্তিত্ব বৰ্তি থকাটো অসম্ভৱ। মানুহ বৰ্তি থকাৰ সবাতোকৈ প্ৰয়োজনীয় চৰ্ত হ'ল সমাজ। সেয়েহে বহু যুগৰ আগেয়ে এৰিষ্টটলে মানুহক সামাজিক প্ৰাণী বুলি কৈছিল। পেনচিলভেনিয়া বিশ্ববিদ্যালয়ৰ ড'গলাছ এছ. মেছী (২০০১) য়ে তেওঁৰ গৱেষণাত উল্লেখ কৰিছিল " ৬ মিলিয়ন বছৰ জুৰি চলা হোমাইনিড্ বিৱৰ্তন (hominid evolution)ৰ ফলস্বৰূপে মানৱ সমাজৰ উত্থান ঘটিছিল। এই সময়ছোৱাত মানৱ দলৰ আকৃতি ক্ৰমে বাঢ়ি গৈছিল, দলীয় ঐক্য বৰ্তাই ৰখাৰ স্বাৰ্থত মানুহে আবেগৰ পাৰ্থক্য তথা সংশোধনৰ আধাৰত নিজকে ক্ৰম বিৱৰ্তনৰ মাজেৰে এক উন্নত সামাজিক বুদ্ধিমত্তাসম্পন্ন জীৱলৈ ৰূপান্তৰিত কৰিছিল... মানৱ বিৱৰ্তন প্ৰক্ৰিয়াটোত বহু পলমকৈহে সম্পূৰ্ণ যৌক্তিকতাৰ উন্মেষ ঘটিছিল, আৰু বিগত ১০০ বছৰৰ ভিতৰতহে এটা জন সংস্কৃতিৰ বাবে প্ৰয়োজনীয় সামাজিক চৰ্তবোৰৰ যৌক্তিকতাৰ আধাৰত উত্থান ঘটিছে।"

মানৱ সমাজৰ আৰম্ভণিৰ কাহিনী এতিয়াও ৰহস্য হৈয়েই আছে। সমাজৰ সূচনা হোৱাৰ কোনো নিৰ্দিষ্ট তাৰিখ অথবা সময় নাই। অতীতৰ পৰা বৰ্তমানলৈকে সমাজৰ বিকাশ ঘটাৰ প্ৰক্ৰিয়াটো মুঠেও সৰল নহয়। সমাজ বহু আৰম্ভণি আৰু পৰিৱৰ্তনৰ অভিজ্ঞতাৰে পুষ্ট। সমাজ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াটো বৰ্তমানেও অব্যাহত আছে। বৰ্তমানৰ মানুহক 'হোমাইনিড' নামৰ দ্বিপদী বনমানুহৰ বংশধৰ বুলি কোৱা হয়। সমাজ বুজোৱা ইংৰাজী শব্দ 'Society' ৰ মূল লেটিন আৰু ফৰাচী ভাষা। ইংৰাজী 'Society' শব্দটো এনেদৰে অহা বুলি দেখুৱাব পাৰি -



সাধাৰণতে এটা ভৌগলিক অঞ্চল, কিছুমান উমৈহতীয়া প্ৰমূল্য, ধাৰণা, আদৰ্শ, জীৱন নিৰ্বাহ শৈলী, সংস্কৃতি ইত্যাদি সমুহীয়াভাৱে কৰা মানুহৰ দল একোটাকে সমাজ বুলি কোৱা হয়। এনে গোটবোৰে এক পাৰস্পৰিক বুজাবুজিৰ মনোভাৱেৰে কিছুমান উমৈহতীয়া স্বীকৃতি ৰীতি-নীতি মানি চলে। সমাজৰ কোনো নিৰ্দিষ্ট আকৃতি নাই; ই ক্ষুদ্ৰ নাইবা বৃহৎ হ'ব পাৰে। সমাজ এখন গঠিত হোৱাৰ কিছুমান প্ৰয়োজনীয় চৰ্ত থাকে। যেনে — ব্যক্তিৰ মাজৰ পাৰস্পৰিক সংযোগ, ভাৱ-চিন্তাৰ আদান-প্ৰদান, একত্বৰ অনুভৱ, অধিকাৰৰ সংৰক্ষণ ইত্যাদি।

সমাজৰ উৎপত্তি অধিক দ'কৈ অধ্যয়ন কৰিবলৈ আমি ইয়াৰ তাত্ত্বিক দিশসমূহৰ বিস্তৃত আলোচনা কৰিব লাগিব। মানুহ আৰু সমাজৰ সম্পৰ্ক ব্যাখ্যা কৰা সবাতোকৈ গুৰুত্বপূৰ্ণ তত্ত্ব দুটা হ'ল — সামাজিক চুক্তি তত্ত্ব (Social Contract Theory) আৰু জীৱ উৎপত্তি তত্ত্ব (Organismic Theory)। এই দুয়োটা তত্ত্বৰ ভিতৰত সামাজিক চুক্তি তত্ত্বই সমাজৰ উৎপত্তি সম্পৰ্কে পোনপটীয়া আলোচনা আগবঢ়ায়।

সামাজিক চুক্তি তত্ত্বই প্ৰতিগৰাকী ব্যক্তিৰে সমতা আৰু স্বাধীনতাক সমৰ্থন কৰে। সমাজ গঠন হোৱাৰ বহু আগৰেপৰাই পৃথিৱীত মানুহে বাস কৰি আহিছে। কোনো এক নিৰ্দিষ্ট ভৌগলিক এলেকাত বাস কৰা ব্যক্তিৰ মাজত হোৱা পাৰস্পৰিক চুক্তি তথা বিভিন্ন বিষয় উমৈহতীয়া ভাৱে গ্ৰহণ কৰাৰ ফলস্বৰূপে সমাজৰ উৎপত্তি হৈছিল। ট'মাছ হ'ব্ছ, জন ল'ক আৰু জে. জে. ৰুছো হ'ল এই তত্ত্বটোৰ প্ৰধান সমৰ্থক। তেওঁলোক সকলোৱে নাগৰিক সমাজ গঠন হোৱাৰ পূৰ্বে মানুহ এক 'প্ৰকৃতি ৰাজ্য' (state of nature) ত বাস কৰিছিল বোলা দৃষ্টিভংগীটো সমৰ্থন কৰে। 'প্ৰকৃতি ৰাজ্য' হ'ল প্ৰাক্-সামাজিক অৱস্থা। এই সামাজিক অৱস্থাৰ সদস্যসকলে নিজৰ মাজতে স্থাপন কৰা এক চুক্তিৰ আধাৰত সমাজ গঠিত হৈছিল। এইসকল চিন্তাবিদৰ দৃষ্টিভংগীবোৰ

তলত আলোচনা কৰা হ'ল —

ট'মাছ হ'ব্‌ছ্‌ (Thomas Hobbes) ঃ ট'মাছ হ'ব্‌ছ্‌ আছিল এগৰাকী প্ৰসিদ্ধ ইংৰাজ চিন্তাবিদ। তেওঁ বিশ্বাস কৰিছিল যে মানুহৰ নিজৰ স্বাৰ্থপৰ প্ৰকৃতিৰ ফলত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ পৰা মানুহক ৰক্ষণাবেক্ষণ দিবলৈকে সমাজৰ সৃষ্টি হৈছে। তেওঁৰ মতে প্ৰকৃতি ৰাজ্যৰ মানুহবোৰ আছিল 'স্বাৰ্থপৰ, আপোনপেটা, চতুৰ, অহংকাৰী, নিষ্ঠুৰ আৰু আগ্ৰাসী'। সেয়েহে, সুৰক্ষা সুনিশ্চিত কৰাৰ খাটিৰত তেওঁলোকে এক পাৰস্পৰিক চুক্তি গ্ৰহণ কৰিছিল। এই চুক্তিৰ জৰিয়তে মানুহে নিজৰ স্বাভাৱিক অধিকাৰবোৰ এক উচ্চতৰ কৰ্তৃপক্ষৰ হাতত সমৰ্পণ কৰিছিল।

জন ল'ক (John Locke) ঃ জন ল'কে আকৌ প্ৰকৃতি জগতখনক এক "শান্তি, সদিচ্ছা, পাৰস্পৰিক সহায়-সহযোগিতা আৰু সংৰক্ষণ"ৰ অৱস্থা বুলি গণ্য কৰিছিল। কিন্তু আইন-শৃংখলা ব্যৱস্থা নথকাৰ বাবে মানুহে কিছুমান নেতিবাচক অথবা 'কু-পৰিস্থিতি'ৰ সন্মুখীন হ'বলগীয়া হৈছিল। 'দূৰ্নীতি আৰু ভ্ৰষ্ট লোকৰ অসাধু কাৰ্যকলাপ'ৰ দ্বাৰা সৃষ্ট অশান্তিকৰ পৰিস্থিতিৰ পৰা ৰক্ষা পৰিবলৈ অন্য মানুহবোৰে নিজৰ মাজতে এক ধৰণৰ চুক্তি সম্পাদিত কৰিছিল আৰু এনেকৈয়ে সমাজৰ উৎপত্তি হৈছিল।

জ্যাঁ জেক ৰুছো (Jean Jacques Rousseau) ঃ জ্যাঁ জেক ৰুছোঁ হ'ল বিখ্যাত গ্ৰন্থ The Socail Contract (১৭৬২)ৰ লেখক। তেওঁৰ মতে প্ৰকৃতি ৰাজ্যত মানুহে এক স্বাস্থ্যকৰ, ভয়হীন, সজ, শুদ্ধ, সৰল আৰু ইতিবাচক জীৱন যাপন কৰিছিল। সেই পৰিস্থিতিত মানুহে কিছুমান স্বাধীনতা আৰু সমতাও উপভোগ কৰিছিল যিবোৰ কোনো সামাজিক আইনৰ দ্বাৰা নিয়ন্ত্ৰিত নাছিল। কিন্তু জনসংখ্যা বঢ়াৰ লগে লগে মানুহৰ জীৱনৰ পৰা এই সুখদায়ক অৱস্থাটো নাইকিয়া হ'বলৈ ধৰিছিল। ইয়াৰ ফলস্বৰূপে সমাজত সংঘাতৰ সৃষ্টি হৈছিল। এই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ মানুহে সমূহীয়াভাৱে বাস কৰিবলৈ ল'লে আৰু এসময়ত এনে সমূহৰ সদস্যসকলৰ মাজত এক চুক্তি গঢ় লৈ উঠিল। এনেকৈয়ে নাগৰিক সমাজৰ উত্থান ঘটিছিল।

জানি থোৱা ভাল



➢ সমাজ বুজোৱা ইংৰাজী শব্দ 'Society' ৰ মূল লেটিন আৰু ফৰাছী ভাষাৰ আন দুটা শব্দ। লেটিন ভাষাৰ 'Socius' শব্দটোৰ পৰা ইংৰাজী 'Society' শব্দটোৰ বিকাশ ঘটিছে। 'Socius' ৰ অৰ্থ হ'ল সংগী (companion)। আনহাতে 'সংগ' (company) বুজোৱা ফৰাছী শব্দ 'societe'ৰ পৰাও 'society' শব্দটোৰ বিকাশ ঘটিছে বুলি ধাৰণা কৰা হয়।

➢ মানুহ আৰু সমাজৰ সম্পৰ্ক ব্যাখ্যা কৰিবলৈ দুটা প্ৰধান তত্ত্ব আছে — সামাজিক চুক্তি তত্ত্ব আৰু জীৱ-উৎপত্তি তত্ত্ব। দুয়োটাৰে ভিতৰত সামাজিক চুক্তি তত্ত্বটোৰে সমাজৰ উৎপত্তি সম্পৰ্কে পোনপটীয়াকৈ আলোচনা কৰে।

➢ সামাজিক চুক্তি তত্ত্বৰ প্ৰধান পৃষ্ঠপোষকসকল হ'ল ট'মাছ হ'ব্‌ছ্‌, জন ল'ক আৰু ৰুছো।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সমাজৰ ব্যুৎপত্তিগত অৰ্থ কি?

.....

২.৪ সামাজিক কাৰক আৰু শিক্ষাত এনে কাৰকৰ প্ৰভাৱ

সমাজ হ'ল জীৱন-যাপনৰ উমৈহতীয়া শৈলী, একে দৰ্শন, বিশ্বাস, ৰীতি-নীতি আদি গ্ৰহণ কৰা মানুহৰ একোটা দল। সময়ে সময়ে এই দলবোৰে বিভিন্ন পৰিৱৰ্তনৰ অভিজ্ঞতা লাভ কৰে। সমাজক বিভিন্ন কাৰকেও প্ৰভাৱিত কৰে। এই কাৰকবোৰে অবিৰতভাৱে পৰস্পৰৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰে আৰু ইটোৱে সিটোক অধিক্ৰম কৰি থাকে। সমাজৰ অগ্ৰগতি, উন্নতি আৰু গাঁথনি এই কাৰকবোৰে নিৰ্ধাৰণ কৰে। তলত সমাজৰ নিৰ্ণায়কৰ ভূমিকা লোৱা দুটামান কাৰক উল্লেখ কৰা হ'ল।

- **মানৱীয় কাৰক**

  সদস্যসকলৰ মাজত থকা আন্তঃসম্পৰ্কৰ দ্বাৰা সমাজ এখনৰ বৈশিষ্ট্য নিৰূপিত হয়। মানৱীয় কাৰকে এটা সমাজ ব্যৱস্থাত মানুহৰ পৰস্পৰৰ সৈতে তথা অন্য সামাজিক উপাদানৰ সৈতে থকা বুজাবুজি আৰু আন্তঃক্ৰিয়া নিৰ্ধাৰণ কৰে। মানুহে নিজৰ চৌপাশৰ নিৰ্দিষ্ট পৰিৱেশ, সম্পৰ্ক তথা সেৱাৰ সৈতে শাৰীৰিক তথা মানসিকভাৱে কেনে আচৰণ কৰে সেয়া ব্যাখ্যা কৰাত এনে কাৰকে সহায় কৰে।

- **সমাজিক কাৰক**

  সমাজ হ'ল বিভিন্ন সামাজিক কাৰকৰ এক জটিল সমষ্টি। পৰিয়াল, সামাজিক তথা ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠান, দৰিদ্ৰতা, নিৰক্ষৰতা, নিবনুৱা সমস্যা আদি হ'ল কিছুমান সামাজিক কাৰক। এই কাৰকবোৰে সমাজ এখনৰ বিকাশ আৰু গাঁথনিও নিৰ্ধাৰণ কৰে।

- **সাংস্কৃতিক কাৰক**

  পাৰ্থিৱ আৰু অ-পাৰ্থিৱ সাংস্কৃতিক কাৰকে কোনো এখন সমাজৰ প্ৰকৃত ভেটিটো নিৰ্ধাৰণ কৰে। চিন্তা, ধাৰণা, আদৰ্শ, দৰ্শন, নৈতিকতা, মূল্যবোধ, প্ৰথা, পৰম্পৰা, ঐতিহ্য, নীতি-নিয়ম ইত্যাদি হ'ল সাংস্কৃতিক কাৰক। এইবোৰৰ সহায়ত সমাজ এখনৰ বিকাশ ঘটে।

- **শিক্ষা**

  শিক্ষা হ'ল যিকোনো সমাজৰে সবাতোকৈ শক্তিশালী তথা প্ৰভাৱশালী কাৰক। ই সমাজৰ সদস্যসকলৰ সৰ্বাংগীন বিকাশ সাধন কৰে। ইয়াৰ ফলস্বৰূপে সমাজৰ সদস্যসকলে এখন উন্নততৰ সমাজ গঠন তথা পৰিচালনা কৰে। শিক্ষা অবিহনে সমাজৰ বিকাশ নহয়।

- **ধৰ্মীয় কাৰক**

  ধৰ্ম হল কোনো এক অতিপ্ৰাকৃতিক শক্তি অথবা ঈশ্বৰৰ প্ৰতি থকা বিশ্বাস। ধৰ্মই সমাজৰ

বিভিন্ন বিশ্বাস, ৰীতি-নীতি, লোকাচাৰ, পৰম্পৰা, নিয়ম-নীতিৰ নিয়ন্ত্রণ কৰিব বিচাৰে। ই আমাৰ আচৰণ তথা অনুশীলনৰ এটা ব্যৱস্থা।

- **জনগাঁথনিমূলক কাৰক**

  এডোখৰ নির্দিষ্ট অঞ্চলৰ জনসংখ্যাৰ তথ্য সংগ্রহ আৰু মূল্যায়ন কৰাৰ কামত এই কাৰকবোৰ ব্যৱহাৰ কৰা হয়। জনসংখ্যাই সমাজ এখনক নিবনুৱা সমস্যা, জনসংখ্যা বিস্ফোৰন, নগৰীকৰণ, প্রব্রজন আদিৰ দৰে বিভিন্ন দিশেৰে প্রভাৱিত কৰিব পাৰে। এই কাৰকবোৰত বয়স, লিংগ, বৈবাহিক প্রস্থিতি, জাতি, শিক্ষা, উপার্জন, বৃত্তি আদিৰ দৰে আন বহুতো উপ-কাৰক অন্তর্ভুক্ত হৈ থাকে।

- **ৰাজনৈতিক কাৰক**

  বর্তমান পৃথিৱীৰ প্রতিখন দেশ, প্রদেশ অথবা সমাজেই কোনোটো নহয় কোনোটো ৰাজনৈতিক দলৰ দ্বাৰা পৰিচালিত হয়। শাসনাধিষ্ঠ দলটোৱে সমাজত নিজৰ বিশ্বাস, ধাৰণা, দর্শন আৰু নীতিবোৰ প্রতিষ্ঠিত কৰাৰ চেষ্টা কৰে। এনে দলৰ দর্শনে সমাজৰ নীতি-নিয়ম, আইন আৰু প্রথা আদিকো প্রভাৱিত কৰে। কিন্তু সময়ে সময়ে ৰাজনৈতিক কাৰকবোৰো বিভিন্ন পৰিৱর্তনৰ মুখামুখি হয়।

- **অর্থনৈতিক কাৰক**

  এখন দেশৰ অর্থনৈতিক অৱস্থা হ'ল এনে এটা কাৰক যিটোৰ সহায়ত দেশখনৰ সমাজ এখনৰ সদস্যসকলৰ সামাজিক প্রস্থিতি আৰু জীৱন-যাপন শৈলী নির্ধাৰণ কৰিব পৰা যায়।

- **বিজ্ঞান আৰু প্রযুক্তি**

  বিজ্ঞান আৰু প্রযুক্তিৰ অগ্রগতিৰ লগে লগে প্রতিখন সমাজেই আগতকৈ যথেষ্ট আৰামাদায়ক জীৱন কটাব পাৰিছে। বিজ্ঞান আৰু প্রযুক্তিৰ ইতিবাচক দিশটো গ্রহণ কৰিব নোৱাৰিলে সমাজ প্রগতিৰ পথেৰে আগুৱাব নোৱাৰিব।

  ওপৰত উল্লেখ কৰা কাৰকবোৰৰ উপৰি সমাজক প্রভাৱিত কৰা আন দুটামান কাৰক হ'ল — পৰিৱেশ, ভৌগলিক পৰিস্থিতি, দূর্নীতি, উদ্যোগিকীকৰণ, প্রব্রজন, নগৰীকৰণ, সামাজিক পৰিৱর্তন, সাংস্কৃতিক পৰিৱর্তন ইত্যাদি।



জানি থোৱা ভাল

সমাজত থকা বিভিন্ন কাৰকে সমাজখনক বিভিন্ন ধৰণে প্রভাৱিত কৰে। সংস্কৃতি, শিক্ষা, মানুহ, ধর্ম, ৰাজনীতি, বিজ্ঞান, প্রযুক্তি ইত্যাদি হ'ল কিছুমান সামাজিক কাৰক। এইবোৰে অবিৰতভাৱে সমাজক প্রত্যক্ষ অথবা পৰোক্ষভাৱে প্রভাৱিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ সমাজৰ তিনিটা কাৰক উল্লেখ কৰক।

.....

২.৫ সামাজিক ব্যৱস্থাৰূপে শিক্ষা

যেতিয়া মানুহৰ গোট একোটাই একে ভৌগলিক অঞ্চল এটাত বসবাস কৰিবলৈ লয় আৰু প্ৰায় একেধৰণৰ প্ৰমূল্য, সংস্কৃতি, সামাজিক প্ৰথা, ৰীতি-নীতি আদি মানি চলে তেতিয়াই একোখন সমাজৰ সৃষ্টি হয়। এখন সমাজে ইয়াৰ সদস্যসকলৰ মাজত স্বাভাৱিক সম্পৰ্ক গঢ় লৈ উঠাটো বিচাৰে। সমাজে ইয়াৰ সদস্যসকলে চিন্তা-ভাৱনা, আদান-প্ৰদান কৰাটো বিচাৰে। সমাজ স্থায়ী আৰু প্ৰৱহমান প্ৰকৃতিৰ হ'ব লাগে। সমাজৰ মাজে সময়ে সংশোধন ঘটে। কিন্তু সেই পৰিৱৰ্তন অথবা সংশোধনে সমাজৰ অবিৰত প্ৰকৃতি অথবা অস্তিত্বৰ প্ৰতি কোনো ভাবুকিৰ সৃষ্টি কৰিব নালাগে।

মিৰিয়াম ৱেবষ্টাৰে কৈছিল, "এটা সামাজিক ব্যৱস্থা মানে হ'ল ব্যক্তি, দল আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত বৰ্তি থকা আন্তঃসম্পৰ্কৰ একোটা বিন্যাস বিভাজিত শৃংখলা যিটোৱে এক সম্পূৰ্ণতাৰ সৃষ্টি কৰে।" টেলক'ট পার্চন্চে পোন প্ৰথমে সামাজিক ব্যৱস্থাৰ তত্ত্ব বিকশিত কৰিছিল। সমাজ হ'ল বিভিন্ন প্ৰকৃতিৰ বিভিন্ন কাম-কাজ কৰা আৰু বিভিন্ন সামাজিক প্ৰস্থিতি থকা, বিভিন্ন সামাজিক স্তৰত বিভক্ত ব্যক্তিৰ সংগঠন। 'সামাজিক ব্যৱস্থা' বোলা অভিধাটোৱে সমাজ এখনৰ বিভিন্ন অংশক বিভিন্ন প্ৰণালীৱদ্ধ ৰূপত বা আৰ্হিত সজাই লোৱাৰ কথাটো বুজোৱা হয়। সমাজৰ ভি ন ভি ন অংশৰ মাজত সেয়েহে আন্তঃক্ৰিয়া সংঘটিত হ'ব লাগে। সমাজৰ সদস্যসকলৰ মাজত 'আমি' ভাৱনাৰ উদ্ৰেক নঘটিলে সামাজিক ব্যৱস্থা এটা সুচাৰুৰূপে পৰিচালনা কৰিব পৰা নাযায়। এটা সামাজিক ব্যৱস্থাৰ ভেটি হ'ল সদস্যসকলৰ মাজত থকা পাৰস্পৰিক বুজাপৰা, আন্তঃক্ৰিয়া আৰু আন্তঃসম্পৰ্ক। সমাজ এখনৰ সদস্যসকলে উমৈহতীয়া প্ৰথা, নীতি-নিয়ম আৰু প্ৰমূল্য কিছুমান মানি চলে।

শিক্ষা অবিহনে সমাজ এখনৰ উন্নতিৰ বাবে প্ৰয়োজনীয় বিকাশ অথবা সংশোধন অসম্ভৱ। সামাজিক পৰিৱৰ্তন আৰু প্ৰগতিৰ প্ৰধান আহিলা হ'ল শিক্ষা। আনহাতে, যিকোনো শৈক্ষিক ব্যৱস্থাৰ বিন্যাসটোক ব্যৱস্থাটোৱে সেৱা আগবঢ়াই থকা সমাজখনে প্ৰভাৱিত আৰু নিৰ্ধাৰন কৰে। শিক্ষাই সাধাৰণতে সমাজৰ ধাৰণাবোৰ অনুসৰণ কৰে। শিক্ষাই সমাজৰ সংস্কৃতি তথা প্ৰমূল্য সংৰক্ষণ কৰে আৰু সমাজৰ বিন্যাসক একোটা আকৃতি প্ৰদান কৰিবলৈ এই সংস্কৃতি তথা প্ৰমূল্যবোৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বাগৰি যোৱাত সহায় কৰে।

সামাজিক ব্যৱস্থাৰূপে শিক্ষাৰ ধাৰণাটোক তলত উল্লেখ কৰা পটভূমিবোৰত বিচাৰ কৰি চাব পাৰি ঃ

● **ব্যক্তিৰ বিকাশ** ঃ সমাজৰ বিকাশৰ বাবে সমাজ ইয়াৰ সদস্যসকলৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। সেয়েহে ব্যক্তিৰ সৰ্বাংগীণ বিকাশৰ বাবে শিক্ষাৰ প্ৰয়োজন। তেতিয়াহে সমাজখন উন্নত কৰি তোলাত ব্যক্তিয়ে অৰিহনা যোগাব পাৰিব।

● **সামাজিকীকৰণৰ প্ৰক্ৰিয়া** ঃ সামাজিকীকৰণ হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে শিশুৱে সমাজত স্বীকৃত সকলো ৰীতি-নীতি আৰু পৰম্পৰা আদিৰ বিষয়ে জনাৰ সুযোগ পায়। শিক্ষা হ'ল সামাজিকীকৰণৰ এক প্ৰধান আহিলা। কাৰণ, শিক্ষাৰ মাধ্যমেৰেহে শিশুৱে সকলোবোৰ সামাজিক আচৰণ শিকে।

● **সংস্কৃতিৰ সংৰক্ষণ আৰু হস্তান্তৰ** ঃ সংস্কৃতিক এটা গোট অথবা সম্প্ৰদায়ৰ সামাজিক ঐতিহ্য বুলিও ক'ব পাৰি। সংস্কৃতিয়ে গোট অথবা সম্প্ৰদায় একোটাৰ আটাইবোৰ বিশ্বাস, প্ৰথা, পৰম্পৰা, আদৰ্শ, ধাৰণা, আইন ইত্যাদিক সামৰি লয়। শিক্ষাই সমাজৰ সংস্কৃতি সংৰক্ষণ কৰে আৰু ইয়াক ভৰিষ্যৎ প্ৰজন্মৰ হাতত অৰ্পন কৰে।

● **সামাজিক পৰিৱৰ্তন** ঃ পৰিৱৰ্তন এক সাধাৰণ পৰিঘটনা। ই প্ৰতিখন সমাজতে বিদ্যামান। সময়ৰ লগে লগে প্ৰতিখন সমাজেই সলনি হৈ গৈ থাকে। শিক্ষাই সমাজলৈ ইতিবাচক পৰিৱৰ্তন কঢ়িয়াই অনাত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষা অবিহনে সমাজৰ শুধৰণি আৰু প্ৰগতি অসম্ভৱ।

● **সামাজিক গতিশীলতা** ঃ মানুহ আৰু সমাজ উভয়ৰে প্ৰকৃতি গতিশীল। যিকোনো সমাজৰে বিকাশৰ বাবে সামাজিক গতিশীলতা অতি গুৰুত্বপূৰ্ণ। শিক্ষাইহে ব্যক্তিৰ সামাজিক প্ৰস্থিতি আৰু জীৱন যাপনৰ শৈলী সলনি কৰি সমাজখনক প্ৰগতিৰ দিশেৰে আগবঢ়াই লৈ যাব পাৰে।

● **সমাজৰ প্ৰতি দায়িত্ব** ঃ শিক্ষাই নাগৰিকক সমাজৰ প্ৰতি থকা তেওঁৰ দায়িত্ব বুজাত সহায় কৰে। সামাজিক ব্যৱস্থা এটা ফলপ্ৰসূভাৱে আগবঢ়াই নিবলৈ সমাজৰ সদস্যসকলে সমাজৰ প্ৰতি থকা নিজ কৰ্তব্য আৰু দায়িত্ব সুচাৰুৰূপে পালন কৰাটো অতি প্ৰয়োজনীয়।

● **সামাজিক সংগঠন** ঃ সাধাৰণতে সামাজিক সংগঠন বুলিলে সমাজত থকা বিভিন্ন গোটৰ মাজৰ পাৰস্পৰিক বুজাবুজি আৰু আন্তঃনিৰ্ভৰশীলতাৰ কথা বুজোৱা হয়। ইয়াক সমাজৰ বিভিন্ন সম্পৰ্ক বুজোৱা ব্যৱস্থা অথবা বিন্যাস বুলিও কোৱা হয়। সমাজৰ সদস্যৰ মাজত এক সুস্থ সম্পৰ্ক গঢ়িবলৈ আৰু ব্যক্তিৰ উপযুক্ত ব্যক্তিত্বৰ বিকাশৰ বাবে গুণমানবিশিষ্ট শিক্ষাৰ প্ৰয়োজন।

● **আদৰ্শ নাগৰিকৰ বিকাশ** ঃ সামাজিক ব্যৱস্থা হ'ল সমাজ এখনৰ সদস্যসকলৰ পাৰস্পৰিক সন্মান তথা বুজাপৰাৰে গঢ়ি তোলা এক সংগঠিত সম্পূৰ্ণতা । শিক্ষা মূলতঃ সমাজৰ সদস্যৰ ব্যক্তিত্ব তথা সামাজিক গুণবোৰৰ বিকাশৰ সৈতে জড়িত। শিক্ষাই মানুহক নিজৰ অধিকাৰ আৰু কৰ্তব্য সম্পৰ্কে সজাগ তথা দায়িত্বশীল কৰি তোলে।

'ব্যৱস্থা' শব্দটোৱে সাধাৰণতে 'সংগঠন' অথবা 'প্ৰণালীৱদ্ধ উপস্থাপন'ৰ বিষয়ে বুজায়। শিক্ষাক এক সামাজিক ব্যৱস্থাৰূপে গণ্য কৰা মানে হ'ল সমাজৰ প্ৰতিটো উপাদানৰে সৈতে থকা শিক্ষাৰ সম্পৰ্কৰ ওপৰত আলোকপাত কৰা।



জানি থোৱা ভাল

- মিৰিয়াম ৱেবষ্টাৰৰ মতে, "এটা সামাজিক ব্যৱস্থা মানে হ'ল ব্যক্তি, দল আৰু অনুষ্ঠান-প্রতিষ্ঠানৰ মাজত বৰ্তি থকা আন্তঃসম্পর্কৰ একোটা বিন্যাস বিভাজিত শৃংখলা যিটোৱে এক সম্পূর্ণতাৰ সৃষ্টি কৰে।"
- টেলকট পার্চন্চে পোন প্রথমে সামাজিক ব্যৱস্থাৰ তত্ত্ব বিকশিত কৰিছিল।
- শিক্ষাক এক সামাজিক ব্যৱস্থাৰূপে বিবেচনা কৰাৰ কাৰণ হ'ল ইয়াৰ সামাজিকীকৰণ, সামাজিক পৰিৱর্তন, সংস্কৃতি, সামাজিক গতিশীলতা, সামাজিক সংগঠন আদিৰ দৰে সমাজৰ বিভিন্ন গুৰুত্বপূর্ণ দিশৰ সৈতে থকা সম্পর্ক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সমাজিক ব্যৱস্থা মানে কি?

.....

২.৬ সামাজিকীকৰণৰ অর্থ

সামাজিকৰণ হ'ল এনে এক প্রক্রিয়া যিটোৰ সহায়ত শিশুৱে সামাজিক আচৰণ, প্রমূল্য আৰু সমাজত ল'বলগীয়া নিজ ভূমিকাৰ বিষয়ে শিকে। জন্ম লাভ কৰাৰ পাচত শিশু এটিয়ে সমাজৰ সদস্য হিচাপে লাহে লাহে সমাজত নিজৰ ভূমিকা কেনে হ'ব সেই কথা শিকে। সামাজিকীকৰণ প্রক্রিয়াৰ সহায়ত শিশুৱে সমাজত নিজৰ ভূমিকাৰ মূল্য বুজি পায় আৰু সমগ্র জীৱনৰ বাবে ইয়াক গ্রহণ কৰে। এই প্রক্রিয়াটোৰ জৰিয়তে এটি শিশুৱে লাহে লাহে সমাজৰ প্রতি থকা নিজৰ নির্ধাৰিত বিষয়বোৰ আয়ত্ব কৰে। সহজ অর্থত সামাজিকীকৰণ প্রক্রিয়াই ব্যক্তিক এটা সুস্থ সামাজিক জীৱন যাপন কৰিব পৰাকৈ সাজু কৰি তোলে। সামাজিকীকৰণৰ বিষয়ে পৰৱর্তী অধ্যায়ত বিস্তৃত ৰূপত দাঙি ধৰা হৈছে।

ওৰভিলে জি. ব্রিম আৰু ষ্টান্ট'ন হুইলাৰৰ মতে, "সামাজিকীকৰণ হ'ল এনে এক প্রক্রিয়া যিটোৰ জৰিয়তে মানুহে নিজ নিজ সমাজৰ যোগ্য সদস্য হ'ব পৰাকৈ জ্ঞান, দক্ষতা আৰু বৈশিষ্ট্য আহৰণ কৰে।" সামাজিকীকৰণ প্রক্রিয়াই মানুহক সামাজিক চুক্তি অনুসৰি কাম কৰিব পৰাকৈ সক্ষম কৰি তোলে। ই.এ.ৰ'ছে সামাজিকীকৰণৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে, "সামাজিকীকৰণ হ'ল 'আমি' ভাৱনাৰ সংগঠিত ৰূপত হোৱা বিকাশ, মানুহৰ সামর্থ অনুসৰি হোৱা বৃদ্ধি আৰু একেলগে কাম কৰাৰ ইচ্ছা।" অ'গবার্নৰ মতে, "সামাজিকীৰণ হ'ল এনে এক প্রক্রিয়া যিটোৰ জৰিয়তে ব্যক্তিয়ে নিজ দলৰ স্বীকৃত ৰীতি-নীতিৰ সৈতে

খাপ খাই চলিবলৈ শিকে।" মানুহে অন্য ব্যক্তিৰ নকল কৰিয়েই সাধাৰণতে সকলো মানৱীয় কার্যকলাপ শিকে। নিজে বাস কৰা সমাজখনৰ প্রকৃতিৰ চাহিদা অনুসৰি মানুহ বিকশিত হয়। সেই দিশৰ পৰা চাবলৈ গ'লে সমাজভেদে মানুহৰ সামাজিক ভূমিকাও ভিন ভিন হয়। সামাজিকীকৰণে মানুহক নিজৰ সামাজিক জগতখনৰ সৈতে পৰিচয় কৰাই দিয়ে। ই সামাজিক শিকন অবিৰত কৰি ৰখা প্রক্রিয়া।

২.৭ সামাজিকীকৰণ প্রক্রিয়াৰ আহিলাৰূপে শিক্ষা

শিক্ষা সর্বাংগীন বিকাশ সাধনৰ লক্ষ্যৰে মানুহৰ সমগ্র জীৱনটোকে সামৰি লয়। সমাজৰ বিশ্বাস আৰু সামাজিক ব্যৱস্থাবোৰ শিক্ষাৰ জৰিয়তে প্রতিফলিত হয়। বিদ্যালয়ে সমাজৰ সদস্যক শিক্ষা প্রদান কৰে। বিদ্যালয়বোৰ হ'ল সমাজৰ ক্ষুদ্র সংস্কৰণ। বিভিন্ন সামাজিক পটভূমিত ডাঙৰ-দীঘল হোৱা শিশুহঁত আহি বিদ্যালয়ত মিলিত হয় আৰু বিদ্যালয়ক বাহিৰৰ সমাজখনৰ সৈতে সংলগ্ন কৰে। সমাজ অবিহনে শিক্ষাৰ অস্তিত্ব নাই আৰু শিক্ষা অবিহনে সমাজৰ বিকাশ অসম্ভৱ। শিশুৰ মাজত সকলো সামাজিক গুণ গঢ়ি তোলাত সহায় কৰা সবাতোকৈ গুৰুত্বপূর্ণ আহিলাবিধ হ'ল শিক্ষা। শিক্ষাক আনুষ্ঠানিক, অনানুষ্ঠানিক অথবা অগতানুগতিক ভাগত ভগোৱা হয়। প্রতিটো ভাগেই মানুহক সমাজ, সংস্কৃতি, পৰম্পৰা, প্রমূল্য, সামাজিক আচৰণ, সামাজিক ভূমিকা আদিৰ বিষয়ে শিকাত সহায় কৰে।

সামাজিকীকৰণ প্রক্রিয়াৰ আহিলাৰূপে শিক্ষাৰ ধাৰণাটো তলত উল্লেখ কৰা কথাবোৰৰ জৰিয়তে অধিক পৰিস্কাৰকৈ বুজিব পৰা যায় —

- শিক্ষাই সমাজৰ অতীত আৰু প্রমূল্যবোৰ সংৰক্ষণ কৰে। ই সমাজে ভৱিষ্যৎ প্রজন্মৰ হাতত তুলি দিবলগীয়া জ্ঞানভাণ্ডাৰটোকো সংৰক্ষণ কৰে।
- শিক্ষা অবিহনে সংস্কৃতিৰ সংৰক্ষণ আৰু প্রচাৰ সম্ভৱ নহয়। শিক্ষাই আমাৰ অ-পার্থিৱ (non-material) সংস্কৃতি বিশেষভাৱে সংৰক্ষণ কৰে আৰু সঠিক সময়ত ভৱিষ্যৎ প্রজন্মৰ হাতত তুলি দিয়ে। নৱ প্রজন্মই শিক্ষাৰ সহায়তে এই সংস্কৃতিৰ কথা উপলব্ধি কৰে আৰু এইবোৰক প্রয়োজনীয় গুৰুত্ব প্রদান কৰে।
- শিক্ষাই আমাক সমাজৰ প্রতি থকা আমাৰ কর্তব্য তথা অধিকাৰবোৰৰ বিষয়ে জ্ঞান দিয়ে। সমাজক সুৰক্ষিত ৰাখিবলৈ বিভিন্ন আইন তথা নীতি গঢ়াত শিক্ষাই আমাক সহায় কৰে।
- শিক্ষাৰ সহায়তহে সমাজত বিজ্ঞান তথা প্রযুক্তিবিদ্যাই কঢ়িয়াই অনা আধুনিকীকৰণ আৰু প্রগতিক বাস্তৱ ৰূপ দিব পাৰি। শিক্ষাই মানুহক এই পৰিৱর্তনবোৰ গ্রহণ কৰিব পৰাকৈ সমর্থ কৰি তোলে।
- আমাৰ সামাজিক মূল্যবোধ, বিশ্বাস, পৰম্পৰা, উৎসৱ-পার্বন, নীতি-নিয়ম আদিৰ বিষয়ে জনাত শিক্ষাই আমাক সহায় কৰে। এই কথাবোৰ নাজানিলে সামাজিকীকৰণ প্রক্রিয়াটো আগ নাবাঢ়ে।

- বিভিন্ন সামাজিক পটভূমিত ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালী বিদ্যালয়ত মিলিত হয়। সেয়েহে শিক্ষার্থীৰ মনত একধৰণৰ 'আমি' ভাৱনা তথা পাৰস্পৰিক সন্মানবোধ জাগি উঠে। বিদ্যালয়তেই শিক্ষার্থীয়ে বিভিন্ন সংস্কৃতি আৰু সামাজিক ব্যৱস্থাৰ বিষয়ে শিকে।
- সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে অন্ধবিশ্বাস, ধৰ্মীয় সংকীৰ্ণতা, অন্ধভাবে যিকোনো বিশ্বাস বা মত মানি চলা আদিৰ দৰে সামাজিক কুপ্ৰথাবোৰ আঁতৰাব পৰা যায়। এইক্ষেত্ৰত কেৱল শিক্ষাই সহায় কৰিব পাৰে।
- সামাজিকীকৰণ প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ল অনুকৰণ পদ্ধতি। শিশুৱে পিতৃ-মাতৃ, শিক্ষক আৰু অগ্ৰজসকলক অনুকৰণ কৰি ভাল সামাজিক আচৰণ আয়ত্ব কৰিব পাৰে।
- শিক্ষার্থীৰ মাজত দায়িত্ববোধৰ জন্ম দিবলৈ শিষ্ঠানুষ্ঠানবোৰে বিভিন্ন সমূহীয়া বিকাশ কার্যসূচীক উৎসাহিত কৰা উচিত।
- সময় বাগৰাৰ লগে লগে সমাজলৈ বিভিন্ন ধৰণৰ পৰিৱৰ্তন আহে। শিক্ষাই মানুহক এই পৰিৱৰ্তনবোৰ গ্ৰহণ কৰাত তথা ইয়াৰ সৈতে খাপ খোৱাত সহায় কৰে।

সামাজিকীকৰণ আৰু শিক্ষা উভয়েই অবিৰত প্ৰকৃতিৰ। দুয়োটাই ব্যক্তিৰ সমগ্ৰ জীৱন জুৰি চলি থাকে। দুয়োটাই মানুহক সমাজত চলিব পৰাকৈ প্ৰস্তুত কৰি তোলে। কেৱল মানুহেহে নিজৰ সামাজিক পৃথিৱীখন সুৰক্ষিত ৰাখিব পাৰে। সামাজিকীকৰণে মানুহক বিভিন্ন সামাজিক আচৰণ শিকাত সহায় কৰে আৰু শিক্ষাই এই আচৰণবোৰ আয়ত্ব কৰাৰ দিশ নির্দেশনা প্ৰদান কৰে।



জানি থোৱা ভাল

- সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে এটি শিশুৱে সমাজ এখনত প্ৰচলিত বিভিন্ন মূল্যবোধ, পৰম্পৰা, বিশ্বাস আৰু স্বীকৃত ৰীতি-নীতিৰ বিষয়ে জানিব পাৰে। সামাজিকীকৰণে মানুহক সামাজিক চুক্তি অনুসৰি কাম কৰিব পৰা কৰি তোলে।
- শিক্ষাক শিশুক সামাজিক কৰি তোলাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ আহিলাস্বৰূপে গণ্য কৰা হয়। শিক্ষাৰ জৰিয়তেহে সৰুৰে পৰাই মানুহক সকলোবোৰ সামাজিক গুণৰ বিষয়ে শিকাব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ সামাজিকীকৰণৰ সংজ্ঞা দিয়ক।

.....

.....



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজৰ সংজ্ঞা আৰু অর্থ সম্পর্কে আমাৰ ধাৰণা আগতকৈ স্পষ্ট হ'ল।
- ট'মাছ হ'বচ্, জন ল'ক আৰু জে.জে. ৰুছোঁৰ দৃষ্টিভংগীৰ আলোচনা কৰি সামাজিক চুক্তি তত্ত্বটোৰ বিষয়ে এক স্পষ্ট ধাৰণা বিকশাই তোলা হ'ল।
- সমাজৰ বিভিন্ন কাৰক আছে। এই কাৰকবোৰে সমাজখনক বিভিন্ন ধৰণে প্রভাৱিত কৰে। মানৰীয় কাৰক, সামাজিক কাৰক, সাংস্কৃতিক কাৰক, ধর্মীয় কাৰক, জনগাঁথনিমূলক কাৰক, ৰাজনৈতিক কাৰক, অর্থনৈতিক কাৰক, বিজ্ঞান আৰু প্রযুক্তি হ'ল এনে কেইটামান কাৰক।
- সামাজিক ব্যৱস্থা বুলিলে সমাজৰ বিভিন্ন অংশৰ এটা প্রণালীৱদ্ধ ব্যৱস্থাপনাৰ কথা বুজোৱা হয়। সমাজৰ বিভিন্ন অংশৰ মাজত থকা সম্পর্কই আন্তঃক্রিয়া সংঘটিত কৰাৰ দাবী কৰে।
- এটা সামাজিক ব্যৱস্থাৰূপে শিক্ষাৰ ধাৰণাটোক বিভিন্ন দিশেৰে আলোচনা কৰিব পৰা যায়। যেনে — ব্যক্তিৰ বিকাশ, সামাজিকীকৰণ প্রক্রিয়া, সংস্কৃতিৰ সংৰক্ষণ আৰু প্রসাৰ, সামাজিক পৰিৱর্তন, সামাজিক গতিশীলতা, সমাজৰ প্রতি থকা দায়িত্ব, আদর্শ নাগৰিকৰ বিকাশ, সামাজিক সংগঠন ইত্যাদি।
- সামাজিকীকৰণ হ'ল এনে এক প্রক্রিয়া যিটোৰ সহায়ত শিশু এটিয়ে সামাজিক আচৰণ, প্রমূল্য তথা সমাজত নিজ ভূমিকা সম্পর্কে শিকাৰ সুযোগ পায়।
- সামাজিক পৰিৱর্তন আৰু প্রগতিৰ প্রধান আহিলা হ'ল শিক্ষা। শিক্ষা সামাজিকীৰণৰো সবাতোকৈ গুৰুত্বপূর্ণ আহিলা।



২.৯ অধিক জানিবলৈ

1. Shankar Rao, C.N, (2012) Sociology : Principles of Sociology with an Introduction to Social Thought, New Delhi: S.Chand &Company PVT LTD
2. Mathur S.S (2008): "A Sociological Approach to Indian Education" Vinod Pustak Mandir, Dr.Rangeya Raghava Marg, Agra-2
3. Bhattacharya, Srinibas. (2006): Sociological Foundation of Education: Atlantic Publishers
4. Singh, Y.K. (2007): Sociological Foundation of Education: APH Publishing

5. Aggarwal, J.C. (2002): The Philosophical and Sociological Perspectives on Education: Shipra Publication

6. Bhatia, Kamala. (1992): The Philosophical and Sociological Foundations of Education: Doaba House.



২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ 'সমাজ' বুজোৱা ইংৰাজী শব্দ 'society' ৰ মূল হ'ল দুটা ভাষাত ব্যৱহৃত আন দুটা শব্দ। ইয়াৰে এটা লেটিন আৰু আনটো ফৰাছী ভাষাৰ শব্দ। লেটিন শব্দ 'socius'ৰ অর্থ হ'ল সংগী আৰু ফৰাছী শব্দ 'societe'ৰ অর্থ হ'ল সংগ।

২ নং প্ৰশ্নৰ উত্তৰঃ ধর্ম, সংস্কৃতি আৰু শিক্ষা।

৩ নং প্ৰশ্নৰ উত্তৰঃ কোনো এখন সমাজৰ সদস্যসকলৰ মাজত থকা পাৰস্পৰিক সন্মান আৰু বুজাবুজিৰে সৃষ্ট সংগঠিত সম্পূর্ণতাটোকেই সামাজিক ব্যৱস্থা বোলা হয়। সামাজিক ব্যৱস্থা বোলা অভিধাটোৰ দ্বাৰা সমাজ এখনৰ বিভিন্ন অংশৰ এক প্ৰণালীবদ্ধ বিন্যাসৰ কথা বুজোৱা হয়। সমাজৰ বিভিন্ন অংশৰ মাজত থকা সম্পর্কই আন্তঃক্ৰিয়া সম্পন্ন হোৱাৰ দাবী জনায়।

৪ নং প্ৰশ্নৰ উত্তৰঃ (ক) ই.এ. ৰ'ছৰ মতে, "সামাজিকীকৰণ হ'ল 'আমি' ভাৱনাৰ সংগঠিত ৰূপত হোৱা বিকাশ, মানুহৰ সামর্থ অনুসৰি হোৱা বৃদ্ধি আৰু একেলগে কাম কৰাৰ ইচ্ছা।"

(খ) অ'গবার্নৰ মতে, "সামাজিকীৰণ হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে ব্যক্তিয়ে নিজ দলৰ স্বীকৃত ৰীতি-নীতিৰ সৈতে খাপ খাই চলিবলৈ শিকে।"



২.১১ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে প্ৰায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ সমাজ কি?

প্ৰশ্ন নং ২ঃ সামাজিক ব্যৱস্থা মানে কি?

প্ৰশ্ন নং ৩ঃ সামাজিকীকৰণ মানে কি?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ঃ সামাজিক চুক্তি তত্ত্বটো আলোচনা কৰক।

প্রশ্ন নং ২ঃ সমাজৰ কাৰকবোৰ কি কি?

প্রশ্ন নং ৩ঃ সামাজিক ব্যৱস্থাৰূপে শিক্ষা সম্পর্কে আলোচনা কৰক।

প্রশ্ন নং ৪ঃ সামাজিকীকৰণৰ এক গুৰুত্বপূর্ণ আহিলা হিচাপে শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায়-৩ ঃ সামাজিকীকৰণ প্ৰক্ৰিয়া

অধ্যায় গাঁথনি ঃ

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সামাজিকীকৰণৰ অর্থ

৩.৪ সামাজিকীকৰণৰ সংজ্ঞা

৩.৫ সামাজিকীকৰণৰ বৈশিষ্ট্য

৩.৬ সামাজিকীকৰণ প্ৰক্ৰিয়া

৩.৭ সামাজিকীকৰণ আৰু সামাজিক আন্তঃক্ৰিয়া

৩.৮ সহযোগিতাৰ অর্থ আৰু সংজ্ঞা

৩.৮.১ সহযোগিতাৰ প্ৰকাৰ

৩.৯ প্ৰতিযোগিতাৰ অর্থ আৰু সংজ্ঞা

৩.৯.১ প্ৰতিযোগিতাৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

৩.৯.২ প্ৰতিযোগিতাৰ ভাগ

৩.৯.৩ সহযোগিতা আৰু প্ৰতিযোগিতাৰ মাজৰ পার্থক্য

৩.১০ সংঘর্ষৰ অর্থ আৰু সংজ্ঞা

৩.১০.১ সংঘর্ষৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

৩.১০.২ সংঘর্ষৰ প্ৰকাৰ

৩.১০.৩ প্ৰতিযোগিতা আৰু সংঘর্ষৰ মাজৰ পার্থক্য

৩.১০.৪ সহযোগিতা আৰু সংঘর্ষৰ মাজৰ পার্থক্য

৩.১০.৫ সংঘর্ষৰ কাৰণ

৩.১১ উপযোগীকৰণৰ অর্থ আৰু সংজ্ঞা

৩.১১.১ উপযোগীকৰণৰ বৈশিষ্ট্য

৩.১১.২ উপযোগীকৰণৰ ভাগ বা পদ্ধতি

৩.১১.৩ উপযোগীকৰণৰ প্ৰয়োজনীয়তা

৩.১২ সদৃশীকৰণৰ অর্থ আৰু সংজ্ঞা

৩.১২.১ সদৃশীকৰণৰ বৈশিষ্ট্য

৩.১২.২ সদৃশীকৰণৰ সমৰ্থনৰ কাৰকসমূহ

৩.১২.৩ সদৃশীকৰণৰ প্ৰতিবন্ধকতা বা বাধাৰ কাৰকসমূহ

৩.১২.৪ উপযোগীকৰণ আৰু সদৃশীকৰণৰ মাজৰ পাৰ্থক্যসমূহ

৩.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১৪ অধিক জানিবলৈ

৩.১৫ অগ্ৰগতিৰ খতিয়ান

৩.১৬ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ কৰাৰ পিছত আপুনি—

- সামাজিকীকৰণৰ সংজ্ঞা দিব পাৰিব
- সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰিব পাৰিব
- সামাজিকীকৰণৰ প্ৰক্ৰিয়াক বৰ্ণনা কৰিব পাৰিব
- সামাজিক আন্তঃক্ৰিয়াৰ বিভিন্ন ভাগবোৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

৩.২ পৰিচয়

মানুহ সামাজিক প্ৰাণী। জন্মতে কোনো মানৱ শিশু সামাজিক হৈ জন্মগ্ৰহন নকৰে। কিন্তু জন্মগতভাৱে শিশুৰ মাজত সামাজিক প্ৰবনতা নিহিত হৈ থাকে। এটা শিশুৱে বিকাশ প্ৰক্ৰিয়াৰে আগবাঢ়ি যাওঁকে সকলো প্ৰয়োজনীয় সামাজিক আচৰণেই শিকি লয়। শিশুটোৱে সামাজিক ক্ৰিয়া আৰু অনুভৱসমূহ আহৰণ কৰি লয় আৰু সামাজিক জীৱ হিচাপে পৰিচিত হৈ পৰে। সামাজৰ এই প্ৰক্ৰিয়াক 'সামাজিকীকৰণ' বুলি কোৱা হয়। সামাজিকীকৰণৰ এই প্ৰক্ৰিয়া সংস্কৃতিৰদ্বাৰা নিৰ্ধাৰিত হয়। এই অধ্যায়টিত আমি সামাজিকীকৰণৰ প্ৰক্ৰিয়া আৰু সামাজিক আন্তঃক্ৰিয়াৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰিম।

৩.৩ সামাজিকীকৰণৰ অৰ্থ

সামাজিকীকৰণ হৈছে ব্যক্তিক সামাজিক কৰি তোলাৰ এক প্ৰক্ৰিয়া। আন কথাত

ক'বলৈ হ'লে, সামাজিকীকৰণ হৈছে এনেকুৱা এক প্ৰক্ৰিয়া যাৰ জৰিয়তে সমাজে ইয়াৰ আদৰ্শ, বিশ্বাস আৰু পৰম্পৰা অনুসৰি এজন ব্যক্তিক বিকশিত কৰে আৰু তেওঁক সামাজিক জীৱ হিচাপে স্বীকৃতি প্ৰদান কৰে। চমুকৈ, সামাজিকীকৰণৰ মূল ভেটি হৈছে আন্তঃক্ৰিয়া। অথবা সামাজিকীকৰণ হৈছে একে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰে আৰু সামাজিক আদৰ্শ, মনোভাৱ আৰু আচৰণৰ প্ৰকাৰ সম্বন্ধে জ্ঞান লাভ কৰে। মানুহে আন্তঃক্ৰিয়াৰ প্ৰক্ৰিয়াটোৰ মাধ্যমেৰে সমাজসেৱা আৰু সমাজ কল্যাণৰ ধাৰণাৰ দ্বাৰা উৎসাহিত হৈ নিজকে পৰিয়াল, ওচৰ-চুবুৰীয়া আৰু অন্যান্য সামাজিক দলৰ লগত নিজকে সমাযোজিত কৰায় লয়, যাতে তেওঁ সঁচা অৰ্থত সামাজিক জীৱ হিচাপে পৰিচিত হ'ব পাৰে। এইদৰে, সামাজিকীকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো সামাজিক কাৰ্য বা আন্তঃক্ৰিয়াৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত।

৩.৪ সামাজিকীকৰণৰ সংজ্ঞা

ডব্লিউ. এফ. অগবার্ণৰ মতে, "সামাজিকীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে ব্যক্তিয়ে দলৰ আদৰ্শসমূহৰ লগত একমত হ'বলৈ শিকে।"

মেকআইভাৰৰ মতে, সামাজিকীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে সামাজিক জীৱসমূহে অন্য ব্যক্তিৰ লগত সম্পৰ্ক বিকাশ কৰে আৰু মিলিত হয়।

জে.এচ.ৰছৰ মতে, সামাজিকীকৰণ হৈছে সহযোগীসকলৰ সৈতে "আমি ভাৱ"ৰ বিকাশ আৰু তেওঁলোকৰ সমাৰ্থতাৰ বৃদ্ধি আৰু একেলগে কাম কৰাৰ প্ৰক্ৰিয়া।

পিটাৰ ওৱৰচলীয়ে বৰ্ণনা কৰা মতে, সামাজিকীকৰণ হৈছে 'সংস্কৃতিৰ প্ৰেৰণ প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে সামাজিক দলৰ নীতি আৰু ব্যৱহাৰসমূহ আহৰণ কৰি লয়।

গ্ৰীণৰ মতে, সামাজিকীকৰণৰ হৈছে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে এটি শিশুয়ে তেওঁৰ আত্মসত্বা আৰু ব্যক্তিত্বৰ লগতে সাংস্কৃতিক পৰিক্ৰমাসমূহ আহৰণ কৰে।

এইচ.টি. মজুমদাৰৰ মতে, সামাজিকীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰদ্বাৰা মানুহৰ জন্মগত আদিম প্ৰকৃতি মানৱ প্ৰকৃতিলৈ পৰিৱৰ্ত্তন হয় আৰু ব্যক্তিক মানুহলৈ ৰূপান্তৰিত কৰা হয়।

প্ৰত্যেক মানুহে সমাজে পূৰ্বনিৰ্দ্ধাৰণ কৰি দিয়া পৰিবেশ আৰু চৰ্তসমূহৰ সৈতে সমাযোজন কৰিবলৈ প্ৰয়াস কৰে। যদি তেওঁ সেই কাৰ্যত অসফল হয়, তেওঁ সমাজ বিচ্যুত হৈ পৰে আৰু তেওঁক পুনৰ সমাজৰ গণ্ডীৰ ভিতৰলৈ আনিবলৈ তেওঁ অন্তৰ্ভূক্ত সমাজৰ দলৰ দ্বাৰা চেষ্টা কৰা হয়। সমাযোজনৰ এই প্ৰক্ৰিয়াক সামাজিকীকৰণ বুলি কোৱা হয়। এই প্ৰক্ৰিয়া ব্যক্তিকেন্দ্ৰিকতাৰ বিপৰীতধৰ্মী। 'আত্ম'ৰ বিকাশৰ ই এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই ব্যক্তিৰ মনত 'সামূহিক ভাৱ'ৰ সৃষ্টি কৰে।

৩.৫ সামাজিকীকৰণৰ বৈশিষ্ট্য

সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ নিম্নলিখিত ধৰণৰ—

- সামাজিকীকৰণে ব্যক্তিসকলৰ মাজত মৌলিক অনুশাসনৰ ধাৰণাৰ সৃষ্টি কৰে।

- ই মানুহৰ আচৰণ নিয়ন্ত্ৰণ কৰাত সহায় কৰে।
- যদি সামাজিকীকৰণৰ মাধ্যমসমূহৰ আদৰ্শ আৰু কৌশলবোৰ সৰ্বসন্মতি সম্পন্ন হয়, তেন্তে সামাজিকীকৰণ অতি দ্ৰুত গতিত সংগঠিত হয়।
- সামাজিকীকৰণ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুই ধৰণেই হয়। ই পৰিয়ালৰ জৰিয়তে অনানুষ্ঠানিকতাৰ স্থান পায় আৰু শৈক্ষিক অনুষ্ঠানৰ জৰিয়তে আনুষ্ঠানিক ৰূপত হয়।
- সামাজিকীকৰণ এক অবিৰত প্ৰক্ৰিয়া। ই ব্যক্তিৰ জন্মলগ্নৰ পৰা আৰম্ভ হয় আৰু গোটেই জীৱনত অবিৰতভাৱে চলি থাকে।

৩.৬ সামাজিকীকৰণ প্ৰক্ৰিয়া

সামাজিকীকৰণৰ দ্বাৰা সামাজিক শৃংখলা বহু পৰিমাণে বৰ্তাই ৰখা হয়। দলৰ নীতি অনুযায়ী আচৰণ প্ৰদৰ্শন নকৰাকৈ ব্যক্তিসকলে সমাজৰ লগত সংগতিপূৰ্ণ সম্পৰ্ক স্থাপন কৰিব নোৱাৰে। জন্মসূত্ৰে লাভ কৰা সামাজিক পৰিবেশে ব্যক্তিৰ জীৱনত বিশেষ প্ৰভাৱ পেলায়। পিতৃ-মাতৃৰ বিবাহসূত্ৰে হোৱা মিলন, বৈবাহিক বিচাৰ, গৰ্ভাৱস্থাৰ লগত জড়িত নীতি-নিয়মসমূহ, জন্ম আৰু পৰিয়ালক আবৰি ৰখা সমগ্ৰ সাংস্কৃতিক ব্যৱহাৰসমূহে শিশুৰ বিকাশত বিশেষ প্ৰভাৱ পেলায়। এজন শিশু সুস্থ-সৱল হোৱাৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ যত্নই বিশেষ প্ৰভাৱ পেলায়। অৱশ্যে জন্মৰ পিছৰ পৰাহে প্ৰত্যক্ষ সামাজিকীকৰণৰ সূচনা হয়।

ওপৰত আলোচনা কৰা অনুসৰি সামাজিকীকৰণৰ প্ৰক্ৰিয়াই এটি শিশুক সামাজিক কৰি তোলে। সামাজিকীকৰণৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলোৱা উপাদানসমূহৰ ভিতৰত নিম্নোক্ত উপাদানসমূহ উল্লেখনীয়।

- **শিশু প্ৰতিপালন ঃ** শিশুৰ সামাজিকীকৰণৰ ক্ষেত্ৰত শিশুৰ প্ৰতিপালনে বিশেষ প্ৰভাৱ পেলায়। যি পৰিবেশত আৰু যি ধৰণে পিতৃ-মাতৃয়ে শিশুক প্ৰতিপালন কৰে, তুলি তালি ডাঙৰ-দীঘল কৰে সেই অনুপাতে শিশুৰ অনুভূতি আৰু অভিজ্ঞতাসমূহৰ বিকাশ হয়। ইয়াৰ অৰ্থ এইয়ে যে অনুপযুক্ত প্ৰতিপালনৰ বাবে সৃষ্টি হোৱা অসমাযোজনে শিশুৰ মনত অসামাজিক তাড়নাৰ সৃষ্টি কৰে। সেয়েহে সাৰ্থক সামাজিকীকৰণৰ বাবে শিশুক সুস্থ আৰু উপযুক্ত প্ৰতিপালনৰ দৰকাৰ।
- **সহানুভূতি ঃ** প্ৰতিপালনৰ দৰে সহানুভূতিয়ে শিশুৰ সামাজিকীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উল্লেখনীয় যে কেঁচুৱাকালত শিশুৰ প্ৰয়োজনসমূহ পৰিপূৰণৰ বাবে শিশুসকল সম্পূৰ্ণৰূপে পৰিয়ালৰ ওপৰত নিৰ্ভৰশীল। প্ৰয়োজন পৰিপূৰণৰ লগতে পৰিয়ালৰ সদস্যসকলে শিশুৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰা উচিত। এই সহানুভূতিৰ দ্বাৰা শিশুৰ মনত 'আমি ভাৰ'ৰ সৃষ্টি হয় আৰু শিশুৱে তাৰ প্ৰকৃত শুভাকংক্ষী আৰু সমাজৰ অন্যান্য ব্যক্তিৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পৰা হয়।
- **সহযোগিতা ঃ** সমাজে শিশুক সামাজিক কৰি তোলে। আন অৰ্থত সমাজৰ সহযোগিতাই শিশুৰ সামাজিকীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। যেতিয়া শিশুৱে আনৰ পৰা সহানুভূতি লাভ কৰে তেতিয়া শিশুটিয়েও সমাজৰ অন্যান্য সদস্যৰ

প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰে। এই প্ৰদৰ্শনে তেওঁলোকৰ মনত সামাজিক তাড়না শক্তিশালী কৰি তোলে।

- **পৰামৰ্শ** ঃ সামাজিক পৰামৰ্শই শিশুৰ সামাজিকীকৰণত প্ৰভাৱ পেলায়। স্বাভাৱিকভাৱেই এটি শিশুয়ে তেওঁৰ শুভাকাংক্ষীৰ দ্বাৰা পোৱা পৰামৰ্শ অনুসৰি কাৰ্যবোৰ সম্পাদন কৰে। এই পৰামৰ্শসমূহে তেওঁলোকৰ সামাজিক আচৰণৰ নিৰ্ধাৰণ কৰে।
- **চিনাক্তকৰণ** ঃ শুভাকাংক্ষী, পিতৃ-মাতৃ আৰু সম্বন্ধীয়সকলৰ সহানুভূতি, প্ৰেম আৰু পৰামৰ্শই শিশুৰ আনৰ সৈতে চিনাক্তকৰণৰ মনোভাৱ গঢ়ি তোলে। যিসকল ব্যক্তিয়ে শিশুৰ সৈতে সহানুভূতিশীলভাৱে আচৰণ প্ৰদৰ্শন কৰে শিশুৱে তেওঁলোকক শুভাকাংক্ষী হিচাপে বিবেচনা কৰে আৰু তেওঁলোকৰ আদৰ্শ, ভাষা আৰু জীৱন নিৰ্বাহৰ মানদণ্ড অনুসৰি কাৰ্য সম্পাদন কৰে।
- **অনুকৰণ** ঃ সামাজিকীকৰণৰ এক মুখ্য উপাদান হৈছে অনুকৰণ প্ৰক্ৰিয়া। শিশুৰ শিক্ষণৰ ই এক শক্তিশালী দিশ। শিশুৱে পৰিয়ালৰ সদস্যসকলৰ আচৰণ, আবেগ আৰু অনুভূতিবোৰ অনুকৰণ কৰে। এইদৰে শিশুৰ সামাজিকীকৰণৰ এক শক্তিশালী উপায় হৈছে অনুকৰণৰ দ্বাৰা শিকণ।
- **সামাজিক শিকণ** ঃ অনুকৰণৰ লগতে সামাজিক শিকণেও শিশুৰ সামাজিকীকৰণত প্ৰভাৱ পেলায়। উল্লেখনীয় যে সামাজিক শিকণ পৰিয়াল, বন্ধুবৰ্গৰ মাজত, সম্পৰ্কীয়সকলৰ এই শিকনে শিশুক বহু ক্ষেত্ৰত প্ৰভাৱিত কৰে।
- **পুৰস্কাৰ আৰু শাস্তি** ঃ শিশুৰ সামাজিকীকৰণৰ ক্ষেত্ৰত পুৰস্কাৰ আৰু শাস্তিৰ বিশেষ প্ৰভাৱ আছে। যেতিয়া এটি শিশুৱে সমাজৰ আদৰ্শ আৰু বিশ্বাস অনুসৰি আচৰণ কৰে, মানুহে প্ৰশংসা কৰে আৰু তেওঁৰ আচৰণক স্বীকৃতি দিয়ে। আনহাতে তেওঁৰ অসামাজিক কামৰ বাবে সমাজৰ দ্বাৰা সমালোচিত হয় আৰু সমাজে তেওঁক শাস্তি প্ৰদান কৰে। এই ধৰণৰ শাস্তিয়ে শিশুক অসামাজিক কৰ্ম সম্পাদনৰ পৰা বিৰত থকাত সহায় কৰে।



জানি থোৱা ভাল

সামাজিকীকৰণৰ গুৰুত্বপূৰ্ণ উপাদানসমূহ হ'ল—

- শিশু প্ৰতিপালন
- সহানুভূতি
- সহযোগিতা
- পৰামৰ্শ
- চিনাক্তকৰণ
- অনুকৰণ
- সামাজিক শিকণ
- পুৰস্কাৰ আৰু শাস্তি



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১. সামাজিকীকৰণ হৈছে এক _____ প্ৰক্ৰিয়া। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং২. সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ লিখক।

.....

.....

৩.৭ সামাজিকীকৰণ আৰু সামাজিক আন্তঃক্ৰিয়া

সকলো সামাজিকীকৰণ প্ৰক্ৰিয়াই সামাজিক আন্তঃক্ৰিয়াক সূচায়। সামাজিকীকৰণৰ অৰ্থ হৈছে শিশুক সামাজিক প্ৰাণী হিচাপে আচৰণ প্ৰদৰ্শন কৰিবলৈ শিকোৱা। এই প্ৰক্ৰিয়াই আনৰ উপস্থিতিৰ সজাগতাক বুজায়। এই প্ৰক্ৰিয়াত অন্য ব্যক্তিৰ শব্দ আৰু ভাৱ ভঙ্গীমাৰ প্ৰতি কৰা প্ৰতিক্ৰিয়াক সূচায়। ই হৈছে এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা আনৰ সংস্পৰ্শলৈ আহিব পৰা যায়, আনক প্ৰত্যক্ষ কৰিব পৰা যায়, তেওঁলোকৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰিব পৰা যায় বা নিজৰ প্ৰতি আনৰ প্ৰতিক্ৰিয়া উদ্ভৱ কৰিব পৰা যায়। সামাজিকীকৰণত সহায় কৰা, সামাজিক আন্তঃক্ৰিয়া দুটা পৰ্যায়ত পোৱা যায়— (ক) প্ৰাথমিক, (খ) গৌণ। প্ৰাথমিক বা মুখ্য আন্তঃক্ৰিয়াৰ অৰ্থ হৈছে মানুহৰ মাজৰ আন্তঃক্ৰিয়া। গৌণ আন্তঃক্ৰিয়াৰ অৰ্থ হৈছে— মানুহ আৰু সংস্কৃতিৰ বিভিন্ন উপাদান যেনে— ধৰ্মীয় বিশ্বাস, কলা, সাহিত্য, নীতি, নৈতিকতা, পৰম্পৰা আৰু অন্যান্য অনুষ্ঠানৰ মাজৰ আন্তঃক্ৰিয়া। সামাজিক আন্তঃক্ৰিয়াৰ পৰ্যায়সমূহৰ উপৰিও এই প্ৰক্ৰিয়াৰ বিভিন্ন প্ৰকাৰ উপলব্ধ। সেই প্ৰকাৰসমূহ হৈছে— সহযোগিতা, প্ৰতিযোগিতা, সংঘৰ্ষ, উপযোগীকৰণ আৰু সদৃশীকৰণ।

৩.৮ সহযোগিতাৰ অৰ্থ আৰু সংজ্ঞা

সহযোগিতা হৈছে ব্যাপক আৰু ধাৰাবাহিক সামাজিক প্ৰক্ৰিয়া। ই হৈছে এক সংহতিপূৰ্ণ কাৰ্য আৰু ইয়াক প্ৰতিযোগিতাৰ বিপৰীত প্ৰক্ৰিয়া হিচাপে বিবেচনা কৰা হয়। প্ৰকৃতাৰ্থত, যিয়েই নহওক, সহযোগিতাৰ বিপৰীতমুখী সামাজিক আন্তঃক্ৰিয়া হৈছে, সংঘৰ্ষ, প্ৰতিযোগিতা নহয়। সহযোগিতা হৈছে এক নিৰ্দিষ্ট লক্ষ্য আহৰণৰ বাবে একলগ হৈ কৰা কাৰ্য। সহযোগিতাৰ ইংৰাজী প্ৰতিশব্দ হৈছে Co-operation। এই Co-operation শব্দটো দুটা লেটিন শব্দ 'Co' আৰু 'operari'পৰা আহিছে। Coৰ অৰ্থ- লগ হৈ আৰু operariৰ অৰ্থ- কাৰ্য কৰা। গতিকে সহযোগিতাৰ অৰ্থ হৈছে— মিলিত কাৰ্য বা নিৰ্দিষ্ট লক্ষ্যৰ অৰ্থে মিলিজুলি কৰা কাম। সেইবাবে, সহযোগিতা হৈছে ভাগ-বতৰাই লোৱা বা আংশিক পুৰস্কাৰৰ বাবে কৰা যৌথ কাৰ্য। ই সামাজিক আন্তঃক্ৰিয়াৰ উদ্দেশ্যধৰ্মী আৰু সচেতনাত্মক প্ৰকাৰ। ই দুটা উপাদানেৰে সমৃদ্ধ— (ক) সামূহিক উদ্দেশ্য, (খ) সংগঠিত প্ৰচেষ্টা।

গ্ৰীণৰ মতে, দুজন বা ততোধিক ব্যক্তিয়ে কোনো এক উদ্দেশ্য আহৰণৰ বাবে কৰা ধাৰাবাহিক আৰু সামূহিক প্ৰচেষ্টা যিসমূহ সামূহিকভাৱে অভিলক্ষিত হয় তাক সহযোগিতা বুলি কোৱা হয়।

মেৰিল আৰু এলড্ৰেজৰ মতে, সহযোগিতা হৈছে সামাজিক আন্তঃক্ৰিয়াৰ এক প্ৰকাৰ য'ত দুই বা ততোধিক লোকে উমৈহতীয়া উদ্দেশ্য পূৰণৰ বাবে একলগ হৈ কাৰ্য সম্পাদন কৰে।

ফেয়াৰচাইল্ডৰ মতে — সহযোগিতা হৈছে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা ব্যক্তিসকলে বা দলসমূহে কম-বেছি পৰিমাণে সংগঠিতভাৱে এক উমৈহতীয়া উদ্দেশ্য পূৰণৰ বাবে কৰা যৌথ প্ৰচেষ্টা।।

কুলেই মতে— মানুহে উদ্দেশ্য আহৰণৰ বাবে একত্ৰিত কাৰ্যৰে উমৈহতীয়া আগ্ৰহ, সময়, একে যথোপযুক্ত বুদ্ধি আৰু আত্ম-নিয়ন্ত্ৰণৰ আভাস পায় তেতিয়াই সহযোগিতা জাগি উঠে। ধীমান সংযোজনত অপৰিহাৰ্য কথা হ'ল, আগ্ৰহৰ ঐক্যতাক উপলব্ধি কৰা আৰু সংগঠনৰ সামৰ্থতা।

৩.৮.১ সহযোগিতাৰ প্ৰকাৰ

সামাজিক জীৱনত সহযোগিতাৰ বিভিন্ন প্ৰকাৰে পোৱা যায় তাৰ ভিতৰত প্ৰধান হৈছে—

- **প্ৰত্যক্ষ সহযোগিতা**— এই প্ৰকাৰৰ সহযোগিতাত মানুহে একত্ৰিতভাৱে কাৰ্য সম্পাদন কৰে। অৰ্থাৎ একেধৰণৰ কাৰ্য যেনে বোকাত সোমাই পৰা গাড়ী এখন উলিয়াই অনাৰ বাবে একেলগে থেলা। এই প্ৰকাৰ সহযোগিতাৰ বৈশিষ্ট্য এই যে যি কাম মানুহে ব্যক্তিগতভাৱে কৰিব পাৰে, সেই একে কাম সামূহিকভাৱে সম্পাদন কৰে। ইয়াৰ মূলতে হৈছে সামাজিক সন্তুষ্টি।
- **পৰোক্ষ সহযোগিতা**— এই প্ৰকাৰৰ সহযোগিতাত ব্যক্তিয়ে একত্ৰিতভাৱে কাৰ্য সম্পাদন কৰে যদিও প্ৰত্যেকৰে কাৰ্যক্ষেত্ৰসমূহ ভিন ভিনভাৱে বৈশিষ্ট্যপূৰ্ণ। উদাহৰণস্বৰূপে এটা ঘৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰত ৰাজমিস্ত্ৰী, পানীৰ মিস্ত্ৰী আৰু কাঠমিস্ত্ৰীয়ে একেলগে কাম কৰে যদিও তেওঁলোকৰ কাৰ্যক্ষেত্ৰ ভিন্ন ভিন্ন। এই প্ৰকাৰৰ সহযোগিতাৰ ভেটি হৈছে কৰ্ম বিভাজনৰ নীতি। বৰ্তমান সমাজত প্ৰত্যক্ষ সহযোগিতাতকৈ পৰোক্ষ সহযোগিতাৰ প্ৰাধান্য অধিক কিয়নো বৰ্তমানৰ প্ৰযুক্তিবিদ্যাৰ যুগত বিশেষ কৌশলী আৰু কাৰ্যৰ প্ৰয়োজন অধিক।
- **প্ৰাথমিক সহযোগিতা**— এই প্ৰকাৰৰ সহযোগিতা প্ৰাথমিক দল যেনে— পৰিয়াল, ওচৰ চুবুৰীয়া, বন্ধু বা সমূহত পৰিলক্ষিত হয়। এই প্ৰকাৰ সহযোগিতাত ব্যক্তি আৰু সমূহৰ মাজত এক আগ্ৰহৰ চিনাক্ত হয়।
- **গৌণ সহযোগিতা**— গৌণ দল যেনে- চৰকাৰ, উদ্যোগ, গীৰ্জা ইত্যাদি গৌণ দলসমূহত এই প্ৰকাৰৰ সহযোগিতা পৰিলক্ষিত হয়।

➢ **তৃতীয় পক্ষৰ সহযোগিতা**— এই প্ৰকাৰ সহযোগিতা বিভিন্ন ডাঙৰ আৰু সৰু দলসমূহৰ মাজত কোনো বিশেষ উদ্দেশ্য আহৰণৰ বাবে হোৱা আন্তঃক্ৰিয়াত পৰিলক্ষিত হয়। এই প্ৰকাৰ সহযোগিতাত সহযোগ কৰা দলসমূহৰ মনোভাৱসমূহ সুবিধাবাদী। তেওঁলোকৰ সহযোগিতাৰ সংগঠন হৈছে দুৰ্বল।



জানি থোৱা ভাল

সহযোগিতা অৰ্থাৎ Co-operation শব্দটো দুটা লেটিন শব্দৰ পৰা আহিছে 'Co' অৰ্থাৎ একত্ৰিত আৰু 'operari' অৰ্থাৎ কাৰ্য কৰা। সহযোগিতাৰ বিভিন্ন প্ৰকাৰসমূহ হৈছে—

- প্ৰত্যক্ষ সহযোগিতা
- পৰোক্ষ সহযোগিতা
- প্ৰাথমিক সহযোগিতা
- গৌণ সহযোগিতা
- তৃতীয় পক্ষৰ সহযোগিতা



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ৩. সহযোগিতাৰ বিভিন্ন প্ৰকাৰসমূহ লিখক।

.....

.....

৩.৯ প্ৰতিযোগিতাৰ অৰ্থ আৰু সংজ্ঞা

প্ৰতিযোগিতা হৈছে অবিভাজনীয় উদ্দেশ্য আহৰণৰ বাবে দুই বা ততোধিক ব্যক্তিৰ মাজত হোৱা পাৰস্পৰিক সংঘাত বা শত্ৰুতা। সামাজিক সংগ্ৰামৰ ই আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰকাৰ। অস্তিত্বৰ বাবে কৰা বিশ্বজনীন সংগ্ৰামৰ ই এক স্বাভাৱিক ফলাফল। প্ৰতিযোগিতাৰ আঁৰত থকা মূল বিষয়বস্তু হৈছে যে কোনো ব্যক্তিয়ে তেওঁলোকৰ সকলো ইচ্ছা বা হাবিয়াস পূৰাব নোৱাৰে। মানুহে বিচৰা বস্তু বা সম্পদৰ অপৰ্যাপ্ততাৰ বাবে প্ৰতিযোগিতা সংঘটিত হয়।

চুথাৰলেন্দ, উড়ৰার্ড আৰু মেক্সৱেলৰ মতে— অপৰ্যাপ্ততাৰ বাবে ব্যক্তি আৰু দলৰ মাজত হোৱা এক অব্যক্তিক, অসচেতন আৰু ধাৰাবহিক সংগ্ৰামেই হৈছে প্ৰতিযোগিতা। এই সংগ্ৰাম সীমিত যোগান আৰু অভাৱৰ বাবেই সৃষ্টি হয়।

পার্ক আৰু বার্গেছৰ মতে, প্ৰতিযোগিতা হৈছে সামাজিক চুক্তি অবিহনে হোৱা আন্তঃক্ৰিয়া।

বেইচেঞ্জৰ ভাষাত— প্ৰতিযোগিতা হৈছে একে উদ্দেশ্য আহৰণৰ বাবে দুই বা ততোধিক ব্যক্তিৰ মাজৰ প্ৰচেষ্টা, যাৰ উদ্দেশ্য সীমিত বাবে সকলোৱে ভগাই ল'ব নোৱাৰি।

বৰ্গৰদাচৰ মতে, "কোনো বস্তু আহৰণ কৰিবৰ বাবে হোৱা যুদ্ধ হৈছে প্ৰতিযোগিতা যিসমূহ দাবী পূৰণ কৰিব পৰা ধৰণে পৰ্যাপ্ত নহয়।"

মজুমদাৰে কৈছিল, "সীমিত আৰু অপৰ্যাপ্ত বস্তু আৰু সেৱাসমূহৰ বাবে সদৃশী জীৱৰ মাজত হোৱা অব্যক্তিক সংঘৰ্ষই হৈছে প্ৰতিযোগিতা।

৩.৯.১ প্ৰতিযোগিতাৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহে প্ৰতিযোগিতাৰ প্ৰকৃতি নিৰ্ধাৰণ কৰে—

- **অভাৱ হৈছে প্ৰতিযোগিতাৰ এক চৰ্ত**— উমৈহতীয়াকৈ বাঞ্ছিত সেৱা আৰু সামগ্ৰীসমূহৰ উপস্থিতিয়ে প্ৰতিযোগিতাৰ সৃষ্টি কৰে। অৰ্থনীতিবিদসকলে বিশ্বাস কৰে যে যেতিয়া মানুহৰ প্ৰয়োজনসমূহ অসীম হয় তেতিয়া প্ৰয়োজন পূৰণ কৰিব পৰা সম্পদসমূহ সীমিত হৈ পৰে।
- **প্ৰতিযোগিতা আৰু সমৃদ্ধি**— পৰ্যাপ্ততা আৰু সমৃদ্ধিৰ ক্ষেত্ৰতে প্ৰতিযোগিতাৰ পূৰ্ণ নিয়োগকালীন সৃষ্টি হ'ব পাৰে। পূৰ্ণ নিয়োগকালীন সময়তো উচ্চ শ্ৰেণীৰ সামাজিক প্ৰস্থিতি আহৰণৰ বাবে ব্যক্তিৰ মাজত প্ৰতিযোগিতাৰ সৃষ্টি হ'ব পাৰে।
- **প্ৰতিযোগিতা হ'ল ধাৰাবাহিক** — সামাজিক আন্তঃক্ৰিয়াৰ আৰু সকলো সামাজিক কামকাজত প্ৰতিযোগিতা বিৰাজমান। বিশেষভাৱে মৰ্যাদা, সম্পত্তি, যশস্যাৰ বাবে প্ৰত্যেক সমাজতে প্ৰতিযোগিতা হয়। সমাজত প্ৰতিযোগিতা অবিৰত ৰূপত দেখা যায়।
- **প্ৰতিযোগিতা প্ৰৰাহমান**— প্ৰতিযোগিতাই কৃতিত্ব অৰ্জনৰ বাবে উদ্দীপিত কৰে আৰু সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগায়। ই মানুহৰ আকাংক্ষাসমূহক নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ প্ৰৰাহিত কৰে।
- **প্ৰতিযোগিতা হৈছে সামাজিক পৰিবৰ্তনৰ এক কাৰক**— প্ৰতিযোগিতাক সামাজিক পৰিবৰ্তনৰ কাৰক আখ্যা দিয়া হয় কিয়নো ই ব্যক্তিক কোনো উদ্দেশ্য আহৰণৰ বাবে নতুন আচৰণ গ্ৰহণ কৰাত সহায় কৰে। নতুন আচৰণসমূহ আবিষ্কাৰ আৰু উদ্ভাৱনৰ দ্বাৰা বিশিষ্টপূৰ্ণ যিয়ে স্বাভাৱিকভাৱে সামাজিক পৰিবৰ্তন আনে।
- **প্ৰতিযোগিতা মূলতঃ নৈৰ্ব্যক্তিক**— প্ৰতিযোগিতা সাধাৰণতে উদ্দেশ্যমুখী, ই ব্যক্তিমুখী নহয়। লক্ষ্যত উপনীত হোৱাটোহে ইয়াৰ উদ্দেশ্য। কোনো কোনো সময়ত অন্য ব্যক্তিৰ উপস্থিতি অবিহনেও প্ৰতিযোগিতাৰ সৃষ্টি হয়। অসামৰিক পৰীক্ষাৰ ক্ষেত্ৰত হোৱা প্ৰতিযোগিতা অব্যক্তিক কিয়নো তাত পৰীক্ষাৰ্থীসকল পাৰস্পৰিকভাৱে অপৰিচিত। অৱশ্যে প্ৰতিযোগিতা কেতিয়াবা ব্যক্তিগতও হয়। যেনে কোনো পদৰ বাবে হোৱা নিৰ্বাচনত অৱতীৰ্ণ দুজন ব্যক্তিৰ মাজত হোৱা প্ৰতিযোগিতা।
- **প্ৰতিযোগিতা সৃষ্টিমুখী বা ধ্বংসমুখী হ'ব পাৰে**— প্ৰতিযোগিতা সুস্থ বা অসুস্থ প্ৰকৃতিৰ হ'ব পাৰে। যেতিয়া এক বা ততোধিক প্ৰতিযোগীয়ে আন কাৰোবাৰ ক্ষতিৰ বিনিময়ত জয়ী হ'ব খোজে তেনে প্ৰতিযোগিতাক বিধ্বংসী প্ৰতিযোগিতা বুলি কোৱা হয়।

আনহাতে সৃষ্টিকামী প্ৰতিযোগিতাসমূহ প্ৰেৰণাদায়ক আৰু সহায়ক। ই প্ৰত্যেক স্তৰতে, প্ৰত্যেকৰ কল্যাণৰ বাবে বৰঙণি আগবঢ়ায়।

- **প্ৰতিযোগিতা সদায় প্ৰতিমানৰ দ্বাৰা পৰিচালিত**— প্ৰতিযোগিতা সীমাহীনো নহয় তথা অনিয়ন্ত্ৰিতও নহয়। অসীমিত বা অনিয়ন্ত্ৰিত প্ৰতিযোগিতাৰ স্থান সমাজত নাই। কিছুমান নৈতিক প্ৰতিমান বা বিধিগত নীতিৰ দ্বাৰা প্ৰতিযোগিতাসমূহ নিয়ন্ত্ৰিত আৰু পৰিচালিত।
- **প্ৰতিযোগিতা অসচেতনাত্মক হ'ব পাৰে**— অসচেতনভাৱেও প্ৰতিযোগিতা সংঘটিত হ'ব পাৰে। বহু সময়ত প্ৰতিযোগিতাত অন্তৰ্ভুক্ত ব্যক্তিয়ে সেই প্ৰতিযোগিতাৰ বিষয়ে অজ্ঞ থাকে। সেই অনুপাতে অন্য প্ৰতিযোগীসকলৰ বিষয়ে তেওঁৰ জ্ঞান নিচেই তাকৰ।

৩.৯.২ প্ৰতিযোগিতাৰ ভাগ

বার্নার্ডে তিনি প্ৰকাৰৰ প্ৰতিযোগিতাৰ বিষয়ে উল্লেখ কৰিছিল। সেই প্ৰকাৰকেইটা হ'ল সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ সাধাৰণ প্ৰকাৰসমূহ তলত উল্লেখ কৰা হ'ল—

- **সামাজিক প্ৰতিযোগিতা**— মানুহে সমাজত সদায় উচ্চ স্থান আৰু প্ৰস্থিতি আহৰণৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। এই প্ৰকাৰৰ প্ৰতিযোগিতা সাধাৰণতে মুক্ত সমাজবিলাকত দেখা যায়। যি সমাজত মানুহৰ দক্ষতা, ক্ষমতা, বুদ্ধিমত্তা আদিক স্বীকৃতি প্ৰদান কৰা হয়, তেনে সমাজত সামাজিক প্ৰতিযোগিতাৰ গুৰুত্ব বৃদ্ধি পায়।
- **অৰ্থনৈতিক প্ৰতিযোগিতা**— আটাইতকৈ গুৰুত্বপূৰ্ণ লগতে তীব্ৰ প্ৰকাৰৰ প্ৰতিযোগিতা হৈছে অৰ্থনৈতিক প্ৰতিযোগিতা। সাধাৰণতে সামগ্ৰীৰ উৎপাদন ভাগ-বিতৰণ আৰু আহৰণৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত এই প্ৰকাৰৰ প্ৰতিযোগিতাৰ পৰিলক্ষিত হয়। অৰ্থনৈতিক প্ৰতিযোগিতাত ব্যক্তিগত আৰু দলীয় দুই স্তৰতে পৰিলক্ষিত হয়।
- **ৰাজনৈতিক প্ৰতিযোগিতা**— আধুনিক সমাজত ৰাজনৈতিক শক্তিৰ বাবে প্ৰতিযোগিতা বিশেষভাৱে উল্লেখনীয়। ৰাজনৈতিক দলসমূহে সদায় শক্তি আহৰণৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। বিশেষভাৱে নিৰ্বাচনৰ সময়ত এই প্ৰতিযোগিতা প্ৰবল হৈ উঠে। আকৌ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰাষ্ট্ৰ বিলাকৰ মাজতো প্ৰতিযোগিতাই ঠাই লয়। প্ৰায় বিলাক দেশৰ ৰাজনৈতিক আদৰ্শ পৃথক হোৱাৰ বাবে পৃথক আদৰ্শৰ প্ৰতি আনুগত্য থকা দেশবোৰৰ মাজত এই প্ৰতিযোগিতাই ক্ৰিয়া কৰে।
- **সাংস্কৃতিক প্ৰতিযোগিতা**— কিছুসংখ্যক সমাজবিদে সাংস্কৃতিক প্ৰতিযোগিতাৰ

বিষয়ে উল্লেখ কৰিছে। এই প্ৰকাৰৰ প্ৰতিযোগিতা দুই বা ততোধিক সাংস্কৃতিক সমূহৰ মাজত ঠাই লয়। মানৱ সমাজৰ ভিন্ন সাংস্কৃতিক সমূহৰ মাজত সংঘটিত প্ৰতিযোগিতাকে সাংস্কৃতিক প্ৰতিযোগিতা হিচাপে আখ্যা দিয়া হয়। উদাহৰণস্বৰূপে খিলঞ্জীয়া সংস্কৃতিৰ লগত বহিৰাগত সংস্কৃতিৰ সদায় এক তীব্ৰ প্ৰতিযোগিতা চলি থাকে।

বিভিন্ন জনগোষ্ঠীসমূহৰ প্ৰজাতীৰ মাজতো প্ৰতিযোগিতাৰ সৃষ্টি হ'ব পাৰে। যেনে নিগ্ৰ' আৰু শ্বেতসকলৰ, হিন্দু আৰু মুছলমানসকলৰ, মুছলমান আৰু খ্ৰীষ্টানসকলৰ মাজত ইত্যাদি।

৩.৯.৩ সহযোগিতা আৰু প্ৰতিযোগিতাৰ মাজৰ পাৰ্থক্য

সহযোগিতা	প্ৰতিযোগিতা
১। এক সামাজিক আন্তঃক্ৰিয়াৰ প্ৰকাৰ য'ত দুই বা ততোধিক ব্যক্তিয়ে কোনো উদ্দেশ্য আহৰণৰ বাবে একলগ হৈ কাম কৰে।	১। এক সামাজিক আন্তঃক্ৰিয়াৰ এক প্ৰকাৰ য'ত ব্যক্তিয়ে সকলো প্ৰতিযোগীক চেৰ পেলায় পুৰস্কাৰসমূহৰ একাধিকাৰ প্ৰাপ্তিৰ চেষ্টা কৰে।
২। সদায় সংযুক্ত বা ব্যক্তিৰ যৌথ প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীল।	২। সমূহ বা ব্যক্তিগত স্তৰত সংঘটিত হ'ব পাৰে।
৩। সাধাৰণতে ধনাত্মক ফলাফল বহন কৰে। ই কাচিৎহে অংশগ্ৰহণকাৰীৰ অপকাৰ কৰে।	৩। যদিও প্ৰতিযোগিতাই ধনাত্মক ফলাফল বহন কৰিব পাৰে, ই প্ৰতিযোগিতাত অন্তৰ্ভুক্ত দল বা ব্যক্তিসকলৰ অনিষ্ট কৰিব পাৰে।
৪। সহযোগিতা হৈছে সীমাহীন। ইয়াৰ কোনো বান্ধোন নাই। এজন ব্যক্তিয়ে আনক সহায় কৰিবলৈ যিকোনো স্তৰলৈ যাব পাৰে।	৪। প্ৰতিযোগিতাৰ নিজস্ব সীমা থাকে। প্ৰতিমানৰ দ্বাৰা ই নিয়ন্ত্ৰিত। সীমাহীন প্ৰতিযোগিতাই অনিষ্ট সাধন কৰিব পাৰে।
৫। চি.এইচ. কুলেৰ মতে, সহযোগিতাৰ বাবে কিছুমান গুণৰ আৱশ্যক যেনে- দয়া, সহানুভূতি, আনৰ প্ৰতি দৰদ, পাৰস্পৰিক বুজাবুজি আৰু আনক সহায় কৰাৰ বাবে প্ৰস্তুতি।	৫। প্ৰতিযোগিতাৰ বাবে প্ৰয়োজন হোৱা গুণাৱলীসমূহ হৈছে শক্তিশালী আকাংক্ষা, আত্মবিশ্বাস, সমাজত নাম আৰু যশ পোৱাৰ হেঁপাহ, সহ্য আৰু সংঘৰ্ষৰ বাবে থকা মানসিক শক্তি।
৬। সহযোগিতাই মানুহক সন্তুষ্টি প্ৰদান কৰে।	৬। কিন্তু প্ৰতিযোগিতাই সন্তুষ্টি বা অসন্তুষ্টি, উৎকণ্ঠা, অনিশ্চয়তাৰ সৃষ্টি কৰিব পাৰে।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ৪. _____ হৈছে সামাজিক সংগ্ৰামৰ এক মৌলিক প্ৰকাৰ। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন নং ৫. প্ৰতিযোগিতাৰ বৈশিষ্ট্যসমূহ লিখক।

.....

৩.১০ সংঘৰ্ষৰ অৰ্থ আৰু সংজ্ঞা

সংঘৰ্ষ হৈছে মানুহৰ সম্পৰ্কও বিৰাজমান এক সামাজিক প্ৰক্ৰিয়া। সমূহবোৰৰ আৰু ব্যক্তিসকলৰ মাজত হোৱা সংঘৰ্ষৰ ই এক স্বৰূপ। যেতিয়া এজন ব্যক্তি বা সমূহে কোনো পুৰস্কাৰ বা ফলাফলৰ বাবে আন প্ৰতিযোগীক চেৰ পেলোৱাৰ সলনি তেওঁলোকক প্ৰতিযোগিতাৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰায় বা বাধা দিয়ে তেতিয়া সংঘৰ্ষৰ সৃষ্টি হয়। সামাজিক প্ৰক্ৰিয়া হিচাপে ই সহযোগিতাৰ বিপৰীতধৰ্মী প্ৰক্ৰিয়া।

হৰ্টন আৰু হাণ্টৰ মতে, "সংঘৰ্ষ হৈছে পুৰস্কাৰৰ ওপৰত একাধিপত্য স্থাপনৰ বাবে প্ৰতিদ্বন্দ্বীসকলক বাহিৰ কৰি দিয়া বা দুৰ্বল কৰা এক প্ৰক্ৰিয়া।"

এ.ডব্লিউ গ্ৰীণৰ মতে, সংঘৰ্ষ হৈছে আনৰ ইচ্ছাৰ বিৰুদ্ধাচৰণ, প্ৰতিবন্ধকতা বা দমন কৰাৰ ইচ্ছাকৃত প্ৰচেষ্টা। ইয়ং আৰু ম'কৰ মতে সংঘৰ্ষ হ'ল আবেগিক আৰু হিংসাত্মক প্ৰতিৰোধৰ ৰূপ যাৰ দ্বাৰা তেওঁলোকৰ প্ৰধান উদ্দেশ্য হৈছে কোনো পুৰস্কাৰ বা প্ৰাপ্তিৰ বাবে প্ৰতিদ্বন্দ্বী সকলক অতিক্ৰম কৰা।

গিলিন আৰু গিলিনৰ মতে, সংঘৰ্ষ হৈছে এক সামাজিক প্ৰক্ৰিয়া, য'ত ব্যক্তিসকলে বা সমূহবিলাকে প্ৰতিদ্বন্দীসকলক হিংসা বা ভয়-ভাবুকিৰে আত্মস্বাৰ্থ পৰিপূৰণ কৰিবলৈ চেষ্টা কৰে।

৩.১০.১ সংঘৰ্ষৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

- **সংঘৰ্ষ সদায় বিশ্বজনীন**— সংঘৰ্ষ বা আগ্ৰহক লৈ বিৰোধ হৈছে বিশ্বজনীন প্ৰকৃতিৰ। সকলো সমাজতে ই প্ৰবাহমান। কোনো সমাজত সংঘৰ্ষ অতি তীব্ৰ বা প্ৰবল হ'ব পাৰে আৰু আন কিছুমান সমাজত ইয়াৰ প্ৰভাৱ সামান্য হ'ব পাৰে। কাৰ্ল মাৰ্ক্স, ফ্ৰেডৰিক, এঞ্জেলচ, চেইণ্ট চিমন, গামপ্লইজ আৰু অন্যান্য সমাজতত্ত্ববিদসকলে উল্লেখ কৰা অনুসৰি সংঘৰ্ষ হৈছে মানুহৰ সামাজিক জীৱনৰ এক মৌলিক উপাদান।
- **সংঘৰ্ষ হৈছে সচেতন কাৰ্য**— ব্যক্তি বা দল যি সমূহে সংঘৰ্ষত অন্তৰ্ভুক্ত তেওঁলোক সেই প্ৰক্ৰিয়াৰ প্ৰতি সচেতন।
- **সংঘৰ্ষ ব্যক্তিগত**— যেতিয়া প্ৰতিযোগিতা ব্যক্তিগত হৈ পৰে তেতিয়াই সংঘৰ্ষলৈ

ৰূপান্তৰিত হয়। সংঘৰ্ষত আন ব্যক্তি বা সমূহক পৰাস্ত কৰিবলৈ আকাংক্ষিত উদ্দেশ্যক অস্থায়ীভাৱে অৱনমিত কৰি ইয়াৰ গুৰুত্ব গৌণ স্তৰলৈ নিয়া হয়।

- **সংঘৰ্ষ অবিৰাম নহয় কিন্তু সবিৰামহে**— সংঘৰ্ষ কেতিয়াও অবিৰতভাৱে চলি নাথাকে। ই মাজে মধ্যে হয়। কোনো সমাজ অবিৰত সংঘৰ্ষৰ পৰিস্থিতিত বৰ্তি থাকিব নোৱাৰে।

- **সংঘৰ্ষ সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত**— সংঘৰ্ষ সমূহৰ প্ৰকৃতি আৰু ইয়াৰ বিশেষ সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত। সংঘৰ্ষৰ বিষয়বস্তু-সম্পত্তি, ক্ষমতা, প্ৰস্থিতি, কৰ্ম আৰু চিন্তাৰ স্বাধীনতা বা অন্যান্য উচ্ছাকাংক্ষিত প্ৰমূল্য হ'ব পাৰে। যেতিয়া ৰাজনৈতিক অস্থিৰতাই বিৰাজ কৰে তেতিয়াই ৰাজনৈতিক সংঘৰ্ষৰ উদ্ভৱ হ'ব পাৰে।

- **সংঘৰ্ষ আৰু প্ৰতিমান** — সংস্কৃতিয়ে সংঘৰ্ষক আৰু ইয়াৰ প্ৰকাৰসমূহক সংশোধন কৰাৰ উপৰিও ইয়াক নিয়ন্ত্ৰণ আৰু পৰিচালিত কৰে। যেতিয়া সংঘৰ্ষ সঘনে সংঘটিত হয় আৰু ইয়াৰ সমাধানৰ উপায় চিনাক্ত নহয় তেতিয়া অধিক ভয়ংকৰ আৰু তীব্ৰ সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে।

- **সংঘৰ্ষ ব্যক্তিগত অথবা অব্যক্তিগত হ'ব পাৰে**— সংঘৰ্ষই বিভিন্ন ধৰণৰ ৰূপ ধাৰণ কৰিব পাৰে। বিবাদ দুজন ব্যক্তি, পৰিয়াল, শ্ৰেণী, জাতি, দল বা দেশৰ মাজতো হ'ব পাৰে। সংঘৰ্ষ ক্ষুদ্ৰ বা বৃহৎ সমূহৰ মাজত হ'ব পাৰে।

৩.১০.২ সংঘৰ্ষৰ প্ৰকাৰ

জৰ্জ চিমেলে সংঘৰ্ষৰ চাৰিটা প্ৰকাৰ উল্লেখ কৰিছে— (১) যুদ্ধ, (২) দীঘলীয়া বিবাদ, (৩) আদালতৰ গোচৰ আৰু (৪) নৈৰ্ব্যক্তিক আদৰ্শৰ বাবে সংঘৰ্ষ।

(১) যুদ্ধ ঃ চিমেলৰ মতে যুদ্ধই মানুহৰ মনত প্ৰবল ৰূপত সৃষ্টি হোৱা বৈৰীমূলক তাড়নাৰ প্ৰতিনিধিত্ব কৰে কিন্তু এই তাড়নাক কাৰ্যত ৰূপায়িত কৰিবলৈ কিছুমান বিশেষ উদ্দেশ্যৰ প্ৰয়োজন। সেই উদ্দেশ্যসমূহ বস্তুগত আগ্ৰহ বা হেঁপাহ হ'ব পাৰে।

(২) দীঘলীয়া বিবাদ হৈছে সমূহৰ মাজত সংঘটিত বিবাদ। এটা সমূহে অন্য এটা সমূহৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে তেতিয়াই এনেধৰণৰ সংঘৰ্ষই ঠাই লয়।

(৩) আদালতৰ গোচৰ হৈছে কোনো ব্যক্তি বা সমূহৰ দ্বাৰা নিজৰ অধিকাৰসমূহ সুনিশ্চিত কৰা বা সুৰক্ষিত কৰাৰ বাবে এক ন্যায়িক সংঘৰ্ষ। এই প্ৰকাৰ বিবাদ অধিক উদ্দেশ্যধৰ্মী।

(৪) নৈৰ্ব্যক্তিক আদৰ্শৰ বাবে সংঘৰ্ষ হৈছে এনে এক সংঘৰ্ষ যিসমূহ ব্যক্তিয়ে

নিজৰ স্বাৰ্থৰ সলনি আদৰ্শৰ বাবেহে সংঘটিত কৰে। এনে সংঘৰ্ষত প্ৰত্যেক সমূহ বা ব্যক্তিয়ে নিজৰ আদৰ্শসমূহৰ সত্যতা আৰু শুদ্ধতাৰ প্ৰমাণ দিবলৈ প্ৰয়াস কৰে। চিমেলৰ এই শ্ৰেণীবিভাজনৰ উপৰিও নিম্নোক্ত সংঘৰ্ষৰ প্ৰকাৰসমূহ সামাজিক জীৱনত প্ৰতিফলিত হয়।

- **যৌথমূলক আৰু ব্যক্তিগতমূলক**— সহযোগিতামূলক সংঘৰ্ষ এখন সমাজ বা দুখন সমাজৰ ভিতৰৰ সমূহবিলাকৰ মাজত সংঘটিত হয়। যেতিয়া এটা সমূহে আন এটা সমূহৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব বিচাৰে তেতিয়াই সংঘৰ্ষৰ সৃষ্টি হয়।

  ব্যক্তিগত সংঘৰ্ষ সমূহবিলাকৰ ভিতৰতে সংঘটিত হয়। বিভিন্ন কাৰণত ব্যক্তিগত সংঘৰ্ষ হ'ব পাৰে, যেনে ঈৰ্ষা, শত্ৰুতা, বিশ্বাসঘাটকতা ইত্যাদি।

- **সুপ্ত আৰু বাহ্যিক সংঘৰ্ষ**— সংঘৰ্ষ সুপ্ত আৰু বাহ্যিক দুই ধৰণৰ হ'ব পাৰে। সংঘৰ্ষৰ ফলাফল হিংসাত্মক কাৰ্য বিস্ফোৰিত হোৱাৰ পূৰ্বলৈকে সংঘৰ্ষসমূহ সামাজিক চিন্তা আৰু অসন্তোষৰ ৰূপত সুপ্ত হৈ থাকে। যেতিয়া এক পক্ষ শক্তিশালী হৈ উঠে আৰু আন পক্ষৰ ওপৰত সুবিধা ল'ব বিচাৰে তেতিয়া বাহ্যিক সংঘৰ্ষৰ সৃষ্টি হয়।

- **শ্ৰেণী সংঘৰ্ষ**— বিপৰীতমুখী আগ্ৰহেৰে বিশিষ্টপূৰ্ণ সামাজিক শ্ৰেণীসমূহৰ মাজত শ্ৰেণী সংঘৰ্ষৰ সৃষ্টি হয়। কাৰ্ল মাৰ্ক্সে সাম্যবাদী আৰু পুঁজিবাদীসকলৰ মাজৰ সংঘৰ্ষৰ বিষয়ে উল্লেখ কৰিছে।

- **বৰ্ণভিত্তিক সংঘৰ্ষ**— বিশেষত শাৰীৰিক পাৰ্থক্যতাৰ বাবে বৰ্ণভিত্তিক সংঘৰ্ষৰ সৃষ্টি হয়। এইধৰণৰ সংঘৰ্ষত এটা বৰ্ণই আন বৰ্ণৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিব পাৰে আৰু তেওঁলোকৰ ওপৰত সুবিধা ল'ব পাৰে। উদাহৰণস্বৰূপে শ্বেত আৰু নিগ্ৰ'সকল।

- **জাতিগত বিবাদ**— কিছুমান জাতিয়ে উচ্চ-নীচ, উচ্চাত্মিকা-নীচাত্মিকা, পবিত্ৰ-অপবিত্ৰ আদি ধাৰণাৰ সূত্ৰপাত কৰে। যাৰবাবে জাতি সংঘৰ্ষৰ সৃষ্টি হয়। ভাৰতবৰ্ষত সবৰ্ণ হিন্দু আৰু হৰিজনসকলৰ সংঘৰ্ষ বিশেষভাৱে উল্লেখনীয়।

- **দলীয় সংঘৰ্ষ**— ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় বা অন্যান্য দলসমূহৰ মাজৰ সংঘৰ্ষই হৈছে দলীয় সংঘৰ্ষ।

- **আন্তঃৰাষ্ট্ৰীয় সংঘৰ্ষ**— দুই বা ততোধিক দেশ বা মহাদেশৰ মাজৰ সংঘৰ্ষই হৈছে আন্তঃৰাষ্ট্ৰীয় সংঘৰ্ষ। এই প্ৰকাৰ সংঘৰ্ষৰ কাৰণসমূহ ধৰ্মীয়, ৰাজনৈতিক, অৰ্থনৈতিক, আদৰ্শগত ইত্যাদি হ'ব পাৰে।

৩.১০.৩ প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্য

প্ৰতিযোগিতা	সংঘৰ্ষ
১। প্ৰতিযোগিতাত প্ৰতিদ্বন্দীসকলক চেৰ পেলায় পুৰস্কাৰ আহৰণৰ চেষ্টা চলোৱা হয়।	১। সংঘৰ্ষ হৈছে সকলো প্ৰতিদ্বন্দীক দুৰ্বল কৰি বা প্ৰতিযোগিতাৰ পৰা বাহিৰ কৰি ফলাফল আহৰণ কৰা এক প্ৰক্ৰিয়া।
২। প্ৰতিযোগিতা সচেতনাত্মক বা অসচেতনাত্মক হ'ব পাৰে।	২। সংঘৰ্ষ সহায় এক সচেতনমূলক কাৰ্য।
৩। প্ৰতিযোগিতা হৈছে বিশ্বজনীন আৰু ধাৰাবাহিক।	৩। সংঘৰ্ষ বিশ্বজনীন কিন্তু অবিৰাম নহয়, ই অনিয়ন্ত্ৰিত
৪। প্ৰতিযোগিতাত ব্যক্তিৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈছে লক্ষ্য, ই মূলত অব্যক্তিক।	৪। আনহাতে সংঘৰ্ষৰ ক্ষেত্ৰত আকৰ্ষণৰ কেন্দ্ৰবিন্দু লক্ষ্যৰ সলনি ব্যক্তি। গতিকে ই ব্যক্তিগত প্ৰকৃতিৰ।
৫। প্ৰতিযোগিতাই ধনাত্মক তথা ঋণাত্মক দুই ধৰণৰ ফলাফল প্ৰদান কৰিব পাৰে। সুস্থ প্ৰতিযোগিতাই প্ৰগতি আনে।	৫। আনহাতে সংঘৰ্ষৰ ফলাফলসমূহ সদায় ঋণাত্মক।
৬। প্ৰতিযোগিতা যেতিয়া কঠিন হৈ পৰে তেতিয়া ই সংঘৰ্ষৰ ৰূপ লয়।	৬। প্ৰতিযোগিতা ব্যক্তিগত হ'লে ই সংঘৰ্ষলৈ ৰূপান্তৰিত হয়।

৩.১০.৪ সহযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্য

সহযোগিতা	সংঘৰ্ষ
১। সহযোগিতা হৈছে কোনো উদ্দেশ্য আহৰণৰ বাবে কৰা যৌথ কাৰ্য।	১। সংঘৰ্ষ হৈছে ফলাফলৰ একচেতিয়া প্ৰাপ্তিৰ বাবে অন্য প্ৰতিদ্বন্দীক দুৰ্বল বা ধ্বংস কৰাৰ এক প্ৰক্ৰিয়া।
২। সহযোগিতা সচেতনাত্মক বা অসচেতনাত্মক হ'ব পাৰে। ই সদায় ইচ্ছাকৃত নহ'বও পাৰে।	২। সংঘৰ্ষ হৈছে সচেতনাত্মক প্ৰক্ৰিয়া। ই মূলত ইচ্ছাকৃত কাৰ্য।
৩। সহানুভূতি, চিনাক্তকৰণ আৰু আনৰ মৰম আদি সহযোগিতাৰ বাবে প্ৰয়োজনীয়।	৩। আনহাতে সংঘৰ্ষ সদায় গভীৰ, আৱেগ আৰু শক্তিশালী ভাবানুভূতিৰ লগত জড়িত। ইয়াত আনৰ বাবে কোনো সন্মান নাই।

৪। সহযোগিতা বিশ্বজনীন আৰু অবিৰাম প্ৰকৃতিৰ।	৪। আনহাতে সংঘৰ্ষ বিশ্বজনীন হ'লেও অবিৰাম নহয়।
৫। সহযোগিতাৰ ফলাফল সদায় ধনাত্মক। ই প্ৰগতিৰ বাহক।	৫। সংঘৰ্ষ মূলত ঋণাত্মক ফলাফল প্ৰদান কৰে। ই প্ৰগতিৰ পথত বাধা দিয়ে।
৬। সামূহিক জীৱনৰ বাবে সহযোগিতাৰ প্ৰয়োজন। ইয়াৰ অবিহনে সমাজৰ অস্তিত্ব নাই।	৬। সামূহিক জীৱনৰ বাবে সংঘৰ্ষ প্ৰয়োজনীয় নহয়। ইয়াৰ অবিহনেও সমাজৰ স্থায়িত্ব ৰক্ষা পৰে।
৭। সহযোগিতাৰ বিভিন্ন ধৰণৰ প্ৰকাৰ পোৱা যায়। যেনে- প্ৰাথমিক, গৌণ, ত্ৰিপাক্ষিক, প্ৰত্যক্ষ আৰু পৰোক্ষ সহযোগিতা।	৭। সংঘৰ্ষৰ প্ৰকাৰসমূহ হৈছে— শ্ৰেণী বিবাদ, দলীয় বিবাদ, আন্তঃৰাষ্ট্ৰীয় বিবাদ, ধৰ্মীয় বিবাদ, সাংস্কৃতিক বিবাদ, জাতিগত বিবাদ ইত্যাদি।

৩.১০.৫ সংঘৰ্ষৰ কাৰণসমূহ

সংঘৰ্ষ হৈছে বিশ্বজনীন। ই সকলো সময়তে আৰু সকলো ক্ষেত্ৰতে উদ্ভৱ হয়। ইতিহাসত এনে ধৰণৰ দল বা সমাজ নাই য'ত ব্যক্তি বা সমূহবিলাকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হোৱা নাই। সংঘৰ্ষৰ কাৰকসমূহ হৈছে—

- **ব্যক্তিগত পাৰ্থক্য**— কোনো দুজন মানুহৰ প্ৰকৃতি একে নহয়। তেওঁলোকৰ মাজত মনোভাৱ, আদৰ্শ আৰু আগ্ৰহৰ ক্ষেত্ৰতো পাৰ্থক্য থাকে। এই পাৰ্থক্যৰ বাবে তেওঁলোকৰ মাজত সমিলমিল হ'ব নোৱাৰে যাৰ পৰিণতি হৈছে সংঘৰ্ষ।
- **সাংস্কৃতিক পাৰ্থক্য**— সংস্কৃতি হৈছে এটা সমূহৰ জীৱন ধাৰা। এটা সমূহৰ সংস্কৃতি আন দলৰ সংস্কৃতিতকৈ পৃথক। এই ধৰণৰ সংস্কৃতিক পাৰ্থক্যই কেতিয়াবা উত্তেজনাৰ সৃষ্টি কৰে আৰু পৰিণতি হিচাপে সংঘৰ্ষৰ উদ্ভৱ ঘটে।
- **আগ্ৰহৰ বিৰোধ**— বিভিন্ন সমূহ বিলাকৰ বা ব্যক্তিসকলৰ আগ্ৰহৰ মাজত প্ৰায় বিৰোধ ঘটে। যাৰবাবে কোনো ক্ষেত্ৰত শ্ৰমিক শ্ৰেণীৰ আগ্ৰহ আৰু মালিক শ্ৰেণীৰ আগ্ৰহৰ পাৰ্থক্যই সংঘৰ্ষৰ ৰূপ লয়।
- **সামাজিক পৰিবৰ্তন**— যেতিয়া সমাজ এখনৰ কোনো এক অংশ অন্যান্য অংশৰ পৰিবৰ্তনৰ সৈতে পৰিবৰ্তিত নহয় তেতিয়া সামাজিক পৰিবৰ্তন সংঘৰ্ষৰ এক কাৰণ হৈ পৰে। সামাজিক পৰিবৰ্তনে সাংস্কৃতিক পশ্চাৎৰ সৃষ্টি কৰে, যাৰ পৰিণতি হৈছে সামাজিক সংঘৰ্ষ।



জানি থোৱা ভাল

গিলিন আৰু গিলিনৰ মতে, সংঘর্ষ হৈছে ৫ প্ৰকাৰৰ— (১) ব্যক্তিগত সংঘর্ষ, (২) বর্ণভিত্তিক সংঘর্ষ, (৩) জাতিগত সংঘর্ষ, (৪) ৰাজনৈতিক সংঘর্ষ, (৫) আন্তঃৰাষ্ট্ৰীয় সংঘর্ষ। গামপ্লইজৰ মতে, মানুহৰ সমাজসমূহৰ বৈশিষ্ট্য হৈছে সদস্যসকল একত্ৰিত হৈ থকাৰ এক মৌলিক অনুভৱ। তেওঁলোকৰ বিকাশ প্ৰভাৱান্বিত কৰে অন্তহীন সংঘর্ষই।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ৬. সংঘর্ষৰ কাৰকসমূহ উল্লেখ কৰক।

.....

.....

৩.১১ উপযোগীকৰণৰ অর্থ আৰু সংজ্ঞা

ওপৰত উল্লেখ কৰা অনুসৰি সংঘর্ষ যদিও অবিৰাম নহয় ই সবিৰাম সামাজিক প্ৰক্ৰিয়া। কিন্তু সমূহবিলাকে যেতিয়া দীর্ঘদিনৰ বাবে সংঘর্ষত লিপ্ত হৈ পৰে তেতিয়া সামূহিক জীৱন স্তব্ধ হৈ ৰয়। সংঘর্ষৰ বিলোপ কৰিব নোৱাৰিলে ই বৰ ক্লান্তিদায়ক হয়। সেয়েহে, সামাজিক জীৱন শান্তিপূর্ণ কৰি তোলাৰ সমাধান থকা উচিত। উপযোগীকৰণ হৈছে সংঘর্ষৰ এক সমাধান, যাৰ অর্থ হৈছে নতুন পৰিস্থিতিৰ সৈতে নিজকে সমাযোজিত কৰা। এই সমাযোজন ভৌতিক বা সামাজিক পৰিবেশ সম্বন্ধীয় হ'ব পাৰে। ভৌতিক সমাযোজন সম্পাদিত হয় জৈৱিক বা বংশগতিৰ দ্বাৰা প্ৰাপ্ত গঠনীয় সংশোধনৰ দ্বাৰা আৰু সামাজিক সমাযোজন সংঘটিত হয় সমাজৰ দ্বাৰা প্ৰেৰিত আচৰণৰ দিশসমূহৰ আহৰণৰ দ্বাৰা। আচৰণৰ নতুন দিশসমূহ আহৰণ কৰাকে উপযোগীকৰণ বুলি কোৱা হয়। সেয়েহে জীৱশ্ৰেষ্ঠ মানুহে এই সংযোজনৰ দ্বাৰা নতুন পৰিৱেশত সমাযোজন কৰিবলৈ লয়। উপযোগীকৰণ হৈছে এক সামাজিক প্ৰক্ৰিয়া। উপযোগীকৰণৰ সংজ্ঞাসমূহ তলত উল্লেখ কৰা হ'ল—

- মেকাইভাৰৰ মতে, উপযোগীকৰণ হ'ল যি পদ্ধতিৰ দ্বাৰা মানুহে পৰিবেশৰ লগত ভাৰসাম্য ৰক্ষা কৰিবলৈ সক্ষম হয়।
- অর্গবার্ণ আৰু নিম্‌কফৰ মতে, উপযোগীকৰণ হৈছে এনে এটা পদ্ধতি, যাৰ যোগেদি শত্রুতা কৰা ব্যক্তি বা সমূহে পৰিবেশৰ লগত খাপ খাবলৈ চেষ্টা কৰে।
- এইচ.টি. মজুমদাৰৰ মতে, উপযোগীকৰণ হৈছে অহিংসাত্মক প্ৰতিক্ৰিয়া বা সমাযোজন। এই সমাযোজন দুই ধৰণৰ পৰিবেশৰ বাবে প্ৰযোজ্য। (ক) অপৰিবর্তনীয় পৰিবেশৰ সৈতে, (খ) হিংস আৰু শত্রুতাৰ বাবে হোৱা পৰিবর্তনীয় পৰিবেশৰ সৈতে।

- গিলিন আৰু গিলিনৰ মতে, উপযোগীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে প্ৰতিযোগিতা বা সংঘৰ্ষ দেখা দিয়া সমস্যাসমূহ বিলুপ্তকৰণৰ বাবে প্ৰতিযোগী বা সংঘৰ্ষত লিপ্ত সমূহবিলাকে বা ব্যক্তিসমূহে পাৰস্পৰিকভাৱে তেওঁলোকৰ সম্পৰ্কৰ লগত কৰা সমাযোজনৰ এক প্ৰক্ৰিয়া।

৩.১১.১ উপযোগীকৰণৰ বৈশিষ্ট্য

- **উপযোগীকৰণ হৈছে সংঘৰ্ষৰ স্বাভাৱিক পৰিণতি**— যিহেতু সংঘৰ্ষ অবিৰাম ভাৱে সংঘটিত হ'ব নোৱাৰে, তেতিয়া ই উপযোগীকৰণৰ পৰিণতিলৈ ৰূপায়িত হয়। সংঘৰ্ষত লিপ্ত ব্যক্তি বা সমূহবিলাকে সংঘৰ্ষৰ পৰা কোনো ধৰণৰ আনন্দ নাপালে তেওঁলোকে স্থায়ী বা ক্ষন্তেকীয়া বুজাবুজিৰ আশ্ৰয় ল'বলগা হয়। এই বুজাবুজিকে উপযোগীকৰণ আখ্যা দিয়া হয়। সংঘৰ্ষৰ অবিহনে উপযোগীকৰণৰ প্ৰশ্ন উত্থাপিত নহয়।
- **উপযোগীকৰণ সচেতন বা অসচেতন দুই ধৰণৰ হ'ব পাৰে**— সামাজিক পৰিবেশৰ লগত মানুহে কৰা সমাযোজন প্ৰায়েই অসচেতনাত্মক। জন্মৰ পৰা মৃত্যুলৈকে মানুহে সামাজিক আদৰ্শ অনুসৰি আচৰণ প্ৰদৰ্শন কৰিব লাগে। এটি নৱজাতকে বা এটি শিশুৱে নীতি, পৰম্পৰা আদিৰ ৰূপত সামাজিক নিয়মসমূহৰ সৈতে উপযোগীকৰণৰ শিক্ষা আহৰণ কৰে।

  যেতিয়া সংঘৰ্ষত লিপ্ত সমূহবিলাকে বা ব্যক্তিসমূহে ইচ্ছাকৃতভাৱে সংঘৰ্ষৰ অন্ত পেলায় উপযোগীকৰণৰ প্ৰয়াস কৰে তেতিয়া তেনে প্ৰয়াস সচেতনাত্মক হৈ পৰে।
- **উপযোগীকৰণ বিশ্বজনীন**— চৰ্ত বা প্ৰক্ৰিয়া হিচাপে উপযোগীকৰণ বিশ্বজনীন। অবিৰাম সংঘৰ্ষৰ পৰ্যায়ত কোনো সমাজে ইয়াৰ কাৰ্যসমূহ নিয়াৰিকৈ পালন কৰিব নোৱাৰে। সেয়েহে, সকলো সমাজতে উপযোগীকৰণ চিৰপ্ৰৱাহমান।
- **উপযোগীকৰণ নিৰৱচ্ছিন্ন**— মানুহৰ জীৱনৰ কোনো বিশেষ স্তৰৰ বাবে উপযোগীকৰণ প্ৰক্ৰিয়া সীমিত নহয়। কোনো এক ব্যক্তিয়ে তেওঁৰ সমগ্ৰ জীৱনছোৱাত বিভিন্ন পৰিবেশৰ সৈতে উপযোগীকৰণ কৰিব লাগে।
- **পৰিবেশভেদে উপযোগীকৰণৰ প্ৰভাৱ ভিন্ন হ'ব পাৰে**— প্ৰাৰম্ভিক পৰ্যায়ত উপযোগীকৰণে দুজন ব্যক্তি বা সমূহৰ মাজৰ সংঘৰ্ষ হ্ৰাস কৰিব পাৰে। কোনো এক পৰ্যায়ত কোনো এক বিশেষ সময়ৰ বাবে কোনো সন্ধি বা চুক্তিৰ বাবে সংগৰ্ষ পিছুৱাই লৈ যাব পাৰে।

৩.১১.২ উপযোগীকৰণৰ প্ৰকাৰ বা পদ্ধতিসমূহ

উপযোগীকৰণ হৈছে এক সামাজিক অভিযোজন। উপযোগীকৰণ বা সংঘৰ্ষৰ অন্ত বা সমাধান বিভিন্ন দিশত বা বিভিন্ন ধৰণে হ'ব পাৰে। উপযোগীকৰণৰ প্ৰধান প্ৰকাৰসমূহৰ বিভিন্ন ৰূপ তলত উল্লেখ কৰা হ'ল—

- **বলপূৰ্বক বন্ধন**— এই প্ৰক্ৰিয়াৰ যোগেদি সংঘৰ্ষত লিপ্ত থকা এটা সমূহে আনটোক বলপূৰ্বকভাৱে দমন কৰি উপযোগীকৰণৰ সূচনা কৰে। সংঘৰ্ষত লিপ্ত শক্তিশালী সমূহৰ দমন আৰু পৰাক্ৰমৰদ্বাৰা দুৰ্বল সমূহটো ভীতিগ্ৰস্ত হয় আৰু সংঘৰ্ষৰ পৰা আঁতৰি যাবলৈ বাধ্য হয়।
- **আপোচ**— যেতিয়া সংঘৰ্ষত লিপ্ত সমূহ দুটা বা সমূহবিলাক সমানে পৰাক্ৰমী হয়, তেতিয়া আপোচৰ মাধ্যমেৰে উপযোগীকৰণ প্ৰাপ্তি ঘটে। এই প্ৰক্ৰিয়াত দুটা সংঘৰ্ষলিপ্ত সমূহে সংঘৰ্ষৰ অৱসান ঘটাই আলোচনাৰ জৰিয়তে এক গ্ৰহণযোগ্য সুস্থিৰ পৰিবেশ সৃষ্টি কৰা হয়।
- **মধ্যস্থতা আৰু বুজাবুজি**— মধ্যস্থতা আৰু বুজাবুজিৰ মাধ্যমেৰেও অৱসান ঘটাই এক গ্ৰহণযোগ্য উপযোগীকৰণ সম্ভৱ হয়। এই প্ৰকাৰ উপযোগীকৰণত তৃতীয় পক্ষৰ ভূমিকা আৰু প্ৰচেষ্টা বিশেষ উল্লেখনীয়। শ্ৰমিক ব্যৱস্থাপনাৰ ক্ষেত্ৰত দেখা দিয়া সংঘাট স্বামী-স্ত্ৰীৰ মাজৰ সংঘাট আৰু কেতিয়াবা ৰাজনৈতিক সংঘাট— এই প্ৰকাৰ উপযোগীকৰণ মাধ্যমেৰে সমাধান কৰা হয়।
- **সহিষ্ণুতা**— জাগ্ৰত সংঘৰ্ষক সুপ্ত কৰি ৰাখি উপযোগীকৰণৰ সৃষ্টি কৰাকে সহিষ্ণুতা বোলে। সহিষ্ণুতাৰ লগত নৈকিতাৰ সম্বন্ধ আছে। ব্যক্তিগত অথবা সমূহগত উভয়ক্ষেত্ৰতে সহিষ্ণুতাই সহযোগিতামূলক আচৰণ প্ৰকাশত সহায় কৰে। ধৰ্মৰ ক্ষেত্ৰত এইপ্ৰকাৰ উপযোগীকৰণৰ প্ৰভাৱ দেখা যায়।
- **ৰূপান্তৰণ**— ৰূপান্তৰণৰ ক্ষেত্ৰত এটা সমূহৰ মাজত এক বিশ্বাস হয় যে কোনো ক্ষেত্ৰত তেওঁলোকৰ দ্বাৰা ভুল সম্পাদন হৈছে আৰু প্ৰতিদ্বন্দী সমূহ সেই ক্ষেত্ৰত শুদ্ধ। তেনে ক্ষেত্ৰত দুই পক্ষৰ মতামতৰ পৰিবৰ্তন হ'ব পাৰে। এই ক্ষেত্ৰত এটা সমূহে নিজৰ বিশ্বাসক প্ৰত্যাহাৰ কৰে আৰু আনটো সমূহৰ ধাৰণাক গ্ৰহণ কৰাক সূচায়।
- **উন্নীতকৰণ**— এই প্ৰকাৰ উপযোগীকৰণৰ মাধ্যমেৰে আক্ৰমনাত্মক মনোভাৱ বা কাৰ্যকলাপক নমনীয় ৰূপত প্ৰতিস্থাপন কৰা। ব্যক্তিগত আৰু সামূহিক দুই পৰ্যায়তে উন্নীতকৰণ সংগঠিত হ'ব পাৰে। যীশুখ্ৰীষ্ট, মহাত্মা গান্ধী আৰু বহুসংখ্যক ধৰ্মগুৰুৰ মত অনুসৰি এইপ্ৰকাৰ সামাজিক আন্তঃক্ৰিয়াৰ মাধ্যমেৰে মৰম, সহানুভূতিৰে হিংসা, ঘৃণাক জয়ী কৰিব পাৰি।
- **যুক্তিসিদ্ধকৰণ**— নিজৰ ভুল বা সীমাবদ্ধতাক স্বীকাৰ নকৰি যেতিয়া তাৰ বাবে ব্যক্তিয়ে আনক দোষাৰূপ কৰি ব্যাখ্যা আগবঢ়ায় তাকে যুক্তিসিদ্ধকৰণ বোলে।
- **মাননীয়কৰণ আৰু অধিকৰণ**— নৈতিক বিচাৰৰ ফালৰপৰা কোনো ব্যক্তিৰ প্ৰতি মান্যতা প্ৰদৰ্শন কৰি সংঘৰ্ষৰ ঠাইত উপযোগীকৰণ সৃষ্টি কৰাকে মাননীয়কৰণ আৰু অধিকৰণ বুলি কোৱা হয়। উপযোগীকৰণৰ এই পদ্ধতিয়ে প্ৰতিযোগিতা

আৰু সংঘৰ্ষ উভয়কে দমন কৰাত সহায় কৰে।

৩.১১.৩ উপযোগীকৰণৰ প্ৰয়োজনীয়তা

ওপৰোক্ত আলোচনাৰ পৰা এয়া স্পষ্ট যে উপযোগীকৰণৰ প্ৰকাৰ ভিন্ন ভিন্ন হ'ব পাৰে। ইয়াৰ অবিহনে, সামাজিক জীৱনে গতি কৰিব নোৱাৰে। সংঘৰ্ষই সামাজিক সংহতি, নিয়ম আৰু সামাজিক স্থায়ীত্ব ধ্বংস কৰে। সেয়েহে, প্ৰত্যেক সমাজত এই বিবাদসমূহ সমাধানৰ অহৰহ প্ৰয়াস কৰা হয়। উপযোগীকৰণে সংঘৰ্ষ ৰোধ কৰে আৰু সমূহ আৰু ব্যক্তিক সহযোগিতা বজাই ৰখাত সহায় কৰে। পৰিবৰ্তিত সময়ে বহন কৰা পৰিবৰ্তিত কাৰ্য আৰু প্ৰস্থিতিৰ লগত সুস্থ সমাযোজন ৰক্ষা কৰাত সমূহ আৰু ব্যক্তিক সক্ষম কৰি তোলে। পৃথক বা বিৱদমান আগ্ৰহৰ ক্ষেত্ৰতো তেওঁলোকক একেলগে জীৱনৰ কাৰ্যসমূহ চলাই নিয়াত ই সহায় কৰে। প্ৰতিদ্বন্দ্বীক ধ্বংস নকৰাকৈ সংঘৰ্ষক পৰিসমাপ্তি ঘটোৱাৰ ই এক উপায়। ই বিপৰীতমুখী বা প্ৰতিদ্বন্দ্বীসকলৰ মাজত সহযোগিতাৰ মনোভাৱ সৃষ্টিত সহায় কৰে। সেয়েহে ইয়াক প্ৰতিদ্বন্দ্বীমূলক সহযোগিতা বুলিও কোৱা হয়। গতিকে দুই বা ততোধিক সমূহে 'তৃতীয় পক্ষক' প্ৰত্যাহ্বান জনাবলৈ মিলিত হৈ দল গঠন কৰিব পাৰে। উপযোগীকৰণ ব্যক্তিগত আৰু সামাজিক দুই পৰ্যায়তে সংগঠিত হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭. "উপযোগীকৰণ' শব্দটোৱে বিশেষভাৱে সেই প্ৰক্ৰিয়াক সূচায়, য'ত মানুহে পৰিবেশৰ সৈতে ভাৰসাম্য ৰক্ষা কৰিবলৈ সক্ষম হয়।"—এই উক্তিযাৰ কাৰ?

.....

.....

প্ৰশ্ন নং ৮. উপযোগীকৰণৰ প্ৰকাৰসমূহ উল্লেখ কৰা।

.....

.....

৩.১২ সদৃশীকৰণৰ অৰ্থ আৰু সংজ্ঞা

সদৃশীকৰণ হৈছে আন্তঃক্ৰিয়াৰ এক প্ৰকাৰ। উপযোগীকৰণৰ দৰে ইও সমাযোজনৰ এক প্ৰকাৰ। কিন্তু উপযোগীকৰণতকৈ ই অধিক স্থায়ী। সদৃশীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া য'ত ব্যক্তি বা সমূহে আন সমূহৰ মনোভাৱ, মূল্যবোধ, আচাৰ-ব্যৱহাৰ মূলত জীৱন ধাৰণৰ ৰূপ আহৰণ কৰি লয় য'ত তেওঁলোক সেইদলৰ সদস্যৰূপে জীৱন নিৰ্বাহ কৰিবলগা হয়।

যেতিয়া সদৃশীকৰণ সংগঠিত হয় তেতিয়া দুটা ভিন্ন দলে বুজাবুজিৰ ওপৰিও একত্ৰিত হৈ পৰে আৰু তেওঁলোকৰ মাজৰ ভিন্নতা লুপ্ত হৈ পৰে।

সদৃশীকৰণৰ সংজ্ঞাসমূহ হৈছে—

- পার্ক আৰু বার্গেছৰ মতে, সদৃশীকৰণ আন্তঃপ্ৰৱেশ আৰু দ্ৰৱণৰ এটা প্ৰক্ৰিয়া, য'ত ব্যক্তি আৰু সমূহবিলাকে অন্য ব্যক্তি বা সমূহবিলাকৰ স্মৃতি, অনুভূতি, অনুৰাগ আয়ত্ত কৰে আৰু তেওঁলোকৰ ইতিবৃত্ত আৰু অভিজ্ঞতা সমূহ বিতৰণৰ দ্বাৰা এক সাংস্কৃতিক জীৱনতমিলাই দিয়ে।
- যঙং আৰু মেকৰ মতে, দুটা পৃথক সংস্কৃতিবিশিষ্ট সমূহক এক কৰি তোলে।
- ব'গাৰদাছৰ মতে, সদৃশীকৰণ হৈছে এক সামাজিক প্ৰক্ৰিয়া য'ত বিভিন্ন ব্যক্তিৰ মনোভাৱসমূহ একত্ৰিত হয় আৰু সেইদৰে এক একত্ৰিত সমূহ গঠন কৰে।
- অগবার্ণ আৰু নিম্‌কফৰ মতে, সদৃশীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে পূৰ্বৰ সাদৃশ্যহীন ব্যক্তি বা সমূহবিলাকে মিলিত হয় আৰু একে হোৱাৰ আগ্ৰহ আৰু দৃষ্টিভংগী গ্ৰহণ কৰে।

৩.১২.১ সদৃশীকৰণৰ বৈশিষ্ট্যসমূহ

- **সদৃশীকৰণ কোনো এক নির্দিষ্ট ক্ষেত্ৰৰ ভিতৰত সীমাবদ্ধ নহয়**— দুটা ভিন্ন সাংস্কৃতিক সমূহৰ মিশ্ৰণক বৰ্ণনা কৰিবলৈ সাধাৰণতে সদৃশীকৰণৰ ধাৰণা ব্যৱহাৰ কৰা হয়। কিন্তু এই প্ৰক্ৰিয়া কোনো এক নির্দিষ্ট ক্ষেত্ৰৰ ভিতৰত সীমাবদ্ধ নহয়। উদাহৰণস্বৰূপে শিশুসকলে সাধাৰণতে প্ৰাপ্তবয়স্ক সমাজৰ লগত একত্ৰিত হয়।
- **সদৃশীকৰণ হৈছে এক লেহেমীয়া প্ৰক্ৰিয়া**— সদৃশীকৰণ হঠাৎ সংঘটিত নহয়। ইয়াৰ বাবে সময়ৰ প্ৰয়োজন হয়। সমূহ আৰু ব্যক্তিৰ মিশ্ৰণৰ বাবে সময়ৰ প্ৰয়োজন। প্ৰত্যক্ষ আৰু ধাৰাবাহিক সম্বন্ধৰ জৰিয়তেহে এই প্ৰক্ৰিয়া সম্ভৱ হৈ উঠে। সদৃশীকৰণ প্ৰক্ৰিয়াৰ দ্ৰুততা সংস্পৰ্শৰ প্ৰকৃতিৰ ওপৰত নির্ভৰশীল। সংস্পৰ্শসমূহ যেতিয়া প্ৰাথমিক প্ৰকৃতিৰ হয় তেতিয়া সদৃশীকৰণ স্বাভাৱিক আৰু দ্ৰুতগতিত সংঘটিত হয় আনহাতে সংস্পৰ্শসমূহ গৌণ আৰু সামান্য হ'লে সদৃশীকৰণ ধীৰ গতিত সংঘটিত হয়।
- **সদৃশীকৰণ হৈছে এক অসচেতনাত্মক প্ৰক্ৰিয়া**— সদৃশীকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ব্যক্তি আৰু সমূহবিলাক কি ঘটনা সংঘটিত হৈছে সেই সম্বন্ধে অজ্ঞ। ব্যক্তি আৰু সমূহবিলাকে অজানিতে নিজৰ প্ৰকৃত সাংস্কৃতিক ঐতিহ্যসমূহ ত্যাগ কৰি এটা নতুন সংস্কৃতিৰ সৈতে মিলিত হৈ পৰে।
- **সদৃশীকৰণ হৈছে এক দ্বিপাক্ষিক প্ৰক্ৰিয়া**— দিয়া আৰু লোৱা নীতিৰ দ্বাৰা সদৃশীকৰণৰ প্ৰক্ৰিয়া বৈশিষ্ট্যপূৰ্ণ। ই সংস্কৃতিকৰণৰ আন এক প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰভাৱান্বিত। সংস্কৃতিকৰণ হৈছে সদৃশীকৰণৰ প্ৰাৰম্ভিক আৰু প্ৰয়োজনীয় পদক্ষেপ।

এটা সাংস্কৃতিক সমূহে যেতিয়া আন এটা সাংস্কৃতিক সমূহৰ সংস্পৰ্শলৈ আহে তেতিয়া এটা সমূহৰ সাংস্কৃতিক উপাদানসমূহ আনটো সমূহে আহৰণ কৰে আৰু নিজৰ সংস্কৃতিত সন্নিৱিষ্ট কৰি লয় তেতিয়া সদৃশীকৰণ প্ৰক্ৰিয়া সংঘটিত হয়। এই সংস্পৰ্শত অৱশ্যে দুয়োটা সমূহ এটা আনটোৰ দ্বাৰা প্ৰভাৱিত হয়।

৩.১২.২ সদৃশীকৰণৰ ধনাত্মক কাৰকসমূহ

- **সহিষ্ণুতা**— যেতিয়া ব্যক্তি বা দলসমূহ আনৰ সাংস্কৃতিক ভিন্নতাৰ প্ৰতি সহিষ্ণু হয় তেতিয়া সদৃশীকৰণ সম্ভৱ হৈ উঠে। সহিষ্ণুতাই ব্যক্তিক এক লগ হৈ আগবাঢ়ি যোৱাত, সম্বন্ধ গঢ়াত আৰু সামাজিক আৰু সাংস্কৃতিক কাৰ্যাৱলীসমূহত অংশগ্ৰহণ কৰাত সহায় কৰে। যেতিয়া প্ৰভাৱশালী সমূহে বা সংখ্যাগৰিষ্ঠ সমূহে নিজে সুৰক্ষিত অনুভৱ কৰি আনৰ ভিন্নতাৰ প্ৰতি সহিষ্ণু হয়, অতিথিপৰায়ণ হয় তেতিয়া প্ৰব্ৰজিত বা ক্ষুদ্ৰ সমূহবিলাকে সামগ্ৰিক সামূহিক জীৱনত অংশগ্ৰহণৰ সুবিধা পায়।
- **ঘনিষ্ঠ সামাজিক সম্পৰ্ক**— সদৃশীকৰণ হৈছে সামাজিক সংস্পৰ্শৰ চূড়ান্ত ফল। সদৃসীকৰণকৰণ অৰ্জনৰ আপেক্ষিক গতি নিৰ্ভৰ কৰে সংস্পৰ্শৰ প্ৰকৃতিৰ ওপৰত। প্ৰাথমিক দল যেনে পৰিয়াল, বন্ধু দলসমূহৰ মাজত এই প্ৰক্ৰিয়া স্বাভাৱিক আৰু দ্ৰুতভাৱে সংঘটিত হয়।
- **একত্ৰীকৃতকৰণ বা আন্তঃবিবাহ**— সম্পূৰ্ণ সদৃশীকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা উপাদান হৈছে বৈবাহিক সূত্ৰে হোৱা একত্ৰীকৃতকৰণৰ এই ক্ষেত্ৰত পৃথক সমূহ বিলাকৰ মাজত আন্তঃবিবাহৰ সম্পূৰ্ণ হোৱাক বুজায়। জৈৱিক একত্ৰীকৃতকৰণ অবিহনে সম্পূৰ্ণ সদৃশীকৰণ সম্ভৱ নহয়।
- **সাংস্কৃতিক সাদৃশ্যতা**— যেতিয়া সমূহবিলাকৰ সংস্কৃতিৰ উপাদানসমূহৰ মাজত চকুত লগা সাদৃশ্যতা থাকে, তেতিয়া সদৃশীকৰণ দ্ৰুতভাৱে সংঘটিত হয়। উদাহৰণস্বৰূপে আমেৰিকাত ইংৰাজী ভাষী প্ৰটেষ্টান্টসকল ইংৰাজী নোকোৱা অনা খ্ৰীষ্টিয়ানসকলতকৈ অতি সোনকালে আৰু সহজে সদৃশীকৃত হ'ব পাৰে।
- **শিক্ষা**— শিক্ষা হৈছে সদৃশীকৰণৰ আন এক সহায়ক কাৰক। বহিৰাগতসকলৰ বাবে সদৃশীকৰণৰ ক্ষেত্ৰত, ৰাজহুৱা শিক্ষাই সাংস্কৃতিক সংস্পৰ্শ প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মৰিচ আৰ ডেভিচে তেওঁৰ World Immigration গ্ৰন্থত উল্লেখ কৰিছে যে আমেৰিকাত বিদেশত জন্ম হোৱা পিতৃ-মাতৃসকলৰ সন্তানক আমেৰিকাৰ সংস্কৃতিৰ লগত সদৃশীকৃত কৰি তোলাৰ ক্ষেত্ৰত ৰাজহুৱা বিদ্যালয়সমূহে বিশেষ ভূমিকা পালন কৰি আহিছে।
- **সম আৰ্থ-সামাজিক সুবিধা**— সদৃশীকৰণৰ ক্ষেত্ৰত ৰাজহুৱা শিক্ষাই যথেষ্ট নহয়, ইয়াৰ বাবে সকলো সমূহৰ ব্যক্তিসকলে আৰ্থ-সামাজিক সুবিধাসমূহ পোৱা উচিত। তেতিয়াহে পাৰস্পৰিক বিশ্বাসৰ জৰিয়তে এটা সমূহ আন এটা সমূহ বা ব্যক্তিৰ সংস্পৰ্শলৈ বা ওচৰলৈ আহিব।

৩.১২.৩ সদৃশীকৰণৰ প্ৰতিবন্ধকতা বা বাধাৰ কাৰকসমূহ

- **অন্তৰ্ভুক্ত হোৱা সমাজৰ বিকাশৰ পৰিস্থিতি**— নতুন সমূহত বা সমাজত ব্যক্তি এজনৰ বা বহিৰাগত এজনৰ স্থান বা সমাজত গ্ৰহণৰ প্ৰকৃতি, সেই সময়ৰ সমাজৰ অৱস্থাৰ ওপৰত যথেষ্টখিনি নিৰ্ভৰশীল। উদাহৰণস্বৰূপে ১৮৮০ চনৰ পূৰ্বত আমেৰিকাত নতুন প্ৰব্ৰজকসকলক বিশেষভাৱে আদৰণি জনোৱা হৈছিল, কিয়নো সেই সময়ত নতুন স্থান বা উদ্যোগসমূহৰ বিকাশৰ বাবে সকলো ধৰণৰ শক্তি আৰু কৌশলৰ প্ৰয়োজন আছিল। আনহাতে ১৯৩৩ চনৰ পিছত অহা প্ৰব্ৰজকসকলক দেশৰ অৰ্থনৈতিক প্ৰগতিৰ বাধা হিচাপে চিনাক্ত কৰা হৈছিল।

- **নিসংগতা**— যেতিয়া ব্যক্তি বা সমূহবিলাক পাৰস্পৰিকভাৱে ধাৰাবাহিক সংস্পৰ্শত আহে তেতিয়াহে সদৃশীকৰণ সম্ভৱ হৈ উঠে। সেই অনুসৰি নিসংগতা হৈছে সদৃশীকৰণৰ বিপৰীতমুখী কাৰণ। শাৰীৰিক লগতে মানসিক নিসংগতাও সদৃশীকৰণৰ বাধা হ'ব পাৰে।

- **পটভূমিমূলক পেচাগত কৌশল**— নতুন দেশ বা সমাজত প্ৰয়োজন হোৱা কৌশল আৰু প্ৰশিক্ষণসমূহ পূৰ্বতেই আহৰণ কৰা প্ৰব্ৰজনকাৰীৰ বাবে অতি সুবিধাজনক হয়। উদাহৰণস্বৰূপে ঔদ্যোগীক ক্ষেত্ৰৰ কৌশলী প্ৰব্ৰজকসকলক ঔদ্যোগীকভাৱে পিছপৰা দেশসমূহে অতি সহজে আকোঁৱালি লয়। যাৰ বাবে কৌশলহীন ব্যক্তি বা প্ৰব্ৰজকসকল এইক্ষেত্ৰত পিছপৰি ৰয়।

- **শাৰীৰিক বা জাতিগত ভিন্নতা**— শাৰীৰিক অৱয়বৰ ভিন্নতা পাৰ্থক্যকৰণৰ মাধ্যম হিচাপে বিবেচনা কৰা হয়। বহুক্ষেত্ৰত শৰীৰৰ বৰণ আৰু অন্যান্য সামাজিক বৈশিষ্ট্যসমূহৰ ক্ষেত্ৰত ব্যক্তিক পৃথকীকৰণ কৰা হয়। সমগ্ৰ বিশ্বত শ্বেত আৰু নিগ্ৰ'সকলৰ মাজৰ পাৰ্থক্য বিশেষ উল্লেখনীয়।

- **সাংস্কৃতিক পাৰ্থক্য**— দৈহিকভাৱে একত্ৰিত হোৱা সত্বেও দুটা সংস্কৃতিৰ মাজত যেতিয়া উপাদানসমূহৰ মাজত সামঞ্জস্যতা নাথাকে তেতিয়া সদৃশীকৰণ সম্ভৱ নহয়। তেনেক্ষেত্ৰত এটা সমূহে আন সমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। সেয়েহে, সমূহবিলাকৰ মাজত থকা বিভিন্ন প্ৰথা, ধৰ্মীয় বিশ্বাস, নৈতিকতা, মূল্যবোধ আৰু ভাষাৰ ক্ষেত্ৰত থকা পাৰ্থক্যই সদৃশীকৰণত বাধাৰ সৃষ্টি কৰে।

- **উগ্ৰমত** — বহু সময়ত উগ্ৰমত সদৃশীকৰণৰ বাধাস্বৰূপ হৈ পৰে। কোনো প্ৰভাৰী সমূহে যদি কোনো সমূহৰ প্ৰতি উগ্ৰমত পোষণ কৰে তেতিয়া দুই সমূহৰ মাজত সদৃশীকৰণ সম্ভৱ হৈ নুঠে। বহু সময়ত উগ্ৰমতে কোনো এক সমাজৰ সংস্কৃতিৰ মূল উপাদানসমূহৰ মাজত সদৃশীকৰণত বাধাৰ সৃষ্টি কৰে। কোনো সমাজ, পৰিয়াল বা সমূহৰ ভিতৰত থকা উগ্ৰমতে সদস্যসকলৰ মাজত একতাৰ সৃষ্টিত বাধা দিয়ে।

➢ **প্ৰভুত্ব আৰু উপ-আধিপত্য**— দলৰ মাজত নিকট আৰু ঘনিষ্ঠ সংস্পৰ্শ সৃষ্টিৰ ক্ষেত্ৰত দমন আৰু উপ-আধিপত্যই বাধাৰ সৃষ্টি কৰে। যেতিয়া প্ৰভুত্বকাৰী সমূহে সংখ্যালঘু বা প্ৰব্ৰজনকাৰী সমূহক সম-সুবিদা প্ৰদান নকৰে, তেনেক্ষেত্ৰত সমূহবিলাকৰ মাজত সদৃশীকৰণ অতি লেহেম গতিত সংঘটিত হয়।

৩.১২.৪ উপযোগীকৰণ আৰু সদৃশীকৰণৰ মাজৰ পাৰ্থক্য

উপযোগীকৰণ	সদৃশীকৰণ
১। উপযোগীকৰণ অস্থায়ী প্ৰকৃতিৰ, উপযোগীকৰণত দলৰ মাজত থকা পাৰ্থক্যসমূহৰ স্থায়ী সমাধান নহয়। ই কেৱল মাথো ক্ষন্তেকীয়া সমাধান প্ৰদান কৰে।	১। সদৃশীকৰণ হৈছে স্থায়ী প্ৰক্ৰিয়া। ই উপযোগীকৰণৰ এক প্ৰকাৰ আৰু দলৰ মাজত থকা ভিন্নতাসমূহৰ সমাযোজনৰ এক স্থায়ী পদ্ধতি।
২। উপযোগীকৰণ হঠাতে সংঘটিত হ'ব পাৰে। উদাহৰণস্বৰূপে— পৰিচালনা সমিতিৰ সৈতে চুক্তিবদ্ধ হোৱাৰ পিছত কৰ্মীবৃন্দই অনশনৰ পৰা বিৰত থাকিব পাৰে।	২। সদৃশীকৰণ হৈছে লেহেমীয়া প্ৰক্ৰিয়া। ইয়াৰ বাবে সময়ৰ প্ৰয়োজন। উদাহৰণস্বৰূপে প্ৰব্ৰজকসকলক সংখ্যাগৰিষ্ঠ দল বা ব্যক্তিৰ লগত সদৃশীকৃত হোৱাৰ বাবে সময়ৰ প্ৰয়োজন হয়।
৩। উপযোগীকৰণ জ্ঞাত বা অজ্ঞাত দুই ধৰণৰ হ'ব পাৰে। বহুক্ষেত্ৰত ই জ্ঞাতভাৱে সংঘটিত হয়। উদাহৰণস্বৰূপে কৰ্মীবৃন্দৰ নেতাজনে পৰিচালনা সমিতিৰ সৈতে কথা-বতৰা পতাৰ ক্ষেত্ৰত তেওঁ সতৰ্ক যে তেওঁলোকে কন্দলৰ বা অনশনৰ এক সমাধান বিচাৰে।	৩। সদৃশীকৰণ সাধাৰণতে অসচেতনাত্মক প্ৰক্ৰিয়া। ব্যক্তি সকল বা সমূহে অজ্ঞাতভাৱে দলৰ লগত সংমিশ্ৰিত হৈ পৰে আৰু সমূহত কি ঘটি আছে তাৰ সম্বন্ধে সম্পূৰ্ণ সচেতন নহয়।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ৯. সদৃশীকৰণ হৈছে এক সৰল প্ৰক্ৰিয়া। (সঁচা/মিছা)

প্ৰশ্ন নং ১০. সদৃশীকৰণ আৰু উপযোগীকৰণৰ মাজত থকা পাৰ্থক্যসমূহ লিখা।

.....

.....



৩.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিকীকৰণ হৈছে ব্যক্তিক সামাজিক কৰি তোলাৰ এক প্ৰক্ৰিয়া। আন কথাত ক'বলৈ হ'লে সামাজিকীকৰণ এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে সমাজে আদৰ্শ, বিশ্বাস আৰু পৰম্পৰা অনুসৰি এজন ব্যক্তিক বিকশিত কৰে আৰু তেওঁক সামাজিক জীৱ হিচাপে স্বীকৃতি প্ৰদান কৰে।
- সামাজিকীকৰণত সহায় কৰা সামাজিক আন্তঃক্ৰিয়া দুটা পৰ্যায়ত পোৱা যায়। (ক) প্ৰাথমিক আৰু (খ) গৌণ। প্ৰাথমিক বা মুখ্য আন্তঃক্ৰিয়াৰ অৰ্থ হৈছে মানুহৰ মাজৰ আন্তঃক্ৰিয়া। গৌণ আন্তঃক্ৰিয়াৰ অৰ্থ হৈছে মানুহ আৰু সংস্কৃতিৰ বিভিন্ন উপাদান যেনে ধৰ্মীয় বিশ্বাস, কলা, সাহিত্য, নীতি, নৈতিকতা, পৰম্পৰা আৰু অন্যান্য অনুষ্ঠানৰ মাজত হোৱা আন্তঃক্ৰিয়া।
- সামাজিক আন্তঃক্ৰিয়াৰ বিভিন্ন প্ৰকাৰসমূহ হৈছে— সহযোগিতা, প্ৰতিযোগিতা, সংঘৰ্ষ, উপযোগীকৰণ আৰু সদৃশীকৰণ।
- সহযোগিতা হৈছে এক নিৰ্দিষ্ট লক্ষ্য আহৰণৰ বাবে একলগ হৈ পৰা কাৰ্য। সহযোগিতাৰ ইংৰাজী প্ৰতিশব্দ হৈছে Co-operation। এই Co-operation শব্দটো লেটিন শব্দ 'Co' আৰু 'operari'ৰ পৰা আহিছে। 'Co'ৰ অৰ্থ হৈছে লগ হৈ আৰু 'operari' হৈছে কাৰ্য। গতিকে সহযোগিতাৰ অৰ্থ হৈছে মিলিত কাৰ্য বা নিৰ্দিষ্ট লক্ষ্যৰ অৰ্থে মিলিজুলি কাম কৰা।
- প্ৰতিযোগিতা হৈছে অবিভাজনীয় উদ্দেশ্য আহৰণৰ বাবে দুই বা ততোধিক ব্যক্তিৰ মাজত হোৱা পাৰস্পৰিক সংঘাত বা শত্ৰুতা। সামাজিক সংগ্ৰামৰ ই আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰকাৰ। অস্তিত্বৰ বাবে কৰা বিশ্বজনীন সংঘৰ্ষৰ ই এক স্বাভাৱিক ফলাফল।
- সংঘৰ্ষ হৈছে মানুহৰ সম্পৰ্কত সদা উপলব্ধ এক প্ৰক্ৰিয়া। সমূহ আৰু ব্যক্তিৰ মাজত হোৱা সংঘৰ্ষৰ ই এক প্ৰকাৰ। যেতিয়া এজন ব্যক্তি বা সমূহে কোনো পুৰস্কাৰ বা ফলাফলৰ বাবে আন প্ৰতিযোগীক চেৰ পেলোৱাৰ সলনি তেওঁলোকক প্ৰতিযোগিতাৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰায় বা বাধা দিয়ে তেতিয়া সংঘৰ্ষৰ সৃষ্টি হয়।
- উপযোগীকৰণ হৈছে সংঘৰ্ষৰ এক সমাধান যাৰ অৰ্থ হৈছে নতুন পৰিস্থিতিৰ লগত নিজকে সমাযোজিত কৰা। এই সমাযোজন ভৌতিক বা সামাজিক পৰিবেশ সম্বন্ধীয় হ'ব পাৰে। ভৌতিক সমাযোজন সম্পাদিত হয় জৈৰিক বা বংশগতিৰ দ্বাৰা প্ৰাপ্ত গঠনীয় সংশোধনৰ দ্বাৰা। আৰু সামাজিক সমাযোজন সংঘটিত হয় সমাজৰ দ্বাৰা প্ৰেৰিত আচৰণৰ দিশসমূহৰ গ্ৰহণৰ দ্বাৰা।
- সদৃশীকৰণ হৈছে আন্তঃক্ৰিয়াৰ এক প্ৰকাৰ। সদৃশীকৰণৰ দৰে ইও সমাযোজনৰ এক প্ৰকাৰ। কিন্তু উপযোগীকৰণতকৈ ই অধিক স্থায়ী। সদৃশীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া য'ত ব্যক্তি বা সমূহে আন সমূহৰ মনোভাৱ, মূল্যবোধ, আচাৰ-ব্যৱহাৰ মূলত জীৱন ধাৰণৰ ৰূপ আহৰণ কৰি লয়, য'ত তেওঁলোক সেই সমূহৰ সদস্যৰূপে জীৱন নিৰ্বাহ কৰিব লগা হয়।



৩.১৪ অধিক জানিবলৈ

- Mathur, S.S. (1965); "A Sociological Approach to Indian Education", Vinod Pustak Mandir, Agra.
- Dr. Sharma, (2016); "Sociological Foundation of Education", Lakshmi Narain Agarwal, Agra.
- Safaya & Shaida (2003), "Modern Theory and Principles of Education". Dharpat Rai Publishing Co. (P) Ltd. New Delhi.



৩.১৫ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকীকৰণ হৈছে এক জীৱন যোৱা প্ৰক্ৰিয়া।

২নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ— (১) সামাজিকীকৰণে ব্যক্তিসকলৰ মাজত মৌলিক অনুশাসনৰ ধাৰণা সৃষ্টি কৰে। (২) ই মানুহৰ আচৰণ নিয়ন্ত্ৰণ কৰাত সহায় কৰে। (৩) যদি সামাজিকীকৰণৰ মাধ্যমসমূহ আদৰ্শ আৰু কৌশলৰ ক্ষেত্ৰত একত্ৰিত হয় সামাজিকীকৰণ অতি তীব্ৰ গতিত সংঘটিত হয়। (৪) সামাজিকীকৰণ এক অবিৰত প্ৰক্ৰিয়া, ই ব্যক্তিৰ জন্মলগ্নৰ পৰা আৰম্ভ হয় আৰু অবিৰতভাৱে গোটেই জীৱন চলি থাকে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সহযোগিতাৰ বিভিন্ন প্ৰকাৰসমূহ হৈছে—

(১) প্ৰত্যক্ষ সহযোগিতা
(২) পৰোক্ষ সহযোগিতা
(৩) প্ৰাথমিক সহযোগিতা
(৪) গৌণ সহযোগিতা
(৫) তৃতীয় পক্ষৰ সহযোগিতা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিযোগিতা হৈছে সামাজিক সংঘৰ্ষৰ এক মৌলিক প্ৰকাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিযোগিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ

(১) অভাৱ হৈছে প্ৰতিযোগিতাৰ এক চৰ্ত।
(২) প্ৰতিযোগিতা আৰু সমৃদ্ধি সম্পৰ্কযুক্ত।
(৩) প্ৰতিযোগিতাসমূহ ধাৰাবাহিক।
(৪) প্ৰতিযোগিতা প্ৰৱাহমান বা বিশ্বজনীন।
(৫) প্ৰতিযোগিতা ধাৰাবাহিক

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সংঘৰ্ষৰ কাৰকসমূহ

(১) ব্যক্তিগত ভিন্নতা
(২) সাংস্কৃতিক ভিন্নতা

(৩) আদৰ্শৰ বিবাদ

(৪) সামাজিক পৰিবৰ্তন

৭নং প্ৰশ্নৰ উত্তৰ ঃ উক্তিযাৰ মেকাইভাৰ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ উপযোগীকৰণৰ প্ৰকাৰসমূহ

(১) বলপূৰ্বক বন্ধন

(২) আপোচ

(৩) মধ্যস্থতা আৰু বুজাবুজি

(৪) সহিষ্ণুতা

(৫) ৰূপান্তৰণ

(৬) উন্নীতকৰণ

(৭) যুক্তিসিদ্ধকৰণ

(৮) মাননীয়কৰণ আৰু অধিকৰণ

৯নং প্ৰশ্নৰ উত্তৰ ঃ মিছা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ (১) উপযোগীকৰণ অস্থায়ী প্ৰকৃতিৰ আনহাতে সদৃশীকৰণ হৈছে স্থায়ী প্ৰক্ৰিয়া, (২) উপযোগীকৰণ হঠাতে হ'ব পাৰে— আনহাতে সদৃশীকৰণ হৈছে লেহেমীয়া প্ৰক্ৰিয়া, (৩) উপযোগীকৰণ জ্ঞাত বা অজ্ঞতা দুই ধৰণৰ হ'ব পাৰে, আনহাতে সদৃশীকৰণ সাধাৰণতে অসচেতনাত্মক প্ৰক্ৰিয়া।



৩.১৬ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰতিটোৰ উত্তৰ প্ৰায় ৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ সামাজিকীকৰণ কি?

প্ৰশ্ন নং ২ ঃ সামাজিক আন্তঃক্ৰিয়া বুলিলে কি বুজা?

প্ৰশ্ন নং ৩ ঃ সহজননতা কি?

প্ৰশ্ন নং ৪ ঃ সদৃশীকৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা এটা কাৰক উল্লেখ কৰা।

(খ) চমু প্ৰশ্ন (প্ৰতিটোৰ উত্তৰ প্ৰায় ১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ সামাজিকীকৰণৰ বৈশিষ্ট্যসমূহ লিখা।

প্ৰশ্ন নং ২ ঃ সহযোগিতাৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰা।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটোৰ উত্তৰ প্ৰায় ৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ উদাহৰণৰ সৈতে সামাজিকীকৰণ প্ৰক্ৰিয়া বৰ্ণনা কৰা।

প্ৰশ্ন নং ২ ঃ সামাজিক আন্তঃক্ৰিয়া আৰু ইয়াৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন নং ৩ ঃ সামাজিক জীৱনত সহযোগিতা আৰু প্ৰতিযোগিতাৰ ভূমিকা মূল্যায়ন কৰা।

প্ৰশ্ন নং ৪ ঃ সামাজিক প্ৰক্ৰিয়াৰ ক্ষেত্ৰত উপযোগীকৰণ আৰু সদৃশীকৰণে কি ভূমিকা পালন কৰে?

প্ৰশ্ন নং ৫ ঃ প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজত কেনেদৰে পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব? বৰ্ণনা কৰা।

*** ***** ***

অধ্যায়-৪ ঃ শিক্ষা আৰু সামাজিক পৰিবৰ্তন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ সামাজিক পৰিবৰ্তনৰ অর্থ
৪.৪ সামাজিক পৰিবৰ্তনৰ প্রকৃতি আৰু বৈশিষ্ট্য
৪.৫ সামাজিক পৰিবৰ্তনৰ কাৰণ
৪.৬ সামাজিক পৰিবৰ্তনৰ মাধ্যম
৪.৭ সামাজিক পৰিবৰ্তনৰ কাৰক স্বৰূপে শিক্ষা
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- সামাজিক পৰিবৰ্তন ধাৰণাটোৰ সংজ্ঞা দিব পাৰিব
- সামাজিক পৰিবৰ্তনৰ প্রকৃতি ব্যাখ্যা কৰিব পাৰিব
- সামাজিক পৰিবৰ্তনৰ কাৰণসমূহ চিনাক্ত কৰিব পাৰিব
- সামাজিক পৰিবৰ্তনৰ মাধ্যমসমূহৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- সামাজিক পৰিবৰ্তনৰ কাৰক হিচাবে শিক্ষাৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব

৪.২ পৰিচয়

এখন সমাজত সাধাৰণতে দুটা সুস্পষ্ট প্রৱণতা দেখা যায়— এটা হৈছে সংৰক্ষণশীলতা আৰু আনটো প্রগতিশীলতা। অতীতৰ সামাজিক ঐতিহ্য সংৰক্ষণৰ প্রৱণতা সমাজৰ সকলো মানুহৰে থকা দেখা যায়। প্রত্যেক সমাজেই অতীতৰ নিজস্ব সংস্কৃতিক ঐতিহ্যৰ বাবে গর্ব অনুভৱ কৰে। ই সম্ভৱ হৈছে মাথো সমাজৰ সংৰক্ষণশীলতাৰ প্রৱণতা বর্তি থকা বাবে। কিন্তু একে সময়তে আকৌ ভৱিষ্যতৰ উন্নয়নৰ বাবে প্রচলিত সামাজিক ঐতিহ্যৰ পৰম্পৰাৰ

পৰিবৰ্তন, ৰূপান্তৰণ আৰু উন্নয়নৰ কামনা কৰা হয়। এই অধ্যায়টিত সমাজত কিদৰে সামাজিক পৰিবৰ্তনৰ স্বৰূপৰ আগমন ঘটে আৰু কেনে মাধ্যমৰ জৰিয়তে এই পৰিবৰ্তন সংঘটিত হয় তাৰ প্ৰধান দিশসমূহ উল্লেখ কৰা হৈছে। তাৰোপৰি, আপুনি সামাজিক পৰিবৰ্তনৰ প্ৰধান কাৰক হিচাবে শিক্ষাৰ ভূমিকাৰ বিষয়ে জ্ঞাত হ'ব।

৪.৩ সামাজিক পৰিবৰ্তনৰ অৰ্থ

পৰিবৰ্তন প্ৰকৃতিৰ নীতি, প্ৰত্যেক সমাজে নিজস্ব পন্থাৰে পৰিবৰ্তনৰ নীতি অনুসৰণ কৰে। উদাহৰণস্বৰূপে, প্ৰগতিশীল সমাজ এখনত ৰক্ষণশীল সমাজতকৈ পৰিবৰ্তনৰ গতি দ্ৰুত হোৱা দেখা যায়। বিভিন্ন কাৰক আৰু শক্তিৰ দ্বাৰা এই সামাজিক পৰিবৰ্তন সংঘটিত হয়।

সামাজিক আন্তঃসম্বন্ধ, আন্তঃক্ৰিয়া, সামাজিক প্ৰক্ৰিয়া আৰু প্ৰমূল্যবোধৰ ব্যৱস্থাত হোৱা পৰিবৰ্তনৰ বাবে সমাজত যি পৰিবৰ্তন ঘটে তাকে 'সামাজিক পৰিবৰ্তন' বোলে। সামাজিক সংৰচনা আৰু সংগঠন, সামাজিক প্ৰকাৰ্য আৰু মানুহৰ জীৱন-ধাৰণ পদ্ধতিত হোৱা পৰিবৰ্তনো সামাজিক পৰিবৰ্তনৰ অন্তৰ্গত। যেতিয়া সমাজৰ গৰিষ্ঠসংখ্যক লোকে যিকোনো ধৰণৰ পৰিবৰ্তনক তেওঁলোকৰ জীৱনশৈলী, আচৰণ, চিন্তাধাৰা আৰু কাৰ্যৰ দ্বাৰা গ্ৰহণ কৰে তেতিয়াই সমাজত পৰিবৰ্তন আহে। সামাজিক পৰিবৰ্তনৰ অৰ্থ এয়ে যে পুৰণি পদ্ধতিক বিভিন্ন দিশত যেনে চিন্তাপ্ৰক্ৰিয়া, কৰ্মসংস্কৃতি, প্ৰমূল্যবোধ, সামাজিক সংৰচনা, ব্যক্তিগত অথবা সামাজিক সম্বন্ধক এক নতুন দৃষ্টিভংগীৰে প্ৰতিষ্ঠাপন কৰা। হেৰী এম্ জনছনে 'Basic Sociological Principle'ত আকাৰ, গতি, পাৰস্পৰিক সম্বন্ধ, সংৰচনাত্মক পৰিবৰ্তনসহ সামাজিক পৰিবৰ্তনৰ প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছে। বিভিন্ন সমাজশাস্ত্ৰবিদে 'সামাজিক পৰিবৰ্তন'ৰ সংজ্ঞা এইদৰে দাঙি ধৰিছে—

মেক্ আইভাৰ আৰু পেজ ঃ "সামাজিক পৰিবৰ্তন হ'ল বিভিন্ন প্ৰকাৰৰ পৰিবৰ্তনৰ প্ৰতি সংবেদনশীল এক ধাৰাবাহিক প্ৰক্ৰিয়া; যিয়ে জীৱনৰ মানৱসৃষ্ট পৰিস্থিতি, ব্যক্তিৰ মনোভাব আৰু বিশ্বাস আৰু ব্যক্তিৰ নিয়ন্ত্ৰণৰ বাহিৰৰ জৈৱিক আৰু ভৌতিক স্বৰূপ আদি অনেক দিশক সামৰি লয়।"

এম্. ই. জ'নছ ঃ "সামাজিক প্ৰক্ৰিয়া, সামাজিক আৰ্হি, সামাজিক আন্তঃসম্বন্ধ বা সামাজিক সংগঠনৰ যিকোনো দিশৰ ভিন্নতা বা ৰূপান্তৰকে সামাজিক পৰিবৰ্তন বোলে।"

কিন্ছলী ডেভিছ ঃ "সামাজিক পৰিবৰ্তনৰ দ্বাৰা বিশেষকৈ সামাজিক সংগঠনত সংঘটিত পৰিবৰ্তনকহে বুজোৱা হয় অৰ্থাৎ সামাজিক সংৰচনা আৰু ইয়াৰ কাৰ্যাৱলীৰ পৰিবৰ্তনক সামাজিক পৰিবৰ্তন বুলিব পাৰি।"

গিলিন আৰু গিলিন ঃ "সামাজিক পৰিবৰ্তন হৈছে মানুহৰ জীৱন নিৰ্বাহ প্ৰণালীত হোৱা কিছুমান পৰিবৰ্তন, যিবোৰ ভৌগোলিক অৱস্থা, সাংস্কৃতিক উপাদান, সামাজিক নীতি-আদৰ্শবাদৰ পৰিবৰ্তনৰ বাবে অথবা সমাজত বিক্ষিপ্তকৰণ বা আৱিষ্কাৰৰ বাবে সংঘটিত হয়।"

এচ্. পি ৰুহেলা মতে— "সামাজিক পৰিবৰ্তনে সমাজৰ দৃষ্টিভংগী, ব্যক্তিৰ আচৰণ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পাৰস্পৰিক সম্বন্ধ, প্ৰমূল্যবোধ লগতে সামাজিক সংজ্ঞা আৰু সংৰচনাৰ উপৰিও ব্যক্তিৰ জীৱন নিৰ্বাহ প্ৰণালীত হোৱা পৰিবৰ্তনক বুজায়।"

হেৰী জনছনৰ মতে সমাজত সামাজিক পৰিবৰ্তন পাঁচ প্ৰকাৰৰ পৰিবৰ্তনৰ দ্বাৰা সংঘটিত হয়, যেনে—

(ক) সামাজিক প্ৰমূল্যগত পৰিবৰ্তন

(খ) সংস্থাগত পৰিবৰ্তন

(গ) সম্পত্তি আৰু পুৰস্কাৰ বিতৰণত পৰিবৰ্তন

(ঘ) ব্যক্তিগত দৃষ্টিভংগীৰ পৰিবৰ্তন

(ঙ) ব্যক্তিৰ যোগ্যতা/অৰ্হতা বা মনোভাৱৰ পৰিবৰ্তন

সামাজিক পৰিবৰ্তনৰ উপৰোক্ত সংজ্ঞাসমূহৰপৰা আমি সিদ্ধান্ত ল'ব পাৰো যে—

১। সামাজিক পৰিবৰ্তন হৈছে এক প্ৰক্ৰিয়া।

২। সামাজিক পৰিবৰ্তন এক সাৰ্বজনীন পৰিঘটনা।

৩। সামাজিক পৰিবৰ্তন মানুহৰ বিশ্বাস আৰু মনোভাৱৰ পৰিবৰ্তন।

৪। সামাজিক পৰিবৰ্তন ব্যক্তিৰ জীৱন শৈলীৰ পৰিবৰ্তন।

৫। সামাজিক পৰিবৰ্তন সামাজিক সম্বন্ধৰ পৰিবৰ্তন।

৬। সামাজিক পৰিবৰ্তন সামাজিক সংৰচনা আৰু ইয়াৰ কাৰ্যাৱলীৰ পৰিবৰ্তন।

৭। সামাজিক পৰিবৰ্তন সামাজিক আৰ্হিৰ পৰিবৰ্তন।

৮। সামাজিক পৰিবৰ্তন সামাজিক প্ৰমূল্যৰ পৰিবৰ্তন।

৪.৪ সামাজিক পৰিবৰ্তনৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

- সামাজিক পৰিবৰ্তন এক ধাৰাবাহিক প্ৰক্ৰিয়া, সমাজৰ এই পৰিবৰ্তন ৰোধ কৰিব পৰা নাযায়।
- সামাজিক পৰিবৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া। বিভিন্ন সমাজৰ প্ৰত্যেকৰে নিজস্ব স্বৰূপ আৰু বৈশিষ্ট্য অনুযায়ী কোনো সমাজৰ পৰিবৰ্তন দ্ৰুত আৰু কোনো সমাজৰ এই পৰিবৰ্তন ধীৰ হোৱা দেখা যায়।
- সামাজিক পৰিবৰ্তন এক সাৰ্বজনীন প্ৰক্ৰিয়া। প্ৰত্যেক সমাজে পৰিবৰ্তনৰ নীতি অনুসৰণ কৰে।
- সামাজিক পৰিবৰ্তন সময়ৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সময়ৰ সোঁতত প্ৰচলিত সমাজৰ প্ৰমূল্যবোধ, ৰীতি-নীতি, পৰম্পৰা, ধৰ্ম-বিশ্বাস আদিবোৰ ক্ৰমাগতভাৱে পৰিবৰ্তন ঘটে যিয়ে সামগ্ৰিকভাৱে পৰিবৰ্তনৰ প্ৰক্ৰিয়াটোলৈ অৱিহণা যোগায়।
- সামাজিক পৰিবৰ্তন পৰিকল্পিত বা অপৰিকল্পিত হ'ব পাৰে। বিভিন্ন আঁচনি, প্ৰকল্প বা দীৰ্ঘ অথবা হ্ৰস্বম্যাদী কাৰ্যসূচীৰ দ্বাৰা সমাজত পৰিকল্পিত পৰিবৰ্তন সংঘটিত হয়

যিয়ে সামাজিক পৰিবৰ্তনৰ দিশ আৰু হাৰ নিয়ন্ত্ৰণ আৰু নিৰ্দ্ধাৰণ কৰে। আনহাতে, প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী, ভূমিকম্প, চুনামি, খৰাং পৰিস্থিতি, আগ্নেয়গিৰি উদগীৰণ আদিৰ দ্বাৰা সংঘটিত পৰিবৰ্তন হৈছে পৰিকল্পনাবিহীনভাৱে সমাজলৈ অহা পৰিবৰ্তন।

- সামাজিক পৰিবৰ্তন হৈছে সামাজিক আন্তঃসম্বন্ধৰ পৰিবৰ্তন, ব্যক্তিগত লগতে সামাজিক প্ৰমূল্যবোধ পদ্ধতিৰ পৰিবৰ্তন।
- সামাজিক পৰিবৰ্তনে সমাজত শৃংখল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। কোনো এক কাৰকৰ পৰিবৰ্তনে প্ৰত্যক্ষ বা পৰোক্ষভাৱে যিকোনো আন কাৰকৰ পৰিবৰ্তন সংঘটিত কৰিব পাৰে।
- সামাজিক পৰিবৰ্তন হৈছে বহু কাৰকৰ আন্তঃক্ৰিয়াৰ এক ফলশ্ৰুতি। এই কাৰকসমূহ হ'ল শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তি, সংস্কৃতি, মনোবৈজ্ঞানিক কাৰক, নৈতিক বা দাৰ্শনিক কাৰক, অৰ্থনৈতিক কাৰক আৰু ৰাজনৈতিক কাৰক ইত্যাদি।
- সমাজৰ প্ৰচলিত ব্যৱস্থা বা স্থিতিত সামাজিক পৰিবৰ্তনে আংশিক বা সম্পূৰ্ণভাৱে ক্ৰিয়া কৰিব পাৰে। সমাজত আংশিকভাৱে বৈপ্লৱিক বা বিৱৰ্তনক্ৰমে পৰিবৰ্তন হোৱা দেখা যায়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং১. সামাজিক পৰিবৰ্তনৰ সংজ্ঞা দিয়ক।

.....

প্ৰশ্ন নং ২. সামাজিক পৰিবৰ্তনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

৪.৫ সামাজিক পৰিবৰ্তনৰ কাৰণসমূহ

সামাজিক পৰিবৰ্তন এক জটিল পৰিঘটনা। বহু কাৰক অথবা কাৰণৰ সমষ্টিয়ে সামাজিক পৰিবৰ্তনৰ সূচনা কৰে। এই সকলোবোৰ কাৰকৰ মাজত পাৰস্পৰিক উমৈহতীয়া বা আন্তঃসম্বন্ধ থাকে।

সামাজিক পৰিবৰ্তনৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল—

- **সংস্কৃতি ঃ** সংস্কৃতিত হোৱা পৰিবৰ্তন হ'ল সামাজিক পৰিবৰ্তনৰ এক মুখ্য কাৰক। সংস্কৃতি হৈছে অবিৰতভাৱে বিভিন্ন উপাদানৰ বিয়োজন আৰু সংযোজন প্ৰক্ৰিয়াৰে প্ৰবাহমান এক জটিল পৰিঘটনা। সংস্কৃতি পৰিবৰ্তনৰ তিনিটা মূল উৎস বা উপাদান হ'ল— উদ্ভাৱন, আৱিষ্কাৰ আৰু বিক্ষিপ্তকৰণ প্ৰক্ৰিয়া। নতুন চিন্তাধাৰা, সামগ্ৰী আৰু সামাজিক আৰ্হিৰ উদ্ভাৱনে সামাজিক পৰিবৰ্তনৰ সূচনা কৰে। উদ্ভাৱন দুই প্ৰকাৰৰ দেখা যায়— বস্তুগত আৰু সামাজিক। প্ৰত্যেক উদ্ভাৱনৰে সমাজ পৰিবৰ্তনত দীৰ্ঘম্যাদী প্ৰভাৱৰ সম্ভাৱনা থকা পৰিলক্ষিত হয়। আনহাতে, আৱিষ্কাৰে সংস্কৃতিত নতুন সংযোজন ঘটাই সামাজিক পৰিবৰ্তনত অৱিহণা যোগায়।

বিক্ষিপ্তকৰণ হৈছে সামাজিকভাৱে নির্বাচনাত্মক এক প্রক্রিয়া য'ত এখন সমাজে আন এখন সমাজৰ সংস্কৃতিৰ কেৱল নির্বাচিত বা গ্রহণযোগ্য দিশটোহে অনুকৰণ কৰে আৰু সমাজত পৰিবর্তনৰ সূত্রপাত কৰে। গণমাধ্যমৰ দ্রুত প্রসাৰ আৰু উন্নত যোগাযোগ ব্যৱস্থাই বিক্ষিপ্তকৰণ প্রক্রিয়াৰ দ্রুত প্রসাৰ ঘটাই সামাজিক পৰিবর্তনৰ সূচনা কৰে।

- **সংঘর্ষ ঃ** সমাজত সংঘটিত সংঘর্ষ আৰু উত্তেজনাই সামাজিক পৰিবর্তনত অৰিহণা যোগায়। কোনো সমাজেই সংঘর্ষমুক্ত নহয়, অৱশ্যে প্রত্যেক সমাজৰে সংঘর্ষৰ প্রকাৰ, প্রকৃতি আৰু কাৰণ ভিন্ন হোৱা দেখা যায়। কার্ল মার্ক্সৰ মতে, সংঘর্ষ (শ্রেণী) এক ইঞ্জিনৰ দৰে যিয়ে এখন সমাজক এক ঐতিহাসিক যুগৰ পৰা আনটো যুগলৈ গতি কৰাত সহায় কৰে। শ্রেণী, জাতি, লিঙ্গ, নৃগোষ্ঠীগত, সা-সম্পত্তি ইত্যাদিৰ ভিত্তিত হোৱা সামাজিক বিভাজনেই হৈছে সামাজিক সংঘর্ষৰ মূল কাৰণ।
- **সামাজিক সমস্যা ঃ** এখন সমাজত বিভিন্ন সামাজিক সমস্যা থকা দেখা যায়, যেনে দৰিদ্রতা, কিশোৰৰ অপৰাধ প্রৱণতা, নিৰক্ষৰতা, কু-সংস্কাৰ, জনবিস্ফোৰণ, অন্ধবিশ্বাস, পতিতাবৃত্তি, নিবনুৱা সমস্যা ইত্যাদি। অধিক সংখ্যক সমস্যাৰ মাজত পাৰস্পৰিক আন্তঃসম্বন্ধ জড়িত হৈ থাকে আৰু ই সামাজিক সংঘর্ষ আৰু উত্তেজনা সৃষ্টি কৰে। ইয়াৰ ফলশ্রুতিত সমাজৰ বিভিন্ন দিশত পৰৱর্তী কালত পৰিবর্তন সংঘটিত কৰে।
- **জনসাংখ্যিক পৰিবর্তন ঃ** সমাজত জনসংখ্যা পৰিবর্তনৰ বাবেও সামাজিক পৰিবর্তন হোৱা পৰিলক্ষিত হয়। জনসংখ্যা বৃদ্ধি (জন্মৰ হাৰ বৃদ্ধি আৰু মৃত্যুৰ হাৰ হ্রাস) আৰু প্রব্রজনৰ ফলত সমাজত জনসাংখ্যিক পৰিবর্তনে দেখা দিয়ে।
- **সামাজিক আন্দোলন ঃ** সামাজিক আন্দোলনক সামাজিক পৰিবর্তনৰ এক শক্তিশালী কাৰকৰূপে গণ্য কৰা হয়। সামাজিক আন্দোলন হৈছে কোনো সামাজিক গোটে এক উমৈহতীয়া উদ্দেশ্যৰ হকে একত্রিত হৈ সমাজত সংস্কৃতি-পৰম্পৰা, সামাজিক সম্বন্ধ, সামাজিক প্রতিমান, চিন্তা-চর্চাৰ পৰিবর্তন সাধনাৰ বাবে কৰা এক সু-সংগঠিত প্রচেষ্টা।
- **পৰিবেশীয় পৰিবর্তন ঃ** প্রাকৃতিক দুর্যোগ আৰু পৰিবেশৰ ক্ষয়-ক্ষতিয়ে সামাজিক সংৰচনা, সামাজিক সম্বন্ধ, মানুহৰ বসতিস্থানৰ লগতে জীৱিকাৰ পথৰো পৰিবর্তন ঘটাব পাৰে। পৰিৱেশীয় পৰিবর্তনৰ বাবেই এঠাইৰ পৰা আন ঠাইলৈ মানুহৰ প্রব্রজন ঘটে আৰু সেই নতুন পৰিবেশৰ লগত মানুহে খাপ খাবলৈ চেষ্টা কৰে।
- **নতুন ভাৱধাৰা ঃ** নতুন ধর্ম-বিশ্বাস, প্রমূল্যবোধ, ব্যক্তিৰ কর্তব্য আৰু অধিকাৰৰ লগতে জীৱনটোক নতুন দৃষ্টিভংগীৰে আগুৱাই নিয়াৰ প্রয়াসেৰে নতুন ভাৱধাৰা আকোঁৱালি লোৱাৰ ফলতো সমাজত সামাজিক পৰিবর্তন ঘটাৰ সম্ভাৱনা থকা দেখা যায়।
- **অর্থনৈতিক আৰু ৰাজনৈতিক প্রগতি ঃ** ৰাষ্ট্রসংঘ গঠনৰ পৰৱর্তীকালছোৱাৰ পৰাই দেশৰ লগতে সমগ্র বিশ্বত হোৱা ৰাজনৈতিক আৰু অর্থনৈতিক অগ্রগতিয়ে সমাজত বহু পৰিমাণে সামাজিক পৰিবর্তনৰ সূচনা কৰে। গণতন্ত্রৰ বিশ্বব্যাপী হোৱা বিকাশ আৰু গোলকীকৰণৰ আৰম্ভণিয়ে বিশ্বৰ অর্থনীতি, ৰাজনৈতিক সংৰচনা আৰু গতিশীলতা, সংস্কৃতি, দৰিদ্রতা, লিঙ্গ তাৰতম্য তথা পৰিবেশ সম্বন্ধীয় বিষয়ৰ বা সমস্যা আদিত বহু পৰিমাণে পৰিবর্তন সাধন কৰা পৰিলক্ষিত হৈছে।

৪.৬ সামাজিক পৰিবৰ্তনৰ মাধ্যমসমূহ

সামাজিক পৰিবৰ্তন হৈছে সমাজত সংঘটিত হোৱা পৰিবৰ্তন। সামাজিক পৰিবৰ্তনৰ লগত জড়িত মাধ্যমসমূহ হ'ল—

১। পৰিয়াল	৫। বেচৰকাৰী সংস্থা
২। বিদ্যালয়	৬। ৰাজনীতি
৩। সম্প্রদায়	৭। ধর্ম
৪। বিজ্ঞান-প্রযুক্তি	৮। গণ মাধ্যম

সামাজিক পৰিবৰ্তনৰ প্রক্রিয়াৰ লগত জড়িত এই কাৰকসমূহৰ ভূমিকাৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

১) পৰিয়াল ঃ পৰিয়াল হৈছে সমাজৰ আটাইতকৈ গুৰুত্বপূর্ণ প্রাথমিকগোট। পৰিয়াল সামাজিকীৰণ প্রক্রিয়াৰ প্রধান কাৰক। পৰিয়ালে ব্যক্তিৰ চৰিত্র আৰু ব্যক্তিত্ব গঢ় দিয়াত সহায় কৰে। পিতৃ-মাতৃয়েই শিশুৰ সামাজিকীৰণৰ প্রথম মাধ্যমৰূপে দায়িত্ব গ্রহণ কৰে। পৰিয়ালে এটি শিশুৰ বাবে ঘৰৰ ভিতৰে বাহিৰে প্রয়োজনীয় সকলো গুৰুত্বপূর্ণ বিকাশ যেনে ব্যক্তিত্ব, স্বভাৱ-চৰিত্র, অভিজ্ঞতাৰ বাবে এক অনুকুল পৰিবেশ গঢ়ি তোলে। সমাজৰ ৰীতি-নীতি, পৰম্পৰা, বিশ্বাস, মূল্যবোধ আদি পোনপ্রথমে শিশুৱে পৰিয়ালৰ পৰাই আহৰণ কৰিবলৈ শিকে। এইক্ষেত্রত শিশুৱে প্রথমাৱস্থাত পিতৃ-মাতৃৰ আচৰণসমূহক নিৰীক্ষণ কৰে আৰু পৰৱর্তীকালত সেই সামাজিক মূল্যবোধক অনুকৰণ কৰিবলৈ শিকে। সামাজিক, ৰাজনৈতিক আৰু ধর্মীয় বিশ্বাস, ৰীতি-নীতি আদিৰ এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ প্রত্যাশিতভাৱে পৰিবর্তন আৰু ৰূপান্তৰৰ জৰিয়তে সমাজত পৰিয়ালৰ মাধ্যমেৰে ঘটি আছে। এইদৰে সামাজিক পৰিবর্তন প্রক্রিয়াত পৰিয়ালে এক প্রধান দায়িত্বশীল ভূমিকা পালন কৰি আহিছে।

২) বিদ্যালয় ঃ বিদ্যালয়ক এক ক্ষুদ্র সমাজৰূপে গণ্য কৰা হয়। পৰিয়ালৰ পিছতেই শিশুৰ সামাজিকীৰণৰ অন্যতম মাধ্যম হ'ল বিদ্যালয়। বিদ্যালয় শিক্ষা এক আনুষ্ঠানিক মাধ্যম। বিদ্যালয়ত শিশুৰ বয়স, ক্ষমতাৰ লগতে সমাজৰ পৰিবর্তিত দিশৰ লগত সঙ্গতি ৰক্ষা কৰি এক প্রণালীবদ্ধ পদ্ধতিৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা উচিত। প্রত্যেক শিশুৰে শাৰীৰিক, মানসিক, নৈতিক, সামাজিক, সৌন্দর্যবোধ আৰু আধ্যাত্মিক দিশৰ বিকাশ সাধন কৰি এক পূর্ণাঙ্গ ব্যক্তিত্বৰ শিশু গঢ় দিয়াই হৈছে বিদ্যালয়ৰ প্রধান দায়িত্ব। শিক্ষাৰ পাঠ্যক্রম আৰু সহ-পাঠ্যক্রমৰ কার্যাৱলী যেনে— হস্তশিল্প কর্ম, খেল-ধেমালি, স্কাউট-গাইড, এন.চি.চি., এন.এচ.এচ. আদিৰ মাধ্যমেৰে শিশুৱে প্রয়োজনীয় কৌশল, দক্ষতা, বৈজ্ঞানিক দৃষ্টিভংগী, নৈতিক মূল্যবোধৰ জ্ঞান আহৰণ কৰে যিয়ে সকলোৰে কল্যাণৰ বাবে সমাজৰ অতীত আৰু বর্তমানৰ মূল্যবোধক আৰু পৰিবর্তিত দৃষ্টিভংগীক উপলব্ধি কৰাত শিশুক সহায় কৰে।

৩) সম্প্রদায় ঃ শিক্ষাৰ আন এক গুৰুত্বপূর্ণ অনানুষ্ঠানিক মাধ্যম হ'ল সম্প্রদায়, যিয়ে এখন সমাজক সম্পূর্ণ পৰিবর্তিত ৰূপত গঢ়ি তুলিব পাৰে। আমাৰ দেশত, প্রত্যেক সম্প্রদায়ৰ এটাৰ লগত আনটোৰ আন্তঃসম্বন্ধ আছে আৰু প্রত্যেকেই এক বৃহত্তৰ সম্প্রদায়ৰ অংশ

হিচাবে কার্য কৰি যায়। শিক্ষাৰ অনানুষ্ঠানিক মাধ্যমৰূপে সম্প্রদায়ে ব্যক্তিৰ ওপৰত পৰোক্ষভাৱে প্রভাৱ বিস্তাৰ কৰে, যিয়ে সমাজত নব্য জ্ঞান, তথ্য আৰু প্রগতিশীল মূল্যবোধ গ্রহণ কৰাত সহায় কৰে।

৪) বিজ্ঞান আৰু প্রযুক্তিবিদ্যা ঃ বিজ্ঞান আৰু প্রযুক্তিবিদ্যাই সামাজিক পৰিবর্তনত এক মুখ্য ভূমিকা পালন কৰে। নতুন উদ্ভাৱন আৰু আৱিষ্কাৰৰ লগে লগে সকলোবোৰ প্রগতিশীল সমাজতে বস্তুগত পৰিবর্তনে দেখা দিছে। অৱশ্যে পৰিবর্তনৰ গতি সমাজ অনুযায়ী ভিন্ন হোৱা পৰিলক্ষিত হয়। বর্তমান সমাজত ব্যক্তিয়ে কু-সংস্কাৰ, অন্ধবিশ্বাস, ভয়-শঙ্কা আদিৰ বিৰুদ্ধে প্রত্যাহ্বান জনাই জীৱন-নির্বাহ কৰে। এইক্ষেত্রত তথ্য-প্রযুক্তিবিদ্যাই দ্রুত গতিত আৰু সঠিকভাৱে তথ্য আৰু জ্ঞান সম্প্রসাৰণেৰে সামাজিক পৰিবর্তনত এক অন্যতম ভূমিকা পালন কৰি আহিছে। বিজ্ঞান-প্রযুক্তিয়ে সমগ্র পৃথিৱীকে এক ক্ষুদ্র গাঁৱলৈ ৰূপান্তৰিত কৰিছে। বিজ্ঞান-প্রযুক্তিৰ প্রয়োগৰ বাবে এখন সমাজৰ পৰিবর্তনে আন এখন সমাজক প্রভাৱান্বিত কৰিব পাৰিছে।

৫) বেচৰকাৰী সংস্থা ঃ বেচৰকাৰী সংস্থা হৈছে এক স্বেচ্ছাসেৱী সংগঠন। এনে সংগঠনৰ মুখ্য উদ্দেশ্য সমাজলৈ নিঃস্বার্থ সেৱা আগবঢ়োৱা। সমাজৰ সকলো ধৰণৰ কার্যাৱলী কেৱল চৰকাৰী আইন-কানুন প্রয়োগ কৰি সম্পন্ন কৰিব নোৱাৰি বিশেষকৈ যিবোৰ এলেকাত বা অঞ্চলত ব্যক্তিৰ আৱেগ-অনুভূতি, বিশ্বাস, ৰীতি-নীতি, পৰম্পৰা আদিৰ প্রাধান্য অধিক। সাম্প্রতিক কালত অবৈজ্ঞানিক ক্রিয়া-কর্ম আৰু চিন্তা-ধাৰাৰ পৰিবর্তন ঘটাই সমাজত বৈজ্ঞানিক দৃষ্টিভংগী আৰু মনোভাৱৰ প্রভাৱ বিস্তাৰ কৰিবৰ বাবে বেচৰকাৰী অনুষ্ঠানসমূহে বিভিন্ন ক্ষেত্রত, যেনে— স্বাস্থ্য, শিক্ষা, সংস্কৃতি, সমাজ কল্যাণ, মহিলা সৱলীকৰণ, ধর্মীয় কার্যাৱলীৰ লগত জড়িত হৈ সেৱা আগবঢ়াই আহিছে। এই কার্যাৱলীসমূহৰ পৰিচালনাৰ বাবে ৰাজ্যিক আৰু কেন্দ্রীয় উভয় চৰকাৰে বেচৰকাৰী অনুষ্ঠানসমূহলৈ আর্থিক সাহায্য আগবঢ়ায়। এই কার্যাৱলীসমূহৰ ভিত্তিত কিছুমান অনুষ্ঠানে আন্তর্জাতিক অনুদানো লাভ কৰা দেখা যায়।

৬) ৰাজনীতি ঃ সামাজিক পৰিবর্তনত ৰাজনীতিৰ ভূমিকা অপৰিসীম। প্রত্যেক ৰাজনৈতিক দলেই নিজস্ব দলীয় নীতি অনুসৰি ৰাইজক আকর্ষণ কৰাৰ চেষ্টা কৰে। বর্তমান ৰাইজৰ মাজত ৰাজনৈতিক সজাগতা বৃদ্ধি পাই অহাৰ বাবে তেওঁলোকে ৰাজনৈতিক উদ্দেশ্য প্রণোদিত প্রচাৰসমূহৰ সুবিবেচনা কৰিব পাৰে আৰু সেইবাবেই তেওঁলোকে তেওঁলোকৰ সর্বোত্তম সিদ্ধান্ত ল'ব পাৰে। সময় অতিবাহিত হোৱাৰ লগে লগে মানুহৰ মাজত গণতন্ত্রৰ প্রতি জনপ্রিয়তা বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। বর্তমান গণতন্ত্রক মাথো এক ৰাজনৈতিক পদ্ধতিয়েই নহয়, জীৱন নির্বাহৰ এক পদ্ধতি হিচাবে গণ্য কৰা হয়। জাতি, ধর্ম, বর্ণ, লিঙ্গ, বৃত্তি অথবা অর্থনৈতিক প্রস্থিতি নির্বিশেষে প্রতিজন ব্যক্তিৰ সমস্বাধীনতা আৰু সম অধিকাৰৰ ওপৰত গণতন্ত্রৰ ভেটি প্রতিষ্ঠিত। এইদৰে, গণতন্ত্রই ৰাজনীতিৰ ক্ষেত্রখনত এক নতুন অৱধাৰণাৰ সূচনা কৰে য'ত সকলোৱে চৰকাৰ গঠনত এক সক্রিয় ভূমিকা পালন কৰি আহিছে।

৭) ধর্ম ঃ ধর্ম সামাজিক পৰিবর্তনৰ এক শক্তিশালী মাধ্যম। ধর্মই মানুহৰ মনত কিছুমান অতি আৱশ্যকায়ী মূল্যবোধ গঠন কৰাত সহায় কৰে যিয়ে এক সুশৃংখল জীৱন-যাপন কৰাত অনুপ্রেৰণা যোগায়। মন, মগজু আৰু কর্মৰ বিশুদ্ধিকৰণৰ বাবে প্রত্যেক ধর্মৰে নিজস্ব মৌলিক

নীতি আৰু স্বকীয় উপাসনা পদ্ধতি আছে। এনে উপাসনাৰ জৰিয়তে প্ৰত্যেক ধৰ্মই অনুগামীসকলৰ বাবে কিছুমান কৰ্মৰ ওপৰত নিষিদ্ধ কৰা ব্যৱস্থা ৰখা দেখুযায়। সময়ৰ পৰিবৰ্তনৰ লগে লগে নতুন প্ৰজন্মৰ মাজত আধ্যাত্মিকভাৱৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে যিয়ে আন ধৰ্মৰ প্ৰতি থকা মানুহৰ ভ্ৰান্ত ধাৰণা নিৰ্মূল কৰি সকলো শ্ৰেণীৰ লোকক আত্মাৰ সচেতনতা আৰু বিশ্বভাতৃত্ববোধ জগাই তোলাত সহায় কৰিছে।

৮) গণ মাধ্যম ঃ সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত গণ মাধ্যমে এক বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। ছপা মাধ্যম আৰু ইলেকট্ৰনিক মাধ্যম যেনে— বাতৰি কাকত, ৰেডিঅ', টেলিভিচন, কম্পিউটাৰ, চলচিত্ৰ, টেলিফোন আদিৰ নতুন জ্ঞান তথ্য সম্প্ৰসাৰণৰ এক শক্তিশালী গতিশীল ক্ষমতা আছে যাৰ দ্বাৰা জনসাধাৰণক সমাজৰ নিত্য নতুন পৰিবৰ্তনৰ তথ্যৰে শিক্ষিত কৰি তুলিব পাৰে। এখন সমাজৰ সংস্কৃতি, শিক্ষা, স্বাস্থ্য, সৌন্দৰ্য, চিকিৎসা, সঙ্গীত, ফেশ্বন টেকন'ল'জি ইত্যাদি ক্ষেত্ৰবোৰত হোৱা পৰিবৰ্তন গণমাধ্যমৰ জৰিয়তে আন এখন সমাজৰ লোকৰ জীৱনশৈলীত প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৩. সামাজিক পৰিবৰ্তনৰ দুটা কাৰণ লিখক।

.....

প্ৰশ্ন নং ৪. ধৰ্মক সামাজিক পৰিবৰ্তনৰ এক মাধ্যম হিচাবে ব্যাখ্যা কৰক।

.....



চিন্তা-চৰ্চা কৰক ঃ ৪.১

আপুনি সম্পাদনা কৰা কোনো এক কৰ্ম বা উদাহৰণ উল্লেখ কৰক যিয়ে আপুনি বসবাস কৰা সমাজখনলৈ সামাজিক পৰিবৰ্তন সূচনা কৰিছে বা কৰিব পাৰে।

৪.৭ সামাজিক পৰিবৰ্তনৰ কাৰক হিচাবে শিক্ষাৰ ভূমিকা

শিক্ষা হৈছে সামাজিক পৰিবৰ্তনৰ এক অন্যতম প্ৰধান কাৰক যিয়ে সমাজত পৰিবৰ্তন সাধন কৰিব পাৰে। শিক্ষাৰ অবিহনে সমাজত পৰিবৰ্তন সংঘটিত হ'ব নোৱাৰে। সামাজিক পৰিবৰ্তনৰ প্ৰকাৰ আৰু গতিও শিক্ষাৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হয়। বস্তুবাদী আৰু অবস্তুবাদী সংস্কৃতিৰ পৰিবৰ্তনো শিক্ষাৰ দ্বাৰাহে সম্ভৱ। সমাজত অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, বৈজ্ঞানিক আৰু মনো-সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত শিক্ষাক এক শক্তিশালী মাধ্যম হিচাবে বিবেচনা কৰা হয়। সামাজিক পৰিবৰ্তনৰ মাধ্যম বা কাৰক হিচাবে শিক্ষাৰ কাৰ্যাৱলীসমূহ হ'ল—

- **সংস্কৃতিৰ প্ৰসাৰণ ঃ** এখন সমাজৰ মূল্যবান সংস্কৃতিৰ সংৰক্ষণ, সাংস্কৃতিক মূল্যবোধৰ আত্মীকৰণ আৰু এইসমূহ এটা প্ৰজন্মৰপৰা আন এটা প্ৰজন্মলৈ প্ৰসাৰণ ঘটোৱাত শিক্ষাৰ

অৱদান অপৰিসীম। শিক্ষাই সংস্কৃতিৰ সংৰক্ষণৰ লগতে সাংস্কৃতিক উপাদানসমূহত হোৱা আকাঙ্খিত পৰিবৰ্তনসমূহো গ্ৰহণ কৰাত সহায় কৰে।

- **প্ৰমূল্যবোধৰ ব্যৱস্থা ঃ** শিক্ষাই ব্যক্তিৰ চৰিত্ৰ আৰু ব্যক্তিত্ব গঠন; চিন্তা-প্ৰক্ৰিয়া, প্ৰমূল্যবোধৰ ব্যৱস্থা, দৃষ্টিভঙ্গী আৰু মনোভাৱ, মানুহৰ জীৱনশৈলী আৰু আশাব্যঞ্জক সামাজিক সংস্কাৰ গ্ৰহণ কৰি লোৱাত সহায় কৰে।
- **তথ্য-জ্ঞান প্ৰদান ঃ** সমাজত পৰিবৰ্তিত চিন্তা-চৰ্চা আৰু কৰ্ম-সংস্কৃতিৰ তথ্য-জ্ঞান প্ৰদান কৰাত শিক্ষাই মুখ্য ভূমিকা পালন কৰি আহিছে। ইয়াৰোপৰি শিক্ষাই সামাজিক পৰিবৰ্তন সাধন কৰিব পৰাকৈ ব্যক্তিৰ সৃষ্টিশীল তথা গঠনাত্মক শক্তিৰ বিকাশৰ লগতে দক্ষতা বৃদ্ধিত সহায় কৰে।
- **বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ঃ** বিজ্ঞান-প্ৰযুক্তিৰ জ্ঞান প্ৰদানৰ বাবে শিক্ষা এক শক্তিশালী আহিলা যিয়ে ব্যক্তিক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে জীৱন-নিৰ্বাহ কৰাত সহায় কৰে। এনে দৃষ্টিভঙ্গীয়ে সমাজত প্ৰচলিত কু-সংস্কাৰ, ভ্ৰান্তধাৰণা, সংকীৰ্ণ আদৰ্শবাদ, অন্ধবিশ্বাস আদি দূৰ কৰি সু-বিবেচনাৰে জীৱনত আগুৱাই যাবলৈ সহায় কৰে। বিজ্ঞানৰ আৱিষ্কাৰ আৰু প্ৰযুক্তিৰ অগ্ৰগতিয়ে যাতায়ত আৰু যোগাযোগৰ সু-ব্যৱস্থা, উচ্চ মানদণ্ডৰ সামগ্ৰী আৰু উন্নত ঔষধৰ আৱিষ্কাৰ ইত্যাদিৰ জৰিয়তে মানুহৰ জীৱন অধিক আৰামদায়ক কৰি তুলিছে।
- **অৰ্থনৈতিক উন্নয়ন ঃ** সমাজৰ অৰ্থনৈতিক পৰিবৰ্তন আৰু উন্নয়নত শিক্ষাই যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নতুন শিক্ষা পদ্ধতি আৰু কৌশল, দক্ষতা বিকাশৰ নতুন নীতি আৰু আঁচনিসমূহ, স্ব-নিয়োজন, যোগাযোগৰ উন্নয়ন, দৰিদ্ৰৰ বাবে নতুন বেংকসেৱা, কৰ্ম সংস্কৃতিৰ প্ৰতি নতুন দৃষ্টিভঙ্গী আদিৰ জৰিয়তে সমাজত সামাজিক গতিশীলতা আৰু অৰ্থনৈতিক পৰিবৰ্তন তথা উন্নয়ন বৃদ্ধিত শিক্ষাৰ অৱদান উল্লেখনীয়। কম আয়ৰ লোকৰ মাজত শৈক্ষিক মান উন্নতিৰ প্ৰস্তুতি, দৰিদ্ৰ মেধাৱী শিক্ষাৰ্থীলৈ আৰ্থিক সাহায্য আদি শৈক্ষিক সংস্কাৰসমূহ এখন সমাজৰ গুণগত পৰিবৰ্তনৰ বাবে লোৱা কিছুমান উল্লেখযোগ্য পদক্ষেপ।
- **ৰাজনৈতিক সচেতনতা ঃ** শিক্ষা হৈছে জনসাধাৰণৰ মাজত ৰাজনৈতিক সচেতনতা জাগ্ৰত কৰা এক শক্তিশালী আহিলা। শিক্ষাৰ দ্বাৰা মানুহে তেওঁলোকৰ নিজস্ব অধিকাৰ, কৰ্ত্তব্য আৰু দায়িত্ববোধৰ জ্ঞান পায় আৰু উদ্দেশ্য প্ৰণোদিত ৰাজনৈতিক প্ৰচাৰবোৰ বুজিবলৈ সক্ষম হয়। শিক্ষাই জনগণক প্ৰকৃত দেশপ্ৰেম আৰু ত্যাগৰ প্ৰতি চেতনাবোধ জগাই তোলে। চৰকাৰী পৰিকল্পনা আৰু আঁচনিসমূহ সম্পূৰ্ণ কৃতকাৰ্য তেতিয়াহে হ'ব যেতিয়া সৰ্বসাধাৰণ শিক্ষিত হ'ব আৰু এই আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব।
- **বৃত্তিগত সা-সুবিধা ঃ** যিকোনো বৃত্তি আহৰণৰ বাবে শিক্ষাক এক শক্তিশালী মাধ্যম হিচাবে গণ্য কৰা হয়। বিভিন্ন প্ৰকাৰৰ বৃত্তি আৰু বিভাগীয় পদোন্নতি শিক্ষাৰ ওপৰতে নিৰ্ভৰশীল যি সামাজিক প্ৰস্থিতি নিৰ্ণয় কৰাত প্ৰধান ভূমিকা পালন কৰে। সেয়ে দেখা যায় যে, ব্যক্তিৰ বৃত্তিগত সংৰচনা ৰূপান্তৰকৰণ আৰু ব্যক্তিৰ অৰ্থনৈতিক প্ৰস্থিতি নিৰ্ণয় কৰাত শিক্ষাৰ ভূমিকা শক্তিশালী ৰূপত দেখা যায়।

- **প্ৰতিবন্ধকতা দূৰীকৰণ বা নিৰ্মূলকৰণ ঃ** সামাজিক পৰিবৰ্তনৰ সময়ছোৱাত বহুতো বাধা-বিঘিনিৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। বিশেষকৈ অন্ধবিশ্বাস, ৰক্ষণশীল প্ৰকৃতি, ধৰ্ম, জাত-পাত, ভয়-শংকা, আঞ্চলিকতাবাদ আদিয়ে সমাজত বিভিন্ন বাধাৰ সৃষ্টি কৰে। শিক্ষাৰ দ্বাৰা মানুহে বৈজ্ঞানিক জ্ঞান তথ্য আহৰণ কৰি সমাজৰ প্ৰচলিত ৰীতি-নীতি, পৰম্পৰা, ধৰ্ম-বিশ্বাস, প্ৰতিমান, মানদণ্ডৰ বিষয়ে সিদ্ধান্ত ল'ব পাৰে আৰু নতুন যুক্তিসন্মত দৃষ্টিভংগীৰে সমাজত পৰিবৰ্তন সাধন কৰিব পাৰে।



৪.৮ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

- 'সামাজিক পৰিবৰ্তন'ৰ অৰ্থ হ'ল সামাজিক আন্তঃক্ৰিয়া, সামাজিক প্ৰক্ৰিয়া আৰু প্ৰমূল্যবোধৰ ব্যৱস্থাত হোৱা পৰিবৰ্তন। সামাজিক সংৰচনা আৰু সংগঠন, সামাজিক প্ৰকাৰ্য আৰু ব্যক্তিৰ জীৱন-ধাৰণ পদ্ধতিত হোৱা পৰিবৰ্তনসমূহ সামাজিক পৰিবৰ্তনৰ অন্তৰ্গত।
- শিক্ষা, বিজ্ঞান-প্ৰযুক্তি, সংস্কৃতি, মনোবৈজ্ঞানিক, আদৰ্শগত, অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰকৰ বাবে সমাজত পৰিবৰ্তনৰ সূচনা হয়।
- সামাজিক পৰিবৰ্তনৰ মাধ্যমসমূহ হ'ল— পৰিয়াল, বিদ্যালয়, সম্প্ৰদায়, বিজ্ঞান-প্ৰযুক্তি, বেচৰকাৰী সংস্থা, ৰাজনীতি, ধৰ্ম আৰু গণমাধ্যম।
- শিক্ষা সামাজিক পৰিবৰ্তনৰ এক অন্যতম গুৰুত্বপূৰ্ণ কাৰক যিয়ে সমাজত পৰিবৰ্তন সংঘটিত কৰিব পাৰে। পৰিবৰ্তনৰ প্ৰকাৰ আৰু গতিও শিক্ষাৰ দ্বাৰাই নিৰ্ণয় কৰা হয়। সমাজত অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, বৈজ্ঞানিক, মনো-সামাজিক পৰিবৰ্তন অনাৰ ক্ষেত্ৰত শিক্ষাক এক অতি শক্তিশালী আহিলা হিচাবে গণ্য কৰা হয়।



৪.৯ অধিক জানিবলৈ

- Mathur, S.S. (1965); "A Sociological Approach to Indian Education", Vinod Pustak Mandir, Agra.
- Dr. Sharma, (2016); "Sociological Foundation of Education", Lakshmi Narain Agarwal, Agra.
- Safaya & Shaida (2003), "Modern Theory and Principles of Education". Dharpat Rai Publishing Co. (P) Ltd. New Delhi.



৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ এম্, ই জনচৰ মতে— "সামাজিক প্রক্রিয়া, সামাজিক আর্হি, সামাজিক আন্তঃসম্বন্ধ বা সামাজিক সংগঠনৰ যিকোনো দিশৰ ভিন্নতা বা ৰূপান্তৰকে সামাজিক পৰিবৰ্তন বোলে।"

২ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক পৰিবৰ্তনৰ দুটা বৈশিষ্ট্য হ'ল— (ক) সামাজিক পৰিবৰ্তন এক ধাৰাবাহিক প্রক্রিয়া। সমাজৰ এই পৰিবৰ্তন ৰোধ কৰিব পৰা নাযায়। (খ) সামাজিক পৰিবৰ্তন এক স্বাভাৱিক প্রক্রিয়া। ভিন্ন সমাজৰ প্রত্যেকৰে স্বৰূপ আৰু বৈশিষ্ট্য অনুযায়ী কোনো সমাজৰ এই পৰিবৰ্তন দ্রুত আৰু কোনো সমাজৰ ধীৰ হোৱা দেখা যায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক পৰিবৰ্তনৰ দুটা কাৰণ হ'ল— **সংঘর্ষ ঃ** সমাজত সংঘটিত সংঘর্ষ আৰু উত্তেজনাই সামাজিক পৰিবৰ্তনত অৰিহণা যোগায়। কোনো সমাজেই সংঘর্ষমুক্ত নহয়, অৱশ্যে প্রত্যেক সমাজৰে সংঘর্ষৰ প্রকাৰ, প্রকৃতি আৰু কাৰণ ভিন্ন হোৱা দেখা যায়। কার্ল মার্ক্সৰ মতে, সংঘর্ষ (শ্রেণী) এক ইঞ্জিনৰ দৰে যিয়ে এখন সমাজক এক ঐতিহাসিক যুগৰ পৰা আনটো যুগলৈ গতি কৰাত সহায় কৰে। শ্রেণী জাতি, লিঙ্গ, নৃগোষ্ঠীগত, সা-সম্পত্তি ইত্যাদিৰ ভিত্তিত হোৱা সামাজিক বিভাজনেই হৈছে সামাজিক সংঘর্ষৰ মূল কাৰণ।

সামাজিক সমস্যা ঃ এখন সমাজত বিভিন্ন সামাজিক সমস্যা থকা দেখা যায়, যেনে দৰিদ্রতা, কিশোৰৰ অপৰাধ প্রৱণতা, নিৰক্ষৰতা, কু-সংস্কাৰ, জনবিস্ফোৰণ, অন্ধবিশ্বাস, পতিতাবৃত্তি, নিবনুৱা সমস্যা ইত্যাদি। অধিক সংখ্যক সমস্যাৰ মাজত পাৰস্পৰিক আন্তঃসম্বন্ধ জড়িত হৈ থাকে আৰু ই সামাজিক সংঘর্ষ আৰু উত্তেজনা সৃষ্টি কৰে। ইয়াৰ ফলশ্রুতিত সমাজৰ বিভিন্ন দিশত পৰৱর্তী কালত পৰিবৰ্তন সংঘটিত হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ ধর্ম ঃ ধর্ম সামাজিক পৰিবৰ্তনৰ এক শক্তিশালী মাধ্যম। ধর্মই মানুহৰ মনত কিছুমান অতি আৱশ্যকায়ী মূল্যবোধ গঠন কৰাত সহায় কৰে যিয়ে এক সুশৃংখল জীৱন-যাপন কৰাত অনুপ্রেৰণা যোগায়। মন, মগজু আৰু কর্মৰ বিশুদ্ধিকৰণৰ বাবে প্রত্যেক ধর্মৰে নিজস্ব মৌলিক নীতি আৰু স্বকীয় উপাসনা পদ্ধতি আছে। এনে উপাসনাৰ জৰিয়তে প্রত্যেক ধর্মই অনুগামীসকলৰ বাবে কিছুমান কর্মৰ ওপৰত নিষিদ্ধ কৰা ব্যৱস্থা ৰখা দেখা যায়। সময়ৰ পৰিবৰ্তনৰ লগে লগে নতুন প্রজন্মৰ মাজত আধ্যাত্মিকভাৱৰ জনপ্রিয়তা বৃদ্ধি পাইছে যিয়ে আন ধর্মৰ প্রতি থকা মানুহৰ ভ্রান্ত ধাৰণা নির্মূল কৰি সকলো শ্রেণীৰ লোকক আত্মাৰ সচেতনতা আৰু বিশ্বভাতৃত্ববোধ জগাই তোলাত সহায় কৰিছে।



৪.১১ আর্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৫০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ঃ ১ ঃ সামাজিক পৰিবৰ্তন মানে কি?

প্ৰশ্ন নং ঃ ২ ঃ সামাজিক পৰিবৰ্তনৰ এটা সংজ্ঞা লিখক।

প্ৰশ্ন নং ঃ ৩ ঃ 'Basic Sociological Principle' গ্ৰন্থখনৰ লিখক কোন?

প্ৰশ্ন নং ঃ ৪ ঃ উলিয়াম এফ্ অগবার্নে কোন চনত 'Social Change' গ্ৰন্থখন ৰচনা কৰিছিল?

প্ৰশ্ন নং ঃ ৫ ঃ সামাজিক পৰিবৰ্তন হৈছে এক _____ প্ৰক্ৰিয়া। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ঃ ৬ ঃ শিক্ষানুষ্ঠানক সামাজিক পৰিবৰ্তন এক _____ হিচাবে গণ্য কৰা হয়। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ঃ ৭ ঃ সামাজিক পৰিবৰ্তনত বিজ্ঞান-প্ৰযুক্তিৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰক।

(খ) চমুকৈ উত্তৰ লিখক (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ঃ ১ ঃ "সামাজিক পৰিবৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া" —ব্যাখ্যা কৰক।

প্ৰশ্ন নং ঃ ২ ঃ 'শিক্ষাই সামাজিক পৰিবৰ্তনত এক প্ৰধান ভূমিকা পালন কৰে।' —ব্যাখ্যা কৰক।

প্ৰশ্ন নং ঃ ৩ ঃ সামাজিক পৰিবৰ্তনৰ চাৰিটা প্ৰকৃতি উল্লেখ কৰক।

প্ৰশ্ন নং ঃ ৪ ঃ 'সামাজিক পৰিবৰ্তন হৈছে সামাজিক সজাগতাৰ ফলশ্ৰুতি।' —ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ঃ ১ ঃ সামাজিক পৰিবৰ্তন মানে কি? ইয়াৰ প্ৰকৃতি আৰু বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন নং ঃ ২ ঃ সামাজিক পৰিবৰ্তনৰ কাৰণসমূহ উল্লেখ কৰক?

প্ৰশ্ন নং ঃ ৩ ঃ সামাজিক পৰিবৰ্তনৰ প্ৰধান মাধ্যমসমূহ বৰ্ণনা কৰক?

প্ৰশ্ন নং ঃ ৪ ঃ সামাজিক পৰিবৰ্তনৰ প্ৰধান কাৰকসমূহ বৰ্ণনা কৰক?

প্ৰশ্ন নং ঃ ৫ ঃ সামাজিক পৰিবৰ্তনৰ কাৰক হিচাবে শিক্ষাৰ ভূমিকা কি— আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ঃ ভাৰতবৰ্ষত সামাজিক পৰিৱৰ্তন

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ আধুনিকীকৰণৰ অর্থ আৰু ধাৰণা

৫.৩.১ আধুনিকীকৰণৰ বৈশিষ্ট্য

৫.৩.২ আধুনিকতাৰ চর্ত

৫.৩.২ আধুনিকীকৰণৰ কাৰকসমূহ

৫.৪ ভাৰতীয় সমাজত আধুনিকীকৰণৰ প্রক্রিয়া

৫.৫ আধুনিকীকৰণত শিক্ষাৰ ভূমিকা

৫.৬ পাশ্চাত্যকৰণৰ ধাৰনা

৫.৬.১ ভাৰতবৰ্ষত পাশ্চাত্যকৰণ

৫.৭ গোলকীকৰণৰ অর্থ আৰু বৈশিষ্ট্য

৫.৭.১ গোলকীকৰণ আৰু শিক্ষা

৫.৭.২ গোলকীকৰণৰ কাৰণবোৰ

৫.৭.৩ ভাৰতীয় শিক্ষা ব্যৱস্থাত গোলকীকৰণৰ প্রভাৱ

৫.৭.৪ গোলকীকৰণৰ সমালোচনাত্মক বিশ্লেষণ

৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৯ অধিক জানিবলৈ

৫.১০ অগ্রগতিৰ খতিয়ান

৫.১১ আর্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি—

- আধুনিকীকৰণ, পাশ্চাত্যকৰণ আৰু গোলকীকৰণৰ সংজ্ঞা আগবঢ়াব পাৰিব।
- আধুনিকীকৰণ, পাশ্চাত্যকৰণ আৰু গোলকীকৰণৰ প্রকৃতি ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতীয় সমাজত আধুনিকীকৰণ প্রক্রিয়া সম্পর্কে আলোচনা কৰিব পাৰিব।
- আধুনিকীকৰণ আৰু গোলকীকৰণত শিক্ষাৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

বিংশ শতিকাত বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ ব্যাপক ব্যৱহাৰে সমাজ জীৱনৰ কেউটা

দিশলৈ অভাৱনীয় পৰিৱৰ্তন কঢ়িয়াই আনিছে। আধুনিক জীৱন প্ৰক্ৰিয়াৰ ক্ৰমবৰ্ধিত চাহিদাবোৰ চৰিতাৰ্থ কৰাৰ হেতু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পদ্ধতিসমূহ ব্যৱহাৰ কৰা হৈছে। সম্প্ৰতি মানুহে মহাকাশ বিজয়প্ৰাপ্তি, ৰোগ নিয়ন্ত্ৰণ, পৰিশ্ৰম মিতব্যয়ীকৰণৰ লগতে পাৰমাণৰিক শক্তিক শান্তি আৰু প্ৰগতিৰ হকে ব্যৱহাৰ কৰিবলৈ সক্ষম হৈ উঠিছে। মানুহৰ প্ৰগতিশীল দৃষ্টিভঙ্গী, মনোভাৰ আৰু মানৱ মনত সৃষ্টি হোৱা প্ৰমূল্য সচেতনতাৰ পৰিণামস্বৰূপে এই সকলোবোৰ সম্ভৱ হৈছে। এই অধ্যায়টোত মূলত ভাৰতবৰ্ষত পশ্চিমীয়াকৰণ, আধুনিকীকৰণ আৰু সামগ্ৰীকভাৱে গোলকীকৰণৰ প্ৰভাৱৰ ফল, পৰিৱৰ্তন আৰু প্ৰগতিৰ বিষয়ে আলোকপাত কৰা হৈছে।

৫.৩ আধুনিকীকৰণৰ সংজ্ঞা আৰু অৰ্থ

আধুনিকীকৰণ হৈছে পৰিৱৰ্তনৰ এনে এক প্ৰক্ৰিয়া য'ত কম উন্নত দেশসমূহে অধিক উন্নত দেশসমূহৰ পৰা জীৱন-যাপনৰ শৈলী, মূল্যবোধকে ধৰি বিভিন্ন বৈশিষ্ট্যসমূহ আকোৱালি লয়। এই প্ৰক্ৰিয়াৰ জৰিয়তে উন্নত দেশসমূহে তেওঁলোকৰ পৰিৱৰ্তন আৰু উন্নয়ণৰ মূল ধাৰণাসমূহ অথবা কৌশলসমূহ পৰম্পৰাগত অথবা কম উন্নত দেশসমূহলৈ সঞ্চাৰণ কৰে। এনেধৰণৰ আধুনিক বিজ্ঞানসন্মত জ্ঞানৰ প্ৰেষন অথবা সঞ্চাৰণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে পৰম্পৰাগত দেশসমূহে শিক্ষা, অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি অথবা পৰম্পৰা, প্ৰশাসনীয়, ধৰ্মীয় আদি বিভিন্ন ক্ষেত্ৰত পৰিৱৰ্তনৰ এক সন্তোষজনক অৱস্থাপ্ৰাপ্ত হৈছে। আধুনিকীকৰণ মানে কেৱল পৰম্পৰাগত ৰীতি-নীতি, প্ৰমূল্য, সাংস্কৃতিক আৰু ৰাজনৈতিক ঐতিহ্য, বিশ্বাস আদিৰ প্ৰতি অৱহেলা অথবা প্ৰত্যাহাৰমূলক কাৰ্যকে নুবুজায়। 'আধুনিকীকৰণ' শব্দটো পোন প্ৰথমে ডেনিয়েল লার্নাৰে (Daniel Lerner) তেখেতৰ মধ্য প্ৰাচ্যৰ (Middle Eastern) সমাজসমূহৰ অধ্যয়নত উল্লেখ কৰে। Daniel Lerner এতেখেতৰ গ্ৰন্থ "The passing of Traditional Society" (1958) ত পশ্চিমীয়াকৰণৰ ওপৰত আধুনিকীকৰণৰ গুৰুত্ব সম্পৰ্ক উল্লেখ কৰে।

আধুনিকীকৰণৰ সংজ্ঞা ঃ

- Daniel Lerner ৰ মতে, "আধুনিকীকৰণ হৈছে সামাজিক পৰিৱৰ্তনৰ পুৰণি প্ৰক্ৰিয়াৰ এক নব্য ধাৰণা যাৰ মাধ্যমেৰে কম উন্নত দেশসমূহে অধিক উন্নত দেশসমূহৰ বিশেষত্ববোৰ অৰ্জন কৰে।"
- Alatas ৰ মতে, "আধুনিকীকৰণ হৈছে এক প্ৰক্ৰিয়া যিয়ে ব্যাপক অৰ্থত সমাজৰ দ্বাৰা অনুমোদিত ভাল আৰু সন্তোষজনক জীৱন প্ৰাপ্তিৰ চূড়ান্ত উদ্দেশ্যৰে সমাজত আধুনিক বিজ্ঞানসন্মত জ্ঞানৰ আৰম্ভণি কৰে।"
- Smelser ৰ ভাষাত — "আধুনিকীকৰণ সমাজৰ প্ৰতিটো অংশত সংঘটিত হোৱা পৰিৱৰ্তনৰ এক জটিল ধাৰণা যিয়ে সমাজখনক উদ্যোগিক ৰূপত বিকশিত কৰাৰ প্ৰয়াস কৰে। আধুনিকীকৰণে সমাজখনৰ অৰ্থনীতি, ৰাজনীতি, শিক্ষা, পৰম্পৰা আৰু ধৰ্মৰ দিশত হোৱা চলিত পৰিৱৰ্তনক সামৰি লয়।"

- Rutow আৰু Ward ৰ মতে — "আধুনিকীকৰণৰ মৌলিক প্ৰক্ৰিয়া হ'ল মানৱ বিষয়সমূহত আধুনিক বিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ।

৫.৩.১ আধুনিকীকৰণৰ বৈশিষ্ট্য

- আধুনিকীকৰণৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল উন্নত জীৱন যাপনৰ বাবে দৈনন্দিন জীৱনৰ ভিন্ন ক্ষেত্ৰত বৈজ্ঞানিক জ্ঞান আৰু প্ৰাযুক্তিক কৌশলৰ প্ৰয়োগ। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে পৰম্পৰাগত মূল্যবোধ পৰিৱৰ্তন আৰু উন্নত কৰাৰ লগতে প্ৰগতিশীল চিন্তাৰ উন্মেষ ঘটোৱাত সহায় কৰে।
- বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নিত্য নতুন আৱিষ্কাৰসমূহে সামাজিক সংগঠন, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আৰু শিক্ষাৰ ক্ষেত্ৰসমূহলৈ লক্ষ্যণীয় পৰিৱৰ্তন কঢ়িয়াই আনে। এয়া হ'ল আধুনিকীকৰণৰ এক অন্যতম বৈশিষ্ট্য।
- উৎপাদনশীলতাৰ দিশত থকা গতানুগতিক দৃষ্টিভংগীক বৈপ্লৱিক ৰূপ দিয়াৰ বাবে শিল্পক্ষেত্ৰ, কৃষিক্ষেত্ৰ, দুগ্ধ পাম ইত্যাদি বিভিন্ন ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক গ্ৰহণ কৰাটো আধুনিকীকৰণৰ এক লক্ষণ হিচাপে চিহ্নিত কৰিব পাৰি।
- সামাজিক গতিশীলতা আধুনিকীকৰণৰ এক বিশেষত্ব বুলিব পাৰি। আধুনিকীকৰণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে এখন সমাজে পুৰণি সামাজিক, মনোবৈজ্ঞানিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক উপাদানসমূহৰ সলনি ঘটাই উন্নত জীৱন-যাপনৰ সোৱাদ লোৱাৰ বাবে নব্য প্ৰমূল্যসমূহ আহৰণ কৰে।
- নগৰীকৰণ আধুনিকীকৰণৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এই নগৰীকৰণৰ পৰিণতিস্বৰূপে গ্ৰাম্যাঞ্চলৰ বহুলোকে সংস্থাপনৰ তাগিদাত চহৰ অঞ্চললৈ ধাৰাবাহিকভাৱে প্ৰব্ৰজন হৈ আছে।
- উদ্যোগীকৰণ আধুনিকীকৰণৰ এক উমৈহতীয়া বিশেষত্ব। উদ্যোগীকৰণৰ অৰ্থ হ'ল উদ্যোগ নিৰ্মাণ আৰু প্ৰতিষ্ঠাপন যিয়ে সামাজিক পৰিৱৰ্তনত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰে। উদাহৰণস্বৰূপে - বেংক আৰু ব্যৱসায় কেন্দ্ৰৰ প্ৰতিষ্ঠাপনে ৰাস্তা-ঘাট আৰু নাগৰিকৰ অন্যান্য সুবিধাসমূহ সম্প্ৰসাৰণত সহায় কৰে।
- আধুনিকীকৰণৰ আন এক বিশেষত্ব হ'ল উৎপাদনৰ নতুন কৌশল আৰু নতুন পেচাগত দিশত বিকাশৰ লগতে কেতবোৰ বিশেষীকৃত সংগঠনৰ সংখ্যা বৃদ্ধি।
- গণ মাধ্যমসমূহৰ অভূতপূৰ্ব বিকাশ আধুনিকীকৰণ প্ৰক্ৰিয়াৰ প্ৰতিফলন বুলিব পাৰি। গণ-মাধ্যমসমূহে বাতৰি কাকত, অনাতাৰ যন্ত্ৰ, দূৰদৰ্শন, বোলছবি ইত্যাদিক সামৰি লয় যাৰ জৰিয়তে দেশৰ নাগৰিকসকলে সদা-পৰিৱৰ্তিত সমাজখনৰ বিভিন্ন ধাৰণাসমূহৰ বিষয়ে জ্ঞাত হয়।
- আধুনিকীকৰণ মানে কেৱল পৰম্পৰাগত সকলো মূল্যবোধ, মানদণ্ড আৰু বিশ্বাসৰ

প্ৰত্যাহাৰকৰণকে নুবুজায় বৰং এই সকলোবোৰ প্ৰয়োজনীয় সংশোধনৰ মাজেৰে গ্ৰহণ কৰাটোহে বুজায়।

আধুনিকীকৰণ প্ৰক্ৰিয়াই যুক্তিসংগত আৰু ধৰ্মনিৰপেক্ষ চিন্তন, জাতীয়তাবাদৰ ওপৰত ভিত্তি কৰা মতাদৰ্শ, শিক্ষা, গণযোগাযোগ, কৰ্ম আৰু সম্পদ, শিল্প উন্নয়ণ আৰু নগৰীকৰণৰ বিকাশ ইত্যাদি দিশবোৰৰ প্ৰতি বৈজ্ঞানিক আৰু ইতিবাচক মনোভাৰ গঢ়ি তোলাৰ ওপৰত জোৰ দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ আধুনিকীকৰণৰ সংজ্ঞা দিয়া।

.....

প্ৰশ্ন নং ২ঃ কোনে পোন প্ৰথমবাৰৰ কাৰণে 'আধুনিকীকৰণ' শব্দটো ব্যৱহাৰ কৰে?

.....

৫.৩.২ আধুনিকতাৰ চৰ্ত

আধুনিকীকৰণৰ হৈছে এক প্ৰক্ৰিয়া য'ত কম উন্নত দেশসমূহে অধিক উন্নত দেশসমূহৰ কেতবোৰ আদব-কায়দা অথবা বৈশিষ্ট্যবোৰ আহৰণ কৰে। আধুনিকতাৰ স্বৰূপ প্ৰকাশক কেতবোৰ চৰ্ত নিম্নপ্ৰদত্ত ধৰণৰ —

- গণতন্ত্ৰক বাস্তৱায়নৰ বাবে ৰাজনৈতিক অংশগ্ৰহণ।
- ধৰ্ম নিৰপেক্ষ আৰু যুক্তিসংগত সামাজিক মানদণ্ড।
- সামাজিক গতিশীলতা।
- সাক্ষৰতাৰ প্ৰসাৰ।
- গণ মাধ্যমসমূহৰ স্বতন্ত্ৰ আৰু নিৰপেক্ষ ভূমিকা।
- উন্নত যোগাযোগ আৰু পৰিবহনৰ সুব্যৱস্থা।
- নগৰীকৰণ আৰু উদ্যোগীকৰণৰ ওপৰত গুৰুত্ব।

৫.৩.৩ আধুনিকীকৰণৰ কাৰক

আধুনিকীকৰণৰ নেপথ্যত থকা বিভিন্ন কাৰকসমূহ এনেধৰণৰ —

- **শিক্ষাৰ প্ৰসাৰ ঃ** শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া যাৰ ধাৰাসমূহৰ লগত সুস্থ সমাযোজনৰ বাবে পৰম্পৰাগত মনোভাব আৰু মানদণ্ড সলনি কৰি নতুন যুক্তিসংগত মনোভাৱ আৰু প্ৰমূল্য আহৰণ কৰাত সহায় কৰে।
- **বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ ঃ** বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতিনিয়ত

ব্যৱহাৰ আৰু মনুষ্যৰ বৈজ্ঞানিক মানসিকতাই পৰম্পৰাগত মানদণ্ড, প্ৰমূল্য আৰু বিশ্বাসক পুনৰ মূল্যায়নৰ দ্বাৰা সামাজিক জীৱনৰ পৰিৱৰ্তিত নব্য ধাৰাসমূহৰ লগত সুস্থ সমাযোজনত সহায় কৰে।

- **উদ্যোগীকৰণ ঃ** উদ্যোগীকৰণক আধুনিকীকৰণৰ এক অন্যতম কাৰণ হিচাপে চিহ্নিত কৰা হয়। নতুন উদ্যোগসমূহৰ প্ৰতিষ্ঠাপনে কৰ্মসংস্থাপনৰ সুবিধা বৃদ্ধি কৰাৰ লগতে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰে।
- **নগৰীকৰণ ঃ** নগৰীকৰণ আৰু আধুনিকীকৰণৰ ধাৰণা পৰস্পৰ সম্পৰ্কযুক্ত। উদ্যোগ প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আৰু গুৰুত্বপূৰ্ণ কাৰ্য্যালয় সমূহৰ প্ৰতিষ্ঠাপনে মানুহক কৰ্মসংস্থাপন আৰু উন্নত জীৱন-যাপনৰ প্ৰত্যাশাত গ্ৰাম্যঞ্চলৰ পৰা চহৰ অঞ্চললৈ প্ৰব্ৰজন হোৱাত অৱিহণা যোগায়।
- **উন্নত যোগাযোগ ব্যৱস্থা ঃ** উন্নত যোগাযোগ ব্যৱস্থা বিশেষকৈ ইণ্টাৰনেট, মোবাইল ফোন, চিনেমা, ৰেডিঅ', টেলিভিছন ইত্যাদিয়ে জনসাধাৰণৰ মাজত কাৰ্যকৰী যোগাযোগ আৰু প্ৰতিনিয়ত সংবাদ প্ৰেৰণৰ মাধ্যমেৰে অপ্ৰাসঙ্গিক চিন্তাধাৰা আৰু অনুশীলন পৰিৱৰ্তন সাধন কৰাত সহায় কৰে।
- **ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰৰ ওপৰত বিশ্বাস ঃ** ধৰ্ম নিৰপেক্ষতা আৰু গণতন্ত্ৰৰ ওপৰত বিশ্বাস আৰু শ্ৰদ্ধাৰ হেতু জনসাধাৰণে বাধাহীনভাৱে নিজ নিজ ধৰ্ম উপভোগ কৰিব পাৰে আৰু চৰকাৰ গঠনত সক্ৰিয় অংশগ্ৰহণ কৰে যাৰ জৰিয়তে সমাজত আধুনিক প্ৰৱণতা বজাই ৰখাত সহায় হয়।
- **পৰিবৰ্তনৰ ওপৰত বিশ্বাস ঃ** উন্নত জীৱনৰ বাবে পৰিৱৰ্তনৰ ওপৰত থকা বিশ্বাসৰ কাৰণে মানুহে নতুন পৰিৱৰ্তিত সামাজিক জীৱন প্ৰক্ৰিয়াৰ ধাৰাসমূহৰ সৈতে সুস্থভাৱে সমাযোজিত হোৱাৰ মানসেৰে পুৰণি মানদণ্ড, ৰীতি-নীতি, বিশ্বাস আদিৰ পুণৰ মূল্যায়ন আৰু সংশোধন গ্ৰহণ কৰে।

৫.৪ ভাৰতীয় সমাজত আধুনিকীকৰণ প্ৰক্ৰিয়া

ভাৰতবৰ্ষত ব্ৰিটিছসকলৰ শাসন প্ৰচলনৰ কালছোৱাৰ পৰাই মূলত আধুনিকীকৰণ প্ৰক্ৰিয়াই পাতনি মেলে ব্ৰিটিছে। ১৭৬৪ চনত বংগ, উৰিষ্যা আৰু বিহাৰ দখল কৰে। ১৭৯৯ চনত মহীশূৰৰ টিপু চুলতানক পৰাস্ত কৰে। ১৮১৮ চনত মাৰাঠাসকলক আৰু ১৮৪৯ চনত শিখসকলক পৰাস্ত কৰি ক্ৰমান্বয়ে সমগ্ৰ ভাৰত ভূমিতে বৃটিছসকলে বিজয় যাত্ৰা অব্যাহত ৰাখে। ব্ৰিটিছসকলৰ দীৰ্ঘম্যাদি সংস্পৰ্শৰ পৰিণামস্বৰূপে ভাৰতীয় সমাজখনতো ধীৰে ধীৰে নিজ সংস্কৃতি, বিচাৰ-বিবেচনা, বিশ্বাস, জীৱনশৈলী ইত্যাদি দিশত পৰিৱৰ্তনকামী চেতনাৰ সূত্ৰপাত হয়। ব্ৰিটিছসকলৰ শাসনকালত ভাৰতীয় সমাজ জীৱনত আধুনিকীকৰণৰ প্ৰভাৱক দুটা ভাগত বিভক্ত কৰিব পাৰি — ক্ষুদ্ৰ পৰ্যায়ত আৰু ব্যাপক পৰ্যায়ত। ক্ষুদ্ৰ পৰ্যায়ত ভাৰতীয় সামাজিক

বাতাবৰণ পৰিৱৰ্তনৰ ক্ষেত্ৰত ব্ৰিটিছসকলৰ প্ৰভাৱক সূচাইছে। এই পৰ্যায়ত মানুহে পুৰণি ৰীতিনীতি, পৰম্পৰা, বিশ্বাস, মানদণ্ড, সংস্কৃতি, ধৰ্ম আদিবোৰ নাম মাত্ৰ পৰিশোধন কৰি অথবা কেতিয়বা পৰিশোধন ব্যতিৰেকে অনুশীলন কৰিবলৈ আৰম্ভ কৰে। কিন্তু ব্যাপক পৰ্যায়ত হোৱা সামাজিক পৰিৱৰ্তনে ভাৰতীয় সমাজ জীৱনক আধুনিকীকৰণৰ পৰেশেৰে আগুৱাই নিয়ে। উদাহৰণস্বৰূপে পাশ্চাত্য শিক্ষাৰ প্ৰসাৰ, প্ৰাচীন ভাৰতীয় ভাষাসমূহক ইংৰাজী ভাষা সাহিত্যৰ বৰ্ধিত লোকপ্ৰিয়তা, নগৰীকৰণ আৰু উদ্যোগীকৰণৰ সম্প্ৰসাৰণ, যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰত উন্নতি ইত্যাদি।

স্বাধীনোত্তৰ ভাৰতবৰ্ষত আধুনিকীকৰণৰ গতি অধিক খৰতকীয়া হোৱা পৰিলক্ষিত হয়। বুনিয়াদী শিক্ষাৰ বিস্তৃতি, প্ৰাপ্তঃবয়স্ক শিক্ষা, শিক্ষা আয়োগ সমূহৰ শিক্ষানীতিৰ ওপৰত পৰামৰ্শ, জাতীয়তাবাদৰ প্ৰভাৱ, নব্য সামাজিক প্ৰমূল্যৰ ধাৰণা গঠন, জাত-পাত প্ৰথাৰ জটিলতা শিথিলকৰণ, সামাজিক গতিশীলতা, কৰ্মৰ প্ৰতি বৈজ্ঞানিক আৰু ইতিবাচক দৃষ্টিভংগী, গণতন্ত্ৰৰ ওপৰত আস্থা, ধৰ্মনিৰপেক্ষতা আৰু যুক্তিবাদ, চৰকাৰৰ প্ৰতিনিধি, সমতা, প্ৰগতিশীল পৰিৱৰ্তনৰ বাবে পৰিকল্পনা, উদাৰতাবাদ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ নীতি প্ৰস্তুতকৰণ ইত্যাদিবোৰ হ'ল ভাৰতবৰ্ষত আধুনিকীকৰণ প্ৰক্ৰিয়া বাস্তৱায়িতকৰণৰ মূল চালিকা শক্তি।

৫.৫ আধুনিকীকৰণত শিক্ষাৰ ভূমিকা

আধুনিকীকৰণ হ'ল শিক্ষা, ব্যক্তি আৰু সামাজিক জীৱনৰ জ্ঞান দীপ্তিৰ পৰিণতি। বাস্তৱিকতে ই শিক্ষাৰ কাৰ্য পৰিণামৰ ফল। শিক্ষাই পুৰুষ আৰু মহিলাৰ এনে এক প্ৰজন্ম তৈয়াৰ কৰিব পাৰে যিয়ে আধুনিকীকৰণৰ ভাৱনাৰ সৈতে সংগতি ৰাখি কাৰ্য আৰু আচৰণ প্ৰদৰ্শনৰ ওপৰত আস্থা ৰাখে। ইয়ে এখন সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ সামগ্ৰীক ছবিখন পৰিৱৰ্তন কৰিব পাৰে। তলত আধুনিকীকৰণৰ দিশত শিক্ষাৰ তাৎপৰ্যপূৰ্ণ দিশসমূহ উল্লেখ কৰা হ'ল —

- শিক্ষাই আধুনিকীকৰণৰ বাবে এক কাৰ্যকৰী ৰাজনৈতিক মতাদৰ্শ বিকশিত কৰাত সহায় কৰিব পাৰে।
- শিক্ষাই জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়ণ আৰু বিকাশৰ বাবে দেশৰ জনমুৰি আয় আৰু জাতীয় উৎপাদনৰ হাৰ বৃদ্ধি কৰিব পাৰে।
- ইয়ে সাক্ষৰতাৰ শতকৰা হাৰ বৃদ্ধি কৰাৰ লগতে জনগণৰ মাজত ক্ৰিয়াত্মক সাক্ষৰতাৰ ধাৰণাও বিকশিত কৰি তোলে।
- ইয়ে আধুনিক সভ্যতাৰ বৈজ্ঞানিক আৰু প্ৰযুক্তিগত বিকাশৰ গতিক ক্ষীপ্ৰ কৰি তোলে।

উপৰিউক্ত দিশসমূহৰ পৰা এয়া যথেষ্ট স্পষ্ট যে এখন সমাজক প্ৰকৃতাৰ্থত আধুনিকীকৰণ কৰাৰ বাবে শিক্ষা হ'ল পূৰ্ব চৰ্তস্বৰূপ। সেয়েহে আধুনিকীকৰণত শিক্ষাৰ ভূমিকা অতি ব্যাপক যিয়ে আমাৰ বিকাশৰ প্ৰতিটো দিশকে পৰিধিভুক্ত কৰি লয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ আধুনিকীকৰণৰ এটা কাৰক উল্লেখ কৰা।

.....

৫.৬ পাশ্চাত্যকৰণৰ ধাৰণা

পাশ্চাত্যকৰণ হ'ল সামাজিক পৰিৱৰ্তনৰ এক প্ৰক্ৰিয়া -- এম.এন শ্ৰীনিবাসে পাশ্চাত্যকৰণৰ সংজ্ঞা প্ৰদান কৰি কয় যে — ১৫০ বছৰতকৈও অধিক বছৰৰ বৃটিছ শাসনকালৰ পৰিণতিস্বৰূপে ভাৰতীয় সমাজ আৰু সংস্কৃতিলৈ অহা পৰিৱৰ্তনবোৰক পাশ্চাত্যকৰণ হিচপে চৰিত্ৰায়ণ কৰিব পাৰি, যিয়ে বিভিন্ন স্তৰত হোৱা পৰিবৰ্তনসমূহক সামৰি লয়; যেনে— প্ৰযুক্তিবিদ্যা, প্ৰতিষ্ঠানসমূহ, মতাদৰ্শ, প্ৰমূল্যবোধ। তেখেতে উল্লেখ কৰে যে পাশ্চাত্যকৰণ হ'ল এখন দেশে স্বকীয় সাংস্কৃতিক সত্ত্বাৰ মাজত পশ্চিমীয়া দেশৰ মানদণ্ড, মূল্যবোধ আৰু সংস্কৃতি অন্তৰ্ভুক্ত কৰি লোৱা এক প্ৰক্ৰিয়া।

পাশ্চাত্যকৰণৰ বৈশিষ্ট্য —

পাশ্চাত্যকৰণৰ বিভিন্ন বৈশিষ্ট্য আছে। সেইবোৰ নিম্নপ্ৰদত্ত ধৰণৰ —

- পাশ্চাত্যকৰণ হ'ল সামাজিক পৰিৱৰ্তনৰ এক প্ৰক্ৰিয়া।
- পাশ্চাত্যকৰণ হ'ল নিজ দেশৰ সংস্কৃতিৰ লগত পশ্চিমীয়া দেশৰ আদৰ্শ, সংস্কৃতি আৰু মূল্যবোধসমূহ আকোৱালি লোৱা।
- পাশ্চাত্যকৰণ হ'ল নৈতিকভাৱে নিৰপেক্ষ। ইয়াৰ ভাল বেয়া উভয় ধৰণৰ প্ৰভাৱে বিদ্যামান।
- পাশ্চাত্যকৰণ হ'ল আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে ফলশ্ৰুতি।
- পাশ্চাত্যকৰণে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহৰ মাধ্যমেৰে আধুনিক শিক্ষাৰ ধাৰণা জনসাধাৰণৰ মাজত সম্প্ৰসাৰণ কৰে।
- পাশ্চাত্যকৰণে মানৱতাবাদ, সাম্যবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদ আদিৰ দৰে আধুনিক প্ৰমূল্যসমূহক উৎসাহিত কৰে।
- পাশ্চাত্যকৰণ মানে কেৱল নতুন উদ্যোগ প্ৰতিষ্ঠা কৰাই নহয়, বৰং উৎপাদনৰ উপায় আৰু কৌশলসমূহৰ ক্ষেত্ৰত মৌলিক পৰিৱৰ্তন আৰু উন্নতি সাধন কৰা।
- ভাৰতবৰ্ষত পাশ্চাত্যকৰণৰ প্ৰভাৱৰ হেতু, বহু বিভেদকামী ধৰ্মীয় অভ্যাসৰ অৱসান ঘটে।
- পাশ্চাত্যকৰণে জাত-পাত প্ৰথা আৰু যৌথ পৰিয়াল ব্যৱস্থাৰ ওপৰতো প্ৰভাৱ পেলায়।
- পাশ্চাত্যকৰণ হ'ল অন্ধবিশ্বাস, হানিকাৰক চিন্তাধাৰা, সামাজিক কু-সংস্কাৰ আদিৰ বিৰুদ্ধে যুঁজ দিয়াৰ এক চেতনা।

৫.৬.১ ভাৰতবৰ্ষত পাশ্চাত্যকৰণ

ভাৰতীয় সমাজ জীৱনৰ ওপৰত পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱৰ ফলস্বৰূপে ভাৰতীয় সংস্কৃতি, পৰম্পৰা, জীৱন শৈলী, পৰিয়ালৰ গাঠনি আৰু বিবাহ, ব্যক্তিগত সম্পৰ্ক, মহিলা শিক্ষা, প্ৰাপ্ত বয়স্ক শিক্ষা, সামাজিক গতিশীলতা ইত্যাদি বিভিন্ন দিশত লক্ষণীয় পৰিৱৰ্তন সাধন হয়। ভাৰতীয় জনগণৰ ওপৰত বিশেষকৈ ব্ৰিটিছ সকলৰ মূল্যবোধ পদ্ধতি, সংস্কৃতি, পৰম্পৰা আৰু জীৱন যাপনৰ পদ্ধতিয়ে অনেক উপায়েৰে প্ৰভাৱ বিস্তাৰ কৰে। পাশ্চাত্যকৰণৰ প্ৰভাৱৰ ফলত ভাৰতীয় জনসাধাৰণে পশ্চিমীয়া কাৰিকৰী কৌশল, শৈক্ষিক পদ্ধতি, পৰিয়ালৰ গাঁঠনি, বিবাহ পদ্ধতি, আচাৰ-ব্যৱহাৰ, জীৱন শৈলী, খাদ্যাভাস, সাজ-সজ্জা, ব্যক্তিগত সম্পৰ্ক, মহিলা শিক্ষা, সামাজিক গতিশীলতা আদিৰ লগত আপোনত্বৰ এনাজৰীৰে সাঙোৰ খাই যায়।

ভাৰতীয় প্ৰেক্ষাপটত পাশ্চাত্যকৰণে সামাজিক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰে। ভাৰতীয় সকলৰ ওপৰত বিশেষকৈ ব্ৰিটিছশাসন কালতহে পাশ্চাত্যকৰণৰ প্ৰভাৱ পৰে। উল্লেখযোগ্য যে আধুনিক বিজ্ঞান আৰু জ্ঞান সংস্পৰ্শৰ বাবে হিন্দু ধৰ্মত বহু ধৰ্মীয় সংস্কাৰ দেখা যায়। মহৰ্ষি দয়ানন্দ, ৰামকৃষ্ণ পৰমসংহ, স্বামী বিবেকানন্দ, ৰবীন্দ্ৰনাথ ঠাকুৰ, শ্ৰীঅৰবিন্দ, ৰাজা ৰামমোহন ৰায় আদিৰ দৰে মহান ব্যক্তিত্বৰ অধিকাৰী লোকসকলে হিন্দু ধৰ্মক পুনঃসংজ্ঞায়িত কৰণৰ ক্ষেত্ৰত নিজকে সমৰ্পিত কৰিছিল। সতীদাহ প্ৰথা, বাল্য বিবাহ আৰু অস্পৃশ্যতাৰ দৰে সামাজিক ব্যাধিৰ বিলোপ সাধন কৰি ভাৰতীয় সমাজত বিধবা বিবাহৰ ধাৰণা প্ৰচলন কৰে। চাৰ শ্বয়েদ আহমেদ খানে মুছলমান সকলৰ মাজত আৰু ড° বি. আৰ. আম্বেদকাৰে ভাৰতীয় পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নয়ণৰ হকে যথেষ্ট অৱদান আগবঢ়ায়। মহাত্মা গান্ধী, পেটেল, নেহেৰু আৰু ৰাধাকৃষ্ণণৰ দৰে মহান ভাৰতীয়সকলে দেশখনৰ এক সুন্দৰ ভৱিষ্যতৰ বাবে পৰম্পৰাগত প্ৰমূল্যসমূহৰ পুনৰ মূল্যায়নৰ হকে অহোপুৰুষাৰ্থ কৰে।

৫.৭ গোলকীকৰণৰ অৰ্থ আৰু বৈশিষ্ট্য

গোলকীকৰণ বা বিশ্বায়ন হ'ল এক ব্যাপক ধাৰণা যিয়ে অৰ্থনৈতিক উন্নয়ণৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। গোলকীকৰণৰ অৰ্থ হ'ল আন্তঃৰাষ্ট্ৰীয় সংহতি, বিশেষকৈ বিশ্বৰ দেশসমূহৰ মাজত সংস্কৃতি আৰু অৰ্থনীতিৰ সংহতি। এনেধৰণৰ একতাৰ ফলস্বৰূপে পৃথিৱীৰ দেশসমূহৰ মাজত সামগ্ৰী আৰু উপাদানৰ আদান-প্ৰদান সহজ হৈ উঠিছে। সামগ্ৰী বুলিলে সকলোধৰণৰ বাণিজ্যক বস্তু আৰু উপাদান বুলিলে মূলধন,প্ৰযুক্তিবিদ্যা, বিত্ত, শ্ৰম, আদিক সামৰি লয়। গোলকীয় অৰ্থনীতিত (পৰিধিভুক্ত দেশ এখনত) এক মুদ্ৰাৰ প্ৰচলন হ'ব লাগে আৰু ৰপ্তানি আমদানি বিত্তীয় প্ৰৱাহ আদি সকলোধৰণৰ লেন-দেনৰ ক্ষেত্ৰত মুদ্ৰা বিনিময় হ'ব

লাগে। আন্তঃৰাষ্ট্ৰীয় সংহতিৰ হেতু বিশ্বৰ দেশসমূহৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা বহুখিনি বৃদ্ধি পায়। গোলকীকৰণৰ প্ৰভাৱে কেৱল উৎপাদন আৰু ইয়াৰ উপাদানসমূহৰ মাজতে সীমাবদ্ধ নাথাকি ৰাজনীতি, সংস্কৃতি, আইন-কানুন, চিন্তন প্ৰক্ৰিয়া আদিকো প্ৰভাৱিত কৰে।

General Agreement on Tariffs and Trade (GATT), International Monetary Fund (IMF) আৰু মুক্ত বাণিজ্য ব্যৱস্থাৰ গঠনে বিশ্বায়ন প্ৰক্ৰিয়া বাস্তৱায়নৰ বাট মুকলি কৰে। উন্নত যোগাযোগ আৰু পৰিবহন ব্যৱস্থাও বিশ্বায়ণৰ ক্ষেত্ৰত সহায়ক। অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত থকা স্থৱিৰতা অতিক্ৰম কৰি অৰ্থনৈতিক উন্নয়ণৰ যাত্ৰা আৰম্ভ কৰাত বিশ্বায়নে সহায়ৰ হাত আগবঢ়ায়। উৎপাদনৰ ক্ষেত্ৰত উন্নয়ণে নিযুক্তিৰ সুবিধাসমূহ বৃদ্ধি কৰে আৰু এনেদৰে মানুহৰ আয়ৰ পৰিমাণ বৃদ্ধি কৰি পৰোক্ষভাৱে দৰিদ্ৰতা দূৰিকৰণৰ পথ প্ৰশস্ত কৰি তোলে। যোগাযোগ আৰু তথ্য প্ৰযুক্তিৰ অগ্ৰগতিয়ে পৃথিৱীৰ দেশসমূহৰ মাজত থকা ভৌগোলিক দূৰত্ব কমাই আনি উৎপাদন আৰু ইয়াৰ উপাদানসমূহৰ ক্ষেত্ৰত মুক্ত প্ৰৱাহ সম্ভব কৰি তুলিছে।

আকৌ পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰত দেখা দিয়া বৈপ্লৱিক পৰিৱৰ্তনে দেশসমূহৰ মাজত সামগ্ৰীসমূহৰ সৰবৰাৰ খৰছ হ্ৰাস কৰাত সহায় কৰে। ১৯৯১ চনত ভাৰতবৰ্ষত দেখা দিয়া প্ৰবল বিত্তীয় সংকটৰ পৰা পৰিত্ৰাণ পোৱাৰ নিমিত্তে ড° মনমোহন সিংয়ে এক নব্য অৰ্থনৈতিক নীতি আৰম্ভ কৰে, যাক উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণ (Liberalization, Privatization and Globalization) নামেৰে জনা যায়।

Deepak Nayyar ৰ মতে, "গোলকীকৰণ হ'ল ৰাষ্ট্ৰ সমূহৰ ৰাজনৈতিক সীমা চেৰাই অৰ্থনৈতিক কাৰ্যাৱলীৰ সম্প্ৰসাৰণ"। ইয়াৰোপৰি তেখেতে উল্লেখ কৰে যে গোলকীকৰণ হ'ল বিশ্ব অৰ্থনীতিত দেশসমূহৰ মাজত অৰ্থনৈতিক সংহতি শক্তিশালী কৰি তোলা, অৰ্থনৈতিক যুক্ততা আৰু পৰস্পৰ নিৰ্ভৰশীলতা বৃদ্ধিকৰণৰ এক প্ৰক্ৰিয়া। গোলকীকৰণে তিনিটা মূল উপাদানৰ ওপৰত জোৰ দিয়ে — (১) সামগ্ৰী আৰু সেৱাৰ বাণিজ্য, (২) মূলধন সঞ্চালন আৰু (৩) বিত্তীয় প্ৰৱাহ।

Roland Robertson ৰ মতে, "বিশ্বায়ন হ'ল সমগ্ৰ বিশ্বক সংকুচিতকৰণৰ দ্বাৰা মানুহৰ মাজত এক বিশ্ব চেতনাক তীব্ৰতৰ কৰি তোলা।"

Social Scientist Martin Albrow & Elizabeith king ৰ মতে, "বিশ্বায়ন হ'ল সেই সকলোবোৰ প্ৰক্ৰিয়া যাৰ দ্বাৰা মানুহে একেলগে চামিলকৰণৰ জৰিয়তে এক সমাজলৈ ৰূপান্তৰকৰণ কৰা।"

গোলকীকৰণৰ বৈশিষ্ট্য—

- গোলকীকৰণ মানে হ'ল আন্তঃৰাষ্ট্ৰীয় সংহতি, বিশেষকৈ বিশ্বৰ দেশসমূহৰ মাজত অৰ্থনৈতিক সংহতি স্থাপন কৰা।
- গোলকীকৰণৰ হেতু বিশ্বৰ দেশসমূহৰ মাজত উৎপাদন আৰু ইয়াৰ উপাদানসমূহৰ মুক্ত সৰবৰাহ সম্ভৱ হৈছে। সামগ্ৰী বুলিলে সকলো ব্যৱসায়ৰ উপযোগী বস্তু আৰু সেৱাক সামৰি লয়। আকৌ মূলধনে কাৰিকৰী কৌশল, পুঁজি আৰু শ্ৰমক সামৰি লয়।

- মানৱ সভ্যতাৰ বিৱৰ্তনৰ হেতু আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত বিজ্ঞান আৰু প্ৰযুক্তি আৰু ইয়াৰ বিভিন্ন ধৰণৰ আৱিষ্কাৰসমূহে গোলকীকৰণ প্ৰক্ৰিয়াত বিশেষভাৱে সহায় কৰে।
- মানৱ গতিশীলতা হ'ল গোলকীকৰণ প্ৰক্ৰিয়াৰ অন্য এক বিশেষত্ব। জ্ঞানৰ বিনিময়, নিযুক্তিৰ সম্ভাৱনীয়তা, আত্মসংস্থাপনৰ সুবিধাৰ বাবে, জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ প্ৰত্যাশা এখন দেশৰ পৰা আন দেশলৈ মানুহৰ গতিশীলতা বৃদ্ধি হবলৈ ধৰিছে।
- যোগাযোগ প্ৰযুক্তিৰ ক্ষেত্ৰত হোৱা উন্নতি গোলকীকৰণৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ইণ্টাৰনেট, মোবাইল, ই-মেইল, ভিডিঅ' কনফাৰেন্সিং, ইত্যাদিৰ জৰিয়তে পৃথিৱীৰ কোনো এক অংশলৈ অতি সহজে আৰু ক্ষীপ্ৰতৰভাৱে সংবাদ প্ৰেৰণ কৰিব পাৰি।
- গোলকীকৰণে অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক স্বঃনিৰ্ভৰশীলতাৰ ওপৰত জোৰ দিয়ে। অৰ্থনৈতিক বিকাশৰ লগতে গোলকীকৰণে জ্ঞানৰ বিস্ফোৰণৰ দিশতো সহায় কৰে।
- গোলকীকৰণে সকলো শ্ৰেণীৰ মানুহৰ মাজত আন্তৰ্জাতিক বুজাপৰা, ভাতৃত্ববোধ আৰু বিশ্বনাগৰিকত্বৰ ধাৰণা শক্তিশালী ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত সহায় কৰে।
- গোলকীকৰণ প্ৰক্ৰিয়াই "গোলকীয় গাঁও" (Global Village) ৰ ধাৰণাটো দাঙি ধৰিছে। সময়ৰ পৰিৱৰ্তনীয় স্ৰোত আৰু যোগাযোগ প্ৰযুক্তিৰ অগ্ৰগতিয়ে গোলকীয় গাওঁৰ বাসিন্দা হিচাপে বিশ্ব নাগৰিকত্ব আৰু ভাতৃত্ববোধৰ নব্য ধাৰণাটোৰ দ্বাৰা ভৌগলিক আৰু সাংস্কৃতিক দূৰত্ব হ্ৰাস কৰে।



জানি থোৱা ভাল

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আগ্ৰাসন আৰু সম্প্ৰসাৰণ, যোগাযোগৰ সহজ আৰু ক্ষীপ্ৰতৰ মাধ্যমসমূহৰ প্ৰয়োগ, জ্ঞানৰ বিস্ফোৰণ আৰু একত্ৰীকৰণে ক্ৰমশঃ ভৌগোলিক পৰিসীমাবোৰ নোহোৱা কৰি পৃথিৱীখনক এখন ক্ষুদ্ৰ গাৱঁলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াস কৰিছে। ১৯৬০ চনত, Marshal Mcluhan এ তেওঁৰ "Exploration in communication" নামৰ কিতাপখনৰ মাধ্যমেৰে গোলকীয় গাৱঁৰ ধাৰণাটো আগবঢ়ায়। সম্প্ৰতি বিশ্বত এই ধাৰণাটো বিশেষভাৱে বিবেচনাযোগ্য। গোলকীকৰণৰ মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ দেশসমূহৰ মাজত গভীৰ বুজাপৰা আৰু বন্ধুত্বসূলভ মনোভাবেৰে মানুহৰ মাজত বিশ্ব নাগৰিকৰ চেতনা জাগ্ৰত কৰি তোলা। ইয়ে সমগ্ৰ মানুহৰ মাজত সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিব বুলি দৃঢ় বিশ্বাস। পৃথিৱীৰ যিবোৰ দেশে গোলকীয় গাৱঁৰ ধাৰণাটো

আকোৱালি লৈছে, সেইবোৰ দেশে মানৱ কল্যাণৰ উমৈহতীয়া লক্ষ্য বাস্তৱায়ণৰ বাবে মূলধন আৰু বিত্তীয় বজাৰ, আমদানি-ৰপ্তানিৰ উদাৰীক�ৰণ নীতি আদিৰ ক্ষেত্ৰত সহায়ক কেতবোৰ নব্য প্ৰমূল্যৰ ওপৰত বিশেষভাৱে জোৰ দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ পশ্চিমীয়াকৰণৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

.....

৫.৭.১ গোলকীকৰণ আৰু শিক্ষা

পৰিৱৰ্তনীয় শৈক্ষিক জগতখনত গোলকীকৰণৰ ধাৰণাই আধিপত্য বিস্তাৰ কৰিবলৈ বহুলাংশে সক্ষম হৈছে। মানৱ কল্যাণৰ উন্নয়ণৰ হকে বিকাশমূলক প্ৰতিটো দিশকে সুচিন্তিতভাৱে প্ৰয়োগ কৰিবলৈ উপযুক্ত কাৰ্যক্ষম শিক্ষা হৈছে মূল হাতোৰা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, যোগাযোগ আৰু প্ৰচাৰ মাধ্যমৰ সূচলতা, মূলধন আৰু বিনিয়োগ ব্যৱস্থাৰ সংস্কাৰ সাধন, অৰ্থনৈতিক ক্ষেত্ৰত গ্ৰহণ কৰা উদাৰীকৰণৰ নীতি আদিৰ উচিত মূল্যায়ন সম্ভৱ তেতিয়াহে হ'ব যেতিয়া জনসাধাৰণৰ মাজত প্ৰকৃত শিক্ষাৰ প্ৰয়োগ হয়। ভাৰত চৰকাৰে ইতিমধ্যে দেশৰ অৰ্থনৈতিক সংস্কাৰ কৰি উন্নয়ণৰ পথ সুগম কৰাৰ প্ৰত্যাশাৰে গোলকীকৰণৰ স্ৰোতত মিলিত হৈ পৰিছে।

GSTS ৰ দ্বাৰা স্বীকৃত আন্তৰ্জাতিক বাণিজ্য সম্বন্ধীয় পৰিসেৱামূলক খণ্ডই প্ৰতিখন দেশৰ ৰাজহুৱা শিক্ষা সেৱাক অন্তৰ্ভুক্ত কৰি লৈছে। ইয়াৰ ভিতৰত উচ্চ শিক্ষাও অন্তৰ্ভুক্ত। উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ ক্ষেত্ৰত বিশেষকৈ শিক্ষা সেৱাৰ আমদানি-ৰপ্তানিৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছে। বিশ্ব বাণিজ্য সংস্থাৰ অন্তৰ্ভুক্ত সদস্য দেশসমূহে অইন সদস্য দেশলৈ ছাত্ৰ আৰু শিক্ষক প্ৰেৰণ কৰিব পাৰিব। একেদৰে সদস্য ৰাষ্ট্ৰৰ মাজত ইণ্টাৰনেট, ছপা মাধ্যম আৰু বৈদ্যুতিক মাধ্যমত শিক্ষা সেৱাৰ ৰপ্তানি কৰিব পাৰিব আৰু সদস্য দেশত শিক্ষা সেৱা যোগান বা ৰপ্তানিৰ বাবে বাণিজ্যিক কেন্দ্ৰ স্থাপন কৰিব পাৰিব। শিক্ষাৰ বাণিজ্যিকীকৰণে সম অধিকাৰ আৰু সুবিধাৰ সমবিতৰণৰ ক্ষেত্ৰত এক বিৰাট প্ৰত্যাহ্বান হিচাপে থিয় দিছে। তদুপৰি বিশ্বায়নে শিক্ষাৰ ক্ষেত্ৰলৈ প্ৰতিযোগিতামূলক ব্যক্তিগতকৰণৰ ধাৰণাটো আমন্ত্ৰণ কৰিছে। অৱশ্যে শৈক্ষিক ক্ষেত্ৰত আন্তৰাষ্ট্ৰীয় দৃষ্টিভংগীক অগ্ৰাধিকাৰ দিয়া হৈছে যদিও দেশীয় পৰম্পৰা আৰু কলা সংস্কৃতিৰ ভিত্তিত জাতীয় জীৱনৰ স্বাৰ্থক শিক্ষা নীতিৰে ৰক্ষণাবেক্ষণ দিব পাৰিব লাগিব। এক জাতীয় শৈক্ষিক নীতি হিচাপে শিক্ষাৰ মাধ্যমেৰে নাগৰিকসকলৰ ব্যক্তিত্বত জাতীয় আদৰ্শ,

প্ৰমূল্য আদি এনেভাবে ৰোপন কৰিব লাগে যাতে তেওঁলোকে উপযুক্তভাৱে সময়ৰ প্ৰত্যাহ্বানবোৰৰ সৈতে মোকাবিলা কৰিব পাৰে।

এখন কল্যাণকামী ৰাষ্ট্ৰত জাতীয় শিক্ষানীতি এনেভাৱে প্ৰস্তুত কৰিব লাগে যাতে সেই শিক্ষা নীতিয়ে নাগৰিকসকলক জাতীয় আদৰ্শ বাহাল ৰখাত নৈতিক নিৰাপত্তা প্ৰদান কৰাৰ লগতে বিশ্বভাতৃত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব পৰা গুণৰোৰো তেওঁলোকৰ ব্যক্তিত্বত বিকশিত কৰি তুলিব পাৰে।

পাঠ্যক্ৰম আৰু শিক্ষক প্ৰশিক্ষণ ঃ

গোলকীকৰণৰ আগ্ৰাসনে শৈক্ষিক জগতখনলৈ কঢ়িয়াই অনা প্ৰত্যাহ্বানবোৰৰ লগত যাতে শিক্ষাৰ্থীসকলে অধিক আত্মবিশ্বাসেৰে মুখামুখী হ'ব পাৰে এনেধৰণৰ দৃষ্টিভংগী গঢ়ি তুলিব পৰা ধৰনে পাঠ্যক্ৰম প্ৰণয়ন হোৱাটো বাঞ্ছনীয়। এই বিষয়ে শিক্ষাবিদসকলেও চিন্তা-চৰ্চা আৰম্ভ কৰিছে। শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য, পাঠ্যক্ৰম, শিক্ষক প্ৰশিক্ষণ আদিও সময়ৰ লগত খাপ খুৱাব পৰাকৈ নতুনকৈ মূল্যাংকণ কৰাৰ প্ৰয়োজন আহি পৰিছে। ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ চাহিদা তৃপ্ত কৰাৰ উপৰিও শিক্ষক আৰু শিক্ষাৰ্থীসকলক নতুন প্ৰমূল্যসমূহৰ লগত সমাযোজিত কৰিব পৰা ধৰনৰ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ দিশত বিশেষভাৱে পৰ্যালোচনা কৰা হৈছে। এনে এক প্ৰেক্ষাপটত Jacques Delors-ৰ অধ্যক্ষতাত ১৯৯৩ চনত গঠন কৰা আন্তঃৰাষ্ট্ৰীয় শিক্ষা আয়োগে ১৯৯৬ চনত দাখিল কৰা প্ৰতিবেদনত শিক্ষাৰ চাৰিটা অতি তাৎপৰ্যপূৰ্ণ দিশৰ কথা উল্লেখ কৰে। সেইকেইটা হ'ল — জানিবৰ বাবে শিক্ষা গ্ৰহণ, কৰ্ম সক্ষমতা অৰ্জনৰ হেতু শিকা, একেলগে বসবাস কৰিবৰ বাবে শিক্ষাগ্ৰহণ আৰু সামগ্ৰীক ৰূপত বিকশিত হ'বলৈ বা 'সম্পূৰ্ণ ব্যক্তি' হ'বলৈ শিক্ষা গ্ৰহণ। এই আয়োগ অনুসৰি ভৱিষ্যতে লিখিব পঢ়িব নজনা লোকক নিৰক্ষৰ বুলি কোৱাৰ পৰিৱৰ্তে যিয়ে কেনেকৈ শিকিব লাগে আৰু কি বিষয় শিকিব লাগে, সেয়া নাজানে সেইজনকে নিৰক্ষৰ আখ্যা দিয়া হ'ব। ক্ৰিয়াত্মক সাক্ষৰতাক অগ্ৰাধিকাৰ দিয়া হ'ব। শিক্ষাক এক জীৱনব্যাপি চলা প্ৰক্ৰিয়া হিচাপে গণ্য কৰাৰ লগে লগে আনুষ্ঠানিক শিক্ষাৰ লগতে যোগাযোগ পাঠ্যক্ৰমৰ দ্বাৰা প্ৰেৰিত দূৰ শিক্ষাই সমানে গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে আৰু এই শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত থকা নমনীয়তাৰ নীতিয়ে ইয়াৰ জনপ্ৰিয়তা বহু পৰিমাণে বৃদ্ধি কৰিছে। শিক্ষাৰ্থীসকলে ভৱিষ্যত জীৱনৰ লক্ষ্যত উপনীত হবলৈ পাঠ্যক্ৰম ব্যৱহাৰিক জীৱনৰ প্ৰয়োজনকেন্দ্ৰীক হ'ব লাগে। একেদৰে পাঠ্যক্ৰমে জাতীয় পৰম্পৰা, ঐতিহ্য, সাহিত্য, সংস্কৃতি আৰু মানৱীয় প্ৰমূল্যসমূহৰ জ্ঞান প্ৰদান কৰিব লাগে। শিক্ষাৰ ক্ষেত্ৰত এনেধৰণৰ সংস্কাৰমূলক পৰিৱৰ্তনে উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দাবী কৰে। আজিৰ এই বিশ্বায়নৰ যুগত জ্ঞানৰ বিস্ফোৰণ, যোগাযোগ ব্যৱস্থা আৰু প্ৰচাৰ মাধ্যমসমূহৰ উন্নতি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নিত্য নতুন আৱিষ্কাৰ আদিৰ লগত প্ৰতিজন শিক্ষক জৰিত হোৱাটো উচিত। সেইবাবে কম্পিউটাৰ শিক্ষা, মনোবিজ্ঞান, সমাজ বিজ্ঞান, অৰ্থনীতি বিজ্ঞান,

ৰাজনীতি বিজ্ঞান, গণিত আৰু পৰিসংখ্যা বিজ্ঞান শিক্ষক প্ৰশিক্ষণৰ পাঠ্যক্ৰমৰ পৰিধিভুক্ত হব লাগে। শিক্ষকসকলক পৰম্পৰাগত শিকন পদ্ধতিসমূহৰ উপৰিও নতুন নতুন পদ্ধতি আৰু কৌশলসমূহৰ প্ৰশিক্ষণ দিব লাগে। বিশ্বায়নৰ যুগত শিক্ষাৰ ভূমিকা সীমাহীন। পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ শিক্ষক প্ৰশিক্ষণৰ কাৰ্যসূচীৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়াৰ প্ৰয়োজন।

সেয়েহে পৰৱৰ্তিত পৰিস্থিতিত শিক্ষণ-শিকন প্ৰক্ৰিয়াক অধিক সফল কৰি তুলিবৰ বাবে উপযুক্ত পাঠ্যক্ৰম, শৈক্ষিক পৰিৱেশ আৰু সুবিধা, দক্ষতাপূৰ্ণ শৈক্ষিক পৰিচালনা, ভৌতিক, কাৰিকৰী আৰু শৈক্ষিক আন্তঃগাথঁনিৰ উন্নিতকৰণ, উপযুক্ত অনুশাসন আদিৰ লগতে প্ৰয়োজন হ'ব নিষ্ঠাবান ছাত্ৰৰ।

৫.৭.২ গোলকীকৰণৰ কাৰণ

গোলকীকৰণৰ উৎপত্তিৰ উৎস সন্দৰ্ভত ভিন্ন দৃষ্টিভংগী বিৰাজমান। কিছুমান হ'ল—

- **বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতি** ঃ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিক বিশ্বায়ন প্ৰক্ৰিয়াৰ মূল চালিকা শক্তি হিচাপে চিহ্নিত কৰা হৈছে। এই অগ্ৰগতিয়ে সমগ্ৰ বিশ্বৰে ভৌগোলিক ব্যৱধান হ্ৰাস কৰি আৰু ন ন আৱিষ্কাৰেৰে বিশ্ববাসীক নতুন চিন্তাধাৰা, নতুন মূল্যবোধেৰে জীৱনটোক পুনঃ মূল্যায়ণ কৰাত সহায় কৰে।
- **অৰ্থনৈতিক সংস্কাৰ** ঃ অৰ্থনৈতিক সংস্কাৰ গোলকীকৰণৰ আন এক কাৰণ। সমগ্ৰ বিশ্বতে আৰ্থ-সামাজিক পৰিৱৰ্তনৰ এক জাগৰণ কামনা কৰা হৈছিল। Dunkel ৰ প্ৰস্তাৱ অনুযায়ী বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰখনত বিশ্ব বাণিজ্য সংস্থাৰ (WTO) জন্ম হয়। বিশ্ব বেপাৰ বাণিজ্য-ক্ষেত্ৰৰ সৰ্বোচ্চ শক্তিশালী সংস্থা হোৱা বাবে প্ৰতিখন সদস্য ৰাষ্ট্ৰই ইয়াৰ নিৰ্দেশ অনুযায়ী কম কৰিবলৈ বাধ্য।
- **পুঁজিবাদী দেশসমূহৰ গুপুত অভিপ্ৰায়** ঃ মাৰ্কিন যুক্তৰাষ্ট্ৰকে আদি কৰি কেইখনমান উন্নত ইউৰোপীয় দেশে আকস্মিক বিপৰ্যয়ৰ পৰা উদ্ধাৰ পোৱাৰ অভিপ্ৰায়েৰে গোলকীকৰণৰ ধাৰণা প্ৰচলন কৰে। তেওঁলোকে পণ্য আৰু পুঁজিৰ বজাৰখন মুক্ত কৰাৰ নামত এহাতে বজাৰখনৰ সম্প্ৰসাৰণ ঘটাই গোটেই বিশ্বতে নিজৰ অৰ্থনৈতিক প্ৰভাৱ বিস্তাৰ কৰে আৰু আনহাতে নিজৰ দেশসমূহক আৰ্থিক সংকটৰ পৰা মুক্ত কৰাৰ চেষ্টা চলায়।
- **পৰিবহণ আৰু ভ্ৰমন ব্যৱস্থাৰ উন্নতি** ঃ পৰিবহন ব্যৱস্থাৰ দ্ৰুত অগ্ৰগতিয়ে সমগ্ৰ বিশ্বতে ব্যৱসায় বাণিজ্য, প্ৰব্ৰজন আৰু মানৱ গতিশীলতাৰ ধাৰণাক উৎসাহিত কৰে। ফলস্বৰূপে, দেশসমূহৰ মাজত সামগ্ৰীৰ আদান-প্ৰদান, ভিছা, পাছপৰ্ট আদিৰ আয়ত্তকৰণ আৰু নৱীকৰণ আদি পূৰ্বৰ তুলনাত অধিক সহজ হৈ উঠিছে।
- **যোগাযোগৰ দ্ৰুত মাধ্যমসমূহ** ঃ মিতব্যয়ী, আৰু সহজলভ্য যোগাযোগ আৰু

পৰিবহণ ব্যৱস্থাৰ মাধ্যমসমূহৰ দ্বাৰা বিশ্বৰ বিভিন্ন অংশলৈ সামগ্ৰীৰ আমদানি ৰপ্তানি সহজ হৈ পৰিছে। মুষ্টিমেয় কিছুসংখ্যক দেশ ব্যতিৰেকে গোটেই বিশ্বকে বিকাশৰ এই লহৰে ফলদায়কভাৱে স্পৰ্শ কৰিছে।

- **তথ্য-প্ৰযুক্তিখণ্ডৰ উন্নতি** ঃ তথ্য আৰু যোগাযোগ প্ৰযুক্তি ব্যৱস্থাৰ দ্ৰুত উন্নতিয়ে বিশ্বৰ এটা মূৰৰ পৰা আন এটা মূৰলৈ কম খৰছ আৰু কম সময়তে তথ্যৰ আদান-প্ৰদান সম্ভৱ কৰি তুলিছে। কম্পিউটাৰ, মোবাইল, ইণ্টাৰনেট, ই-মেইল, ভিডিঅ' কনফাৰেন্সিং আদিয়ে ক্ষীপ্ৰ সংবাদ প্ৰেৰণত সফল ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। সেয়েহে, বৰ্তমান বিশ্বক ভিন্ন ৰাষ্ট্ৰৰ পৰিৱৰ্তে একক ৰাষ্ট্ৰ হিচাপেহে বিবেচনা কৰা হয়।
- **বিশ্ব ভাতৃত্বৰ প্ৰতি সন্মান** ঃ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদানস্বৰূপে যোগাযোগৰ ক্ষীপ্ৰ মাধ্যমসমূহে দেশবোৰৰ মাজত থকা ভৌগোলিক দূৰত্ব অপসাৰণ কৰি গোটেই পৃথিৱীকে একেখন মঞ্চত থিয় কৰায়, য'ত মানৱতাৰ উমৈহতীয়া কল্যাণৰ হকে পৃথিৱীয়ে সন্মুখীন হোৱা সমস্যাসমূহ সমাধান কৰা হয়। বিশ্ব ভাতৃত্বৰ এনে এক চেতনাই বিশ্ব নাগৰিকৰ ধাৰণাক জন্ম দিয়ে।

৫.৭.৩ ভাৰতবৰ্ষত বিশ্বায়নৰ প্ৰভাৱ

প্ৰত্যেক বিষয়ৰে ভাল আৰু বেয়া দুটা দিশ থাকে। এয়া বিশ্বায়নৰ ক্ষেত্ৰতো প্ৰযোজ্য। অৱশ্যে বিশ্বায়নৰ প্ৰভাৱ চহৰ আৰু নগৰবোৰত অধিক দৃশ্যমান কিন্তু গ্ৰাম্যঞ্চলবোৰ বৰ্তমানেও স্বাস্থ্য, শিক্ষা, যাতায়ত, বসতি আৰু কৃষি ব্যৱস্থা আদিৰ আন্তঃগাঁঠনিৰ দিশত চহৰ আৰু নগৰবোৰৰ পৰা বহু নিলগত। তথ্য প্ৰযুক্তি, যোগাযোগ আৰু যাতায়ত ব্যৱস্থা ইত্যাদি ক্ষেত্ৰত হোৱা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে বৰ্তমানেও বহুসংখ্যক গ্ৰাম্যাঞ্চলক স্পৰ্শ কৰিবলৈ বাকী।

- **জীৱন ধাৰণৰ মানদণ্ডৰ উন্নতি** ঃ ভাৰত চৰকাৰৰ অৰ্থনৈতিক নীতি বাস্তৱায়ণৰ পৰিণাম ৰূপে দেশে অনেক অৰ্থনৈতিক সংস্কাৰ আৰু উন্নয়ণ অনুসৰণ কৰিছে। অৰ্থনৈতিক উন্নয়ণৰ হাৰ বৃদ্ধিৰ ফলস্বৰূপে দেশত স্বাস্থ্য পৰিসেৱা সুবিধা, নিযুক্তিৰ সুবিধা, তথ্য প্ৰযুক্তিৰ বিকাশ, জনমূৰি আয় আৰু মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি হোৱাটো দৃষ্টিগোচৰ হৈছে। সামগ্ৰীকভাৱে অৰ্থনৈতিক উন্নয়ণ উৰ্ধগামী হৈছে। এই সকলোবোৰৰ সামূহিক প্ৰভাৱে আকৌ ভাৰতীয় মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাত সহায়ক হৈ পৰিছে।
- **নতুন নতুন ক্ষেত্ৰত সুনিৰ্দিষ্ট উদ্যোগ স্থাপন আৰু কৰ্ম-সংস্থাপনৰ সুবিধা** ঃ বিশ্বায়নৰ ফলত ভাৰতত ন ন উদ্যোগ স্থাপন হৈছে আৰু চাহিদা অনুসৰি উৎপাদনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বিভিন্ন ক্ষেত্ৰত যেনে — তথ্য-প্ৰযুক্তি খণ্ডত, স্বাস্থ্য সম্পৰ্কীয় সা-সঁজুলি আৰু ঔষধ পাতি উৎপাদনৰ ক্ষেত্ৰত, সুস্বাস্থ্যকৰ আৰু সৌন্দৰ্যবৰ্ধক

সামগ্ৰীক উৎপাদন কৰা উদ্যোগ ভাৰতবৰ্ষত যথেষ্ট বৃদ্ধি পাইছে। এই উদ্যোগসমূহৰ গুণগত মান বাহাল ৰখাৰ বাবে দক্ষতাপূৰ্ণ অভিজ্ঞ কৰ্মচাৰী প্ৰয়োজন। নিযুক্তিৰ ক্ষেত্ৰত এই সুবিধাসমূহে ভাৰতবৰ্ষত শিক্ষিত নিবনুৱাৰ সমস্যা কমাই আনিছে। এই উদ্যোগসমূহত বিভিন্ন ধৰণৰ কাম থকাৰ বাবে দক্ষতাহীন ব্যক্তিয়েও নিযুক্তিৰ সুবিধা পাইছে।

- **উন্নয়ণৰ বাবে চৰকাৰী প্ৰচেষ্টা** ঃ বিশ্বায়নৰ ফলত অৰ্থনৈতিক উন্নতিৰ ধাৰা প্ৰৱাহিত কৰিবৰ বাবে চৰকাৰে বিভিন্ন পৰিকল্পনা আৰু কৌশল ৰচনা কৰি কাৰ্যকৰী কৰিছে। ভাৰতত আৰম্ভ হোৱা এনে কিছুমান আঁচনি হ'ল — প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ যোজনা (Prime Minister's Rojgar Yojana) মুখ্যমন্ত্ৰীৰ ৰোজগাৰ যোজনা (Chief Minister's Rojgar Yojana), ইন্দিৰা আৱাস যোজনা, (Indira Awas Yojana) প্ৰধানমন্ত্ৰীৰ গ্ৰামীন চড়ক যোজনা (Pradhan Mantri Gram Sadak Yojana) ইত্যাদি। এই আঁচনিবোৰ বাস্তৱায়নৰ জৰিয়তে নগৰ আৰু গাঁৱৰ উন্নয়ণৰ বৈষম্য দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে।
- **অৰ্থনৈতিক ক্ষেত্ৰত** ঃ গোলকীকৰণে ভাৰতীয় অৰ্থনীতিক যথেষ্ট প্ৰভাৱিত কৰিছে। গোলকীকৰণৰ ফলস্বৰূপে ভাৰত চৰকাৰে অৰ্থনৈতিক সংস্কাৰ ব্যৱস্থা গ্ৰহণ কৰে। এনেধৰণৰ সংস্কাৰে বহুৰাষ্ট্ৰীয় কোম্পানীবোৰক ভাৰতত বিনিয়োগ আৰু তেওঁলোকৰ কাৰ্য্যালয় স্থাপন কৰিবলৈ দুৱাৰ মুকলি কৰি দিয়ে। মুক্ত বজাৰ ব্যৱস্থাত ভাৰতীয় অৰ্থনীতিয়ে গোলকীয় চাহিদা অনুসৰি উৎপাদন বৃদ্ধি কৰিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰিছে। গোলকীকৰণৰ ফলত ভাৰতত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ১৯৯০-৯১ চনত শতকৰা ৫.৬ শতাংশৰ বিপৰীতে ১৯৯৬-৯৭ চনত শতকাৰা ৭.৭৮ শতাংশলৈ বৃদ্ধি পাইছিল। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ আৰু সমস্যা থকা সত্বেও ভাৰতীয় অৰ্থনীতিয়ে মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৫ ৰ পৰা ৬ শতাংশৰ মাজত ৰাখিবলৈ চেষ্টা কৰিছে। আশা কৰা হৈছে ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ হাৰ বছৰি ৬ ৰ পৰা ৭ শতাংশলৈ বৃদ্ধি পাব।
- **শিক্ষাৰ ক্ষেত্ৰত** ঃ শিক্ষা ক্ষেত্ৰত গোলকীকৰণৰ প্ৰভাব যথেষ্ট। শিক্ষাক্ষেত্ৰত নতুন কৌশল আৰু সঁজুলিসমূহৰ পয়োভৰ দেখা যায়। উদাহৰণস্বৰূপে ই শিকন, নমনীয় শিকন, অন-লাইন পৰীক্ষা, ই-পুথিভঁৰাল, ই-জার্নেল ইত্যাদি। বিশ্বায়ণৰ ফলস্বৰূপে ভাৰতীয় শিক্ষাৰ উন্নত প্ৰযুক্তিবিদ্যাৰে আন্তঃগাঁঠনিৰ প্ৰয়োজন ভিত্তিক সংস্কাৰ, পাঠ্যক্ৰম সংস্কাৰ, পৰীক্ষা আৰু মূল্যায়ণ পদ্ধতিৰ সংস্কাৰ, শিক্ষক প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিয়া পৰিলক্ষিত হয়। শিক্ষকতা বৃত্তিৰ প্ৰতিও গোলকীকৰণে ব্যাপক প্ৰত্যহ্বান কঢ়িয়াই আনিছে। জীৱনব্যাপী চলা শিক্ষাদান বৃত্তিটো এতিয়া বছৰেকীয়া চুক্তি বা দক্ষতা-ভিত্তিক বৃত্তিলৈ পৰিবৰ্ত্তিত হৈছে। শিক্ষাৰ্থীৰ মতামত আৰু প্ৰতিপুষ্টিৰ প্ৰতিবেদনৰ (Feedback) ওপৰত শিক্ষকসকলৰ চাকৰিৰ স্থায়িত্ব নিৰ্ভৰ কৰিবলৈ

আৰম্ভ কৰিছে।

গোলকীকৰণৰ প্ৰভাৱৰ পৰিণতিত সম্প্ৰতি শিক্ষা ব্যৱস্থাত তথ্য প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰ, শিক্ষাত উৎপাদনশীলতা আৰু গৱেষণামূলক কাৰ্যক অগ্ৰাধিকাৰ দিয়া হয়। ইয়াৰ ফলশ্ৰুতিত ভাৰতীয় শিক্ষাৰ্থীয়ে গোলকীয় পৰ্যায়ত নিজৰ বৌদ্ধিক সক্ষমতা দেখুৱাবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে — IIT (Indian Institute of Technology) আৰু IIM (Indian Institute of Management) আদিয়ে আন্তৰ্জাতিক পৰ্যায়ত পাৰদৰ্শিতা দেখুওৱাব পৰাধৰণৰ শিক্ষাৰ্থী তৈয়াৰ কৰি তুলিবলৈ সক্ষম হৈছে। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে অধিক সা-সুবিধা প্ৰদানেৰে আন্তৰ্জাতিক মানদণ্ডৰ শিক্ষা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰিছে।

- **কৃষি ক্ষেত্ৰত** ঃ গোলকীকৰণে কৃষি আৰু উদ্যোগক্ষেত্ৰক গভীৰভাৱে প্ৰভাৱিত কৰে। এই দুয়োটা ক্ষেত্ৰতে কৰ্ম নিযুক্তিৰ সুবিধা যথেষ্ট হাৰত বৃদ্ধি হৈছে। উদ্যোগ ক্ষেত্ৰই ঘৰুৱা উৎপাদনলৈ আগবঢ়োৱা অৱদান ২৯% য'ত কৃষি ক্ষেত্ৰই আগবঢ়োৱা অৱদান হ'ল ১৭%। ভাৰতত উৎপাদিত চাহ, কপাহ, মৰাপাট, কুঁহিয়াৰ, ঘেঁহু, উন্নতমানৰ চাউল আদিৰ চাহিদা আন্তৰ্জাতিক বজাৰত যথেষ্ট বৃদ্ধি পাইছে। বৰ্তমান বিশ্ব বজাৰত জৈৱিক কৃষি অৰ্থাৎ ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য ব্যৱহাৰ নকৰাকৈ কৰা খেতিৰ উৎপাদিত সামগ্ৰীৰ চাহিদা বহুলাংশে বৃদ্ধি পাইছে। সেই হেতুকে ভাৰতত বিভিন্ন ক্ষেত্ৰত জৈৱিক কৃষিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।
- **সেৱা ক্ষেত্ৰত** ঃ সেৱা ক্ষেত্ৰত গোলকীকৰণৰ ইতিবাচক প্ৰভাৱ লক্ষ্যণীয়। সেৱা খণ্ডই মুঠ ঘৰুৱা উৎপাদনলৈ আগবঢ়োৱা অৱদান প্ৰায় ৫৪%। এই খণ্ডত যথেষ্ট কৰ্ম নিযুক্তিৰ সুবিধা সৃষ্টি কৰি দেশৰ আৰ্থ সামাজিক উন্নয়ণত সহায় কৰে। গোলকীকৰণে ভাৰতত স্বাস্থ্যসেৱা, ডাকসেৱা, বিত্তীয় সেৱা, দূৰ সংযোগ সেৱা আদিৰ দিশত লক্ষণীয় পৰিৱৰ্তন সাধন কৰিছে। বৰ্তমান ভাৰতবৰ্ষৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত নতুন নতুন উন্নত প্ৰযুক্তি বিদ্যাৰে নিৰ্মিত চিকিৎসা বিজ্ঞানৰ বাবে প্ৰয়োজনীয় যন্ত্ৰ পাতি, ঔষধ, অস্ত্ৰোপ্ৰচাৰ কক্ষ, ভ্ৰাম্যমান চিকিৎসা সেৱা (Mobile Medical Service) এম্বুলেন্সৰ উপৰিও টেলি মেডিচিনে এজন ৰোগীক বিশ্বৰ যিকোনো প্ৰান্তৰ ৰোগ বিশেষজ্ঞৰ লগত বাৰ্তালাপ কৰিবলৈ অথবা দিহা পৰামৰ্শ লোৱা প্ৰক্ৰিয়া সম্ভৱ কৰি তুলিছে। জিন থেৰাপিৰ জৰিয়তে বৰ্তমান বিসংগতি পূৰ্ণ জিনৰ চিকিৎসা সম্ভৱ হৈ উঠিছে। ভাৰতত মিতব্যয়ীভাৱে উন্নতমানৰ চিকিৎসা সেৱা গ্ৰহণ কৰিবলৈ পৃথিৱীৰ যিকোনো অঞ্চলৰ পৰা মানুহৰ আগমণ ঘটিছে। বৰ্তমান ভাৰতবৰ্ষত ডাকসেৱা পূৰ্বৰ তুলনাত যথেষ্ট উন্নত হৈছে। কম সময়তে আৰু কম খৰছতে চিঠি-পত্ৰ, পাৰ্ছেল বা বস্তুৰ আদান-প্ৰদান, তৎকালীন ডাকযোগে পইছা পঠিওৱা সম্ভৱ হৈ উঠিছে। বেংক সেৱাই এ.টি. এম ব্যৱস্থা, নেট বেংকিং, টেলি বেংকিং, গোলকীয়

বেংকিং, ই-বেংকিং, কাকতবিহীন লেন-দেন ব্যৱস্থা আদিৰ সুবিধা গঢ়ি তুলিছে। একেদৰে মোবাইলফোন টেলিকনফাৰেন্সিং, ভিডিঅ' কনফাৰেন্সিং আদিৰ বহুল ব্যৱহাৰে যোগাযোগ ব্যৱস্থাৰ যথেষ্ট উন্নতি সাধন কৰিছে।

- **সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত** ঃ ভাৰতবৰ্ষৰ সামাজিক আৰু সাংস্কৃতিক জগতখনকো গোলকীকৰণে প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছে। পৰিৱৰ্তনবোৰ ভাৰতীয় পৰম্পৰা, ৰীতি-নীতি, বিশ্বাস, সাজ-পোছাক, উৎসৱ-পাৰ্বন, বিবাহ আৰু আন কোনো অনুষ্ঠান, পৰিয়ালৰ গাঁথনি আৰু সম্পৰ্কতো সংঘটিত হৈছে। পৰিৱৰ্তনৰ ঢৌৱে পৰম্পৰাগত ভাৰতীয় ৰুচিবোধ, সংগীত, নৃত্য, অভিনয় আদিৰ দৰে সাংস্কৃতিক প্ৰমূল্যসমূহক চুই গৈছে। অৱশ্যে গোলকীকৰণৰ নামত হোৱা পাশ্চাত্যৰ অন্ধ অনুকৰণে ভাৰতীয় সভ্যতা সংস্কৃতিৰ ঐতিহ্য ৰক্ষা কৰাত বহু পৰিমাণে প্ৰতিবন্ধকতাৰ সৃষ্টিও কৰিছে।

৫.৭.৪ গোলকীকৰণৰ সমালোচনাত্মক বিশ্লেষণ

গোলকীকৰণৰ সপক্ষে ঃ থমাছ ফ্ৰেইডমেন (Thomas Friedman) আৰু আন বহুতো সমালোচকৰ মতে গোলকীকৰণে এহাতে মানুহক মানুহৰ ওচৰ চপাই আন্তৰ্জাতিক মিত্ৰতা আৰু সংহতিত সহায় কৰিছে আৰু আনহাতে তেওঁলোকৰ স্থানীয় সংস্কৃতি পৰিহাৰ নকৰাকৈয়ে অৰ্থনৈতিক উন্নতি সাধন কৰাত গোলকীকৰণ সহায়ক হৈছে।

তেওঁলোকৰ দৃষ্টিভংগীত গোলকীকৰণে বিশ্বত যুদ্ধ বিগ্ৰহৰ পৰিমাণ হ্ৰাস কৰিবলৈ সক্ষম হৈছে। কিয়নো যুদ্ধ বিগ্ৰহ হ'ল ব্যৱসায়-বাণিজ্যৰ দিশত হেঙাৰস্বৰূপ।

তেওঁলোকৰ দৃষ্টিভংগী অনুযায়ী গোলকীকৰণে দুখীয়া দেশসমূহক অৰ্থনৈতিকভাৱে সহায় কৰে। বিশ্ববেংকৰ এক সমীক্ষা মতে, গোলকীকৰণৰ ফলত ভাৰতবৰ্ষ আৰু ইণ্ডোনেছিয়াৰ দৰিদ্ৰতাৰ পৰিমাণ হ্ৰাস পাই আধা হৈছে আৰু দুখীয়া দেশবোৰৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হৈছে।

গোলকীকৰণৰ বিপক্ষে ঃ নোম চোম্চকি (Noam Chomsky) আৰু আন কিছুমান সমালোচকে গোলকীকৰণৰ বিৰুদ্ধে মত পোষণ কৰে। তেওঁলোকৰ মতে গোলকীকৰণৰ ফলত ধনীলোকসকল আৰু বেছি ধনী আৰু দুখীয়া লোকসকলৰ অৱস্থা পূৰ্বতকৈও অধিক শোচনীয় হৈ পৰিছে। সেয়েহে সমালোচক সকলে গোলকীকৰণক ঔপনিৱেশিকতাবাদ বা ব্ৰিটিছ সাম্ৰাজ্যবাদৰ দ্বিতীয় সংস্কৰণ বুলিও অভিহিত কৰে। বাণিজ্যিকীকৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ ফলত ভাৰতীয় অৰ্থনীতিত এক কৃত্ৰিম বিকাশেও ভূমুকি মাৰে। নিবনুৱা সমস্যা, ধনী-দুখীয়াৰ ব্যৱধান বৃদ্ধি, বৈষম্যপূৰ্ণ উন্নয়ণ ব্যৱস্থা আদিয়ে ভাৰতৰ সামূহিক বিকাশ প্ৰক্ৰিয়া গোলকীকৰণৰ

পূৰ্বৰ দৰেই বৰ্তমানেও বাধাগ্ৰস্থ।

গোলকীকৰণৰ ফলত আন্তঃৰাষ্ট্ৰীয় মোহৰ থকা বা খ্যাতিসম্পন্ন কোম্পানীবোৰে স্থানীয় কোম্পানীবোৰৰ উৎপাদিত সামগ্ৰীতকৈ আন্তঃৰাষ্ট্ৰীয় বজাৰত অধিক মুনাফা আৰু সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে পানীয়ৰ ক্ষেত্ৰত কোকাকোলা, পেপছি আদিৰ সুনাম আৰু চাহিদাৰ কথা উল্লেখ কৰিব পাৰি।

গোলকীকৰণে জাতীয় সভ্যতা, সংস্কৃতি, বিশ্বাস, পৰম্পৰা, আদৰ্শ আদিত পাশ্চাত্যৰ প্ৰভাৱ, মূল্যবোধ, ৰুচিবোধ, আচাৰ ব্যৱহাৰৰ প্ৰাধান্য বিস্তাৰ কৰাত সহায় কৰে। পাশ্চাত্যৰ অন্ধ অনুকৰণে বহু সময়ত নতুন আৰু পুৰণিৰ মাজত আদৰ্শ ৰক্ষাৰ সংঘাত সৃষ্টি হোৱা পৰিলক্ষিত হয়।

গোলকীকৰণৰ প্ৰতিযোগিতামূলক বাতাবৰণৰ সমাযোজিত হ'ব নোৱাৰি বহু ব্যক্তিয়ে আত্মহত্যাৰ দৰে পথ বাছি লবলৈ এক প্ৰকাৰে বাধ্য হৈ পৰিছে। উদাহৰণস্বৰূপে অন্ধ্ৰপ্ৰদেশত চন্দ্ৰবাবু নাইডুৰ চৰকাৰৰ সময়ত ২২১ জন খেতিয়কে আত্মহত্যা কৰিছিল মূলত গোলকীকৰণৰ ফলত উদ্ভব হোৱা বিপৰ্যয়ৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ গোলকীকৰণৰ দুটা গুৰুত্বপূৰ্ণ কাৰণ উল্লেখ কৰা।

.....



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ডেনিয়েল লার্নাৰৰ মতে আধুনিকীকৰণ হৈছে পৰিৱৰ্তনৰ এনে এক প্ৰক্ৰিয়া য'ত কম উন্নত দেশসমূহে অধিক উন্নত দেশসমূহৰ পৰা জীৱন-যাপনৰ শৈলী, মূল্যবোধকে ধৰি বিভিন্ন বৈশিষ্ট্যসমূহ আহৰণ কৰে। এই প্ৰক্ৰিয়াৰ জৰিয়তে উন্নত দেশসমূহে তেওঁলোকৰ পৰিৱৰ্তন আৰু উন্নয়ণৰ মূল ধাৰণাসমূহ অথবা কৌশলসমূহ কম উন্নত দেশসমূহলৈ প্ৰেৰণ কৰে।
- আধুনিকতাৰ কেতবোৰ বিশেষত্ব হ'ল — অৰ্থনৈতিক আত্ম-নিৰ্ভৰশীলতা, গণতন্ত্ৰক বাস্তৱায়নৰ বাবে সক্ৰিয় ৰাজনৈতিক অংশগ্ৰহণ, ধৰ্মনিৰপেক্ষ আৰু সক্ৰিয় ৰাজনৈতিক অংশগ্ৰহণ, ধৰ্মনিৰপেক্ষ আৰু যুক্তিসংগত সামাজিক মানদণ্ড, সামাজিক গতিশীলতা আৰু সাক্ষৰতাৰ প্ৰসাৰ।
- আধুনিকীকৰণৰ কিছুমান কাৰণ হ'ল — শিক্ষাৰ প্ৰসাৰ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ,

উদ্যোগীকৰণ, নগৰীকৰণ, যোগাযোগ ব্যৱস্থাৰ উন্নতি, নগৰীকৰণ। ধৰ্মনিৰপেক্ষতা; গণতন্ত্ৰৰ প্ৰতি আস্থা আৰু পৰিৱৰ্তনৰ ওপৰত বিশ্বাস।

- ভাৰতত মূলত ব্ৰিটিছসকলৰ নিয়ম কানুন প্ৰচলনৰ পৰাই আধুনিকীকৰণ প্ৰক্ৰিয়াৰ আৰম্ভ হয়। ১৭৬৩ চনত ব্ৰিটিছশাসক সকলে ফৰাছীসকলক পৰাজয় কৰি, বেংগল দখল কৰে, ১৭৬৪ চনত উৰিষ্যা আৰু বিহাৰ ১৭৯৯ চনত মহীশূৰৰ টিপু চুলতানক পৰাজিত কৰে, ১৮১৮ চনত শিখসকলক পৰাজিত কৰি ক্ৰমান্বয়ে সমগ্ৰ ভাৰত ভূমিতে বিজয় যাত্ৰা অব্যাহত ৰাখে।
- আধুনিকীকৰণ হ'ল শিক্ষা,ব্যক্তি আৰু সামাজিক জীৱনৰ জ্ঞান দীপ্তিৰ পৰিণতি। বাস্তৱিকতে ই শিক্ষাৰ কাৰ্য-পৰিণামৰ ফল। শিক্ষাই পুৰুষ আৰু মহিলাৰ এনে এক প্ৰজন্ম তৈয়াৰ কৰিব পাৰে যিয়ে আধুনিকীকৰণৰ ভাৱনাৰ সৈতে গতিবিধি আৰু ব্যৱহাৰৰ ওপৰত আস্থা ৰাখে। ইয়ে এখন সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ সামগ্ৰীক ছবিখন পৰিৱৰ্তন কৰিব পাৰে।
- গোলকীকৰণ মানে হ'ল আন্তঃৰাষ্ট্ৰীয় সংহতি, বিশেষকৈ বিশ্বৰ দেশমসূহৰ মাজত সংস্কৃতি আৰু অৰ্থনীতিৰ সংহতি। এনেধৰণৰ একতাৰ ফলস্বৰূপে পৃথিৱীৰ দেশসমূহৰ মাজত উৎপাদন আৰু উপাদানসমূহে অবাধে গতি কৰিব পাৰে।
- গোলকীকৰণৰ কিছুমান কাৰণ হ'ল এনেধৰণৰ — বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতি, অৰ্থনৈতিক সংস্কাৰ, পুঁজিবাদী দেশসমূহৰ গুপুত অভিপ্ৰায়, পৰিবহণ আৰু ভ্ৰমণ ব্যৱস্থাৰ উন্নতি, যোগাযোগৰ দ্ৰুত মাধ্যম, তথ্য-প্ৰযুক্তিৰ দ্ৰুত উন্নতি, বিশ্বভাতৃত্বৰ প্ৰতি সন্মান ইত্যাদি।
- ভাৰতত গোলকীকৰণৰ ভাল আৰু বেয়া উভয়ধৰণৰ প্ৰভাৱ বিদ্যামান। অৱশ্যে ইয়াৰ প্ৰভাৱ চহৰ আৰু নগৰবোৰত অধিক কিন্তু গ্ৰাম্যাঞ্চলবোৰ বৰ্তমানেও স্বাস্থ্য, শিক্ষা, যাতায়ত, বসতি আৰু কৃষি আদিৰ আন্তঃগাঁঠনিৰ দিশত চহৰ আৰু নগৰবোৰৰ পৰা বহু নিলগত। তথ্য-প্ৰযুক্তি, যোগাযোগ, যাতায়ত ইত্যাদি ক্ষেত্ৰত হোৱা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে বৰ্তমানেও বহুসংখ্যক গ্ৰাম্যঞ্চলক স্পৰ্শ কৰিবলৈ বাকী।



৫.৯ অধিক জানিবলৈ

1. Aggarwal I.C (2007) Theory and principles of Education. Arya : Vinod Pustak Mandir.
2. Bhatia K.K and Narany C.L (2006). Philosophical and Socialogical Bases of Education. Ludhiana, Tandon Publication.

3. Mathur S.S. (2006) A Sociological Approach to Indian Education. Ayra Vinod Pustak Mandir.

4. Shankar, Rao, C.N. (2012). Principles of Sociology with an Introduction to Social thought, New Delhi : S. Chand & Company Ltd.



৫.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ Rutow and Ward ৰ মতে আধুনিকীকৰণৰ মৌলিক প্ৰক্ৰিয়া হ'ল মানৱ বিষয়সমূহত আধুনিক বিজ্ঞানৰ প্ৰয়োগ।

২ নং প্ৰশ্নৰ উত্তৰঃ 'আধুনিকীকৰণ' শব্দটো পোন প্ৰথমতে ডেনিয়েল লার্ণাৰে (Daniel Lerner) তেখেতৰ মধ্যপ্ৰাচ্যৰ (Middle Eastern) সমাজসমূহৰ অধ্যয়নত উল্লেখ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰঃ উদ্যোগীকৰণক আধুনিকীকৰণৰ এক অন্যতম কাৰণ হিচাপে চিহ্নিত কৰা হয়। নতুন উদ্যোগ প্ৰতিষ্ঠানসমূহৰ প্ৰতিষ্ঠাপণে নিযুক্তিৰ সুবিধা বৃদ্ধি কৰাৰ লগতে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰে।

৪ নং প্ৰশ্নৰ উত্তৰঃ পশ্চিমীয়াকৰণৰ দুটা বৈশিষ্ট্য হ'ল —

- পশ্চিমীয়াকৰণ হ'ল সামাজিক পৰিবৰ্তনৰ এক প্ৰক্ৰিয়া।
- পশ্চিমীয়াকৰণ হ'ল নিজ দেশৰ সংস্কৃতিৰ লগত পশ্চিমীয়া দেশৰ আদৰ্শ, সংস্কৃতি আৰু মূল্যবোধসমূহ আকোৱালি লোৱা।

৫ নং প্ৰশ্নৰ উত্তৰঃ গোলকীকৰণৰ দুটা গুৰুত্বপূৰ্ণ কাৰণ হ'ল — **বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতি ঃ** বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক গোলকীকৰণ প্ৰক্ৰিয়াৰ মূল চালিকা শক্তি হিচাপে চিহ্নিত কৰা হৈছে। ইয়াৰ অগ্ৰগতিয়ে ভৌগোলিক দূৰত্ব আঁতৰায় আৰু নিত্য নতুন আৱিষ্কাৰ সমূহে মানুহক নতুন প্ৰমূল্যৰ সৈতে জীৱনক পুণঃমূল্যায়ণ কৰাত সহায় কৰে।

অৰ্থনৈতিক সংস্কাৰ ঃ অৰ্থনৈতিক সংস্কাৰ গোলকীকৰণৰ আন এক কাৰণ। সমগ্ৰ বিশ্বতে আৰ্থ-সামাজিক পৰিৱৰ্তনৰ এক জাগৰণ কামনা কৰা হৈছিল। Dunkel's ৰ প্ৰস্তাৱ অনুযায়ী বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰখনক সৰ্বোত্তম শক্তিশালী কৰাৰ বাবে বিশ্ব বাণিজ্য সংস্থাৰ জন্ম হয়, প্ৰতিখন সদস্য ৰাষ্ট্ৰই ইয়াৰ নিৰ্দেশ অনুযায়ী কাম কৰিবলৈ বাধ্য।



৫.১১ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ আধুনিকীকৰণ মানে কি?

প্ৰশ্ন নং ২ ঃ পশ্চিমীয়াকৰণ মানে কি বুজা?

প্ৰশ্ন নং ৩ ঃ গোলকীকৰণ মানে কি?

খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ আধুনিকীকৰণ প্ৰক্ৰিয়াক চিনাক্ত কৰিব পৰা বিশেষত্ববোৰ কি কি?

প্ৰশ্ন নং ২ ঃ আধুনিকীকৰণৰ মূল উপাদান সমূহ কি কি?

প্ৰশ্ন নং ৩ ঃ ভাৰতবৰ্ষত আধুনিকীকৰণ প্ৰক্ৰিয়াৰ বিষয়ে লিখা।

প্ৰশ্ন নং ৪ ঃ ভাৰতবৰ্ষত পশ্চিমীয়াকৰণ প্ৰক্ৰিয়াৰ বিষয়ে লিখা।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ আধুনিকীকৰণৰ মূল কাৰণ সমূহ লিখা।

প্ৰশ্ন নং ২ ঃ এখন আধুনিক সমাজৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰা।

প্ৰশ্ন নং ৩ ঃ ভাৰতীয় সমাজত আধুনিকীকৰণৰ প্ৰভাৱৰ বিষয়ে লিখা।

প্ৰশ্ন নং ৪ ঃ আধুনিকীকৰণ প্ৰক্ৰিয়াত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰা।

প্ৰশ্ন নং ৫ ঃ ভাৰতত পশ্চিমীয়াকৰণৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন নং ৬ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাত পশ্চিমীয়াকৰণৰ প্ৰভাৱৰ বিষয়ে লিখা।

প্ৰশ্ন নং ৭ ঃ 'আধুনিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া য'ত কম উন্নত দেশসমূহে অধিক উন্নত দেশ সমূহৰ পৰা কিছুমান বৈশিষ্ট্য আহৰণ কৰে' — ব্যাখ্যা কৰা।

প্ৰশ্ন নং ৮ ঃ ভাৰতবৰ্ষত গোলকীকৰণৰ প্ৰভাৱৰ বিষয়ে লিখা।

*** ***** ***

অধ্যায়-৬ ঃ সামাজিক সংগঠন আৰু বিশৃংখলতা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সামাজিক সংগঠনৰ অর্থ আৰু ধাৰণা

৬.৪ সামাজিক সংগঠনৰ বৈশিষ্ট্যসমূহ

৬.৫ সামাজিক সংগঠনত প্রভাৱ পেলোৱা কাৰকসমূহ

৬.৬ লোকৰীতিৰ অর্থ আৰু সংজ্ঞা

৬.৬.১ লোকৰীতিৰ বৈশিষ্ট্য

৬.৭ লোকাচাৰৰ অর্থ আৰু সংজ্ঞা

৬.৭.১ লোকাচাৰৰ বৈশিষ্ট্য

৬.৮ লোকৰীতি আৰু লোকাচাৰৰ মাজৰ পার্থক্য

৬.৯ লোকৰীতি আৰু লোকাচাৰৰ শৈক্ষিক প্রভাৱ

৬.১০ সামাজিক বিশৃংখলতাৰ অর্থ আৰু সংজ্ঞা

৬.১০.১ সামাজিক বিশৃংখলতাৰ প্রকাৰ

৬.১০.২ সামাজিক বিশৃংখলতা সৃষ্টিৰ কাৰক

৬.১০.৩ সামজিক বিশৃংখলতা আঁতৰোৱাৰ উপায়

৬.১১ সামজিক বিশৃংখলতা ৰোধ আৰু নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা

৬.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১৩ প্রসংগ পুথি

৬.১৪ অগ্রগতিৰ খতিয়ান

৬.১৫ আর্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ কৰাৰ পিছত আপুনি—

- সামাজিক সংগঠন আৰু বিশৃংখলতাৰ অর্থৰ বিষয়ে জানিব।
- সামাজিক সংগঠনৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব।
- সামাজিক সংগঠন আৰু বিশৃংখলতাত প্রভাৱ পেলোৱা কাৰকসমূহ বিশ্লেষণ কৰিব পাৰিব।
- লোকৰীতি আৰু লোকাচাৰৰ সমাজত সিহঁতৰ প্রয়োজনীয়তা চিনাক্ত কৰিব পাৰিব।

- লোকৰীতি আৰু লোকাচাৰৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰিব।
- লোকৰীতি আৰু লোকাচাৰৰ শৈক্ষিক প্রভাৱৰ বিষয়ে জানিব পাৰিব।
- সামাজিক বিশৃংখলতাৰ প্রতিকাৰ আৰু নিয়ন্ত্রণত শিক্ষাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

মানুহৰ এটা দলৰ সাধাৰণ আদর্শ, মূল্যবোধ, লক্ষ্য আৰু ভাৱধাৰাৰ পূর্ণ প্রকাৰৰ যোগেদি সামাজিক সংগঠন গঠন হয়। ই মানুহৰ আশা আৰু আকাংক্ষা পূৰণ হোৱাত সহায় কৰে। ইয়াৰ কিছুমান সাধাৰণ বৈশিষ্ট্য তলত বহলাই আলোচনা কৰা হ'ল। সামাজিক সংগঠনক কিছুমান কাৰকে প্রভাৱ পেলায়। ইয়াৰ ভিতৰত সকলোতকৈ সাধাৰণ কাৰক হৈছে— লোকৰীতি আৰু লোকাচাৰ।

এখন সমাজ প্রাকৃতিক ভাবেই সংগঠিত। আমি সকলোৱে জানো যে এখন সমাজৰ সকলো সদস্যই সমাজৰ নীতি-নিয়মসমূহ, মানদণ্ডসমূহ সমাজৰ কল্যাণৰ স্বার্থত গ্রহণ কৰি লয়। তেতিয়া সেই সমাজখন এক সুসংগঠিত সমাজ হিচাপে পৰিগণিত হয়। কিন্তু সকলো সময়তে সমাজৰ এই নীতি-নিয়ম মানদণ্ডসমূহ মানি চলাটো সম্ভৱ নহয়, ই সমাজত সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰিব পাৰে। এই ধৰণৰ বিশৃংখলতাৰ সৃষ্টি হ'লে সমাজ এখনে কি ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব পাৰে? এই প্রশ্নৰ উত্তৰ হৈছে সামাজিক বিশৃংখলতা। এই অধ্যায়টিত আমি সামাজিক সংগঠন আৰু বিশৃংখলতাৰ ধাৰণা, ইয়াৰ প্রকাৰ, সমাজত ইয়াৰ প্রভাৱ আৰু সামাজিক বিশৃংখলতাৰ ৰোধত শিক্ষাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিম। আহক এই অধ্যায়টিত তাৰেই আভাস ল'ম।

৬.৩ সামাজিক সংগঠনৰ অর্থ আৰু ধাৰণা

পূর্বতে, সমাজতত্ত্ববিদসকলে সামাজিক সংগঠনৰ ধাৰণাটো অতি বিস্তৃত অর্থত ব্যৱহাৰ কৰিছিল। অগষ্ট ক'টেৰ মতে, সামাজিক সংগঠন হৈছে 'সাধাৰণ সামাজিক বুজাপৰা' বা 'সামাজিক ঐক্যমত' যাৰ অবিহনে ব্যক্তিসকল শক্তিহীন হৈ পৰে।

অর্গবান আৰু নিমক'ফৰ ভাষাত, 'এক সংগঠন হৈছে বিভিন্ন অংশৰ প্রক্রিয়া যি বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে। কার্য সিদ্ধিৰ বাবে প্রয়োগ কৰা ই এক সক্রিয়, দলীয় যন্ত্র।'

ইলিয়ট আৰু মেৰিলে কৈছিল, 'সংগঠন হৈছে এনে এক চর্ত যাৰ জৰিয়তে সমাজৰ বিভিন্ন অনুষ্ঠানসমূহে তেওঁলোকৰ স্বীকৃতিপ্রাপ্ত উদ্দেশ্যসমূহৰ আহৰণৰ বাবে কার্য সম্পাদন কৰে।

এইচ. এম. জনছনে কৈছিল, 'সংগঠনে আন্তঃক্রিয়াৰ পদ্ধতিৰ প্রক্রিয়াক সূচায়।' ডানকেন মিট্চেলৰ মতে, 'সামাজিক সংগঠনে অংশসমূহৰ পাৰস্পৰিক নির্ভৰশীলতাক বুজায়। ই হৈছে সকলো প্রচলিত সামূহিক দল, সম্প্রদায় আৰু সমাজৰ এক গুৰত্বপূর্ণ বৈশিষ্ট্য।

বর্তমান সময়ত দলৰ অংশসমূহৰ আন্তঃনির্ভৰশীলতাক সূচাবলৈ সামাজিক সংগঠন

শব্দটো ব্যৱহাৰ কৰা হয়।

এই দলসমূহ শ্ৰমিকৰ পৰা উদ্যোগসমূহলৈ আকৃতি আৰু প্ৰকৃতিৰ ক্ষেত্ৰত ভিন্ন হ'ব পাৰে। বহু সমাজতত্ত্ববিদে সামাজিক সংগঠনৰ সলনি সমাজক সূচাবলৈ সামাজিক পদ্ধতিৰ ধাৰণাটো ব্যৱহাৰ কৰিবলৈ বিচাৰে।

বৰ্তমান সমাজতত্ত্ববিদৰ গৱেষণা আৰু অধ্যয়নত সমাজৰ অংশসমূহৰ ব্যৱস্থাকৰণৰ গুৰুত্ব প্ৰদান কৰিবলৈ সামাজিক সংগঠনৰ ধাৰণাটো ব্যৱহাৰ কৰা হয়। এই অধ্যয়নে সমাজৰ বিভিন্ন অংশসমূহ পৰস্পৰে পৰস্পৰৰ লগত তথা সমগ্ৰ সমাজৰ লগত কিদৰে সম্পৰ্কযুক্ত হৈ আছে তাৰ এক প্ৰতিচ্ছবি দাঙি ধৰে। সংগঠনে জটিল সমাজৰ জটিল কাৰ্যাৱলীসমূহক শিথিল আৰু সহজ কৰি তোলে। উদাহৰণস্বৰূপে সংগঠিত সৰু আৰক্ষী বাহিনীয়ে এক বিশাল জনসাধাৰণৰ অৰাজকতাক নিয়ন্ত্ৰণ কৰিব পাৰে। কিছুসংখ্যক ব্যক্তিক লৈ সংগঠিত চৰকাৰ এখনে এক বিশাল দেশ পৰিচালনা কৰিব পাৰে।

কেতিয়াবা এই সংগঠন শব্দটো সমিলমিলিত দলসমূহক সূচাবলৈ ব্যৱহাৰ কৰা হয়। ই সমবায়, সেনাবাহিনী, বিদ্যালয়, বেংক আৰু কাৰাগাৰসমূহক সামৰি লয়। এখন সমাজ এই ধৰণৰ বিভিন্ন সংগঠনক লৈ গঠিত হয়। এখন ৰাষ্ট্ৰক সঘনে এক ৰাজনৈতিক সংগঠন বুলি অভিহিত কৰা হয়। এখন বিদ্যালয়ে শৈক্ষিক সংগঠনক প্ৰতিনিধিত্ব কৰে ইত্যাদি। এই সকলোবোৰ হৈছে সামাজিক সংগঠন। অগবান আৰু নিমকফৰ মতে এখন সামগ্ৰিক সমাজে এক বিস্তৃত সংগঠন অথবা এক সামাজিক সংগঠনক প্ৰতিনিধিত্ব কৰে। কিন্তু সমাজ এখন সাধাৰণতে আন্তঃক্ৰিয়া সম্পন্ন কৰা ব্যক্তিসমূহৰ এক সংগঠিত দল।

৬.৪ সামাজিক সংগঠনৰ বৈশিষ্ট্য

সামাজিক সংগঠনৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

- সমাজৰ সদস্যসকলৰ মাজত থকা সমিলমিলতা বা সৰ্বসন্মতি হৈছে সামাজিক সংগঠনৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এই সমিলমিলতাৰ অভাৱে সমাজত সদস্যসকলৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰে যাৰ পৰিণতিত সামাজিক বিশৃংখলতাৰ সৃষ্টি হ'ব পাৰে। উদাহৰণস্বৰূপে পুৰণি ভাৰতবৰ্ষত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰসকলৰ মাজত থকা বিভিন্নতা বিশেষভাৱে গুৰুত্বপূৰ্ণ।
- এই দলসমূহৰ কাৰ্যাৱলীসমূহ বিভিন্ন ধৰণৰ আছিল আৰু শূদ্ৰসকলৰ দ্বাৰা সম্পাদন কৰা কাৰ্যসমূহ আন জাতিসমূহতকৈ নিম্ন গ্ৰহণযোগ্য আছিল। কিন্তু এই সমাজব্যৱস্থা সকলোৱে দ্বাৰা সহসন্মতিগতভাৱে গ্ৰহণ কৰা হৈছিল, সেয়েহে সামাজিক সংগঠন সেইধৰণে প্ৰচলিত আছিল। পৰৱৰ্তী সময়ত যেতিয়া ব্ৰাহ্মণসকলে তেওঁলোকৰ সুবিধা আৰু মৰ্যাদাসমূহৰ অপ-প্ৰয়োগ কৰিছিল ই সমাজত এক বিভিন্নতাৰ সূচনাৰ সৃষ্টি কৰিছিল যাৰ ফলত এই সমাজব্যৱস্থাৰ প্ৰতি থকা সহসন্মতিৰ পৰিবৰ্তন সংঘটিত হৈছিল আৰু ফলস্বৰূপে হিন্দু সম্প্ৰদায়ত অৰাজকতা আৰু বিশৃংখলতাৰ সৃষ্টি হৈছিল।
- সমাজৰ ব্যক্তিসকলৰ মাজৰ সমিলমিলতা দীৰ্ঘ সময়লৈকে অক্ষুণ্ণ ৰাখিব পাৰি যদিহে সমাজৰ ব্যক্তিসকলে তেওঁলোকৰ মৰ্যাদা আৰু সামাজিক সংগঠনৰ গণ্ডীৰ ভিতৰত

তেওঁলোকৰ নির্ধাৰিত ভূমিকাসমূহ গ্রহণ কৰিবলৈ তৎপৰ হয়। সমাজত প্রতিজন ব্যক্তিৰ কার্যাৱলী আৰু ভূমিকাসমূহ প্রত্যেকজন ব্যক্তিৰ বাবে সমানভাৱে ভাগ কৰাটো সম্ভৱ নহয়। যি ধৰণে এটা যন্ত্রৰ বোজা আৰু অংশসমূহৰ স্থান আৰু কার্যসমূহ ভিন ভিন, ঠিক তেনেদৰে সমাজৰ ব্যক্তিসমূহৰ কার্যাৱলীও ভিন ভিন।

- এটা শৰীৰে নির্দ্ধাৰিত কার্যসমূহ এটা সীমিত পর্যায়লৈকে সম্পাদন কৰিব পাৰে তেতিয়ালৈকে শৰীৰৰ বিভিন্ন অংশসমূহ কার্যকৰী হৈ থাকে। সমাজৰ ক্ষেত্রতো এই যুক্তি প্রযোজ্য। সমাজত বিভিন্ন ব্যক্তিৰ মাজত বিভিন্নতাৰ পৰিলক্ষিত হয় যিয়ে এজন ব্যক্তিক আন ব্যক্তিতকৈ বয়স, লিংগ, প্রস্থিতি, সামাজিক সক্ষমতা, কৌশল আৰু ভূমিকাসমূহৰ ক্ষেত্রত ভিন্ন কৰিতোলে। ব্যক্তিৰ ভূমিকাসমূহ তেওঁলোকৰ মর্যাদাৰ ভিত্তিত নির্ণয় কৰা হয়। নিজস্ব মর্যাদা আৰু ভূমিকাসমূহৰ গ্রহণৰ তৎপৰতা সামাজিক সংগঠনৰ এক বিশিষ্ট বৈশিষ্ট্য।
- সমাজৰ ব্যক্তিসকল তেতিয়াহে তেওঁলোকৰ প্রস্থিতি আৰু ভূমিকাসমূহ গ্রহণ কৰিবলৈ তৎপৰ হ'ব, যেতিয়া সেইসমূহৰ ওপৰত সমাজৰ নিয়ন্ত্রণ থাকিব। সমাজে অভ্যাস, প্রথা, পৰম্পৰা, লোকৰীতি, অনুষ্ঠান আদিৰ মাধ্যমেৰে সদস্যসকলৰ ওপৰত নিয়ন্ত্রণ বজাই ৰাখে যিয়ে সমাজত সাদৃশ্যতাৰ সৃষ্টি কৰে। সমাজৰ এই নিয়ন্ত্রণ যেতিয়া ব্যক্তিসকলৰ ওপৰত স্থানান্তৰিত হয় তেতিয়াই সমাজত সামাজিক বিশৃংখলতাৰ সৃষ্টি হয়।
- প্রত্যেক সামাজিক সংগঠনৰে এক নির্দিষ্ট উদ্দেশ্য থাকে। সদস্যসকলে এক সামূহিক লক্ষ্য আৰু উদ্দেশ্য লগত লৈ আগুৱাই আহে। উদাহৰণস্বৰূপে এখন শৈক্ষিক অনুষ্ঠানৰ সাধাৰণ উদ্দেশ্য হৈছে শিক্ষাৰ সম্প্রসাৰণ কৰা।

৬.৫ সামাজিক সংগঠনত প্রভাৱ পেলোৱা কাৰকসমূহ

কিছুমান বিশেষ কাৰকে সামাজিক সংগঠনক বিশেষভাৱে প্রভাৱ পেলায়, সেইসমূহৰ ভিতৰত—

- ব্যক্তিগত অভিপ্রায়ে সামাজিক সংগঠনৰ ক্ষেত্রত বিশেষভাৱে প্রভাৱ পেলায়। কোনো এক সংগঠনত ব্যক্তিসকলে অংশগ্রহণ কৰাৰ মূলতেই হৈছে ব্যক্তিগত স্বার্থ, যিসমূহ অনুষ্ঠানৰ পৰা ব্যক্তিসকলে নিজকে লাভাৱান্বিত কৰিব পাৰে, সেইসমূহত অংশগ্রহণ কৰে। ব্যক্তিগত অভিপ্রায় সামাজিক, অর্থনৈতিক স্বীকৃতি, প্রভাৱশালী ব্যক্তিৰ প্রভাৱ আদি বিভিন্ন ৰূপত পৰিলক্ষিত হ'ব পাৰে।
- সংগঠনটোৰ লগত নিজকে পৰিচিত কৰোৱাৰ মানসিকতাই সামাজিক সংগঠনক বিশেষভাৱে প্রভাৱ পেলাব পাৰে। কোনো সংগঠনৰ লগত জড়িত ব্যক্তিসকল কিছুমান বিশেষ অভিপ্রায়ৰ দ্বাৰা পৰিচালিত যাৰ জৰিয়তে তেওঁলোকে সংগঠনটোৰ সৈতে নিজক পৰিচিত কৰিব পাৰে। ইয়াৰ অন্তৰালত থকা বিভিন্ন কাৰকসমূহৰ ভিতৰত— (১) ব্যক্তিৰ বহুসংখ্যক প্রয়োজন সংগঠনৰ দ্বাৰাই পৰিপূর্ণ হয়। (২) ব্যক্তিৰ লক্ষ্য

আৰু উদ্দেশ্যসমূহ একে বিধৰ, (৩) ব্যক্তিতকৈ সংগঠনসমূহৰ স্থান উচ্চ, (৪) সদস্যসকলৰ মাজত প্রতিযোগিতাৰ অভাৱ, (৫) সংগঠনৰ বিস্তৃত্ব পর্যায়ৰ আন্তঃক্রিয়া।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ 'সামাজিক সংগঠন' বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ২ঃ সামাজিক সংগঠনৰ অতি কমেও চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৬.৬ লোকৰীতিৰ অর্থ আৰু সংজ্ঞা

লোকৰীতিৰ ধাৰণাটো বিখ্যাত সমাজতত্ববিদ উইলিয়াম চামনাৰৰ লগত জড়িত, যিয়ে সংস্কৃতি আৰু ইয়াৰ তাৎপর্য সম্পর্কে এক স্পষ্ট মতামত ডাঙি ধৰিছিল। তেওঁৰ 'Folkways' শীর্ষক সমাজতাত্ত্বিক গ্রন্থত, মানুহৰ আচৰণবোধৰ ক্ষেত্রত এক অতি মহত্বপূর্ণ অৱদান আগবঢ়াইছিল। চামনাৰে সংস্কৃতিক লোকৰীতি আৰু লোকাচাৰৰ দৃষ্টিভংগীৰে বর্ণনা কৰিছিল আৰু 'জনৰীতি' বা 'লোকৰীতি'ক এক বিস্তৃত ৰূপত ব্যৱহাৰ কৰিছিল। তেওঁৰ মতে, এই জনৰীতিসমূহ প্রাকৃতিক শক্তিৰ উৎপাদন স্বৰূপ যিসমূহ মানুহে অজ্ঞাতভাৱে কার্যত ৰূপায়িত কৰে বা সেইসমূহ জীৱ-জন্তুৰ আভ্যন্তৰীণ দিশ যিসমূহ অভিজ্ঞতাৰ ফলত বিকশিত হয়। পৰৱর্তী সময়ত এই দিশসমূহ কোনো আগ্রহৰ সর্বোচ্চ গ্রহণযোগী হৈ পৰে। ফলক্রমত ই পৰম্পৰা হিচাপে প্রচলিত হৈ পৰে। সংস্কৃতিৰ সকলো পর্যায় বা স্তৰত আৰু সময়ত, মানুহৰ সকলো জীৱন বিভিন্নধৰণৰ লোকৰীতিৰ দ্বাৰা নিয়ন্ত্রিত হৈ থাকে। জাতিৰ স্থায়িত্বৰ প্রাৰম্ভিক পর্যায়ৰ পৰা এই জনৰীতিসমূহ চলি আহিছে আৰু কিছু পৰিমাণে কিছু ক্ষেত্রত মানৰ দর্শন, ৰীতি, ধর্ম বা অন্যান্য বৌদ্ধিক প্রতিফলনৰদ্বাৰা সংশোধিত হৈছে।

সমাজত সৃষ্টি হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে কোনো এক দলৰ ভিতৰত স্বকীয়ভাৱে সৃষ্টি হোৱা সমাজৰ স্বীকৃতপ্রাপ্ত ব্যৱহাৰসমূহেই হৈছে 'জনৰীতি'। সামাজিক জীৱন সমস্যাৰে পৰিপূর্ণ আৰু সেই সমস্যাসমূহ সমাধান কৰিবলৈ মানুহে আপ্রাণ চেষ্টা চলোৱা দেখা যায়। বিভিন্ন সমাজৰ কার্যকলাপ ভিন্ন। এক দলে প্রচেষ্টা আৰু ভুল-ভ্রান্তি, দুর্ঘটনা বা অজানিত প্রভাৱৰদ্বাৰা কোনো এক সম্ভাৱনাত উপস্থিত হ'ব পাৰে, তাৰ পুনৰাবৃতি ঘটায় আৰু আচৰণৰ এক সাধাৰণ দিশ হিচাপে গ্রহণ কৰে। এইদৰেই সমাজৰ জনৰীতিসমূহৰ সৃষ্টি হয়। গ্রহণযোগ্য এই আচৰণসমূহ পৰৱর্তী প্রজন্মসমূহলৈ প্রসাৰিত হৈ যায় আৰু মানুহৰ এক দলৰ আচৰণ হিচাপে পৰিগণিত হৈ পৰে। সেয়েই কৈছে জনৰীতি। চামনাৰৰ মতে, মানুহে তেওঁলোকৰ পূর্বপুৰুষৰ পৰা পশুৰূপী মনো-শাৰীৰিক সংলক্ষণসমূহ, প্রবৃত্তি, দক্ষতা

আৰু আন নহ'লেও অভ্যাসসমূহ আহৰণ কৰে, যিয়ে তেওঁলোকক খাদ্য, তাড়না, কামনা, বাণিজ্য আৰু জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ সমস্যাসমূহৰ সমাধানত সহায় কৰে। ইয়াৰ পৰিণতিৰূপে কিছুমান জন পৰিঘটনাৰ সৃষ্টি হয় যেনে সাদৃশ্যতাৰ প্ৰচলন, সমিলমিলতা আৰু পাৰস্পৰিক বৰঙণি— এই সকলোবোৰৰ উৎপাদনৰ ফল হৈছে জনৰীতি।

সম প্ৰয়োজনৰ তাড়নাত সমভাৱে সম্পাদনা কৰা ব্যক্তিসকলৰ দ্বাৰা কৰা সহানুভূতিমূলক কাৰ্যৰ পুনৰাবৃত্তিৰ উৎপাদন হৈছে এই জনৰীতিসমূহ।

লান্দবাৰ্গৰ (Lundberg) মতে, জনৰীতিয়ে দলৰ আচৰণৰ সেইসমূহ সাদৃশ্যতাক মূল্যাংকৃত কৰে যিসমূহ জীৱনৰ সাধাৰণ চৰ্তাৱলীসমূহ গ্ৰহণ কৰাৰ বাবে সম্পৰ্কযুক্তভাৱে, স্বতঃস্ফূৰ্তভাৱে আৰু অসচেতনভাৱে বিকশিত হৈ উঠে। এই আচৰণসমূহ পুনৰাবৃত্তি আৰু সাধাৰণ উৎপত্তিৰ দ্বাৰা সু-প্ৰতিষ্ঠিত হৈ উঠে। এইদৰে এইসমূহ আচৰণৰ অচেতন সামূহিক দিশ, যাৰ অৱস্থিতিত দলৰ বিকাশ আৰু স্থায়িত্ব ৰক্ষা পৰে। মানুহে সামাজিক জীৱন-যাপনৰ প্ৰক্ৰিয়াৰদ্বাৰা উদ্ভাৱন কৰি লোৱা আচৰণৰ দিশসমূহক এই জনৰীতিয়ে সাঙুৰি লয়। এই জনৰীতিসমূহ পুৰণি প্ৰজন্মৰ পৰা নতুন প্ৰজন্মলৈ সম্প্ৰসাৰিত হোৱা ৰীতি আৰু ব্যৱহাৰসমূহত অন্তৰ্ভুক্ত হৈ থাকে। সময়ৰ প্ৰয়োজন অনুসৰি এই জনৰীতিসমূহত নতুন উপাদানৰ সংযোজন ঘটায়। পৰিবেশৰ লগত মানুহৰ সংযোজনৰ এক অভিনৱ উপায়ক ই প্ৰতিনিধিত্ব কৰে। সমাজত এই জনৰীতিসমূহৰ প্ৰচলন অথবা এই সমূহৰ স্থায়ীত্ব সম্বন্ধে কোনেও কেতিয়াও প্ৰশ্ন উত্থাপন নকৰে।

সংজ্ঞা ঃ

মেক আইভাৰৰ মতে, "সমাজত স্বীকৃত অথবা গ্ৰহণযোগ্য ৰূপত আচৰণ কৰা প্ৰক্ৰিয়াই হৈছে জনৰীতি। এইসমূহে মানুহে উদ্ভাৱন কৰি উলিওৱা আচাৰ, ৰীতিৰ প্ৰকাৰ আৰু অগণন আচৰণৰ দিশক সাঙুৰি লয় আৰু সামাজিক জীৱন নিৰ্বাহ প্ৰক্ৰিয়াটো অহৰহভাৱে চলাই নিয়াৰ বাবে এইসমূহৰ গতিশীল উদ্ভাৱনত জড়িত হৈ থাকে।"

গিলিন আৰু গিলিনৰ মতে, জনৰীতিসমূহ হৈছে দৈনন্দিন জীৱনৰ আচৰণ প্ৰক্ৰিয়া যিসমূহ দলসমূহত অসচেতনভাৱে উদয় হয়।"

এ. ডব্লিউ. গ্ৰীণৰ মতে, সমাজ বা দলত সাধাৰণভাৱে কাৰ্যকৰী হৈ থকা আৰু এটা প্ৰজন্মৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ প্ৰেৰিত হৈ থকা দিশসমূহেই হৈছে জনৰীতি।

৬.৬.১ লোকৰীতিৰ বৈশিষ্ট্যসমূহ

লোকৰীতিৰ মুখ্য বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

- **স্বতঃস্ফূৰ্ত উৎস ঃ** জনৰীতিসমূহ স্বতঃস্ফূৰ্তভাৱে আৱিৰ্ভাৱ হয়। এইসমূহ পৰিকল্পিত নহয়। অভিজ্ঞতাৰ ফলস্বৰূপে এই জনৰীতিসমূহৰ সৃষ্টি হয়। জনৰীতিসমূহ সেয়েহে স্বতঃস্ফূৰ্ত।
- **স্বীকৃতিপ্ৰাপ্ত আচৰণ ঃ** জনৰীতিসমূহ আচৰণৰ স্বীকৃতিপ্ৰাপ্ত দিশ। দলসমূহে আচৰণৰ কিছুমান দিশক গ্ৰহণ কৰে আন কিছুমানক পৰিত্যাগ কৰে। দলৰদ্বাৰা গ্ৰহণযোগ্য আচৰণৰ দিশসমূহ হৈছে জনৰীতি।

- **বিশিষ্টতা ঃ** ভিন্ন সমাজৰ জনৰীতিসমূহো ভিন্ন। জনৰীতিসমূহ বিশেষ কিছুমান দলৰ সৈতে জড়িত। সেয়েহে দলসমূহৰ মাজত জনৰীতিসমূহৰ বহু পৰিমাণৰ ভিন্নতা পৰিলক্ষিত হয়।
- **বংশগতিমূলক ঃ** জনৰীতিসমূহ এটা প্ৰজন্মৰ পৰা আন প্ৰজন্মলৈ সম্প্ৰসাৰিত হৈ থাকে। এজন ব্যক্তিয়ে তেওঁৰ পূৰ্বপুৰুষৰ পৰা জনৰীতিসমূহ আহৰণ কৰে। সেয়েহে, জনৰীতিসমূহ বংশগতিমূলক।

৬.৭ লোকাচাৰৰ অৰ্থ আৰু সংজ্ঞা

ব্যুৎপত্তিগতভাৱে লোকাচাৰ (Mores) শব্দটো লেটিন শব্দ 'Mos'ৰ পৰা আহিছে। যাৰ অৰ্থ হৈছে ৰীতি। যিদৰে সমাজৰ ৰীতিসমূহক অবজ্ঞা কৰিব নোৱাৰি, সেইদৰে লোকাচাৰসমূহো অৱহেলা কৰিব নোৱাৰি। লোকাচাৰসমূহৰ অৱহেলাৰ পৰিণতি হৈছে কঠোৰ শাস্তি গ্ৰহণ। জনৰীতিসমূহৰ তুলনাত লোকাচাৰসমূহ প্ৰত্যক্ষভাৱে সমাজৰ মৌলিক প্ৰয়োজনসমূহৰ লগত জড়িত। লোকাচাৰসমূহে সমাজ কল্যাণৰ লগত জড়িত শুদ্ধ, উপযোগী দিশসমূহক সূচায়। চামনাৰৰ মতামত অনুসৰি লেটিন শব্দ Mores বা লোকাচাৰসমূহ সমাজ কল্যাণৰ হকে আন সকলো আচাৰ বা ৰীতিতকৈ বহুল অৰ্থত গ্ৰহণযোগ্য আৰু উপযুক্ত।

চামনাৰে লোকাচাৰ শব্দটো সেইসমূহ জনৰীতিক বুজাবলৈ ব্যৱহাৰ কৰিছিল যিসমূহ দলৰদ্বাৰা অধিক গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছিল। সেয়েহে এই লোকাচাৰসমূহ সমাজ কল্যাণৰ বাবে অবিচ্ছেদ্য।

সংজ্ঞা ঃ

চামনাৰে কৈছিল, লোকাচাৰৰদ্বাৰা মই জনপ্ৰিয়ভাৱে ব্যৱহৃত ৰীতি আৰু পৰম্পৰাসমূহক বুজো যেতিয়া সেইসমূহে সমাজকল্যাণৰ উপযোগী মূল্যবোধ আৰু যেতিয়া সেইসমূহে মানুহৰ ওপৰত প্ৰদান কৰা দমনসমূহ গ্ৰহণ কৰি লয়। যদিও এই লোকাচাৰসমূহ কোনো কৰ্তৃপক্ষৰদ্বাৰা সমন্বিত নহয়।

গিলিন আৰু গিলিনৰ মতে, লোকাচাৰসমূহ হৈছে সেইসমূহ ৰীতি আৰু দলীয় দৈনিক কাৰ্য, যিসমূহ দলৰ গতিশীল অস্তিত্বৰ বাবে অপৰিহাৰ্য বুলি দলৰ সদস্যসকলে বিবেচনা কৰে।

মেক আইভাৰৰ দৃষ্টিভংগী অনুসৰি, যেতিয়া জনৰীতিসমূহৰ লগত দলৰ কল্যাণৰ ধাৰণা আৰু শুদ্ধ-অশুদ্ধৰ ধাৰণাটো সাঙোৰ খাই পৰে, তেতিয়া জনৰীতিসমূহ লোকাচাৰলৈ পৰিবৰ্তিত হয়।

৬.৭.১ লোকাচাৰসমূহৰ বৈশিষ্ট্য

লোকাচাৰসমূহ ইচ্ছাকৃতভাৱে আৱিস্কৃত নহয় বা সমাজৰ কোনো ব্যক্তিৰদ্বাৰা ই কাৰ্যকৰীকৃত নহয়। কোনো ধৰণৰ সচেতনাত্মক বিচাৰ বা ইচ্ছাৰ অবিহনে বহুলভাৱে মানুহৰ ৰীতিগত ব্যৱহাৰৰ ফলস্বৰূপে এই লোকাচাৰসমূহৰ আৱিৰ্ভাৱ হয়। সময়ৰ সোঁতত, দলৰ এই আচৰণ বা ৰীতিগত ব্যৱহাৰৰ উৎসসমূহ লুপ্ত হৈ যায় আৰু সমাজত এনেধৰণৰ প্ৰচাৰ হৈ পৰে যে, এই লোকাচাৰসমূহ দলৰ কল্যাণৰ বাবে

উপযোগী আৰু প্ৰয়োজনীয় আৰু এইসমূহৰ বিপৰীতধৰ্মী কাৰ্যসমূহ সমাজ কল্যাণৰ বাবে প্ৰতিকুলধৰ্মী।

লোকৰীতিসমূহৰ দৰে লোকাচাৰসমূহো সচেতন বা অসচেতনভাৱে শিকি লোৱা যায়। শিশু, উঠি অহা চামক পবিত্ৰ বিষয় বা মন্ত্ৰ ৰূপত লোকাচাৰসমূহৰ জ্ঞান প্ৰদান কৰা হয়। এই লোকাচাৰসমূহ 'নীতি'ৰ সমপৰ্যায়ৰ বা সমধৰ্মী, য'ত লোকাচাৰসমূহ দৃঢ়ভাৱে স্থাপিত হয়, আচাৰসমূহৰ আজ্ঞামূলক প্ৰতিক্ৰিয়া স্বাভাৱিকভাৱে পৰিলক্ষিত হয়। লোকাচাৰসমূহৰ অৱজ্ঞাৰ প্ৰতিক্ৰিয়া অতি তীব্ৰ। শাস্তি হৈছে লোকাচাৰ অৱজ্ঞাকৰণৰ উল্লেখনীয় প্ৰতিক্ৰিয়া।

দলৰ পৰা বহিস্কাৰ, কঠোৰ কাৰাদণ্ড আৰু কোনো কোনো ক্ষেত্ৰত মৃত্যুদণ্ড হৈছে শাস্তিৰ ভিতৰত অন্যতম। হিন্দুসকলৰ মাজত, নিজৰ জাতিৰ পাত্ৰৰ লগত বিবাহ হোৱাটো এক নিয়ম। অৰ্থাৎ 'সগোত্ৰ বিবাহ' হিন্দু ধৰ্মৰ এক প্ৰথা। ভাৰতবৰ্ষত হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ বাবে ই এক লোকাচাৰ (Mores)। যিসকল লোকে এই প্ৰথাৰ ভঙ্গ কৰে বা আন্তঃজাতিগত বিবাহ সম্পন্ন কৰে, তেওঁক হয় জাতিৰ পৰা নিলম্বন কৰা হয় অথবা গধুৰ জৰিমনা বিহা হয়।



জানি থোৱা ভাল

সগোত্ৰ বিবাহ (Endogamy) ঃ এই সগোত্ৰ বিবাহে নিজৰ জাতিৰ ভিতৰত বিবাহ সম্পন্ন কৰাক সূচায় আৰু এই প্ৰথা ভাৰতবৰ্ষৰ হিন্দু ধৰ্মত প্ৰচলিত।

৬.৮ লোকৰীতি আৰু লোকাচাৰৰ মাজৰ পাৰ্থক্য

তলত দিয়া ধৰণে লোকৰীতি আৰু লোকাচাৰসমূহৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰি—

- লোকাচাৰসমূহ জনৰীতিতকৈ অধিক বহুল।
- লোকাচাৰসমূহে জনৰীতিসমূহক মূল্য প্ৰদান কৰে।
- লোকাচাৰসমূহৰ পৰাহে সঁচা-মিছা, শুদ্ধ-অশুদ্ধৰ বিচাৰ কৰিব পৰা যায়। জনৰীতিসমূহৰ এইক্ষেত্ৰত ভূমিকা নাই।
- কোনোধৰণৰ শাস্তিৰ ভাৰ গ্ৰহণ নকৰাকৈয়ে কোনো ব্যক্তিয়ে সাধাৰণ জনৰীতিসমূহ অৱজ্ঞা কৰিব পাৰে। কিন্তু, লোকাচাৰসমূহৰ অৱজ্ঞাই কঠোৰ শাস্তি প্ৰদান কৰিব পাৰে।
- লোকাচাৰসমূহ জনৰীতিতকৈ অধিক বাধ্যতামূলক, নিয়মবিশিষ্ট আৰু কঠোৰ। সেয়েহে, লোকাচাৰসমূহ মানুহৰ চৰিত্ৰ গঠন আৰু তাড়নাসমূহৰ নিয়ন্ত্ৰণৰ বাবে অধিক উপযোগী আৰু প্ৰভাৱশালী।
- চামনাৰে কোৱা মতে, যেতিয়া জনৰীতিসমূহে শুদ্ধ জীৱন নিৰ্বাহ আৰু সমাজ কল্যাণৰ নীতি গ্ৰহণ কৰে, তেতিয়া ই লোকাচাৰৰ আকৃতি লয়। সেয়েহে, লোকাচাৰসমূহ কল্যাণ উপাদানৰদ্বাৰা বিশিষ্ট।

- জনৰীতিসমূহ সমাজৰ লগত সীমিতভাৱে জড়িত আৰু ই অতি সঘনে পৰিবৰ্তিত। আনহাতে, লোকাচাৰসমূহ সমাজৰ লগত বিশেষভাৱে জড়িত আৰু এইসমূহ সঘনে পৰিবৰ্তিত নহয়। কোনো ব্যক্তিৰ সামাজিক মৰ্যাদা আৰু বৃত্তিগত স্থান অনুসৰি, লোকৰীতিসমূহ সলনি হ'ব পাৰে। কিন্তু, লোকাচাৰসমূহ সেই মৰ্মে সলনি নহয় কাৰণ, সেইসমূহ শুদ্ধ আচৰণৰ স্থায়ী নিয়ম।

ওপৰোক্ত, এই আলোচনাৰ ভিত্তিত, আমি ক'ব পাৰো যে, জনৰীতি আৰু লোকাচাৰৰ পার্থক্য নির্ণয় কৰা ভিত্তিসমূহ স্পষ্ট আৰু সুনির্দিষ্ট। অৱশ্যে, সকলো সময়তে, ই প্রযোজ্য নহ'বও পাৰে। বিশিষ্ট কিছুমান ক্ষেত্রত ইটোৰ পৰা আনটোক পৃথক কৰাটো যথেষ্ট কঠিন হৈ পৰে। উদাহৰণস্বৰূপে ৰাগীয়াল পানীয় গ্রহণ কৰাটো কাৰোবাৰ বাবে সাধাৰণভাৱে বর্জনীয়, আন কাৰোবাৰ বাবে বিশেষভাৱে শান্তিপূর্ণ।

চামনাৰে কৈছিল যে, শুদ্ধ-অশুদ্ধ, উচিত-অনুচিতৰ ধাৰণাসমূহ জনৰীতি আৰু লোকাচাৰে নির্দ্ধাৰণ কৰে। এইসমূহ শুদ্ধ আৰু অশুদ্ধৰ নির্ণায়ক। এই দুটা ৰীতিৰ ভিতৰত লোকাচাৰসমূহ জনৰীতিতকৈ অধিক দমনীয়। বৰঞ্চ, আইনসমূহক 'বিধিবদ্ধযুক্ত লোকাচাৰ' বুলি কোৱা হয়।

৬.৯ জনৰীতি আৰু লোকাচাৰৰ শৈক্ষিক তাৎপর্য

জনৰীতি আৰু লোকাচাৰসমূহৰ নিজস্ব শৈক্ষিক তাৎপর্য আছে। এই জনৰীতি আৰু লোকাচাৰসমূহ সংস্কৃতিৰ ভেঁটি, যিসমূহ শৈক্ষিক সমাজৰ শক্তিশালী আৰু প্রয়োজনীয় শক্তি। এইসমূহে কোনো এক সমাজক অধিক স্পষ্ট ৰূপত জনাত সহায় কৰে। এই আচাৰ বা ৰীতিসমূহ নিয়মিত আৰু ই মানুহক বিধি বা প্রথা অনুসৰি আচৰণ সম্পাদন কৰাৰ বাবে জোৰ দিয়ে। এইসমূহ বহুত শক্তিশালী। সমাজত, ৰাজ্যৰ কানুনতকৈও মানুহৰ আচৰণক অধিকভাৱে নিয়ন্ত্রণ কৰে। জনৰীতিসমূহ সামাজিক জীৱনত 'ভাষা'ৰ সমানে প্রয়োজনীয় আৰু একে উদ্দেশ্য পূৰণ কৰে। লোকাচাৰসমূহে যথেষ্ট পৰিমাণে মানুহৰ আচৰণক নির্দ্ধাৰণ কৰে। লোকাচাৰসমূহে মানুহৰ আচৰণৰ ওপৰত প্রত্যক্ষ জোৰ প্রদান কৰে। এইসমূহে মানুহৰ চৰিত্র গঠন কৰে আৰু তাড়নাসমূহ নিয়ন্ত্রণ কৰে। সামাজিক নিয়ন্ত্রণৰ এক শক্তিশালী আহিলাৰূপে লোকাচাৰসমূহ উল্লেখযোগ্য। প্রথমৰ পৰাই মানুহৰ ব্যক্তিত্বৰ ক্ষেত্রত লোকাচাৰসমূহ জড়িত হৈ পৰে, সেয়েহে, তেওঁলোকক নিজৰ আচৰণৰ ওপৰত নিয়ন্ত্রণ ৰক্ষা কৰাত ই সহায় কৰে। লোকাচাৰসমূহে মানুহক সমাজৰ সৈতে পৰিচিত কৰায়। লোকাচাৰসমূহৰ মাধ্যমেৰে মানুহে বা ব্যক্তিয়ে তেওঁৰ সহ ব্যক্তিৰ সৈতে মিলিত হয়। তাৰ ফলস্বৰূপে তেওঁ অন্যান্য ব্যক্তিৰ সৈতে এক সামাজিক সম্পর্ক ৰক্ষা কৰি চলে, যি সম্পর্ক সন্তোষজনক জীৱন যাপনৰ বাবে অত্যন্ত জৰুৰী। সামাজিক সমন্বয়ৰ অভিভাৱক হৈছে এই লোকাচাৰসমূহ। লোকাচাৰে মানুহক একত্রিত কৰি ৰাখে আৰু তেওঁলোকক এক শক্তিশালী একত্রিত দল গঠনত জোৰ দিয়ে। যিসকলে সম পর্যায়ৰ লোকাচাৰ ভাগ বতৰাই লয়, মানি চলে, তেওঁলোকে একেধৰণৰ আচৰণ প্রদর্শন কৰে। প্রত্যেক দল বা সমাজৰ নিজস্ব লোকাচাৰ থাকে। লিংগ, বয়স, শ্রেণী, পৰিয়াল আৰু দেশ অনুপাতে বিভিন্ন ধৰণৰ লোকাচাৰ প্রচলিত হয়। এই প্রত্যেক দলৰ লোকাচাৰসমূহে দলৰ সমন্বয়তা ৰক্ষা কৰাত সহায় কৰে। সমাজৰ উদ্ভাৱনৰ লগে লগে

লোকাচাৰসমূহো অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। সভ্য আৰু অগ্ৰগামী ব্যক্তিসকলৰ ওপৰত লোকাচাৰৰ নিয়ন্ত্ৰণ যথেষ্ট গুৰুত্বপূৰ্ণ। সেয়েহে, এইসমূহ আইন আৰু বিধিসমূহৰ বিকল্পধৰ্মী।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ জনৰীতি আৰু লোকাচাৰ বুলিলে কি বুজা? সামাজিক সংগঠনৰ উপাদানসমূহ উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ৪ঃ জনৰীতি আৰু লোকাচাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ৫ঃ জনৰীতি আৰু লোকাচাৰৰ মাজৰ পাৰ্থক্যসমূহ কি কি? তিনিটা পাৰ্থক্য উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ৬ঃ জনৰীতি আৰু লোকাচাৰৰ শৈক্ষিক তাৎপৰ্যসমূহ আলোচনা কৰা।

.....

.....

৬.১০ সামাজিক বিশৃংখলতাৰ অৰ্থ আৰু সংজ্ঞা

আমি এই কথা জানো যে স্বীকৃত নীতি-নিয়মবোৰ সমাজ এখনৰ প্ৰতিগৰাকী সদস্যই নিষ্ঠা, সততা আৰু আনুগত্যসহকাৰে মানি চলিলেই সমাজখনক সু-সংগঠিত সমাজ বুলি কোৱা হয়। অৱশ্যে কেতিয়াবা এনে কিছুমান পৰিস্থিতিৰ সৃষ্টি হয় যাৰ বাবে মানুহৰ মনত এই স্বীকৃত নীতি-নিয়মবোৰ মানি নচলাৰ অথবা আওকাণ কৰাৰ প্ৰৱণতা জাগে। আধুনিক সমাজতাত্ত্বিক সাহিত্যত 'বিশৃংখলতা'ৰ ধাৰণাটোৱে (concept of disorganization) এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। বিখ্যাত গ্ৰন্থ 'The Polish in Europe and America'ৰ লিখক টমাছ আৰু নানীকিয়ে (Thomas and Znaniecki) এই ধাৰণাটোৰ বিকাশ ঘটাইছিল। তেওঁলোকৰ মতে 'সামাজিক বিশৃংখলতা' (Social Disorganization) মানে হ'ল সমাজৰ প্ৰতিগৰাকী সদস্যৰ ওপৰত প্ৰচলিত আচৰণৰ সামাজিক নীতি-নিয়মৰ প্ৰভাৱ হ্ৰাস হোৱা। ইয়াৰ ফলত সমাজত সৰ্বৰ পৰা ফালৰি কাটি একক সত্বাৰ (individuation) বিকাশ আৰু ঐক্যৰ অভাৱ ঘটে। তেওঁলোকৰ ব্যাখ্যা মতে এই প্ৰক্ৰিয়াই স্বয়ংক্ৰিয়ভাৱে আৰু অৱশ্যম্ভাৱী ৰূপত সামাজিক সমস্যাৰ সৃষ্টি কৰে। অৰ্থাৎ চমুকৈ আমি ক'ব পাৰোঁ যে সামাজিক বিশৃংখলতা হ'ল এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা এটা গোটৰ সদস্যসকলৰ

মাজত থকা সম্পৰ্কত ভাঙোন ধৰে। সমাজত পৰিৱৰ্তন হ'বলৈ ধৰা বাবে সামাজিক শক্তিবোৰৰ ভাৰসাম্য বাধাগ্ৰস্ত হয় আৰু ফলত সামাজিক অসমতাৰ সৃষ্টি হয়। সমাজৰ পৰিৱৰ্তনশীল প্ৰকৃতিৰ বাবেই সামাজিক গাঁথনি অথবা বিন্যাসত ভাঙোনে দেখা দিয়ে। সমাজৰ এটা গতিশীল প্ৰকৃতি হ'ল ই প্ৰচলিত ৰীতি-নীতিবোৰ অহৰহ পুনৰ সংগঠিত আৰু পুনৰ সজ্জিত কৰি থাকে। এই পৰিৱৰ্তনৰ বাবে সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত ভাৰসাম্য অথবা সামাজিক সমতা বৰ্তাই ৰাখিব পৰা নাযায়। ফলত সামাজিক ভাঙোন অথবা বিশৃংখলতাৰ সৃষ্টি হয়।

বিভিন্ন সমাজতাত্বিকে সামাজিক বিশৃংখলতাৰ ধাৰণাটো ভিন ভিন ধৰণে সংজ্ঞাবদ্ধ কৰিছে। ইয়াৰ মাজৰে দুটামান গুৰুত্বপূৰ্ণ সংজ্ঞা তলত উল্লেখ কৰা হ'ল ঃ

এমিলি ডাৰখীমৰ (Emile Durkheim) মতে সামাজিক বিশৃংখলতা মানে হ'ল "সমাজৰ সদস্যসকলৰ মাজত সৃষ্টি হোৱা ভাৰসাম্যহীন অৱস্থা আৰু সামাজিক ভ্ৰাতৃত্ববোধ অথবা সহমতৰ অভাৱ।"

অ'গবার্ন আৰু নিমক'ফৰ (Ogburn and Nimkoff) মতে, "সামাজিক বিশৃংখলতা মানে হ'ল কিছুমান সাংস্কৃতিক সংযোগৰ ভাঙোন আৰু সাংস্কৃতিক বিন্যাসৰ বিভিন্ন দিশৰ মাজত থকা ভাৰসাম্যত দেখা দিয়া কিছুমান ব্যাঘাত।"

এলিয়ট আৰু ফ্ৰান্সিছৰ (Elliot and Francis) মতে, "সামাজিক বিশৃংখলতা হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ দ্বাৰা কোনো এটা গোটৰ সদস্যসকলৰ মাজত থকা সম্পৰ্ক ভাঙোনমুখী অথবা নাইকিয়া হয়।"

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে সামাজিক বিশৃংখলতা মানে হ'ল সামাজিক অস্বাভাৱিকতা অথবা সামাজিক পৰম্পৰা, নীতি-নিয়ম আৰু আইন আদিত দেখা দিয়া ভাঙোন। ইয়াৰ ফলত সামাজিক শক্তিবোৰৰ ভাৰসাম্য হেৰাই যায়। ইয়াৰ অর্থ এইটো নহয় যে বিশৃংখল সামাজিক পৰিৱেশ এটাত ঐক্যৱদ্ধ সম্পৰ্ক অনুপস্থিত থাকে। কিন্তু সামাজিক বিশৃংখলতাই এনে সম্পৰ্ক গুৰুতৰভাৱে ভাঙোনমুখী হোৱাটো বুজায়। অর্থাৎ, সামাজিক বিশৃংখলতাক কোনো এখন সমাজৰ বিভিন্ন শ্ৰেণীৰ সদস্যৰ স্বার্থসংঘাতৰ পৰিণাম বুলি ক'ব পাৰি।



জানি থোৱা ভাল

তলৰ কথাবোৰৰ সহায়ত সামাজিক বিশৃংখলতাৰ প্ৰকৃতি ভালদৰে বুজিব পাৰি-

- লোকাচাৰ (mores) আৰু অনুষ্ঠানৰ (institute) সংঘাত হ'ল সামাজিক বিশৃংখলতাৰ এটা বৈশিষ্ট্য।
- সামাজিক বিশৃংখলতাৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল এটা গোটৰ পৰা আন এটা গোটলৈ কার্য-কলাপৰ স্থানান্তৰ (transfer of function)।
- সর্বৰ পৰা ফালৰি কাটি একক সত্বাৰ বিকাশ (individuation) হ'ল সামাজিক বিশৃংখলতাৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ইয়াৰ অর্থ হ'ল ব্যক্তি যিটো গোট অথবা প্ৰতিষ্ঠানৰ অংশ তাৰ প্ৰত্যাশা আৰু আগ্ৰহ অনুসৰি চিন্তা কৰাত বিফল হয়। এই প্ৰৱণতাই সামাজিক বিশৃংখলতাৰ

সৃষ্টি কৰে।

- মানুহৰ প্ৰত্যাশা আৰু প্ৰাপ্তিৰ মাজত থকা অসামঞ্জস্য হ'ল সামাজিক বিশৃংখলতাৰ আন এক বৈশিষ্ট্য।
- এখন বিশৃংখল সমাজত ব্যক্তি আৰু প্ৰতিষ্ঠানৰ মৰ্যাদা আৰু ভূমিকাৰ মাজত অসামঞ্জস্যতা, চৰম অনিশ্চয়তা আৰু অস্পষ্টতা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ 'সামাজিক বিশৃংখলতা'ৰ ধাৰণাটো পোন প্ৰথমে কোনে বিকাশ কৰিছিল?

.....

.....

প্ৰশ্ন নং ৮ ঃ সামাজিক বিশৃংখলতা মানে কি বুজে?

.....

.....

৬.১০.১ সামাজিক বিশৃংখলতাৰ প্ৰকাৰ

বিভিন্ন সমাজ শাস্ত্ৰবিদে সামাজিক বিশৃংখলতাক বিভিন্ন ভাগত ভগাইছে। আমি ইয়াত এলিয়ট আৰু মেৰিলৰ (Elliot and Merrill) শ্ৰেণীবিভাজনটো আলোচনাৰ বাবে লৈছো। তেওঁলোকে বিশৃংখলতাৰ আন্তঃসম্পৰ্ক থকা তিনিটা প্ৰকাৰ উল্লেখ কৰিছে। প্ৰকাৰকেইটা হ'ল -

- **ব্যক্তিগত অথবা একক বিশৃংখলতা** - এই বিভাগত অপৰাধ, পাগলামি অথবা মানসিক ভাৰসাম্যহীনতা, দেহ ব্যৱসায়, কৈশোৰ কালৰ অপৰাধপ্ৰৱনতা, সুৰাসক্তি, নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্তি, জুৱা আৰু আত্মহত্যাক সামৰি লোৱা হয়।
- **পাৰিবাৰিক বিশৃংখলতা** - এই বিভাগত বিবাহ-বিচ্ছেদ, পতি অথবা পত্নী পৰিত্যাগ, পতি-পত্নীৰ পৃথকীকৰণ, ভগ্ন পৰিয়াল, অবিবাহিতা মাতৃ, অবৈধ সন্তান আৰু যৌন সম্পৰ্কজনিত ৰোগক সামৰি লোৱা হয়।
- **সাম্প্ৰদায়িক বিশৃংখলতা** - এই বিভাগত দৰিদ্ৰতা, ভিক্ষাবৃত্তি, নিবনুৱা সমস্যা, মাত্ৰাধিক জনসংখ্যা, আইনহীনতা, ৰাজনৈতিক দূৰ্নীতি, অপৰাধ আদিক সামৰি লোৱা হয়।

বিভিন্ন সমাজশাস্ত্ৰবিদে চিনাক্ত কৰি বিভিন্ন বিশৃংখলতাৰ বিশ্লেষণ কৰাৰ অন্তত আমি সামাজিক বিশৃংখলতাক তলৰ শিৰোনামবোৰৰ অধীনত আলোচনা কৰিব পাৰোঁ-

❍ ব্যক্তিগত বিশৃংখলতা

এখন বিশৃংখল সমাজত বিশৃংখল ব্যক্তিয়ে বাস কৰে। এটা গোটৰ অন্য সদস্যসকলে মানি চলা স্বীকৃত নীতি-নিয়মবোৰ শিকি শিকি এগৰাকী ব্যক্তিয়ে নিজৰ ব্যক্তিত্ব গঢ়ি তোলে। যেতিয়া স্বীকৃত সামাজিক নীতি-নিয়মৰ সংৰচনাটো বিভ্রান্তিকৰ হয় তেতিয়া সমাজে কি আশা কৰে ব্যক্তিয়ে ভালদৰে বুজি নাপায়। এনে অৱস্থাত ব্যক্তিৰ একোটা সম্পূৰ্ণ সংহত ব্যক্তিত্ব সহজে গঢ় লৈ নুঠে। এই কাৰণতে বিশৃংখল ব্যক্তিত্বৰ বিকাশ ঘটে।

তলত ব্যক্তিগত বিশৃংখলতাৰ ৰূপ কেইটামান চমুকৈ আলোচনা কৰা হ'ল ঃ

ক) **অপৰাধ প্ৰৱণতা (Delinquency)** ঃ অপৰাধ প্ৰৱণতা সমাজৰ এক গুৰুতৰ সমস্যা। ই এক প্ৰকাৰৰ অস্বাভাৱিকতা। যেতিয়া কোনো ব্যক্তি সাধাৰণ সামাজিক জীৱন চৰ্যাৰ পৰা বিচ্যুত হয়, তেতিয়াই তেওঁৰ আচৰণক অপৰাধ প্ৰৱণ বুলি কোৱা হয়।

খ) **প্ৰাপ্তবয়স্ক আইন উলংঘনকাৰী অথবা অপৰাধী (The Adult Offenders or Criminals)** ঃ প্ৰাপ্তবয়স্ক অপৰাধীয়ে নিজস্ব প্ৰাপ্তবয়স্ক গোটৰ সামাজিক নৈতিকতাত কূটাঘাত কৰি নিজৰ আত্মকেন্দ্ৰিক স্বাৰ্থ পূৰণ কৰে। এনে অপৰাধীয়ে সমাজ, ৰাজ্য আৰু দেশত সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। এনে অপৰাধীৰ দুটামান উদাহৰণ হ'ল - ডকাইত, লুণ্ঠনকাৰী, হত্যাকাৰী ইত্যাদি।

গ) **যৌন অপৰাধী (Sex Offenders)** ঃ সৰ্বত্ৰ বিয়পি পৰা সামাজিক পৰিৱৰ্তনৰ লহৰ আৰু ইয়াৰ ফলত সৃষ্ট সামাজিক তথা ৰাজনৈতিক বিশৃংখলতাই কঠোৰ যৌন প্ৰতিৰোধৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। ফলত সমাজত যৌন অপৰাধীৰ সংখ্যা বাঢ়িছে। এনে অপৰাধীৰ দুটামান উদাহৰণ হ'ল - বলাৎকাৰী, গণিকাবৃত্তিত জড়িত লোক, যৌন অপৰাধ প্ৰৱণতাৰ চিকাৰ ব্যক্তি আদি।

ঘ) **শিশু শ্ৰমিক (Child Labour)** ঃ শিশু শ্ৰমিকৰ সমস্যাটোৱে সৃষ্টি কৰা বিশৃংখলতাক শাৰীৰিকভাৱে বিপদসংকুল কাম-কাজৰ শিতানত ৰাখিব পৰা যায়। সৰু সৰু ল'ৰা-ছোৱালীক শিক্ষা লাভৰ সুযোগৰ পৰা বঞ্চিত কৰা হয় বাবে সিহঁত মানসিক অসন্তুষ্টিত ভোগে। এই মানসিক অসন্তুষ্টিৰ ফলত কালক্ৰমত বিশৃংখল ব্যক্তিত্বই গঢ় লৈ উঠে।

ঙ) **সুৰাসক্তি আৰু নিচাযুক্ত দ্ৰব্য সেৱনৰ অভ্যাস (Alcoholic and Drug Addicts)** ঃ সুৰাসক্ত আৰু নিচা জাতীয় দ্ৰব্য সেৱনত অভ্যস্ত লোকসকলে সমাজৰ সবাতোকৈ উল্লেখনীয় বিশৃংখল গোটটো গঢ়ি তোলে। এই অসুখী মানুহখিনিয়ে নিজৰ আসক্তিৰ বাবে বৃত্তিগত আৰু পৰিয়ালকেন্দ্ৰিক নীতি-নিয়মবোৰ পালন কৰিব নোৱাৰে।

❍ পাৰিবাৰিক বিশৃংখলতা

পাৰিবাৰিক বিশৃংখলতাও সামাজিক বিশৃংখলতাৰ অংগ। কাৰণ এনে বিশৃংখলতাই পাৰিবাৰিক গোটবোৰ ভাঙি পেলায়। ই পৰিয়ালৰ সদস্যসকলৰ ভূমিকাকেন্দ্রিক সংৰচনাটো দুর্বল আৰু ব্যাহত কৰে। এনে বিশৃংখলতাই কেৱল পতি-পত্নীৰ মাজৰ মনোমালিন্যকে নুবুজায়, ই পিতৃ-মাতৃ, অভিভাৱক, সন্তান আৰু ভ্রাতৃ-ভগ্নীৰ মাজৰ ফাট মেলা সম্পর্ককো সামৰি লয়।

ক) **পাৰিবাৰিক বিৰোধ (Family tension) ঃ** কেতিয়াবা পতি-পত্নীৰ মাজৰ মতানৈক্যতে পাৰিবাৰিক বিৰোধ সীমাৱদ্ধ হৈ থাকে। এনে পৰিৱেশত তেওঁলোকে নিজৰ বৈবাহিক জীৱনৰ সুস্থিৰতাৰ প্রতি ভাবুকিৰ সৃষ্টি কৰে নাইবা ঘটনাবহুল বিশৃংখলতাৰ সৃষ্টি কৰে। পতি-পত্নীৰ উপৰি পিতৃ-মাতৃ তথা সন্তানৰ মাজত চলা মতানৈক্য, ভাই-ভনীৰ মাজৰ মতানৈক্য, শাহু-শহুৰৰ সৈতে চলা মতানৈক্য অথবা পৰিয়াল-পৰিজন অধিক থকা সামাজিক সদস্যৰ সৈতে চলা মতানৈক্যকো পাৰিবাৰিক বিৰোধৰ ভিতৰত সামৰি লোৱা হয়।

খ) **পৰিত্যাগ (Desertion) ঃ** পৰিত্যাগ হ'ল ভাঙি যোৱা বৈবাহিক সম্পর্ক এটাৰ অনানুষ্ঠানিক ইংগিত। কিন্তু একে সময়তে পৰিত্যাগ হ'ল এটা দণ্ডনীয় অপৰাধ। এজন পুৰুষক পৰিয়াল ত্যাগ কৰাৰ অপৰাধত কাৰাগাৰলৈ নিক্ষেপ কৰা হ'ব পাৰে। অর্থাৎ, সহজ অর্থত পৰিত্যাগ মানে হ'ল পতি অথবা পত্নীয়ে নিজৰ পৰিয়ালক নিজাকৈ বর্তি থাকিবলৈ দি দায়িত্ববোধহীনভাৱে আন ক'ৰবালৈ গুছি যোৱা কার্য।

গ) **বিবাহ বিচ্ছেদ (Divorce) ঃ** বিবাহ বিচ্ছেদ হ'ল এটা পাৰিবাৰিক সম্পর্কৰ শোকাবহ ভাঙোন। পৰিয়াল এটাত চৰম বিশৃংখলতাৰ সৃষ্টি হ'লে নাইবা দুয়ো পক্ষই পাৰস্পৰিক সম্পর্ক ছিন্ন কৰাৰ দৃঢ় আগ্রহ প্রকাশ কৰিলে বিবাহ বিচ্ছেদ ঘটে।

❍ সাম্প্রদায়িক বিশৃংখলতা

সমূহীয়া অনুষ্ঠানবোৰ সহযোগিতা আৰু ঐক্যমতৰ ওপৰত নির্ভৰশীল। প্রতিটো সম্প্রদায়তে কিছুমান মতানৈক্য আৰু দ্বন্দ থাকে। আনুষ্ঠানিক দলীয় জীৱনৰ বিভিন্ন দিশৰ নানা সূচ্যাংক জুখি সম্প্রদায়ৰ বিশৃংখলতা নির্ণয় কৰা হয়। আনুষ্ঠানিক দলীয় জীৱনৰ উদাহৰণ হ'ল জনসংখ্যা, স্বাস্থ্য, সামাজিক কল্যাণ, শিক্ষা, গৃহ, আমোদ-প্রমোদ আৰু এই আটাইবোৰৰে সংমিশ্রণ। এই দিশৰ পৰা চাবলৈ গ'লে সাম্প্রদায়িক বিশৃংখলতা মানে হ'ল শৃংখলাহীন সামাজিক আন্তঃক্রিয়া প্রকাশ কৰা সামাজিক গোটবোৰৰ ফলপ্রসূতা প্রদর্শনকাৰী কার্য-কলাপ।

তলত সাম্প্রদায়িক বিশৃংখলতাৰ ৰূপ কেইটামান চমুকৈ আলোচনা কৰা হ'ল ঃ

ক) **গ্রাম্য সম্প্রদায়ৰ বিশৃংখলতা ঃ** কেন্দ্রীয় বিধি-বিধান, কৃষি বিজ্ঞান

আৰু আধুনিক উদ্ভাৱনবোৰে কঢ়িয়াই অনা অভূতপূর্ব আৰু বিভেদমূলক পৰিৱর্তনবোৰৰ বাবে উচ্চ, মধ্য অথবা নিম্ন আয় শ্রেণীৰ বহুতো গ্রাম্য সম্প্রদায়ত গুৰুতৰ বিশৃংখলতাৰ সৃষ্টি হৈছে। কৃষিপামৰ জনসংখ্যা, কৃষিজীৱি গাওঁ আৰু নগৰবোৰ বিভিন্ন সংকটৰ গৰাহত পৰিছে। এনে সংকটৰ কাৰণ হ'ল কৃষি বিপ্লৱে সৃষ্টি কৰা বিভিন্ন আন্তঃসম্পর্ক থকা কাৰক। গ্রাম্য বিশৃংখলতাৰ আঁৰৰ প্রধান কাৰণ হিচাপে দৰিদ্রতা, অজ্ঞতা আৰু গ্রাম্য প্রয়োজনীয়তা পূৰাবলৈ সামাজিক অনুষ্ঠান-প্রতিষ্ঠানৰ নাটনিকে গণ্য কৰা হয়।

খ) **গ্রাম্য সম্প্রদায়ৰ আনুষ্ঠানিক বিশৃংখলতা ঃ** কৃষি পদ্ধতিৰ পৰিৱর্তন আৰু গ্রাম্য জনসংখ্যাৰ স্থানান্তৰে কৃষকৰ প্রয়োজনীয়তা পূৰণৰ হকে কাম কৰি থকা অনুষ্ঠান-প্রতিষ্ঠানবোৰৰ ওপৰত গুৰুতৰ প্রভাৱ পেলাইছে। এনেদৰে প্রভাৱিত হোৱা বহুতো অনুষ্ঠান-প্রতিষ্ঠান গাওঁ অথবা সৰু নগৰত অৱস্থিত। ইয়াৰে কিছুমান অনুষ্ঠান হ'ল গ্রাম্য ধর্মীয় অনুষ্ঠান আৰু আন কিছুমান হ'ল মুকলি এলেকাত চলি থকা গাঁৱলীয়া বিদ্যালয়। মুক্ত গ্রাম্য অনুষ্ঠান আৰু ক্ষুদ্র নগৰীয়া অনুষ্ঠানবোৰে গ্রামাঞ্চলৰ বাসিন্দাৰ প্রয়োজনীয়তা পূৰণত ব্যর্থ হোৱা বাবেই গ্রাম্য সম্প্রদায়ৰ আনুষ্ঠানিক বিশৃংখলতা সৃষ্টিৰ আন এক কাৰণ। গাওঁ এলেকাত প্রয়োজনীয় সেৱা আগবঢ়োৱাত ব্যর্থ হোৱা দুটামান অনুষ্ঠান হ'ল - ধর্মীয় অনুষ্ঠানসমূহ, স্বাস্থ্য সুবিধাবোৰ, বিদ্যালয় আৰু বেংকিং প্রণালী।

গ) **দূর্নীতি ঃ** সামাজিক বিশৃংখলতা সৃষ্টিৰ বৃহত্তৰ প্রক্রিয়াটোৰ এটা অংশ হ'ল দূর্নীতি। গণতান্ত্রিক স্থানীয় চৰকাৰৰ পৰম্পৰাগত ৰূপবোৰ এনে সমাজত গঠন কৰা গৈছিল যিবোৰ সমাজৰ সামাজিক গতিশীলতা আছিল সীমিত, বাসিন্দাসকল আছিল সমগোত্রীয় আৰু সমাজৰ অধিকাংশ বাসিন্দাই আছিল কেন্দ্রীয় সামাজিক তথা ৰাজনৈতিক সমস্যাবোৰৰ প্রতি আগ্রহী। দূর্নীতি সংঘটিত হোৱা দুখনমান প্রধান ক্ষেত্র হ'ল ৰাজনীতি, ব্যৱসায় ইত্যাদি।

ঘ) **নিবনুৱা সমস্যা ঃ** সভ্যতাৰ বিকাশ ঘটাৰ লগে লগেই স্থানীয় আৰু ৰাষ্ট্রীয় পর্যায়ত নিবনুৱা সমস্যাটোৱে সাম্প্রদায়িক সমস্যাৰূপে গা কৰি উঠিছে। দেশৰ চাৰিসীমাৰ ভিতৰতে আৱদ্ধ হৈ নথকা ই হ'ল এক অর্থনৈতিক পৰিঘটনা। সকলোৰে বাবে অহৰহ কর্মসংস্থাপন সৃষ্টি কৰিবলৈ সামাজিক পৰিকল্পনা আৰু চৰকাৰী বিনিয়োগৰ প্রয়োজন। নিবনুৱা সমস্যা হ'ল এখন দেশৰ সাম্প্রদায়িক বিশৃংখলতাৰ এটা ৰূপ।

❍ আন্তঃৰাষ্ট্রীয় বিশৃংখলতা

আন্তঃৰাষ্ট্রীয় বিশৃংখলতা মানে হ'ল দেশবোৰৰ মাজত গা কৰি উঠা

বিশৃংখলতা। অর্থাৎ, যেতিয়া দেশবোৰৰ মাজৰ সমন্বয় ব্যাহত হয়, তেতিয়াহ আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতাৰ সৃষ্টি হয়।

আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতাৰ কেইটামান প্ৰধান ৰূপ তলত আলোচনা কৰা হ'ল ঃ

ক) **বিপ্লৱ (Revolution) ঃ** শাব্দিক অর্থত বিপ্লৱ হ'ল সামাজিক বিশৃংখলতাৰ এক ৰূপ। বিপ্লৱৰ বাবে একোটা বৃহৎ কার্যশীল গোটৰ সম্পর্কৰ বান্ধোনৰ যি বিন্যাস থাকে সেয়া ভাঙি যায়। গোটটোৰ নিজস্ব দুর্বলতাৰ হেঁচাত আংগিকভাৱে সমূহীয়া বান্ধোন ক্ষতিগ্ৰস্ত হয় আৰু আন অংশটোত ভাঙোন ধৰে বিপ্লৱী নেতাসকলৰ প্ৰচেষ্টাৰ বাবে।

খ) **একনায়কত্ববাদিতা (Totalitarianism) ঃ** একনায়কত্ববাদ হ'ল আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতাৰ আন এক প্ৰধান ৰূপ। একনায়কত্ববাদী শাসনত নেতাৰ সিদ্ধান্তই আইনৰ কর্তৃত্ব লাভ কৰে। ইয়াৰ লক্ষ্য হ'ল তাৎক্ষণিকভাৱে ক্ষমতা হস্তগত কৰা আৰু শাসিতসকলৰ ওপৰত সম্পূর্ণ অথবা চৰম নিয়ন্ত্ৰণ সাব্যস্ত কৰা।

গ) **যুদ্ধ (War) ঃ** যুদ্ধ হ'ল হিংসাত্মক সামাজিক বিশৃংখলতা। দেশক বান্ধি ৰখা সম্পর্কবোৰৰ আনুষ্ঠানিক উলংঘনেই যুদ্ধ। যুদ্ধই পৃথিৱীৰ সমন্বয়, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আদিৰ ওপৰত কুপ্ৰভাৱ পেলায়। অর্থাৎ, যুদ্ধক আমি আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতাৰ এটা ৰূপ বুলি ক'ব পাৰো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ সামাজিক বিশৃংখলতাৰ প্ৰকাৰবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ১০ ঃ ব্যক্তিগত অথবা একক বিশৃংখলতাৰ ৰূপবোৰ কি কি?

.....

.....



চিন্তা-চর্চা কৰক ঃ ৫.১

আপোনাৰ চৌপাশে কেনেধৰণৰ বিশৃংখলতা আপুনি প্ৰায়েই দেখা পায়? এটা উদাহৰণৰ সহায়ত বহলাই ব্যাখ্যা কৰক।

.....

.....

৬.১০.২ সামাজিক বিশৃংখলতা সৃষ্টিৰ কাৰক

সামাজিক বিশৃংখলতাৰ দৰে জটিল পৰিঘটনা এটা সংঘটিত হোৱাৰ আঁৰত বহুতো কাৰক থাকিব পাৰে। তলত তেনে কাৰক কেইটামান আলোচনা কৰা হ'ল ঃ

- **মনোবৈজ্ঞানিক কাৰক ঃ** কেতিয়াবা মানুহৰ মনোবিজ্ঞানতে সামাজিক বিশৃংখলতাৰ কাৰণ লুকাই থাকে। মনোবৈজ্ঞানিক কাৰকে দুই ধৰণে সামাজিক বিশৃংখলতা সৃষ্টিত অৰিহণা যোগাব পাৰে ঃ
  - মানুহৰ মাজত উপযুক্ত সংযোগ স্থাপনত ব্যৰ্থতা
  - পৰিৱৰ্তিত সময়ৰ দাবী অনুসৰি মানুহৰ মনোভাৱৰ সংশোধনৰ অথবা পৰিৱৰ্তন কৰাত ব্যৰ্থতা
- **সাংস্কৃতিক বিলম্বন ঃ** পার্থিৱ সংস্কৃতি (material culture) আৰু অপার্থিৱ সংস্কৃতিৰ (non-material) মাজত পৰিৱৰ্তনৰ হাৰ আৰু গতিৰ অসমতাই হ'ল সাংস্কৃতিক বিলম্বন। পার্থিৱ সংস্কৃতিৰ উদাহৰণ হ'ল গৃহ নির্মাণ পদ্ধতি, যাতায়ত আৰু সংযোগ স্থাপনৰ উপায়, পোচাক-পৰিচ্ছদৰ প্রকাৰ, গহনাৰ নক্সা ইত্যাদি। এইবোৰৰ দ্রুত গতিত পৰিৱৰ্তন ঘটে। কিন্তু ধাৰণা, বিশ্বাস, মনোভাৱ, ৰুচি, অভ্যাস আদি হ'ল অপার্থিৱ সংস্কৃতি। এইবোৰ খুব লাহে লাহে আৰু পর্যায়ক্রমে সলনি হয়। এই দুয়োটা সংস্কৃতিৰ মাজৰ ব্যৱধানেই হ'ল সাংস্কৃতিক বিলম্বন। ইয়াৰ ফলত সামাজিক বিশৃংখলতাৰ প্রক্রিয়াটো আৰম্ভ হয়।
- **ভৌতিক অথবা ভৌগলিক কাৰক ঃ** মানুহ আৰু তেওঁৰ সংস্কৃতিক যদি কোনো অসাধাৰণ ভৌতিক অথবা ভৌগলিক অৱস্থা অথবা পৰিস্থিতিত ত্রুটিপূর্ণভাৱে খাপ খুৱাবলৈ (maladjustment) চেষ্টা কৰা হয় তেতিয়াই সমাজত বিশৃংখলতাৰ সৃষ্টি হয়। ধুমুহা, ঘূর্ণীবতাহ, হাৰিকেন, দুর্ভিক্ষ, ভূমিকম্প আদিৰ দৰে প্রাকৃতিক দুর্যোগৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য।
- **জৈৱিক কাৰক ঃ** জনসংখ্যা বিস্ফোৰণ অথবা জনসংখ্যাৰ মাত্রাধিক নাটনি, জাতিগত আন্তঃমিশ্রণ, বিসংগতিপূর্ণ বংশগত বৈশিষ্ট্য আৰু আন বহুতো জৈৱিক কাৰকৰ বাবে সমাজত বিশৃংখলতাৰ সৃষ্টি হয়।
- **পাৰিপার্শ্বিক কাৰক ঃ** অঞ্চল আৰু চুবুৰীৰ পটভূমিত সামাজিক বিশৃংখলতাক পাৰিপার্শ্বিকৰ সৈতেও জড়িত কৰা হয়। এইখিনিতে আমি Professor Shaw and His Associates ৰ বিখ্যাত উদাহৰণটো উল্লেখ কৰিব পাৰোঁ। তেওঁলোকে অধ্যয়ন কৰি উলিয়াইছিল যে চিকাগো চহৰত অপৰাধপ্রৱণতা বৃদ্ধি পোৱা অঞ্চলবোৰ হ'ল দুখীয়া আবাসিক অঞ্চল, মাত্রাধিক বাসিন্দা থকা অঞ্চল আৰু চিনেমা হল - হোটেল - নাইট ক্লাব আদি বেছিকৈ থকা অঞ্চল আদি।
- **প্রমূল্যৰ অৱনতি ঃ** সামাজিক প্রমূল্যবোৰক সমাজক বর্তাই ৰখাৰ অবিৰত শক্তি বুলি গণ্য কৰা হয়। এনে প্রমূল্যবোৰে সমাজক শক্তি দিয়ে আৰু সামাজিক শৃংখলাক সুস্থিৰতা প্রদান কৰে। কিন্তু দ্রুত সামাজিক পৰিবর্তনৰ ফলত নতুন প্রমূল্যৰ উত্থান আৰু পুৰনি প্রমূল্যবোৰৰ অৱনতি ঘটে। একে সময়তে মানুহে পুৰণিবোৰকো সম্পূর্ণ দলিয়াই পেলাব নোৱাৰে আৰু নতুনবোৰকো আকোঁৱালি ল'ব নোৱাৰাত পৰে। সেইবাবেই পুৰনি আৰু

নতুন প্ৰমূল্যৰ মাজত দ্বন্দ অনিবাৰ্য হৈ পৰে। ইয়াৰ ফলত সামাজিক বিশৃংখলতাৰ সৃষ্টি হয়।

ওপৰত উল্লেখ কৰা কাৰকবোৰৰ উপৰি আন কিছুমান কাৰকো আছে যিবোৰে বহু সময়ত সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। সেই কাৰকবোৰ হ'ল -

❍ **লক্ষ্য আৰু পন্থাৰ মাজৰ দ্বন্দঃ** অধিকাংশ লোকে সমাজৰ প্ৰভাৱশালী লক্ষ্যবোৰ ভগাই লয় আৰু সেইমতে কাম কৰে। কিন্তু সমাজৰ লক্ষ্যত উপনীত হোৱাৰ বৈধ পন্থাৰ নাটনি হ'লে কিছুমান লোকে অবৈধ পন্থা অৱলম্বন কৰে। ফলত সমাজত অপৰাধ আৰু সামাজিক বিশৃংখলতাৰ অন্য প্ৰকাশবোৰে দেখা দিয়ে।

❍ **সামাজিক নিয়ন্ত্ৰণৰ অৱনতি ঃ** ধৰ্ম, নৈতিকতা, প্ৰথা, পৰম্পৰা আৰু অন্য অনুষ্ঠানৰ নিয়ন্ত্ৰণৰ অৱনতিয়ে মানুহৰ আচৰণত প্ৰভাৱ পেলাইছে। ইয়াৰ বাবে সামাজিক বিশৃংখলতাৰ প্ৰক্ৰিয়াটো আগতকৈ অধিক সক্ৰিয় হৈছে।

❍ **শ্ৰমৰ চৰম বিভাজন ঃ** এমিলি ডাৰখীমৰ মতে শ্ৰমৰ চৰম বিভাজনে প্ৰায়েই সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। তেওঁৰ মতে সাধাৰণ অৱস্থাত শ্ৰমৰ বিভাজনে সামাজিক ভাতৃত্ববোধৰ জন্ম দিয়ে। কিন্তু যেতিয়া এই বিভাজন চৰম আৰু অতি জটিল হয় তেতিয়া এই ভাতৃত্ববোধ ব্যাহত হয়।

❍ **বিভাজনমুখী সামাজিক পৰিৱৰ্তন ঃ** ভৌতিক, জৈৱিক, প্ৰযুক্তিগত আৰু সাংস্কৃতিক কাৰকবোৰৰ ক্ৰিয়াশীলতাৰ বাবে সমাজত পৰিৱৰ্তন ঘটে। কেতিয়াবা হঠাতে হোৱা বুনিয়াদী সামাজিক পৰিৱৰ্তনে সমাজৰ সুস্থিৰতা আৰু সাংগঠনিক বিন্যাস ব্যাহত কৰে।



জানি থোৱা ভাল

'সাংস্কৃতিক বিলম্বন'ৰ (Cultural Lag) ধাৰণাটো পোন প্ৰথমে ডব্লিউ. ই. অ'গবার্নে ব্যৱহাৰ কৰিছিল। পার্থিৱ আৰু অপার্থিৱ সংস্কৃতিৰ মাজৰ পৰিৱৰ্তনৰ হাৰ আৰু গতিৰ অসমতা ব্যাখ্যা কৰিবলৈ ধাৰণাটো ব্যৱহাৰ কৰা হৈছিল। ইয়াক সামাজিক বিশৃংখলতাৰ এক প্ৰধান কাৰণ বুলি ধৰা হয়। ইয়াৰ এটা উদাহৰণ হ'ল পশ্চিমীয়া প্ৰযুক্তিবিদ্যাৰে শিক্ষিত কিন্তু পৰম্পৰাগত বিশ্বাস, মনোভাৱ, প্ৰথা আদি বাদ নিদিয়া ভাৰতীয়সকল। এই বিশেষত্বৰ বাবে ভাৰতীয় সমাজত প্ৰায়েই কিছু দ্বন্দৰ সৃষ্টি হয় যাৰ ফলত সামাজিক বিশৃংখলতাৰ সৃষ্টি হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰা কাৰকবোৰৰ নাম উল্লেখ কৰক।

.....

.....

৬.১০.৩ সামাজিক বিশৃংখলতা আঁতৰোৱাৰ উপায়

আধুনিক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত দেখা দিয়া সামাজিক বিশৃংখলতা হ'ল এক গুৰুতৰ সমস্যা। ই শৈক্ষিক সমাজতত্ববিদৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। সমাজ সংগঠকসকলৰ বাবেও বিশৃংখলতাৰ সমস্যাটো সমাধান কৰাটো কঠিন হৈ পৰিছে। সমস্যাটোৰ সমাধানৰ বাবে তলত উল্লেখ কৰা কথাবোৰৰ প্ৰতি মনোযোগ দিব লাগে ঃ

- **অৰ্থনৈতিক অসমতা আঁতৰকৰণ ঃ** আধুনিক সমাজৰ অৰ্থনৈতিক অসমতা সমগ্ৰ সমাজখনৰ বাবেই এক চিন্তাৰ বিষয়। এই কথাটো মনত ৰাখি চৰকাৰে ফলপ্ৰসূ অৰ্থনৈতিক পৰিকল্পনা কৰিব লাগে। দেশৰ ধনী আৰু দুখীয়াৰ মাজত থকা অসমতা আঁতৰাবলৈ মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰ সুনিশ্চিত কৰাটোও চৰকাৰৰ কৰ্তব্য। আধুনিক বিজ্ঞান-প্ৰযুক্তি ব্যৱহাৰ কৰি উৎপাদনশীলতা বঢ়াই সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ জীৱন ধাৰণৰ মান উন্নত কৰিব লাগে। ৰাষ্ট্ৰীয় সম্পদৰ সমবিতৰণ হোৱাৰ লগতে চৰকাৰে গণতন্ত্ৰ আৰু সমতাৰ নীতিৰ ওপৰত ভিত্তি কৰি সমৰূপী মজুৰি নীতি গ্ৰহণ কৰিব লাগে।
- **সামাজিক ৰীতি-নীতিবোৰ নমনীয় আৰু গতিশীল কৰি তোলা ঃ** সমাজৰ ৰক্ষণশীল শ্ৰেণীটোৱে বৰ্তাই ৰখা সামাজিক ৰীতি-নীতিৰ কঠোৰতাই বিশৃংখলতাৰ সৃষ্টি কৰে। এখন প্ৰগতিশীল সমাজে সময়ে সময়ে ইয়াৰ প্ৰচলিত সামাজিক নীতি-নিয়মবোৰ পৰিৱৰ্তন, সংশোধন আৰু উন্নত কৰি গৈ থাকিব লাগিব। তেতিয়াহে সমাজখনে সময়ৰ পৰিৱৰ্তিত প্ৰয়োজন অনুসৰি নিজকে খাপ খুৱাই ল'ব পাৰিব। নতুন প্ৰজন্মৰ প্ৰয়োজনীয়তা, আশা আৰু হেঁপাহৰ কথা মনত ৰাখি পুৰণি নীতি-নিয়মবোৰ সলনি হোৱা উচিত। এনে পৰিৱৰ্তনকালত সমাজৰ বঞ্চিত, অশিক্ষিত আৰু দুখীয়া শ্ৰেণীৰ লোকসকল পতিয়ন যাব লাগিব যে এই পৰিৱৰ্তনৰ ফলত তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থা উন্নত হ'ব আৰু সমাজৰ প্ৰগতিশীল পৰিৱৰ্তনৰ জৰিয়তে তেওঁলোকৰো উন্নয়ন সাধন হ'ব।
- **সামাজিক ঐতিহ্যৰ প্ৰশিক্ষণ ঃ** বিদ্যালয়ৰ পাঠ্যক্ৰমত কেৱল ভৱিষ্যতৰ প্ৰয়োজনীয়তা পূৰাব পৰা বৈজ্ঞানিক আৰু প্ৰযুক্তিগত শিক্ষাই অন্তৰ্ভূক্ত হ'ব নালাগে। এনে পাঠ্যক্ৰমে আমাৰ সামাজিক ঐতিহ্যৰ ঈপ্সিত উপাদানবোৰো প্ৰতিফলিত কৰিব লাগিব। এই পাঠ্যক্ৰমে সমাজৰ সাংস্কৃতিক ৰক্ষণশীলতা আৰু সামাজিক প্ৰগতিশীলতাৰ মাজত এক সমতা বজাই ৰাখিব লাগিব। নৱ প্ৰজন্মই ঐতিহ্যৰ এই বিশেষত্ববোৰ বুজিব আৰু শলাগিব লাগিব। লগতে এক নতুন সংস্কৃতি আৰু সভ্যতাৰ গঠনৰ বাবে প্ৰয়োজনীয় উপাদান বুলি গ্ৰহণ কৰিব পাৰিব লাগিব। অতীত আৰু বৰ্তমানৰ সু-সমন্বয় সাধন কৰাৰ বাবে আৰু ভৱিষ্যতৰ আশা তথা প্ৰয়োজনীয়তা প্ৰতিফলিত কৰিব পৰাকৈ পাঠ্যক্ৰম যুগুত কৰাৰ সময়ত এটা বহল দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব।

➢ **শিক্ষাৰ সার্বজনীনকৰণ ঃ** উন্নয়নশীল সমাজৰ আন এক প্ৰধান চিন্তনীয় বিষয় হ'ল নিৰক্ষৰতা আৰু অজ্ঞতা। এই সমস্যা দুটাই সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। সেয়েহে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ বাবে শিক্ষা সহজে উপলব্ধ কৰি তুলি জৰুৰীভাৱে দেশৰ লোকক সাক্ষৰ আৰু জ্ঞানী কৰি তোলাটো অতি জৰুৰী হৈ পৰিছে। শিক্ষাক সকলো লোকৰে জন্মগত অধিকাৰ বুলি বিবেচনা কৰা উচিত। ৰাষ্ট্ৰই সকলো নাগৰিকৰে এই অধিকাৰ লাভৰ সুযোগ সুনিশ্চিত কৰা উচিত। সামাজিক বিশৃংখলতা আঁতৰ কৰাৰ দুটা ফলপ্ৰসূ পন্থা হ'ল শিক্ষাক সার্বজনীন ৰূপ দিয়া আৰু সমগ্ৰ দেশতে অনানুষ্ঠানিক শিক্ষা পদ্ধতিৰ বহুল প্ৰয়োগ কৰা।



চিন্তা-চৰ্চা কৰক ঃ ৫.২

আপুনি বাস কৰা সমাজখনক বিশৃংখল ৰূপ দিয়া কাৰকবোৰৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

৬.১১ সামাজিক বিশৃংখলতা ৰোধ আৰু নিয়ন্ত্ৰণত শিক্ষাৰ ভূমিকা

সামাজিক বিশৃংখলতাৰ প্ৰত্যাহ্বানবোৰৰ মুখামুখি হোৱাৰ আগতে বিষয়টোৰ প্ৰকৃতি আৰু গভীৰতা অধ্যয়ন কৰাটো জৰুৰী। বিষয়টোৰ প্ৰকৃতি আৰু প্ৰকাৰৰ ওপৰত নির্ভৰ কৰি ইয়াক ৰোধ আৰু নিয়ন্ত্ৰণ কৰাত শিক্ষাই কেনে ভূমিকা ল'ব পাৰে সেয়া তলত আলোচনা কৰা হ'ল ঃ

- অপৰাধপ্ৰৱণতাৰ দৰে সামাজিক সমস্যা আঁতৰাবলৈ বিদ্যালয়ৰ পৰিৱেশত বুজাপৰা আৰু বিশ্বাসৰ এক আবেগিকভাৱে অনুকূল পৰিস্থিতি সৃষ্টি কৰিব লাগিব। লগতে, এনে সামাজিক সমস্যা নিয়ন্ত্ৰণ কৰিবলৈ শিক্ষকসকল ল'ৰা-ছোৱালীৰ প্ৰতি সহানুভূতিশীল হ'ব লাগিব।
- মানুহৰ মাজৰ পৰা ব্যক্তিগত বিশৃংখলতা আঁতৰাবলৈ মানুহক উপযুক্ত যৌন শিক্ষাৰে শিক্ষিত কৰি তুলিব লাগিব। এনে শিক্ষাই মানুহৰ মনত জীৱন আৰু যৌনতা সম্পর্কে সুস্থ, বৈজ্ঞানিক আৰু যুক্তিসংগত মনোভাৰ গঢ়ি তুলিব পাৰিব।
- পাৰিবাৰিক বিশৃংখলতাৰ এটা প্ৰধান কাৰণ জনসংখ্যা নিয়ন্ত্ৰণত শিক্ষাই সহায় কৰিব পাৰে। পৰিয়াল পৰিকল্পনা বিষয়ক অনুষ্ঠান প্ৰস্তুত কৰি দেশৰ গ্ৰামাঞ্চল আৰু অনগ্ৰসৰ এলেকাবোৰত যথেষ্ট সফলতা লাভ কৰিব পৰা যাব।

- শিক্ষাৰ সহায়ত পৰিয়ালৰ বিৰোধৰ দৰে সমস্যাবোৰো প্ৰতিহত কৰিব পৰা যাব। ইয়াৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত সমাজকৰ্মীবোৰৰ দ্বাৰা পৰিয়াল পৰামৰ্শদান অভিকৰণ গঠন কৰিব পৰা যাব। প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিয়ে বিভিন্ন পৰিয়ালকেন্দ্ৰিক সমস্যা সমাধান কৰাত আৰু পতি-পত্নীৰ মাজত পাৰস্পৰিক বুজাপৰাৰ বিকাশ ঘটোৱাত যথেষ্ট সহায় কৰিব পাৰিব।
- পাৰিবাৰিক বিশৃংখলতা প্ৰতিহত কৰাত প্ৰাপ্তবয়স্ক শিক্ষা অতি প্ৰয়োজনীয়। আমাৰ সমাজৰ প্ৰাপ্তবয়স্ক নিৰক্ষৰ লোকসকল ৰক্ষণশীল প্ৰকৃতিৰ। তেওঁলোকে পুৰণি প্ৰমূল্য কিছুমান খামুচি ধৰি থাকে। প্ৰাপ্তবয়স্ক শিক্ষাই এনে ৰক্ষণশীল মনোভাৱ আঁতৰ কৰিব পাৰে।
- ইয়াৰ উপৰি নিবনুৱা সমস্যাৰ দৰে সমস্যাবোৰ আঁতৰ কৰিবলৈ ঔদ্যোগিক কাৰ্যদক্ষতা বৃদ্ধি কৰাটো অতি জৰুৰী। ইয়াৰ বাবে পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খোৱাকৈ দেশবোৰে নিজৰ নিজৰ শিক্ষা ব্যৱস্থাবোৰৰ পুনৰীক্ষণ আৰু পুনৰগঠন কৰিব লাগিব।
- শিক্ষাই আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতা আঁতৰাবলৈ শান্তি সন্মিলন অনুস্থিত কৰাতো সহায় কৰিব পাৰে। এনে সন্মিলনত আলোচিত বিষয়ৰ আধাৰত মানুহে নিজ নিজ দেশৰ সাম্প্ৰতিক সমস্যাবোৰৰ সমাধান উলিওৱাৰ চেষ্টা কৰিব পাৰে।
- শিক্ষাই আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতা আঁতৰাবলৈ শান্তি সন্মিলন অনুস্থিত কৰাতো সহায় কৰিব পাৰে। এনে সন্মিলনত আলোচিত বিষয়ৰ আধাৰত মানুহে নিজ নিজ দেশৰ সাম্প্ৰতিক সমস্যাবোৰৰ সমাধান উলিওৱাৰ চেষ্টা কৰিব পাৰে।
- যদি দেশবোৰৰ মাজৰ সম্পৰ্ক ভালে থাকে তেন্তে আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতা সৃষ্টি হোৱাৰ প্ৰশ্নই নুঠে। শিক্ষাই বিভিন্ন দেশৰ নাগৰিকৰ মাজত আন্তঃৰাষ্ট্ৰীয় ভ্ৰাতৃত্ববোধৰ মনোভাৱ গঢ়ি তোলাত সহায় কৰিব পাৰে।
- প্ৰতিখন দেশৰ চৰকাৰে সময়ে সময়ে আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিব লাগে। এনে সন্মিলনত মানুহে নিজ দেশ তথা বিশ্বৰ সাম্প্ৰতিক সমস্যাবোৰৰ অৱলোকন কৰিব পাৰে আৰু সমাধান সূত্ৰ বাহিৰ কৰাৰ প্ৰয়াস কৰিব পাৰে।

এইবোৰেই হ'ল সামাজিক বিশৃংখলতা ৰোধ আৰু নিয়ন্ত্ৰণ কৰাত শিক্ষাই ল'ব পৰা ভূমিকা। সামাজিক বিশৃংখলতা হ'ল সামাজিক সংগঠনৰ বিপৰীত ৰূপ। শিক্ষাই এনে বিশৃংখলতা আঁতৰোৱাত যথেষ্টখিনি সহায় কৰিব পাৰে।



৬.১২ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- আধুনিক সমাজতাত্ত্বিক সাহিত্যত 'বিশৃংখলতা'ৰ ধাৰণাটোৱে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। বিখ্যাত গ্ৰন্থ The Polish Peasant in Europe and America ৰ লিখক টমাছ আৰু নানীকিয়ে এই ধাৰণাটোৰ বিকাশ ঘটাইছিল।
- সামাজিক বিশৃংখলতা মানে হ'ল সামাজিক অস্বাভাৱিকতা অথবা সামাজিক পৰম্পৰা, নীতি-নিয়ম আৰু আইন আদিত দেখা দিয়া ভাঙোন। ইয়াৰ ফলত

সামাজিক শক্তিবোৰৰ ভাৰসাম্য হেৰাই যায়। ইয়াৰ অর্থ এইটো নহয় যে বিশৃংখল সামাজিক পৰিৱেশ এটাত ঐক্যৱদ্ধ সম্পর্ক অনুপস্থিত থাকে। কিন্তু সামাজিক বিশৃংখলতাই এনে সম্পর্ক গুৰুতৰভাৱে ভাঙোনমুখী হোৱাটো বুজায়। অর্থাৎ, সামাজিক বিশৃংখলতাক কোনো এখন সমাজৰ বিভিন্ন শ্রেণীৰ সদস্যৰ স্বার্থ সংঘাতৰ পৰিণাম বুলি ক'ব পাৰি।

- এলিয়ট আৰু মেৰিলে বিশৃংখলতাৰ আন্তঃসম্পর্ক থকা তিনিটা প্রকাৰ উল্লেখ কৰিছে। প্রকাৰকেইটা হ'ল -
  - **ব্যক্তিগত অথবা একক বিশৃংখলতা** - এই বিভাগত অপৰাধ, পাগলামি অথবা মানসিক ভাৰসাম্যহীনতা, দেহ ব্যৱসায়, কিশোৰ বয়সৰ সমাজবিৰোধী কার্যকলাপ, সুৰাসক্তি, নিচা জাতীয় দ্রব্যৰ প্রতি আসক্তি, জুৱা আৰু আত্মহত্যাক সামৰি লোৱা হয়।
  - **পাৰিবাৰিক বিশৃংখলতা** - এই বিভাগত বিবাহ-বিচ্ছেদ, পতি অথবা পত্নী পৰিত্যাগ, পতি-পত্নীৰ পৃথক ভৱন, ভগ্ন পৰিয়াল, অবিবাহিতা মাতৃ, অবৈধ সন্তান আৰু যৌন ৰোগক সামৰি লোৱা হয়।
  - **সাম্প্রদায়িক বিশৃংখলতা** - এই বিভাগত দৰিদ্রতা, ভিক্ষাবৃত্তি, নিবনুৱা সমস্যা, মাত্রাধিক জনসংখ্যা, আইনহীনতা, ৰাজনৈতিক দুর্নীতি, অপৰাধ আদিক সামৰি লোৱা হয়।
- এলিয়ট আৰু মেৰিলৰ শ্রেণীবিভাজনৰ আধাৰত বিশৃংখলতাক আমি চাৰি ভাগত ভগাব পাৰোঁ। ভাগকেইটা হ'ল - ব্যক্তিগত বিশৃংখলতা, পাৰিবাৰিক বিশৃংখলতা, সাম্প্রদায়িক বিশৃংখলতা আৰু আন্তঃৰাষ্ট্রীয় বিশৃংখলতা।
- এটা গোটৰ অন্য সদস্যসকলে মানি চলা স্বীকৃত নিয়মবোৰ শিকি শিকি এগৰাকী ব্যক্তিয়ে নিজৰ ব্যক্তিত্ব গঢ়ি তোলে। যেতিয়া স্বীকৃত সামাজিক নীতি-নিয়মৰ সংৰচনাটো বিভ্রান্তিকৰ হয় তেতিয়া সমাজে কি আশা কৰে ব্যক্তিয়ে ভালদৰে বুজি নাপায়। এনে অৱস্থাত ব্যক্তিৰ একোটা সম্পূর্ণ সংহত ব্যক্তিত্ব সহজে গঢ় লৈ নুঠে। এই কাৰণতে বিশৃংখল ব্যক্তিত্বৰ বিকাশ ঘটে। ইয়াকে ব্যক্তিগত বিশৃংখলতা বোলা হয়।
- পাৰিবাৰিক বিশৃংখলতাও সামাজিক বিশৃংখলতাৰ অংগ। কাৰণ এনে বিশৃংখলতাই পাৰিবাৰিক গোটবোৰ ভাঙি পেলায়। ই পৰিয়ালৰ সদস্যসকলৰ ভূমিকাকেন্দ্রিক সংৰচনাটো দুর্বল আৰু ব্যাহত কৰে। এনে বিশৃংখলতাই কেৱল পতি-পত্নীৰ মাজৰ মনোমালিন্যকে নুবুজায়, ই পিতৃ-মাতৃ, অভিভাৱক, সন্তান আৰু ভ্রাতৃ-ভগ্নীৰ মাজৰ ফাট মেলা সম্পর্ককো সামৰি লয়।
- সমূহীয়া অনুষ্ঠানবোৰ সহযোগিতা আৰু ঐক্যমতৰ ওপৰত নির্ভৰশীল। প্রতিটো সম্প্রদায়তে কিছুমান মতানৈক্য আৰু দ্বন্দ থাকে। আনুষ্ঠানিক দলীয় জীৱনৰ বিভিন্ন দিশৰ নানা সূচ্যাংক জুখি সম্প্রদায়ৰ বিশৃংখলতা নির্ণয় কৰা হয়। আনুষ্ঠানিক দলীয় জীৱনৰ উদাহৰণ হ'ল জনসংখ্যা, স্বাস্থ্য, সামাজিক কল্যাণ, শিক্ষা, গৃহ, আমোদ-প্রমোদ আৰু এই আটাইবোৰৰে সংমিশ্রণ। এই দিশৰ

পৰা চাবলৈ গ'ল সাম্প্রদায়িক বিশৃংখলতা মানে হ'ল শৃংখলাহীন সামাজিক আন্তঃক্রিয়া প্রকাশ কৰা সামাজিক গোটবোৰৰ ফলপ্রসূতা প্রদর্শনকাৰী কার্য-কলাপ।

- আন্তঃৰাষ্ট্রীয় বিশৃংখলতা মানে হ'ল দেশবোৰৰ মাজত গা কৰি উঠা বিশৃংখলতা। অর্থাৎ, যেতিয়া দেশবোৰৰ মাজৰ সমন্বয় ব্যাহত হয়, তেতিয়াই আন্তঃৰাষ্ট্রীয় বিশৃংখলতাৰ সৃষ্টি হয়।
- সামাজিক বিশৃংখলতা সৃষ্টিকাৰী কাৰক কেইটামান হ'ল - মনোবৈজ্ঞানিক কাৰক, ভৌতিক অথবা ভৌগলিক কাৰক, জৈৱিক কাৰক, পাৰিপার্শ্বিক কাৰক, প্রমূল্যৰ অৱনতি ইত্যাদি।
- সামাজিক বিশৃংখলতা আঁতৰ কৰাৰ বিভিন্ন উপায় আছে। ইয়াৰে দুটামান হ'ল - অর্থনৈতিক অসমতা আঁতৰকৰণ, সামাজিক ৰীতি-নীতিবোৰ নমনীয় আৰু গতিশীল কৰি তোলা, সামাজিক ঐতিহ্যৰ প্রশিক্ষণ আৰু শিক্ষাৰ সার্বজনীনকৰণ।
- সামাজিক বিশৃংখলতা প্রতিহত কৰাত শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। যৌন শিক্ষা, জনসংখ্যা নিয়ন্ত্রণৰ জ্ঞান, শান্তি শিক্ষা আদি দিব পৰাকৈ ফলপ্রসূ আঁচনি তথা কার্যসূচী প্রস্তুত কৰাৰ লগতে আন্তঃৰাষ্ট্রীয় কর্মশালা আৰু সন্মিলন আদিৰো আয়োজন কৰিব পাৰে।



৬.১৩ প্রসংগ পুথি

1. Shankar Rao, C.N, (2012) Sociology : Principles of Sociology with an Introduction to Social Thought, New Delhi: S.Chand &Company PVT LTD
2. Mathur S.S (2008): "A Sociological Approach to Indian Education" Vinod Pustak Mandir, Dr.Rangeya Raghava Marg, Agra-2
3. Bhattacharya, Srinibas. (2006): Sociological Foundation of Education: Atlantic Publishers
4. Singh, Y.K. (2007): Sociological Foundation of Education: APH Publishing
5. Aggarwal, J.C. (2002): The Philosophical and Sociological Perspectives on Education: Shipra Publication
6. Bhatia, Kamala. (1992): The Philosophical and Sociological Foundations of Education: Doaba House.

৬.১৪ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ইলিয়ট আৰু মেৰিলে কৈছিল, 'সংগঠন হৈছে এনে এক চর্ত যাৰ জৰিয়তে সমাজৰ বিভিন্ন অনুষ্ঠানসমূহে তেওঁলোকৰ স্বীকৃতিপ্রাপ্ত উদ্দেশ্যসমূহৰ আহৰণৰ বাবে কার্য সম্পাদন কৰে।

২ নং প্রশ্নৰ উত্তৰঃ বৈশিষ্ট্যসমূহ হ'ল—সদস্যসকলৰ মাজত থকা সমিলমিলতা,নির্দিষ্ট উদ্দেশ্য,তেওঁলোকৰ প্রস্থিতি আৰু ভূমিকাসমূহ গ্রহণ কৰিবলৈ তৎপৰ, আৰু সামাজিক নিয়ন্ত্রণ।

৩ নং প্রশ্নৰ উত্তৰঃমেক আইভাৰৰ মতে, "সমাজত স্বীকৃত অথবা গ্রহণযোগ্য ৰূপত আচৰণ কৰা প্রক্রিয়াই হৈছে জনৰীতি। এইসমূহে মানুহে উদ্ভাৱন কৰি উলিওৱা আচাৰ, ৰীতিৰ প্রকাৰ আৰু অগণন আচৰণৰ দিশক সাঙুৰি লয় আৰুসামাজিক জীৱন নির্বাহ প্রক্রিয়াটো অহৰহভাৱে চলাই নিয়াৰ বাবে এইসমূহৰ গতিহীন উদ্ভাৱনত জড়িত হৈ থাকে।" গিলিন আৰু গিলিনৰ মতে, লোকাচাৰসমূহ হৈছে সেইসমূহ ৰীতি আৰু দলীয় দৈনিক কার্য, যিসমূহ দলৰ গতিশীল স্থায়ীত্বৰ বাবে অপৰিহার্য বুলি দলৰ সদস্যসকলে বিবেচনা কৰে।" সামাজিক সংগঠনক বিশেষভাৱে প্রভাৱ পেলাৱা কাৰক সমূহ হ'ল -ব্যক্তিগত অভিপ্রায়, সংগঠনটোৰ লগত নিজকে পৰিচিত কৰোৱাৰ মানসিকতা।

৪ নং প্রশ্নৰ উত্তৰঃ জনৰীতিৰ মুখ্য বৈশিষ্ট্যসমূহ হ'ল- জনৰীতিসমূহ স্বতঃস্ফূর্তভাৱে আৱির্ভাৱ হয়,জনৰীতিসমূহ আচৰণৰ স্বীকৃতিপ্রাপ্ত দিশ। লোকাচাৰৰ বৈশিষ্ট্যসমূহ হ'ল- লোকাচাৰসমূহ জনৰীতিসমূহৰ পৰা আৱির্ভাৱ হয়,ব্যক্তিগত আচৰণ নির্ণয় কৰে।

৫ নং প্রশ্নৰ উত্তৰঃলোকৰীতি আৰু লোকাচাৰ মাজত থকা তিনিটা মুখ্য পার্থক্য হ'ল-

- কোনোধৰণৰ শাস্তিৰ ভাৰ গ্রহণ নকৰাকৈয়ে কোনো ব্যক্তিয়ে সাধাৰণ জনৰীতিসমূহ অৱজ্ঞা কৰিব পাৰে। কিন্তু, লোকাচাৰসমূহৰ অৱজ্ঞাই কঠোৰ শাস্তি প্রদান কৰিব পাৰে।
- লোকাচাৰসমূহ জনৰীতিতকৈ অধিক বাধ্যতামূলক, নিয়মবিশিষ্ট আৰু কঠোৰ। সেয়েহে, লোকাচাৰসমূহ মানুহৰ চৰিত্র গঠন আৰু তাড়নাসমূহৰ নিয়ন্ত্রণৰ বাবে অধিক উপযোগী আৰু প্রভাৱশালী।
- চামনাৰে কোৱা মতে, যেতিয়া জনৰীতিসমূহে শুদ্ধ জীৱন নির্বাহ আৰু সমাজ কল্যাণৰ নীতি গ্রহণ কৰে, তেতিয়া ই লোকাচাৰৰ আকৃতি লয়। সেয়েহে, লোকাচাৰসমূহ কল্যাণ উপাদানৰদ্বাৰা বিশিষ্ট।

৬ নং প্রশ্নৰ উত্তৰঃ জনৰীতি আৰু লোকাচাৰসমূহৰ নিজস্ব শৈক্ষিক তাৎপর্য আছে। এই জনৰীতি আৰু লোকাচাৰসমূহ সংস্কৃতিৰ ভেঁটি যিসমূহ শৈক্ষিক সমাজৰ শক্তিশালী আৰু প্রয়োজনীয় শক্তি। এইসমূহে কোনো এক সমাজক অধিক স্পষ্ট ৰূপত জনাত সহায়

কৰে। এই আচাৰ বা ৰীতিসমূহ নিয়মিত আৰু মানুহক বিধি বা প্ৰথা অনুসৰি আচৰণ সম্পাদন কৰাৰ বাবে জোৰ দিয়ে। এইসমূহ বহুত শক্তিশালী। সমাজত, ৰাজ্যৰ কানুনতকৈও মানুহৰ আচৰণ অধিকভাৰে নিয়ন্ত্ৰণ কৰে।

৭ নং প্ৰশ্নৰ উত্তৰঃ আধুনিক সমাজতাত্ত্বিক সাহিত্যত 'বিশৃংখলতা'ৰ ধাৰণাটো(concept of disorganization) বিখ্যাত গ্ৰন্থ 'The Polish in Europe and America'ৰ লিখক টমাছ আৰু নানীকিয়ে (Thomas and Znaniecki) এই ধাৰণাটোৰ বিকাশ ঘটাইছিল।

৮ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক বিশৃংখলতা মানে হ'ল সামাজিক অস্বাভাৱিকতা অথবা সামাজিক পৰম্পৰা, নীতি-নিয়ম আৰু আইন আদিত দেখা দিয়া ভাঙোন। ইয়াৰ ফলত সামাজিক শক্তিবোৰৰ ভাৰসাম্য হেৰাই যায়। ইয়াৰ অৰ্থ এইটো নহয় যে বিশৃংখল সামাজিক পৰিৱেশ এটাত ঐক্যৱদ্ধ সম্পৰ্ক অনুপস্থিত থাকে। কিন্তু সামাজিক বিশৃংখলতাই এনে সম্পৰ্ক গুৰুতৰভাৱে ভাঙোনমুখী হোৱাটো বুজায়। অৰ্থাৎ, সামাজিক বিশৃংখলতাক কোনো এখন সমাজৰ বিভিন্ন শ্ৰেণীৰ সদস্যৰ স্বাৰ্থ সংঘাতৰ পৰিণাম বুলি ক'ব পাৰি।

৯ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক বিশৃংখলতাৰ প্ৰকাৰবোৰ হ'ল ব্যক্তিগত অথবা একক বিশৃংখলতা, পাৰিবাৰিক বিশৃংখলতা, সাম্প্ৰদায়িক বিশৃংখলতা আৰু আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতা।

১০ নং প্ৰশ্নৰ উত্তৰঃ ব্যক্তিগত অথবা একক বিশৃংখলতাৰ বিভিন্ন ৰূপ হ'ল - সমাজ বিৰোধী কাৰ্যকলাপ, প্ৰাপ্তবয়স্ক আইন উলংঘাকাৰী অথবা অপৰাধী, যৌন অপৰাধী, শিশু শ্ৰমিক, সুৰাসক্ত আৰু নিচা জাতীয় দ্ৰব্যৰ প্ৰতি আসক্ত ইত্যাদি।

১১ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰা কাৰকবোৰ হ'ল মনোবৈজ্ঞানিক কাৰক, ভৌতিক অথবা ভৌগলিক কাৰক, জৈৱিক কাৰক, পাৰিপাৰ্শ্বিক কাৰক, প্ৰমূল্যৰ অৱনতি ইত্যাদি। এইবোৰ কাৰকৰ উপৰি সামাজিক বিশৃংখলতা সৃষ্টি কৰা আন দুটামান কাৰক হ'ল - লক্ষ্য আৰু পন্থাৰ মাজৰ দ্বন্দ, সামাজিক নিয়ন্ত্ৰণৰ অৱনতি, শ্ৰমৰ চৰম বিভাজন, আৰু বিভাজনমুখী সামাজিক পৰিৱৰ্তন।



৬.১৫ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ ঃ সামাজিক বিশৃংখলতা মানে কি বুজে?

প্ৰশ্ন নং ২ ঃ সামাজিক বিশৃংখলতাৰ প্ৰকাৰবোৰ কি কি?

প্ৰশ্ন নং ৩ ঃ সাংস্কৃতিক বিলম্বন মানে কি বুজে?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ ঃ 'সামাজিক সংগঠন' বুলিলে কি বুজে? সামাজিক সংগঠনৰ দুটা সংজ্ঞা লিখক।

প্ৰশ্ন নং ২ ঃ লোকৰীতিৰ আৰু লোকাচাৰ কি ? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ সামাজিক বিশৃংখলতাৰ প্ৰকৃতি আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ ব্যক্তিগত বিশৃংখলতাৰ বিভিন্ন ৰূপ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৫ ঃ "সাম্প্ৰদায়িক বিশৃংখলতাৰ এটা গুৰুত্বপূৰ্ণ কাৰক হ'ল নিবনুৱা সমস্যা" - উক্তিটোৰ যথাৰ্থতা প্ৰমাণ কৰক।

(গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ ঃ সামাজিক বিশৃংখলতাৰ বিভিন্ন প্ৰকাৰ সমূহ বহলাই আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ সামাজিক বিশৃংখলতা সৃষ্টিকাৰী কাৰকবোৰৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ সামাজিক বিশৃংখলতা আঁতৰোৱাৰ বিভিন্ন পন্থা ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃ 'সামাজিক বিশৃংখলতা প্ৰতিহত আৰু নিয়ন্ত্ৰণ কৰাত শিক্ষা এক গুৰুত্বপূৰ্ণ আহিলা' - উক্তিটো বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ঃ সামাজিক দল বা সমূহ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ সামাজিক দলৰ অর্থ
  ৭.৩.১ সামাজিক দলৰ সংজ্ঞা
  ৭.৩.২ সামাজিক দলৰ বৈশিষ্ট্য
  ৭.৩.৩ সামাজিক শ্রেণী বিভাজন
৭.৪ সামাজিক আন্তঃক্রিয়াৰ অর্থ
  ৭.৪.১ সামাজিক আন্তঃক্রিয়াৰ বৈশিষ্ট্য
  ৭.৪.২ সামাজিক আন্তঃক্রিয়াৰ কাৰকসমূহ
  ৭.৪.৩ সামাজিক আন্তঃক্রিয়াৰ প্রকাৰ
  ৭.৪.৪ সামাজিক আন্তঃক্রিয়াৰ শৈক্ষিক প্রয়োগ
৭.৫ দলীয় গতিশীলতাৰ ধাৰণা আৰু সংজ্ঞা
৭.৬ দলীয় গতিশীলতাৰ শৈক্ষিক তাৎপর্য্য
৭.৭ নেতৃত্ব ধাৰণা
  ৭.৭.১ নেতৃত্বৰ অর্থ আৰু সংজ্ঞা
  ৭.৭.২ নেতৃত্বৰ উদ্দেশ্যসমূহ
  ৭.৭.৩ নেতৃত্বৰ প্রকাৰসমূহ
  ৭.৭.৪ নেতৃত্বৰ প্রশিক্ষণত শিক্ষাৰ ভূমিকা
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্রগতিৰ খতিয়ান
৭.১১ আৰ্হি প্রশ্ন

৭.১ শৈক্ষিক উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক দলৰ অর্থ আৰু বৈশিষ্ট্যসমূহ জানিবলৈ সক্ষম হ'ব
- সামাজিক দলৰ প্রকাৰসমূহ আলোচনা কৰিব পাৰিব
- সামাজিক আন্তঃক্রিয়াৰ অর্থ, প্রকৃতি আৰু উপাদানসমূহ বর্ণনা কৰিব পাৰিব
- দলীয় গতিশীলতাৰ শৈক্ষিক তাৎপর্য্যসমূহ চিনাক্ত কৰিব পাৰিব
- নেতৃত্ব প্রশিক্ষণত শিক্ষাৰ ভূমিকা বর্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

যেতিয়া এটি শিশুৰ জন্ম হয়, তেতিয়া সেই শিশুটি এটা পৰিয়ালৰ সদস্য হৈ পৰে আৰু সেই পৰিয়ালৰ পৰা নিজৰ এক পৰিচয় গ্ৰহণ কৰে। কিন্তু সেই শিশুটি গোটেই জীৱন এটা পৰিয়ালতে আৱদ্ধ হৈ নাথাকে। এজন ব্যক্তি হিচাপে তেওঁ পৰিয়ালৰ পৰা পৰিয়ালৰ পটভূমি গ্ৰহণ কৰি বাহ্যিক জগতলৈ ওলাই আহে আৰু নিজৰ অভিজ্ঞতাসমূহ আনৰ আগত প্ৰকাশ কৰে। মানুহ হৈছে এক সামাজিক জীৱ। তেওঁ মাথো কেৱল এটা পৰিয়ালৰ সদস্য নহয়। মহান গ্ৰীক দাৰ্শনিক এৰিষ্টটলে কৈছিল — মানুহ হৈছে এক সামাজিক জীৱ। যি সমাজত বসবাস নকৰে তেওঁ বা সি হয় দেৱতা নহয় পশু। এখন সমাজ ব্যক্তিকলৈ আৰু ব্যক্তিৰ হকে সৃষ্টি হয়। সেয়ে সমাজৰ সদস্যসকলে সমাজখন সজীৱ কৰি ৰাখিবলৈ, সমাজৰ অন্যান্য সদস্যসকলৰ সৈতে আন্তঃক্ৰিয়া বজাই ৰাখি এক সম্পৰ্ক স্থাপন কৰে। সমাজত যিজন ব্যক্তি অথবা কেইবাজনো ব্যক্তিৰ মাজত স্থাপিত হোৱা এই সম্পৰ্ক আৰু আন্তঃক্ৰিয়াসমূহ কিছুমান মাধ্যমৰ জৰিয়তে প্ৰতিষ্ঠিত হয়। এই মাধ্যম অথবা প্ৰকাৰসমূহক সামাজিক দল হিচাপে নামকৰণ কৰা হয়।

সমাজৰ প্ৰতিজন ব্যক্তিয়ে যিকোনো এটা নহয় আন এটা দলৰ অন্তভূৰ্ক্ত, ব্যক্তি এজনৰ আচৰণ প্ৰক্ৰিয়া বহু পৰিমাণে তেওঁৰ দলৰ কাৰ্যকলাপৰ দ্বাৰা প্ৰভাৱিত হয়। বৰ্তমান সময়ত এই দলসমূহৰ অধ্যয়নে এক তাৎপৰ্য বহন কৰে। দলসমূহৰ প্ৰকৃতি, দলীয় বিকাশৰ নীতি, ব্যক্তিৰ সৈতে দলৰ আন্তঃসম্পৰ্ক, দলৰ সৈতে অন্য দল অথবা বৃহৎ অনুষ্ঠানৰ আন্তঃসম্পৰ্কৰ জ্ঞান লাভ কৰাৰ এক গতিশীল মাধ্যম হৈছে দলীয় গতিশীলতা। ক্ষেত্ৰ অধ্যয়ন হিচাপে দলীয় গতিশীলতাৰ শিপা মনোবিজ্ঞান আৰু সমাজবিজ্ঞান উভয়তেই পৰিলক্ষিত হয়। পৰীক্ষণ মনোবিজ্ঞানৰ প্ৰবৰ্তক উইল হেলেম উণ্ডট, সমাজবিদ দুৰখেইম, মনোবিজ্ঞানী মেকডুগল আৰু সমাজ তত্ত্ববিদ, গুষ্টাভে লি. বণ্ড এ দলীয় আচৰণৰ ওপৰত বিভিন্ন অধ্যয়ন সম্পাদন কৰিছিল মূলতঃ সমাজ মনোবিদ কাৰ্ট লিউইনে ব্যক্তিৰ দলসমূহৰ অন্তৰ্গত ধনাত্মক আৰু ঋনাত্মক শক্তিসমূহক বৰ্ণনা কৰিবলৈ দলীয় গতিশীলতাৰ ধাৰণাৰ জন্ম দিছিল। তেওঁ মাছাছাটুৱেটছৰ প্ৰযুক্তি অনুষ্ঠানত (Massachusetts Institute of Technology) দলীয় গতিশীলতাৰ গৱেষণাকেন্দ্ৰ স্থাপন কৰিছিল (Group dynamic research centres)। এই অনুষ্ঠানৰ প্ৰধান কাৰ্য হৈছে দলীয় গতিশীলতাৰ অধ্যয়ন কৰা। এই প্ৰচেষ্টাৰ মূল ধাৰণা তেওঁ পদাৰ্থ বিজ্ঞান আৰু জ্যামিতিৰ পৰা আহৰণ কৰিছিল। গতিশীলতাৰ অৰ্থ হৈছে পৰিবৰ্তন। দলীয় গতিশীলতা হৈছে দলৰ ব্যক্তিসমূহৰ আন্তঃক্ৰিয়াৰ জৰিয়তে হোৱা ব্যৱহাৰিক পৰিৱৰ্তন। ই দলীয় অৱস্থাসমূহক কাৰ্যক্ৰম হোৱা উৎস বা শক্তিসমূহক বুজায়।

এই অধ্যায়ত দলসমূহৰ সম্পৰ্কে আলোচনা কৰা হৈছে। এই অধ্যায়টিয়ে দলৰ প্ৰকাৰ, দলীয় গতিশীলতা আৰু নেতৃত্বৰ বিষয়ে এক সম্পূৰ্ণ ছবি দাঙি ধৰিছে।

৭.৩ সমাজ আৰু ইয়াৰ উৎপত্তি

সামাজিক দল হৈছে জটিল সামাজিক প্রক্রিয়াৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য। আমি জানো যে মানুহক লৈয়ে এখন সমাজ গঠিত। যেতিয়া সমাজৰ সদস্যসকলে অন্যান্য সদস্যসকলৰ সৈতে প্রত্যক্ষ আৰু পৰোক্ষভাৱে সম্পর্ক আৰু যোগাযোগ স্থাপন কৰে তেতিয়া ই সামাজিক দলৰ গঢ় লৈ উঠে। যেতিয়া দলৰ সদস্যসকলে পৰস্পৰে পৰস্পৰৰ সৈতে অর্থপূর্ণ প্রতিক্রিয়া প্রকাশ কৰে তেতিয়াই দলসমূহক সামাজিক দল হিচাপে বিবেচনা কৰা হয়। যিকোনো ক্ষেত্রতে মানুহে দলীয় জীৱন-যাপন কৰে। বহল দৃষ্টিত মানুহৰ জীৱনটোৱেই হৈছে এক দলীয় জীৱন। সামাজিক দলসমূহ হৈছে সমাজৰ সু-ব্যৱস্থাপনাৰ এক গুৰুত্বপূর্ণ অংগ। সামাজিক দল হৈছে সেই ব্যক্তিসকলৰ এক সংগ্রহ যি ব্যক্তিয়ে প্রত্যক্ষ বা পৰোক্ষভাৱে আনৰ লগত আন্তঃক্রিয়া স্থাপন কৰে। আমি এটা কথা মনত ৰখা উচিত যে শাৰীৰিকভাৱে কোনো এক স্থানত উপস্থিত হোৱা ব্যক্তিৰ সমাহাৰক সামাজিক দল হিচাপে অভিহিত কৰিব নোৱাৰি, যেতিয়ালৈকে সেই দলৰ ব্যক্তিসকলে আন ব্যক্তিৰ সৈতে সম্পর্ক আৰু যোগাযোগ স্থাপন নকৰে। সামাজিক সম্পর্ক আৰু যোগাযোগ হৈছে সামাজিক দলৰ অবিচ্ছেদ্য অংগ। দলৰ কিছুমান সামূহিক লক্ষ্য আহৰণৰ উদ্দেশ্যে সামাজিক দলসমূহ স্থাপন হয়। সামাজিক দলৰ প্রকাৰ সমূহৰ মাধ্যমেৰে আমি সেই দলৰ প্রকৃতি সম্বন্ধে অৱগত হ'বলৈ সুবিধা পাওঁ। সামাজিক দলৰ প্রকাৰসমূহ পৰৱর্তী পর্য্যায়ত আলোচনা কৰা হ'ব।

৭.৩.১ সামাজিক দলৰ সংজ্ঞা

সামাজিক দল সম্বন্ধে এক স্পষ্ট ধাৰণা লাভ কৰিবলৈ আমি বিভিন্ন সমাজতত্ববিদে প্রদান কৰা সংজ্ঞা সমূহৰ সহায় ল'ব পাৰো।

- **অর্গবান আৰু নিমকফে কৈছিল** — "যেতিয়া দুজন বা ততোধিক ব্যক্তিয়ে পৰস্পৰে পৰস্পৰৰ সংস্পর্শলৈ আহে আৰু প্রভাবান্বিত কৰে তেতিয়া তেওঁলোকক এক সামাজিক দল গঠন কৰা হিচাপে বিবেচনা কৰা হয়।"
- **চেৰিফ আৰু চেৰিফৰ মতে** — "দল হৈছে কম বেছি পৰিমাণে নিজস্ব এক প্রস্থিতি আৰু আনৰ প্রতি থকা সম্পর্কৰ ভূমিকা স্থাপন কৰিব পৰা কিছুমান লোকৰে গঠিত এক সামাজিক গোট। দলৰ এই ব্যক্তিসকলে দলৰ ফলাফলৰ বিষয়ত ব্যক্তিৰ আচৰণ নিয়ন্ত্রণ ৰক্ষাৰ বাবে কিছু আদর্শ বহন কৰে।
- **হেৰি এণ্ড জনচ্নৰ ভাষাত** — "সামাজিক দল হৈছে সামাজিক আন্তঃক্রিয়াৰ এক পদ্ধতি।
- **উইলিয়ামৰ মতে** — "সামাজিক দল হৈছে কিছুমান ব্যক্তিৰ সমাহাৰ য'ত ব্যক্তিয়ে আন্তঃক্রিয়াত সম্পূর্ণ ভূমিকা পালন কৰে আৰু আনৰ দ্বাৰা আন্তঃক্রিয়াৰ এক গোট হিচাপে স্বীকৃতি লাভ কৰে।

- **আৰ. এম মেকইভাৰ আৰু পেজৰ** মতে, "সামাজিক দল হৈছে এনে কিছুমান ব্যক্তিৰ সংগ্রহণ যিয়ে পৰস্পৰে পৰস্পৰৰ দ্বাৰা ব্যক্তিগত সম্পর্কত অন্তর্নিহিত হৈ পৰে।"
- **ফেইলডাৰৰ** মতে, "দল শব্দটোৰ দ্বাৰা আমি কিছুমান ব্যক্তিৰ সমাহাৰক বুজো যিয়ে কিছুমান সাধাৰণ বিশ্বাসৰ ওপৰত নির্ভৰ কৰে, যিয়ে এনেকুৱা এক বিশ্বাসৰ ওপৰত আত্মনির্ভৰশীল, যি বিশ্বাসৰ বাবে ব্যক্তিসকল পাৰস্পৰিকভাৱে প্রভাৱান্বিত হোৱাৰ সম্ভাৱনা থাকে।"

ওপৰোক্ত এই সংজ্ঞাসমূহে আমাৰ সামাজিক দলৰ এক স্পষ্ট ধাৰণা দাঙি ধৰাত সহায় কৰে।



জানি থোৱা ভাল

- সামাজিক দল হৈছে সামাজিক সু-ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ। সামাজিক সম্পর্ক আৰু যোগাযোগৰ আৰ্হিত সামাজিক সম্বন্ধ সমূহ হৈছে মূখ্য উপাদান। দলৰ কিছুমান সামূহিক উদ্দেশ্য আহৰণৰ লক্ষ্যৰে এই দলসমূহৰ সৃষ্টি হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সামাজিক দল বুলিলে কি বুজা?

.....



চিন্তা-চর্চা কৰকঃ ৭.১

দলৰ সদস্যসকলৰ মাজত সামাজিক সম্বন্ধ শক্তিশালী কৰি তুলিব পৰা কিছুমান কার্য্য চিনাক্তকৰণ কৰা।

.....

৭.৩.২ সামাজিক দলৰ বৈশিষ্ট্য

নিম্নোক্ত বৈশিষ্ট্যসমূহ সামাজিক দলত প্রতিফলিত হয়। এইসমূহৰ অবিহনে সামাজিক দলৰ সামাজিক গুৰুত্বতা মূল্যহীন।

- **ব্যক্তিৰ সমষ্টি** - সামাজিক দল হৈছে ব্যক্তিৰ সমষ্টি। ব্যক্তি অবিহনে কোনো দল হ'ব নোৱাৰে। সেয়েহে ব্যক্তিৰ সমষ্টিয়েই হৈছে সামাজিক দলৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য।
- **সদস্যসমূহৰ মাজত আন্তঃক্রিয়া**-আন্তঃক্রিয়া আৰু আন্তঃসম্পর্কৰ অবিহনে কেৱল

মাত্র কেইজনমান ব্যক্তিৰ সমাহাৰত সামাজিক দল হিচাপে প্ৰতিপন্ন কৰিব নোৱাৰি। এক সামাজিক দল হ'বলৈ হ'লে সদস্যসকলে পৰস্পৰে পৰস্পৰৰ লগত আন্তঃক্ৰিয়া স্থাপন কৰিব লাগিব।

- **একতাৰ ভাব**-সামাজিক দলৰ আন এক বৈশিষ্ট্য হৈছে একতাৰ ভাব। এই একতাৰ ভাৱ সদস্যসকলৰ মাজত সহানুভূতি আৰু সহযোগিতা ভাৱক বিকাশ কৰি তোলে।
- **পাৰস্পৰিক সচেতনতা** - সামাজিক দলত সদস্যসকল অন্যান্য সদস্যৰ আগ্ৰহ, প্ৰয়োজন আৰু আশা-আকাঙ্খ্যাৰ প্ৰতি সচেতন হোৱা উচিত।
- **সামূহিক উদ্দেশ্য** - সামাজিক দলৰ আন এক প্ৰধান বৈশিষ্ট্য হৈছে সামূহিক উদ্দেশ্য। প্ৰতিটো সামাজিক দলে কিছুমান সামূহিক উদ্দেশ্য আগত ৰাখি দল সংস্থাপন কৰে আৰু ইয়াৰ সদস্যসকলে এই উদ্দেশ্য আহৰণৰ বাবে অহৰহ চেষ্টা কৰে।
- **সামূহিক আচৰণ** - দলৰ সদস্যসকলে কম বেছি পৰিমাণে সদৃশ আচৰণ প্ৰদৰ্শন কৰে। সামূহিক আচৰণ হৈছে সামাজিক দলৰ এক বিশিষ্ট লক্ষণ।
- **সংগঠন** — এক সামাজিক দল সদায় সু-সংগঠিত। অসংগঠিত দল কেতিয়াও সামাজিক দল হ'ব নোৱাৰে।
- **দলীয় মানদণ্ড** - যিহেতু সামাজিক দলসমূহ হৈছে সংগঠিত দল, সেয়ে এই দলসমূহ কিছুমান মানদণ্ড মানি চলাটো নিৰ্দ্ধাৰিত। সমাজৰ সদস্যসকলে সমাজখন নিকাভাৱে চলাই নিয়াৰ বাবে আচাৰসমূহ অনুসৰণ কৰে।
- **সদস্যসমূহৰ ওপৰত নিয়ন্ত্ৰণ** -সামাজিক দলে ইয়াৰ সদস্যসকলৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰাখে যাতে যিকোনো পৰিস্থিতিতে সমাজৰ মানদণ্ডসমূহ অমান্য কৰা নহয়।
- **দলৰ আকাৰ** - সামাজিক দলৰ আন এক প্ৰধান বৈশিষ্ট্য হৈছে আকাৰৰ ভিন্নতা। প্ৰতিটো দলেই নিজস্ব এক আকাৰে বৈশিষ্ট্যপূৰ্ণ। এটা দল দুজন ব্যক্তিৰ দ্বাৰা গঠিত অথবা ভিন্ন জন ব্যক্তিৰ দ্বাৰা সংগঠিত হয়।
- **স্থায়িত্ব** - সামাজিক দলৰ স্থায়িত্ব অথবা সময়ৰ পৰিসৰ দল ভেদে ভিন্ন হয়। কিছুমান দল ক্ষন্তেকীয়া, অস্থিৰ আৰু আন কিছুমান দল চিৰস্থায়ী যেনে - পৰিয়াল।
- **পৰিবৰ্তনশীলতা** -সামাজিক দলসমূহ পৰিবৰ্তনশীল। এই নিয়ম অনুসৰি সমাজত পুৰণি সদস্যৰ বিয়োগ ঘটে আৰু নতুন সদস্যৰ জন্ম হয়। সেয়েহে সামাজিক দলসমূহ পৰিবৰ্তনশীল।

৭.৩.৩ সামাজিক দলৰ প্ৰকাৰ

সামাজিক দলৰ এক স্পষ্ট ধাৰণা আহৰণ কৰিবৰ বাবে আমি ইয়াৰ প্ৰকাৰ সমূহৰ বিষয়ে আলোচনা কৰা উচিত। কিয়নো সকলো সামাজিক দল সম প্ৰকৃতিৰ

নহয়। প্রকৃতিভেদে দলসমূহ ভিন ভিন। সামাজিক দলৰ শ্রেণীবিভাজন সহজ প্রক্রিয়া নহয়। সমাজতত্ত্ববিদ সকলে বিভিন্ন উপাদান সমূহৰ প্রতি লক্ষ্য ৰাখি সামাজিক দল সমূহৰ শ্রেণী বিভাজন কৰিছে। সেই উপাদান সমূহৰ ভিতৰত উল্লেখনীয় হ'ল — জাতিগত বৈশিষ্ট্য, ধর্মীয় বিশ্বাস, পৰিসীমা, আকাৰ, বর্ণ, তেজৰ সম্পর্ক, সামাজিক আন্তঃক্রিয়াৰ প্রকৃতি, আগ্রহ ইত্যাদি। সেয়েহে ভিন ভিন সমাজতত্ত্ববিদৰ মতামত অনুসৰি তেওঁলোকৰ বিভাজনসমূহৰ মাজত ভিন্নতা পৰিলক্ষিত হয়। সামাজিক দলৰ প্রধান প্রকাৰসমূহ হ'ল-

- **প্রাথমিক দল আৰু গৌণ দল** - যি দলত সদস্যসকলে মুখা-মুখি ভাৱে ইজনে আনজনৰ লগত আন্তঃক্রিয়া স্থাপন কৰে সেই দলক প্রাথমিক দল হিচাপে অভিহিত কৰা হয়। এই প্রাথমিক দলত সদস্য সকলৰ মাজৰ সম্পর্ক আৰু বান্ধোন প্রত্যক্ষ আৰু অতি ঘনিষ্ঠ। প্রাথমিক দলৰ এটা সর্বসাধাৰণ উদাহৰণ হৈছে পৰিয়াল। সমাজবিদ চি.এচ. কুলেই এই প্রাথমিক দলৰ ধাৰণাৰ প্রৱর্তক। প্রাথমিক দলসমূহ আকাৰত সৰু।

  গৌণ দল বা দলসমূহ হৈছে এনে এক দল যি দলত সদস্যসকলৰ মাজত মুখা-মুখি সম্পর্ক অথবা মুখা-মুখি অনুসংগৰ স্থাপন সম্ভৱ নহয়। এই দলত সদস্য সকলৰ মাজত স্থাপন হোৱা সম্পর্কসমূহ পৰোক্ষ প্রকৃতিৰ। এই গৌণ দলসমূহক অবশিষ্ট শ্রেণী বা দল হিচাপে অভিহিত কৰা হয়। এই ধৰণৰ দলত দলৰ সদস্যসকলে ইজনে আনজনৰ লগত প্রত্যক্ষভাৱে সম্পর্ক স্থাপন কৰিব নোৱাৰে।

- **ঐচ্ছিক দল আৰু অনৈচ্ছিক দল** - সেইসমূহ সামাজিক দলত ঐচ্ছিক দল হিচাপে অভিহিত কৰা হয়, যি দলত সদস্যসকলে নিজৰ ইচ্ছাৰ ভিত্তিত, স্বাধীনভাৱে দলত অংশগ্রহণ আৰু ত্যাগ কৰাৰ সুবিধা থাকে। ঐচ্ছিক দলৰ উদাহৰণ হৈছে ৰাজনৈতিক দল, ব্যৱসায় সস্থা, ধর্মীয় সংস্থা, সাংস্কৃতিক দল ইত্যাদি।

  অনৈচ্ছিক দল - যি সমূহ সামাজিক দলত দলৰ গ্রহণ আৰু ত্যাগৰ ক্ষেত্রত সদস্যসকল কিছুমান নির্দ্ধাৰিত নিয়মৰ দ্বাৰা নির্দ্ধাৰিত, তেনে দলক অনৈচ্ছিক দল বোলা হয়। তেনে দলৰ সদস্যসকলক দলত গ্রহণৰ বাহিৰে অন্য বিকল্প নাথাকে। এই ধৰণৰ দলৰ উদাহৰণ হৈছে - পৰিয়াল, নগৰ, ৰাজ্য, দেশ, জাতি ইত্যাদি।

- **সমান্তৰাল আৰু অধুলম্ব** - সমাজবিদ পি.এ. চৰকিনে সামাজিক দলৰ এই বিভাজনৰ ধাৰণাৰ বিকাশ কৰিছিল। যিসমূহ সামাজিক দল প্রকৃতিগত ভাৱে বৃহৎ আৰু সকলো দিশকে অন্তভূর্ক্তি কৰি লয় তাকে সমান্তৰাল দল বোলা হয়। এই দলত অন্তভূর্ক্ত সদস্যৰ সংখ্যা যথেষ্ট পৰিমাণে অধিক, যিয়ে এই দলৰ আকাৰ বৃহৎ কৰি তোলে। এই ধৰণৰ উদাহৰণ হৈছে - জাতি, ৰাষ্ট্র, সমূহ ইত্যাদি।

  দলৰ ক্ষুদ্র ভাগটোক অধুলম্ব দল হিচাপে জনা যায়। যিকোনো এক দলৰ অর্থনৈতিক শ্রেণী হৈছে অধুলম্ব দলৰ এক উদাহৰণ যিয়ে প্রস্থিতি প্রদান কৰে

লগতে কোনো সামাজিক দলৰ বা দেশ এখনৰ ৰাজনৈতিক দল বা সংগঠন এনে দলৰ উদাহৰণ।

- **আভ্যন্তৰীণ আৰু বাহ্যিক দল** - সামাজিক দলৰ এই বিভাজন আগবঢ়াওতা জন হ'ল ডব্লিউ. জি. ছামনাৰ। এই আভ্যন্তৰীণ দল সমূহক 'আমাৰ দল' (We Group)হিচাপেও জনা যায়। ই হৈছে এনে এক দল য'ত সদস্য সকলে এক সামূহিক উদ্দেশ্য আৰু লক্ষ্য আহৰণৰ বাবে একত্রিত হয়। এই দলৰ সদস্যসকলে বিশেষ স্থানত বিশেষ যুক্তিৰ বাবে বিশেষ দলৰ সৈতে নিজকে চিনাক্তকৰণ কৰে। আভ্যন্তৰীণ দলৰ উদাহৰণ হৈছে - হিন্দুসকল; হিন্দুসকলে আন হিন্দুসকলৰ লগত লগ হৈ এনে দলৰ সৃষ্টি কৰে।

  বাহ্যিক দল - বাহ্যিক দল সমূহ হৈছে এনে এক দল যি দলত সদস্যসকলৰ মাজত সামূহিক লক্ষ্য বা উদ্দেশ্যৰ অভাৱ দেখা যায়। এইসমূহ দলক 'তেওঁলোকৰ দল' (They group) হিচাপে জনা যায়। যেনে - মুছলমানসকলৰ বাবে হিন্দু ধর্মালম্বী লোক বহি দলৰ সৃষ্টি কৰে।

- **বংশানুক্রমিক আৰু সমিলমিলিত দল** - দলৰ এই বিভাজন দেখৰাঁওতা জন হ'ল এফ. কিউ. গিৰভিঙ। বংশানুক্রিমক দল হৈছে এনে এক দল য'ত সদস্যসকলে সেই দলত জন্মগ্রহণ কৰে আৰু দলৰ সদস্য হ'বলৈ বাধ্য হৈ পৰে। প্রকৃতিৰ ফালৰ পৰা এই দলসমূহ অনৈচ্ছিক। বংশানুক্রমিক দলৰ উদাহৰণ হৈছে পৰিয়াল, জাতি, পৰম্পৰাগত দল ইত্যাদি।

  যি দলৰ সদস্যসকলে ইচ্ছাকৃতভাৱে দলৰ অংশগ্রহণ ত্যাগ কৰিব পাৰে অথবা গতিশীলভাৱে চলাই নিব পাৰে সেই দলক সমিলমিলিত দল বোলে। এই দলসমূহৰ প্রকৃতি ঐচ্ছিক। এই দলত সদস্যসকলে দলৰ অংশগ্রহণ জন্ম সূত্রে লাভ নকৰে। এই ধৰণৰ দলৰ উদাহৰণসমূহ হৈছে - ৰাজনৈতিক দল, বাণিজ্যিক দল ইত্যাদি।


- **সামাজিক আৰু অসামাজিক দল** - দলৰ আন এক শ্রেণীবিভাজন হৈছে সামাজিক আৰু অসামাজিক দল। সামাজিক দলসমূহে অন্যান্য দলৰ লগত সহযোগিতা প্রদর্শন কৰে আৰু সামাজিক বিকাশত অৰিহণা যোগান ধৰে।

  অসামাজিক দল সমূহ হৈছে এনে এক দল যি সামাজিক দলৰ আদর্শসমূহৰ পৰিপন্থী। এই দলসমূহে সমাজৰ সামূহিক স্বার্থ বিনষ্ট কৰাৰ প্রয়াস কৰে। লগতে সামাজিক বিকাশ লেহেমীয়া কৰি তোলে।

- **প্রতিষ্ঠানগত আৰু অ-প্রতিষ্ঠানগত দল** - যি সমূহ সামাজিক দল সর্বাধিক ভাৱে স্থায়ী প্রকৃতিৰ সেই সমূহ দলক প্রতিষ্ঠানগত দল বোলা হয়। এই সমূহ দলৰ স্থায়িত্ব অধিক। এনে দলৰ উদাহৰণ সমূহ হৈছে - ৰাজ্য, বিদ্যালয় ইত্যাদি।

  অপ্রতিষ্ঠানগত দল - যি সমূহ দল স্বাভাৱিকভাৱে অস্থায়ী প্রকৃতিৰ অথবা যিসমূহ দলৰ স্থায়িত্ব নিচেই ক্ষুদ্র সেই সমূহ দলক অ-প্রতিষ্ঠানগত দল বোলা। উদাহৰণস্বৰূপে উচ্ছৃংখল দল, দর্শক, সমাৱেশ ইত্যাদি।

বিভিন্ন সমাজতত্ব বিদৰ মত অনুসাৰে সামাজিক দলসমূহ নিম্ন উল্লেখিতভাৰে উপস্থাপন কৰা হ'ল —



ওপৰত উল্লেখ কৰা ধৰণে দলৰ শ্রেণীবিভাজন বিভিন্ন প্রকাৰৰ পোৱা যায়। সমাজতত্ত্ববিদ সকলে সামাজিক দলৰ প্রকাৰ সমূহৰ বিষয়ে বিভিন্ন মতামদ প্রদান কৰে। সামাজিক দলৰ অন্য কিছুমান শ্রেণীবিভাজন হ'ল —

(ক) পৰিসীমিত দল আৰু অপৰিসীমিত দল

(খ) ক্ষুদ্র দল আৰু বৃহৎ দল

(গ) মুক্ত দল আৰু সংৰক্ষিত দল

(ঘ) স্বাধীন দল আৰু সংৰক্ষিত দল

(ঙ) আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দল

(চ) সংগঠিত আৰু অসংগঠিত দল

(ছ) বিকল্পযুক্ত আৰু অতিৰিক্ত দল

এই সমূহ দলৰ ভিতৰত অতিকৈ জনপ্রিয় আৰু গুৰুত্বপূর্ণ সামাজিক দল দুটা হৈছে প্রাথমিক আৰু গৌণ দল।

➢ **প্রাথমিক দল** - আমেৰিকাৰ সমাজ মনোবিদ চার্লচ হর্টন কুলে তেওঁৰ "সামাজিক সংগঠন" শীর্ষক পুথিখনত প্রাথমিক দলৰ বিষয়ে উল্লেখ কৰিছে। প্রাথমিক দলসমূহক প্রাথমিক সম্বন্ধ সমূহে নিয়ন্ত্রণ কৰে। এই দলসমূহ ক্ষুদ্র দল য'ত ক্ষুদ্র সংখ্যক সদস্যই পৰস্পৰে পৰস্পৰৰ সম্পর্কলৈ আহি আন্তঃক্রিয়া স্থাপন কৰে। সদস্যসকলৰ মাজত আন্তঃক্রিয়া মুখা-মুখি প্রকৃতিৰ। সকলো সামাজিক সংগঠনৰ মূল ভেটি হৈছে প্রাথমিক দল সমূহ। সামাজিকীকৰণ প্রক্রিয়াৰ ক্ষেত্রত প্রাথমিক দলসমূহৰ ভূমিকা অপৰিহার্য। এই দলসমূহে ব্যক্তিৰ লগতে সমাজৰ স্বার্থও পূৰণ কৰে। পৰিয়াল হৈছে প্রাথমিক দলৰ এক সাধাৰণ উদাহৰণ। জন্মৰ পিছত এটি শিশুৱে পৰিয়ালৰ পৰিবেশত প্রৱেশ কৰে। পৰিয়ালৰ প্রতিজন সদস্যই শিশুটিৰ আচৰণ, চিন্তাধাৰা আৰু অন্যান্য অভ্যাস গঠনত যথেষ্ট পৰিমাণে প্রভাৱ পেলায়। শিশুৰ মনত সমাজৰ আদর্শ আৰু সংস্কৃতি সমূহৰ বীজ ৰোপন কৰাৰ ক্ষেত্রত এই প্রাথমিক দলে বিশেষ ভূমিকা পালন কৰে। সেয়েহে, কোৱা হয় শিশুৰ ব্যক্তিত্ব বিকাশৰ ক্ষেত্রত প্রাথমিক দলৰ ভূমিকা অপৰিহার্য। শিশুৰ বিকাশৰ বাবে তেওঁৰ 'আত্ম' (Self) বিকাশৰ গুৰুত্ব অধিক আৰু এই আত্ম বিকাশত প্রাথমিক দলৰ সম্পর্কসমূহে এক বিশেষ প্রভাৱ পেলায়। এই প্রাথমিক দলত

সদস্যসকলে তেওঁলোকৰ মাজৰ আন্তঃক্রিয়াৰ জৰিয়তে ভাল-বেয়াৰ বিচাৰ কৰিব পাৰে, যিয়ে তেওঁলোকক আচৰণৰ সংশোধন কৰাৰ লগতে এখন নতুন সমাজৰ সৃষ্টিতো অৰিহণা যোগাব পাৰে।

সংজ্ঞা -কুলেৰ মতে, "প্রাথমিক দল বুলিলে মই মুখামুখি সম্পর্ক আৰু সহযোগিতাকেই বুজো। এই দলসমূহ প্রাথমিক কেইবাটাও অর্থত কিন্তু এই দলসমূহ মূলতঃ ব্যক্তিৰ মাজত সামাজিক প্রকৃতি আৰু আদর্শ সৃষ্টিৰ প্রধান ভেটি স্বৰূপ..."

➢ **গৌণ দল** -কিংচ্লে ডেভিচৰ মতে, "গাঁঠনিৰ বিকাশৰ ভিত্তিত গৌণ দল সমূহ প্রাথমিক দলৰ বিপৰীত প্রকৃতিৰ। প্রাথমিক দলৰ বাহিৰে অন্য সকলো সামাজিক দলকে গৌণ দল হিচাপে আখ্যা দিব পাৰি। এই দলসমূহক "বিশেষ স্বার্থৰ দল" বুলি আখ্যা দিয়া হয়। এই দলসমূহত মুখা-মুখি আন্তঃক্রিয়াৰ গুৰুত্বই স্থান নাপায়। বৰঞ্চ গৌণ দলৰ সদস্যসকলৰ মাজত আন্তঃক্রিয়া পৰোক্ষ প্রকৃতিৰ হোৱাৰ লগতে সদস্যসকলৰ মাজৰ সম্পর্কও সীমিত হয়। এই দলৰ সদস্যসকলৰ অন্তভূর্ক্তিৰ অর্হতা তেওঁলোকৰ সক্ষমতাৰ আৰু প্রয়োজনৰ ওপৰত নির্ভৰশীল। এই গৌণ দলৰ স্থায়িত্ব নূন্যতম। উল্লেখনীয় যে এই গৌণ দলসমূহৰ প্রধান উৎস হৈছে প্রাথমিক দলসমূহ। আকাৰৰ ফালৰ পৰাও এই দলসমূহ বৃহৎ প্রকৃতিৰ।

সংজ্ঞা - অর্গবান আৰু নিমকোফৰ মতে, "যি সমূহ দলে ঘনিষ্ঠতা বিহীন সম্পর্কৰ অভিজ্ঞতা প্রদান কৰে, সেইসমূহ দলক গৌণ দল বুলি কোৱা হয়।"

মেকেইভাৰ আৰু পেজৰ মতে, "গৌণ দলসমূহ হৈছে বৃহৎ সংগঠন।"

ফ্রেংক ডি ৱাটচনৰ মতে, "গৌণ দলসমূহ বৃহৎ আৰু অধিক আনুষ্ঠানিক, সম্বন্ধৰ ফালৰ পৰা এই দলসমূহ বিশেষ আৰু প্রত্যক্ষ প্রকৃতিৰ আৰু একতা আৰু স্থায়িত্বৰ বাবে এই দলসমূহ ইয়াৰ সামাজিক সংগঠনৰ ওপৰত নির্ভৰশীল।

প্রাথমিক আৰু গৌণ দলৰ মাজত পার্থক্য ঃ

বিভিন্ন সমাজতত্ত্ববিদ সকলৰ সংজ্ঞা, প্রকৃতি আৰু গঠনৰ ভিত্তিত আমি প্রাথমিক আৰু গৌণ দলৰ মাজত থকা বিভিন্ন পার্থক্য সমূহ নির্ণয় কৰি উলিয়াব পাৰোঁ।

প্রাথমিক দল	গৌণ দল
১। প্রাথমিক দলৰ সদস্যসকলৰ মাজৰ সম্পর্ক প্রত্যক্ষ প্রকৃতিৰ।	১। আনহাতে গৌণ দলৰ সদস্যসকলৰ মাজৰ সম্পর্ক পৰোক্ষ প্রকৃতিৰ।
২। প্রাথমিক দলসমূহ আকাৰৰ ফালৰ পৰা ক্ষুদ্র।	২। আকাৰৰ ফালৰ পৰা গৌণ দলসমূহ বৃহৎ
৩। প্রাথমিক দলসমূহ সম্বন্ধ ভিত্তিক।	৩। গৌণ দলসমূহ উদ্দেশ্য ভিত্তিক।
৪। প্রাথমিক দলসমূহ নিয়ন্ত্রিত প্রকৃতিৰ।	৪। নিয়ন্ত্রণৰ ক্ষেত্রত গৌণ দলসমূহ শিথিল।
৫। প্রাথমিক দলসমূহ সমাজৰ ভেটিস্বৰূপ	৫। আনহাতে গৌণ দলৰ প্রাথমিক উৎস হৈছে প্রাথমিক দল সমূহ।
৬। প্রাথমিক দলত সদস্যসকলৰ মাজত দৈহিক সান্নিধ্য বা নৈকট্য আৱশ্যকীয় চর্ত।	৬। গৌণ দলত দৈহিক সান্নিধ্যৰ প্রয়োজন নাই।
৭। প্রাথমিক দলে অন্য দলক অন্তভূর্ক্ত নকৰে।	৭। কিন্তু গৌণ দলে ইয়াৰ উদ্দেশ্য আহৰণৰ বাবে কেতিয়াবা অন্যান্য দলক অন্তভূর্ক্ত

	কৰি লয়।
৮। প্রাথমিক দলত দলীয় স্বার্থৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰা নহয়।	৮। আনহাতে গৌণ দলত দলীয় স্বার্থ সর্বাধিক গুৰুত্বপূর্ণ।
৯। প্রাথমিক দলসমূহ স্থায়ী প্রকৃতিৰ	৯। আনহাতে গৌণ দলসমূহ প্রাথমিক দলৰ দৰে স্থায়ী নহয়।
১০। প্রাথমিক দলৰ প্রভাৱ ইয়াৰ সদস্য সকলৰ ওপৰত চিৰস্থায়ী প্রকৃতিৰ	১০। গৌণ দলৰ সদস্যসকলৰ ওপৰত দলৰ প্রভাৱ সীমিত।



জানি থোৱা ভাল

এতিয়া আমি জানিব পাৰিলো যে সামাজিক দলৰ প্রকাৰ বিভিন্ন, যেনে - প্রাথমিক আৰু গৌণ দল, আভ্যন্তৰীণ আৰু বাহ্যিক আৰু ঐচ্ছিক আৰু অনৈচ্ছিক দল ইত্যাদি। এই সকলোবোৰ শ্রেণী বিভাজনৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ শ্রেণীবিভাজন হৈছে প্রাথমিক আৰু গৌণ দল। এই দলৰ প্রকৃতি, গঠন আৰু স্থায়িত্বৰ ক্ষেত্রত দলসমূহৰ মাজত বিভিন্ন পার্থক্য পৰিলক্ষিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ ছামনাৰে প্রৱর্তন কৰা সামাজিক দলৰ শ্রেণীবিভাজন সমূহ কি?

.....

প্রশ্ন নং ৩ঃ প্রাথমিক আৰু গৌণদলৰ মাজত থকা দুটা পার্থক্য উল্লেখ কৰক।

.....



চিন্তা-চর্চা কৰকঃ ৭.২

আপোনাৰ চাৰিওফালে থকা প্রাথমিক আৰু গৌণ দলসমূহ চিনাক্তকৰক আৰু এই দলসমূহৰ মাজত পার্থক্য বিচাৰ কৰক।

.....

.....

৭.৪ সামাজিক আন্তঃক্রিয়াৰ অর্থ

আমি পূর্বৰ আলোচনাত সামাজিক দলসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰিছো। মানুহ হৈছে এক সামাজিক জীৱ। মানুহে অকলশৰে বসবাস কৰিব নোৱাৰে। সামাজিক দলত অন্তভূর্ক্ত হৈ ব্যক্তিয়ে সমাজৰ নীতি আৰু আদর্শসমূহ পালন কৰি এক সামাজিক জীৱন যাপন কৰে। কিন্তু প্রশ্ন হয় মানুহে কিদৰে সামাজিক দল গঠন কৰে? মানুহে কিদৰে সমাজত বসবাস

কৰে? এই প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ আমি ক'ব লাগিব যে সামাজিক দল গঠন কৰাৰ প্ৰক্ৰিয়া আৰু সেই দলত বসবাস কৰাৰ প্ৰক্ৰিয়াই হৈছে এক সামাজিক প্ৰক্ৰিয়া। সমাজ এখন গঠন কৰাৰ আৰু সামাজিক দলত মানুহ সমূহক একত্ৰিতভাৱে বান্ধি ৰখাৰ একমাত্ৰ উপায় হৈছে সামাজিক আন্তঃক্ৰিয়া। সামাজিক জীৱনৰ প্ৰতিটো বিষয় সামাজিক আন্তঃক্ৰিয়াৰ দ্বাৰা প্ৰকাশিত হয়। সামাজিক আন্তঃক্ৰিয়া হৈছে এক অতি গুৰুত্বপূৰ্ণ সামাজিক পৰিঘটনা যাৰ দ্বাৰা সমাজৰ অন্যান্য পৰিঘটনা সমূহৰ সৃষ্টি হয়। সমাজ এখন সামাজিক আন্তঃক্ৰিয়াৰ মেৰ পাকত আৱদ্ধ। ই ব্যক্তি বা দলৰ অৱস্থাযুক্ত ব্যৱহাৰৰ প্ৰকাশিত ৰূপ। এতিয়া প্ৰশ্ন হয় সামাজিক আন্তঃক্ৰিয়া কি?

সামাজিক দলত ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইজনে আনজনৰ লগত সম্বন্ধ স্থাপন কৰে। দলৰ সদস্যসমূহেও আন সদস্যসকলৰ প্ৰতি অৰ্থপূৰ্ণভাৱে উদ্দীপিন আৰু প্ৰতিক্ৰিয়া প্ৰদান কৰে। এই ধৰণৰ পাৰস্পৰিক সমৰ্থন আৰু প্ৰতিক্ৰিয়াক সামাজিক আন্তঃক্ৰিয়া আখ্যা দিয়া হয়। উদাহৰণস্বৰূপে, যেতিয়া আমি কোনো এজন ব্যক্তিক অভিনন্দন জনাও তেতিয়া আমিও প্ৰত্যুত্তৰত অভিনন্দন পাওঁ। এই ধৰণৰ কাৰ্য্যৰ পুনৰাবৃত্তি ফলাফলক সামাজিক আন্তঃক্ৰিয়া বুলি কোৱা হয়। সামাজিক আন্তঃক্ৰিয়াক সমাজখনৰ মূল ভেঁটি আখ্যা দিয়া হয়। সামাজিক আন্তঃক্ৰিয়া অবিহনে সমাজত বসবাস কৰাটো কঠিন আৰু ইয়াৰ অস্তিত্বহীনতাই দলীয় জীৱন আৰু দলীয় কাৰ্য্যাৱলীকো অস্তিত্বহীন কৰি তোলে। ই সামাজিক জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ। সমাজৰ কাৰ্য্য আৰু ব্যৱহাৰিক উপাদানে সামাজিক আন্তঃক্ৰিয়াক প্ৰতিনিধিত্ব কৰে। ই সমাজৰ এক প্ৰয়োজন। সামাজিক আন্তঃক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে ইজনে আনজনক অন্তৰত সুমুৱাই লয়। কোৱা হয় যে, সামাজিক আন্তঃক্ৰিয়া হৈছে সামাজিক ব্যৱহাৰ আৰু আচৰণৰ সমাৰ্থক। এটা সামাজিক দলত ব্যক্তিসকলে সহযোগিতা কৰে, প্ৰতিযোগিতা কৰে আৰু এইদৰে প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহে। এই কাৰ্য্যৰ কৰ্ম উপাদানক সামাজিক আন্তঃক্ৰিয়াই প্ৰতিনিধিত্ব কৰে। ই হৈছে সামাজিক জীৱনৰ এক গতিশীল উপাদান।

সামাজিক আন্তঃক্ৰিয়া সম্পৰ্কে বিভিন্ন সমাজতত্ত্ববিদে বিভিন্ন মতামত প্ৰদান কৰিছে - গিলিন আৰু গিলিনৰ মতে, সামাজিক আন্তঃক্ৰিয়াৰ দ্বাৰা ব্যক্তি আৰু ব্যক্তি, দল আৰু দল আৰু দল আৰু ব্যক্তিৰ মাজত থকা বা হ'ব পৰা সামাজিক সম্বন্ধকে বুজা যায়।

গ্ৰীণে এ কৈছিল — ব্যক্তি আৰু দল, দলৰ পৰস্পৰৰ ওপৰত থকা প্ৰভাৱেই হৈছে সামাজিক আন্তঃক্ৰিয়া। তেওঁলোকে জীৱনৰ লক্ষ্য আহৰণৰ ক্ষেত্ৰত পোৱা সমস্যা সমাধানৰ পথ আহৰণ কৰে।

ড'চন আৰু গিটিছৰ মতে — সামাজিক আন্তঃক্ৰিয়া হৈছে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা মানুহে পৰস্পৰে পৰস্পৰৰ মন সমূহ নিজৰ অন্তৰত সুমুৱাই লয়।

গিছৰ মতে — সামাজিক আন্তঃক্ৰিয়া হৈছে পাৰস্পৰিক প্ৰভাৱ যিসমূহ ব্যক্তিয়ে আন্তঃ সমৰ্থন আৰু প্ৰত্যুত্তৰৰ জৰিয়তে ইজনে আনজনৰ ওপৰত প্ৰয়োগ কৰে।

ওপৰোক্ত সংজ্ঞাসমূহৰ ভিত্তিত আমি ক'ব পাৰো যে সামাজিক আন্তঃক্ৰিয়া হৈছে সামাজিক সম্বন্ধ বিকাশৰ এক উপায়।

৭.৪.১ সামাজিক আন্তঃক্রিয়াৰ বৈশিষ্ট্য

সামাজিক আন্তঃক্রিয়াৰ ধাৰণা আৰু সংজ্ঞাসমূহৰ ভিত্তিত ইয়াৰ প্রকৃতিসমূহ নিম্নোক্ত ধৰণৰ পোৱা যায় —

- সামাজিক আন্তঃক্রিয়া হৈছে ব্যক্তি আৰু ব্যক্তিৰ মাজত সম্পর্ক স্থাপনৰ এক উপায়।
- সামাজিক আন্তঃক্রিয়া আৰু সামাজিক সম্বন্ধ সমান্তৰাল।
- সামাজিক আন্তঃক্রিয়াৰ দুটা অৱস্থা পোৱা যায় - সামাজিক সম্পর্ক আৰু যোগাযোগ।
- ই হৈছে ব্যক্তিৰ সামাজিক আচৰণ প্রকাশৰ এক মাধ্যম
- ই হৈছে সামাজিক অস্তিত্বৰ প্রধান কাৰক
- ব্যক্তি আৰু ব্যক্তি, দল আৰু দলৰ মাজৰ মৌলিক প্রকৃতিৰ সামাজিক আন্তঃক্রিয়াসমূহ হৈছে সহযোগিতা, সংঘর্ষ, প্রতিযোগিতা, সন্মিলন ইত্যাদি।
- সমাজ এখন অধ্যয়নৰ মৌলিক স্তৰ হৈছে সামাজিক আন্তঃক্রিয়া।
- ই সামাজিক দলক প্রতিনিধিত্ব কৰে।
- সমাজত সকলো ধৰণৰ সামাজিক পৰিঘটনাৰ ই মূল ভেটি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ সামাজিক আন্তঃক্রিয়া বুলিলে কি বুজা?

.....

৭.৪.২ সামাজিক আন্তঃক্রিয়াৰ কাৰকসমূহ

আমি সামাজিক আন্তঃক্রিয়াক এক সামাজিক মৌলিক প্রক্রিয়া হিচাপে আলোচনা কৰিছো। সামাজিক প্রক্রিয়া অবিহনে সমাজ এখন চলিব নোৱাৰে, কিন্তু এনেকুৱা কিছুমান কাৰক বা অৱস্থা আছে যিয়ে এই প্রক্রিয়াক প্রভাৱিত কৰে, যাৰ অবিহনে এই প্রক্রিয়া চলিব নোৱাৰে। পার্ক আৰু বার্গেছৰ মতে সামাজিক আন্তঃক্রিয়া স্থাপনৰ দুটা প্রধান কাৰক পৰিলক্ষিত হয়।

(ক) সামাজিক সম্পর্ক বা চুক্তি

(খ) সামাজিক যোগাযোগ

(ক) সামাজিক সম্পর্ক -ই হৈছে সামাজিক আন্তঃক্রিয়াৰ প্রথম স্তৰ বা অৱস্থা। ই স্বতন্ত্র সামাজিক গোটৰ সমিল মিলতাক বুজায়। সামাজিক সম্পর্কই সেই সমূহ সম্পর্কক বুজায় যি সমূহ সামাজিক ভাৱে প্রতিষ্ঠিত। সামাজিক সম্পর্কই পাৰস্পৰিক প্রতিক্রিয়া

আৰু আচৰণৰ অন্তর্নিহিত সমাযোজনক বুজায়। সামাজিক সম্পর্ক প্রতিষ্ঠাপনৰ বিভিন্ন উপায় পোৱা যায়। যেনে - টেলিফোন, ৰেডিঅ' ইত্যাদি। সামাজিক সম্পর্কৰ বাবে শাৰীৰিক সম্পর্ক প্রয়োজনীয় নহ'বও পাৰে। এই সম্পর্ক ধনাত্মক বা ঋণাত্মক, স্থায়ী বা অস্থায়ী, গৌণ বা মৌলিক হ'ব পাৰে।

(খ) যোগাযোগ — ই হৈছে সামাজিক আন্তঃক্রিয়াৰ দ্বিতীয় প্রয়োজনীয় চর্ত অথবা মাধ্যম। সামাজিক সম্পর্ক যোগাযোগৰ মাধ্যমেৰেও প্রতিষ্ঠা কৰিব পাৰি। যেনে - ৰেডিঅ', টেলিফোন, টেলিভিচন, ভাষা, বাতৰি কাকত আৰু চিঠিৰ মাধ্যমেৰেও হ'ব পাৰে। যোগাযোগত এজন ব্যক্তিয়ে আনজন ব্যক্তিৰ ধাৰণা মনোভাৱ সমূহক বা তেওঁৰ আচৰণৰ সম্পর্কে জ্ঞান আহৰণ কৰি লয়। সাধাৰণতে যোগাযোগ তিনিটা পর্য্যায়ত সংঘটিত হয়। ইন্দ্রিয় সমূহৰ মাধ্যমেৰে (চোৱা, শুনা আৰু স্পর্শ কৰা), আবেগৰ জৰিয়তে (মুখভংগী, হাঁহি), ভাৱনা আৰু আদর্শসমূহৰ দ্বাৰা (কথন আৰু ভাষা)

সামাজিক আন্তঃক্রিয়াৰ প্রকাৰ —

সামাজিক আন্তঃক্রিয়াৰ সম্বন্ধে সমাজতত্ত্ববিদসকলৰ মাজত মতৰ ভিন্নতা পৰিলক্ষিত হয়। কিছুমান সমাজতত্ত্ববিদৰ মতে সামাজিক আন্তঃক্রিয়া দুই প্রকাৰৰ আন কিছুমানৰ মতে ই চাৰি প্রকাৰৰ। কিছুসংখ্যক সমাজতত্ত্ববিদে ক'ব খোজে সামাজিক আন্তঃক্রিয়া আঠ প্রকাৰৰ। সামাজিক আন্তঃক্রিয়াৰ প্রকাৰ সমূহ তলত উল্লেখ কৰা হ'ল —

- **সহযোগিতা** — যেতিয়া দুজন বা ততোধিক ব্যক্তিয়ে ঘনিষ্ঠভাৱে এটা বিশেষ উদ্দেশ্য আহৰণৰ বাবে কার্য সম্পাদন কৰে সেই প্রক্রিয়াক সহযোগিতা বুলি কোৱা হয়। ই সামাজিক অস্তিত্বৰ মূল ভেঁটি স্বৰূপ। সহযোগিতাৰ বাবে সহানুভূতি আৰু চিনাক্তকৰণ অতি প্রয়োজনীয়। সহযোগিতা সামাজিক প্রগতিৰ বাবে অতি প্রয়োজনীয়।
- **সংঘর্ষ** — ই হৈছে সামাজিক আন্তঃক্রিয়াৰ অন্য এক প্রকাৰ। ই ব্যক্তি বা দলৰ মাজত হোৱা সংঘর্ষক বুজায়। সংঘর্ষ হৈছে সহযোগিতাৰ বিপৰীত ধর্মী আৰু সহযোগিতা আৰু সংঘর্ষ সমান্তৰালভাৱে সংঘটিত হ'ব নোৱাৰে। গিলিন আৰু গিলিনে কৈছিল সংঘর্ষ হৈছে সামাজিক প্রক্রিয়া য'ত ব্যক্তি বা দলে প্রতিদন্দ্বী ব্যক্তি বা দলক হিংসা বা হিংসাৰ ভাবুকিৰে প্রত্যাহ্বান জনায় লক্ষ্য আহৰণ কৰিব বিচাৰে।
- **প্রতিযোগিতা** — ই হৈছে সামাজিক আন্তঃক্রিয়াৰ এক প্রকাৰ। বিপৰীতধর্মী সামাজিক আন্তঃক্রিয়াৰ ই এক অতি কম হিংস্র প্রকাৰ, য'ত দুজন বা ততোধিক দলে কিছুমান উদ্দেশ্যৰ বাবে সংঘর্ষ কৰে। ই বিশ্বজনীন অস্তিত্বৰ সংঘর্ষৰ এক সামাজিক পৰিণতি। যেতিয়া মানুহৰ আকাংক্ষা অনুসৰি পর্য্যাপ্ততাৰ পৰিমাণ কম হয় তেতিয়া এই প্রকাৰ সামাজিক আন্তঃক্রিয়াৰ সৃষ্টি হয়। ই ব্যক্তিক সামাজিক প্রগতিৰ প্রতি গতিশীল কৰি তোলে।
- **উপযোগীকৰণ** — ই হৈছে সামাজিক আন্তঃক্রিয়াৰ এনে এক প্রকাৰ যাৰ জৰিয়তে

সামাজিক আদর্শসমূহৰ সৃষ্টি হয়। সামাজিক বিন্যাস সৃষ্টিৰ ই এক উপায়, যিয়ে ব্যক্তিক তেওঁৰ ইচ্ছা বা অনিচ্ছা সত্ত্বেও একেলগে কাম কৰাত সহায় কৰে। সংঘর্ষযুক্ত ব্যক্তি বা দলৰ মাজত ক্ষণস্থায়ী ভাবে কর্মত নিয়োজিত হোৱাৰ ই এক চুক্তি প্রক্রিয়া।

- **সদৃশীকৰণ** — সামাজিক আন্তঃক্রিয়াৰ আন এক প্রকাৰ হৈছে সদৃশীকৰণ। বহিৰাগত সংস্কৃতিৰ লগত সম্পর্কযুক্ত হোৱাৰ এক পৰিণতি হ'ল সদৃশীকৰণ। ই সামাজিক সমাযোজনৰ এক প্রক্রিয়া। ই এক সংস্কৃতিৰ লগত অন্য সংস্কৃতিৰ নিমগ্নকৰণ আৰু সংমিশ্রিতকৰণৰ লগত জড়িত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ সামাজিক আন্তঃক্রিয়াৰ প্রধান প্রকাৰ সমূহ কি কি?

.....

.....

৭.৪.৩ সামাজিক আন্তঃক্রিয়াৰ শৈক্ষিক প্রয়োগ

সামাজিক আন্তঃক্রিয়া, যি সামাজিক অস্তিত্বৰ প্রধান কাৰক তাৰ শৈক্ষিক তাৎপর্যতা অপৰিহার্য।

- ই হৈছে এক ক্ষেত্র বা পৰিসৰ য'ত ব্যক্তিৰ ব্যক্তিত্বই বিকাশ লাভ কৰে। শিক্ষকে সামাজিক আন্তঃক্রিয়াৰ বাবে বিভিন্ন ধৰণৰ ভেঁটিৰ সৃষ্টি কৰিব পাৰে যাতে শিশুৰ ব্যক্তিত্বৰ বিকাশৰ শিক্ষাৰ লক্ষ্য পৰিপূর্ণ হৈ উঠে।
- সামাজিক পৰিবেশত পোৱা সামাজিক আন্তঃক্রিয়াসমূহে শিক্ষার্থীসকলৰ আচৰণ পৰিশোধন কৰাৰ যথেষ্ট সহায় কৰে।
- বিভিন্ন সামাজিক আন্তঃক্রিয়াৰ প্রকাৰ যেনে — সহযোগিতা, সংঘর্ষ, প্রতিযোগিতা আদিয়ে শিশুৰ মনত সামাজিক মূল্যবোধ সমূহৰ বীজ ৰোপন কৰাত সহায় কৰে।
- এটা সম্পূর্ণ জীৱন-যাপন কৰিবলৈ হ'লে এজন ব্যক্তি ব্যক্তিগত ভাৱে সামাজিক ভাৱে সমাযোজিত হ'ব লাগিব। সামাজিক আন্তঃক্রিয়া হৈছে সামাজিক সম্বন্ধৰ বিকাশৰ ভেটি। যিয়ে গৃহ পৰিবেশৰ লগতে বিদ্যালয় আৰু অন্যান্য পৰিবেশতো ব্যক্তিৰ সামাজিক সমাযোজন উন্নত কৰি তোলে।
- বিদ্যালয় হৈছে এখন ক্ষুদ্র সমাজ। বিদ্যালয়ত সদস্যসকলৰ মাজত পোৱা সামাজিক আন্তঃক্রিয়াই সামাজিক সম্বন্ধ সমূহ বজাই ৰাখে।
- শিক্ষাৰ এক প্রধান উপাদান হৈছে শিক্ষণ শিকন প্রক্রিয়া আৰু এই প্রক্রিয়া যোগাযোগৰ

মাধ্যমেৰে সম্ভৰ হয়। যোগাযোগ হৈছে সামাজিক আন্তঃক্ৰিয়াৰ প্ৰধান বৈশিষ্ট্য।

৭.৫ দলীয় গতিশীলতাৰ ধাৰণা আৰু সংজ্ঞা

দলীয় গতিশীলতাৰ ইংৰাজী প্ৰতিশব্দ হৈছে -'Dynamics'। বুৎপত্তিগত ভাবে এই Dynamics শব্দটো গ্ৰীক শব্দ Dynamis ৰ পৰা আহিছে। যাৰ অৰ্থ হৈছে - Force অৰ্থাৎ প্ৰভাৱ শক্তি। পদাৰ্থ বিজ্ঞানত গতিশীলতা হৈছে গতি আৰু সেই গতিৰ পৰিবৰ্তনৰ অধ্যয়ন। পদাৰ্থবিজ্ঞানৰ এই ধাৰণা অন্যান্য ক্ষেত্ৰসমূহতো প্ৰয়োগ কৰিব পাৰি। গতিকে দলীয় গতিশীলতাই এটা অন্তৰাল ক্ৰিয়াশীল দলৰ শক্তিক বুজায়। দলীয় গতিশীলতাই এটা আন্তঃসামাজিক দলৰ মাজত অথবা দলসমূহৰ মাজত সংঘাটত হোৱা আচৰণমূলক আৰু মনোবৈজ্ঞানিক প্ৰক্ৰিয়াক বুজায়। দলীয় গতিশীলতাৰ অধ্যয়নে সিদ্ধান্ত গ্ৰহণৰ আচৰণৰ তাৎপৰ্যক বুজাত সমাজত বিয়পি পৰা ব্যাধি সমূহৰ চিনাক্ত কৰাত, এইবোৰৰ প্ৰতিকাৰৰ কৌশলী সৃষ্টি আৰু নতুন আদৰ্শ, প্ৰযুক্তি সমূহক অনুসৰণ কৰাত সহায় কৰে। জাতিগতবাদ, লিংগবাদ আৰু বিভিন্ন প্ৰকাৰৰ সামাজিক অন্ধবিশ্বাস আৰু প্ৰভেদবোৰ বুজাৰ ক্ষেত্ৰত দলীয় গতিশীলতা মূল দিশ।

দলীয় গতিশীলতাৰ ব্যাখ্যা দিবলৈ বিভিন্ন জনে বিভিন্ন ধৰণে প্ৰয়াস কৰি আহিছে ইয়াৰ ভিতৰত কার্ট ৰাইট আৰু জেন্দাৰে আগবঢ়োৱা সংজ্ঞা অধিক গ্ৰহণযোগ্য হিচাপে বিবেচনা কৰা হয়। তেওঁলোকে কোৱা অনুসৰি গতিশীলতাৰ অনুসন্ধানৰ ক্ষেত্ৰ হিচাপে আখ্যা দিয়া উচিত যিয়ে দলৰ প্ৰকৃতি সম্বন্ধে জ্ঞান, ইয়াৰ বিকাশৰ নীতিসমূহ আৰু ব্যক্তিৰ লগত দলসমূহৰ আন্তঃসম্বন্ধ বা অন্যান্য দল বা বৃহৎ অনুষ্ঠানৰ লগত সম্পৰ্কৰ ওপৰত অগ্ৰগতিমূলক জ্ঞান দিয়ে।

কার্ট ৰাইট আৰু জেন্দাৰৰ এই সংজ্ঞাৰ দ্বাৰা দলীয় গতিশীলতাৰ নিম্নোক্ত বৈশিষ্ট্য সমূহ পোৱা যায়—

(ক) তাত্ত্বিকভাৱে প্ৰয়োগসিদ্ধ গৱেষণাৰ ওপৰত গুৰুত্ব (খ) পৰিঘটনা সমূহৰ মাজত পাৰস্পৰিক আত্ম নিৰ্ভৰশীলতা আৰু গতিশীলতাৰ প্ৰতি আগ্ৰহ (গ) সকলো সমাজবিজ্ঞানতে গতিশীলতাৰ প্ৰাংসগিকতা (ঘ) দলসমূহৰ কাৰ্যাৱলী সমূহ উন্নত কৰাত গতিশীলতাৰ অধ্যয়নৰ ফলাফল সমূহ প্ৰয়োগ কৰাৰ সম্ভাৱনীয়তা বিদ্যমান। ইয়াৰ ফলত ব্যক্তি আৰু সমাজৰ ওপৰত পৰা প্ৰভাৱো বিচাৰ্য হ'ব।

ক্ৰেটছ আৰু ক্ৰেটছ ফিল্ডৰ মতে — দলৰ ভিতৰত সংঘটিত হোৱা পৰিৱৰ্তনে দলীয় গতিশীলতাক বুজায়।

অটো ক্লিনবাৰ্গৰ মতে — দলীয় গতিশীলতাৰ গুৰুত্বপূৰ্ণ অংশসমূহ পৰিসীমিত কৰা আৰু ইয়াৰ ব্যাখ্যা কৰাটো সম্ভৱ নহয়। এক দৃষ্টিভংগীৰে চালে দলীয় গতিশীলতাই অনুসন্ধানৰ ক্ষেত্ৰত প্ৰতিনিধিত্ব কৰে, ই আন্তঃসম্পৰ্কযুক্ত সমস্যা সমূহৰ এক অনুক্ৰম। আন এক দৃষ্টিভংগীৰে চালে ই কিছুমান কৌশলক অন্তভূৰ্ক্ত কৰি লয়। তৃতীয়তে দৃষ্টিভংগীত, দলীয় গতিশীলতা হৈছে দলৰ প্ৰকৃতি সম্পৰ্কীয় তত্ত্ব আৰু দলৰ মাজত হোৱা আন্তঃক্ৰিয়া।

গুড্‌ছৰ অভিধান মতে, দলীয় গতিশীলতাই মনোবৈজ্ঞানিক সম্বন্ধ সমূহৰ আন্তঃক্রিয়াক বুজায়, য'ত এটা দলৰ সদস্যসকলে তেওঁলোকৰ ভাৱনা আৰু আৱেগৰ ভিত্তিত এক ৰুমেহতীয়া ধাৰণাৰ বিকাশ কৰে। এই আন্তঃপ্রেৰণা দায়ক সম্পর্কক দলীয় গতিশীলতা বুলি আখ্যা দিব পাৰি।

শিক্ষা মনোবিজ্ঞানৰ ক্ষেত্রত, দলত ব্যক্তিসকলে বা দলসমূহে ব্যক্তিসকলৰ ওপৰত প্রয়োগ কৰা শক্তিৰ অধ্যয়নেই হৈছে দলীয় গতিশীলতা। ব্যক্তিৰ আকাংক্ষা, মনোভাৱ, বিশ্বাস, চৰিত্র, আৱেগ, ব্যক্তিত্ব আৰু মূল্যবোধসমূহ দলৰ দ্বাৰা প্রভাৱিত হয় বা দলসমূহ এই গুণাৱলীৰ দ্বাৰা প্রভাৱিত হয়।

দলে ব্যক্তিসকলক তেওঁলোকৰ মৌলিক প্রয়োজনসমূহ পৰিপূৰণ কৰাত সহায় কৰে আৰু প্রাপ্তিৰ অনুভৱ আহৰণত সহায় কৰে। দলে এজন ব্যক্তিৰ প্রবৃত্তিগত প্রকৃতিসমূহক মানৰ প্রকৃতিলৈ ৰূপান্তৰ কৰাত সহায় কৰে। প্রবৃত্তি আৰু আৱেগ সমূহৰ প্রকাশ, লক্ষ্য নির্দ্ধাৰণ, মনোভাৱ, চৰিত্র, অভ্যাস আৰু ভাৱনাবোৰ, মূল্যবোধ আৰু ব্যক্তিৰ ব্যক্তিত্ব এটা দলৰ আন্তঃক্রিয়াৰ দ্বাৰা প্রভাৱিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ গতিশীলতা (Dynamics) ৰ উৎপত্তিগত অর্থ লিখক।

.....

.....

প্রশ্ন নং ৭ঃ দলীয় গতিশীলতা কিয় প্রয়োজনীয়?

.....

.....

৭.৬ দলীয় গতিশীলতাৰ শৈক্ষিক তাৎপর্য্য

উন্নয়ণশীল দেশসমূহত অতি কম সময়ৰ ভিতৰত দলীয় গতিশীলতাই বিশেষ ভূমিকা লাভ কৰিছে। যৌথ পৰিয়ালৰ পদ্ধতি ভাঙোনৰ পিছত বর্তমান সময়ত একক পৰিয়লে ইয়াৰ সদস্যসকলক নিৰাপত্তা অনুভৱ, সহযোগিতা, মৰম স্নেহ আদি সম্পূর্ণৰূপে প্রদান কৰাত ব্যর্থ হৈছে। কিশোৰ-কিশোৰীসকলে তেওঁলোকৰ দলৰ পৰা মৰম, মনোৰঞ্জন, অভিৰোচন আৰু স্থান বিচাৰে। এজন শিক্ষকে দলীয় পৰিবেশত কিশোৰ-কিশোৰীসকলৰ দল প্রক্রিয়া আৰু সেই দলৰ গাঁথনি বা অন্যান্য কার্যক্রম সমূহৰ বিষয়ে জনা উচিত।

এখন বিদ্যালয়ত এটা শ্রেণী হৈছে বিভিন্ন আন্তঃসামাজিক পটভূমিৰ পৰা অহা ছাত্র-ছাত্রীসকলৰ সমষ্টি। শিক্ষকে এই শিক্ষার্থীসকলৰ মাজত হোৱা আন্তঃক্রিয়াৰ বিষয়ে জনা উচিত। দলীয় গতিশীলতাৰ মৌলিক জ্ঞান থকা শিক্ষকে শিক্ষার্থীসকলক সমাযোজনৰ ক্ষেত্রত অধিক

মূল্যবান পৰামর্শ প্রদান কৰিব পাৰে। তেওঁ শ্রেণীকোঠাৰ আৱেগিক আৰু সামাজিক পৰিবেশ উন্নত কৰি তুলিব পাৰিব।

এ.আই.গেইট্চৰ মতে, দলীয় গতিশীলতাই গণতান্ত্রিক জীৱন-যাপনৰ বাবে আৱশ্যকীয় কৌশল সমূহ বিকাশৰ বাবে সর্বোত্তম উপায় প্রদান কৰে আৰু সামাজিক বুজা পৰা আৰু গণতান্ত্রিক নাগৰিকত্বৰ বাবে দলৰ সদস্যসকলক প্রস্তুত কৰি তোলাৰ ক্ষেত্রত প্রয়োজন হোৱা সামাজিক কৌশলসমূহৰ বিকাশৰো উপায় প্রদান কৰে।

ডি. ছেগেলৰ মতে, সামাজিক গতিশীলতা হৈছে এনে এক প্রক্রিয়া যাৰ জৰিয়তে দলৰ এজন সদস্যই আন এজন সদস্যক বা একে সময়তে দলৰ সমস্যাসমূহক বিচাৰ কৰে তাক দলীয় গতিশীলতা বুলি কোৱা হয়। এই গতিশীলতাই সমস্যাৰ বিচাৰৰ লগতে তাৰ সমাধানো প্রদান কৰে, ইয়াক ব্যক্তিয়ে আবেগিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্রত ব্যৱহাৰ কৰি আহিছে।

দলীয় গতিশীলতাত ব্যৱহাৰ কৰা কৌশলসমূহ হৈছে এনে য'ত পাৰস্পৰিক সংঘাত নাথাকে। সংঘাতে দলৰ কার্য্যাৱলী সমূহ সঠিকভাৱে সম্পাদন কৰাত বাধা দিয়ে, কিয়নো ই সমস্যা সমাধানৰ বাবে আৱশ্যকীয় সমস্যাটোক বুজা আৰু স্বতন্ত্র চিন্তাক বাধা প্রদান কৰে।

যেতিয়া দলৰ সদস্যসকলৰ মাজত সমিল-মিলতা বৃদ্ধি পায় আৰু ঘনিষ্ঠতা বাঢ়ে তেতিয়া শত্রুতাৰ ভাৱ নাইকিয়া হৈ যায় বা একেবাৰে শেষ হৈ যায়। ইয়াৰ পৰিবর্তে পৰস্পৰে পৰস্পৰৰ প্রতি সন্মান প্রদর্শন কৰে। এই দৰেই দলীয় গতিশীলতাই পাৰস্পৰিক সহযোগত দলৰ সমস্যাসমূহ সমাধান কৰিবলৈ শিকায়। ব্যক্তিগত পর্য্যায়তকৈ দলীয় পর্য্যায়তহে কার্যসমূহ সু-সম্পাদিত হয়। এইয়া হৈছে দলীয় গতিশীলতাৰ প্রধান লক্ষ্য।

শিক্ষক আৰু পৰামর্শদানকাৰী সকলৰ দ্বাৰা কৰা গতিশীলতাৰ অধ্যয়নে শিক্ষার্থীৰ বিশেষ সক্ষমতাসমূহৰ বিকাশ কৰে। বিদ্যালয়ৰ সৰহ সংখ্যক শিক্ষণ সামাজিক পৰিবেশত সংঘটিত হয়। এই শিক্ষণ প্রক্রিয়াত দলৰ মানসিক স্বাস্থ্য এক গুৰুত্বপূর্ণ কাৰক। দলৰ মাজত থকা সংঘাত, হিংসা, শত্রুতা, ভয়, হতাশা আদিয়ে শিক্ষণ প্রক্রিয়াত বাধাৰ সৃষ্টি কৰে। দলীয় গতিশীলতাৰ জ্ঞানৰ জৰিয়তে এজন শিক্ষকে দলৰ সামাজিক, আবেগিক পৰিবেশ উন্নত কৰিব পাৰে। তেওঁ এই পৰিবেশৰ বাধাসমূহৰ কাৰকসমূহ চিনাক্তকৰণ কৰিব পাৰে আৰু সেই মর্মে শিক্ষণীয় পৰিবেশ উন্নতকৰণৰ বাবে প্রয়োজনীয় ব্যৱস্থা ল'ব পাৰে। ব্যক্তিৰ সদস্যসকলৰ মানসিক স্বাস্থ্য ভাৰসাম্যতা ৰক্ষাৰ বাবে আন্তঃদলীয় সম্পর্কসমূহ বিকাশ কৰিব পাৰে।

৭.৭ নেতৃত্বৰ ধাৰণা

প্রাৰম্ভিক পর্য্যায়ৰ পৰা মানৱ ইতিহাসত নেতৃত্বই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। যুদ্ধক্ষেত্রত নায়ক সকলৰ গুৰুত্ব আৰু তেওঁলোকৰ মর্য্যদা আৰু ভবিষ্যত প্রজন্মৰ বাবে তেওঁলোকে কৰা কার্য্যসমূহৰ বিষয়ে ইতিহাসবিদসকলে সোণালী আখৰে লিখি গৈছে। ৰাজনীতিবিদসকলৰ ভূমিকা, সাম্রাজ্য বিকাশৰ সম্রাট সকলে ৰাজকীয় ইতিহাসত এক বিশেষ

স্থান দখন কৰি আহিছে। আধুনিক সমাজতো নেতৃত্বৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰা হয়। আনুষ্ঠানিক বা অনানুষ্ঠানিক, ঐচ্ছিক বা সংগঠিত সকলো দলৰে একো একোজন নেতা থাকে। নেতা এজন এনে ব্যক্তি যিজনে দলৰ কার্য্যৱলীসমূহ পৰিচালনা কৰে আৰু দলৰ সদস্যসকলৰ মাজত আন্তৰিকতা আৰু পাৰস্পৰিক নির্ভৰশীলতা তীব্র কৰি তোলে। পৰিয়াল, শ্রেণী, ক্রীড়া দল বা অন্যান্য দলসমূহৰ প্রগতি বা বিকাশ সেই দলৰ নেতাজনৰ ওপৰত নির্ভৰ কৰে। সেয়েহে এই নেতৃত্বৰ বিষয়ে আৰু ভাল নেতাৰ গুণাৱলীসমূহ জনাটো অত্যন্তই প্রয়োজনীয় যাৰ দ্বাৰা আমি নতুন প্রজন্মক উপযুক্ত নেতৃত্বৰ প্রশিক্ষণ দিব পাৰো।

৭.৭.১ নেতৃত্বৰ অর্থ আৰু সংজ্ঞা

মানুহৰ যিকোনো গোট বা সামাজিক দলত সদায় এজন ব্যক্তি থাকে, যিজন অদ্বিতীয়। তেওঁ বিশিষ্ট শাৰীৰিক অবয়ব, সৌন্দর্য্য আৰু সমূহ পৰিচালনা কৰিব পৰা গুণ বহন কৰে। দলৰ অন্যান্য সদস্য সকলৰ ভিতৰত নেতাজন সাধাৰণতে সামাজিকভাৱে সু-সমাযোজিত ব্যক্তি, তেওঁ এনেকুৱা এজন ব্যক্তি যি জনে দলৰ অন্যান্য ব্যক্তিসকলৰ লগত সহজে খাপ খাই যাব পাৰে।

বার্ণাডে কৈছিল যে, বাস্তবিকতে মই কেতিয়াও এনেকুৱা নেতা লগ পোৱা নাই, যিজনে সঠিক আৰু বুদ্ধিগতভাৱে ক'ব পাৰে তেওঁ কিয় নেতা হ'বলৈ সক্ষম বা তেওঁৰ অনুগামীসকলৰ কোনো উক্তি পোৱা নাই যি গ্রহণযোগ্যভাৱে প্রকাশিত যে কিয় তেওঁলোকে তেওঁক অনুসৰণ কৰে।

নেতৃত্ব হৈছে সাধাৰণতে সংগঠিত আচৰণৰ এক প্রধান সংশোধক । ব্যক্তিৰ পূর্ব শ্রেষ্ঠতা আৰু আচৰণৰ বিশেষ ক্ষেত্রত পোৱা কার্যসিদ্ধিৰ বাবেই নেতৃত্বত মৌলিকভাৱে চৰিত্রৰ এক ব্যক্তিগত গুণ হিচাপে বিবেচনা কৰিব পাৰি। গতিকে, উচ্চ শক্তি, উচ্চ কৌশল, উচ্চ বুদ্ধি, উচ্চ জ্ঞান আৰু উচ্চ ইচ্ছা শক্তি এই সমূহৰ যিকোনো এটা নেতৃত্ব আহৰণৰ উপায় হ'ব পাৰে। To lead বা নেতৃত্বপ্রদান কৰা শব্দটোৰ অভিধানগত অর্থ মর্মে ইয়াক দুটা অর্থৰে চাব পাৰি — (ক) সর্বশ্রেষ্ঠতা আহৰণ কৰা, প্রগতিশীল হোৱা বা প্ররল হোৱা আৰু (খ) আনক পথ প্রদর্শন কৰা কোনো অনুষ্ঠানৰ মুখ্য কার্য্যকর্তা হোৱা বা আদেশ প্রদান কৰা।

লেপিয়াৰ আৰু ফ্রেন্সৱর্থৰ মতে, নেতৃত্ব হৈছে এক আচৰণ, যাৰ দ্বাৰা নেতাজনে দলৰ আন ব্যক্তিসকলৰ আচৰণক অন্যান্য লোকসকলে তেওঁক প্রভাৱিত কৰাতকৈ অধিক প্রভাৱিত কৰে। এই সংজ্ঞাটোৱে স্পষ্টভাৱে বর্ণনা কৰে যে, যিজনে নেতৃত্বভাৰ গ্রহণ কৰে তেওঁ আনৰ আচৰণসমূহকো নেতৃত্ব প্রদান কৰে। আন ব্যক্তিসকলে তেওঁক অনুসৰণ কৰে আৰু তেওঁ এই ব্যক্তিসকলৰ দ্বাৰা প্রভাৱিত নহয়।

পিজোৰে কৈছে — নেতৃত্ব হৈছে এক ধাৰণা যি ধাৰণা ব্যক্তিত্বৰ পৰিৱেশৰ

সম্পর্কৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। এজন ব্যক্তিৰ ব্যক্তিত্ব কোনো এক পৰিৱেশত নির্দিষ্ট কৰা হয় যাতে ই কিছুমান সাধাৰণ কাৰকৰ বাবে আনৰ অনুভৱ, অন্তদৃষ্টি সমূহক গতি প্রদান কৰি আৰু আনক নিয়ন্ত্রণ কৰে।

এইচ. টি মজুমদাৰৰ মতে, তেঁৱেই এজন নেতা যিজনৰ ক্ষমতা আৰু কর্তৃত্ব থাকে।

এলেনৰ মতে, উমৈহতীয়া লক্ষ্যৰ আহৰণৰ বাবে ব্যক্তিক সহযোগিতাৰ বাবে প্রত্যয় জন্মোৱাৰ কার্য্যাৱলীয়েই হৈছে নেতৃত্ব।

ছেকলাৰ আৰু হাডচনৰ মতে, বৃহৎ অনুষ্ঠানসমূহত নেতৃত্বই সেই অনুষ্ঠানৰ সামূহিক উদ্দেশ্য আহৰণৰ বাবে ব্যক্তিসকলে কৰা সামূহিক প্রয়াসক প্রভাৱান্বিত কৰি তোলা আৰু শক্তিশালী কৰি তোলাৰ প্রক্রিয়াটোৱেই নেতৃত্ব। তেওঁৰ মতে নেতৃত্ব তিনিটা বিষয়ৰ ওপৰত নির্ভৰশীল — (ক) ব্যক্তি, (খ) অনুগামীসকল (গ) অবস্থাসমূহ। নেতৃত্ব হৈছে এনে এক পৰিক্রমা য'ত দুটা দল অন্তর্নিহিত হৈ থাকে। এটা দল হৈছে যিয়ে নেতৃত্ব প্রদান কৰে, আনৰ গ্রহণযোগ্যমূলক পৰামর্শ প্রদান কৰে । নেতাজনে আদর্শ হিচাপে কাম কৰে আৰু নির্দেশ দিয়ে। আনহাতে, ফৈদ হৈছে সেইসকল, যিসকল আনৰ দ্বাৰা প্রভাবান্বিত হয়। প্রথম ফৈদৰ আদর্শ আৰু পৰামর্শসমূহ মানি চলে। নেতৃত্বৰ কার্য্যকৰীকৰণৰ বাবে দুই ফৈদৰ মাজত সহযোগিতা অত্যন্তই প্রয়োজনীয়। সেয়েহে নেতাজন তেওঁৰ অনুগামী সকলৰ ইচ্ছা আৰু আকাংক্ষাসমূহৰ লগত সমাযোজন কৰিবলৈ সদায় সাজু থকা উচিত।

৭.৭.২ নেতৃত্বৰ উদ্দেশ্যসমূহ

হিলদা টাবাই আন্তঃদল শিক্ষাৰ দৃষ্টিভংগীৰ পৰা নেতৃত্বৰ প্রধান সমস্যাসমূহৰ বিষয়ে উল্লেখ কৰিছে। তেওঁৰ আলোচনা মর্মে নিম্নোক্ত উদ্দেশ্যসমূহ আগত ৰাখি নেতাসকলক প্রশিক্ষণ প্রদান কৰা হৈছে।

➢ দলীয় আচাৰ, সামাজিক শিক্ষণ আৰু সাংস্কৃতিক প্রভেদসমূহ ব্যাখ্যা কৰাৰ ক্ষেত্রত প্রয়োজন হোৱা মৌলিক ধাৰণাসমূহৰ জ্ঞান আহৰণ কৰা।

➢ দলৰ সমস্যাসমূহ চিনাক্তকৰণ আৰু বিশ্লেষণৰ পদ্ধতি বিকাশ কৰা আৰু সেই সমস্যা সমাধানৰ ক্ষমতা বিকাশ কৰা।

➢ কোনো কার্য্য সম্পাদন কৰিবলৈ প্রয়োজন হোৱা প্রযুক্তিগত কৌশলসমূহ আহৰণ কৰা। এই কৌশলসমূহৰ ভিতৰত পৰিবেশৰ নিয়ন্ত্রণ, সমস্যাসমূহৰ চিনাক্তকৰণ, উপযুক্ত শৈক্ষিক পৰিকল্পনা প্রস্তুত কৰণ, নিৰাময়ৰ কৌশলসমূহৰ আয়ত্বকৰণ, মুক্ত আলোচনাৰ সম্পাদন, অন্যান্য নেতাৰ সৈতে দলীয় কার্য্য গ্রহণ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ নেতৃত্বৰ গুৰুত্বতা কি?

.....

.....

প্রশ্ন নং ৯ঃ কোন তিনিটা বিষয়ৰ ওপৰত নেতৃত্ব নির্ভৰশীল?

.....

.....

৭.৭.৩ নেতৃত্বৰ প্রকাৰসমূহ

সমাজতত্ত্ব আৰু মনোবিজ্ঞানৰ বিভিন্ন ক্ষেত্রত বিভিন্ন অনুসন্ধানকাৰীয়ে নেতাসমূহক বিভিন্ন ভাগত শ্রেণীগত কৰাৰ প্রয়াস কৰি আহিছে। আমি নেতৃত্বৰ এক বিশেষ শ্রেণীবিভাজনৰ বিষয়ে আলোচনা আগবঢ়াম। প্রেম পাছৰিছা আৰু কুপুস্বামীয়ে চাৰিটা প্রধান ভাগত নেতৃত্বক ভাগ কৰিছে।

- **সংস্থাগত নেতা** — এইধৰণৰ নেতাৰ উদাহৰণ হৈছে বিদ্যালয়ৰ প্রধান শিক্ষক, জিলা উপায়ুক্ত, এখন দেশৰ ৰাষ্ট্রপতি বা এটা উদ্যোগৰ পৰিচালক ইত্যাদি। এই নেতাসমূহৰ আদেশসমূহ ব্যক্তিসকলে তেওঁলোকৰ মর্য্যাদাৰ অনুক্রম মর্মে চলে আৰু স্বীকৃতি প্রাপ্ত নিয়মাৱলীৰ ওপৰত তেওঁলোকৰ সিদ্ধান্তসমূহ নির্ভৰযোগ্য।
- **দমনকাৰী নেতা** — দমনকাৰী নেতাৰ জলন্ত উদাহৰণ হৈছে - নেপেলিয়ান, ষ্টেলিন, নাচাৰ ইত্যাদি। তেওঁলোকে তেওঁলোকৰ দলক নেতৃত্ব প্রদান কৰাৰ প্রধান উদ্দেশ্য আছিল দমন কৰা। তেওঁলোক একনায়কত্ববাদী আৰু স্বৈৰাচাৰী প্রকৃতিৰ।
- **প্রেৰণা প্রদানকাৰী নেতা** — প্রেৰণা প্রদানকাৰী নেতা বুলি ক'লে আমাৰ মনলৈ অহা নেতাসকলৰ উল্লেখযোগ্য হৈছে মহাত্মা গান্ধী, লিংকন, জৱহৰলাল নেহৰু ইত্যাদি। তেওঁলোকৰ উদ্দেশ্য দলৰ সদস্যসকলক দমন আৰু শাসন কৰাৰ পৰিৱর্তে সদস্যসকলক প্রেৰণা প্রদান কৰিব বিচাৰিছিল আৰু তেওঁলোকক অনুকৰণ কৰিছিল।
- **বিশেষজ্ঞ** — এই প্রকাৰ নেতাই বিজ্ঞান, কলা বা অন্যান্য ক্ষেত্রত আহৰণ কৰা কৌশল আৰু পাৰদর্শিতাৰ বাবে দলৰ সদস্যসকলক নিয়ন্ত্রণ কৰি নেতৃত্ব প্রদান কৰিব পাৰে। তেওঁলোক নিজ কর্মক্ষেত্রত প্রধান কর্তৃপক্ষ হিচাপে স্বীকৃতি প্রাপ্ত আৰু তেওঁলোকৰ কার্য্যত আগ্রহী নিজ কর্মক্ষেত্রত প্রধান কর্তৃপক্ষ হিচাপে স্বীকৃতি প্রাপ্ত আৰু তেওঁলোকৰ কার্য্যত আগ্রহী ব্যক্তিসকলৰ অনুকৰণে তেওঁলোকক শ্রেষ্ঠ

কৰি তোলে।

ওপৰত উল্লেখ কৰা শ্ৰেণীবিভাজনসমূহ সীমিত নহয়। কুপুস্বামীয়ে কৈছিল যে এইধৰণৰ শ্ৰেণীবিভাজনক সুস্থ শ্ৰেণীবিভাজন বুলি ক'ব নোৱাৰি। সেয়েহে নেতাসকলক শ্ৰেণীভুক্ত কৰাৰ বাবে অধিক উপযুক্ত বিচাৰ বিশ্লেষণৰ প্ৰয়োজন। তেওঁৰ মতে নেতাসকলক শ্ৰেণীকৰণ কৰাৰ প্ৰধান বৈশিষ্ট্য হৈছে নেতাসকলৰ মতামত, ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহ আৰু তেওঁলোকৰ নেতৃত্বৰ প্ৰকাৰ। Theory and Problems Psychology কিতাপখনত ক্ৰেটছ আৰু ক্ৰাটছফিল্ডে নেতাসকলক দুটা প্ৰধান ভাগত ভাগ কৰিছে — (ক) স্বৈৰতান্ত্ৰিক আৰু (খ) গণতান্ত্ৰিক নেতৃত্ব।

(ক) স্বৈৰতান্ত্ৰিক নেতৃত্ব — এই প্ৰকাৰ নেতৃত্বত দমনীয় শাসনৰ সম্ভাৱনীয়তা সৰ্বাধিক। এজন স্বৈৰতান্ত্ৰিক নেতা দমনকাৰী প্ৰকৃতিৰ। অনুগামীসকলে তেওঁৰ নিৰ্দেশ মানি চলে আৰু তেওঁলোক কেৱল মাত্ৰ ভৃত্যহে। এই ধৰণৰ নেতাই তেওঁৰ শক্তিসমূহৰ প্ৰদৰ্শন কৰে আৰু তেওঁৰ দমনকাৰী মনোভাৱৰ নেতৃত্ব প্ৰদান কৰে।

(খ) গণতান্ত্ৰিক নেতৃত্ব — গণতান্ত্ৰিক নেতৃত্বত নেতাৰ কামৰ পদ্ধতি স্বৈৰতান্ত্ৰিক নেতাৰ কাৰ্য্যাৱলীতকৈ সম্পূৰ্ণভাৱে পৃথক। গণতান্ত্ৰিক নেতাই দলৰ সদস্যসকলৰ মাজত সহমৰ্মিতাৰ সৃষ্টি কৰে। তেওঁলোকৰ মাজত থকা সংঘাতসমূহ দূৰ কৰে। এইদৰে গণতান্ত্ৰিক সমাজত সদস্যসকলৰ মাজত আৰু সদস্যৰ লগত নেতাৰ প্ৰত্যক্ষ সম্পৰ্ক থাকে।

ক্ৰেটছ আৰু ক্ৰাটছফিল্ডে সত্ত্বাবাদী আৰু গণতান্ত্ৰিক নেতৃত্বৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰে —

স্বৈৰতান্ত্ৰিক নেতৃত্ব	গণতান্ত্ৰিক নেতৃত্ব
১। এই প্ৰকাৰৰ নেতৃত্বত দলৰ সকলো নেতাজনৰ দ্বাৰা নিৰ্ধাৰিত হয়।	১। আনহাতে এনেনেতাৰ দলৰ নীতিসমূহ দলৰ দ্বাৰা নিদ্ধাৰিত হয়।
২। ইয়াত নেতাজনে বিশেষ কাৰ্যসমূহ স্বেচ্ছাচাৰী ভাৱে নিৰ্ধাৰণ কৰে।	২। আনহাতে ইয়াত নেতাই,সদস্যসকলক তেওঁলোকৰ নিজ ইচ্ছামৰ্মে কাম কৰাৰ সুবিধা প্ৰদান কৰে।
৩। নিজৰ মতামতৰ ওপৰত ভিত্তি কৰি নেতাজনে তেওঁৰ অনুগামীসকলৰ কাৰ্য্যৰ মূল্যায়ন কৰে। তেওঁ দলীয় কাৰ্যসূচী সমূহত অংশগ্ৰহণ নকৰে। ইয়াত বস্তুনিষ্ঠ বিশ্লেষণৰ স্থান নাই।	৩। আনহাতে এই প্ৰকাৰ নেতৃত্বত নেতাজন সাধাৰণতে সক্ৰিয় আৰু পৰিশ্ৰমী। বস্তুনিষ্ঠ বিশ্লেষণৰ ভিত্তিত তেওঁ সদস্যসকলৰ প্ৰশংসা বা সমালোচনা কৰে।

৭.৭.৪ নেতৃত্বৰ প্ৰশিক্ষণত শিক্ষাৰ ভূমিকা

এজন সফল নেতা হোৱাৰ ক্ষেত্ৰত বংশগতি আৰু পৰিবেশৰ লগতে উপযুক্ত প্ৰশিক্ষণ আৰু শিক্ষাৰ প্ৰয়োজন। এইদৰে নেতৃত্বৰ প্ৰশিক্ষণৰ যিকোনো কাৰ্য্যক্ৰমৰ প্ৰথম স্তৰত ভৱিষ্যত নেতাজনৰ অবস্থানে বিশেষ গুৰুত্ব লাভ কৰে। বিদ্যালয়ৰ শ্ৰেণী কোঠা বা সহ-পাঠ্যক্ৰমিক পৰিবেশত যিজন শিশুৱে নেতৃত্বৰ প্ৰধান সংলক্ষণসমূহৰ বহি প্ৰকাশ কৰে তেওঁ বিদ্যালয়ৰ শিক্ষক আৰু কতৃপক্ষই গুৰুত্ব প্ৰদান কৰিব লাগে। এই ধৰণৰ ভৱিষ্যত নেতাসকলৰ বিকাশৰ ক্ষেত্ৰত নিম্নোক্ত উপায়সমূহে বিশেষ সহায় কৰিব।

- বিশেষ পাৰদৰ্শিতা দেখুওৱা ছাত্ৰজনক পাঠ্যক্ৰমিক আৰু সহঃপাঠ্যক্ৰমিক দলীয় পৰিবেশত নেতাৰ ভূমিকা পালনৰ সুবিধা প্ৰদান কৰিব লাগে। তেওঁলোকক শ্ৰেণীত বা খেলা ধূলা বা অন্যান্য দলীয় পৰিবেশত পৰ্য্যবেক্ষক হিচাপে নিয়োগ কৰিব পাৰে বা নেতা হিচাপে ঘোষণা কৰিব পাৰে।
- ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় নেতা বা মহান ব্যক্তিসকলৰ আত্মজীৱনী বা জীৱনীসমূহে নতুন চমকদি বিশেষভাৱে উৎসাহিত কৰে। সেয়েহে এনেধৰণৰ জীৱনীসমূহ বা বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকল উৎসাহিত কৰা উচিত।
- উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ। সেয়েহে বিদ্যালয় পৰিবেশত প্ৰধান শিক্ষক বা শিক্ষয়িত্ৰী বা অন্যান্য শিক্ষকসকলেও এজন সফল নেতাৰ জলন্ত উদাহৰণ হিচাপে নিজকে প্ৰস্তুত কৰা উচিত।
- বিদ্যালয়ত, ধৰ্মীয় আৰু মৌলিক শিক্ষা প্ৰদানৰ লগতে সামাজিক সেৱাৰ অনুষ্ঠান অনুষ্ঠিতকৰণৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ মনত সামাজিক আৰু নৈতিক সংলক্ষণসমূহ আৰু দলীয় তাড়নাৰ বিকশিত কৰি তুলিব পৰা যায়।
- শিক্ষাৰ্থীসকলৰ নেতৃত্বৰ গুণাৱলীসমূহৰ বিকাশৰ বাবে পিতৃ-মাতৃ আৰু অন্যান্য সামাজিক সংস্থাসমূহৰ সহযোগিতা আহৰণ কৰা উচিত।

এইদৰে বিদ্যালয়সমূহে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পদ্ধতিৰ জৰিয়তে সম্ভাৱনীয় নেতাসকলৰ প্ৰশিক্ষণ প্ৰদানত বিশেষ গুৰুত্ব প্ৰদান কৰে। প্ৰগতিশীল প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহত এইসমূহ শিক্ষাৰ্থীয়ে বা ভবিষ্যত নেতাসকলে দলীয় মনোবিজ্ঞানৰ উপযুক্ত স্থান লাভ কৰাৰ লগতে বিভিন্ন ধৰণৰ অভিজ্ঞতাও আহৰণ কৰে। শিক্ষক বা অন্যান্য জ্যেষ্ঠ ব্যক্তিসকলে নিজকে এক দৃষ্টান্ত হিচাপে গঢ়ি তুলি তেওঁলোকৰ আচৰণ সমূহ নিয়ন্ত্ৰিত কৰাটো প্ৰয়োজনীয়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ ক্ৰেটছ আৰু ক্ৰাটছ ফিল্ডে কৰা নেতাৰ প্ৰধান প্ৰকাৰসমূহ উল্লেখ কৰক।

.....

.....



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি পঢ়াৰ পাচত তলত উল্লেখ কৰা মূল ধাৰণাকেইটাৰ বিষয়ে ভালদৰে জানিব পৰা গ'ল—

- সামাজিক দলৰ অৰ্থ আৰু প্ৰকৃতি সম্পৰ্কে অবগত হ'ব পাৰিলো।
- বিভিন্ন সামাজিক দলসমূহ চিনাক্ত কৰিব পাৰিলো।
- প্ৰাথমিক আৰু গৌণ দুটা প্ৰধান দলৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিলো।
- অধ্যায়টিয়ে আমাক সামাজিক আন্তঃক্ৰিয়াৰ অৰ্থ আৰু বৈশিষ্ট্যসমূহৰ সৈতে চিনাকি হোৱাত সহায় কৰিলে।
- আমি জানিব পাৰিলো যে সামাজিক সম্পৰ্ক আৰু যোগাযোগ হৈছে সামাজিক আন্তঃ ক্ৰিয়াৰ প্ৰধান কাৰক।
- ইয়াৰ উপৰিও সামাজিক আন্তঃক্ৰিয়াৰ শৈক্ষিক তাৎপৰ্যৰ বিষয়ে অবগত হ'ব পাৰিলো।
- দলীয় গতিশীলতা হৈছে অনুসন্ধানৰ এক ক্ষেত্ৰ যাৰ দ্বাৰা দলৰ প্ৰকৃতিৰ জ্ঞান, দলৰ বিকাশৰ নীতি আৰু দলৰ লগত ব্যক্তিৰ আন্তঃসম্পৰ্কৰ বিষয়ে জানিব পাৰি।
- সমাজ মনোবিদ কাৰ্ট লিইউনে ব্যক্তিৰ দলৰ মাজত থকা ধনাত্মক আৰু ঋণাত্মক শক্তিসমূহৰ ব্যাখ্যা কৰিবলৈ দলীয় গতিশীলতা শব্দটো ব্যৱহাৰ কৰিছে।
- ১৯৪৫ চনত তেওঁ Massachusets Institute of Technology ত দলীয় গতিশীলতাৰ কেন্দ্ৰ স্থাপন কৰিছিল।
- Dynamics শব্দটো গ্ৰীক শব্দ Dynamis শব্দৰ পৰা আহিছে যাৰ অৰ্থ হৈছে প্ৰভাৰ শক্তি।
- এটা দলৰ মাজত বা অন্তঃসামাজিক দলসমূহৰ মাজত পোৱা আচৰণগত আৰু মনোবৈজ্ঞানিক প্ৰক্ৰিয়াক সামাজিক গতিশীলতা বুলি কোৱা হয়।
- দলীয় গতিশীলতাৰ অধ্যয়নে শিক্ষাৰ্থীৰ বিশেষ ক্ষমতাসমূহৰ বিকাশত সহায় কৰে।
- নেতৃত্ব হৈছে সাংগঠনিক আচৰণৰ প্ৰধান সংশোধক। উচ্চ শক্তি, উচ্চ কৌশল, উচ্চ বুদ্ধি, উচ্চ ইচ্ছাশক্তি আদি নেতৃত্ব আহৰণৰ প্ৰধান উপায়।
- ক্ৰেটছ আৰু ক্ৰাটছ ফিল্ডে তেওঁলোকৰ Theory and problems of social

psychology উল্লেখ কৰা অনুসৰি নেতা প্ৰধানত দুই প্ৰকাৰৰ। স্বৈৰতান্ত্ৰিক নেতৃত্ব আৰু গণতান্ত্ৰিক নেতৃত্ব।



৭.৯ অধিক জানিবলৈ

1) H.R. Mukhi (1991) : A simple book of Sociology.

2) C.N. Sharkar Rao (2007) : Sociology-Principles of Sociology with an introduction to Social thought.

3) Kuppu Swamy B (1990) : Social change in India.



৭.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক দল হৈছে বিশেষ উদ্দেশ্য আহৰণৰ বাবে সংযোজিত হোৱা ব্যক্তিৰ গোট।

২ নং প্ৰশ্নৰ উত্তৰঃ ছামনাৰৰ মতে সামাজিক দলৰ প্ৰধান শ্ৰেণীবিভাগ দুটা হৈছে - আভ্যন্ত্ৰীণ দল আৰু বাহ্যিক দল।

৩ নং প্ৰশ্নৰ উত্তৰঃ প্ৰাথমিক আৰু গৌণ দলৰ মাজত থকা দুটা প্ৰধান পাৰ্থক্য হৈছে —
(ক) প্ৰাথমিক দলসমূহৰ আকৃতি সৰু, কিন্তু গৌণ দলসমূহ সৰু নহয়।
(খ) প্ৰাথমিক দলসমূহ তুলনামূলকভাৱে স্থায়ী আনহাতে গৌণ দলসমূহ স্থায়ী নহয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক আন্তঃক্ৰিয়া হৈছে এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা ব্যক্তিয়ে পৰস্পৰে পৰস্পৰৰ মন বুজি লয় বা পাৰস্পৰিকভাৱে সাঙোৰ খাই পৰে। মানুহৰ সামাজিক আচৰণ সংশোধন কৰাৰ ই এক প্ৰক্ৰিয়া।

৫ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক আন্তঃক্ৰিয়াৰ বিভিন্ন প্ৰকাৰসমূহ হৈছে — সহযোগিতা, সংঘৰ্ষ, প্ৰতিযোগিতা, উপযোগীকৰণ আৰু সদৃশীকৰণ।

৬ নং প্ৰশ্নৰ উত্তৰঃ দলীয় গতিশীলতা বা Dynamics শব্দটো গ্ৰীক শব্দ Dynamis ৰ পৰা আহিছে যাৰ অৰ্থ Force অৰ্থাৎ প্ৰৱাহ শক্তি।

৭ নং প্ৰশ্নৰ উত্তৰঃ দলীয় গতিশীলতা গুৰুত্বপূৰ্ণ কিয়নো ই আচৰণ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ, সমাজত ব্যাধি সমূহৰ বিয়োগ, উপযুক্ত নিৰাময় কৌশল সৃষ্টি আৰু নতুন আদৰ্শ, প্ৰযুক্তি সমূহৰ অনুসৰণ আৰু জনপ্ৰিয়তাত ই সহায় কৰে।

৮ নং প্ৰশ্নৰ উত্তৰঃ নেতৃত্বৰ প্ৰধান কাৰক হৈছে — ইয়াৰ প্ৰকৃতি, কিয়নো নেতৃত্ব হৈছে আনুষ্ঠানিক আচৰণৰ সংশোধন। ই সম্পূৰ্ণভাৱে চৰিত্ৰৰ এক ব্যক্তিগত ৰূপ।

৯ নং প্ৰশ্নৰ উত্তৰঃ নেতৃত্বই প্ৰধান তিনিটা বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে - ব্যক্তি, অনুগামীসকল আৰু অৱস্থান বা স্থিতি।

১০ নং প্রশ্নৰ উত্তৰঃ ক্রেটছ আৰু ক্রাটছফিল্ডৰ মতে, নেতৃত্বৰ দুটা প্ৰধান প্ৰকাৰ হৈছে - স্বৈৰতান্ত্ৰিক নেতৃত্ব আৰু গণতান্ত্ৰিক নেতৃত্ব।



৭.১১ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ দলীয় গতিশীলতা সম্পৰ্কে কোনে প্ৰথমে উল্লেখ কৰিছিল?

প্ৰশ্ন নং ২ ঃ দলীয় গতিশীলতা বুলিলে কি বুজে?

প্ৰশ্ন নং ৩ ঃ দলীয় গতিশীলতাৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন নং ৪ ঃ নেতৃত্ব বুলিলে কি বুজে?

খ) চমু প্ৰশ্ন (১৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ সামাজিক দল বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ সামাজিক দলৰ বিভিন্ন বৈশিষ্ট্যসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন নং ৩ ঃ সামাজিক দলৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

প্ৰশ্ন নং ৪ ঃ প্ৰাথমিক আৰু গৌণ দলৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন নং ৫ ঃ সামাজিক আন্তঃক্ৰিয়াৰ কাৰকসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন নং ৬ ঃ সামাজিক আন্তঃক্ৰিয়াৰ শৈক্ষিক তাৎপৰ্য্যতা কি?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ সামাজিক আন্তঃক্ৰিয়াৰ কাৰক সমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ সমাজৰ অস্তিত্বৰ বাবে সামাজিক আন্তঃক্ৰিয়াৰ প্ৰয়োজনীয়তা বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৮ঃ সামাজিক স্তৰীকৰণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ সামাজিক স্তৰীকৰণৰ অর্থ

৮.৩.১ সামাজিক স্তৰীকৰণৰ সংজ্ঞা

৮.৩.২ সামাজিক স্তৰীকৰণৰ প্রকৃতি

৮.৩.৩ সামাজিক স্তৰীকৰণৰ কার্য্যাৱলীসমূহ

৮.৪ স্তৰীকৰণৰ উৎস

৮.৫ সামাজিক স্তৰীকৰণৰ তত্ত্বসমূহ

৮.৬ সামাজিক স্তৰীকৰণৰ প্রকাৰ অথবা শ্রেণীসমূহ

৮.৭ শিক্ষা আৰু সামাজিক স্তৰীকৰণ

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৯ অধিক জানিবলৈ

৮.১০ অগ্রগতিৰ খতিয়ান

৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক স্তৰীকৰণৰ অর্থ, প্রকৃতি আৰু কার্য্যাৱলীসমূহ চিনাক্ত কৰিবলৈ সক্ষম হ'ব
- সামাজিক স্তৰীকৰণৰ উৎস সম্পর্কে বর্ণনা কৰিবলৈ সক্ষম হ'ব
- সামাজিক স্তৰীকৰণৰ তত্ত্বসমূহ আলোচনা কৰিব পাৰিব
- সামাজিক স্তৰীকৰণৰ প্রকাৰসমূহৰ বিষয়ে অৱগত হ'ব
- শিক্ষাৰ লগত সামাজিক স্তৰীকৰণৰ সম্পর্ক ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

আমাৰ চাৰিওফালে থকা সমাজখনৰ প্রকৃতি ভিন্ন ধৰণৰ। ভিন্ন ধৰণৰ মানুহৰ সমাগম এই সমাজখনত দেখিবলৈ পোৱা যায় যেনে — ধনী, দুখীয়া, উদ্যোগীপতি, ক্ষুদ্র ব্যৱসায়ী, শাসক, দলিত ইত্যাদি। সকলো ক্ষেত্রতে সমাজখন বিভিন্ন শ্রেণীত বিভক্ত। অর্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু ধর্মীয় আদি কাৰক সমূহৰ বাবে সমাজ বিভক্ত হয়। বিশ্বৰ সকলো প্রকাৰৰ মানৰ সমাজতে স্তৰীকৰণ ব্যৱস্থা পৰিলক্ষিত হয়। সামাজিক স্তৰীকৰণ এনে এক সামাজিক

পদ্ধতি, যাৰ যোগেদি সমাজৰ ব্যক্তি সকলক ভূমিকা আৰু প্ৰস্থিতিৰ আধাৰত উচ্চ-নিম্ন সামাজিক স্থানত বিভক্ত কৰা হয়। এই স্তৰীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে সমাজৰ লোকসকল সামাজিক সংৰচনাত নিদ্ধাৰিত ভাৰে স্থায়ী হৈ পৰে। স্তৰীকৰণৰ তিনিটা ধৰণ সাধাৰণতে পৰিলক্ষিত হয়। যেনে - জাতি-ব্যৱস্থা, সামন্ত প্ৰথা আৰু সামাজিক শ্ৰেণী ব্যৱস্থা। এই অধ্যায়টোত সমাজত প্ৰচলিত তথা বিৰাজমান ব্যক্তিৰ বিভিন্ন শ্ৰেণীসমূহৰ এক বিৱৰণ পাবলৈ আপোনালোক সক্ষম হ'ব।

৮.৩ সামাজিক স্তৰীকৰণৰ অর্থ

যি পদ্ধতিৰ দ্বাৰা ব্যক্তি বা সমূহ বিলাকক কম বেছি পৰিমাণে সামাজিক প্ৰস্থিতি মৰ্মে সামাজিকভাৱে উচ্চ-নিম্ন স্থান নিৰ্ণীত কৰি প্ৰদান কৰা হয় সেই পদ্ধতিক স্তৰীকৰণ হিচাপে জনা যায়। য়ুঙ আৰু মেকৰ (Young and Mack) ভাষাত বেছিভাগ সমাজতেই ব্যক্তিয়ে ইজনে আনজনক কিছুমান শ্ৰেণীত বিভক্ত কৰে আৰু এই সমূহক উচ্চৰ পৰা নিম্ন লৈকে স্থান নিৰ্ণয় কৰে। এই শ্ৰেণীসমূহক অর্থ প্ৰদান কৰা প্ৰক্ৰিয়াটোক সামাজিক স্তৰীকৰণ বুলি জনা যায় আৰু ফলাফল হিচাপে সৃষ্টি হোৱা সেই স্থান প্ৰাপ্ত সমূহক স্তৰীকৰণৰ গাঁথনি হিচাপে জনা যায়। এই শ্ৰেণীসমূহকেই স্তৰ আৰু অধিক জনপ্ৰিয় ভাৱে শ্ৰেণী হিচাপে জনা যায়।

প্ৰতিখন সমাজেই ইয়াৰ সদস্যসকলক উচ্চ, হীন প্ৰস্থিতি আৰু ক্ষমতাৰ ভিত্তিত বিভাজিত কৰি লয়। ব্যক্তিক বিভিন্ন স্তৰ বা শ্ৰেণীত স্থাপিত কৰা প্ৰক্ৰিয়াকে কোৱা হয় স্তৰীকৰণ। এই স্তৰীকৰণত উচ্চ স্তৰত থকা সকল নিম্ন স্তৰতকৈ অধিক শক্তিশালী, সুবিধাপ্ৰাপ্ত আৰু সন্মানীয়।

প্ৰতিখন সমাজেই ব্যক্তিসকলক মাজত তেওঁলোকৰ ভূমিকাৰ ভিত্তিত পাৰ্থক্য নিৰ্ণয় কৰে আৰু প্ৰতিখন সমাজেই তেওঁলোকৰ এই ভূমিকাসমূহ ভিন্ন ধৰণে মূল্যায়ণ কৰে কিছুমান সামাজিক ভূমিকা আন ভূমিকাৰ তুলনাত অধিক গুৰুত্বপূৰ্ণ আৰু সামাজিকভাৱে অধিক মূল্যবান। যিজন ব্যক্তিয়ে উচ্চ সন্মানিত ভূমিকা পালন কৰে তেওঁ উচ্চভাবে প্ৰংশাসিত আৰু পুৰস্কাৰ প্ৰাপ্ত। গতিকে সাধাৰণ অর্থত সামাজিক বিভাজন হৈছে বিভিন্নতাৰ আন্তঃক্ৰিয়াৰ এক প্ৰক্ৰিয়া যাৰ দ্বাৰা কিছুমান ব্যক্তি আন কিছুমানতকৈ উচ্চ পর্য্যায়ৰ স্থান দখল কৰিবলৈ সক্ষম হয়।

আধুনিক ভাৰতীয় সমাজত প্ৰধানত তিনি প্ৰকাৰৰ শ্ৰেণী উপলব্ধ — উচ্চ, মধ্য আৰু নিম্ন। উচ্চ শ্ৰেণীৰ অন্তর্ভূক্ত ব্যক্তিসকল হৈছে ধনী, ব্যৱসায়ী, উদ্যোগপতি, ৰাজনীতিবিদ আৰু উচ্চ স্তৰৰ বৃত্তিধাৰী আৰু আমোলা। এই সকল ব্যক্তিয়ে উচ্চ অর্থনৈতিক প্ৰস্থিতিৰ লগতে উচ্চ সামাজিক প্ৰস্থিতি আৰু ৰাজনৈতিক প্ৰভাৱ থাকে। উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোকসকল সাধাৰণতে পৰিচালক, অধিবক্তা, চিকিৎসক, অভিযন্তা সকল এওঁলোকৰ আর্থ-সামাজিক প্ৰস্থিতি উচ্চ শ্ৰেণীৰ লোক সকলতকৈ কিছু পৰিমাণে নিম্ন। অৱশ্যে তেওঁলোকৰ জীৱন-শৈলী উচ্চ শ্ৰেণীৰ লোকসকলৰ লগত সামঞ্জস্যপূৰ্ণ।

মধ্য শ্ৰেণীৰ লোকসকল সাধাৰণতে কর্মীসকল (ঔদ্যোগিক, কাৰখানা বা চৰকাৰী

কর্মচাৰী আদি) যিসকলৰ সম্পদৰ পৰিমাণ সীমিত কিন্তু আড়ম্বৰপূৰ্ণ আৰু আৰামদায়ক জীৱন-শৈলীৰ প্ৰতি প্ৰচণ্ড হেপাঁহ। নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ ভিতৰত শিক্ষকসকল, যন্ত্ৰকুশলী লোকসকল, কেৰাণী সকল আৰু নিৰ্দিষ্ট মজুৰি অৰ্জন কৰা কিছুমান ব্যক্তিৰ দল। এওঁলোকৰ অৰ্থনৈতিক অৱস্থা অতিকৈ কট্‌কিন্ কিন্তু এই সকল ব্যক্তিয়ে মধ্যশ্ৰেণীৰ লোকৰ দৰে জীৱন নিৰ্বাহ কৰাৰ বাবে অহৰহ প্ৰচেষ্টা কৰে।

নিম্ন শ্ৰেণীৰ অন্তৰ্ভূক্ত ব্যক্তিসকল হৈছে সাধাৰণতে কৃষি আৰু উদ্যোগ ক্ষেত্ৰত নিয়োজিত শ্ৰমিক সকল। নিম্ন বেতন প্ৰাপ্ত কৰ্মীসকল আৰু দৈনিক মজদুৰী অৰ্জন কৰা ব্যক্তিসকল। বৰ্তমান সময়ত এনে এক নতুন ধনী উচ্চ মধ্য শ্ৰেণীৰ লোকৰ আৰ্বিভাৱ হৈছে যিসকলৰ ভিতৰত অন্তভূৰ্ক্ত হোৱা ব্যক্তিসক হৈছে — বৃহৎ ভূমিৰ অধিকাৰী কৃষকসকল, ক্ষুদ্ৰ পৰ্য্যায়ৰ উদ্যোগী আৰু ব্যৱসায়ীসকল আৰু ঔদ্যোগীক আৰু চহৰাঞ্চলৰ নতুনকৈ সৃষ্টিহোৱা কৰ্মীসকল।

সাধাৰণভাৱে আমি ক'ব পাৰো যে সামাজিক স্তৰীকৰণ হৈছে সামাজিক অসমতাৰ এক বিশেষ ৰূপ। আধুনিক স্তৰীকৰণ মৌলিকভাৱে প্ৰাৰম্ভিক সমাজৰ স্তৰীকৰণতকৈ সম্পূৰ্ণ পৃথক। সামাজিক স্তৰীকৰণে সাধৰণতে ইয়াৰ প্ৰক্ৰিয়াৰ ভিতৰত দুটা পৰিঘটনা অন্তৰ্ভুক্ত কৰি লয়।

- বিশেষ কিছুমান বৈশিষ্ট্যৰ ভিত্তিত ব্যক্তি আৰু দলসমূহৰ মাজত পাৰ্থক্যকৰণ যাৰ দ্বাৰা কিছুমান ব্যক্তি বা দল আনতকৈ উচ্চ পৰ্য্যায়ত অন্তভূৰ্ক্ত হৈ পৰে।
- মূল্যায়ণৰ ভিত্তিত সমাজত ব্যক্তিৰ স্থান নিৰ্ণয় কৰা।

সামাজিক স্তৰীকৰণ চাৰিটা মূল নীতিৰ পেৰত প্ৰতিস্থিত, সেয়া হ'ল—

১। সামাজিক স্তৰীকৰণ হৈছে সমাজৰ এক সংলক্ষণ, ই ব্যক্তি পাৰ্থক্যৰ কেৱল এক প্ৰতিফলন নহয়।

২। সামাজিক স্তৰীকৰণ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰৰাহমান ভাৱে চলি থাকে।

৩। সামাজিক স্তৰীকৰণ হৈছে বিশ্বজনীন কিন্তু ই পৰিবৰ্তনশীল।

৪। সামাজিক স্তৰীকৰণ অসমতাক ইয়াৰ প্ৰক্ৰিয়াৰ ভিতৰত অন্তৰ্ভূক্ত কৰাৰ লগতে ই অসমতাকো বিশ্বাস কৰে।

৮.৩.১ সামাজিক স্তৰীকৰণৰ সংজ্ঞা

বিভিন্ন সমাজবিদ আৰু শিক্ষাবিদে ভিন্ন ধৰণে সামাজিক স্তৰীকৰণৰ সংজ্ঞা আগবঢ়াইছে। তলত তাৰ কেইটামান সংজ্ঞা আগবঢ়োৱা হ'ল —

অগৰ্বান আৰু নিম্‌কফৰ মতে, (Ogburn and Nimkoff) "যিটো প্ৰক্ৰিয়াৰ দ্বাৰা

ব্যক্তি আৰু সামাজিক সমূহ বিলাকক উচ্চ-নিম্ন সামাজিক স্থানত বিভক্ত কৰাই হৈছে স্তৰীকৰণ।"

গিছবার্টৰ মতে, (Gisbert) "সামাজিক স্তৰীকৰণ হ'ল সমাজক স্থায়ীভাবে শ্রেণী বিভক্ত কৰা। এই দৰে শ্রেণী বিভক্ত হোৱা সমূহ বিলাকৰ মাজৰ পাৰস্পৰিক সংযোগ উচ্চ-নিম্ন সম্পর্কৰ আধাৰত হয়।"

ৰেমন্দ ডব্লিউ ম'ৰেৰ মতে, (Raymand W. Murray) "সামাজিক স্তৰীকৰণ হৈছে সমাজখনক উচ্চ আৰু নীচ্চ সামাজিক গোটত আনুভূমিকভাবে বিভাজন কৰা।"

মেল ভি. এণ্ড টিউমিনৰ মতে, (Melvin M. Tumin) "সামাজিক স্তৰীকৰণে যি কোনো সামাজিক সমূহ বা সমাজক উচ্চ-নিম্ন প্রস্থিতিৰ ভিত্তিত সজায়, যি সমূহ ক্ষমতা, সম্পত্তি, সামাজিক মূল্যায়ণ আৰু মন সম্বন্ধীয় সন্তুষ্টিৰ ক্ষেত্রত অসমান।

এইচ. পি. ফেয়াৰ চাইল্ড এ (H.P. Fairchild) কৈছিল, "সামাজিক স্তৰীকৰণ হৈছে সমাজৰ উপাদানসমূহক বিভিন্ন আনুভূমিক পর্যায়ত সমূহবিলাকক সজোৱা আৰু উচ্চ-নিম্ন পার্থক্যৰ ভিত্তিত প্রস্থিতিৰ প্রতিষ্ঠাপন কৰা।"

লুন্দবার্গৰ (Lundberg) সংজ্ঞা অনুসৰি এখন বিভাজিত সমাজ বৈশিষ্ট হৈছে ব্যক্তিসকলৰ মাজত থকা অসমতা। ব্যক্তিসকলৰ মাজৰ পার্থক্য উচ্চ-নিম্ন প্রস্থিতিৰ ভিত্তিত মূল্যায়ণ কৰা হয়।"

চ'ৰকিনে (Sorokin) কৈছিল — "সকলো ব্যক্তি সমান বুলি গণ্য কৰা অবিভাজিত সমাজ এক অলীক কথা। মানৰ ইতিহাসত এয়া কেতিয়াও সম্ভৰ হোৱা নাই।"

জন. এফ কিউবাৰ আৰু উইলিয়াম এফ. কেনকেলৰ (John F. Cuber and William F Kenkel) মতে, "সামাজিক স্তৰীকৰণ হৈছে এজন ব্যক্তি বা এটা সমূহৰ অন্তর্গত ব্যক্তিসকলৰ সামাজিক প্রস্থিতি আৰোপিত কৰা, যাৰ ফলস্বৰূপে সমাজত মানুহৰ মাজত সৃষ্টি হয় উচ্চ বা নিম্ন বা উচ্চ-নীচ্ছ পার্থক্যৰ।"

কার্ট বি. মেয়ৰৰ (Kurt B. Mayer) মতে, "সামাজিক স্তৰীকৰণ হৈছে পার্থক্যকৰণৰ এক প্রক্রিয়া। সামাজিক প্রস্থিতিৰ স্তৰ মর্মে সেই স্তৰবোৰত অন্তর্ভূক্ত ব্যক্তিসকলক আপেক্ষিকভাবে এটাৰ লগত আনটোক সামাজিক ক্ষেত্রত উচ্চ, সম বা নিম্ন বুলি গণ্য কৰা হয়।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সামাজিক স্তৰীকৰণ বুলিলে কি বুজা?

.....

.....

৮.৩.২ সামাজিক স্তৰীকৰণৰ প্ৰকৃতি

এম. এম. টিউমিনৰ (M. M. Tumin) মতে, স্তৰীকৰণৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

- **ই সামাজিক প্ৰকৃতিৰ** -সামাজিক স্তৰীকৰণ হৈছে সামাজিক প্ৰকৃতিৰ। জৈৱিকভাৱে সৃষ্টি হোৱা অসমতা সমূহক ই প্ৰতিনিধিত্ব নকৰে। বিভিন্ন ধৰণৰ উপাদান যেনে-শক্তি, বুদ্ধি, বয়স আৰু লিংগৰ ভিত্তিত, সমাজত প্ৰস্থিতি সমূহৰ পাৰ্থক্য নিৰ্ণয় কৰা হয়। কিন্তু উল্লেখনীয় যে কোনো এজন ব্যক্তিৰ শিক্ষা, সম্পত্তি, শক্তি, অভিজ্ঞতা, চৰিত্ৰ, ব্যক্তিত্ব ইত্যাদি সমূহ জৈৱিক গুণসমূহতকৈ অধিক গুৰুত্বপূৰ্ণ সেয়েহে স্তৰীকৰণৰ প্ৰকৃতি সামাজিক।
- **সামাজিক স্তৰীকৰণ হৈছে বিশ্বজনীন—** এই পৃথিৱীত কোনো এখন সমাজ নাই যিখন সমাজত স্তৰীকৰণৰ ব্যৱস্থা নাই। আধুনিক স্তৰীকৰণসমূহ প্ৰাৰম্ভিক সামাজিক স্তৰীকৰণ সমূহতকৈ সম্পূৰ্ণ পৃথক। ই হৈছে বিশ্বজুৰি প্ৰচলিত এক পৰিঘটনা। চ'ৰকিনৰ মতে স্থায়ীভাৱে সংগঠিত সকলোসমূহ স্তৰীকৃত।
- **ই পৌৰাণিক-** স্তৰীকৰণৰ ব্যৱস্থা অতি পুৰণিকলীয়া। এই ব্যৱস্থা এক যাযাবৰী দলটো থাকে। প্ৰায় সকলোবোৰ পুৰণি সভ্যতাত ধনী-দুখীয়া, শক্তিশালী, শক্তিহীনৰ মাজত পাৰ্থক্য আছিল। আনকি প্লেটো আৰু কৌটিল্যৰ সময়ছোৱাতো ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অসমতাত গুৰুত্ব প্ৰদান কৰা হৈছে।
- **ই বহু ধৰণৰ** — স্তৰীকৰণৰ প্ৰকাৰসমূহ সকলো সমাজতে সমান নহয়। আধুনিক পৃথিৱীত শ্ৰেণী, জাতি আৰু ভূ-সম্পত্তি সমূহ হৈছে সামাজিক স্তৰীকৰণৰ প্ৰধান প্ৰকাৰ। ভাৰতবৰ্ষত জাতিৰ ৰূপত এক বিশেষ ধৰণৰ স্তৰীকৰণ পোৱা যায়। পৌৰাণিক আৰ্যসকলক চাৰিটা ভাগত ভাগ কৰা হৈছিল — ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। পৌৰাণিক গ্ৰীকসকলক দুটা প্ৰধান ভাগত ভাগ কৰা হৈছিল — মুক্ত লোক আৰু দাস। আকৌ পৌৰাণিক ৰোমান সকলক দুটা ভাগত ভাগ কৰা হৈছে — চহকী (Patricians) আৰু সৰ্বহাৰা (Plebeians)। গতিকে আমি ক'ব পাৰো পুৰণি বা নতুন, বৃহৎ বা ক্ষুদ্ৰ সকলো সমাজেই বহু ধৰণৰ সামাজিক স্তৰীকৰণৰ দ্বাৰা বৈশিষ্ট্যপূৰ্ণ।
- **সামাজিক স্তৰীকৰণ হৈছে পৰিণতিস্বৰূপ** — সামাজিক স্তৰীকৰণৰ দুটা প্ৰধান পৰিণতি পোৱা যায়। এক হৈছে জীৱনৰ সুযোগ আৰু আন হৈছে জীৱন-শৈলী। এক শ্ৰেণী ব্যৱস্থাই ব্যক্তিৰ জীৱন সুযোগৰ লগতে জীৱন শৈলীৰ ওপৰতো প্ৰভাৱ পেলায়।

এটা শ্ৰেণীৰ সদস্যসকলৰ সমধৰ্মী সামাজিক সুযোগ উপলব্ধি হোৱা পৰিলক্ষিত হয় কিন্তু প্ৰতিখন সমাজত সামাজিক সূযোগবোৰ পৃথক হয়। ই জীয়াই থকাৰ সুবিধা,

সুস্থ শাৰীৰিক আৰু মানসিক স্বাস্থ্য, শিক্ষাৰ সুবিধা, ন্যায় আহৰণৰ সুবিধা, বৈবাহিক সংঘর্ষ, বিচ্ছেদ আদিক সামৰি লয়।

আনহাতে জীৱন-শৈলীয়ে এক সামাজিক প্রস্থিতিৰ প্রদর্শন কৰা বিশেষ জীৱন-শৈলীক সূচায়। এই জীৱন-শৈলীয়ে অন্তর্ভূক্ত কৰি লয় - যেনে সন্মান মর্য্যাদা আৰু স্তৰৰ ভিত্তিত সমাজৰ আবাসিক পৰিবেশসমূহ, গৃহ ব্যৱস্থা, মনোৰঞ্জনৰ উপায়, সাজ-পোছাকৰ প্রকাৰ, পুথি সমূহৰ প্রকাৰ, দূৰদর্শনৰ কার্যক্রম সমূহ ইত্যাদি। জীৱন শৈলীসমূহ উপ-সংস্কৃতি হিচাপে বিবেচনা কৰিব পাৰি য'ত সমূহ সংস্কৃতিৰ সামূহিক আদান-প্রদানৰ পৰিসীমাৰ ভিতৰত এটা শ্রেণী আনটোৰ পৰা বিভাজিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ সামাজিক স্তৰীকৰণৰ এটা বিশেষ বৈশিষ্ট্য উল্লেখ কৰা।

.....

.....

৮.৩.৩ সামাজিক স্তৰীকৰণৰ কার্য্যাৱলীসমূহ

পৃথিৱীৰ সংস্কৃতি সমূহৰ চমু আভাষে প্রকাশ কৰা অনুসৰি কোনো এখন সমাজেই শ্রেণীহীন নহয় অথবা অবিভাজিত নহয়। পৃথিৱীৰ সকলোবোৰ পৰিচিত তথা প্রতিষ্ঠিত সমাজ কোনো এক বা ভিন্ন প্রকাৰে স্তৰীকৃত। উইলবার্গ ম'ৰে আৰু কিংচলে ডেভিচৰ মতে স্তৰীকৰণ প্রক্রিয়া সমূহ কার্যকৰী প্রয়োজনীয়তাৰ বাবে সকলো সমাজতে অধিভূত হৈছে।

- **কঠিন শ্রমক উৎসাহ প্রদান কৰে** — শ্রেণীসমূহৰ স্তৰীকৰণৰ প্রধান কাৰণ হৈছে ব্যক্তিক মূল্যবোধৰ আধাৰৰ জীৱন নির্বাহ কৰিবলৈ কঠিন পৰিশ্রম কৰিবলৈ উৎসাহ প্রদান কৰা। যিসকলে ব্যক্তিয়ে কোনো এক বিশেষ সমাজৰ মূল্যবোধ সমূহ উপযুক্ত ভাৱে পূৰণ কৰে, তেওঁলোকক অধিক সন্মানেৰে পুৰস্কৃত কৰাৰ লগতে সমাজৰ অন্য ব্যক্তিৰ দ্বাৰা সামাজিক বাৰে গ্রহণযোগ্য হৈ পৰে। জনা যায় যে বৃত্তিসমূহক উচ্চ মর্যদাপ্রদান কৰা হয় যদি সেই বৃত্তিটোৰ কার্য্যাৱলী সমূহ সমাজৰ বাবে অধিক গুৰুত্বপূর্ণ হয় আৰু সেই বৃত্তিৰ বাবে প্রয়োজন হোৱা বৃত্তিধাৰীসকলৰ সংখ্যা কম হয়। কঠোৰ পৰিশ্রম, দীর্ঘকালীন প্রশিক্ষণ আৰু দায়িত্বৰ গভীৰ বোজা এনেধৰণৰ বৃত্তিৰ লগত জড়িত।
- **অভিজাত সংবহনৰ সুনিশ্চিতিকৰণ** — শ্রেণী স্তৰীকৰণে বহু পৰিমাণে অভিজাত সমূহৰ প্রসাৰণ সুনিশ্চিতি প্রদানত সহায় কৰে। যেতিয়া উচ্চ পর্যায়ৰ সন্মান, আৰাম আৰু পুৰষ্কাৰ বিশেষ প্রস্থিতি সমূহৰ বাবে প্রদান কৰা হয় তেতিয়া সেই প্রস্থিতিবোৰৰ

বাবে কিছুমান প্রতিযোগিতাও হয়। এই ধৰণৰ প্রতিযোগিতাৰ প্রক্রিয়াই অধিক দক্ষ ব্যক্তিসকলক উচ্চ স্তৰলৈ গতি কৰাৰ সক্ষমতা সুনিশ্চিত কৰি তোলে। য'ত তেওঁলোকৰ সক্ষমতাসমূহক সর্বোৎকৃষ্ট ভাৱে ব্যৱহাৰ কৰিব পৰা যায়।

- **অর্থনৈতিক কার্য সম্পাদন কৰে** — প্রতিযোগিতামূলক দিশটোত এক অর্থনৈতিক কার্য্য সন্নিবিষ্ট হৈয়ে থাকে যিয়ে উপলব্ধ প্রতিভাসমূহৰ যুক্তি সংগত ব্যৱহাৰ সুনিশ্চিত কৰাত সহায় কৰে। যেতিয়া জাতি পদ্ধতিত হোৱা দৰে উচ্চস্তৰৰ যিকোনো প্রস্থিতি যিটো মূলত আৰোপিত কৰা হয় তেতিয়া ভিন্নধর্মী পুৰষ্কাৰ প্রদান কৰাটো এক কার্যকৰীমূলক প্রয়োজনীয়তা। আনকি জাতি পদ্ধতিত যেতিয়া উচ্চ প্রস্থিতিত থকা কোনো এজন ব্যক্তিয়ে তেওঁৰ মর্য্যাদা প্রতিপালন কৰিব নোৱাৰে তেওঁৰ সন্মান হেৰুৱাব লগীয়া হ'ব পাৰে।
- **সম্পদসমূহৰ অপচয় ৰোধত সহায় কৰে** — সামাজিক স্তৰীকৰণৰ প্রক্রিয়াটোৱে বিভিন্ন সম্পদসমূহৰ অপচয় হোৱাত বাধা দিয়ে। উচ্চ বর্গৰ শ্রেণীৰ ব্যক্তিসকলে সাধাৰণতে বিশিষ্ট আৰু সামাজিকভাৱে মূল্যপ্রাপ্ত কিছুমান ক্ষমতা অথবা গুণৰ অধিকাৰী, এই গুণসমূহ তেওঁলোকে জন্মসূত্রে পোৱা বা নিজে আহৰণ কৰা হ'ব পাৰে। এই গুণসমূহৰ আহৰণৰ বাবেই বিশেষ কিছুমান সুবিধাৰ আনন্দ তেওঁলোকে ল'ব পাৰে। এই গুণসমূহৰ আহৰণৰ বাবেই বিশেষ কিছুমান সুবিধাৰ আনন্দ তেওঁলোকে ল'ব পাৰে যেনে অতিৰিক্ত আৰাম শাৰিৰীক শ্রমৰ পৰা উন্মুক্তি আদি কার্য্যকৰীভাৱে যুক্তিসংগত। এই সমূহ কার্য্যকৰীভাৱে সমাজৰ বাবে উপযোগী কিয়নো তেওঁলোকৰ গুণ অথবা ক্ষমতাসমূহ অপচয় নোহোৱাকৈ ব্যৱহাৰ কৰিব পাৰি।
- **মনোভাৱ আৰু দক্ষতাসমূহক শক্তিশালী আৰু সুস্থিৰ কৰি তোলে** — সাধাৰণতেই কোনো এক শ্রেণীৰ সদস্যসমূহে তেওঁলোকৰ নিজৰ সদস্যসকলৰ মাজতে সম্পর্ক সীমিত কৰি ৰাখে। সদস্যসকলে তেওঁলোকৰ নিজ শ্রেণীৰলোক সকলৰ মাজত ঘনিষ্ঠ সম্পর্ক বজাই ৰখা পৰিলক্ষিত হয়। এই ধৰণৰ প্রৱণতাৰো এক নিজস্ব কার্য থাকে। ইয়াৰ দ্বাৰা মনোভাৱ আৰু দক্ষতাসমূহক শক্তিশালী আৰু সুস্থিৰ কৰিব পাৰি যিবোৰ উচ্চ শ্রেণীৰ প্রস্থিতিৰ ভেটি হ'ব পাৰে। একে মূল্যবোধ আৰু আগ্রহ আহৰণকাৰী ব্যক্তি সকলে ইজনে আনজনৰ লগত অতি সহজভাৱে সংলগ্ন হ'ব পাৰে। তেওঁলোকৰ সঘন সাহচর্যই তেওঁলোকৰ উমৈহতীয়া মূল্যবোধবোৰক আৰু আগ্রহক নির্দিষ্টতা প্রদান কৰে।
- **বিভিন্ন বৃত্তি বা কাম গ্রহণ কৰাত সহায় কৰে** — বিভিন্ন শ্রেণীৰ মূল্যবোধ, মনোভাৱ আৰু গুণাসমূহ ভিন্নধর্মী হয়। বহুক্ষেত্রত এই ভিন্নতা সমাজৰ বাবে কার্য্যকৰী, কিয়নো সমাজত শাৰীৰিক আৰু মানসিক দুই প্রকাৰৰ কর্মীৰে প্রয়োজন হয়। বহু ক্ষেত্রত উচ্চ শিক্ষিত বা উচ্চ প্রশিক্ষিত ব্যক্তিসকল কিছুমান কর্মৰ বাবে আগ্রহান্বিত নহয়; কিয়োনো, তেওঁলোকক কিছুমান নির্দিষ্ট কর্ম বাবেহে উচ্চভিলাষী

হ'বলৈ শিকোৱা হয়। পৰিয়ালৰ প্ৰাৰম্ভিক প্ৰভাৱ আৰু সামাজিকীকৰণ বাবে ব্যক্তি অন্তৰ্ভুক্ত থকা সামাজিক শ্ৰেণীৰ কিছুমান বিশেষ মূল্যবোধ, মনোভাৱ আৰু গুণসমূহ তেওঁলোকৰ মাজত গঢ় লৈ উঠে।

- **সামাজিক নিয়ন্ত্ৰণ** — নিম্ন শ্ৰেণীৰ লোকৰ ক্ষেত্ৰতো সেই শ্ৰেণীৰ সাংস্কৃতিক বৈশিষ্ট সমূহ সমাজৰ বাবে কাৰ্যকৰী। প্ৰকৃততে সামাজিক শ্ৰেণীসমূহৰ মাজত থকা কিছুপৰিমাণৰ পাৰস্পৰিক শত্ৰুতাও কাৰ্যকৰী। কিছু ক্ষেত্ৰত উচ্চ আৰু নিম্ন শ্ৰেণীৰ সমূহবিলাকে ইজনে আনজনৰ ক্ষেত্ৰত ঋণাত্মক প্ৰসংগ সমূহ হিচাপে কাম কৰিব পৰে। এই ঋণাত্মক প্ৰসংগই সামাজিক নিয়ন্ত্ৰণক হিচাপে কাম কৰিব পাৰে।

৮.৪ স্তৰীকৰণৰ উৎস

স্তৰীকৰণৰ উৎস সম্বন্ধে বিভিন্ন জনৰ বিভিন্ন মতামত পোৱা যায়।

- **ডেভিচৰ মতে**, সামাজিক স্তৰীকৰণৰ ধাৰণাটো সামাজিক ব্যৱস্থাৰ কাৰ্যকৰী প্ৰয়োজনৰ বাবে সৃষ্টি হৈছে।
- **প্ৰফেচৰ চ'ৰকিনৰ মতে,** পৰিবেশীয় অৱস্থাৰ বংশানুক্ৰমিক পাৰ্থক্যৰ বাব সামাজিক স্তৰীকৰণৰ সৃষ্টি হৈছে।
- **কাৰ্ল মাক্সে** কৈছিল, সামাজিক উপাদানবোৰৰ বাবে বিভিন্ন সামাজিক স্তৰবোৰৰ উদ্ভৱ হয়।
- **গামপ্লোইজ আৰু অন্যান্যসকলৰ মতে,** সামাজিক স্তৰীকৰণৰ উৎস, হ'ল এটা সমূহৰ আন এটি সমূহৰ ওপৰত বিজয় সাৱ্যস্তকৰণ।
- **স্পেংলাৰৰ মতে,** সামাজিক স্তৰীকৰণত সমাজে কাৰ্য্য আৰু ক্ষমতাৰ আৰ্হিত সমূহ বিলাকৰ মাজত ধনাত্মতাক পাৰ্থক্য প্ৰদান কৰে। এই দুষ্প্ৰাপ্যতাৰ সৃষ্টি এই স্তৰীকৰণ সামাজিক অপৰ্যাপ্তৰ ভিত্তিত সৃষ্টি হয়।
- জাতিগত পাৰ্থক্য থকা বৈশাদৃশ্যও সামাজিক স্তৰীকৰণৰ বাবে দায়ী।

৮.৫ সামাজিক স্তৰীকৰণৰ তত্ত্বসমূহ

সামাজিক স্তৰীকৰণৰ সাধাৰণতে দুটা তত্ত্ব পোৱা যায়। সেই দুটা হ'ল —

- **মাৰ্ক্সৰ তত্ত্ব ঃ** মাৰ্ক্সৰ দৃষ্টিভংগী অনুসৰি সামাজিক স্তৰীকৰণৰ সৃষ্টি হয় উৎপাদনৰ লগত থকা ব্যক্তিৰ বিভিন্ন সম্পৰ্কৰ দ্বাৰা। এই উৎপাদনৰ পদ্ধতিত তেওঁলোক হয়তো উৎপাদিত সামগ্ৰীৰ মালিক হ'বও পাৰে অথবা তেওঁলোক অন্যৰ শ্ৰমিক হ'ব পাৰে। এই তত্ব অনুসৰি সামাজিক শ্ৰেণীসমূহ, উৎপাদনৰ পদ্ধতিসমূহৰ লগত থকা তেওঁলোকৰ সম্পৰ্কৰ দ্বাৰা নিৰ্ধাৰিত হয়। এই শ্ৰেণীসমূহ উৎপাদনৰ প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। মাৰ্ক্সে সমাজখনক দুটা শ্ৰেণীত ভাগ কৰিছে সেই দুটা হৈছে — শ্ৰমজীৱিসকল (Proletariat) আৰু পুঁজিপতি বা 'বুৰ্জোৱা' (Bourgeoises) সকল। শ্ৰমজীৱি সকলে সাধাৰণ লোক বা বনুৱাসকলক প্ৰতিনিধিত্ব কৰে আৰু পুঁজিপতি সকলে ভূমিপতি আৰু পুঁজিপতি শ্ৰেণীক প্ৰতিনিধিত্ব কৰে। এই তত্ব অনুসৰি উৎপাদনৰ পদ্ধতিৰ প্ৰতি থকা ব্যক্তিৰ সম্বন্ধ হৈছে

শ্রেণীৰ সম্বন্ধীকৰণৰ এক বিশেষ কাৰক। মার্ক্সৰ মতে, সামাজিক স্তৰীকৰণৰ ধাৰণাটো অর্থনীতিৰ মৌলিক ধাৰণাটোলৈ নামি আহে। তেওঁ বিশ্বাস কৰে যে পুঁজিবাদী সমাজত সামাজিক স্তৰীকৰণ এনে এক ধাৰণাৰ ওপৰত নির্ভৰশীল যে যি সকল ব্যক্তিৰ সম্পত্তি আছে তেওঁলোকে সম্পত্তি নথকা ব্যক্তিসকলক নিয়ন্ত্রণ কৰে। মার্ক্সৰ দার্শনিক বস্তুবাদী ধাৰণাই পৰামর্শ প্রদান কৰে যে ঐতিহাসিক বিকাশসমূহ এনে ধৰণৰ মৌলিক ধাৰণাৰ জৰিয়তে পাৰ হৈ আহিছে ; য'ত বিশ্বাস কৰা হয় যি সকল ব্যক্তি সামাজিক, অর্থনৈতিক, ৰাজনৈতিক ক্ষমতাৰে ক্ষমতাশীল আৰু যি সকলে উৎপাদনৰ পদ্ধতিসমূহ নিয়ন্ত্রণ কৰে তেওঁলোকেই সকলো ধৰণৰ নিয়ন্ত্রণৰ অধিকাৰী হ'ব পাৰে। এই সকল ব্যক্তিয়ে সামাজিক স্তৰীকৰণৰ এনে এক প্রক্রিয়াৰ সৃষ্টি কৰে য'ত তেওঁলোক ক্ষমতাত বর্ত্তি থাকে আৰু অন্যান্য ব্যক্তিসকলে তেওঁলোকৰ নিজৰ শক্তিৰ স্বীকৃতিৰ বাবে নিজস্ব আর্হিৰে অুসৰণ কৰে। মার্ক্সে বিশ্বাস কৰিছিলি যে এই ধৰণৰ ব্যৱস্থাৰ পৰিৱর্তন সমাজবাদী পদ্ধতিৰে হ'ব, য'ত উৎপাদনৰ পদ্ধতিসমূহ ব্যক্তিগত খণ্ডৰ পৰিবর্তে ৰাজহুৱাভাৱে মালিকীস্বত্ব প্রদান কৰা হ'ব।

- **ক্রিয়াত্মক তত্ত্ব** — এই তত্ত্ব কার্যকৰতাবাদৰ সাধাৰণ ধাৰণাৰ ওপৰত প্রতিষ্ঠিত। এই পৃথিৱীত কোনো এখন সমাজ নাই যি স্তৰীকৃত নহয়। সমাজৰ বিভিন্ন ব্যক্তিসকলক বিভিন্ন প্রকাৰৰ কার্য্য প্রদান কৰা হয় যাৰ ফলশ্রুতিত শ্রেণীবিভাজন আৰু সামাজিক স্তৰীকৰণৰ সৃষ্টি হয়। সামাজিক স্তৰীকৰণ, ব্যক্তিৰ আকাংক্ষা আৰু প্রয়োজনসমূহৰ পৰিবর্তে সমাজৰ প্রয়োজনসমূহৰ বাবেহে সৃষ্টি হয়। সামাজিক স্তৰীকৰণ প্রক্রিয়াটো প্রতিখন সমাজৰ দুটা বিশেষ প্রয়োজনৰ প্রত্যুত্তৰ হিচাপে সৃষ্টি হৈছে। প্রথমতে সমাজৰ যোগ্য ব্যক্তিসকলৰ মনত সমাজৰ বিশেষ আৰু কঠিন স্থানসমূহ দখলৰ অভিপ্রায় জাগ্রত কৰি তোলা প্রয়োজন। কাৰণ এই স্তৰৰ বিশেষ কামত মধ্যমীয়া নহয় উচ্চ ক্ষমতাৰ ব্যক্তিৰ প্রয়োজন হয়। দ্বিতীয়তে যিসকল ব্যক্তি এই স্থানসমূহত জড়িত হৈ পৰে তেওঁলোকক তেওঁলোকৰ দায়িত্ব সমূহ ভালদৰে পালন কৰিবলৈ সমাজে অনুপ্রেৰণা যোগোৱা উচিত। সেয়েহে, ইয়াৰ বাবে তেওঁলোকক উচ্চ মানৰ পুৰস্কাৰে পুৰস্কৃত কৰা উচিত। দুটা প্রধান কাৰক যি সমূহ স্থানৰ লগত জড়িত থকা পুৰস্কাৰৰ গুৰুত্বতাৰ বাবে অতি গুৰুত্বপূর্ণ কাৰক। এই কাৰকসমূহ সমাজৰ বাবে কার্যকৰীভাৱে গুৰুত্বপূর্ণ। আনহাতে যোগ্য বৃত্তিধাৰী ব্যক্তিৰ সমাজত অভাৱৰ দিশটোও ইয়াত আছে। যিকোনো সমাজৰ সামাজিক স্তৰীকৰণৰ প্রক্রিয়াটো সেই সমাজৰ মূল্যবোধ ব্যৱস্থাৰ এক প্রকাশ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ মার্ক্সে বিভক্ত কৰা সমাজৰ দুটা শ্রেণী উল্লেখ কৰা।

.....

.....

৮.৬ সামাজিক স্তৰীকৰণৰ প্রকাৰ অথবা শ্রেণীসমূহ

সমাজতত্ত্ববিদসকলে সামাজিক স্তৰীকৰণৰ নিম্নোক্ত শ্রেণীসমূহ উল্লেখ কৰে।

- **দাসত্ব** — "'দাস' এই শব্দটোৰে এনেকুৱা এজন ব্যক্তিক সূচায় যিজন ব্যক্তি আইন আৰু ৰীতি অনুসৰি আনৰ সম্পত্তি। তেওঁ অধিকাৰহীন ব্যক্তি আৰু আন কিছুমান ক্ষেত্ৰত তেওঁলোকক নির্দিষ্ট বিষয়ত সংৰক্ষিত কৰিব পাৰে।" — এইয়া আছিল হ'ব হাউচৰ দৃষ্টিভংগী। বহুতো সমাজতত্ত্ববিদে দাসত্বক সামাজিক স্তৰীকৰণৰ প্ৰক্ৰিয়াৰ পৰিবর্তে এক ঔদ্যোগীক ব্যৱস্থা বা পদ্ধতি হিচাপে বিচাৰ কৰিব বিচাৰে। আন এক ধৰণে ক'ব পাৰি যে সামন্তবাদী সমাজত সামাজিক স্থানৰ ব্যৱস্থাত দাস আৰু মুক্ত ব্যক্তিসকলৰ মাজত এক মৌলিক পার্থক্য আছে। গতিকে যদি আমি সমাজিক স্তৰীকৰণক সামাজিক অসমতাৰ দৃষ্টিভংগীৰে চাও তেতিয়া দাসত্বক বিধিগতভাৱেই সামাজিক স্তৰীকৰণৰ এক পদ্ধতি হিচাপে বিবেচনা কৰিব পাৰি।
- **সামন্তপ্রথা** — মধ্য যুগৰ সামন্ত প্রথা সদায় সামাজিক স্তৰীকৰণৰ মূল হিচাপে পৰিগণিত হৈ আহিছে। সামন্ত প্রথাক বিধিগতভাৱে ব্যাখ্যা কৰা হৈছিল। বিধিগতভাৱে প্রস্থিতি অধিকাৰ, কর্তব্য সুবিধা আৰু দায়বদ্ধতাৰ লগত জড়িত আছিল।
- **জাতি** — ভাৰতীয় জাতি ব্যৱস্থা হৈছে সামাজিক স্তৰীকৰণৰ এক অনন্য প্রক্রিয়া। প্রথম অৱস্থাত জাতি অর্থনৈতিক পৃথকীকৰণৰ সৈতে জড়িত আছিল। এই প্রক্রিয়া অধিক স্পষ্ট হৈ পৰে যেতিয়া আমি চাৰিটা পৰম্পৰাগত বর্ণৰ কথা উল্লেখ কৰো য'ত বৃত্তি সমূহৰ স্পষ্ট বিশেষীকৰণ প্রদান কৰা হৈছে। পৰম্পৰাগত গ্রাম্য অর্থনীতিত জাতি হৈছে এক বৃত্তিগত সমূহ।
- **সামাজিক শ্রেণী আৰু প্রস্থিতি** — সামাজিক শ্রেণী ব্যৱস্থা অর্থনৈতিক অৱস্থাৰ ওপৰত নির্ভৰশীল। এখন ঔদ্যোগীক সমাজ বিভিন্ন শ্রেণীত বিভক্ত। যেনে — উচ্চ শ্রেণী, মধ্য শ্রেণী আৰু নিম্ন শ্রেণী। এই শ্রেণীসমূহৰ সংগঠন ক্রম সম্বন্ধীয়। এই ব্যৱস্থাত ব্যক্তিক সামাজিক শ্রেণী অনুসৰি প্রস্থিতি দিয়া হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ সামাজিক স্তৰীকৰণৰ বিভিন্ন প্রকাৰসমূহ উল্লেখ কৰা।

.....

.....

৮.৭ শিক্ষা আৰু সামাজিক স্তৰীকৰণ

ভাৰতীয় সমাজত সামাজিক স্তৰীকৰণ তিনি ধৰণে পৰিলক্ষিত হয়।

(ক) জাতিৰ ভিত্তিত স্তৰীকৰণ

(খ) ধর্মৰ ভিত্তিত স্তৰীকৰণ

(গ) অর্থনীতিৰ ভিত্তিত স্তৰীকৰণ

এই তিনিধৰণৰ স্তৰীকৰণ কম-বেছি পৰিমাণে আৰোপিত সামাজিক প্ৰস্থিতিৰ ভিত্তিত কৰা হৈছে। কোনো এজন ব্যক্তি কোনো এক বিশেষ ধৰ্ম বা জাতিৰ দলত জন্ম হোৱাৰ বাবে ধৰ্মীয় আৰু জাতিৰ স্তৰীকৰণৰ সৃষ্টি হয়। অৰ্থনৈতিক শ্ৰেণী বিভেদো জন্মগত স্থানৰ ভিত্তিতে নিৰ্ভৰশীল। অৱশ্যে এই ক্ষেত্ৰত স্থান সমূহত সঘনেই পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়। ভাৰতীয় সমাজ ব্যৱস্থাত বৃত্তিসমূহ জাতিৰ আধাৰত প্ৰদান কৰা হৈছিল। বৰ্তমানেও অনুসুচীত জাতিৰ লোকসকলে কম বেছি পৰিমাণে তেওঁলোকৰ পিতৃ পুৰুষৰ বৃত্তিটো গ্ৰহণ কৰি আহিছে। বৈশ্য সকলে বাণিজ্য আৰু ব্যৱসায় গ্ৰহণ কৰিছে আৰু ব্ৰাহ্মণ সকলে বৌদ্ধিক বৃত্তিসমূহ গ্ৰহণ কৰিছে। ভাৰতবৰ্ষৰ স্বাধীনতা লাভ কৰাৰ পৰা দেশত এক আন্তঃজাতিক গতিশীলতা পৰিলক্ষিত হৈছে। চৰকাৰৰ প্ৰচেষ্টাৰ জৰিয়তে নিম্ন জাতিৰ লোকসকলে উচ্চ জাতিৰ বৃত্তি সমূহ গ্ৰহণ কৰা দেখা গৈছে কিন্তু এই ধৰণৰ প্ৰচেষ্টা পৰিণাম অতি উচ্চ নহয় আৰু সমাজৰ বৃত্তিসমূহ এতিয়াও জাতিমূলক। নিম্ন জাতিৰ লোকসকল অৰ্থনৈতিক ভাৱে পিছপৰা আৰু তেওঁলোক নিম্ন শ্ৰেণীৰ বৰ্গত অন্তভূৰ্ক্ত। বৰ্তমান ক্ষত্ৰিয়, বৈশ্য আৰু ব্ৰাহ্মণসকলৰ মাজত অধিক আন্তঃদলীয় গতিশীলতা প্ৰচলিত। এই তিনিটা জাতিয়ে বিভিন্ন বৃত্তি গ্ৰহণ কৰি অহাৰ লগতে তেওঁলোকৰ সামাজিক স্থানসমূহ পৰিবৰ্তনৰ বাবে পাৰস্পৰিকভাৱে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। গতিকে এক বিশিষ্ট শ্ৰেণীৰ সৃষ্টি হৈছে মূলতঃ এই তিনি ধৰণৰ দলৰ বিশিষ্ট তথা জাকত জিলিকা সদস্য সকলকলৈ। অৰ্থনৈতিক শ্ৰেণীটোৱে সেয়েহে জাতিৰ ক্ষেত্ৰত থকা বাধাসমূহ পৰিক্ৰম কৰিবলৈ সক্ষম হৈছে। অৱশ্যে বহু ক্ষেত্ৰত এই সীমাৰ পৰিক্ৰমা অকল তিনিটা উচ্চ জাতিৰ সদস্যসকলৰ মাজতহে সীমাবদ্ধ।

সামাজিক স্তৰীকৰণে যেতিয়া সংহতিৰ পৰিবৰ্তে স্তৰীকৰণৰ উৎস হিচাপে কাম কৰে তেতিয়া শিক্ষা বিষয়টোৱে অধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ভাৰতীয় সমাজত প্ৰথম অৱস্থাত সামাজিক স্তৰীকৰণে সমাজক ঐক্যবদ্ধ কৰি ৰখা শক্তি হিচাপে কাম কৰিছিল। কিন্তু বৰ্তমান এই সামাজিক স্তৰীকৰণে সামাজিক শৃংখলাত বিভিন্ন সামাজিক ৰোগৰ সৃষ্টি কৰিছে। একমাত্ৰ শিক্ষাৰ জৰিয়তেহে সামাজিক স্তৰীকৰণৰ এই সমস্যা সমাধান কৰিব পৰা যায়।

বৰ্তমান ভাৰতীয় সমাজখনে এক বন্ধ ব্যৱস্থাৰ আৰ্হি দাঙি ধৰিছে। য'ত সম্ভাৱনীয় স্থান সমূহ কিছুমান নিৰ্দ্ধাৰিত প্ৰস্থিতি স্থানান্তৰ অথবা বিবাহ সূত্ৰেহে এজন ব্যক্তিয়ে সেই স্থান আহৰণ কৰিব পাৰে। তেনে ক্ষেত্ৰত ব্যক্তিৰ স্থান পৰিয়ালৰ স্থানৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। ব্যক্তি এজনে এই প্ৰস্থিতিৰ স্তৰত উঠা বা নমাৰ সুবিধা অতি সীমিত পৰিমাণে লাভ কৰে। এই ধৰণৰ কঠোৰ সামাজিক ব্যৱস্থা একমাত্ৰ শিক্ষাৰ জৰিয়তহে পৰিবৰ্তন কৰিব পৰা যায়। শিক্ষাই এই কঠোৰ সামাজিক ব্যৱস্থা মুক্ত ব্যৱস্থালৈ ৰূপান্তৰিত কৰিব পাৰে য'ত প্ৰস্থিতিৰ স্তৰত উঠা-নমাৰ পদ্ধতিটো ব্যক্তি এজনৰ নিজৰ ক্ষমতাৰ দ্বাৰ নিৰ্দ্ধাৰিত হয়। কিন্তু এই ধৰণৰ আৰ্হি বা পদ্ধতি আহৰণৰ বাবে শিক্ষাৰ সম সুবিধা প্ৰদান কৰাটো অত্যন্তই জৰুৰী।

মুক্ত আৰ্হিত থকা বাধাসমূহ হৈছে সেইসমূহ যিয়ে সুযোগৰ সমতাৰ কাৰ্যকৰীকৰণৰ ওপৰত সীমা নিদ্ধাৰণ কৰে। এই সমূহ সীমা নিদ্ধাৰণৰ আঁৰত হৈছে সেই ব্যক্তিসকল। যিসকলে উচ্চ মান যুক্ত স্থান পোৱাৰ পিছতে ভৱিষ্যতে সেই স্থান আহৰণ কৰাৰ প্ৰয়াস কৰে আৰু নিজৰ সতি-সন্ততি লৈ সেই সমূহ প্ৰসাৰিত কৰিব বিচাৰে। মুক্ত প্ৰতিযোগিতাৰ জৰিয়তে প্ৰতিভাবান

সকলে উচ্চ সন্মান আহৰণৰ প্ৰয়াস কৰে কিন্তু বৰ্তমান উচ্চ স্থানত থকাসকলে তেওঁলোকৰ প্ৰজন্মসকললৈ সেইয়া প্ৰসাৰিত কৰিব বিচাৰে। একমাত্ৰ সুযোগ সুবিধাৰ সমতাৰ জৰিয়তহে ইয়াক ৰোধ কৰিব পৰা যায়। ভাৰতীয় পৰিবেশত ৰাজহুৱা বিদ্যালয়সমূহৰ ক্ষেত্ৰত এই ধৰণৰ পৰিঘটনা পৰিলক্ষিত হয়। বৃটিছ ৰাজত্বৰ সময়ত উচ্চ সন্মান লাভ কৰা বুদ্ধিজীৱি বিশিষ্ট লোকসকলে ৰাজহুৱা বিদ্যালয়সমূহত য'ত ইংৰাজী মাধ্যমত শিক্ষা দিয়ে, তাত তেওঁলোকৰ সন্তানক শিক্ষা প্ৰদান কৰি তেওঁলোকৰ সেই প্ৰস্থিতি আৰু স্থান প্ৰদান কৰিব বিচাৰে। আনহাতে সাধাৰণ নাগৰিকে তেওঁলোকৰ সন্তানক গুণগত শিক্ষা দিয়া ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়াব নোৱাৰে। কাৰণ এই শিক্ষা অতন্ত্য খৰছী। অৱশ্যে জাতিৰ ক্ষেত্ৰত থকা স্তৰীকৰণৰ বাধাসমূহ আঁতৰোৱাৰ বাবে বহুজনে বহুধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে। আনহাতে শ্ৰেণী সচেতনমূলক শৈক্ষিক ব্যৱস্থাৰ ফলত দেশত শ্ৰেণীসমূহৰ মাজত অধিক স্তৰীকৰণ পৰিলক্ষিত হৈছে।



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক স্তৰীকৰণৰ ধাৰণাটো সমাজত ব্যক্তিৰ শ্ৰেণীবিভাজন, শ্ৰেণীকৰণ আৰু স্থান প্ৰদান কৰণৰ বাবে ব্যৱস্থা কৰা হয়। এই প্ৰক্ৰিয়াৰ দ্বাৰা সমাজত সামাজিক গাঁঠনিত ব্যক্তিসকলক নিশ্চিত কৰি তোলা হয়।
- যি পদ্ধতিৰে বা প্ৰক্ৰিয়াৰে ব্যক্তি বা সমূহক কম-বেছি পৰিমাণে প্ৰচলিত প্ৰস্থিতিৰ স্তৰ প্ৰদান কৰা হয় তাক স্তৰীকৰণ বুলি কোৱা হয়।
- সামাজিক স্তৰীকৰণৰ কিছুমান কাৰ্য্য হৈছে — ই কঠোৰ পৰিশ্ৰমক উৎসাহিত কৰে, বিশিষ্ট শ্ৰেণীৰ সংবহনক সুনিশ্চিত কৰে। অৰ্থনৈতিক কাৰ্য্য হিচাপে সেৱা কৰে, সম্পত্তিৰ অপচয় ৰোধ কৰে, মনোভাৱ আৰু কৌশলসমূহক সমৰ্থন আৰু সুস্থিৰ কৰি তোলে, সামাজিক নিয়ন্ত্ৰণৰ আৰু বিভিন্ন বৃত্তি বা কাৰ্য পালন কৰাত সহায় কৰে।
- সামাজিক স্তৰীকৰণৰ দুটা প্ৰধান তত্ত্ব হৈছে মাৰ্ক্সৰ তত্ত্ব আৰু ক্ৰিয়াত্মক তত্ত্ব।
- সামাজিক স্তৰীকৰণৰ বিভিন্ন প্ৰকাৰসমূহ হৈছে দাসত্ব, সামন্ত প্ৰথা, জাতি, সামাজিক শ্ৰেণী আৰু সামাজিক প্ৰস্থিতি।
- ভাৰতীয় সমাজত সামাজিক বিভাজন তিনি প্ৰকাৰৰ পৰিলক্ষিত হয় - জাতিৰ ভিত্তিত সামাজিক বিভাজন, ধৰ্মৰ ভিত্তিত সামাজিক বিভাজন আৰু অৰ্থনীতিৰ ভিত্তিত সামাজিক বিভাজন।



৮.৯ অধিক জানিবলৈ

1) Chaube & Chaube (2016) : Philosophical and Sociological foundations of Education.
2) F. J. Brown (1954) : Educational Sociology
3) Chandra and Sharma (2006) : Sociology & Education
4) C. N. Shankar Rao (2007) : Principles of Sociology



৮.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ যি প্রক্রিয়াৰে ব্যক্তি বা সমূহ বিলাকক কম বেছি পৰিমাণে প্রচলিত প্রস্থিতিৰ স্তৰ সমূহত স্থান প্রদান কৰা হয় তাক সামাজিক স্তৰীকৰণ বোলা হয়।

২ নং প্রশ্নৰ উত্তৰঃ সামাজিক স্তৰীকৰণৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট হৈছে ই বিশ্বজনীন। এই পৃথিৱীত কোনো এখন সমাজ নাই যিখন সমাজ সামাজিক স্তৰীকৰণৰ পৰা মুক্ত। আধুনিক সামাজিক স্তৰীকৰণ প্রাৰম্ভিক সমাজৰ স্তৰীকৰণতকৈ পৃথক। ই এক বিশ্বজনীন পৰিঘটনা।

৩ নং প্রশ্নৰ উত্তৰঃ মার্ক্সে সমাজক দুটা ভাগ কৰিছিল — শ্রমজীৱি বর্গ আৰু পুঁজিপতি বর্গ। শ্রমজীৱিসকলে বনুৱাসকলক আৰু পুঁজিপতিসকলে উদ্যোগপতি সকলক প্রতিনিধিত্ব কৰে।

৪ নং প্রশ্নৰ উত্তৰঃ সামাজিক স্তৰীকৰণৰ চাৰিটা প্রধান ভাগ হৈছে — দাসত্ব, সামন্ত প্রথা, জাতি, সামাজিক শ্রেণী আৰু সামাজিক প্রস্থিতি।



৭.১১ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (৫০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ সামাজিক স্তৰীকৰণ বুলিলে কি বুজা? ইয়াৰ প্রধান নীতিসমূহ উল্লেখ কৰা।

প্রশ্ন ২ঃ সামাজিক স্তৰীকৰণৰ উৎসসমূহ উল্লেখ কৰা।

প্রশ্ন ৩ঃ সামাজিক স্তৰীকৰণৰ প্রধান তত্ব দুটা উল্লেখ কৰা।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ সামাজিক স্তৰীকৰণৰ প্রকৃতি আৰু কার্য্যাৱলী আলোচনা কৰা।

প্রশ্ন ২ঃ সামাজিক স্তৰীকৰণৰ বিভিন্ন প্রকাৰ সমূহ আলোচনা কৰা।

প্রশ্ন ৩ঃ সামাজিক স্তৰীকৰণৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা আলোচনা কৰা।

*** ***** ***

অধ্যায় ৯ঃ সামাজিক গতিশীলতা আৰু শিক্ষা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সামাজিক গতিশীলতাৰ অর্থ

৯.৩.১ সামাজিক গতিশীলতাৰ সংজ্ঞা আৰু প্রকৃতি

৯.৩.২ সামাজিক গতিশীলতাৰ প্রকাৰ

৯.৪ সামাজিক গতিশীলতাৰ ধাৰাবাহিকতা আৰু পৰিবর্তন

৯.৫ সামাজিক গতিশীলতাত প্রভাৱ পেলোৱা কাৰকসমূহ

৯.৬ শিক্ষা আৰু গতিশীলতা

৯.৭ শিক্ষা আৰু গতিশীলতাৰ ক্ষেত্রত বাধাসমূহ

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আর্হি প্রশ্ন

৯.১ শৈক্ষিক উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সক্ষম হ'ব —

- সামাজিক গতিশীলতাৰ ধাৰণাৰ সংজ্ঞা দিবলৈ
- সামাজিক গতিশীলতাৰ প্রকৃতি, প্রকাৰ আৰু কাৰকসমূহ চিনাক্ত কৰিব পাৰিব
- দলীয় গতিশীলতাৰ ক্ষেত্রত শিক্ষাৰ ভুমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব আৰু গতিশীলতাৰ অন্তঃ আৰু বহিঃ বাধাসমূহো জানিব।

৯.২ পৰিচয়

গতিশীলতাই পৰিৱর্তন, সালসলনি আৰু গতিবিধিক বুজায়। এই পৰিৱর্তন স্থান বা এক স্থানৰপৰা অন্য স্থানলৈ হ'ব পাৰে। অৱশ্যে পৰিৱর্তন ভাল বা বেয়াৰ বাবে বুলি নিদির্ষ্টিভাৱে ক'ব নোৱাৰি। আমি যেতিয়া গতিশীলতাৰ লগত 'সমাজক' পূর্বানিদ্ধাৰিতভাৱে সংযুক্ত কৰি দিও তেতিয়া সামাজিক মর্য্যদা গ্রহণকাৰী ব্যক্তি বা ব্যক্তিদলক অন্য মর্য্যাদালৈ গতি কৰা বুলি ক'ব পাৰো। সামাজিক স্তৰত এই গতিশীলতা সমান্তৰাল বা অধোলম্ব বা উর্দ্ধমুখী বা নিম্নমুখী হ'ব পাৰে। এই অধ্যায়টিত সামাজিক গতিশীলতাৰ অর্থ, প্রকৃতি আৰু প্রকাৰৰ প্রতিফলন কৰা হৈছে।

৯.৩ সামাজিক গতিশীলতাৰ অর্থ

সামাজিক গতিশীলতাৰ দ্বাৰা য়ংঙ আৰু মেকে সামাজিক গাঁথনিৰ ভিতৰত হোৱা গতিবিধিক বুজাইছে। যেতিয়া এজন নিম্ন বর্গত কাম কৰা লোকে উচ্চ বর্গলৈ স্থানান্তৰিত হয়, যিয়ে তেওঁক উচ্ছ স্থান আৰু প্রস্থিতি প্রদান কৰে, তেওঁ তেওঁৰ শ্রেণী গাঁথনিত নিজৰ স্থান সলনি কৰি লয়। সেই ব্যক্তিজনক সামাজিকভাৱে গতিশীল হোৱা বুলি ক'ব পাৰি। এজন ব্যক্তিৰ শ্রেণী প্রস্থিতি প্রকৃততে তেওঁৰ পিতৃ-মাতৃৰ শ্রেণী প্রস্থিতিৰ দ্বাৰা নির্ধাৰিত হয়। যেতিয়া তেওঁ পিতৃ মাতৃৰপৰা এক বিশেষধৰণৰ শিক্ষা আহৰণ কৰে আৰু এক ভিন্ন বৃত্তিমূলক শ্রেণীলৈ গতি কৰে অথবা এক ভিন্ন জীৱন ধাৰণৰ শৈলী অনুসৰণ কৰে, তেতিয়া তেওঁক সামাজিকভাৱে গতিশীল বুলি ক'ব পাৰি। সামাজিক গাঁথনিৰ ভিতৰত হোৱা গতি-বিধি ব্যক্তিৰ সমগ্র এক শ্রেণীৰ বাবে হ'ব পাৰে। উদাহৰণ স্বৰূপে এটা জাতি গাঁথনিৰ স্তৰত উর্ধ্বমুখী হ'ব পাৰে।

সামাজিক গতিশীলতাই কোনো এক ব্যক্তি বা দলে কোনো এক সামাজিক প্রস্থিতিৰ বা স্থানৰ পৰা অন্য এক প্রস্থিতিলৈ কৰা গতিবিধিক বুজায়। উদাহৰণস্বৰূপে, এজন দুখীয়া ব্যক্তি ধনীলৈ ৰূপান্তৰিত হ'ব পাৰে। বেংকৰ নিম্ন বর্গৰ কর্মচাৰীয়ে উচ্চ বর্গৰ কর্মচাৰী হ'ব পাৰে, এজন কৃষক গৈ এজন মন্ত্রী, এজন ক্ষুদ্র ব্যৱসায়ী গৈ এজন উদ্যোগপতি হোৱা ইত্যাদি। একে সময়তে এজন সু-ব্যৱসায়ী ধৰুৱালৈ আৰু শাসনত অধিষ্ঠিত শ্রেণী শাসনচ্যুত হৈ অৱনমিত হ'ব পাৰে।

গতিশীলতা হৈছে এক বিশেষ সামাজিক পৰিৱর্তন। চ'ৰকিনৰ মতে, সামাজিক পৰিসৰত ব্যক্তি বা দলৰ হোৱা স্থান পৰিবর্তনৰ লগত সামাজিক গতিশীলতা জড়িত।

৯.৩.১ সামাজিক গতিশীলতাৰ সংজ্ঞা আৰু প্রকৃতি

ৱালেচ আৰু ৱালেচৰ মতে, (Wallace and Wallace) "এজন ব্যক্তি বা ব্যক্তিসকলৰ এটা সামাজিক স্থানৰ পৰা আন এটা সামাজিক স্থানলৈ কৰা গতিবিধিকে সামাজিক গতিশীলতা বোলা হয়।"

উইলিয়াম চেছিল হেডৰিকৰ মতে, (William Cecil Hedrick) "ব্যক্তিৰ সামাজিক দলৰ পৰা সামাজিক দললৈকে কৰা গতিবিধিক সামাজিক গতিশীলতা বোলা হয়।" আন অর্থত যেতিয়া এজন ব্যক্তিয়ে এটা সামাজিক দলৰ পৰা আন সামাজিক দললৈ গতি কৰে তাক সামাজিক গতিশীলতা বুলি কোৱা হয়।

আৰ. জে. হেভিংহার্ষ্ট আৰু বি.এল নিউগার্টেনৰ মতে, (R. J. Havinghurst and B. L. Neugarten) "সামাজিক গতিশীলতা হৈছে নতুন সামাজিক দলৰ বিভিন্ন উপাদানসমূহৰ এককীকৰণ যেনে — বৃত্তি, আয়, গৃহ প্রকাৰ, ওচৰ-চুবুৰীয়া, নতুন বন্ধু-বান্ধৱ আৰু নতুন অনুষ্ঠানৰ সদস্যতাক সাঙুৰি এটা সামাজিক শ্রেণীৰ পৰা আন এটা সামাজিক শ্রেণীলৈ কৰা গতিবিধি।"

বাৰবাৰৰ মতে, (Barber) সামাজিক গতিশীলতা হৈছে সমাজৰ উচ্চ আৰু নিম্ন শ্ৰেণীৰ উত্থান-পতন। ই মূলতঃ এটা শ্ৰেণীৰ মাজত হোৱা গতিবিধি, কার্যগতভাৱে সামাজিক দল আৰু উচ্চ বা নিম্ন হিচাপে মূল্যায়িত হোৱা শ্ৰেণীসমূহক ই সূচায়।"

সময়ৰ লগে লগে ব্যক্তিসকলৰ মাজত ভূমিকা বা সামাজিক দলৰ স্থান এটাৰ পৰা আন স্থানলৈ কৰা গতিবিধিৰ এক প্ৰক্ৰিয়া হিচাপে ধাৰণা কৰিব পাৰি। বিভিন্ন সামাজিক আন্তঃক্ৰিয়াত সংঘটিত হোৱা ঘটনাসমূহ যি সমূহৰ প্ৰতি পৰিবৰ্তিত সামাজিক ভূমিকাৰে ব্যক্তিসকলে প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে, সেই প্ৰতিক্ৰিয়া বা সামাজিক আন্তঃক্ৰিয়াৰ কাৰকসমূহ এই গতিবিধিৰ কাৰণ হ'ব পাৰে।

ওপৰোক্ত এই সংজ্ঞাসমূহত বৃত্তি, আয়, আনুষ্ঠানিক সদস্য আদিৰ ক্ষেত্ৰত গতিশীলতাৰ প্ৰকৃতিসমূহ স্পষ্টভাৱে আলোচনা কৰা হৈছে। উচ্চকাংক্ষী লোকসকলে তেওঁলোকৰ সামাজিক স্থান সমূহ উন্নত কৰিব বিচাৰে আৰু উৰ্ধমুখীভাৱে গতি কৰিব বিচাৰে।



জানি থোৱা ভাল

গতিশীলতা সম্পৰ্কে চ'ৰকিনে (Sorokin) প্ৰথম তেওঁৰ পুথি "সামাজিক আৰু সাংস্কৃতিক গতিশীলতাত" উল্লেখ কৰিছিল। সামাজিক গতিশীলতাই এজন ব্যক্তি বা দলৰ এটা স্থানৰ পৰা আন এটা স্থানলৈ হোৱা পৰিবৰ্তনক সূচায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সামাজিক গতিশীলতা বুলিলে কি বুজা?

.....

.....

৯.৩.২ সামাজিক গতিশীলতাৰ প্ৰকাৰসমূহ

সামাজিক গতিশীলতাক তিনি ধৰণে ভাগ কৰিব পাৰি — (ক) সমান্তৰাল আৰু উলম্ব গতিশীলতা (খ) মুক্ত আৰু ৰুদ্ধ আৰ্হিৰ গতিশীলতা (গ) আন্তঃপ্ৰজন্মমূলক গতিশীলতা

গতিশীলতা — প্ৰস্থিতিৰ স্থান বা মৰ্য্যদাৰ পৰিবৰ্তন নোহোৱাকৈ হোৱা কৰ্ম বা বসবাসৰ পৰিবৰ্তনে সমান্তৰাল গতিশীলতা বুজায়। উদাহৰণস্বৰূপে এজন শিক্ষকে এখন স্কুলৰ পৰা আন এখন স্কুললৈ গতি কৰিব পাৰে বা এজন কল্যাণ বিভাগৰ বিষয়া হিচাপে কোনো উদ্যোগত অংশগ্ৰহণ কৰিব পাৰে। প্ৰতিখন সমাজতে কিছু এক সংখ্যক ব্যক্তিয়ে আনৰ তুলনাত উচ্চ স্থান গ্ৰহণ কৰে; কিছুমানে নিম্নস্থানত থাকে। যেতিয়া এটা দলৰ

ভিতৰতে এজন ব্যক্তিৰ স্থান সাল-সলনি হয়, তেতিয়া তাক সমান্তৰাল সামাজিক গতিশীলতা বোলা হয়।

উৰ্ৱস্ব গতিশীলতা — সামাজিক প্ৰস্থিতিৰ পৰিবৰ্তন ক্ষেত্ৰত শ্ৰেণী, বৃত্তি আৰু ক্ষমতা এই তিনিওটা দিশৰ বা যিকোনো এটা দিশত হোৱা গতিশীলতাক উলম্ব গতিশীলতা বুলিব পাৰি। এজন ব্যক্তিৰ গতিশীলতা নিম্নগামী বা উৰ্দ্ধগামীয়েই হওঁক তাৰ মূল্যায়ণ কৰে কিদৰে তেওঁ আৰোপিত প্ৰস্থিতিৰ তুলনাত বৰ্তমান কিমান স্থান আহৰণ কৰিব পাৰিছে।

মুক্ত আৰ্হিৰ গতিশীলতাই প্ৰস্থিতি পৰিবৰ্তনৰ মুক্ত গতিবিধিক বুজায়। ই প্ৰস্থিতিৰ আনুষ্ঠানিক নিৰ্দিষ্টতাক স্বীকৃতি নিদিয়ে। এই ধৰণৰ প্ৰক্ৰিয়াত, প্ৰস্থিতি আহৰণ কৰিব পাৰি। ইয়াত গতিশীলতা প্ৰনোদিত আৰু উৎসাহিত হয়, এজন ব্যক্তি তেওঁৰ স্থান আৰু প্ৰস্থিতি উন্নত কৰিবলৈ সম্পূৰ্ণৰূপে মুক্ত। নগৰকেন্দ্ৰিক জীৱন, শ্ৰমৰ অতিৰিক্ত বিভাজন আৰু দ্ৰুত সামাজিক পৰিবৰ্তনে ব্যক্তিক তেওঁৰ প্ৰাপ্তিৰ আধাৰত প্ৰস্থিতি আহৰণ কৰাত সহায় কৰি তোলে।

ৰুদ্ধ আৰ্হিৰ গতিশীলতাৰ প্ৰস্থিতি বা স্থান জন্ম বা জাতিৰ ওপৰত নিৰ্ভৰশীল। এই মৰ্মে কোনো এজন ব্যক্তিয়ে জাতি সলনি কৰাটো অসম্ভৱ। যেতিয়া এখন সমাজে লিংগ, ধৰ্ম আৰু জাতিৰ ভিত্তিত ইয়াৰ বিভিন্ন সদস্যসকলক বিভিন্ন ধৰণৰ প্ৰস্থিতি আৰোপিত কৰে আৰু সামাজিকভাৱে সমৰ্থনকাৰী দল সমূহে নিম্ন দলৰ সদস্যৰ প্ৰৱেশত বাধা প্ৰদান কৰে তেতিয়া তাক ৰুদ্ধ আৰ্হিৰ গতিশীলতা বুলি কোৱা হয়। ভাৰতবৰ্ষৰ সমাজে এনে ধৰণৰ ৰুদ্ধ আৰ্হিৰ উদাহৰণ দাঙি ধৰে। আনহাতে আমেৰিকাৰ সমাজসমূহ মুক্ত আৰ্হিৰ গতিশীলতা সমাজৰ উদাহৰণ।

আন্তঃ প্ৰজন্মমূলক গতিশীলতা — আন্তঃপ্ৰজন্মমূলক গতিশীলতাই দুটা প্ৰজন্মৰ মাজত হোৱা গতিশীলতাক বুজায় যেনে - পিতৃ-প্ৰজন্ম আৰু পুত্ৰ প্ৰজন্মৰ গতিশীলতা। বৰ্তমান সময়ত আমি দুটা প্ৰজন্মৰ বৃত্তিগত গাঁথনিত গুৰুত্বপূৰ্ণ পৰিবৰ্তন লক্ষ্য কৰিব পাৰো। বৰ্তমান পিতৃ পুৰুষৰ বৃত্তিসমূহ তেওঁলোকৰ প্ৰজন্মসমূহে সাধাৰণতে অনুসৰণ কৰা দেখা নাযায়। এজন কৃষক পিতৃৰ সন্তান এজন অসামৰিক বিষয়া হোৱা দেখা যায়। বৃত্তিৰ পৰিবৰ্তনৰ লগে লগে প্ৰস্থিতি নিৰ্ধাৰণত বৃত্তি এক প্ৰধান বৈশিষ্ট্য ৰূপে পুত্ৰজনে সামাজিক প্ৰস্থিতিৰ জখলাত অগ্ৰগামী হয়। বৰ্তমান সময়ৰ ঔদ্যোগিক সমাজখন এইধৰণৰ আন্তঃপ্ৰজন্মমূলক গতিশীলতাৰে প্ৰভাবান্বিত।

হেভিংহাৰ্ষ্ট আৰু নেউগাৰ্টনে সামাজিক গতিশীলতাৰ দুটা প্ৰকাৰ উল্লেখ কৰিছে। উৰ্দ্ধমুখী সামাজিক গতিশীলতা আৰু নিম্নমুখী সামাজিক গতিশীলতা।

উৰ্দ্ধমুখী সামাজিক গতিশীলতা — হেৰ্ডিকে উল্লেখ কৰা সমান্তৰাল সামাজিক গতিশীলতাৰ লগত এই প্ৰকাৰৰ গতিশীলতাৰ সামঞ্জস্য আছে। হেভিংহাৰ্ষ্ট আৰু নিউগাৰ্টেনৰ মতে উৰ্দ্ধমুখী সামাজিক গতিশীলতাৰ বাবে এক নতুন সংস্কৃতিৰ জ্ঞান আহৰণৰ প্ৰয়োজন আছে। যদি এজন ব্যক্তি কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰে আৰু

শিক্ষা আহৰণৰ পিছত তেওঁ অধিবক্তা হিচাপে পৰিচিত হয় তেতিয়া তেওঁ অধিবক্তা সকলৰ সামাজিক আচাৰ আৰু ব্যৱহাৰসমূহ শিকাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

নিম্নমুখী সামাজিক গতিশীলতাঃ নিম্নমুখী সামাজিক গতিশীলতা বিশেষ কাৰণবশত এজন ব্যক্তি বা ব্যক্তি দলৰ নিম্নগামী সামাজিক গতিবিধিৰে ৰাজনৈতিক পৰিৱৰ্তন, অৰ্থনৈতিক হতাশা নাইবা চাৰিত্ৰিক দূৰ্বলতা ইয়াৰ কাৰণ হ'ব পাৰে।

হেভিংহাৰ্ষ্ট আৰু বি. এল. নেউগাৰ্টনৰ মতে, নিম্নমুখী সামাজিক গতিশীলতা দুটা প্ৰধান কাৰকৰ বাবে হ'ব পাৰে —

(ক) প্ৰথম কাৰক হৈছে ব্যক্তিসমূহৰ সহযোগিতা আৰু প্ৰচেষ্টাৰ অভাৱ। অকৰ্মণ্যতা , এলাহ আদিৰ বাবে সম্পত্তিশালী ব্যক্তিৰ নিম্নগামী গতিশীলতা সৃষ্টি হ'ব পাৰে।

(খ) নিম্নগামী গতিশীলতাৰ দ্বিতীয় কাৰক হৈছে — সামাজিক পৰিবৰ্তন। ভাৰতবৰ্ষৰ সমাজত নিম্নমুখী সামাজিক পৰিবৰ্তনৰ এক উদাহৰণ হৈছে ন্যায়লয়ৰদ্বাৰা ৰাণীসকলৰ ব্যক্তিগত, ৰাজকীয় খৰচ বন্ধ কৰা। ভাৰতবৰ্ষৰ চৰকাৰে ৰাণীসকলক সাধাৰণ জনতালৈ ৰূপান্তৰিত কৰিছিল।



জানি থোৱা ভাল

সামাজিক গতিশীলতাৰ প্ৰধান প্ৰকাৰ হৈছে —

- সমান্তৰাল আৰু উলম্ব গতিশীলতা
- মুক্ত আৰু ৰুদ্ধ আৰ্হিৰ গতিশীলতা
- আন্তঃ প্ৰজন্মমূলক গতিশীলতা



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ সামাজিক গতিশীলতাৰ দুটা প্ৰধান প্ৰকাৰ নিম্নগামী আৰু উদ্ধগামী গতিশীলতাৰ বিষয়ে লিখা।

.....

.....

৯.৪ সামাজিক গতিশীলতাত ধাৰাবাহিকতা আৰু পৰিবৰ্তন

যোৱা কিছু দশকজুৰি দেখা গৈছে পৰম্পৰাগত সামাজিক প্ৰস্থিতিৰ স্তৰসমূহৰ ভিতৰতে এক নতুন প্ৰস্থিতি অৰ্জনৰ এক প্ৰতিযোগিতা আৰম্ভ হৈছে। এই প্ৰতিযোগিতা চহৰীকৰণ আৰু পাশ্চাত্যকৰণৰ প্ৰভাৱৰ দ্বাৰা বিকশিত হৈছে, কিন্তু এইসমূহ পৰম্পৰাগত সামাজিক সংগঠনসমূহৰ পৰা স্বাধীন নহয়।

ভাৰতত চহৰীকৰণৰ ধাৰণা নতুন নহয় যদিও দ্ৰুত চহৰীকৰণ এক নতুন ধাৰণা। ঔদ্যোগিক নিয়োগৰ তৎপৰতা, সুদীৰ্ঘ দূৰত্বৰ মাজত সহজ যোগাযোগ, বস্তু আৰু সেৱা সমূহৰ

উপযুক্ত বিতৰণ আৰু কেন্দ্রীয় প্রশাসনে ভাৰতবর্ষত পূর্বতকৈ ব্যক্তিসকলক চহৰীয়া জীৱন-যাপনৰ এক সুবিধাময় আৰু বিকল্পময় ব্যৱস্থা প্রদান কৰিছে।

গাঁৱলীয়া অঞ্চল ভিত্তিক সামাজিক দলসমূহৰ সদস্যতাৰ বাধা আৰু বান্ধোন সমূহৰ পৰা চহৰীয়া সম্প্রদায়ত ব্যক্তিগত স্বাধীনতা বাস আৰু অত্যন্ত গতিশীলতা প্রদান কৰি চহৰীয়া জীৱনে স্বাধীনতা প্রদান কৰিছে। জাতি, ধর্ম, আচাৰ, পৰম্পৰা আদি সামাজিক নিয়ন্ত্রণসমূহ সামাজিক ব্যৱস্থাত অন্তর্নিহিত যদিও ব্যাপক ৰূপত চহৰ সমূহত ইয়াৰ প্রভাৱ পৰিলক্ষিত নহয়। ব্যক্তিসকলে তেওঁলোকৰ বা ক্ষুদ্র পৰিয়াল ভিত্তিক জাতি বা অন্যান্য সামাজিক উপাদানৰ ভিত্তিত তেওঁলোকৰ প্রস্থিতি আৰু অন্যান্য পুৰস্কাৰসমূহ বিচাৰিবলৈ সক্ষম হৈ পৰিছে। তেওঁলোকে চহৰলৈ গৈ এই প্রস্থিতি বিচাৰিবলৈ প্রয়াস কৰে।

বিস্তৃত পৰিমাণে জন্মৰ কাৰকৰ পৰিবর্তে চহৰীয়া ভাৰতীয়সকলে তেওঁলোকৰ আচৰণ আৰু গুণসমূহৰ ফলাফল ভিত্তিত প্রস্থিতি আহৰণ কৰিবলৈ সক্ষম হয়। হেৰল্ড গল্ডৰ মতে, জাতি দলৰ পৰা সত্ববাদীৰ নীতিৰ ওপৰত প্রতিষ্ঠিত উদ্যোগসমূহলৈকে ঔদ্যোগীকৰণে বিশিষ্ট বৃত্তিসমূহৰ সাল-সলনি আনে। ইয়াৰ অর্থ এইয়ে যে নীতিৰ ক্ষেত্রত বৃত্তিমূলক ভূমিকা পালনকাৰীসকল বিভক্ত আৰু বৃত্তি নির্দ্ধাৰণকাৰী প্রবল মানদণ্ড হৈছে পাৰদর্শিতা গুণাৱলী আৰু তাৰ ভিত্তিত প্রদান কৰা অর্থনৈতিক পুৰষ্কাৰ আৰু সামাজিক গতিশীলতা-কোনো ভূমিকাক প্রদান কৰা মূল্য বা প্রস্থিতি মূল্যায়ণৰ প্রধান গুণ হৈ পৰিব।

পৰম্পৰাগত প্রস্থিতি— জাতি মর্য্যদাসমূহ চহৰৰ পৰা শেষ হৈ নাযায়। ব্যক্তিগত ক্ষেত্রত এইসমূহ গুৰুত্বপূর্ণ হৈ ৰয়। পৰিয়াল আৰু ওচৰ-চুবুৰীয়া সকলে সাধাৰণতে তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক গাঁথনি গাঁৱলীয়া পৰিস্থিতিত পুণৰাবৃত্তি কৰে। অৱশ্যে সকলোবোৰে ইয়াৰ পুনৰাবৃত্তি নকৰিবও পাৰে।

৯.৫ সামাজিক গতিশীলতাত প্রভাৱ পেলোৱা কাৰকসমূহ

সামাজিক গতিশীলতাত প্রভাৱ পেলোৱা বিভিন্ন কাৰকসমূহৰ ভিতৰত হেনৰি. এম. জনছনে বাচি উলিওৱা কিছুমান গুৰুত্বপূর্ণ কাৰক তলত উল্লেখ কৰা হ'ল —

- সামাজিক মর্য্যদা বা সন্মানসমূহ চূড়ান্তভাৱে গ্রহণযোগ্য মূল্যবোধৰ ওপৰত নির্ভৰশীল। কিছুমান বিশেষ আহৰণৰ গুণ সামাজিকভাৱে মূল্যবান হ'লে ব্যক্তিয়ে সেই গুণৰ আহৰণৰ প্রচেষ্টা চলায়।
- উচ্চ শ্রেণীত সীমাবদ্ধ হোৱা কিছুমান বিশেষ জন্মলব্ধ ক্ষমতা আৰু বুদ্ধিৰ বাবে কোনো ধৰণৰ অহৰহ তাড়না পৰিলক্ষিত নহয়। এখন সমাজত এজন কৃষক বা শ্রমিকৰ সন্তান উচ্চ প্রস্থিতিলৈ উর্দ্ধগামী হোৱাটো অস্বাভাৱিক নহয়।
- ব্যক্তিৰ বিভিন্ন প্রকাৰৰ কৌশলসমূহৰ দাবীত সমাজত দ্রুত গতিত হোৱা পৰিবর্তনেও সামাজিক গতিশীলতাত প্রভাৱ পেলায়।

- প্রতিটো শ্রেণীত জন্মৰ হাৰে কেতিয়াও সেই শ্রেণীৰ সকলো মর্য্যদা পৰিপূৰণ কৰিব নোৱাৰে যাৰ বাবে সামাজিক গতিশীলতাৰ সৃষ্টি হয়।
- উচ্চ শ্রেণীত কৰা জন্ম গ্রহণে বহুসময়ত ব্যক্তিসকলৰ মাজত প্রসন্নতা জগাই তোলে। গতিকে আমি ক'ব পাৰো যে, সমাজত সংগঠিত হোৱা সুবিধাৰ অসমতাৰ নিৰোধক কাৰকৰ সত্ত্বেও প্রতিখন সমাজতে সামাজিক গতিশীলতাৰ সৃষ্টি হয়।

ওপৰোক্ত এই কাৰকসমূৰ উপৰিও সামাজিক গতিশীলতাত প্রভাৱ পেলোৱা আন কিছুমান কাৰক হৈছে —

- **সামাজিক পৰিবর্তন** — সাধাৰণতে গতিশীলতাক সমর্থন জনোৱা বা বাধা প্রদান কৰা মৌলিক কাৰক হৈছে সামাজিক পৰিবর্তনৰ হাৰ। দ্রুত সামাজিক পৰিবর্তনৰ কাৰকসমূহ যেনে — ঔদ্যোগিক বিপ্লৱ বা ক্ষেত্রীয় বিস্তৃতিয়ে সামাজিক গতিশীলতাৰ সৃষ্টি কৰে। আনহাতে, প্রযুক্তিগত বা ক্ষেত্রীয় পৰিবর্তন নহ'লে ব্যক্তিয়ে তেওঁৰ ওপৰত সমাজে আৰোপিত কৰা প্রস্থিতিক উচ্চগামী কৰাৰ সুবিধা নাপাব।
- **সামাজিক গাঁথনি** — সমাজ সাধাৰণতে দুই প্রকাৰৰ হ'ব পাৰে - ৰুদ্ধ সমাজ আৰু মুক্ত সমাজ। ৰুদ্ধ সমাজসমূহ ঠেক প্রকৃতিৰ আনহাতে মুক্ত সমাজত ব্যক্তিসকলে তেওঁলোকৰ ইচ্ছামতে কার্য কৰাৰ সম্পূর্ণ স্বাধীনতা লাভ কৰে। গতিকে সমাজৰ এই পৰিবর্তনসমূহে বিশেষভাৱে মুক্ত সমাজৰ পৰিবর্তন সামাজিক গতিশীলতাৰ বাবে কার্যকৰী।
- **ধর্মীয় বিশ্বাস আৰু অন্ধবিশ্বাস**— যি সমূহ বিষয় বা বস্তু ধর্মৰ লগত জড়িত সেইসমূহ কঠোৰ হৈ পৰে। যেতিয়া প্রায় সৰহসংখ্যক কার্যত মানুহে অনুসৰণ কৰা ধর্ম যদি বিজ্ঞান সম্মত নহয় তেতিয়া সামাজিক গতিশীলতা কঠিন হৈ পৰে। আনহাতে বিজ্ঞানসম্মত ভাৱে ধর্মৰ ব্যাখ্যা কৰা দিশটোৱে সামাজিক গতিশীলতা কার্যকৰী কৰি তোলে।
- **জনসংখ্যা সম্বন্ধীয় গাঁথনি** — মুক্ত পৰিৱেশ আৰু উত্তম ভবিষ্যতৰ আশাৰ বাবে গাঁৱৰ পৰা চহৰলৈ কৰা ব্যক্তিৰ প্রব্রজনে সামাজিক গতিশীলতা বৃদ্ধি কৰি তোলে। জনসংখ্যাৰ গাঁথনিয়ে সামাজিক গতিশীলতাত প্রভাৱ পেলায়। যেতিয়া সৰহসংখ্যক বয়সস্থ লোকে নৱপ্রজন্মৰ জনসংখ্যাৰ ক্ষুদ্র সংখ্যা নিয়ন্ত্রণ কৰে তেতিয়া সামাজিক গতিশীলতা নিষিদ্ধ হৈ পৰে আৰু ইয়াৰ সাল-সলনিয়ে সামাজিক গতিশীলতা বৃদ্ধি কৰিব পাৰে।
- **যোগাযোগ** — যিকোনো ব্যৱস্থা যিয়ে দুটা শ্রেণীৰ মাজৰ যোগাযোগ সীমিত কৰি ৰাখে আৰু এটা শ্রেণীৰ জীৱন-ধাৰণাৰ জ্ঞান নিষিদ্ধ কৰি তোলে তেতিয়া ই সামাজিক গতিশীলতা নিৰুৎসাহী কৰি তোলে। আনহাতে, যি ব্যৱস্থাৰ জৰিয়তে সকলো শ্রেণীৰ সদস্যসকল আন শ্রেণীৰ সদস্যসকলৰ জীৱন ধাৰণ সম্পর্কে অৱগত হয়, সেই পদ্ধতিয়ে সামাজিক গতিশীলতা সৰল কৰি তোলে।
- **শ্রমৰ বিভাজন** — সমাজত বিৰাজমান হোৱা শ্রমৰ বিভাজন সমূহেও সামাজিক গতিশীলতাত প্রভাৱ পেলায়। যদি শ্রমৰ বিভাজন অধিক পৰিমাণে বিকশিত হয় আৰু বিশেষীকৰণ আৰু কৌশলসমূহ উচ্চ প্রকৃতিৰ হয় তেতিয়া এটা শ্রেণীৰ পৰা আন এটা

শ্রেণীলৈ গতি কৰাৰ ক্ষেত্রত সেই ব্যক্তিজনৰ বাবে কঠিন হৈ পৰে।

- **অর্থনৈতিক বিকাশ** — কোনো এখন দেশত গতিশীলতাৰ হাৰ নির্ণয় কৰাৰ ক্ষেত্রত আটাইতকৈ গুৰুত্বপূর্ণ কাৰক হৈছে অর্থনৈতিক বিকাশ। অর্থনৈতিক প্রগতি ঔদ্যোগিকৰণৰ লগত জড়িত আৰু এই ঔদ্যোগীকৰণ উচ্চ হাৰৰ গতিশীলতাৰ লগত জড়িত।
- **ৰাজনৈতিক কাৰক** — কোনো এক বিশেষ ক্ষেত্রত ৰাজনৈতিক স্থায়িত্বই ৰাজনৈতিক গতিশীলতাত প্রভাব পেলায়। বিকাশৰ অনুষ্ঠান বা নীতিসমূহ তেওঁলোকৰ সম্পূর্ণকৰণৰ পূর্বে বাধাপ্রাপ্ত নহ'বও পাৰে।
- **শিক্ষা**—সামাজিক গতিশীলতা বৃদ্ধিৰ ক্ষেত্রত শিক্ষাই এক প্রভাৱশালী ভূমিকা পালন কৰে। শিক্ষা নিজেই এক সামাজিক প্রস্থিতি। এজন শিক্ষিত মানুহ বা এজন বৈজ্ঞানিকক সমাজে উচ্চ সন্মান প্রদান কৰে। এজন শিক্ষকে এজন ব্যৱসায়ীতকৈ কম পৰিমাণে উপার্জন কৰিব পাৰে কিন্তু তেওঁ শিক্ষাৰ বাবে সমাজত তেওঁক উচ্চ সন্মান দিয়া হয়।
- **ব্যক্তিৰ আকাংক্ষা** — যদি সমাজৰ ব্যক্তিসকল তেওঁলোকৰ প্রস্থিতিসমূহ অগ্রগামী কৰাৰ বাবে উচ্চকাংক্ষী তেতিয়া সামাজিক গতিশীলতা ধনাত্মক দিশৰ হব পাৰে। ব্যক্তিৰ এই ধৰণৰ আকাংক্ষা আৰু মনোবল সমাজত প্রচলিত ধাৰাসমূহ আৰু বিশেষ দলৰ সফলতাৰ ওপৰত নির্ভৰশীল। যদি সমাজৰ সকলো অংশ সামাজিক আৰু অর্থনৈতিকভাৱে গতিহীন হয়। তেতিয়া সেই সমাজত সামাজিক গতিশীলতা সম্ভৱ নহয়।

সমাজতত্ত্ববিদসকলে সামাজিক গাঁথনিক 'মুক্ততা'ৰ নিশ্চয়তাকৰণৰ বাবে সামাজিক গতিশীলতাৰ অধ্যয়ন কৰে। বৃহৎ পৰিমাণৰ সামাজিক গতিশীলতাই অধিক মুক্ত শ্রেণী গাঁথনিক বুজায়। অৱশ্যে সকলো দেশতে সামাজিক গতিশীলতাৰ হাৰ এনে নহয়। বিভিন্ন সমাজৰ বাবে ই বিভিন্ন ধৰণৰ হয়।

৯.৬ শিক্ষা আৰু গতিশীলতা

যি বিশ্বাসৰ বাবে উচ্চগামী গতিশীলতা মানুহে সম্ভৱ আৰু বাঞ্ছিত বুলি দৃঢ় সংকল্প , সেই বিশ্বাসক গতিশীলতাৰ নীতিশাস্ত্র বুলি কোৱা হয়। এই ধৰণৰ নীতি শাস্ত্র বিকশিত দেশসমূহত এই কথা স্পষ্টভাৱে পৰিলক্ষিত। আনহাতে পিছপৰা দেশসমূহত এই নীতিশাস্ত্রসমূহ সম্পূর্ণভাৱে অৱহেলিত। ভাৰতবর্ষত ধর্মীয় পৰম্পৰা, সাধাৰণ জীৱনৰ যাপনত বিশ্বাস আৰু বস্তুগত প্রাপ্তিৰ প্রতি অনীহা আদিয়ে উলম্ব গতিশীলতাৰ আকাংক্ষাক স্থিমিত কৰে। অভাৱৰ মাজতো সন্তুষ্টি ইয়াৰ এক আদর্শ হোৱা বাবে সমাজখনে সামগ্রিকভাৱে বাধাসমূহৰ সন্মুখীন হ'ব লাগে। একপক্ষীয় শিক্ষাইহে এই পৰিস্থিতিৰ পৰিৱর্তন কৰিব পাৰে। শিক্ষাই এই ধৰণৰ প্রতিমানবোৰ আৰু মূল্যবোধ পদ্ধতিৰ পৰিবর্তন কৰিব পাৰে। কঠিন পৰিশ্রমৰ বাবে শিক্ষাই এক পৰিবেশৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ উপৰিও প্রস্থিতিৰ লগত থকা অসন্তুষ্টিসমূহ বিলুপ্ত কৰি শিক্ষাই ব্যক্তিৰ মনত প্রস্থিতি পৰিবর্তনৰ এক হাবিয়াস সৃষ্টি কৰিব পাৰে।

বৰ্তমান শিক্ষা হৈছে এক গুৰুত্বপূৰ্ণ মাধ্যম যাৰ জৰিয়তে সৱহ সংখ্যক পুৰস্কৃত আৰু সমৰ্থনযোগ্য স্থান আহৰণ কৰিব পাৰি। শিক্ষাই আকাংক্ষা সমূহ সৃষ্টি কৰাৰ লগতে অসন্তুষ্টি সমূহৰ আঁতৰাব লগতে উলম্ব গতিশীলতাৰ উপায় যোগান ধৰে। ইয়াৰ জৰিয়তে আমি ক'ব পাৰো যে শিক্ষাই ইয়াৰ সংগঠন আৰু মূল নীতিসমূহ সু-পৰিকল্পিতভাৱে সংগঠিত কৰাৰ দ্বাৰা উচ্চ প্ৰস্থিতিৰ লক্ষ্য আহৰণত সহায় কৰিব পাৰে।

স্তৰীকৰণ প্ৰক্ৰিয়াৰ দুটা প্ৰধান কাৰ্য্য উল্লেখনীয়। প্ৰথম হৈছে সহায়কাৰী কাৰ্য্য অৰ্থাৎ ব্যক্তিক স্থান প্ৰদান কৰা। দ্বিতীয়তে, সংহত কাৰ্য , এই প্ৰকাৰ কাৰ্য ব্যক্তিৰ তেওঁৰ স্থান সমূহ গ্ৰহণযোগ্যতাৰ লগত জড়িত। যিকোনো স্তৰীকৰণ প্ৰক্ৰিয়াত উচ্চ আৰু নিম্ন দুই ধৰণৰ স্থান পৰিলক্ষিত হয়। নিম্ন স্থানত থকা ব্যক্তিসকলে তেওঁলোকৰ নিজ নিজ ভাগ্যৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে এইভাৱে যে তেওঁলোকৰ লগত ন্যায়পূৰ্ণভাৱে ব্যৱহাৰ কৰা হৈছে। নিম্ন স্থানৰ লোকসকলে ন্যায়ৰ ক্ষেত্ৰত পোষণ কৰা এই মনোভাৱে স্তৰীকৰণ ব্যৱস্থাক আজিও জীয়াই ৰাখিছে। অনুসূচীত জাতিসমূহৰ মাজত এক ধৰ্মীয় ভাৱাবেশ সৃষ্টি হয় যে তেওঁলোকৰ পূৰ্বজন্মৰ কৰ্মৰ ফলতহে তেওঁলোকে এই নিম্নস্থান গ্ৰহণ কৰিবলগীয়া হৈছে। গতিকে স্তৰীকৰণৰ এই সংহত কাৰ্য্যাৱলী হ'ল ধৰ্মীয় ভাৱাবেশ জাগ্ৰত কৰা।

শিক্ষাবিদ ডুবেই আধুনিক শিক্ষাৰ লগত প্ৰসংগ ৰাখি সামাজিক গতিশীলতা সম্বন্ধে অধ্যয়ন কৰিছিল। তেওঁৰ অধ্যয়নমৰ্মে সামাজিক গতিশীলতা আৰু স্তৰীকৰণৰ প্ৰক্ৰিয়াটো পাৰস্পৰিকভাৱে জড়িত। তেওঁৰ অধ্যয়নে প্ৰমাণ কৰিছিল যে সামাজিক গতিশীলতাৰ পৰিঘটনাটো আধুনিক শিক্ষাৰ সৈতে জড়িত। ঔদ্যোগিক নগৰীকৰণৰ বিকাশৰ ফলস্বৰূপে চহৰলৈ মানুহৰ প্ৰব্ৰজন হ'ল আৰু কৰ্মৰ সুবিধা নতুন দল আৰু শ্ৰেণীৰ স্তৰৰ জখলাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হ'ল। সামাজিক গতিশীলতাৰ কাৰকসমূহ বিশ্লেষণ কৰি তেওঁ মন্তব্য প্ৰদান কৰিছিল যে, সাধাৰণতে উন্নয়ণশীল দেশসমূহত যেনে,ভাৰতবৰ্ষ য'ত ঔদ্যোগীকৰণে কিছুপৰিমাণে স্থান লাভ কৰিছে সেই সমূহ স্থানত সামাজিক গতিশীলতা হৈছে আধুনিক বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ পৰিণতি। এই শিক্ষাই ব্যক্তিক শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ লগতে উচ্চ মানৰ কৰ্মক্ষেত্ৰৰ আহৰণত সহায় কৰে। তেওঁৰ মতে পশ্চিম ইউৰোপ আৰু আমেৰিকা সামাজিক গতিশীলতা আৰু প্ৰব্ৰজন হৈছে ঔদ্যোগিকীকৰণৰ ফল।

আন এজন শিক্ষাবিদ এম, এচ, এ, ৰাওয়ে শিক্ষা, সামাজিক স্তৰীকৰণ আৰু গতিশীলতা সম্পৰ্কে বৰ্ণনা কৰিবলৈ তেওঁ কিছুমান ছাত্ৰ-ছাত্ৰীৰ উদাহৰণ প্ৰদান কৰিছিল। তেওঁ লিখিছিল — "ছাত্ৰ-ছাত্ৰীসকলৰ আকাংক্ষাৰ পৰ্য্যায় বহু পৰিমাণে তেওঁৰ পিতৃৰ বৃত্তিৰ দ্বাৰা প্ৰভাৱিত হয়। সেয়েহে নিম্ন শ্ৰেণী বা গাঁৱলীয়া পটভূমিৰ শিক্ষাৰ্থীসকলৰ যি আকাংক্ষাৰ পৰ্য্যায় উচ্চ শ্ৰেণীৰ বা জাতিৰ বা চহৰীয়া পটভূমিৰ ছাত্ৰ-ছাত্ৰীতকৈ নিম্ন।"

"যেতিয়া নিম্ন শ্ৰেণীৰ এজন শিক্ষাৰ্থী উচ্চশিক্ষিত হয় তেওঁ কেৱল অধিক পৰিশ্ৰমিকৰ কাৰ্য্য আহৰণৰ বাবেহে শিক্ষা গ্ৰহণ কৰে। এইদৰে পৰিয়ালৰ অৰ্থনৈতিক পৰ্য্যায় উৰ্দ্ধগামী কৰাৰ লগতে পৰিয়ালৰ সন্মান উৰ্দ্ধমুখী কৰাতো বৰঙণি যোগায়।" ওপৰোক্ত আলোচনাৰ দ্বাৰা এইয়া

স্পষ্ট যে সমাজৰ নিম্ন শ্রেণীৰ শিক্ষার্থীক শিক্ষাই সামাজিক স্তৰত আগুৱাই যোৱাত সহায় কৰে আৰু সমাজত এক উচ্চ সামাজিক স্থান দখল কৰাত সহায় কৰে।

আমি জানো যে উচ্চ শিক্ষা গ্রহণৰ জৰিয়তে পিছপৰা শ্রেণীৰ শিক্ষার্থীসকলে তেওঁলোকৰ স্থান উন্নত কৰিব পাৰে। উচ্চ শিক্ষাই উচ্চ পৰিশ্রমিক আহৰণতো সহায় কৰে আৰু এইদৰে শিক্ষা হৈছে উর্দ্ধগামী সামাজিক গতিশীলতাৰ এক সু-উপায়। ওপৰোক্ত আলোচনা সমূহৰ উপৰিও সামাজিক গতিশীলতাৰ প্রতি আগবঢ়োৱা শিক্ষাৰ বৰঙণিসমূহ নিম্নোক্ত ধৰণে উল্লেখ কৰিব পাৰো —

- শিক্ষাই সমাজত ব্যক্তিৰ প্রস্থিতি উর্দ্ধগামী কৰে। এজন শিক্ষিত ব্যক্তিয়ে তেওঁৰ শিক্ষাৰ বাবে সমাজত স্বীকৃতি, সন্মান আৰু স্থান লাভ কৰে।
- শিক্ষাই ব্যক্তিক নিয়োগৰ ভাল সুবিধা প্রদান কৰে। শিক্ষাই এহাতে ব্যক্তিৰ আয়ৰ পৰিমাণ বৃদ্ধি কৰে আৰু আনহাতে তেওঁলোকৰ ক্রয় ক্ষমতাৰ পৰিমাণো বৃদ্ধি কৰে, যিয়ে তেওঁলোকৰ জীৱন-ধাৰণৰ প্রণালী উচ্চ কৰি তোলে আৰু উচ্চ জীৱন ধাৰণ সামাজিক গতিশীলতাৰ লগত জড়িত।
- শিক্ষাই সামাজিক গাঁথনিৰ লগত জড়িত নিষিদ্ধতাসমূহ দূৰ কৰে আৰু জন্ম, লিংগ আৰু নীতি শাস্ত্রৰ ভিত্তিত কৰা প্রভেদসমূহ আঁতৰ কৰে।
- প্রাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় পর্য্যায়লৈকে শিক্ষাও স্তৰীকৃত। এজন ব্যক্তিয়ে তেওঁৰ শিক্ষাৰ স্তৰ অনুসৰি উলম্ব সামাজিক গতিশীলতা লাভ কৰিব।
- শিক্ষাহে এনেকুৱা এক উপায় যিয়ে ব্যক্তিক মুক্ত আৰু বহল মনৰ অধিকাৰী কৰি তোলে যাতে তেওঁ সমাজৰ জাতি-বিভাজনক এক গুৰুত্বপূর্ণ বিষয় হিচাপে বিবেচনা নকৰে।



জানি থোৱা ভাল

উচ্চগামী গতিশীলতা সম্ভৱ আৰু বাঞ্ছিত হিচাপে বিশ্বাসযোগ্য কৰি তোলাকে গতিশীলতা নীতিশাস্ত্র বুলি কোৱা হয়। স্তৰীকৰণৰ দুটা প্রধান ব্যৱস্থা হৈছে সহায়কাৰী কার্য্য আৰু সংহত কার্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ সামাজিক গতিশীলতা সম্পর্কে ডুবেৰ পর্যবেক্ষণক বর্ণনা কৰক।

.....

.....

৯.৭ শিক্ষা আৰু গতিশীলতাৰ বাধাসমূহ

এক সামাজিক গাঁথনিত সমান্তৰাল আৰু উলম্ব গতিশীলতাৰ প্ৰভাৱ পেলোৱা বিভিন্ন কাৰণ পোৱা যায়। আমি সেইসমূহক গতিশীলতাৰ বাধা আখ্যা দিব পাৰো। এই বাধাসমূহ আন্তঃ বা বহিঃ প্ৰকৃতিৰ হ'ব পাৰে। আন্তঃ বা আভ্যন্তৰীণ বাধাসমূহ হৈছে — মূল্যবোধ আকাংক্ষা আৰু ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰকাৰ। বহিঃগত বা বাহ্যিক বাধাসমূহৰ ভিতৰত সমাজৰ সুযোগ-সুবিধাৰ গাঁথনি আৰু গাঁথনিমূলক স্থিতি যাৰ দ্বাৰা সমাজৰ ব্যক্তিসকল প্ৰভাবান্বিত। গতিশীলতাৰ এই বাধাসমূহৰ বিষয়ে আলোচনা কৰো আহক —

- **বিশ্বাস আৰু মূল্যবোধসমূহ** — ঊৰ্ধমুখী গতিশীলতাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা প্ৰধান কাৰক হৈছে সামাজিক গাঁথনিত বিশ্বাস আৰু মূল্যবোধ সমূহ। ফ্ৰেমন নামৰ ব্যক্তি এজনে বিভিন্ন শৈক্ষিক মূল্যবোধসমূহত থকা শ্ৰেণী প্ৰভেদসমূহৰ ৰাষ্ট্ৰভিত্তিত কৰা এক অধ্যয়নৰ দ্বাৰা আহৰণ কৰা তথ্যসমূহে প্ৰদৰ্শন কৰিছিল যে নিম্ন আৰ্থ সামাজিক দলসমূহে প্ৰগতিৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ শিক্ষাক অধিক গুৰুত্ব প্ৰদান নকৰে। লগতে তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীসকলৰ বাবে মহাবিদ্যালয় শিক্ষাৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰদৰ্শন নকৰে। তেওঁ লগতে এই অধ্যয়নৰ দ্বাৰা অৱগত হৈছিল যে জীৱনত কৰ্মৰ নিৰ্বাচনৰ ক্ষেত্ৰত অৰ্থনৈতিক দিশ বোৰ যেন কৰ্মৰ নিশ্চয়তা, নিৰাপত্তা মজুৰী আদিক নিম্ন শ্ৰেণীৰ লোকসকলে অধিক গুৰুত্ব প্ৰদান কৰে। গতিকে নিম্ন শ্ৰেণীৰ লোকসকল কেৱল তেওঁলোকৰ কৰ্মৰ বাৰ্তাই বা কৰ্ম ক্ষেত্ৰক ধৰি ৰখাৰ ওপৰতহে অধিক আগ্ৰহী। প্ৰতিযোগিতাৰ জৰিয়তে সামাজিক প্ৰস্থিতি উন্নতি কৰাৰ প্ৰতি তেওঁলোক আগ্ৰহী নহয়। ভাৰতীয় পৰিবেশত এই ধৰণৰ দৃশ্য সহজেই পৰিলক্ষিত হয়। ইয়াত গাঁৱলীয়া অঞ্চলত নিৰাপত্তাৰ নিশ্চিয়তা প্ৰদান নকৰালৈকে এজন গাঁৱৰ শ্ৰমিকে তেওঁৰ নিজৰ অঞ্চলৰ পৰা আনলৈ স্থানান্তৰিত হ'ব নোখোজে। এইধৰণৰ কাৰ্য্যাৱলীয়ে সেই মাটি বা ভূমিৰ ওপৰত হেঁচা প্ৰয়োগ কৰে আৰু প্ৰস্থিতিৰ স্থানত কোনো ধৰণৰ উন্নতি নহয়। এই ধৰণৰ পৰিয়ালৰ সদস্যৰ মাজত বিভক্ত কৰি দিয়াৰ লগে লগে তেওঁলোকৰ আয়ৰ হাৰ কমি যায়।

  গাঁৱলীয়া অঞ্চলত বিশেষভাৱে, নিম্নশ্ৰেণীৰ লোকসকলৰ শিক্ষাৰ সুবিধা সীমিত, যাৰ বাবে প্ৰচলিত মূল্যবোধে তেওঁলোকৰ আকাংক্ষা আৰু কাৰ্যসমূহক নিয়ন্ত্ৰণ কৰে। নিম্নশ্ৰেণীৰ লোকসকলে উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰান্বিত নোহোৱাৰ কাৰণ ভিন্ন হ'ব পাৰে। যেনে — পৰম্পৰাগত মূল্যবোধবোৰ তেওঁলোকৰ ওপৰত পেলোৱা প্ৰভাৱ ইত্যাদি। এখন সমাজ বিকশিত হ'বৰ বাবে বিকশিত হোৱাৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱাৰ কাৰকসমূহ যিয়েই নহওক, সমাজৰ প্ৰতিজন ব্যক্তিয়ে শিক্ষাৰ সুবিধা লাভ কৰা উচিত। এই ধৰণৰ ব্যৱস্থাই প্ৰচলিত মূল্যবোধসমূহৰ ক্ষেত্ৰত পৰিবৰ্তন আনিব পাৰে।
- **পৰিয়ালৰ প্ৰভাৱ** — বহু সময়ত পৰিয়ালৰ প্ৰভাৱৰ বাবেও গতিশীলতা সীমিত হৈ ৰয়।

ষ্টীফেন্স নে কৰা অধ্যয়নৰ দ্বাৰা পোৱা যায় যে বৃত্তিমূলক পৰিকল্পনা আৰু আকাংক্ষা উভয়ে পিতৃৰ বৃত্তিৰ সন্মানীয় স্থানৰ লগত জড়িত। যদি পৰিয়ালত প্ৰচেষ্টাৰ অভাৱ হয় তেতিয়া সেই পৰিয়ালৰ ল'ৰা-ছোৱালীসকলৰ গতিবিধি আৰু আগ্ৰহ প্ৰভাবান্বিত হয়। সাধাৰণতে দেখা যায় কোনো এক ব্যক্তিয়ে যিকোনো এক কাৰ্য্য গ্ৰহণ কৰিবলৈ লোৱাৰ ক্ষেত্ৰত তেওঁৰ পিতৃ-মাতৃয়ে প্ৰভাবিত কৰে। এই ধৰণৰ প্ৰভাৱ যৌথ পৰিয়ালত বিশেষভাৱে পৰিলক্ষিত। তেনে ধৰণৰ পৰিয়ালত সকলোবোৰ সম্পৰ্ক এটা মূল ভেঁটিৰ অধীনত নিয়ন্ত্ৰিত, যিয়ে উপাৰ্জন নকৰা সদস্যসকলক নিৰাপত্তা প্ৰদান কৰে আৰু তেওঁলোকক তেওঁলোকৰ প্ৰস্থিতি পৰিবৰ্তনৰ বাবে কাৰ্য আচনি লোৱাত বাধা দিয়ে। যৌথ পৰিয়ালৰ গাঁথনিৰ পৰিবৰ্তনে মধ্যবিত্ত শ্ৰেণীৰ লোকসকলক নিৰাপত্তাৰ ক্ষেত্ৰত কিছু প্ৰভাৱ পেলায়। কিয়নো ভাৰতবৰ্ষত তেনে ধৰণৰ সামাজিক নিৰাপত্তা প্ৰদানৰ ব্যৱস্থা নাই। পৰিয়ালৰ এজন সদস্যৰ দুৰ্ঘটনাই পৰিয়ালটোক জুৰুলা কৰি তোলে, কিয়নো সমাজৰ ফালৰ পৰা সংগঠিত সহায় আগবঢ়োৱা নহয়। একমাত্ৰ যৌথ পৰিয়ালেহে ইয়াৰ সদস্যসকলক উদ্ধাৰ কৰাত সহায় কৰে, গতিকে যৌথ পৰিয়ালৰ বান্ধোন অবিহনে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ য'ত উপাৰ্জনৰ উৎস কেৱল এজনেই, তেনে পৰিয়াল বিপদৰ সময়ত সদায় কঠিনতাৰ সন্মুখীন হৈ পৰে।

শিক্ষা দুই ধৰণৰ ভূমিকা পালন কৰিব পাৰে — (ক) শিক্ষাই পৰিয়ালৰ সকলো ব্যক্তিকে বৃত্তিৰ বাবে প্ৰস্তুত কৰি তুলিব পাৰে যিয়ে জীৱন নিৰ্বাহৰ ক্ষেত্ৰত আৰ্থিকভাৱে ব্যক্তিক আত্মবিশ্বাসী কৰি তোলে। নাৰী শিক্ষাৰ বিষয়টোৰ ওপৰত যিমানেই জোৰ দিয়া হ'ব সমাজখন সিমানেই অভাবমুক্ত হ'ব, কিয়নো শিক্ষাই নাৰীসকলক অৰ্থনৈতিকভাৱে স্বাধীন কৰি তোলাৰ লগতে আনৰ ওপৰত নিৰ্ভৰশীল হৈ থকাটো ৰোধ কৰিব। (খ) শিক্ষাই উচ্চ স্থান আহৰণৰ জৰিয়তে উন্নত জীৱন ধাৰাৰ ইতিহাস জগাই তুলিব পাৰে। এইদৰে ব্যক্তিসকলে উৰ্দ্ধগামীভাৱে বিচাৰ কৰিবলৈ লয় আৰু সুসংগঠিত শিক্ষা ব্যৱস্থাৰ জৰিয়তে পৰিয়ালৰ প্ৰস্থিতিৰ স্থান উৰ্দ্ধগামী কৰিবলৈ প্ৰয়াস কৰিব পাৰে।

- **ব্যক্তিৰ ব্যক্তিত্বৰ কাৰকসমূহ** — অগতিশীলতাৰ এক অতি গুৰুত্বপূৰ্ণ কাৰক ব্যক্তিৰ ব্যক্তিত্বৰ সংৰচনাত পোৱা যায়। বহু অধ্যয়নৰ জৰিয়তে পোৱা যায় যে কৃতিত্ব লাভৰ প্ৰনোদন, অভিৰোচন, বুদ্ধিমত্তা, আকাংক্ষা আৰু মূল্যবোধসমূহ গতিশীলতাৰ লগত জড়িত। এটা অধ্যয়নৰ জৰিয়তে পোৱা গৈছে যে এজন ব্যক্তিৰ প্ৰাৰম্ভিক কালছোৱা তেওঁৰ বিদ্যালয়ৰ পাৰদৰ্শিতাৰ ক্ষেত্ৰত বুদ্ধিমত্তাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু যেতিয়াই তেওঁ বিকশিত হ'বলৈ ধৰে পৰিয়াল আৰু বন্ধুবৰ্গৰ পৰা লাভ কৰা মূল্যবোধ অনুসৰি নিজৰ পাৰদৰ্শিতা সমূহক আকাৰ প্ৰদান কৰে। ইয়াৰ অৰ্থ এইয়ে যে গতিশীলতাৰ আকাংক্ষাৰ ক্ষেত্ৰত জীৱনৰ প্ৰাৰম্ভিক পৰ্য্যায়ত বুদ্ধিমত্তাৰ প্ৰভাৱ পৰিলক্ষিত হয়। কিন্তু পৰৱৰ্তী পৰ্য্যায়ত আহৰণ কৰা মূল্যবোধে অধিক প্ৰভাৱ পেলায়। মহাবিদ্যালয়লৈ যোৱাৰ

হেঁপাহ গতিশীলতাৰ এক গুৰুত্বপূর্ণ দিশ হিচাপে গ্রহণ কৰিব পাৰি। যিজনে সু-পাৰদর্শিতা দেখুৱাই উচ্চ শিক্ষা গ্রহণ কৰিব পাৰে আৰু এইদৰে উর্দ্ধমুখীভাৱে গতিশীল হ'ব পাৰে। ওপৰত উল্লেখ কৰা অধ্যয়নটিৰ পৰা পোৱা যায় যে উচ্চ শ্রেণীৰ শিক্ষার্থীসকলে বিশ্বাস কৰে যে বিদ্যালয়ত উপযুক্ত পাৰদর্শিতা প্রয়োজনীয়। মহাবিদ্যালয়ত নামভর্ত্তিকৰণৰ বাবে তেওঁলোকে মাধ্যমিক পর্য্যায়ত শিক্ষা দিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। আনহাতে, নিম্ন প্রস্থিতিৰ অন্তর্ভুক্ত ল'ৰা এজনে বিশ্বাস কৰা মর্মে মহাবিদ্যালয় শিক্ষা তেওঁৰ বাবে হয় একমাধ্যম অথবা পিতৃ-মাতৃৰ বাবে এইয়া কোনো চিন্তাৰ বিষয় নহয় যাৰ বাবে নিম্ন স্তৰৰ অতি বুদ্ধিমান শিক্ষার্থী এজনো উচ্চ শিক্ষাৰ ক্ষেত্রত নিৰুৎসাহী হ'ব পাৰে।

আমেৰিকাত অধ্যয়ন কৰা ৰ'ছেনৰ অধ্যয়নে প্রকাশ কৰা অনুসৰি 'কৃতিত্ব লাভৰ প্রনোদন' শক্তিৰ ক্ষেত্রত সামাজিক শ্রেণীসমূহ এটা আনটোৰ পৰা পৃথক। উচ্চ শ্রেণীৰ অন্তর্ভুক্ত ব্যক্তিসকলৰ কৃতিত্ব লাভৰ অভিৰোচন উচ্চ, এই অধ্যয়নৰ ফলস্বৰূপে পোৱা যায় যে উচ্চ শ্রেণীৰ শিক্ষার্থীসকলৰ ভবিষ্যতকেন্দ্রিক কার্য্যাৱলী ব্যক্তিকেন্দ্রিক মূলক দৃষ্টিভংগীৰ ওপৰত অধিক আগ্রহী, যিয়ে তেওঁলোকৰ পাৰদর্শিতা আৰু সামাজিক গতিশীলতাত সহায় কৰি তোলে। আন এজন ব্যক্তি ক্র'কেটে কৰা অধ্যয়নে পৰামর্শ প্রদান কৰিছিল যে কৃতিত্ব লাভৰ অভিপ্রায় হ'ল বৃত্তিগত গতিশীলতাৰ লগত সম্পর্কযুক্ত এক গুৰুত্বপূর্ণ ব্যক্তিত্বৰ কাৰণ। এই অধ্যয়নৰ মতে কৃতিত্ব লাভৰ অভিপ্রায় উচ্চ সন্মানযুক্ত স্থানত থকা পিতৃৰ সন্তানসকলৰ উর্দ্ধগামী গতিশীলতাৰ লগত অধিকভাৱে জড়িত।

ওপৰোক্ত অধ্যয়ন বা অন্যান্য একেধৰণৰ গৱেষণাৰ মতে সামাজিক গাঁথনিৰ বিভিন্ন স্থানত থকা ব্যক্তিৰ গতিশীলতাক অধ্যয়ণ কৰে। দেখা যায় যে সমাজৰ উচ্চ শ্রেণীৰ যুৱসকলৰ গতিশীলতাৰ বাবে শক্তিশালী ব্যক্তিগত অভিৰোচনৰ প্রয়োজন নহ'বও পাৰে কিয়নো তেওঁলোকে অধিক কার্য্যপূর্ণ আৰু সংগঠিতৰূপে তেওঁলোকৰ কার্যসমূহ সম্পাদন কৰে। এইসকল ব্যক্তিয়ে সু-উপদেশ গ্রহণ কৰে আৰু এনেকুৱা এক পৰিবেশত জীৱন নির্বাহ কৰে য'ত তেওঁলোকক উচ্চ পর্যায়ত যাবলৈ অনুপ্রাণিত কৰে। এইধৰণৰ পৰিবেশত তেওঁলোকৰ জীৱন গঢ়াৰ বাবে তেওঁলোকক উপযুক্ত সিদ্ধান্ত প্রদান কৰা হয়। কিন্তু নিম্ন শ্রেণীৰ এজন যুৱকৰ বাবে এইধৰণৰ সুবিধা প্রযোজ্য নহয়। সিদ্ধান্ত গ্রহণৰ বাবে তেওঁলোকে আত্মপ্রচেষ্টা চলাব লগীয়া হয়। সেয়েহে এনেধৰণৰ ব্যক্তি বা যুৱকসকলৰ প্রতি শিক্ষা ব্যৱস্থাই এক বিশেষ দায়িত্ব পালন কৰিব লাগে।



জানি থোৱা ভাল

গতিশীলতাৰ আন্তঃ আৰু বহিঃ বাধাসমূহ হৈছে —

- সামাজিক গাঁথনিত প্রচলিত বিশ্বাস আৰু মূল্যবোধসমূহ
- পৰিয়ালৰ প্রভাৱ
- ব্যক্তিৰ ব্যক্তিত্বৰ উপাদানসমূহ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ গতিশীলতাৰ ক্ষেত্রত থকা বাধাসমূহ উল্লেখ কৰা।

.....

.....



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক গতিশীলতাই সামাজিক গাঁথনিৰ ভিতৰত হোৱা গতিবিধিক বুজায়।
- গতিশীলতাৰ প্রদান প্রকাৰসমূহ হৈছে — সমান্তৰাল আৰু উলম্ব গতিশীলতা, মুক্ত আৰু ৰুদ্ধ আৰ্হিৰ গতিশীলতা, আন্তঃ প্রজন্মমূলক গতিশীলতা।
- হেভিংহার্ট আৰু নিউগর্টেনৰ মতে, সামাজিক গতিশীলতা দুই প্রকাৰৰ— উৰ্দ্ধমুখী গতিশীলতা আৰু নিম্নমুখী গতিশীলতা।
- সামাজিক গতিশীলতাত প্রভাৱ পেলোৱা বিভিন্ন কাৰকসমূহৰ ভিতৰত হেনৰি এম. জনচনে বাছি উলিওৱা কিছুমান গুৰুত্বপূর্ণ কাৰক হ'ল — (ক) সামাজিক সন্মানসমূহ চূড়ান্তভাৱে গ্রহণযোগ্য মূল্যবোধৰ ওপৰত নির্ভৰশীল। (খ) উচ্চ শ্রেণীত সীমাবদ্ধ হোৱা কিছুমান বিশেষ জন্মলব্ধ ক্ষমতা আৰু বুদ্ধিৰ বাবে গতিশীলতাৰ বাবে কোনো ধৰণৰ অহৰহ তাড়না পৰিলক্ষিত নহয়। (গ) ব্যক্তিৰ বিভিন্ন প্রকাৰৰ কৌশলসমূহৰ দাবীত সমাজত দ্রুত গতিত হোৱা পৰিবর্তনেও সামাজিক গতিশীলতাত প্রভাৱ পেলায়। (ঘ) প্রতিটো শ্রেণীত হোৱা জন্মৰ হাৰে কেতিয়াও সেই শ্রেণীৰ সকলো স্থান পৰিপূৰণ কৰিব নোৱাৰে, যাৰ বাবে সামাজিক গতিশীলতাৰ সৃষ্টি হয়। (ঙ) উচ্চ শ্রেণীত কৰা জন্মগ্রহণে বহু সময়ত ব্যক্তিসকলৰ মাজত আত্মতুষ্টি জগাই তোলে।
- সামাজিক গতিশীলতাৰ অন্যান্য কাৰকসমূহ হৈছে সামাজিক পৰিবর্তন, যোগাযোগ, শ্রমৰ বিভাজন আৰু অর্থনৈতিক বিকাশ।

- শিক্ষাই এজন ব্যক্তিক বিকশিত হোৱাত সহায় কৰে, যেনে অভিপ্রায় আৰু কঠোৰ পৰিশ্রমে তেওঁক উচ্চস্থান আহৰণত সহায় কৰে আৰু শিক্ষাই এই অভিপ্রায় ব্যক্তিৰ মনত জগাই তোলে।



৯.৯ অধিক জানিবলৈ

1) Mathur S.S (1956) ; “A Sociological Approach to Indian Education”. Vinod Pustak Mandir, Agra.
2) Dr. Sharma (2016); “Sociological Foundations & Education”, Lakshmi Narain Agarwal, Agra.
3) Safaya and Shaida (2003); “Modern Theory and Principles of Education.” Dhanpat Rai Publishing Co. (P) Ltd. New Delhi.
4) C. N. Shankar Rao : Principles of Sociology



৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ উইলিয়াম চেচিল হেড্রিকৰ মতে, সামাজিক গতিশীলতা হৈছে এটা সামাজিক দলৰ পৰা আন এটা সামাজিক দললৈ ব্যক্তিয়ে কৰা গতি।

২ নং প্রশ্নৰ উত্তৰঃ হেভিংহার্ট আৰু নিউগার্টনৰ মতে, সামাজিক গতিশীলতা দুই প্রকাৰৰ। উর্দ্ধমুখী সামাজিক গতিশীলতা আৰু নিম্নমুখী সামাজিক গতিশীলতা। হেড্রিকে বর্ণনা কৰা মতে উর্দ্ধমুখী সামাজিক গতিশীলতাৰ লগত উলম্ব গতিশীলতাৰ সাদৃশ্য আছে। হেভিংহার্ষ্ট আৰু নিউগর্টেনৰ মতে উর্দ্ধমুখী গতিশীলতাৰ ক্ষেত্রত এক নতুন সংস্কৃতি অধ্যয়ন কৰাটো প্রয়োজনীয়। নিম্নমুখী সামাজিক গতিশীলতা ৰাজনৈতিক পৰিবর্তন, অর্থনৈতিক হতাশা আৰু ব্যক্তিৰ চৰিত্র হীনতাৰ বাবে সৃষ্টি হয়।

৩ নং প্রশ্নৰ উত্তৰঃ ডুবেৰ অধ্যয়ন মর্মে সামাজিক গতিশীলতা আৰু স্তৰীকৰণৰ ব্যৱস্থাটো পাৰস্পৰিক ভাৱে জড়িত । তেওঁৰ অধ্যয়নে প্রমাণ কৰিছিল যে সামাজিক গতিশীলতাৰ অন্যান্য কাৰক সমূহ হ’ল আধুনিক শিক্ষা, উদ্যোগীকৰণৰ ফলস্বৰূপে চহৰলৈ মানুহৰ প্রব্রজন, কর্ম সংস্থাপনৰ সুবিধা আৰু নতুন স্তৰীকৃত দল আৰু শ্রেণী সমূহ। সামাজিক গতিশীলতাৰ কাৰকসমূহ বিশ্লেষণ কৰি তেওঁ মন্তব্য প্রদান কৰিছিল যে, সাধাৰণতে বিকশিত দেশসমূহত,যেনে ভাৰতবর্ষ য’ত ঔদ্যোগীকৰণে কিছুপৰিমাণে স্থান লাভ কৰিছে সেই সমূহ স্থানত সামাজিক গতিশীলতা হৈছে আধুনিক বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ পৰিণতি।

৪ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক গতিশীলতাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰা কাৰকসমূহ হৈছে — (ক) সামাজিক গাঁথনিত প্ৰচলিত মূল্যবোধ আৰু বিশ্বাসসমূহ (খ) পৰিয়ালৰ প্ৰভাৱ (গ) ব্যক্তিৰ ব্যক্তিত্বৰ উপাদানসমূহ।



৯.১১ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ সামাজিক গতিশীলতা বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ২ঃ "উচ্চ ব নিম্ন সামাজিক শ্ৰেণীৰ মাজত হোৱা উৰ্ধমুখী বা নিম্নমুখী গতিবিধি হৈছে সামাজিক গতিশীলতা। ই আপেক্ষিকভাৱে পূৰ্ণকালীন, এটা শ্ৰেণীৰ মাজত হোৱা গতিবিধি, কাৰ্য্যগতভাৱে সামাজিক দল আৰু উচ্চ বা নিম্ন হিচাপে মূল্যায়িত হোৱা শ্ৰেণীসমূহক ই সূচায়।" — কোনে কৈছিল?

প্ৰশ্ন ৩ঃ গতিশীলতাৰ বিষয়ে লিখা প্ৰথমজন ব্যক্তি কোন?

খ) চমু প্ৰশ্ন (১৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ সমান্তৰাল আৰু উলম্ব গতিশীলতাৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ নিম্নমুখী সামাজিক গতিশীলতা কি? নিম্নমুখী গতিশীলতাৰ কাৰকসমূহ উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ সামাজিক গতিশীলতাত প্ৰভাৱ পেলোৱা প্ৰধান কাৰকসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ঃ সামাজিক গতিশীলতাৰ বিভিন্ন প্ৰকাসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ সামাজিক গতিশীলতাৰ বিভিন্ন আন্তঃ আৰু বহিঃ বাধাসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ঃ শিক্ষা আৰু সম্প্ৰদায়

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ সম্প্ৰদায়ৰ অৰ্থ আৰু সংজ্ঞা
১০.৩.১ সম্প্ৰদায়ৰ বৈশিষ্ট্য
১০.৩.২ সম্প্ৰদায়ৰ প্ৰকাৰ
১০.৪ শিক্ষাৰ প্ৰতি সম্প্ৰদায়ৰ দায়িত্ব
১০.৫ সাম্প্ৰদায়ৰ জীৱনৰ বাবে শিক্ষা
১০.৬ বিদ্যালয়-সম্প্ৰদায়ৰ সম্বন্ধ
১০.৭ সম্প্ৰদায়, বিদ্যালয় আৰু সমাজৰ ভূমিকা
১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৯ অধিক জানিবলৈ
১০.১০ অগ্ৰগতিৰ খতিয়ান
১০.১১ আৰ্হি প্ৰশ্ন

১০.১ শৈক্ষিক উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সম্প্ৰদায়ৰ অৰ্থ, সংজ্ঞা আৰু বৈশিষ্ট্য চিনাক্ত কৰিব পাৰিব।
- সম্প্ৰদায়ৰ প্ৰকাৰ, শিক্ষাত সম্প্ৰদায়ৰ দায়িত্ব, সাম্প্ৰদায়িক জীৱনৰ বাবে শিক্ষা, বিদ্যালয়, সম্প্ৰদায়ৰ সম্বন্ধ আৰু বিদ্যালয় আৰু সমাজৰ বাবে সম্প্ৰদায়ৰ দায়িত্বৰ বিষয়ে জানিব পাৰিব।

১০.২ পৰিচয়

শিক্ষা হৈছে দৰাচলতে এক সামাজিক কাৰ্য্য আৰু এই ক্ষেত্ৰত, বিদ্যালয় সমূহ সমাজৰ দ্বাৰা সম্পাদিত হয়। প্ৰশিক্ষণ আৰু যুৱচামক বিকশিত কৰাৰ জৰিয়তে এই সমাজে তেওঁলোকক তেওঁলোকৰ নিজস্ব দলসমূহৰ দলীয় জীৱনত কাৰ্য্যক্ষম ভাৱে অংশগ্ৰহণ কৰাৰ বাবে সক্ষম কৰি তোলে। এজন ব্যক্তিয়ে শিক্ষাৰ জৰিয়তে তেওঁৰ নিজস্ব গোট বা সমাজৰ সংস্কৃতিক আৰু আনুষ্ঠানিক ঐতিহ্য সমূহ আহৰণ কৰিব লাগে। যদি সেই ব্যক্তিজন এই প্ৰক্ৰিয়াত ব্যৰ্থ হৈছে তেন্তে বিদ্যালয়ৰ শিক্ষা অসম্পূৰ্ণ হৈ ৰ'ব আৰু তেওঁৰ সকলো প্ৰচেষ্টা অথলে যাব। এইদৰে বিদ্যালয় আৰু সম্প্ৰদায় ঘনিষ্ঠভাৱে সম্পৰ্কযুক্ত।

১০.৩ সম্প্রদায়ৰ অর্থ আৰু সংজ্ঞা

এক সম্প্রদায়ক সাধাৰণতে এক সামাজিক গোট বা ব্যক্তিৰ এক দল হিচাপে বিবেচনা কৰা হয়, যি গোটৰ আদর্শ, মূল্যবোধ অথবা চিনাক্তকৰণ সমূহ সামূহিক প্রকৃতিৰ। প্রায়েই সম্প্রদায় সমূহ বিশেষ এক স্থানৰ দ্বাৰা বৈশিষ্টপূর্ণ, যি সমূহ এক নির্দিষ্ট ভৌগোলিক চাৰিসীমাত সীমাবদ্ধ যেনে - গাঁও, চহৰ, ওচৰ-চুবুৰীয়া ইত্যাদি। বংশানুক্রমিক সম্বন্ধৰ সীমাৰ বাহিৰত নির্দিষ্ট হোৱা স্থায়ী সম্পর্ক সমূহেও সম্প্রদায়ৰ ধাৰণা সূচায়। ব্যক্তি সকলে সেই সমূহ সামাজিক বান্ধোনক তেওঁলোকৰ পৰিচয় হিচাপে ব্যৱহাৰ কৰে আৰু সামাজিক অনুষ্ঠান যেনে — পৰিয়াল, গৃহ, চৰকাৰ, সমাজ অথবা মানৱতাৰ ক্ষেত্রতো তেওঁলোকৰ ভূমিকাই গুৰুত্ব লাভ কৰে। যদিও সম্প্রদায় সমূহ সাধাৰণতে ব্যক্তিগত সামাজিক বান্ধোনৰ এক সম্পর্কযুক্ত ধাৰণা, বৃহৎ পর্য্যায়তো বা বৃহৎ দলীয়া সম্পর্কযুক্ত অনুষ্ঠানতো সম্প্রদায় সমূহ গুৰুত্বপূর্ণ যেনে — জাতীয় সম্প্রদায়, আন্তঃৰাষ্ট্রীয় সম্প্রদায় আদি।

এই সম্প্রদায় শব্দটোৰ ইংৰাজী প্রতিশব্দ হৈছে — community যিটো শব্দ পুৰণি এক ফ্রান্স শব্দৰ পৰা আহিছে, সেই শব্দটো হৈছে — comuneté, এই শব্দটো আকৌ এক লেটিন শব্দ communitas ৰ পৰা অহা বুলি কোৱা হয় যাৰ অর্থ হৈছে — ৰাজহুৱাভাৱে প্রকাশ কৰা (shared in common)। চক্রেটিছে কৈছিল যে যিজন ব্যক্তি তেওঁৰ অগ্রজ বা পূর্ব ব্যক্তিৰ ক্ষেত্রত স্বাধীন আৰু যিজনে সমাজ বা সম্প্রদায়ত বসবাস কৰিব নোৱাৰে, তেওঁ হয় এজন দেৱতা নহয় ভূত। গতিকে সম্প্রদায় হৈছে দুটা লেটিন শব্দৰ সংযোজন — com অর্থাৎ লগ-লগা আৰু munis অর্থাৎ প্রতিপাল কৰা। সেই অনুসৰি সমূহীয়াভাৱে প্রতিপালন কৰাকে সম্প্রদায় বোলা হয়।

সাধাৰণ অর্থত একেই স্থানতে সন্নিবিষ্ট হোৱা এক জনসাধাৰণেই হৈছে সম্প্রদায়। য'ত প্রতিজন সদস্যৰে দৈনিক জীৱন অন্যান্য সদস্যসকলৰ ওপৰত নির্ভৰশীল। একত্রিতভাৱে সদস্য সকলে সম্পাদন কৰা বিভিন্ন কার্য্যাৱলীসমূহে তেওঁলোকৰ সামাজিক আৰু অর্থনৈতিক প্রয়োজনসমূহ স্থায়ী ৰূপত পূৰণ কৰিব বুলি সুনিশ্চিত কৰে।

এলভিন গুদে কৈছিল — "কম বেছি পৰিমাণে এক নির্দিষ্ট কিন্তু ক্ষুদ্র স্থানত বসবাস কৰা ব্যক্তিসকল যিয়ে তেওঁলোকৰ বিভিন্ন কার্য্যাৱলীসমূহৰ আন্তঃভূমিকা পালনত পাৰস্পৰিকভাৱে সন্মুখীন হয় তেওঁলোকৰ প্রত্যক্ষ সামাজিক সম্পর্কৰ ফলস্বৰূপে সৃষ্টি হোৱা প্রাথমিক দল হৈছে সম্প্রদায়।"

এই সংজ্ঞাটোৰ দ্বাৰা আমি লক্ষ্য কৰো যে সম্প্রদায় হৈছে এক প্রাথমিক দল অর্থাৎ এই দলৰ সদস্যসকলৰ মাজত মুখা-মুখি সম্পর্ক স্থাপন হয় যিয়ে তেওঁলোকক লগা-লগি হোৱাত আৰু জীৱনৰ সাধাৰণ বিষয়সমূহ আদান-প্রদান কৰাত সহায় কৰে। সংজ্ঞাটোত এতিয়াও উল্লেখ কৰা হৈছে যে সম্প্রদায়ে সাধাৰণতে এক ক্ষুদ্র স্থানহে দখল কৰি ৰাখে, যিয়ে ইয়াৰ সদস্যসকলক পাৰস্পৰিক ভাৱে দেখা সাক্ষাত হোৱাৰ সুবিধা প্রদান কৰে। গতিকে প্রত্যক্ষ সামাজিক সম্পর্ক

আৰু মুখামুখি সম্বন্ধই সম্প্ৰদায়ক বিশিষ্ট কৰি তোলে। ব্ৰাউন নেলৰ মতে, "সম্প্ৰদায়ৰ দ্বাৰা মই বিভিন্ন কৌশলৰ সৈতে বিভিন্ন কাৰ্যক্ৰমক লৈ ওচৰ চুবুৰীয়া হিচাপে বসবাস কৰা ডেকা-বুঢ়া, পুৰুষ-মহিলাৰ এক ক্ষুদ্ৰ ভিন্নৰূপী দলক বুজো। ই এক প্ৰাথমিক দল য'ত জীৱনৰ বহুতো প্ৰধান কাৰ্য্যাৱলী দলটোৰ সীমা বেষ্টনীত সহযোগিতামূলক ভাৱে সম্পাদন কৰা হয়।"

মেকেইভাৰ আৰু পেজৰ মতে — "যেতিয়া ক্ষুদ্ৰ বা বৃহৎ কোনো দলৰ সদস্য সকলে এনে এক ধৰণে সমবেতভাৱে জীৱন নিৰ্বাহ কৰে, য'ত বিশিষ্ট আগ্ৰহ বা উদ্দেশ্যৰ পৰিবৰ্তে জীৱনৰ প্ৰধান ব্যৱস্থা হৈছে সামূহিক জীৱন, তেনে দলক আমি সম্প্ৰদায় বুলি বিবেচনা কৰো। সম্প্ৰদায়ৰ প্ৰধান বৈশিষ্ট্য হৈছে যে কোনো এজন ব্যক্তিৰ জীৱন এই সম্প্ৰদায়ৰ অধীনত সম্পূৰ্ণভাৱে যাপন কৰিব লাগিব। গতিকে সকলোৱে সামাজিক সম্পৰ্ক সম্প্ৰদায়ৰ ভিতৰতে পোৱা যায়।"

ইয়াৰ উপৰিও মেকেইভাৰ আৰু পেজে বিশেষভাৱে কৈছিল যে সম্প্ৰদায় সমূহ কিছুমান সামাজিক সম্বন্ধৰ সীমাৰ দ্বাৰা বৈশিষ্ট্যপূৰ্ণ আৰু ইয়াৰ ভেঁটি হৈছে অৱস্থান আৰু সামূহিক ভাৱনা।

আমি ইতিমধ্যে উল্লেখ কৰিছো যে, সম্প্ৰদায়ৰ বৈশিষ্ট্য হৈছে ইয়াৰ অৱস্থান যি মানুহে বাস কৰা ভেটিৰ ভৌগোলিক প্ৰকৃতিৰ লগত জড়িত। ওপৰত উল্লেখ কৰা হৈছে যে সামূহিক ভাৱনাৰ ক্ষেত্ৰত ব্যক্তিসকলে এক সামূহিক শক্তি আদান প্ৰদান কৰে যিয়ে তেওঁলোকক সমবেত ভাৱে জীয়াই থকাৰ আৰু কাম কৰাৰ প্ৰেৰণা দিয়ে।

সম্প্ৰদায় আৰু সমাজ সম্পৰ্কে অ'টৱে এক পৃথক মন্তব্য প্ৰদান কৰিছিল। তেওঁৰ মতে সম্প্ৰদায় আৰু বিদ্যালয়ৰ মাজত এক স্পষ্ট পৃথকীকৰণ হোৱা উচিত। তেওঁ কলিংউদৰ দৃষ্টিভংগীৰ ভিত্তিত সম্প্ৰদায়ৰ সংজ্ঞা আগবঢ়াইছিল।

অ'টৱে কৈছিল — "এক সম্প্ৰদায় হৈছে সকলো ব্যক্তি অৰ্থাৎ প্ৰাপ্তবয়স্ক বা শিশু, সামাজিক বা অসামাজিক ব্যক্তিয়ে এক বিশেষ পৰিসীমাত বসবাস কৰা এক দল য'ত সকলোৱে জীৱনৰ শৈলী আদান-প্ৰদান কৰে কিন্তু সকলোবোৰ এই সংগঠন বা উদ্দেশ্যৰ বিষয়ে সচেতন নহয়। এখন সমাজ হৈছে এক সম্প্ৰদায় যাৰ সদস্যসকল জীৱনৰ দিশ সমূহক লৈ সামাজিক ভাৱে সচেতন হৈ পৰে আৰু নিৰ্দ্ধাৰিত সামূহিক লক্ষ্য আৰু মূল্যবোধৰ দ্বাৰা একত্ৰিত হৈ পৰে।

অ'টৱে প্ৰদান কৰা এই ধাৰণা একপক্ষীয় বিশ্লেষণ হে মাথোন। সকলোবোৰ সমাজ তত্ত্ববিদে সম্প্ৰদায়তকৈ সমাজক এক বৃহৎ সমষ্টি হিচাপে গণ্য কৰে।

১০.৩.১ সম্প্ৰদায়ৰ বৈশিষ্ট্যসমূহ

যেতিয়া আমি কোনো এক সম্প্ৰদায় লক্ষ্য কৰো তেতিয় নিম্নোক্ত বৈশিষ্ট্যসমূহ দেখিবলৈ পাওঁ —

- প্ৰথমতে সম্প্ৰদায়ৰ এক জনসংখ্যামূলক সমষ্টি আছে। আন অৰ্থত ক'বলৈ হ'লে সম্প্ৰদায়ত ব্যক্তিসকলক সমবেতভাৱে জীৱন নিৰ্বাহ কৰা দেখা যায়।

- সম্প্রদায়ৰ দ্বিতীয় বৈশিষ্ট্য হৈছে যে ইয়াৰ এক অৱস্থানগত পৰিসীমা আছে সেয়েহে সাম্প্রদায়িক জীৱন ভৌগোলিক অৱস্থাৰ অবিহনে গঢ় লৈ উঠিব নোৱাৰে। প্রতি সম্প্রদায়তে ব্যক্তিৰ জীৱনত ভৌগোলিক কাৰকবোৰৰ এক বিশেষ প্রভাৱ আছে। উদাহৰণস্বৰূপে পর্বতীয়া অঞ্চলত বসবাস কৰা সম্প্রদায় সমূহ ভৌগোলিক বাধা আৰু সম্পদৰ পর্য্যাপ্ততাৰ অভাৱৰ দ্বাৰা প্রভাবান্বিত হোৱাতো নিশ্চিত। সেয়েহেপ্রতি সম্প্রদায়ৰে ভৌগোলিক অৱস্থান আছে। আৰু সম্প্রদায় এই অৱস্থানৰ দ্বাৰা প্রভাবান্বিত।
- তৃতীয়তে প্রত্যেক সম্প্রদায়েৰে কিছু প্রকাৰৰ ঐতিহাসিক ঐতিহ্য পৰিলক্ষিত হয়। আন অর্থত ক'বলৈ হ'লে সময়ৰ ক্ষেত্রত সম্প্রদায়ৰ ব্যক্তিসকলে তেওঁলোকৰ ঐতিহাসিক ঐতিহ্যৰ পৰা পোৱা প্রেৰণাৰ ফলস্বৰূপে সম্প্রদায়ৰ নিজস্ব আখ্যান আৰু বিশ্বাসৰ বিকাশ হয়।
- প্রত্যেক সম্প্রদায়তে কিছুসংখ্যক সেৱামূলক অনুষ্ঠান পোৱা যায় যেনে - দোকান, বিদ্যালয়, সমবায়, পঞ্চায়ত ইত্যাদি। এই অনুষ্ঠানসমূহে ব্যক্তিসকলক নিজস্বভাৱে প্রতিপালন কৰাত সহায় কৰে।
- সম্প্রদায়ৰ আন এক বৈশিষ্ট্য হ'ল যে ইয়াত ব্যক্তিসকলে জীৱনৰ ৰূপ সামূহিকভাৱে আদান-প্রদান কৰে। আন কথাত সম্প্রদায়ত জীৱনৰ এক ৰূপ পৰিলক্ষিত হয়, যিয়ে তেওঁলোকক অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক প্রয়োজন সাপেক্ষে সময় আৰু কার্য্য ভাগ-বতৰাই লোৱাত সহায় কৰে। জীৱনৰ সামূহিক ৰূপে অৱসৰ সময় আৰু সাম্প্রদায়িক সম্পদ সমূহ সামূহিকভাৱে ব্যৱহাৰ কৰা বুজায়। এক সম্প্রদায়ত ব্যক্তিয়ে এক সামূহিক ঘৰুৱা জীৱনৰ ৰূপ গ্রহণ কৰে আৰু তাৰ সুনির্বাহ কৰে। তেওঁলোকৰ শৈক্ষিক আৰু ধর্মীয় পৰম্পৰা সমূহো সামূহিকভাৱে আদান-প্রদান হয়।
- সম্প্রদায়ত থকা ব্যক্তিসকলৰ এক একতাৰ সচেতনতা আছে। সম্প্রদায়ৰ বিশেষ বৈশিষ্ট্যসমূহ ইয়াৰ সাম্প্রদায়িক উৎসসমূহত প্রতিফলিত হয়। এই উৎসৰ বাবে ব্যক্তিসকল সহানুভূতিৰ দ্বাৰা একত্রিত হৈ পৰে।
- চূড়ান্তভাৱে আমি পাওঁ সম্প্রদায়ৰ সদস্য সকলে সমবেতভাৱে কাম কৰাৰ সক্ষমতা লাভ কৰে। ব্যক্তিসকলৰ মাজত থকা সহানুভূতিৰ ভিত্তিতে সম্প্রদায়ে উন্নতি আহৰণ কৰে আৰু ইয়াৰ সদস্যসকলক নিৰাপত্তা প্রদান কৰে।



জানো আহক

- সম্প্রদায় বা community শব্দটো পুৰণি ফ্রান্স শব্দ comuneté ৰ পৰা আহিছে যিটো শব্দ লেটিন communitas, community, public spirit ৰ পৰা আহিছে।

➢ সম্প্রদায় অর্থাৎ community শব্দটো দুটা লেটিন শব্দ সংযোজন com অর্থাৎ সমবেত আৰু munis অর্থাৎ সেৱা। গতিকে সমবেতভাৱে কৰা সেৱাকে সম্প্রদায় বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সম্প্রদায় বুলিলে কি বুজে?

.....

.....

১০.৩.২ সম্প্রদায়ৰ প্রকাৰ

সম্প্রদায় শ্রেণীকৰণ কৰাৰ বাবে বিভিন্ন উপায়ৰ প্রস্তাৱ গ্রহণ কৰা হৈছে। সম্প্রাদয়ৰ এক বিশেষ শ্রেণীবিভাজন তলত উল্লেখ কৰা হ'ল —

➢ **স্থান ভিত্তিক সম্প্রদায়** — স্থানীয় ওচৰ চুবুৰীয়াৰ পৰা উপনগৰ, গাঁও, চহৰ, ৰাজ্য, জাতি অথবা সমগ্র পৃথিৱীৰ সকলোকে সামৰি এই প্রকাৰ শ্রেণী সম্প্রদায় উল্লেখনীয়। এই সম্প্রদায়ত স্থানৰ সম্প্রদায় বুলিও কোৱা হয়।

➢ **পৰিচয়ভিত্তিক সম্প্রদায়** — স্থানীয় গোট, উপ সংস্কৃতি, প্রজাতীয় দল, ধর্মীয় বহু সাংস্কৃতিক বা বহুগামী সভ্যতা অথবা বর্তমানৰ গোলকীয় সম্প্রদায়ৰ সংস্কৃতি সমূহ এই প্রকাৰ সম্প্রদায়ৰ উদাহৰণ। এই সকল পৰিচয়ৰ ভিত্তিত এক সম্প্রদায় হিচাপে অন্তর্ভুক্ত হয়। যেনে - বিকলাংগ লোকসকল, শক্তিহীন বা বয়সস্থ লোকসকল।

➢ **সাংগঠনিক ভিত্তিক সম্প্রদায়** — পৰিয়ালৰ চাৰিওফালে অনানুষ্ঠানিকভাৱে সংগঠিত সম্প্রদায় অথবা সম্প্রদায়ভিত্তিক মণ্ডলী আৰু সংগঠন, আনুষ্ঠানিকগোট ৰাজনৈতিক সিদ্ধান্ত গ্রহণকাৰী সংগঠন, অর্থনৈতিক সংস্থা, বৃত্তিগত সংগঠন ইত্যাদি সমূহ এই শ্রেণীৰ সম্প্রদায়ৰ উদাহৰণ।

এই সমস্যাৰ প্রত্যুত্তৰ হিচাপে পল জেমচ আৰু তেওঁৰ সহকর্মীসকলে এক শ্রেণীকৰণৰ বিকাশ কৰিছিল যিয়ে সম্প্রদায়ৰ সম্পর্কসমূহ নির্দ্ধাৰণ কৰি স্বীকৃতি প্রদান কৰিছিল যে একে সময়ত বিভিন্ন সম্পর্কৰ দ্বাৰা প্রকৃত সম্প্রদায়ক বৈশিষ্ট্যপূর্ণ কৰি তুলিব পাৰি।

➢ **ভূমি ভিত্তিক সম্প্রদায় সম্পর্ক** — এই ধৰণৰ সম্প্রদায়ে বিশেষ ব্যক্তিসকলৰ প্রচলিত এটা বন্ধনক সামৰি লয়। ই হৈছে বিশিষ্ট আৰু জনজাতীয় সম্প্রদায়ৰ দ্বাৰা গ্রহণ কৰা এক বিশিষ্ট প্রকাৰ। এই ধৰণৰ সম্প্রদায়ত মাটি হৈছে পৰিচয়ৰ প্রধান ভেটি।

- **জীৱন ধাৰণৰ সাম্প্রদায়িক সম্পর্ক** — বিশেষ জীৱনৰ প্রণালী পালন কৰা লোকসকলৰে সংগঠিত সম্প্রদায়ক ই অন্তর্ভুক্ত কৰি লয় যেনে - একে স্থানতে বসবাস কৰা নৈতিক বিশিষ্ট বা আগ্রহ ভিত্তিক সম্পর্ক সম্প্রদায় সমূহক ই বুজায়। এই প্রকাৰৰ সম্প্রদায়ৰ উপ-প্রকাৰ হৈছে —
  - **মৌলিকভাৱে একত্রিত সম্প্রদায়িক জীৱন**—এই প্রকাৰ সম্প্রদায়ত পাৰস্পৰিক বিশ্বাস সমূহে প্রাধান্য পায়।
  - **আগ্রহ ভিত্তিক সাম্প্রদায়িক জীৱন** — এই প্রকাৰ সম্প্রদায়ৰ উদাহৰণ হৈছে - খেল-ধেমালি, অৱসৰ বিনোদন আৰু ব্যৱসায়িক সম্প্রদায় সমূহ য'ত সদস্যসকলে প্রায় ব্যস্ততাৰ মূহুর্ত ৰ বাবে একত্রিত হয়।
  - **আনুমানিক ভাৱে সম্পর্কযুক্ত সাম্প্রদায়িক জীৱন**— এই প্রকাৰ সম্প্রদায়ত ওচৰ চুবুৰীয়া বা অন্যান্য সংগঠনসমূহে নিজৰ সুবিধাৰ অর্থে কোনো এক সামূহিক স্থানত একত্রিত হয়।
- **প্রস্তাৱিত সামূহিক সম্পর্ক** — এই প্রকাৰ সম্প্রদায়ত কোনো এক সম্প্রদায় অন্যান্য হিচাপে আত্ম-সচেতনমূলকভাৱে গ্রহণযোগ্য হয় আৰু প্রস্তাৱিত আৰু পুনঃনির্মিত হয়। ক্ষুদ্র ভাৱে প্রচাৰিত শ্লোগানৰ জৰিয়তেও এই প্রকাৰ সম্প্রদায় প্রস্তাৱিত হ'ব পাৰে অথবা এই ধৰণৰ সম্প্রদায় বিকশিত সম্মিলন হিচাপে ৰাজনৈতিক সংহতি আৰু ব্যক্তিগত সৃষ্টিশীলতা, পাৰস্পৰিকতা গুৰুত্ব প্রদান কৰিব বিচাৰে। এখন দেশ বা ৰাষ্ট্র হৈছে প্রস্তাৱিত বা কাল্পনিক সম্প্রদায়ৰ বৃহৎ প্রকাৰ।

গতিকে এই ধৰণে সম্প্রদায়সমূহ পাৰস্পৰিক প্রকৃতিৰ হ'ব পাৰে। এটা সম্প্রদায়ে আন এক সম্প্রদায়ক সাঙুৰি ল'ব পাৰে। উদাহৰণস্বৰূপে, স্থান ভিত্তিক সম্প্রদায়ে আনুষ্ঠানীক সম্প্রদায়ক সাঙুৰি ল'ব পাৰে।



জানি থোৱা ভাল

সম্প্রদায়ৰ প্রকাৰ —

- স্থানভিত্তিক সম্প্রদায়
- পৰিচয় ভিত্তিক সম্প্রদায়
- সংগঠিতভিত্তিক সম্প্রদায়



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ সাম্প্রদায়িক সম্বন্ধ সমূহ শ্রেণীকৰণৰ ক্ষেত্রত কি ধৰণৰ সমস্যাৰ উদ্ভাৱণ হ'ব পাৰে।

.....

.....

১০.৪ শিক্ষাৰ প্ৰতি সম্প্রদায়ৰ দায়িত্ব

ওপৰোক্ত আলোচনাৰ পৰা এই কথা স্পষ্ট হৈছে যে শিক্ষাৰ প্ৰতি সমূহ বা সম্প্রদায়ৰ এক মহান দায়িত্ব আছে। বৰঞ্চ সম্প্রদায়ে হৈছে শিক্ষাৰ মাধ্যম। --- উল্লেখ কৰা অনুসৰি "এক সম্প্রদায় একো আশা কৰিব নোৱাৰে, যদিহে সম্প্রদায়ে ইয়াৰ যুৱ চামক সম্প্রদায়ৰ প্ৰতি নিষ্ঠাৰে সেৱা আগবঢ়োৱাটো বিচাৰে, তেওঁলোকক সেই সেৱাৰ বাবে প্ৰস্তুত কৰিবলৈ ব্যক্তিগত বা সামূহিকভাৱে তেওঁলোকে বিচৰা শৈক্ষিক সুবিধাসমূহ প্ৰদান কৰিব লাগিব।" চমুকৈ শিক্ষাৰ প্ৰতি থকা সম্প্রদায়ৰ দায়িত্বসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

- শিক্ষা নিয়ন্ত্রণ — এখন গণতান্ত্রিক ৰাজ্যত শিক্ষা বিষয়টো ৰাজ্যৰ দ্বাৰা নিয়ন্ত্রিত হোৱা উচিত, কিয়নো তেতিয়াহে শিক্ষা লাভ কৰা যুৱক চামৰ মাজত গণতান্ত্রিক আদৰ্শসমূহ ৰোপন কৰাটো নিশ্চিত হৈ পৰে। গতিকে সম্প্রদায়ে বিদ্যালয়ৰ শিক্ষাৰ পাঠ্যক্রম, শিক্ষক, সাধাৰণ সংগঠন, প্রশাসন, অর্থনৈতিক বিষয়, মূল্যায়ণৰ দিশৰ ওপৰত সিদ্ধান্ত ল'ব লাগে যাতে সম্প্রদায়ৰ আদৰ্শসমূহ বিদ্যালয়ৰ মাধ্যমত দিব পৰা যায়।
- বিদ্যালয়ত নিয়ন্ত্রণ — বিদ্যালয় এখনত আৰ্থিক সহায় আৰু অন্যান্য উপায় সমূহ প্রদান কৰাতেই সম্প্রদায়ৰ দায়িত্ব শেষ হৈ নাযায়। সমূহৰ আদৰ্শৰ ভিত্তিত বিদ্যালয় এখনৰ দায়িত্ব এৰি দিব পৰা নির্ভৰশীল ব্যক্তিসকলৰ নির্বাচনৰ দায়িত্ব সম্প্রদায়ে পালন কৰা উচিত। ইয়াৰ উপৰিও শিক্ষাবিদসকলে সাম্প্রদায়িক জীৱনৰ ওপৰত বিশেষ প্রভাৱ পেলায়। সেয়েহে সম্প্রদায়ে শিক্ষাবিদসকলৰ লগত সম্পর্ক, তেওঁলোকৰ নির্বাচন আৰু নিযুক্তিকৰণ সুনিশ্চিত কৰা উচিত।
- শিক্ষাবিদ আৰু নাগৰিকসকলৰ মাজত সহযোগিতা — আধুনিক শিক্ষাবিদসকলে মতামত প্রদান কৰে যে শিক্ষাবিদ সকলে ল'ৰা-ছোৱালীৰ পিতৃ-মাতৃৰ লগত সম্পর্ক স্থাপন কৰাৰ লগতে সমাজৰ নেতাসকলৰ লগতো সম্পর্ক স্থাপন কৰা উচিত, যাতে পিতৃ-মাতৃ বা অভিভাৱক, শিক্ষাবিদ আৰু নেতাসকল একত্রিত হ'ব পাৰে আৰু বিদ্যালয়ৰ পাঠ্যক্রম, শৈক্ষিক আদৰ্শ, দৈনন্দিন প্রশাসনৰ প্রক্রিয়া নির্ণয় কৰিব পাৰে।
- শিক্ষাৰ অনানুষ্ঠানিক উপায় প্রদান-বিদ্যালয়ৰ চাৰিসীমাৰ বাহিৰত শিশুৰ শিক্ষাৰ ক্ষেত্রত অৰিহণা যোগোৱা আন বহুতো সংস্থা বা উৎস পোৱা যায় যেনে - পঠন গৃহ, নাট্য সমাজ, সংগ্রহালয়, পুথিভৰাল ইত্যাদি। ইয়াৰ উপৰি সমাজে সাহিত্যৰ এক উপযুক্ত ভেঁটি প্রদান নকৰালৈকে শিশুৰ শিক্ষা সম্পূর্ণ হ'ব নোৱাৰে। যেনে- মহাবিদ্যালয়ৰ প্রাংগন বা বাগিছা পালন-পোষণ, শিক্ষার্থীসকলৰ মাজত অনুশাসনৰ ব্যৱস্থা, খেল সামগ্রী আৰু খেল পথাৰৰ উপযুক্ত কৰণৰ ব্যৱস্থা, সাংস্কৃতিক অনুষ্ঠানৰ ব্যৱস্থা ইত্যাদি। ইয়াৰ উপৰিও সম্প্রদায়ৰ প্রধান দায়িত্ব হৈছে শিক্ষার্থীসকলক তেওঁলোকৰ দায়িত্বসমূহ সফলভাৱে পালন কৰাত পৰামর্শ প্রদান কৰা। সহ-পাঠ্যক্রমিক কার্য্যাৱলীসমূহ সামূহিকভাৱে পালন কৰা উচিত। ছাত্র-ছাত্রীয়ে বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানে শিশুসকলৰ ক্ষমতাসমূহৰ বিকাশত সহায় কৰে

যেনে - তর্ক আৰু আলোচনা অনুষ্ঠানে এক যোগ্য তার্কিক জন্ম দিয়ে, শিল্প সুলভ প্রতিযোগিতাসমূহে জন্ম প্রদত্ত শিল্পীসমূহৰ চিনাক্তকৰণ কৰে। ছাত্র-ছাত্রীয়ে বিদ্যালয় বা মহাবিদ্যালয়ত এক সুস্থ সম্পর্ক বজাই ৰাখি সু-চৰিত্রৰ অধিকাৰী হ'ব পাৰে। কিয়নো বিদ্যালয়ৰ এক সুস্থ পৰিবেশে ছাত্র-ছাত্রীক আত্মবিশ্বাস, আত্ম-সন্মান আৰু শক্তিশালী দৃঢ়তা উৎসাহিত কৰি তোলে।

যদিও বর্তমান সময়ত ব্যক্তিগত শিক্ষা লাভৰ সুবিধা পোৱা যায়, বিদ্যালয় সমূহত সাম্প্রদায়িক অনুষ্ঠান সমূহৰ মূল্য নুই কৰিব নোৱাৰি, যিয়ে গণতান্ত্রিক মূল্যবোধ সমূহৰ বিকাশৰ লগতে ভৱিষ্যতৰ সু-নেতা চিনাক্তকৰণত সহায় কৰে। সেয়েহে, আধুনিক গণতান্ত্রিক ৰাষ্ট্রত শিক্ষা সামূহিক আৰু ব্যক্তিগত দুই ধৰণৰ হোৱা উচিত।

১০.৫ সাম্প্রদায়িক জীৱনৰ বাবে শিক্ষা

সাম্প্রদায়িক জীৱনৰ বিকাশৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা অপৰিসীম। সামূহিক ক্ষেত্রত শিক্ষাই বিশেষভাৱে ভূমিকা পালন কৰাৰ দুটা দিশ পোৱা যায় —

- প্রথমতে শিক্ষাই শিশুসকলৰ মাজত সম্প্রদায়ৰ বাঞ্ছিত মূল্যবোধ আৰু ভাৱনাসমূহৰ বিকাশ সাধন কৰে। আন কথাত সম্প্রদায় এটাই সৃষ্টি কৰা মূল্যবোধৰ প্রক্রিয়া নৱ প্রজন্মলৈ শিক্ষাৰ জৰিয়তেহে প্রসাৰিত হ'ব পাৰে। শিক্ষা অবিহনে সম্প্রদায় এটাৰ মূল্যবোধ সমূহ পালন-পোষণ কৰাটো সম্ভৱ নহয়। কিয়নো শিশুসকলে কিহৰ ওপৰত বিশ্বাস আৰু মূল্য প্রদান কৰিব তাৰ বাবে উপযুক্ত শিক্ষা আৰু পৰামর্শৰ প্রয়োজন। এইদৰে তেওঁলোকে সম্প্রদায়ৰ জনৰীতি, আচাৰ-ব্যৱহাৰ সমূহ শিকাৰ প্রয়োজনীয়তা আছে।
- সাম্প্রদায়িক জীৱনৰ ক্ষেত্রত পৰিলক্ষিত হোৱা শিক্ষাৰ ভূমিকা হৈছে বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত উপলব্ধ সম্পর্ক। এই সম্পর্ক বিদ্যালয়ৰ সংগঠিত ব্যৱস্থাৰ ওপৰত নির্ভৰশীল য'ত বিদ্যালয় এখনে সম্প্রদায়ৰ এক অনুষ্ঠান হিচাপে কাম কৰিব লাগে।

প্রতিটো সম্প্রদায়ে নিজস্ব এক পৰিবেশ যুগুত কৰে য'ত বিদ্যালয় সমূহে তাৰ কার্য্যসমূহ সুচাৰুৰূপে পালন কৰিব পাৰে আন অর্থত যদি এক সম্প্রদায় সংৰক্ষণীল হয় তেতিয়া সেই সম্প্রদায়ে বিদ্যালয়খনে সংৰক্ষণশীলতাৰ বীজ ৰোপন কৰাটো বিচাৰে অথবা প্রগতিশীল সম্প্রদায়ৰ বিদ্যালয় এখনে প্রগতিশীল ধাৰণা প্রচাৰ কৰাটো বিচাৰে। গতিকে সম্প্রদায় এটাৰ সামাজিক দর্শনে সেই সম্প্রদায়ৰ বিদ্যালয়ৰ পৰিবেশ নির্ধাৰণ কৰে।

১০.৬ বিদ্যালয়-সম্প্রদায়ৰ সম্পর্ক

বিদ্যালয় আৰু সম্প্রদায় সমূহ ঘনিষ্ঠভাৱে সম্পর্কযুক্ত। এইসমূহ নিজস্ব বুদ্ধি আৰু বিকাশৰ বাবে পাৰস্পৰিকভাৱে নির্ভৰশীল, কিন্তু বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত সম্পর্ক বিকাশৰ বাবে কিছুমান নীতি পোৱা যায় যিসমূহ পালন কৰাটো অত্যন্তই জৰুৰী।

- প্রথম নীতি হৈছে যে বিদ্যালয়ে সম্প্রদায়ৰ সুবিধাৰ অর্থে ইয়াৰ পদ্ধতি বা প্রকাৰসমূহ পৰিবর্তনৰ আগ্রহী হোৱা উচিত। আন অর্থত বিদ্যালয় এখনে সাম্প্রতিক জীৱনৰ লগত খাপ খাবলৈ নিজকে পৰিবর্তন কৰা উচিত। সম্প্রদায়ৰ ভিতৰত এনেকুৱা ধৰণৰ বহুতো সংস্থা পোৱা যায় যিসমূহে বিদ্যালয়ৰ প্রতি বিভিন্ন সেৱা আগবঢ়ায় আৰু বিদ্যালয়েও সেই সমূহৰ লগত সমন্বয় ৰক্ষা কৰা উচিত।
- বিদ্যালয় আৰু সম্প্রদায়ৰ সম্পর্ক ৰক্ষাৰ দ্বিতীয় নীতি হৈছে যে বিদ্যালয় সদায় সম্প্রদায়ৰ প্রয়োজন আৰু বিদ্যালয়ত শিক্ষা গ্রহণ কৰা শিক্ষার্থী সাম্প্রদায়িক পটভূমিৰ প্রতি সচেতন হোৱা উচিত।

  ইয়াৰ লগত সংগতি ৰাখি উল্লেখ কৰা উচিত যে দ্রুত সামাজিক পৰিবর্তনৰ বাবে বিশেষভাৱে নগৰীয়া সম্প্রদায় সমূহত পৰিয়ালৰ প্রতি অর্পন কৰা দায়িত্বসমূহ বিদ্যালয়ে পালন কৰে। কিয়নো জীৱিকা অর্জনৰ অর্থে পিতৃ-মাতৃ সকল সাধাৰণতে ল'ৰা-ছোৱালীসমূহৰ পৰা আঁতৰত থাকিব লগীয়া হয়। ইয়াৰ উপৰিও নগৰীয়া সম্প্রদায় সমূহত অৱসৰ বিনোদন লাভ কৰাৰ সুবিধা শিশুৰ বাবেই নিচেই সীমিত। সেয়েহে নগৰীয়া সম্প্রদায়ৰ বিদ্যালয়সমূহে এই ধৰণৰ বহুতো দায়িত্ব পৰিপূর্ণ কৰি আহিছে যিসমূহ প্রকৃততে পিতৃ-মাতৃয়েহে পালন কৰিব লাগে।
- সম্প্রদায়ৰ অন্তৰালত থকা বিদ্যালয়সমূহে সকলো ব্যক্তিৰ প্রতি সমভাৱে সেৱা আগবঢ়োৱা উচিত। অর্থাৎ বিদ্যালয়ৰ দায়িত্ব কেৱল ল'ৰা-ছোৱালী সকলক চোৱা-চিতা কৰাতে সীমাবদ্ধ নহয়। বৰঞ্চ তেওঁলোকে কিশোৰ-কিশোৰী আৰু প্রাপ্তঃবয়স্ক সকলোকো সাঙুৰি লোৱা উচিত। সেয়েহে বিদ্যালয় সমূহৰ দ্বাৰা লোৱা কার্যসূচীসমূহে সম্প্রদায়ৰ সকলো শ্রেণীৰ লোকক সামৰি লোৱা উচিত আৰু মনো�ৰঞ্জনৰ মাধ্যমেৰে শিক্ষা প্রদান কৰা উচিত।
- চতুর্থতে বিদ্যালয়সমূহে তেওঁলোকৰ কার্য্যসমূহ এনেদৰে পালন কৰা উচিত যাতে সম্প্রদায়ৰ লোকসকলৰ দৃষ্টিভংগী ঠেক হৈ নপৰে বৰঞ্চ বিদ্যালয়ে ব্যক্তিৰ মানসিক ক্ষেত্রখন বহলাই তোলাৰ চেষ্টা চলোৱা উচিত। ফলস্বৰূপে, তেওঁলোক বিশ্ব সম্প্রদায়ৰ সদস্য হৈ পৰে। ইয়াৰ আঁৰৰ উদ্দেশ্য হৈছে সকলো ব্যক্তি অন্ধবিশ্বাসৰ জালৰ পৰা মুক্ত হৈ কোনো ধৰণৰ ভেদ-ভাৱ নোহোৱাকৈ আনক বুজি উঠিব পাৰে।
- চুড়ান্তভাৱে এইটো কথা মনত জগাই তোলা উচিত যে আধুনিক পৃথিৱীখন যোগাযোগৰ মাধ্যমৰ দ্বাৰা ক্ষুদ্র হৈ পৰিছে। সেয়েহে, বিদ্যালয়ে শৈক্ষিক উদ্দেশ্যৰ বাবে যোগাযোগৰ গণমাধ্যম সমূহ ব্যৱহাৰ কৰা উচিত আৰু সামূহিক জীৱনক সুখী কৰি তুলিবলৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰা উচিত।

১০.৭ সম্প্রদায়, বিদ্যালয় আৰু সমাজৰ ভূমিকা

আটাইতকৈ বাঞ্ছনীয় বিদ্যালয়ৰ প্রকাৰ হৈছে সামূহিক বিদ্যালয়। যি সমূহে সম্পূর্ণভাৱে সাম্প্রদায়ৰ জীৱনৰ অংশীদাৰ হৈ পৰে। সংস্থা হিচাপে সামূহিক বিদ্যালয়ৰ সামূহিক জীৱন আৰু

কর্তব্যসমূহৰ মাজত এক বিশেষ সম্পর্ক আছে। সামূহিক বিদ্যালয়সমূহে সকলো সময়তে সামূহিক জীৱনক পূর্বতকৈ অধিক উন্নত কৰাৰ প্রয়াস কৰে। ই সম্প্রদায়ৰ শিশু, প্রাপ্তবয়স্ক আৰু আন সকলো কার্য্যাৱলীৰ লগত জড়িত। ই জীৱনৰ দর্শনৰ ওপৰত বিশ্বাস কৰে আৰু ই শৈক্ষিক আৰু সাংস্কৃতিকভাৱে বিকশিত হৈ আহিছে। সামূহিক বিদ্যালয়সমূহে শৈক্ষিক আৰু সাংস্কৃতিক উদ্দেশ্যৰ বাবে সামূহিক জীৱনৰ সু-প্রয়োগ কৰে। সামূহিক বিদ্যালয়ৰ এক বিশেষ বৈশিষ্ট্য হৈছে শিশুসকলক নিজস্বভাৱে আবিষ্কাৰ কৰাত সহায় কৰাৰ হেঁপাহ যাৰ দ্বাৰা তেওঁলোকে নিজে কি জানে চিনাক্তকৰাৰ লগতে সু-অভ্যাস আৰু কৌশলসমূহ বিকাশ কৰি ল'ব পাৰে, লগতে সামূহিক স্বার্থৰ বাবে এক উপযুক্ত মনোভাৱ বিকাশ কৰিব পাৰে।

সামূহিক বিদ্যালয়ে শৈক্ষিক উদ্দেশ্যৰ বাবে স্থানীয় সম্পদ সমূহৰ ব্যৱহাৰ কৰে। এইদৰে শিশুৰ পৰা আৰম্ভ কৰি প্রাপ্ত বয়স্কলৈকে এই সাম্প্রদায়ক বিদ্যালয় সমূহে সম্প্রদায়ৰ সকলোকে সেৱা আগবঢ়োৱাৰ প্রয়াস কৰে আৰু এই কার্য্যৰ দ্বাৰা সম্প্রদায়ৰ সকলো সম্পদৰ সু প্রয়োগ কৰে।

সহযোগিতা আৰু যুগ্ম দায়িত্বৰ ওপৰত ভিত্তি কৰি সম্প্রদায় বিদ্যালয় সমূহে ইয়াৰ কার্য্যাৱলীসমূহ প্রদান কৰে। আন অর্থত ইয়াৰ কার্য্য সমূহতকৈ ই আত্ম চৰকাৰ ব্যৱস্থাত উৎসাহ যোগায় আৰু ব্যক্তিক তেওঁলোকৰ কার্য্যৰ প্রতি দায়িত্বশীল হ'বলৈ শিকায়। সামূহিক বিদ্যালয়ত বিভিন্ন ধৰণৰ অনুষ্ঠান অনুষ্ঠিত হয় যাৰ জৰিয়তে যুৱকসকলৰ প্রতিভাসমূহৰ সু-প্রয়োগ হয়। গতিকে শিশুসকলক শিক্ষা প্রদানৰ ক্ষেত্রত সর্বোৎকৃষ্ট কার্যসূচী গ্রহণ কৰিব পাৰে। লগতে সম্প্রদায়ৰ লোক সকলক স্ব-শাসন আৰু পৰিচালনাৰ অভিজ্ঞতা প্রদান কৰিব পাৰে।



জানি থোৱা ভাল

শিক্ষাৰ প্রতি সম্প্রদায়ৰ নিম্নোক্ত দায়িত্ব সমূহ পৰিলক্ষিত হয় —

- শিক্ষা নিয়ন্ত্রণ
- বিদ্যালয়ৰ নিয়ন্ত্রণ
- শিক্ষাবিদ আৰু জনতাৰ মাজত সহযোগিতা
- শিক্ষাৰ অনানুষ্ঠানিক উপায় প্রদান



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ সম্প্রদায়ৰ জীৱনৰ ক্ষেত্রত শিক্ষাৰ ভূমিকাৰ বিষয়ে লিখক।

.....

.....



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এলভিন গুডৰ মতে — "কম-বেছি পৰিমাণে এক নির্দিষ্ট কিন্তু ক্ষুদ্র স্থানত বসবাস কৰা ব্যক্তিসকল, যিয়ে তেওঁলোকৰ বিভিন্ন কার্য্যাৱলীসমূহৰ আন্তঃ ভূমিকা পালনত পাৰস্পৰিক ভাৱে সন্মুখীন হয় তেওঁলোকৰ প্রত্যক্ষ সামাজিক সম্পর্কৰ ফলস্বৰূপে সৃষ্টি হোৱা এক প্রাথমিক দল হৈছে সম্প্রদায়।"
- সম্প্রদায় সমূহ তিনিটা ভাগত ভাগ কৰা হয় — স্থান ভিত্তিক সম্প্রদায়, পৰিচয় ভিত্তিক সম্প্রদায় আৰু সাংগঠনিক ভিত্তিক সম্প্রদায়।
- Crow & Crow এ উল্লেখ কৰা অনুসৰি — " যদি সম্প্রদায়ে ইয়াৰ যুৱ চামক সম্প্রদায়ৰ প্রতি নিষ্ঠাৰে সেৱা আগবঢ়োৱাটো বিচাৰে, তেওঁলোকক সেই সেৱাৰ বাবে প্রস্তুত কৰিবলৈ ব্যক্তিগত বা সামূহিকভাৱে তেওঁলোকে বিচৰা শৈক্ষিক সুবিধাসমূহ প্রদান কৰিব লাগিব।" শিক্ষাৰ প্রতি থকা সম্প্রদায়ৰ প্রধান দায়িত্বসমূহ হ'ল — শিক্ষা নিয়ন্ত্রণ, বিদ্যালয় নিয়ন্ত্রণ আৰু শিক্ষাবিদ আৰু নাগৰিক সকলৰ মাজত সহযোগিতা।
- সম্প্রদায়ৰ ভিতৰত জনসংখ্যাৰ কাৰকটো গুৰুত্বপূর্ণ কিয়নো যদিহে জনসংখ্যা দ্রুতগতিত বৃদ্ধি হয় তেতিয়া সামূহিক জীৱনত ভাৰসাম্যতাৰ ৰক্ষা নহ'ব। কর্তৃত্ব আৰু দায়িত্বশীলতা সমূহ বিচাৰৰ বাবে জনসংখ্যা সমূহক জাতি আৰু শ্রেণীৰ ভিত্তিত অধ্যয়ন কৰা উচিত।
- আটাইতকৈ বাঞ্ছিত বিদ্যালয় হৈছে সামূহিক বিদ্যালয়, যি সমূহে সামূহিক জীৱনক সম্পূর্ণকৈ প্রতিনিধিত্ব কৰে। সামূহিক জীৱন আৰু কার্য্যাৱলীসমূহৰ লগত সামূহিক বিদ্যালয় এক ঘনিষ্ঠ সম্পর্ক আছে।



১০.৯ অধিক জানিবলৈ

1) Mathur S.S (1956) ; "A Sociological Approach to Indian Education". Vinod Pustak Mandir, Agra.
2) Dr. Sharma; "Sociological Foundations & Education", Lakshmi Narain Agarwal, Agra.
3) Safaya and Shaida (2003); "Modern Theory and Principles of Education." Dhanpat Rai Publishing Co. (P) Ltd. New Delhi.



১০.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ এলভিন গুডৰ মতে, "কম-বেছি পৰিমাণে এক নির্দিষ্ট কিন্তু ক্ষুদ্র স্থানত বসবাস কৰা ব্যক্তিসকল যিয়ে তেওঁলোকৰ বিভিন্ন কার্য্যাৱলীসমূহৰ আন্তঃভূমিকা পালনত পাৰস্পৰিকভাৱে সন্মুখীন হয়, তেওঁলোকৰ প্রত্যক্ষ সামাজিক সম্পর্কৰ ফলস্বৰূপে সৃষ্টি হোৱা এক প্রাথমিক দল হৈছে সম্প্রদায়।"

২ নং প্রশ্নৰ উত্তৰঃ সামূহিক সম্পর্কৰ শ্রেণীকৰণ সমূহে নিম্নোক্ত সমস্যাসমূহৰ সৃষ্টি কৰে —

(ক) এই শ্রেণীকৰণে এনে এক বিচাৰ দিয়াৰ চেষ্টা কৰে যে কোনো এক বিশেষ সম্প্রদায় বিশেষভাৱে বৈশিষ্ট্যপূর্ণ, আনৰ লগত ইয়াৰ সম্পর্ক পোৱা নাযায়।

(খ) এই শ্রেণীবিভাজনে আধুনিক আৰু বাধ্যতামূলক সম্পর্কসমূহৰ মিলন ঘটাব খোজে।

(গ) এই শ্রেণীকৰণে সমাজতাত্ত্বিক শ্রেণীকৰণ যেনে - জাতি হিচাপে বা ধর্ম হিচাপে ভাগ কৰিব বিচাৰে। এই ধৰণৰ শ্রেণীবিভাজনে এইটো কথাৰ ওপৰত গুৰুত্ব প্রদান নকৰে যে বিভিন্ন জাতিগত ভাৱে বিশিষ্ট ব্যক্তিসকল বিভিন্ন সম্প্রদায়ত বসবাস কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ সাম্প্রদায়িক জীৱনৰ ক্ষেত্রত বিশেষভাৱে পালন কৰা শিক্ষাৰ বিশেষ দুটা ভূমিকা হৈছে —

(ক) প্রথমতে শিক্ষাই শিশুসকলৰ মাজত সম্প্রদায়ৰ বাঞ্ছিত মূল্যবোধ আৰু ভাৱনা সমূহৰ বিকাশ সাধন কৰে। আন কথাত সম্প্রদায় এখনে সৃষ্টি কৰা মূল্যবোধৰ প্রক্রিয়া নৱ প্রজন্মলৈ শিক্ষাৰ জৰিয়তে প্রসাৰিত হ'ব পাৰে। শিক্ষা অবিহনে সম্প্রদায় এখনৰ মূল্যবোধ সমূহ পালন-পোষণ কৰাটো সম্ভৱ নহয় কিয়নো শিশুসকলে কিহৰ ওপৰত বিশ্বাস আৰু মূল্য প্রদান কৰিব তাৰ বাবে উপযুক্ত শিক্ষা আৰু পৰামর্শৰ প্রয়োজন। এইদৰে তেওঁলোকে সম্প্রদায়ৰ জনৰীতি, আচাৰ-ব্যৱহাৰ সমূহ শিকাৰ প্রয়োজনীয়তা আছে।

(খ) সাম্প্রদায়িক জীৱনৰ দ্বিতীয়তে শিক্ষাৰ ভূমিকা হৈছে বিদ্যালয় আৰু সম্প্রদায়ৰ মাজত উপলব্ধ সম্পর্ক। এই সম্পর্ক বিদ্যালয়ৰ সংগঠিত ব্যৱস্থাৰ ওপৰত নির্ভৰশীল য'ত বিদ্যালয় এখনে সম্প্রদায়ৰ এক অনুষ্ঠান হিচাপে কাম কৰে।



১০.১১ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ সম্প্রদায় বুলিলে কি বুজা?

প্রশ্ন নং ২ ঃ সম্প্রদায় শব্দটো ——— ৰ পৰা অনা হৈছে। (খালী ঠাই পূৰ কৰা)

প্রশ্ন নং ৩ ঃ "কম-বেছি পৰিমাণে এক নির্দিষ্ট কিন্তু ক্ষুদ্র স্থানত বসবাস কৰা ব্যক্তিসকল যিয়ে তেওঁলোকৰ বিভিন্ন কার্য্যাৱলীসমূহৰ আন্তঃভূমিকা পালনত পাৰস্পৰিকভাৱে সন্মুখীন হয় তেওঁলোকৰ প্রত্যক্ষ সামাজিক সম্পর্কৰ ফলস্বৰূপে সৃষ্টি হোৱা এক প্রাথমিক দল হৈছে সম্প্রদায়" — কোনে কৈছিল?

খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ সম্প্রদায়ৰ বৈশিষ্ট্যসমূহ লিখা।

প্রশ্ন নং ২ ঃ সম্প্রদায়ৰ জীৱন শৈলীৰ সম্পর্ক কি?

গ) ৰচনাধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০ ৰ পৰা ৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ সম্প্রদায় কেন্দ্র বুলিলে কি বুজা? এখন বিদ্যালয়ত সাম্প্রদায়িক কেন্দ্রলৈ ৰূপান্তৰিত কৰিবলৈ আপুনি কি কি ব্যৱস্থা হাতত ল'ব বহলাই লিখক।

প্রশ্ন নং ২ ঃ সম্প্রদায়ৰ বিকাশত বিদ্যালয়ৰ ভূমিকাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন নং ৩ ঃ সম্প্রদায় বিদ্যালয় বুলিলে কি বুজে? আমাৰ দেশত সেইবোৰ বিদ্যালয়ত কেনেকৈ সংগঠিত কৰা হয়?

*** ***** ***

অধ্যায় ১১ঃ শিক্ষা আৰু সংস্কৃতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ সংস্কৃতিৰ অর্থ

১১.৩.১ সংস্কৃতিৰ প্রকৃতি

১১.৩.২ সংস্কৃতিৰ প্রকাৰ

১১.৪ সংস্কৃতি আৰু শিক্ষা

১১.৫ সংস্কৃতিৰ পৰিবর্তন

১১.৫.১ শিক্ষা আৰু সংস্কৃতিৰ পৰিবর্তন

১১.৬ সাংস্কৃতিক পশ্চাৎৱর্তিতা

১১.৬.১ সাংস্কৃতিক পশ্চাৎৱর্তিতাৰ কাৰণসমূহ

১১.৬.২ সাংস্কৃতিক পশ্চাৎৱর্তিতা দূৰ কৰাৰ উপায়

১১.৭ সামাজিকীকৰণ প্রক্রিয়াত সংস্কৃতিৰ গুৰুত্ব

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্রগতিৰ খতিয়ান

১১.১১ আহিঁ প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতিৰ অর্থ আৰু প্রকৃতি সম্পর্কে বর্ণনা কৰিব পাৰিব।
- সংস্কৃতিৰ বিভিন্ন প্রকাৰ সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।
- সংস্কৃতি আৰু শিক্ষাৰ মাজৰ সম্পর্ক চিনাক্ত কৰিব পাৰিব।
- সাংস্কৃতিক পৰিবর্তনৰ অর্থ বর্ণনা কৰিব পাৰিব।
- শিক্ষা আৰু সাংস্কৃতিক পৰিবর্তনৰ সম্পর্কৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

প্রকৃতিগত ভাবে মানুহ সামাজিক প্রাণী। সমাজ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। সংস্কৃতি হৈছে প্রত্যেক মানৰ সমাজৰ এক বিশেষ বৈশিষ্ট্য। গোটেই পৃথিৱীৰ প্রত্যেক সমাজত কিছুমান সংস্কৃতি বিদ্যামান, যিয়ে সেই সমাজৰ পৰিচয়, প্রথা, উৎসৱ-পর্বন, বিকাশ আদি দাঙি

ধৰে। সংস্কৃতি সংৰক্ষণ কৰি ইয়াক উত্তৰ পুৰুষলৈ প্ৰেৰণ কৰাটো এক গুৰুত্বপূৰ্ণ কথা। এনেদৰে সংস্কৃতি সংৰক্ষণ আৰু প্ৰেৰণ কৰাৰ ক্ষেত্ৰত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সময় যোৱাৰ লগে লগে বৰ্তমানৰ সমাজৰ গাঁথনিৰ পৰিবৰ্তন পৰিলক্ষিত হয়। এই পৰিবৰ্তনকেই আমি সাংস্কৃতিক পৰিবৰ্তন বুলিব পাৰো। এইখিনিতে মনকৰিবলগীয়া যে সমাজত ঘটা সকলো পৰিবৰ্তন আমাৰ বাবে উপকাৰী নহবও পাৰে। সেইবাবে অশুভ কাৰকসমূহ চিনাক্ত কৰি তথা সমাজৰ উন্নতিৰ বাবে ইয়াৰ সদস্যসকলক উপযুক্ত শিক্ষাৰ আৱশ্যক।

১১.৩ সংস্কৃতিৰ অৰ্থ

সাধাৰণতে, সংস্কৃতি মানৱ সমাজৰ এক সুকীয়া সংলক্ষণ বুলি গন্য কৰা হয়। প্ৰত্যেক মানুহে এক নিৰ্দিষ্ট সংস্কৃতিত জন্ম গ্ৰহণ কৰে। ই ব্যক্তিৰ গোটেই জীৱন আৱৰি থাকে। সংস্কৃতিয়ে প্ৰথা, ৰীতি-নীতি, আচৰণৰ ধৰণ, ধৰ্ম, জ্ঞান, নৈতিকতা, আইন, ভাবধাৰা, ধাৰণা, আচাৰ-ব্যৱহাৰ ইত্যাদিক অন্তভূৰ্ক্ত কৰে। সময়ৰ পৰিবৰ্তনৰ লগত এই ধাৰণা সমহূৰ পৰিবৰ্তন ঘটে। সংস্কৃতি হৈছে এক যৌগিক প্ৰক্ৰিয়া, যিয়ে সমাজৰ সদস্য হিচাবে মানুহে আহৰণ কৰা সমৰ্থসমূহ আৰু অভ্যাসসমূহক অন্তভূৰ্ক্ত কৰে। সংস্কৃতিয়ে চিন্তা, মূল্যবোধ আৰু বস্তুক একগোট কৰে। সংস্কৃতি এজন ব্যক্তিতকৈ দলৰ দ্বাৰাহে ব্যৱহৃত হয়। ই আমাৰ অতীতৰ বিভিন্ন সামাজিক উপাদানসমূহ সংৰক্ষণ কৰে আৰু পিছৰ প্ৰজন্মলৈ তাক প্ৰেৰণ কৰে।

সংস্কৃতিৰ কাৰ্য্য হৈছে সমাজক শিক্ষাৰ সচেতন প্ৰক্ৰিয়া আৰু অভিজ্ঞতা প্ৰদান কৰা, উপযুক্ত আচৰণ শৈলী প্ৰদান কৰা যাতে ব্যক্তি আৰু আন্তঃক্ৰিয়াৰ সামঞ্জস্যতা আৰু উপযুক্ত কাৰ্য্য ব্যৱস্থা সংঘটিত হয় আৰু এনেদৰে ব্যক্তি আৰু দল নিৰবচিন্নভাবে বৰ্তি থাকে। ই হৈছে জৈৱিক আৰু দল বা সমাজৰ সংহত সামাজিক, জৈৱিক আৰু গোষ্ঠীগত, আচৰণৰ ধৰণ।

সংস্কৃতি হৈছে এক বহল পৰিসৰৰ শব্দ, যাক বিভিন্ন সমাজতত্ত্ববিদ আৰু চিন্তাবিদসকলে ভিন ভিন ধৰণে ব্যাখ্যা কৰিছে। কিছুমান চিন্তাবিদৰ মতে ই হৈছে সমাজত মানুহৰ সাৰ্বজনীন দৃষ্টিভংগী, আকৌ কিছুমানৰ মতে ই হৈছে জীৱনৰ ধৰণ। সংস্কৃতিৰ অৰ্থ ভালকৈ বুজিবলৈ তলত কিছুমান প্ৰচলিত সংজ্ঞা দাঙি ধৰা হ'ল।

- ব'গার্ডোচৰ মতে "সংস্কৃতি হ'ল মানৱ সমাজৰ বিভিন্ন আচাৰ ব্যৱহাৰ, পৰম্পৰা আৰু ৰীতি-নীতিৰ সমাহাৰ যিবোৰে মানুহক উন্নতি আৰু পূৰ্ণতা লাভত সহায় কৰে। ই হৈছে পূৰ্বগামী যৌগিক মূল্যবোধ য'ত প্ৰত্যেকলোকে জন্মগ্ৰহণ কৰে। ই হৈছে এক মাধ্যম য'ত ব্যক্তিৰ বিকাশ আৰু পূৰ্ণতা প্ৰাপ্তি হয়। ("Bogardus" Culture is composed of integreted customs, traditions and current behaviours complex, of value into which every individual born. It is a medium within which individuels develop and nature".)
- টেইলৰৰ মতে "সংস্কৃতি হৈছে এনে এক জটিল সামগ্ৰিক ৰূপ যি জ্ঞান, বিশ্বাস, কলা, নীতি, আইন, আচাৰ-ব্যৱহাৰ, অভ্যাস আৰু সামাজিক প্ৰাণী হিচাপে মানুহে আহৰণ কৰা

যিকোনো সামর্থ আৰু অভ্যাস এই সকলো দিশ সামৰি লয়।

(According to Taylor "Culture is the complex whole which includes knowledge, belief, art morals, law, customs, and habits and any capabilities acquired by man as a member of society.")

- ৰবার্ট বাৰষ্টেডৰ মতে "সংস্কৃতি এক জটিল সামগ্রিক ৰূপ যিয়ে আমাৰ সকলো চিন্তা আৰু কার্য্যৰ দিশ আৰু লগতে সমাজৰ সদস্য হিচাপে আমাৰ যি থাকে গোটেই সামৰি লয়।"

(Robert Bierstedt "Culture is a complex whole that consists of all the ways we think and do and everything we have as members of society.")

- ই. ভি. ডি. ৰ'বার্টিয়ে সংস্কৃতিৰ সংজ্ঞা এনেদৰে দিছে - "চিন্তা আৰু জ্ঞানৰ ভড়াল, ব্যৱহাৰিক আৰু তাত্ত্বিক দুয়োটা দিশ, যি কেৱল মানুহে আয়ত্ত্ব কৰিব পাৰে।"

"The body of thoughts and knowledge, both theoritical and practical which only man can possess."

- ৰেডফিল্ডৰ মতে "সংস্কৃতি হৈছে সমসাময়িক মূল্যবোধৰ এক সংগঠিত প্রকাশ যি কলা আৰু ঐতিহ্যৰ সহায়ত জীয়াই থাকে।"

(Redfield "Culture is an organised body of conventional undustanding manifested in art and artifect which persist through traditions charecteristic of human group)

১১.৩.১ সংস্কৃতিৰ প্রকৃতি

সংস্কৃতি হৈছে মানুহৰ একক অধিকাৰ। ই হৈছে সংশোধিত আচৰণৰ সংগ্রহ। ভালদৰে বুজাৰ কাৰণে আমি সংস্কৃতিৰ কিছুমান প্রকৃতি দৃষ্টিগোচৰ কৰিবও পাৰো। সেইবোৰ হৈছে —

- প্রকৃতিগত ভাবে সংস্কৃতি সার্বজনীন। পৃথিৱীৰ প্রত্যেক মানৰ সমাজে কিছুমান সংস্কৃতি সংৰক্ষণ আৰু পালন কৰে।
- সংস্কৃতি জন্মগত নহয়, ই আর্জিত। শিক্ষাৰ দ্বাৰা মানুহে সংস্কৃতি আহৰণ কৰে।
- ই কেৱল ব্যক্তিৰ সৈতে নহয় দলৰ সৈতে জড়িত। সমাজৰ প্রত্যেক সদস্যই সংস্কৃতিত সমভাৱে অংশ গ্রহণ কৰে।
- সংস্কৃতিয়ে আমাৰ অতীতৰ প্রথা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ ইত্যাদি সংৰক্ষণ কৰে আৰু এইবোৰ এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ প্রেৰণ কৰে।
- সংস্কৃতি হৈছে সামাজিক আৰু ই কেৱল মানৰ সমাজতহে বিদ্যামান।
- সময়ৰ পৰিৱর্তন আৰু চাহিদাৰ লগে লগে সংস্কৃতিৰ পৰিবর্তন আৰু সংশোধন ঘটে। সেইবাবে ইয়াৰ প্রকৃতি গতিশীল।
- সংস্কৃতি সদায় অবিৰত আৰু ইয়াৰ বৃদ্ধি হয়।

- সংস্কৃতিৰ অন্তর্গত উপাদানৰ সৈতে ইয়াৰ এক একক প্ৰৱণতা আছে আৰু বিভিন্ন অংশৰ সৈতে আন্তঃ সংযোগ ৰাখিবলৈ চেষ্টা কৰে।
- সমাজ ভেদে সংস্কৃতি পৃথক হয়। ই গোটেই পৃথিৱীতে একে নহয়।
- ই হৈছে ব্যক্তিৰ শাৰিৰীক, মানসিক, আধ্যাত্মিক আৰু সামাজিক বিকাশৰ প্ৰভাৱ।

১১.৩.২ সংস্কৃতিৰ প্ৰভাৱ

বিভিন্ন দিশৰ পৰা সংস্কৃতিক বহল ভাবে দুটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হৈছে —

বস্তুগত সংস্কৃতি ঃ বস্তুগত সংস্কৃতিয়ে মানুহৰ সকলো বস্তুকে সামৰি লয়। ই শাৰিৰীক উপাদানৰ এক বিশাল দিশ সামৰি লয়। মানুহৰ বাহিৰেও আমাৰ সমাজৰ যিকোনো দৃশ্যমান আৰু অনুভৱ কৰিব পৰা বস্তুকেই বস্তুগত সংস্কৃতিয়ে অন্তর্ভুক্ত কৰি লয়। ই মানৱ সৃষ্ট সামগ্ৰী যেনে— ঘৰ, দলং, অট্টালিকা, পথ, গাড়ী, আহিলা পাতি আদিক অন্তর্ভুক্ত কৰে। ই শাৰীৰিক অবয়ব আৰু উপযোগী বস্তুক সামৰি লয়। বস্তুগত সংস্কৃতিয়ে প্ৰযুক্তি আৰু বিভিন্ন যান্ত্ৰিক দিশক অন্তর্ভুক্ত কৰে।

অ-বস্তুগত সংস্কৃতি ঃ অ-বস্তুগত সংস্কৃতি বস্তুগত সংস্কৃতিতকৈ পৃথক। বস্তুগত সংস্কৃতিয়ে সকলো মানৱ সৃষ্ট বস্তুক সামৰি লয় কিন্তু অবস্তুগত সংস্কৃতিয়ে সংস্কৃতি সৃষ্টি কৰা বিমূৰ্ত আৰু চিন্তাৰ ধৰণক সামৰি লয়। ই আইন, নিয়ম, ভাষা, ভাৱধাৰা, বিশ্বাস, মূল্যবোধ, অভ্যাস, পৰম্পৰা আদিক সামৰে। ই সম্পূৰ্ণৰূপে আভ্যন্তৰীণ। আমি এইবোৰ দেখা নাপাও বা স্পৰ্শ কৰিব নোৱাৰো কিন্তু তাক অনুশীলন কৰিব পাৰো। ই কোনো বাহ্যিক বস্তুক অন্তর্ভুক্ত নকৰে। অবস্তুগত সংস্কৃতি হৈছে আমাৰ জীৱন আৰু সমাজৰ এক প্ৰতীক জগত।

জানি থোৱা ভাল



- সংস্কৃতি হৈছে এক যৌগিক জটিল সামগ্ৰিক ৰূপ যিয়ে মানুহ হিচাবে সমাজৰ সদস্যৰ সকলো বস্তুগত আৰু অ-বস্তুগত দিশ সামৰি লয়।
- সংস্কৃতি হৈছে কেৱল মানুহৰ একক সম্পত্তি।
- ই হৈছে প্ৰকৃতিগত ভাবে সার্বজনীন।
- সংস্কৃতি প্ৰধানকৈ দুই প্ৰকাৰৰ বস্তুগত আৰু অ-বস্তুগত সংস্কৃতি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সংস্কৃতিৰ এটা প্রকৃতি উল্লেখ কৰক।

.....

প্রশ্ন নং ২ঃ অবস্তুগত সংস্কৃতিৰ দুটা উদাহৰণ দিয়ক।

.....

১১.৪ সংস্কৃতি আৰু শিক্ষা

সংস্কৃতি হৈছে এক জটিল সামগ্রিক ৰূপ। প্রত্যেক শিশুই পৰিয়ালৰ সংস্কৃতিত জন্মে। পৰিয়াল বা সমাজে আশা কৰে ইয়াৰ সকলো প্রথা, পৰম্পৰা, সম্পত্তি, মূল্যবোধ আদি শিশুসকলে সংৰক্ষণ আৰু তাৰ অনুশীলনী কৰে। শিশুসকলে নিজৰ সংস্কৃতি সংৰক্ষণ কৰি উপযুক্ত সময়ত তাক পিছৰ প্রজন্মলৈ প্রেৰণ কৰিব।

শিক্ষাই হৈছে একমাত্র আহিলা যাৰ দ্বাৰা সংস্কৃতি পৰিচালনা, সংৰক্ষণ আৰু প্রেৰণ কৰিব পৰা যায়। সংস্কৃতি মানুহৰ প্রাকৃতিক সমর্থ নহয়, ইয়াক আহৰণ কৰা হয়। সংস্কৃতি আৰু শিক্ষা ইটোৰ লগত সিটোৰ নিবিড় সম্পর্ক । এখন সমাজৰ শিক্ষা ব্যৱস্থা ইয়াৰ সংস্কৃতিৰ মাধ্যমত প্রতিফলিত হয়। আৰু শিক্ষাৰ মাধ্যমও সেই সমাজৰ সংস্কৃতি প্রতিফলিত কৰে।

সংস্কৃতিৰ ওপৰত শিক্ষাৰ প্রভাৱ সম্পর্কে তলত উল্লেখ কৰা দিশসমূহৰ পৰা ভালদৰে বুজিব পৰা যাব।

- জ্ঞান আৰু প্রযুক্তিৰ বিস্ফোৰণে পৃথিৱীক গোলকীয় গাৱঁত পৰিণত কৰি তুলিছে। বিশ্বশান্তি ৰক্ষাৰ বাবে অন্য ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় সংস্কৃতিক সন্মান কৰা প্রয়োজনীয়। শিক্ষাই এই গোলকীয় সংস্কৃতি ৰক্ষাৰ চাবিকাঠি।
- সংস্কৃতি ঠাই আৰু সমাজ অনুযায়ী পৃথক পৃথক হয়। আকৌ একে সমাজত একে সময়তে বিভিন্ন সংস্কৃতি পালন কৰা হয়। শিক্ষা অবিহনে সাংস্কৃতিক সংহতি বা ভিন্ন সংস্কৃতি পালন কৰা সম্ভৱ নহয়।
- শিক্ষাই সমাজৰ সদস্যসকলক শিকাৰ কাৰণে, সমভাগী আৰু তেওঁলোকৰ ভিন্ন সংস্কৃতিৰ মোল বুজাত সহায় কৰে। ইয়াৰ ফলত সাংস্কৃতিক সমন্বয়ৰ যোগাযোগ ঘটে।
- শিক্ষাই বিভিন্ন সাংস্কৃতিক জ্ঞান প্রদান কৰে। ই সমাজৰ সদস্যৰ অভিজ্ঞতা আৰু সম্পর্কৰ উন্নতি ঘটায়। এনেদৰে আমাৰ ভাব দলীয় ভাব বৃদ্ধি পায়।
- সমাজৰ অতীতৰ ইতিহাস সংৰক্ষণ বা ভবিষ্যতৰ পুৰুষৰ বাবে সংস্কৃতিৰ সংৰক্ষণৰ বাবে শিক্ষাই হৈছে গুৰুত্বপূর্ণ আহিলা।

- মূল্যবোধৰ জ্ঞান, পৰিচয়, ভাষা, প্ৰচলিত ৰীতি-নীতি, প্ৰথা, লোকাচাৰ, সম্পদ ইত্যাদি এটা পুৰুষৰ পৰা আনটো পুৰুষলৈ শিক্ষাৰ যোগেদি প্ৰেৰিত হয়।
- এখন সমাজৰ শৈক্ষিক ব্যৱস্থা সংস্কৃতিৰ যোগেদি প্ৰতিফলিত হয়। শিক্ষাৰ লক্ষ্য, পাঠ্যক্ৰম, শিক্ষণ পদ্ধতি, অনুশাসন, শিক্ষকৰ ভূমিকা আদি সকলোবোৰ ইয়াৰ নিজ সংস্কৃতিৰ ভিত্তিত সৃষ্টি কৰা হয়।
- এখন সমাজৰ সংস্কৃতিৰ কোনো এটা দিশত যেতিয়া পৰিবৰ্তন ঘটে, গোটেই সমাজখনেই তাৰ সৈতে জড়িত হৈ পৰে। কেৱল শিক্ষাই গৱেষণা আৰু অনুসন্ধানৰ দ্বাৰা সংস্কৃতি সংশোধন আৰু বিকাশ ঘটাব পাৰে।
- ব্যক্তি যিহেতু সমাজত ডাঙৰ-দীঘল হয়, সেইবাবে ব্যক্তিৰ ব্যক্তিত্বত সংস্কৃতিৰ প্ৰত্যক্ষ প্ৰভাৱ পৰে।
- যেতিয়া সমাজে বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজত পাৰ্থক্য পায়, তেতিয়া তাক সাংস্কৃতিক পশ্চাৎৱৰ্তিতা বুলি কয়। শিক্ষাই এনে পশ্চাৎৱৰ্তিতা দূৰ কৰিব পাৰে।



জানি থোৱা ভাল

শিক্ষাই এক আহিলা স্বৰূপে সংস্কৃতিক সংৰক্ষণ কৰে আৰু এটা পুৰুষৰ পৰা আনটো পুৰুষলৈ প্ৰেৰণ কৰে। সংস্কৃতি আৰু শিক্ষাই যৌথভাৱে ব্যক্তিৰ সামাজিক গুণাৱলীৰ বিকাশ ঘটায় আৰু সক্ষমতা সম্পন্ন ব্যক্তিৰ সৃষ্টি কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ সাংস্কৃতিক পশ্চাৎৱৰ্তিতা কাক বোলে?

.....

১১.৫ সংস্কৃতিক পৰিৱৰ্তন

টেইলাৰৰ মতে "সংস্কৃতি হৈছে এক জটিল সামগ্ৰিক ৰূপ যি জ্ঞান, বিশ্বাস, কলা, নীতি, আইন, আচাৰ-ব্যৱহাৰ অভ্যাস আৰু সামাজিক প্ৰাণী হিচাবে মানুহে আহৰণ কৰা যিকোনো সামৰ্থ আৰু অভ্যাস এই সকলো দিশ সামৰি লয়।

("Culture is that complex whole which includes knowledge, belief, art, morals, law customs and any other capabilities and habits acquired by men as a member of society." – Taylor)

ই হৈছে সমাজত মানুহৰ আৰ্জিত জ্ঞানৰ সমষ্টি। যেতিয়া সংস্কৃতিৰ কোনো ক্ষেত্ৰত

পৰিবৰ্তন ঘটে, ইয়াক সাংস্কৃতিক পৰিবৰ্তন বুলি কোৱা হয়। আমি জানো যে সংস্কৃতি হৈছে গতিশীল আৰু সেইবাবে ইয়াৰ পৰিবৰ্তন ঘটে। আকৌ সংস্কৃতিৰ অবিৰত আৰু সংগ্রহিত প্রক্রিয়া। সেইবাবে ই পৰিবৰ্তন সংশোধিত কৰে আৰু উপযুক্ত দিশবোৰ বাচি লয়। কিংচলি ডেভিচৰ মতে সংস্কৃতিৰ পৰিৱৰ্তন হৈছে — "যিয়ে সংস্কৃতিৰ যিকোনো শাখাত হোৱা কলা, বিজ্ঞান, প্রযুক্তি, দর্শন আদিৰ সকলো পৰিবৰ্তন অন্তর্ভুক্ত কৰে আৰু লগতে সামাজিক সংগঠনৰ সকলো গঠন আৰু নীতি সামৰি লয়।"

"Kingsley Davis "embraces all changes occuring in any branch of culture including art, science, technology, philosophy etc. as well as changes in the forms and rules of social organisation."

এনেদৰে আমি কব পাৰো যে যেতিয়া সংস্কৃতিৰ কোনো ক্ষেত্রত পৰিবৰ্তন হয় তাকে সাংস্কৃতিক পৰিৱৰ্তন বোলে। আবিষ্কাৰ, বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশ, জ্ঞানৰ বিস্ফোৰণ, সমাজৰ ধাৰণা আৰু শিল্পৰ নতুন গঠন, চিন্তাৰ পৰিবৰ্তন আদিয়ে সংস্কৃতিৰ পৰিবৰ্তন সংঘটিত কৰে। এই পৰিৱৰ্তনে বস্তুগত আৰু অবস্তুগত দুয়োবিধ সংস্কৃতিকে সামৰি লয়। সংস্কৃতিৰ কোনো এটা দিশত পৰিবৰ্তন হলে সংস্কৃতিৰ সামগ্রিক ৰূপত তাৰ প্রভাৱ পৰে, কাৰণ সংস্কৃতি হৈছে একতা সম্পন্ন।

১১.৫.১ শিক্ষা আৰু সাংস্কৃতিক পৰিবৰ্তন

সংস্কৃতিৰ পৰিবৰ্তন বা সংশোধন অনাৰ ক্ষেত্রত শিক্ষা হৈছে গুৰুত্বপূর্ণ উপাদান। এই ক্ষেত্রত আমি কিছুমান দিশ উনুকিয়াব পাৰো, যেনে —

- "এখন দেশৰ আর্থ সামাজিক বিকাশ তেতিয়াহে সম্ভৱ হয় যেতিয়া ইয়াৰ সাংস্কৃতিক পৰিবৰ্তন ঘটে। আকৌ শিক্ষা অবিহনে এনে বিকাশ অসম্ভৱ।
- শিক্ষাৰ দ্বাৰাহে সংস্কৃতিৰ আদান-প্রদান সম্ভৱ।
- শিক্ষাই উপযুক্ত গণতান্ত্রিক ভাবধাৰাৰ বিকাশ কৰে। গণতান্ত্রিক ভাবধাৰাই সমাজত পৰিবৰ্তন আনে যাৰ ফলত উপযুক্ত লক্ষ্যত উপনীত হ'ব পৰা যায়।
- বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশ আৰু সহজলভ্যতাই সমাজলৈ পৰিবৰ্তন আনে।
- শিক্ষার্থীসকল হৈছে এখন দেশৰ ভবিষ্যতৰ নাগৰিক। শিক্ষকসকলে শিক্ষার্থীসকলৰ বিভিন্ন সামাজিক ব্যাধি যেনে অন্ধবিশ্বাস, যৌতুক, বিধবা পুর্নবিবাহ, পর্দা প্রথা, শিশু নির্যাতন, নিচাযুক্ত দ্রব্য সেৱন ইত্যাদিৰ প্রতি উপযুক্ত দৃষ্টিভংগী বিকাশ হোৱাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। এই ক্ষেত্রত পৰিবৰ্তন হৈছে সময়ৰ আহ্বান।
- সমাজত পৰিবৰ্তন অনাৰ ক্ষেত্রত শিক্ষাই স্বাধীনতা, চিন্তাৰ বিকাশৰ বাবে সুবিধা প্রদান কৰে।
- শিক্ষাই সাংস্কৃতিক বিভিন্নতাৰ ক্ষেত্রত পাৰস্পৰিক সন্মান বৃদ্ধি কৰে আৰু বিভিন্ন দল আৰু সংস্কৃতিৰ মাজত বুজাপৰাত সহায় কৰে।

- বহুমুখী সাংস্কৃতিক শিক্ষাই জাতীয় সংহতি আৰু আন্তঃৰাষ্ট্রীয় বুজাপৰা ৰক্ষা কৰাত সহায় কৰে।
- সমাজৰ পৰিবর্তনশীল চাহিদা উপযুক্ত ভাবে পূৰণ কৰিবলৈ শিক্ষাই সামাজিক-সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰিব লাগে। সংস্কৃতি বিকাশৰ ক্ষেত্রত স্কুলে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।
- আন্তঃনির্ভৰশীল আৰু সহযোগিতামূলক কার্য্যাৱলীৰ বিকাশ কেৱল সাংস্কৃতিক আৰু আন্তঃসাংস্কৃতিক শিক্ষাৰ দ্বাৰাহে সম্ভৱ।
- সাংস্কৃতিক পৰিবর্তনৰ গুৰুত্ব আৰু প্রয়োজনীয়তা অনুভৱ কৰি আৰু বুজি পাঠ্যক্রম সংশোধন কৰিব লাগে।
- বিদ্যালয় সম্প্রদায় আৰু সমাজৰ মাজত অবিৰত আন্তঃসম্পর্কৰ দ্বাৰা সাংস্কৃতিক পৰিৱর্তন আনিব পাৰি।



জানি থোৱা ভাল

- যেতিয়া আমি এখন সমাজৰ প্রচলিত সংস্কৃতিক পৰিৱর্তন দেখিবলৈ পাওঁ, তাক সাংস্কৃতিক পৰিৱর্তন বোলা হয়।
- সাংস্কৃতিক পৰিবর্তনৰ বিভিন্ন কাৰণ আছে, যেনে বিজ্ঞান আৰু প্রযুক্তিৰ উন্নতি, জ্ঞানৰ বিস্ফোৰণ, সমাজৰ আৰু মূল্যবোধৰ ভাবধাৰাৰ পৰিবর্তন, নৃত্য, গীত, শিল্পৰ নতুন ধাৰা, চিন্তাৰ পৰিবর্তন ইত্যাদি।
- শিক্ষা আৰু সাংস্কৃতিক পৰিবর্তনৰ মাজত ওচৰ সম্পর্ক আছে। শিক্ষা অবিহনে সংস্কৃতিৰ ক্ষেত্রত কোনো পৰিবর্তন সম্ভৱ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ সাংস্কৃতিক পৰিবর্তন কাক বোলে?

.....

প্রশ্ন নং ৫ঃ সাংস্কৃতিক পৰিবর্তনৰ যিকোনো দুটা কাৰণ উল্লেখ কৰক।

.....

১১.৬ সাংস্কৃতিক পশ্চাৎৱর্তিতাৰ অর্থ

মানৱ সংস্কৃতিক বিভিন্ন প্রকাৰে ভাগ কৰিব পাৰি। আমেৰিকাৰ সমাজতত্ত্ববিদ আগবার্নে সংস্কৃতিক দুই প্রকাৰে ভাগ কৰিছিল যেনে বস্তুগত আৰু অবস্তুগত সংস্কৃতি। এই দুই প্রকাৰৰ সংস্কৃতিৰ মাজত আন্তঃসম্পর্ক আছে আৰু এটাই আনটোক প্রভাৱিত কৰে। তথাপিও বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ বিকাশ আৰু পৰিবর্তনৰ হাৰ একে নহয়। বস্তুগত সংস্কৃতি হৈছে বাহ্যিক আৰু দৃশ্যমান, ইয়াৰ সোনকালে পৰিবর্তন ঘটে। আনহাতে, অবস্তুগত সংস্কৃতি মানৱ মনৰ চিন্তা, ভাৱধাৰা আৰু ব্যক্তিনিষ্ঠ গুণাৱলীৰ সৈতে জড়িত। সেইবাবে এনে সংস্কৃতিৰ পৰিবর্তন আৰু বিকাশৰ গতি মন্থৰ। ইয়াৰ ফলত দুয়োবিধ সংস্কৃতিৰ মাজত পার্থক্য থাকি যায়। সাংস্কৃতি পৰিবর্তন আৰু বিকাশৰ মাজত এনে পার্থক্যক সাংস্কৃতিক পশ্চাৎৱর্তিতা বুলি কোৱা হয়।

আমাৰ সামাজিক জীৱনৰ বিভিন্ন দিশৰ পৰা আমি সংস্কৃতিক পশ্চাৎৱর্তিতাক নিৰীক্ষণ কৰিব পাৰো। বর্তমান সময়ত বিজ্ঞান আৰু প্রযুক্তিৰ দ্রুত বিকাশে বস্তুগত সংস্কৃতিৰ পৰিবর্তন আনিছে। বর্তমানৰ প্রযুক্তিৰ বিকাশে মানুহৰ আচৰণ আৰু কার্য্যাৱলীলৈ পৰিৱর্তন আনিছে। এনে দ্রুত পৰিবর্তনৰ ফলত বস্তুগত সংস্কৃতিত কৈ তুলনামূলক ভাবে অবস্তুগত সংস্কৃতি পিছপৰি গৈছে। মানুহে এতিয়াও নিজৰ ধর্ম, বিশ্বাস, আস্থা আৰু প্রথা আদিত বিশ্বাসী, প্রায়ে এইবোৰৰ পৰিবর্তন নিবিচাৰে। ইয়াৰ ফলত দুয়োবিধ সংস্কৃতিৰ মাজত সঘনে ভুল বুজা-বুজি আৰু সংঘর্ষৰ সৃষ্টি হয়। এটা পুৰণি আৰু আনটো নতুন স্বৰূপে, এটা উন্নয়ণশীল আৰু আনটো সংৰক্ষণশীল স্বৰূপ। ইয়াৰ ফলত সমাজত সাংস্কৃতিক পশ্চাৎৱর্তিতাই দেখা দিয়ে।

১১.৬.১ সাংস্কৃতিক পশ্চাৎৱর্তিতাৰ কাৰণসমূহ

সমাজৰ বিভিন্ন আর্থ-সামাজিক কাৰণত সাংস্কৃতিক পশ্চাৎৱর্তিতাই দেখা দিয়ে। এই পশ্চাৎৱর্তিতাই সামাজিক বিসংগতিৰ সৃষ্টি কৰে। ইয়াৰ ফলত সমাজৰ লোকৰ মানদণ্ড নিম্ন স্তৰলৈ গতি কৰে। সাংস্কৃতিক পশ্চাৎৱর্তিতা সৃষ্টি কৰাৰ প্রধান কাৰণবোৰ তলত উল্লেখ কৰা হ'ল —

- বিজ্ঞান আৰু প্রযুক্তিৰ দ্রুত বিকাশে সমাজত উন্নয়ণশীল আৰু সংৰক্ষণশীল স্বৰূপে দুই ধৰণৰ দলৰ সৃষ্টি কৰে, ফলত সাংস্কৃতিক পশ্চাৎৱর্তিতাৰ সৃষ্টি হয়।
- বিশেষ কিছুমান দলৰ লোকৰ মাজত শিক্ষাৰ সুবিধা নথকা বাবে সমাজৰ লোকৰ মাজৰ শিক্ষাৰ বৈষম্যতাই সাংস্কৃতিক পশ্চাৎৱর্তিতাৰ সৃষ্টি কৰে।
- অর্থনৈতিক বৈষম্যতাই, মানুহৰ জীৱনধাৰণৰ অর্থনৈতিক মানদণ্ড আদিয়ে ধনী আৰু দুখীয়া লোকৰ মাজৰ পার্থক্য বহলাই তোলে ফলত সমাজত সাংস্কৃতিক পশ্চাৎৱর্তিতাই দেখা দিয়ে।
- জাতি, উপজাতি আৰু সম্প্রদায়ৰ ভেদে সমাজৰ লোকৰ স্তৰীভূত কৰণে সমাজত সাংস্কৃতিক পশ্চাৎৱর্তিতা আনে।

- সার্বজনীন শিক্ষা ব্যৱস্থাৰ অভাৱ, বিস্তৃত নিৰক্ষৰতা আৰু সমাজৰ লোকৰ নিৰক্ষৰতা আদিয়ে প্ৰায়েই সমাজত সাংস্কৃতিৰ পশ্চাৎৱৰ্তিতাৰ সৃষ্টি কৰে।
- দেশৰ মানুহক শাসিত কৰা ৰাজনৈতিক আদৰ্শ বা নীতি ভাল বা বেয়া ধৰনে প্ৰভাৱ পেলায়, যাৰ ফলতো সাংস্কৃতিক পশ্চাৎৱৰ্তিতা সৃষ্টি হয়।

১১.৬.২ সাংস্কৃতিক পশ্চাৎৱৰ্তিতা দূৰ কৰাৰ উপায়সমূহ

সমাজত সামঞ্জস্যপূৰ্ণ বিকাশৰ বাবে, সাংস্কৃতিক পশ্চাৎবৰ্তিতা আঁতৰ কৰিব লাগিব। এই ক্ষেত্ৰত আমি কিছুমান দিশ বিবেচনা কৰিব লাগে।

- **প্ৰাপ্তবয়স্ক নিৰক্ষৰতা দূৰীকৰণ** ঃ সমাজৰ কিছুমান শ্ৰেণীৰ লোকৰ মাজত থকা নিৰক্ষৰতাই সাংস্কৃতিক পশ্চাৎৱৰ্তিতাৰ সৃষ্টি কৰে। সেইবাবে দেশৰ পৰা নিৰক্ষৰতা দূৰ কৰিবলৈ তীব্ৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। সমাজৰ প্ৰাপ্ত বয়স্কলোকসকলৰ বাবে অগতানুগতিক শিক্ষা, প্ৰয়োজন ভিত্তিক আৰু অংশকালীন শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।
- **সমাজৰ লোকসকলক সমান স্তৰলৈ অনা** ঃ সাংস্কৃতিক পশ্চাৎৱৰ্তিতা আঁতৰ কৰিবলৈ হলে সমাজৰ লোকসকলে গণতান্ত্ৰিক অধিকাৰ ভোগ কৰিব লাগিব। কোনো বৈষম্য নোহোৱাকৈ সমাজৰ প্ৰত্যেক নাগৰিকে শিক্ষাৰ সম অধিকাৰ আৰু সামাজিক ন্যায় উপভোগ কৰিব লাগিব।
- **জীৱনৰ ধাৰণৰ অৰ্থনৈতিক মানদণ্ড উন্নীতকৰণ** - দেশৰ জাতীয় সম্পদৰ সমবিতৰণৰ ওপৰত সাংস্কৃতিক পশ্চাৎৱৰ্তিতাৰ দূৰীকৰণ নিৰ্ভৰ কৰে। জাতীয় সম্পদ বৃদ্ধিকৰণ আৰু উপভোগ কৰণৰ দ্বাৰা জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব পাৰি সমাজৰ উপযুক্ত অৰ্থনৈতিক পৰিকল্পনাই ধনী আৰু দুখীয়াৰ মাজত পাৰ্থক্য দূৰ কৰিব পাৰে।
- **বিজ্ঞান আৰু প্ৰযুক্তিৰ শিক্ষা** ঃ বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞানৰ ওপৰত গুৰুত্ব প্ৰদান কৰি সমাজৰ পৰা সাংস্কৃতিক পশ্চাৎৱৰ্তিতা আঁতৰ কৰিব পাৰি। সাধাৰণ মানুহক এইটো ধাৰণা দিব লাগে যে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিয়ে তেওঁলোকৰ আৰ্থ-সামাজিক জীৱনৰ উন্নতি আৰু বিকাশ ঘটাব পাৰে।

১১.৭ সামাজিকীকৰণ প্ৰক্ৰিয়াত সংস্কৃতিৰ গুৰুত্ব

ব্যক্তিৰ সামাজিকীকৰণৰ ক্ষেত্ৰত সংস্কৃতি হৈছে শক্তিশালী মাধ্যম। বহল অৰ্থত সংস্কৃতিক শিক্ষা, শিক্ষণ আৰু অভিজ্ঞতা স্বৰূপে বৰ্ণনা কৰা হয়, যাক মানুহে বিকাশৰ সময়ছোৱাত আহৰণ কৰে। সংস্কৃতিয়ে এজন মানুহক সমাজৰ গ্ৰহণযোগ্য আচৰণ, ভাৱধাৰা দেখুৱাবলৈ প্ৰশিক্ষণ দিয়ে। 'সংস্কৃতি সেইবাবে এক শক্তিশালী আহিলা, যিয়ে এক সমগ্ৰ ভিত্তিত কাৰ্য্য কৰে। ই মানুহক সামাজিক প্ৰাণী হিচাপে জীয়াই থাকিবলৈ আৰু বিকাশ লাভ কৰিবলৈ জৈৱিক ব্যক্তিত্বক প্ৰশিক্ষণ দিয়ে। সংস্কৃতি কেৱল ব্যক্তিৰ বাবে নহয়, সমাজৰ বাবেও গুৰুত্বপূৰ্ণ। সংস্কৃতিয়ে আমাৰ

সামাজিক জীৱন, ইয়াৰ স্থিতি আৰু বিকাশ সম্ভৱ কৰি তোলে। যদি সংস্কৃতি নেথাকিলহেতেন তেতিয়া হ'লে সামাজিক বা দলীয় জীৱন সম্ভৱ ন'হলহেতেন। এইটো মনত ৰাখিব লাগিব যে দলীয় জীৱন সংৰক্ষণ আৰু সুৰক্ষাৰ স্বাৰ্থত সংস্কৃতিৰ নীতি, নিয়ম, ভাৱধাৰা, মানদণ্ড, বিশ্বাস ইত্যাদি মানুহে সৃষ্টি কৰিছে। ৰাজহুৱা জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে মানুহে আইনী সংকেতৰ সৃষ্টি কৰিছে। সমাজত নৈতিক জীৱন যাপনৰ বাবে ধর্মীয় নীতি আৰু প্ৰথাৰ বিকাশ কৰা হৈছে। সংবিধান ৰচনাবে গণতান্ত্রিক চৰকাৰ গঠন কৰা হৈছে যাতে মানুহে সন্মান, মর্য্যদা আৰু শান্তিত বসবাস কৰিব পাৰে। এনেদৰে সংস্কৃতিয়ে মানুহৰ আগ্রহক সুৰক্ষিত কৰি সামাজিকৰণত সহায় কৰে।

এনেদৰে ওপৰৰ আলোচনাৰ পৰা সামাজিকীকৰণ আৰু সামাজিক বিকাশৰ ক্ষেত্রত সংস্কৃতিৰ ভূমিকা সম্পর্কে জ্ঞাত হলো। এনে প্রভাৱ সমূহ তলত চমুকৈ দাঙি ধৰা হ'ল —

- ব্যক্তিৰ সামাজিকীকৰণ, জৈৱিক আৰু প্রবৃত্তিমূলক প্রৱণতাৰ বাবে সংস্কৃতি অপৰিহার্য্য।
- ই সামাজিক বা দলীয় জীৱন শান্তিপূর্ণ ভাবে বাস কৰিবলৈ আমাক নিয়ন্ত্রণ কৰে।



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃতি হৈছে মানুহৰ একক সম্পদ।
- ইয়াৰ প্রকৃতি সার্বজনীন। পৃথিৱীৰ সকলো সমাজে সংস্কৃতি পালন কৰে।
- সংস্কৃতি হৈছে এক জটিল সামগ্রিক ৰূপ, ই সমাজৰ সকলো বস্তুগত দিশ (যেনে — ঘৰ, ৰাস্তা, মন্দিৰ, দলং ইত্যাদি) সামৰি লয়।
- সংস্কৃতি প্রধানকৈ দুই প্রকাৰৰ —
  বস্তুগত সংস্কৃতি আৰু অবস্তুগত সংস্কৃতি
- শিক্ষা আৰু সংস্কৃতিৰ মাজত এক নিকত সম্পর্ক আছে। সংস্কৃতিৰ গুৰুত্ব বুজিবলৈ, সংৰক্ষণ কৰিবলৈ আৰু এটা পুৰুষৰ পৰা আনটো পুৰুষলৈ প্রেৰণ কৰিবলৈ আমাক শিক্ষাৰ প্রয়োজন।
- যেতিয়া আমি প্রচলিত সমাজৰ ধৰণত পৰিবর্তন বা সংশোধন দেখা পাওঁ তেতিয়া তাক সাংস্কৃতিক পৰিবর্তন আখ্যা দিয়া হয়।
- সংস্কৃতিৰ সংশোধন কৰিবলৈ বা নেতিবাচক দিশৰ পৰিবর্তন আনিবলৈ আমাক শিক্ষাৰ প্রয়োজন। কেবল শিক্ষিত আৰু দায়িত্বশীল সমাজৰ সদস্যইহে বিকাশৰ বাবে সংস্কৃতিত পৰিবর্তন আনিব পাৰে।



১১.৯ অধিক জানিবলৈ

1. Chaube & Chaube (2006) : Philosophical and sociological foundations of education.

2. F. J. Brown (2009) : Educational Sociology
3. Chanda and Sharma (1996) : Sociology of Education
4. C. N. Shankar Rao (2007) : Principles of Sociology



১১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সংস্কৃতি সাৰ্বজনীন প্ৰকৃতিৰ। পৃথিৱীৰ সকলো সমাজেই সংস্কৃতি সংৰক্ষণ আৰু পালন কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ ভাষা আৰু উৎসৱ।

৩ নং প্ৰশ্নৰ উত্তৰঃ সমাজত অবস্তুগত সংস্কৃতিতকৈ বস্তুগত সংস্কৃতিৰ পৰিবৰ্তনৰ হাৰ বেছি। সেইবাবে কেতিয়াবা বিকাশ, উন্নতি বা দুয়োবিধ সংস্কৃতিৰ ব্যৱহাৰৰ ক্ষেত্ৰত পাৰ্থক্য বা দূৰত্ব থকা দেখা যায়। যেতিয়া কোনো সমাজত বিকাশৰ ক্ষেত্ৰত বস্তুগত আৰু অবস্তুগত সংস্কৃতিৰ মাজত পাৰ্থক্য থকা দেখা যায়, তেতিয়া তাক সাংস্কৃতিক পশ্চাৎৱৰ্তিতা বুলি কোৱা হয়।

৪ নং **প্ৰশ্নৰ উত্তৰঃ** যেতিয়া কোনো সমাজৰ প্ৰচলিত সংস্কৃতিৰ পৰিবৰ্তন ঘটে তেতিয়া তাক সাংস্কৃতিক পৰিবৰ্তন বোলা হয়।

৫ নং প্ৰশ্নৰ উত্তৰঃ বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নতি আৰু জ্ঞানৰ বিস্ফোৰণ।



১১.১১ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে প্ৰায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ঃ সংস্কৃতিৰ সংজ্ঞা দিয়ক। ইয়াৰ বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন নং ২ঃ সংস্কৃতিৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

প্ৰশ্ন নং ৩ঃ সাংস্কৃতিক পৰিবৰ্তন কাক বোলে?

প্ৰশ্ন নং ৪ঃ সাংস্কৃতিক পশ্চাৎৱৰ্তিতা কাক বোলে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ঃ সংস্কৃতি আৰু শিক্ষাৰ মাজৰ সম্পৰ্ক বহলকৈ আলোচনা কৰক।

প্ৰশ্ন ন ২ঃ সাংস্কৃতিক পৰিবৰ্তনত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ৩ঃ সাংস্কৃতিক পশ্চাৎৱৰ্তিতাৰ কাৰণবোৰ আলোচনা কৰক। সাংস্কৃতিক পশ্চাৎবৰ্তিতা আঁতৰোৱাৰ উপায় সমূহ বৰ্ণনা কৰক।

প্ৰশ্ন নং ৪ঃ সামাজিকীকৰণ প্ৰক্ৰিয়াত সংস্কৃতিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায়-১২ ঃ সমাজৰ পিছপৰা শ্ৰেণীৰ বাবে শিক্ষা

অধ্যায় গাঁথনি

১২.১ শিক্ষণ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ সমাজৰ সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ ধাৰণা

১২.৪ অনুসূচীত জাতি, জনজাতি আৰু মহিলাসকলৰ বাবে সাংবিধানিক ব্যৱস্থাসমূহ

১২.৫ সমাজৰ সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ শিক্ষাৰ বাবে থকা ৰাষ্ট্ৰৰ সিদ্ধান্তসমূহ

১২.৫.১ কোঠাৰী আয়োগ (১৯৬৪-৬৬)

১২.৫.২ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি (১৯৯২)

১২.৫.৩ শিক্ষাৰ অধিকাৰ (২০০৯)

১২.৫.৪ সৰ্বশিক্ষা অভিযান (২০০১)

১২.৫.৫ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (২০০৯)

১২.৫.৬ মধ্যাহ্ন ভোজন আঁচনি

১২.৫.৭ মহিলা সমক্ষ্যা কাৰ্যসূচী

১২.৫.৮ সহস্ৰাব্দ বিকাশৰ লক্ষ্য

১২.৬ সমাজৰ সামাজিক আৰু অৰ্থনৈতিকভাৱে অপ্ৰত্যাশিত শ্ৰেণীৰ শিক্ষাৰ বাবে পৰামৰ্শসমূহ

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্ৰগতি নিৰীক্ষণ

১২.১০ আৰ্হি প্ৰশ্নাৱলী

১২.১ শিক্ষণ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজৰ সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ অৰ্থ বুজিব পাৰিব।
- অনুসূচিত জাতি, জনজাতি, মহিলা আৰু গ্ৰাম্য অঞ্চলৰ জনসংখ্যাৰ বাবে থকা সাংবিধানিক ব্যৱস্থাৰ চিনাক্ত কৰিব পাৰিব।
- অনুসূচিত জাতি, জনজাতি, মহিলা আৰু গ্ৰাম্য অঞ্চলৰ লোকৰ বাবে থকা কাৰ্যসূচীৰ

বিশ্লেষণ কৰিব পাৰিব।

- পিছপৰা শ্রেণীৰ বাবে থকা বিভিন্ন শৈক্ষিক সুবিধাৰ ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

সাধাৰণভাৱে, পিছপৰা শ্রেণীৰ অর্থ হৈছে যিসকল লোক সমাজৰ আন লোকসকলৰ তুলনাত পৃথক, অকলশৰীয়া আৰু ভাল সুবিধাৰ পৰা বঞ্চিত। ভাৰতবর্ষত এটা দল বা এটা শ্রেণীৰ লোক সামাজিক আৰু অর্থনৈতিক দিশৰ পৰা বঞ্চিত, যিবোৰ আন লোকসকলে উপভোগ কৰিব পাৰে। এনে দল বা শ্রেণী লোকসকলক সমাজৰ সামাজিক আৰু অর্থনৈতিক দিশৰ পৰা পিছপৰা শ্রেণী হিচাবে গণ্য কৰা হয়। ভাৰতবর্ষত অনুসূচিত জাতি, অনুসূচিত জনজাতি, মহিলা, অন্য পিছপৰা জাতি (OBC), সংখ্যালঘু, বিশেষভাৱে সক্ষম শিশুসকল (CWSN) আৰু গ্রাম্য অঞ্চলৰ লোকসকলক সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণী হিচাবে গণ্য কৰা হয়। এইবোৰৰ ভিতৰত কেৱল অনুসূচিত জাতি, জনজাতি, মহিলা আৰু গ্রাম্যাঞ্চলৰ লোকসকলৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ব।

১২.৩ সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ অর্থ আৰু ধাৰণা

ভাৰতবর্ষত সাধাৰণতে সামাজিকভাৱে পিছপৰা শ্রেণী জাতি ব্যৱস্থাত পোৱা যায়। চার্লচ কুলিৰ (Charles Cooley) মতে, যেতিয়া এটা শ্রেণী সম্পূর্ণভাৱে বংশগত দিশত নির্ভৰশীল হয়, তেতিয়া তাক আমি জাতি বুলি কওঁ। ভাৰতবর্ষৰ জাতিগত ব্যৱস্থাটো অতি জটিল। ফৰাচীৰ শিক্ষাবিদ, এব্বে দুবোইচ (Abbe Dubois) মন্তব্য কৰে যে, জাতি ব্যৱস্থাটো হৈছে ব্রাহ্মণসকলৰ বুদ্ধিসম্মত ৰাজনৈতিক পৰিকল্পনা আৰু ই ব্রাহ্মণসকলৰ বাবে। হোকার্ট আৰু চেনার্ট (Hocart and Senart) মতে, ধর্মীয় নীতি আৰু পৰম্পৰাৰ বাবে জাতি ব্যৱস্থাৰ সৃষ্টি কৰা হৈছে। সামাজিকভাৱে পিছপৰা শ্রেণীয়ে অনুসূচিত জাতি (SC), অনুসূচিত জনজাতি (ST), অন্যান্য পিছপৰা জাতি, সংখ্যালঘু মহিলা আৰু গ্রাম্য লোকসকলক অন্তর্ভুক্ত কৰে।

১২.৪ অনুসূচিত জাতি, জনজাতি আৰু মহিলাসকলৰ সাংবিধানিক ব্যৱস্থা

ভাৰতবর্ষৰ সংবিধানে অনুসূচিত জাতি, জনজাতি আৰু মহিলাসকলৰ শিক্ষাৰ সমঅধিকাৰৰ বাবে বিভিন্ন ব্যৱস্থা ৰাখিছে যাতে সমাজৰ এই শ্রেণীটোৱে তেওঁলোকৰ আর্থ-সামাজিক দিশৰ উন্নতি সাধন কৰিব পাৰে। এই ব্যৱস্থাবোৰৰ বিষয়ে আলোচনা কৰো আহক।

অনুচ্ছেদ ১৪ ঃ আইনৰ সন্মুখত সমান

ভাৰতবর্ষৰ ভৌগোলিক সীমাৰ ভিতৰত ৰাষ্ট্রই কোনো নাগৰিককে আইনগত বৈষম্য নেদেখুৱাই বা আইনৰ দৃষ্টিত সকলো সমান।

অনুচ্ছেদ ১৫ ঃ জাতি, ধৰ্ম, লিংগ বা জন্মৰ ঠাইৰ ভিত্তিত বৈষম্য নিষিদ্ধকৰণ

(১) জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু জন্মৰ ঠাইৰ ভিত্তিত কোনো নাগৰিকৰ প্ৰতি বৈষম্য দেখুৱাব নোৱাৰিব।

(২) কোনো নাগৰিকে ধৰ্ম, বৰ্ণ, জাতি, লিংগ আৰু জন্ম ঠাই বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত তলৰ ক্ষেত্ৰবোৰত অসমৰ্থ, বাধা আৰু জবাবদিহি কৰিব নোৱাৰিব।

(ক) দোকান-পোহাৰ, ৰেষ্টুৰেণ্ট, হোটেল বা জনসাধাৰণৰ উপভোগৰ ক্ষেত্ৰত প্ৰৱেশৰ অধিকাৰ থাকিব।

(খ) কুঁৱা, পুখুৰী, গা ধোৱা ঘাট, ৰাস্তা আৰু আংশিক বা সম্পূৰ্ণভাৱে ৰাজ্যিক চৰকাৰৰ অৰ্থ সাহায্যৰ প্ৰদান কৰা বা জনসাধাৰণে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বাধা নাথাকিব।

(৩) এইটো অনুচ্ছেদত নথকা অন্য বিশেষ ব্যৱস্থা মহিলা আৰু শিশুসকলৰ বাবে ৰাষ্ট্ৰই গ্ৰহণ কৰিব পাৰিব।

(৪) এইটো অনুচ্ছেদত নথকা ২ বা ২৯নং অনুচ্ছেদত নাথাকিলেও অৰ্থনৈতিক আৰু সামাজিকভাৱে পিছপৰা শ্ৰেণী বা অনুসূচিত জাতি-জনজাতিৰ অগ্ৰগতিৰ ক্ষেত্ৰত ৰাষ্ট্ৰই যিকোনো বিশেষ ব্যৱস্থা হাতত ল'ব পাৰিব।

অনুচ্ছেদ ৪৫ ঃ শিশুৰ বাবে বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা

সংবিধান সূচনা কৰাৰ দহ বছৰৰ ভিতৰত ১৪ বছৰ বয়সলৈ সকলো শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা পাব লাগিব।

অনুচ্ছেদ ৪৬ ঃ অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ শৈক্ষিক আৰু অৰ্থনৈতিক দিশৰ উন্নতিকৰণ

ৰাজ্য চৰকাৰে দুৰ্বল শ্ৰেণীৰ লোক বিশেষকৈ অনুসূচিত জাতি আৰু জনজাতি লোকৰ শৈক্ষিক আৰু অৰ্থনৈতিক দিশৰ উন্নতিৰ বাবে বিশেষ মনোযোগ দিব লাগে।

অনুচ্ছেদ ২৪৩ ঘ ঃ পঞ্চায়তত আসন সংৰক্ষণ

(১) আসনসমূহ তলত উল্লেখ কৰা শ্ৰেণীসমূহৰ বাবে সংৰক্ষিত হ'ব লাগে—

(ক) অনুসূচিত জাতি আৰু

(খ) অনুসূচিত জনজাতি, প্ৰতিখন পঞ্চায়ততে আসন সংৰক্ষণৰ ব্যৱস্থা থাকিব আৰু এনেদৰে সংৰক্ষিত আসনৰ সংখ্যা যিমান পৰা যায় নিৰ্দিষ্ট পঞ্চায়ত এলেকাটোত প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰ কৰিব পৰা মুঠ আসনৰ ভিতৰত অঞ্চলটোত থকা অনুসূচিত জাতিৰ মুঠ জনসংখ্যাৰ সমানুপাতিক নাইবা নিৰ্দিষ্ট পঞ্চায়ত এলেকাটোত থকা মুঠ অনুসূচিত জনজাতি লোকৰ সমানুপাতিক কৰিব লাগিব আৰু এই আসনবোৰ এখন পঞ্চায়তৰ অধীন বিভিন্ন সমষ্টিৰ বাবে চক্ৰাৱৰ্তিত পদ্ধতিত আৱণ্টন কৰিব লাগিব।

(২) সংৰক্ষিত আসনৰ সংখ্যা যাতে এক-তৃতীয়াংশতকৈ কম নহয় (১) যিবোৰ অনুসূচিত মহিলাৰ বাবে সংৰক্ষণ কৰা হয় বা অনুসূচিত জনজাতিৰ মহিলাৰ ক্ষেত্ৰটো একে।

(৩) প্ৰত্যেক পঞ্চায়তৰ প্ৰত্যক্ষ নিৰ্বাচন ক্ষেত্ৰত নিৰ্ধাৰিত আসনৰ সংখ্যাৰ মহিলাৰ আসনৰ সংখ্যা এক তৃতীয়াংশতকৈ (অনুসূচিত জাতি আৰু জনজাতিৰ মহিলাৰ আসনৰ সংখ্যাও অন্তৰ্ভুক্ত) কম হ'ব নালাগিব আৰু এনেদৰে পঞ্চায়তৰ বিভিন্ন সমষ্টিৰ ক্ষেত্ৰতো একেধৰণেৰে সংৰক্ষিত

হ'ব।

(৪) গাঁও নাইবা অন্য স্তৰত পঞ্চায়তৰ আসনবোৰ অনুসূচিত জাতি, জনজাতি আৰু মহিলাসকলৰ বাবে সংৰক্ষণ কৰিব লাগে। কোনো এখন ৰাজ্যৰ বিধানমণ্ডলে আইন অনুসৰি আগবঢ়োৱা সুবিধাৰ আধাৰত এই আসনবোৰ সংৰক্ষিত ৰাখিব লাগে। ইয়াৰ বাবে তলৰ নিয়মবোৰ মানি চলা হয় ঃ

যিকোনো ৰাজ্যতে সকলো স্তৰৰ পঞ্চায়ততে সভাপতিৰ আসনখন যিমান পৰা যায় পঞ্চায়তবোৰৰ মুঠ সংখ্যাৰ সমানুপাতিকভাৱে ৰাজ্যখনৰ অনুসূচিত জাতি নাইবা অনুসূচিত জনজাতিৰ মুঠ জনসংখ্যাৰ বিপৰীতে খাপ খোৱাকৈ প্ৰতিটো পঞ্চায়ত স্তৰতে অনুসূচিত জাতি নাইবা জনজাতিৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত ৰাখিব লাগিব।

পঞ্চায়তবোৰত মুঠ সভাপতি আসনৰ অতি কমেও এক-তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত থাকিব লাগিব।

এই পৰিচ্ছেদৰ অধীনত সংৰক্ষিত আসনবোৰ বিভিন্ন পঞ্চায়তৰ প্ৰতিটো স্তৰতে চক্ৰাৱৰ্তিত পদ্ধতিৰে আৱণ্টন কৰা হ'ব আৰু পঞ্চায়তৰ এই বিষয়ববীয়াসকলক সকলো ধৰণৰ সামাজিক অন্যায় তথা শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰা হ'ব।

অনুচ্ছেদ ২৪৩ T ঃ পৌৰসভাৰ অন্তৰ্গত অঞ্চলৰ আসন সংৰক্ষণ

(১) প্ৰত্যেক পৌৰসভাতে অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা থাকিব লাগে আৰু সংৰক্ষিত আসনৰ সংখ্যা পৌৰসভাৰ মুঠ আসন সেই অঞ্চলত বসবাস কৰা অনুসূচিত জাতি আৰু জনজাতিৰ ওপৰত নিৰ্ভৰ কৰি স্থিৰ কৰিব লাগে। এনেদৰে অন্য পৌৰসভাৰ ক্ষেত্ৰতো একে ধৰণৰ নীতি প্ৰযোজ্য হয়।

(২) মুঠ আসনৰ সংখ্যা এক তৃতীয়াংশকৈ বেছি আসন অনুসূচিত জাতি বা জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত হ'ব লাগে।

(৩) সৰ্বমুঠ আসনৰ এক তৃতীয়াংশকৈ বেছি আসন মহিলাৰ বাবে সংৰক্ষিত হ'ব লাগে (ইয়াত অনুসূচিত জাতি আৰু জনজাতিৰ মহিলাৰ আসনো অন্তৰ্ভুক্ত) আৰু এনে আসনসমূহ পৰ্যায়ক্ৰমে পৌৰসভাৰ অন্তৰ্গত আন আন সমষ্টিলৈ নিয়া হ'ব।

(৪) পৌৰসভাৰ সভাপতিৰ আসনো অনুসূচিত জাতি, জনজাতি মহিলাৰ বাবে আইন অনুযায়ী সংৰক্ষিত কৰি ৰখা হয়।

(৫) আসন সংৰক্ষণ ১ আৰু ২নং অংশৰ অন্তৰ্গত আৰু সভাপতিৰ আসন সংৰক্ষণ (মহিলাৰ সংৰক্ষণৰ বাহিৰে) ৪নং অংশৰ অন্তৰ্গত আৰু ই ৩৩৪নং অনুচ্ছেদে নিৰ্দেশনা কৰি দিয়া সময়ৰ ভিতৰত সমাপ্ত হ'ব লাগিব।

(৬) এই অংশৰ কোনো নীতি-নিয়মে এখন ৰাজ্যৰ বিধানমণ্ডলক কোনো পৌৰ কাৰ্যালয়ৰ আসন নাইবা পৌৰ নিগমবোৰৰ অধ্যক্ষৰ আসন পিছপৰা শ্ৰেণীৰ নাগৰিকৰ বাবে সংৰক্ষিত কৰাৰ সুবিধা সৃষ্টিত বাধা দিব নোৱাৰিব।

অনুচ্ছেদ ৩৩০ ঃ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসভাত আসন সংৰক্ষণ

(১) লোকসভাত আসনবোৰ সংৰক্ষণ কৰা হয়—

(ক) অনুসূচিত জাতিসমূহ

(খ) অনুসূচিত জনজাতিসমূহ, অসমৰ স্বায়ত্ব শাসিত জিলাৰ অনুসূচিত জনজাতিসমূহৰ বাহিৰে

(গ) স্বায়ত্ব শাসিত জিলাৰ অনুসূচিত জনজাতিসমূহ

(২) কোনো ৰাষ্ট্ৰ বা কেন্দ্ৰীয় শাসিত অঞ্চলত অনুসূচিত জাতি আৰু জনজাতিৰ আসন সংৰক্ষণ ১নং অংশৰ অন্তৰ্গত, সেই অঞ্চলত বসবাস কৰা অনুসূচিত জাতি আৰু জনজাতিৰ জনসংখ্যাৰ পৰিমাণ আৰু লোকসভাৰ আসনৰ সংখ্যাৰ অনুপাতত নির্ধাৰণ কৰা হয়।

(৩) ২নং অংশত উল্লেখ স্বত্বেও লোকসভাত অসমৰ স্বায়ত্ব শাসিত জিলাৰ অনুসূচিত জনজাতিৰ আসন সংৰক্ষণ ৰাষ্ট্ৰৰ সমগ্ৰ আসনৰ অনুপাতৰ হাৰত নির্ধাৰিত হয় আৰু এই স্বায়ত্ব শাসিত অঞ্চলৰ জনসংখ্যাৰ সৈতে দেশৰ জনসংখ্যাৰ অনুপাতৰ ভিত্তিত চোৱা হয়।

অনুচ্ছেদ ৩৩২ ঃ দেশৰ বিধানসভাত অনুসূচিত জাতি আৰু জনজাতিৰ আসন সংৰক্ষণ

(১) অসমৰ স্বায়ত্ব শাসিত জিলাৰ বাহিৰে দেশৰ বিধানসভাসমূহত অনুসূচিত জাতি আৰু জনজাতিসকলৰ বাবে আসন সংৰক্ষণ কৰা হয়।

(২) অসমতো স্বায়ত্ব শাসিত জিলাৰ বাবে বিধানসভাত আসন সংৰক্ষণ কৰা হয়।

(৩) যিকোনো ৰাজ্যৰ বিধানসভাত অনুসূচিত জাতি বা জনজাতিৰ আসন সংৰক্ষণ (১নং অংশৰ অন্তৰ্গত) সেই দেশৰ অনুসূচিত জাতি বা জনজাতিৰ জনসংখ্যাৰ অনুপাতৰ হাৰত স্থিৰ কৰা হয়।

(৩.ক) ২০০০ চনৰ পাচত হোৱা প্ৰথমটো লোকপিয়লৰ আধাৰত ধাৰা ১৭০ৰ অধীনত কৰা পুনৰ-উপযোজন কাৰ্যত বলবৎ নোহোৱা পর্যন্ত পৰিচ্ছেদ (৩)ত সন্নিৱিষ্ট নীতি-নিয়ম যিয়েই নহওক কিয়, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম আৰু নাগালেণ্ড ৰাজ্যৰ বিধানসভাৰ আসনৰ সংখ্যা অনুসূচিত জাতিৰ বাবে সংৰক্ষিত থাকিব, যদিহে এই ৰাজ্যবোৰৰ কোনো এখনত—

(ক) বর্তমানে থকা বিধানসভাৰ আসনবোৰ ১৯৮৭ চনৰ সংবিধান (৫৭ম সংশোধন) আইন বলবৎ হোৱাৰ আগৰেপৰা আছে (ইয়াৰ পাচত এই পৰিচ্ছেদত আগৰেপৰা থকা বিধানসভা বুলি উল্লেখ কৰা হ'ব) আৰু এখন আসনত বাদে আন আটাইকেইখন আসনতে অনুসূচিত জনজাতিৰ সদস্য আছে;

(খ) আন যিকোনো ক্ষেত্ৰত, বর্তমানে থকা বিধানসভাৰ মুঠ আসনৰ ভিতৰত অনুসূচিত জাতিৰ সদস্য (প্ৰদত্ত তাৰিখত থকা)ৰ সংখ্যাতকৈ কম অনুপাতৰ আসন সংখ্যা থাকে।

(৩.খ) ২০০০ চনৰ পাচত হোৱা প্ৰথমটো লোকপিয়লৰ আধাৰত ধাৰা ১৭০ৰ অধীনত কৰা পুনৰ-উপযোজন কাৰ্যত বলবৎ নোহোৱা পর্যন্ত পৰিচ্ছেদ (৩)ত সন্নিৱিষ্ট নীতি-নিয়ম যিয়েই নহওক কিয়, ত্ৰিপুৰা ৰাজ্যৰ বিধানসভাৰ সদস্যৰ সংখ্যা যিমান আছে, তাৰ ভিতৰত বিধানসভাত অনুসূচিত জাতিৰ লোকৰ বাবে সংৰক্ষিত থাকিবলগীয়া মুঠ আসনৰ অনুপাত ১৯৯২ চনৰ সংবিধান (৭২ম সংশোধন) আইন বলবৎ হোৱাৰ তাৰিখলৈকে থকা অনুসূচিত জাতিৰ সদস্যৰ সংখ্যাৰ সমানুপাতিক হ'ব লাগিব।

(৪) অসম প্ৰদেশৰ বিধানসভাত এখন স্বায়ত্ব শাসিত জিলাৰ বাবে সংৰক্ষিত থকা আসনৰ মুঠ সংখ্যা জিলাখন ৰাজ্যৰ মুঠ জনসংখ্যাৰ ভিতৰত কিমানখিনি জনসংখ্যাৰ বাসস্থান তাৰ

আনুপাতিকতকৈ কম হ'ব নোৱাৰিব।

(৫) অসমৰ যিকোনো স্বায়ত্ব শাসিত জিলাৰ বাবে সংৰক্ষিত আসনৰ সমষ্টিবোৰৰ চাৰিসীমাই সেই জিলাখনৰ বাহিৰৰ অঞ্চল সামৰি ল'ব নোৱাৰিব।

(৬) অসম প্রদেশৰ যিকোনো স্বায়ত্ব শাসিত জিলাৰ অনুসূচিত জনজাতি সম্প্রদায়ৰ সদস্য নোহোৱা কোনো ব্যক্তিৰেই সেই জিলাৰ কোনো সমষ্টিৰ পৰাই প্রদেশ বিধানসভাৰ নির্বাচনত প্রতিদ্বন্দ্বিতা কৰাৰ বাবে যোগ্য বিবেচিত নহ'ব।

১২.৫ সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ শিক্ষাৰ বাবে থকা ৰাষ্ট্রৰ সিদ্ধান্তসমূহ

১২.৫.১ কোঠাৰী আয়োগ (১৯৬৪-৬৬)

ভাৰত চৰকাৰৰ অনুমোদন ক্রমে ১৯৬৪ চনৰ ১৪ জুলাইত এই আয়োগৰ গঠন হয়। এই আয়োগখনত ভাৰত আৰু বিদেশৰ বিভিন্ন দিশৰ ১৭ জন বিখ্যাত শিক্ষাবিদক লৈ গঠন কৰা হয়, ইয়াৰে ১৪ গৰাকী সদস্য, ১ জন সম্পাদক, ১ জন সহযোগী সম্পাদক আৰু ডি.এচ. কোঠাৰী, বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতিগৰাকীক এই আয়োগৰো সভাপতি হিচাবে নিয়োগ কৰা হয়। সেইবাবে এই আয়োগখনক কোঠাৰী আয়োগ হিচাবেও জনা যায়। আয়োগৰ সদস্যসকলৰ ভিতৰত ৫ গৰাকী শিক্ষাবিদ ইংলেণ্ড, আমেৰিকা, ফ্রান্স আৰু জাপানৰ। জে.পি. নায়কক আয়োগৰ সদস্য সচিব হিচাবে নিযুক্তি দিয়া হয় আৰু জে. এফ. মেকডুগেলক সহযোগী সচিব হিচাবে নিযুক্তি দিয়া হয়। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্রধান দিশবোৰৰ ওপৰত কোঠাৰী আয়োগে পৰামর্শ আগবঢ়াইছিল। তাৰ ভিতৰত কিছুমান পৰামর্শ তলত আলোচনা কৰা হ'ল।

মহিলাৰ বাবে শিক্ষা ঃ

অহা কেইবছৰমানৰ ক্ষেত্রত মহিলাৰ শিক্ষা এক গুৰুত্বপূর্ণ দিশ হিচাবে বিবেচিত হ'ব লাগে। পুৰুষ আৰু মহিলাৰ শিক্ষাৰ মাজত থকা পার্থক্য পূৰণ কৰিবলৈ কিছুমান দৃঢ় পদক্ষেপ হাতত ল'ব লাগিব আৰু কম সময়ৰ ভিতৰত মহিলা শিক্ষাত থকা কঠিনতাসমূহ আঁতৰাবলৈ প্রতিকাৰৰ ব্যৱস্থা কৰিব লাগিব। এই উদ্দেশ্যৰে কিছুমান বিশেষ আঁচনি হাতত ল'ব লাগিব আৰু অগ্রাধিকাৰৰ ভিত্তিত অর্থ পুঁজিৰ যোগান ধৰিব লাগিব, মহিলা আৰু ছোৱালীসকলৰ শিক্ষাৰ প্রতি লক্ষ্য ৰাখিবলৈ কেন্দ্রীয় আৰু ৰাজ্যিক ভিত্তিত বিশেষ ব্যৱস্থা ৰাখিব লাগিব। মহিলা শিক্ষা পৰিকল্পনাক বাস্তৱত ৰূপায়িত কৰি তোলাৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োটা দিশৰ পৰা প্রচেষ্টা চলাব লাগিব। এইবোৰৰ উপৰিও সকলো পর্যায় আৰু সকলো শ্রেণীৰ ছোৱালীৰ শিক্ষাৰ বাবে উপযুক্তভাৱে মনোযোগ প্রদান কৰিব লাগিব। ঘৰৰ বাহিৰত

মহিলাসকলৰ ভূমিকাই এখন দেশৰ অর্থনৈতিক আৰু সামাজিক দিশত গুৰুত্বপূর্ণ প্রভাৱ বিস্তাৰ কৰে আৰু আহি থকা দিনবোৰত ইয়াৰ যথেষ্ট বিশেষত্ব থাকিব। এইটো দিশৰ পৰা, মহিলাসকলৰ নিয়োগ আৰু প্রশিক্ষণত উপযুক্ত গুৰুত্ব প্রদান কৰা উচিত হ'ব। অংশকালীন কামত নিয়োগৰ সুবিধাই মহিলাসকলক নিজৰ ঘৰ চোৱা-চিটাত সহায় কৰে আৰু বাহিৰতো কর্মৰ পৰিসৰ বৃদ্ধি কৰি তোলে। বিবাহৰ বয়স বৃদ্ধি হোৱাৰ লগে লগে মহিলা আৰু ছোৱালীসকলক সম্পূর্ণৰূপে কর্মত নিয়োগ কৰাৰ সুবিধা বৃদ্ধি পায়। পৰিয়াল পৰিকল্পনাৰ কার্যসূচী বিকাশ হোৱাৰ ফলত, যিবোৰ মহিলাৰ ল'ৰা-ছোৱালী ডাঙৰ হৈছে তেওঁলোককো নিয়োগৰ সুবিধা প্রদান কৰিব লাগে। শিক্ষকতা, নার্চ আৰু সমাজসেৱা ইত্যাদিবোৰ হৈছে সকলোৰে জ্ঞাত কিছুমান দিশ য'ত মহিলাসকলে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে। ইয়াৰ উপৰিও, অন্য নতুন কিছুমান দিশো তেওঁলোকৰ বাবে উন্মোচিত কৰিব পাৰি।

জনজাতীয় লোকৰ বাবে শিক্ষা ঃ জনজাতীয় লোকসকলৰ শিক্ষা ক্ষেত্রত বর্তমান অগ্রাধিকাৰ দিয়াৰ সময় আহি পৰিছে। প্রাথমিক পর্যায়ত শিক্ষাৰ সুবিধাসমূহ উন্নত কৰিব লাগে আৰু সিঁচৰতি হৈ থকা জনবসতিৰ এলেকাত আশ্রম, স্কুল স্থাপন কৰিব লাগে। প্রথম দুবছৰত শিক্ষাৰ মাধ্যম জনজাতি ভাষা হ'ব লাগে আৰু তাৰ পিছত আঞ্চলিক ভাষা ব্যৱহাৰ কৰিব লাগে। মাধ্যমিক স্তৰত, স্কুলৰ সুবিধা, আবাসৰ সুবিধা আৰু বৃত্তি প্রদানৰ ব্যৱস্থা কৰিব লাগে। উচ্চ শিক্ষাত বৃত্তিৰ কার্যসূচী প্রশাসন কেন্দ্রীভূত কৰি ৰাখিব নালাগে আৰু ফলপ্রসু কৰি তুলিব লাগে, মাধ্যমিক আৰু বিশ্ববিদ্যালয় স্তৰত বিশেষ শ্রেণীৰ ব্যৱস্থা কৰিব লাগে। জনজাতি লোকসকলৰ বিকাশৰ বাবে কিছুমান লোক তৈয়াৰ কৰিব লাগে, যিসকলে জনজাতিৰ লোকসকলৰ উন্নতিৰ হকে নিজকে নিয়োগ কৰে। প্রথম অৱস্থাত এনে দলবোৰত অজনজাতিৰ লোক অন্তর্ভুক্ত হ'ব লাগে আৰু পিছত জনজাতিৰ লোকসকলকো প্রস্তুত কৰি তুলিব লাগে। যিবোৰ সামাজিক সংগঠন ইয়াৰ সৈতে জড়িত হৈ থাকে তেওঁলোকক উৎসাহিত কৰি তুলিব লাগে। জনজাতিৰ অঞ্চলত কাম কৰা লোকসকলৰ ভিতৰত বিশেষ দল গঠন কৰি নিয়োজিত কৰিব লাগে। এনে কার্যৰ প্রতি আকর্ষিত কৰিবলৈ নিয়োজিত ব্যক্তিসকলক উপযুক্ত পাৰিশ্রমিক দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াত নিযুক্তিৰ ক্ষেত্রত সচৰাচৰ শিক্ষাগত যোগ্যতাৰ অর্হতা এই আঁচনিখনত পৃথককৈ ৰাখিবলগা হয়।

শিক্ষাৰ মাচুল ঃ দেশে শিক্ষাৰ দিশত এনে কিছুমান পদক্ষেপ ল'ব লাগে যাতে শিক্ষা বিনামূলীয়া হয়। এইটো দিশৰ পৰা (১) চতুর্থ পৰিকল্পনা শেষ হোৱাৰ আগতে প্রাথমিক স্তৰৰ সকলো চৰকাৰী, স্থানীয় আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত যিমান সোনকালে সম্ভৱ শিক্ষাৰ মাচুল বন্ধ কৰিব লাগে। (২) পঞ্চম পৰিকল্পনা শেষ হোৱাৰ পূর্বে নিম্ন মাধ্যমিক স্তৰৰ চৰকাৰী, স্থানীয় চৰকাৰ বা চৰকাৰী সাহায্যপ্রাপ্ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষা মাচুল বন্ধ কৰিব লাগে। যদি প্রয়োজন হয় তেন্তে ইয়াৰ বাবে এটা কার্যসূচী নির্ধাৰণ কৰিব লাগে। (৩) পৰবর্তী দহ বছৰৰ বাবে, উচ্চ মাধ্যমিক আৰু বিশ্ববিদ্যালয় শিক্ষাৰো মাচুল বেহাইৰ প্রচেষ্টা হাতত ল'ব লাগে, যিবোৰ শিক্ষার্থীৰ

বাবে ই প্রয়োজনীয় বা প্রযোজ্য হয়। প্রথম পদক্ষেপ হিচাবে, নামভর্তি কৰা শিক্ষার্থীৰ ৩০%ৰ ক্ষেত্রত ইয়াক কার্যকৰী কৰিব লাগে।

মহিলা শিক্ষকৰ বাবে সুবিধা ঃ

(১) শিক্ষাৰ সকলো স্তৰতে আৰু সকলো শাখাতে মহিলা শিক্ষক নিয়োগ কৰাৰ বাবে উৎসাহিত কৰিব লাগে। বিস্তৃত হাৰত অংশকালীন নিয়োগৰ সুবিধা তেওঁলোকক প্রদান কৰিব লাগে।

(২) গাঁও অঞ্চলত আবাসৰ উপযুক্ত সুবিধা প্রদান কৰিব লাগে।

(৩) প্রাপ্তবয়স্ক মহিলাৰ বাবে কেন্দ্রীয় সমাজসেৱা বোর্ডে আগবঢ়োৱা সংক্ষিপ্ত পাঠ্যক্রমক বিস্তৃত কৰি তুলিব লাগে।

(৪) যোগাযোগ পাঠ্যক্রমৰ জৰিয়তে শিক্ষাৰ সুবিধা বৃদ্ধি কৰি তুলিব লাগে।

(৫) যেতিয়া প্রয়োজন হয় গ্রাম্যাঞ্চলত শিক্ষকতা কৰা মহিলাসকলক বিশেষ অর্থৰ ব্যৱস্থা কৰিব লাগে।

কোঠাৰী আয়োগে বিভিন্ন দলৰ জৰিয়তে আয়োগে আগবঢ়োৱা পৰামর্শসমূহৰ নিৰীক্ষণ কৰিছিল আৰু অনুসূচিত জাতি-জনজাতি, অন্য পিছপৰা জাতি আৰু মহিলাসকলৰ শিক্ষাৰ বাবে কাম কৰিবলৈ কিছুমান কার্যকৰী দল গঠন কৰি দিছিল।

(১) অনুসূচিত জাতি-জনজাতি আৰু অন্য পিছপৰা জাতিৰ শিক্ষাৰ বাবে কার্যকৰী দলঃ এই দলত ১৫ জন সদস্য আছিৰ আৰু ভাৰতবর্ষৰ অনুসূচিত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা জাতিৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিবলৈ নিয়োগ কৰা হৈছিল। দলৰ সচিব আছিল গুৰবক্স সিং আৰু সদস্যসকল আছিল এল এম. শ্রীকান্ত, শশীমেৰেন আয়াৰ, এন. ভি. বাপট, এচ. আৰ. ভিচে, পি.দি. কুলকার্ণী, জে. লকৰা, ডি. জে. নায়ক, ভি. ৰাজলক্ষ্মী, টি চনগান্না, এচ. চি. সেনগুপ্তা, মাণিক্যলাল ভার্মা, বিমল চন্দ্রা, এন.এম. ৰাডৰা।

(২) মহিলা শিক্ষাৰ ক্ষেত্রত থকা কার্যকৰী দল ঃ এই দলত আয়োগৰ সভাপতি ডি.এচ. কোঠাৰী, আয়ুক্ত সচিব জে.পি. নায়ক আছিল আৰু সদস্যসকল আছিল দুর্গাবাই দেশমুখ, ৰজাম্মল দেবদাস, পি.এন. মাথুৰ, এচ. পানাদিকাৰ, কে.জি. চেয়ইদিন, ৰক্ষাচৰণ, প্রমিলা ভি. থাকৰচি আৰু এচ. ৰাজন (সচিব)।

১২.৫.২ ৰাষ্ট্রীয় শিক্ষাৰ নীতি (১৯৮৬ আৰু ১৯৯২)

১৯৬৮ চনত, যেতিয়া আমাৰ দেশৰ শৈক্ষিক পৰিবেশ সলনি কৰিবলৈ শিক্ষাৰ ৰাষ্ট্রীয় নীতি গঠন কৰা হৈছিল তাত এইটো কথা উল্লেখ কৰা হৈছিল যে প্রত্যেক পাঁচ বছৰৰ মূৰত ইয়াক পুনৰীক্ষণ কৰা হ'ব আৰু নতুন নীতি আৰু কার্যসূচী নির্ধাৰণ কৰা হ'ব। এই উক্তি অনুসৰি, প্রত্যেক পঞ্চবার্ষিক পৰিকল্পনাৰ আৰম্ভণিৰ সময়ত শিক্ষাৰ অগ্রগতি আৰু অসুবিধাসমূহ নিৰীক্ষণ কৰা হয় আৰু তাৰ পিছত পৰবর্তী পাঁচ বছৰৰ বাবে শিক্ষাৰ পৰিকল্পনা বা কার্যসূচী নির্ধাৰণ কৰা হয়। এনেধৰণৰ নীতি আৰু

কার্যসূচীসমূহৰ যোগেদি প্রত্যেক দেশে নিজৰ শিক্ষাব্যৱস্থাৰ বিকাশ ঘটাই, নিজক সামাজিক-সাংস্কৃতিক ক্ষেত্রৰ উন্নতি কৰে আৰু সময়ৰ প্রত্যাহ্বানসমূহৰ সমুখীন হয়। ১৯৮৫ চনৰ ৰাষ্ট্রীয় শিক্ষানীতি এনে পুনৰীক্ষণৰ ফলস্বৰূপ, যেতিয়া ৰাজীৱ গান্ধী আমাৰ দেশৰ প্রধানমন্ত্রী আছিল। আকৌ, ১৯৯০ চনৰ মে মাহত আচার্য ৰামমূর্তিৰ সভাপতিত্বত এখন কমিটি গঠন কৰা হৈছিল ৰাষ্ট্রীয় শিক্ষা নীতিক পুনৰীক্ষণ কৰাৰ বাবে আৰু ইয়াৰ সংশোধন কৰি পৰামর্শ আগবঢ়াবৰ উদ্দেশ্যে। ১৯৯১ চনৰ জুলাই মাহত অন্ধ্রপ্রদেশৰ মুখ্যমন্ত্রী জনার্দন ৰেড্ডিৰ সভাপতিত্বত কেন্দ্রীয় শিক্ষাৰ উপদেষ্টা বোর্ড নামে কমিটি গঠন হৈছিল। এই কমিটিখনে ৰামমূর্তি কমিটিয়ে নতুন ৰাষ্ট্রীয় শিক্ষানীতিৰ ক্ষেত্রত আগবঢ়োৱা সংশোধনী আৰু অন্য বিকাশৰ দিশবোৰ নীতিত সন্নিৱিষ্ট কৰিছিল। এই কমিটিয়ে ১৯৯২ চনৰ জানুৱাৰী মাহত প্রতিবেদন দাখিল কৰিছিল, যাক ১৯৯২ চনৰ জাতীয় কর্মৰ আঁচনি স্বৰূপে জনা যায়। এই নীতিৰ লক্ষ্য আছিল জাতীয় উন্নতি, সাধাৰণ নাগৰিকত্ববোধ আৰু সংস্কৃতিৰ অনুভৱ আৰু জাতীয় ঐক্য শক্তিশালী কৰা। এই নীতিয়ে শিক্ষাব্যৱস্থাৰ পুনসংগঠন, প্রত্যেক স্তৰৰ গুণমান বৃদ্ধি আৰু এনেদৰে বিজ্ঞান আৰু প্রযুক্তিত গুৰুত্ব প্রদান, মূল্যবোধত গুৰুত্ব আৰু শিক্ষা আৰু জনসাধাৰণৰ জীৱনৰ মাজৰ নিবিড় সম্পর্ক ৰাখিব বিচাৰিছিল।

১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষানীতি আৰু ১৯৯২ চনৰ কর্মৰ আঁচনিৰ প্রধান উদ্দেশ্য আছিল এক জাতীয় শিক্ষাব্যৱস্থা স্থাপন কৰা, য'ত জাতি, ধর্ম, লিংগ, বর্ণ নির্বিশেষে সকলো শিক্ষার্থীয়ে এক গুণমানসম্পন্ন শিক্ষাৰ সুবিধা পাব পাৰে। প্রকৃততে, এই নীতিৰ উদ্দেশ্যসমূহক তলত উল্লেখ কৰা দিশবোৰত ভাগ কৰিব পাৰি—

১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষানীতি আৰু ১৯৯২ চনৰ কর্মৰ আঁচনি মতে শিক্ষাই সামাজিক আৰু আঞ্চলিক ভাৰসাম্যহীনতা সঠিক কৰাৰ ক্ষেত্রত, মহিলা সৱলীকৰণত আৰু প্রত্যাশিত তথা সংখ্যালঘুসকলক উপযুক্ত স্থানত ৰখাৰ ক্ষেত্রত ইতিবাচক আৰু মধ্যস্থতাকাৰীৰ ভূমিকা গ্রহণ কৰিব লাগে। চৰকাৰে কিছুমান দিশত শক্তিশালী সিদ্ধান্ত গ্রহণ কৰিব লাগে— সকলোৰে বাবে শিক্ষা, অগ্রাধিকাৰ ভিত্তিত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা, বিশেষভাৱে সক্ষম শিশুসকলক অন্তর্ভুক্তি, নিৰক্ষৰতা দূৰীকৰণ, মহিলাৰ সমতাৰ বাবে শিক্ষা আৰু অনুসূচিত জাতি-জনজাতি আৰু সংখ্যালঘুসকলৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব প্রদান।

ৰাষ্ট্রীয় শিক্ষানীতিৰ পৰামর্শসমূহ আৰু মহিলাৰ শিক্ষা, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ শিক্ষাৰ ক্ষেত্রত কর্মৰ আঁচনিৰ পৰামর্শসমূহ ঃ

এই নীতিৰ পৰামর্শসমূহক ২৪টা অধ্যায়ত ভাগ কৰা হৈছে। দ্বাদশ আৰু ত্রয়োদশ অধ্যায়ত মহিলাৰ শিক্ষা, অনুসূচিত জাতি আৰু জনজাতিসকলৰ শিক্ষাৰ পৰামর্শসমূহক অন্তর্ভুক্ত কৰা হৈছে। এই পৰামর্শৱলীসমূহক তলত আলোচনা কৰা হ'ল।

দ্বাদশ অধ্যায় ঃ মহিলাৰ শিক্ষা ঃ ৰাষ্ট্রীয় শিক্ষানীতি আৰু কর্মৰ আঁচনিয়ে কিছুমান দিশৰ

সমস্যাৰ ওপৰত গুৰুত্ব প্রদান কৰে যেনে- প্রাথমিক শিক্ষা সার্বজনীনকৰণ, ছোৱালী শিশুৰ শিক্ষাৰ সমস্যা আৰু শিক্ষাৰ সকলো স্তৰতে ছোৱালীসকলৰ বর্দ্ধিত অংশগ্রহণ, বিশেষকৈ কিছুমান শাখাত যেনে বিজ্ঞান, বৃত্তীয়, প্রযুক্তি আৰু বাণিজ্য শিক্ষাত। মহিলা শিক্ষাৰ সমতাৰ উন্নতিৰ বাবে শিক্ষাব্যৱস্থাৰ পুনঃৰীক্ষণৰ ওপৰতো কর্মৰ আঁচনিয়ে জোৰ দিয়ে। সকলো ৰাষ্ট্রীয় কার্যসূচীত লিংগ সংবেদনশীলতা প্রতিফলিত হ'বলৈ যান্ত্রিক অনুষ্ঠানৰ ওপৰত গুৰুত্ব দিয়ে। মহিলা সবলীকৰণৰ ক্ষেত্রত ৰাষ্ট্রীয় শিক্ষাব্যৱস্থাই এক ইতিবাচক ভূমিকা গ্রহণ কৰিব লাগে আৰু মহিলা অধ্যয়নৰ বিভিন্ন পাঠ্যক্রমৰ পাঠ্যপুথিবোৰ পুনঃ সজাই তুলি নতুন মূল্যবোধ গঢ়াত অৰিহনা যোগাব লাগে। ৰাষ্ট্রীয় শিক্ষানীতি আৰু কর্মৰ আঁচনি মতে মহিলা শিক্ষাৰ উন্নতিৰ ক্ষেত্রত আগবঢ়োৱা কৌশলবোৰ হৈছে— (১) সমগ্র শিক্ষাব্যৱস্থাৰ উন্নতিৰ বাবে ইতিবাচক পৰিকল্পনা গ্রহণ কৰি মহিলা সবলীকৰণ কৰা। (২) বিভিন্ন পাঠ্যক্রমত মহিলা অধ্যয়নক অংশ হিচাবে লোৱা আৰু মহিলাসকলৰ বিকাশৰ বাবে সক্রিয় শৈক্ষিক পদক্ষেপ লোৱাত অনুষ্ঠানবোৰক উৎসাহিত কৰি তোলা। (৩) ভৱিষ্যতৰ নির্দ্ধাৰিত দিশত উপনীত হ'বলৈ গতিশীল পৰিচালনাৰ সৃষ্টি কৰা।

ত্রয়োদশ অধ্যায় ঃ অনুসূচিত জাতি আৰু জনজাতিৰ শিক্ষা

ৰাষ্ট্রীয় শিক্ষানীতি আৰু কর্মৰ আঁচনিৰ মতে, অনুসূচিত জাতি-জনজাতি আৰু পিছপৰা লোকৰ বসতি অঞ্চলত প্রাথমিক বিদ্যালয় স্থাপনৰ ক্ষেত্রত অগ্রাধিকাৰ দিব লাগে। এইবোৰৰ উপৰিও, ৬ বছৰৰ পৰা ১১ বছৰ বয়সৰ প্রত্যেকজন অনুসূচিত জাতি-জনজাতিৰ শিশুসকলে যাতে প্রাথমিক বিদ্যালয়ত নামভর্তি কৰে আৰু সফলতাৰে প্রাথমিক পর্যায়ৰ শিক্ষা সমাপ্ত কৰে বা অগতানুগতিক পদ্ধতিৰে প্রাথমিক শিক্ষাৰ দৰে সমপর্যায়ৰ শিক্ষা সমাপ্ত কৰে ১৯৯০ চনৰ ভিতৰত— তাৰ ওপৰত এই নীতিয়ে গুৰুত্ব প্রদান কৰে। ৰাষ্ট্রীয় শিক্ষানীতি আৰু কর্মৰ আঁচনি অনুসৰি অতি কমেও ৭৫% ১১-১৪ বছৰ বয়সৰ শিশুৱে প্রাথমিক পর্যায়ত নামভর্তি কৰে আৰু সফলতাৰে অষ্টম শ্রেণী সম্পূর্ণ কৰে। অনুসূচিত জাতি-জনজাতিৰ ক্ষেত্রত এই নীতিয়ে আগবঢ়োৱা কিছুমান পৰামর্শৰলী—

(১) অনুসূচিত জনজাতিৰ সামাজিক-সাংস্কৃতিক পৰিবেশৰ এক নির্দ্ধাৰিত বৈশিষ্ট্য আছে, কিছুমান ক্ষেত্রত এইবোৰ কথিত ভাষাত হয়। সেইবাবে প্রাৰম্ভিক স্তৰত পাঠ্যক্রম আৰু নির্দেশনাত্মক সামগ্রীসমূহ জনজাতীয় ভাষাত বিকাশ কৰাৰ প্রয়োজনীয়তা আহে য'ত আঞ্চলিক ভাষাৰ ব্যৱহাৰ বন্ধ কৰিবলগা হয়।

(২) শিক্ষিত আৰু সম্ভাৱনাপূর্ণ জনজাতিয় যুৱকসকলৰ জনজাতীয় অঞ্চলত শিক্ষা দিয়াৰ বাবে প্রশিক্ষণ দিব লাগে আৰু উৎসাহিত কৰিব লাগে।

(৩) ব্যাপক হাৰত আশ্রম স্কুল তথা আবাসিক স্কুল স্থাপন কৰিব লাগে।

(৪) অনুসূচিত জনজাতিসকলৰ বিশেষ প্রয়োজন আৰু জীৱনশৈলী চাই উৎসাহজনক আঁচনি গ্রহণ কৰিব লাগে। উচ্চ শিক্ষাৰ প্রযুক্তিবিজ্ঞান, বৃত্তিগত আৰু আংশিক বৃত্তিগত পাঠ্যক্রমৰ ক্ষেত্রত বৃত্তি প্রদানৰ ব্যৱস্থা থাকিব লাগে। মনো-সামাজিক অন্তৰায়সমূহ আঁতৰাবলৈ বিশেষ প্রতিকাৰমূলক পাঠ্যক্রম আৰু অন্য কার্যসূচীসমূহৰ ক্ষেত্রত উৎসাহিত কৰিব লাগে যাতে ইয়াৰ দ্বাৰা বিভিন্ন পাঠ্যক্রমত তেওঁলোকৰ পাৰদর্শিতা বৃদ্ধি হয়।

(৫) অনুসূচিত জনজাতি অধ্যুসিত এলেকাত অগ্রাধিকাৰৰ ভিত্তিত অংগনবাদী, অগতানুগতিক আৰু প্রাপ্তবয়স্ক শিক্ষাৰ কেন্দ্র স্থাপন কৰিব লাগে।

(৬) শিক্ষাৰ সকলো স্তৰৰে পাঠ্যক্রমত সাংস্কৃতিক সচেতনতা সৃষ্টি আৰু সৃজনশীলতা অনাৰ দিশবোৰ অন্তর্ভুক্ত কৰিব লাগে।

(৭) অনুসূচিত জাতিৰ শিশুসকল, যিসকলৰ অভিভাৱকসকলে চাফাই কর্মী, কচাই, মুচী ইত্যাদি বৃত্তি অৱলম্বন কৰে তেনে শিশুসকলক প্রথম শ্রেণীৰ পৰাই প্রাক্ হাইস্কুল শেহান্ত বৃত্তি প্রদানৰ ব্যৱস্থা কৰিব লাগে। এনে পৰিয়ালসমূহৰ আয়ৰ পৰিমাণ নেচাই এনে বৃত্তিৰ আঁচনিত অন্তর্ভুক্ত কৰিব লাগে আৰু তেওঁলোকৰ সময়সীমা নির্দ্ধাৰিত কৰি দিব লাগে।

(৮) অনুসূচিত জাতিৰ শিক্ষার্থীসকলৰ নামভর্তিকৰণ, শিক্ষা বাহাল ৰখা আৰু সফলতাৰে শিক্ষা সমাপ্তিকৰণ ইত্যাদিসমূহক সূক্ষ্ম দৃষ্টিৰে পর্যবেক্ষণ কৰিব লাগে আৰু অবিৰত বাবে তেওঁলোকৰ ক্ষেত্রত সূক্ষ্ম পৰিকল্পনা কৰিব লাগে। এনে শিক্ষার্থীসকলৰ শিক্ষা আৰু ভৱিষ্যতৰ নিয়োগ সুনিশ্চিত কৰিবলৈ প্রতিকাৰমূলক ব্যৱস্থা হাতত ল'ব লাগে।

(৯) অনুসূচিত জাতিৰ পৰা শিক্ষক নিয়োগ কৰিব লাগে।

(১০) অনুসূচিত জনজাতি লোকৰ মাজৰ পৰা শিক্ষক নিয়োগ কৰিব লাগে।

(১১) জিলাৰ সদৰ ঠাইত পর্যায়ক্রম কার্যসূচী অনুসৰি অনুসূচিত জাতিৰ শিক্ষার্থীৰ আবাস স্থাপন কৰিব লাগে।

(১২) স্কুলঘৰ, বালবাড়ী আৰু প্রাপ্তবয়স্ক শিক্ষাৰ কেন্দ্রসমূহ এনে ঠাইত স্থাপন কৰিব লাগে অনুসূচিত জাতিৰ লোকসকলে অংশগ্রহণৰ সুবিধা পায়।

(১৩) অনুসূচিত জাতিৰ শিক্ষাৰ ক্ষেত্রত জৰাহৰ ৰোজগাৰ যোজনাৰ সুবিধাসমূহ ব্যৱহাৰ কৰিব লাগে।

১২.৫.৩ শিক্ষাৰ অধিকাৰ আইন (২০০৯)

এই বিলখনৰ খচৰা ২০০৫ চনত কৰা হৈছিল আৰু এইখনে ৰাষ্ট্রপতিৰ স্বাক্ষৰ পোৱাৰ পিছত ২০০৯ চনৰ চেপ্তেম্বৰ মাহত শিশুৰ অধিকাৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আইন হিচাবে স্বীকৃতি লাভ কৰে। শিক্ষাৰ অধিকাৰ আইনৰ প্রধান বৈশিষ্ট্যসমূহ হৈছে—

- ভাৰতৰ ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ ভিতৰৰ সকলো শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা পাব।
- প্রাথমিক শিক্ষা সমাপ্ত নোহোৱালৈকে কোনো শিশুকে শিক্ষা বন্ধ, উলিয়াই দিয়া বা পৰীক্ষাত উত্তীর্ণৰ ক্ষেত্রত বাধা নাথাকিব।
- প্রাথমিক শিক্ষা সমাপ্তিৰ পিছত (অষ্টম শ্রেণীলৈকে) এখন মানপত্র পাব।
- শিক্ষক-শিক্ষার্থীৰ অনুপাত সঠিক হ'ব লাগিব।
- জম্মু আৰু কাশ্মিৰৰ বাহিৰে ভাৰতৰ সকলো ঠাইতে প্রযোজ্য হ'ব।
- সকলো ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত নামভর্তিকৰণৰ ক্ষেত্রত অর্থনৈতিকভাৱে

পিছপৰা শ্রেণীৰ শিক্ষার্থীৰ বাবে ২৫% আসন সংৰক্ষিত হ'ব লাগে।

- শিক্ষাৰ গুণগত মান উন্নত হোৱাটো বাধ্যতামূলক হ'ব লাগে।
- স্কুলৰ শিক্ষকসকলে পাঁচ বছৰৰ ভিতৰত বৃত্তিগত অর্হতা অর্জন কৰিব লাগিব অন্যথা চাকৰি হেৰুৱাব।
- তিনি বছৰৰ ভিতৰত বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নতি নহ'লে স্বীকৃতি বাতিল কৰা হ'ব।
- ৰাজ্যিক আৰু কেন্দ্রীয় চৰকাৰে আর্থিক বোজা বহন কৰিব।
- কোনো শিশুকে শাৰীৰিক আৰু মানসিক শাস্তি প্রদান কৰিব নোৱাৰিব।
- নাম ভর্তিৰ বাবে শিশুৰ সাক্ষাৎকাৰ লোৱাটো জৰিমনাসহ দণ্ডণীয়
- স্কুলৰ পৰিচালনা কমিটিত স্থানীয় প্রশাসনৰ নির্বাচিত প্রতিনিধি, শিশুৰ পিতৃ-মাতৃ বা অভিভাৱক থাকিব।
- অ-শৈক্ষিক কামত কোনো শিক্ষককে নিয়োগ কৰিব নোৱাৰিব।
- ব্যক্তিগত টিউচ্যনত কোনো শিক্ষক নিয়োজিত হ'ব নোৱাৰিব।

ভাৰতবর্ষৰ শিক্ষাব্যৱস্থাৰ উন্নতিকৰণৰ ক্ষেত্রত শিক্ষাৰ অধিকাৰ আইন (২০০৯) হৈছে এক যুগান্তকাৰী চৰকাৰী প্রচেষ্টা। এই আইনৰ অধীনত, ভাৰতৰ ভৌগোলিক সীমাৰ ভিতৰত বসবাস কৰা সকলো শিশুৱে প্রাথমিক শিক্ষা সম্পূর্ণ কৰাটো বাধ্যতামূলক। শিক্ষা হৈছে প্রত্যেক ভাৰতীয়ৰ অধিকাৰ। প্রাথমিক শিক্ষা সার্বজনীন কৰাৰ বাবে পঞ্চায়ত অনুষ্ঠানসমূহক অন্তর্ভুক্ত কৰাটো প্রয়োজন হ'ব। যেতিয়া পঞ্চায়তৰ অনুষ্ঠানসমূহে গ্রাম্য অঞ্চলত শিক্ষা, স্বাস্থ্য আৰু শিশু সৰবৰাহ, শিশুৰ অধিকাৰ, সুৰক্ষা ক্ষেত্রত জড়িত হয় তেতিয়া তেনে অঞ্চলৰ পৰিবর্তন ঘটে। গ্রাম্য অঞ্চলত শিক্ষাৰ অধিকাৰ আইনে প্রাথমিক শিক্ষা সার্বজনীন কৰি শিক্ষাক মৌলিক অধিকাৰ হিচাবে প্রতিষ্ঠা কৰাৰ বাবে পঞ্চায়তৰ অনুষ্ঠানসমূহক যথেষ্ট সুবিধা প্রদান কৰিছে। যদি পঞ্চায়তৰ সদস্যসকলে তেওঁলোকৰ এলেকাৰ প্রাথমিক শিক্ষাৰ নামভর্তিকৰণ প্রক্রিয়া নিৰীক্ষণ কৰে, তেতিয়া নিশ্চয় সফলতা আহিব।

১২.৫.৪ সর্বশিক্ষা অভিযান (২০০১)

২০০০-২০০১ চনৰ পৰা সর্বশিক্ষা অভিযানে প্রাথমিক শিক্ষা প্রদান, নামভর্তিকৰণ, লিংগ বৈষম্য আৰু সমাজৰ উচ্চ-নীচ ভাৱ দূৰীকৰণ, শিক্ষণৰ গুণগত মানদণ্ডৰ উন্নতিৰ হৈ প্রচেষ্টা চলাই আহিছে। সর্বশিক্ষাই অন্তর্ভুক্ত কৰা দিশবোৰ হৈছে নতুন বিদ্যালয় খোলা, বিকল্প বিদ্যালয়ৰ সুবিধা, স্কুল সজা আৰু অতিৰিক্ত শ্রেণীকোঠা সজা, খোৱা পানী আৰু শৌচাগাৰ ব্যৱস্থা, শিক্ষকসকলৰ বাবে প্রশিক্ষণ ব্যৱস্থা আৰু বিদ্যায়তনিক সম্পদ ব্যৱস্থা, বিনামূলীয়া পাঠ্যপুথি আৰু স্কুল পোচাকৰ ব্যৱস্থা আৰু শিক্ষাৰ ফলাফল উন্নতিকৰণ। শিক্ষাৰ অধিকাৰ আইনৰ সময় গৈ থাকোতে, সর্বশিক্ষাৰ অভিগমন, কৌশল আৰু মানদণ্ডৰ পৰিবর্তন হ'ব লাগে। এনে পৰিবর্তনে প্রাথমিক

শিক্ষাৰ লক্ষ্য আৰু অভিগমন সামৰি ল'ব, যিবোৰ তলৰ নীতিবোৰে নিৰ্দেশনা দিব—

- ২০০৫ চনৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আঁচনিত ব্যাখ্যা কৰা শিক্ষাৰ অধ্যাত্মিকতা, শিক্ষাৰ সমগ্ৰ প্ৰক্ৰিয়া আৰু পাঠ্যসূচী আৰু পাঠ্যক্ৰমৰ বিশেষত্ব, শিক্ষক শিক্ষা, শৈক্ষিক পৰিকল্পনা আৰু পৰিচালনা।
- ন্যায়ে কেৱল সমান সুবিধা নুবুজায়, ইয়াৰ দ্বাৰা সমাজৰ অপ্রত্যাশিত শ্রেণী- অনুসূচিত জাতি-জনজাতিৰ শিশু, মুছলমান সংখ্যালঘু, ভূমিহীন কৃষিকৰ্মী আৰু বিশেষভাৱে সক্ষম শিশুসকল ইত্যাদিবোৰেও সুবিধা গ্ৰহণ কৰিব পাৰিব লাগিব।
- প্ৰৱেশৰ অধিকাৰে কেৱল স্কুলত শিশুৰ প্ৰৱেশৰ অধিকাৰতে সীমাবদ্ধ নহৈ, শৈক্ষিক প্ৰয়োজনৰ বুজাপৰা আৰু সাধাৰণতে কিছুমান শ্রেণী যেনে অনুসূচিত জাতি-জনজাতি, অন্য অপ্রত্যাশিত দল, মুছলমান সংখ্যালঘু, ছোৱালী আৰু বিশেষভাৱে সক্ষম শিশুৰ প্ৰয়োজনীয়তাও সামৰি ল'ব লাগে।
- লিংগৰ ক্ষেত্ৰত, ছোৱালীসকলে ল'ৰাৰ সমানে সুযোগ পোৱাৰ উপৰিও ১৯৮৬/৯২ চনৰ ৰাষ্ট্ৰীয় শিক্ষাৰ নীতিৰ পৰিপ্ৰেক্ষিতত অন্য সুযোগবোৰো পাব লাগে। ইয়াৰ ফলত মহিলাৰ সামাজিক মৰ্যদাত এই মৌলিক পৰিবৰ্তনৰ সূচনা হ'ব।
- শ্রেণীকোঠাৰ বাহিৰ আৰু ভিতৰত শিক্ষকৰ কেন্দ্ৰীভূতকৰণে শিশুৰ বাবে অন্তৰ্ভুক্তিকৰণ পৰিবেশৰ সৃষ্টি কৰিব, বিশেষকৈ নিস্পেষিত আৰু দৰিদ্ৰ ছোৱালীসকলৰ ক্ষেত্ৰত।
- শিক্ষাৰ অধিকাৰ আইনৰ জৰিয়তে শাস্তিমূলক ব্যৱস্থাৰ পৰিৱৰ্তে নৈতিক বাধ্যকতা পিতৃ-মাতৃ, শিক্ষক, শৈক্ষিক প্ৰশাসন আৰু অন্য সংশ্লিষ্ট বিষয়াৰ ওপৰত ধাৰ্য কৰা হ'ব।
- শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ বাবে সকলো ৰাজ্যই যিমান সোনকালে পাৰে তাক গ্ৰহণ কৰিব লাগে।
- সৰ্বশিক্ষাৰ সৈতে থকা কিছুমান বিশেষ কাৰ্যসূচী হৈছে প্ৰাথমিক স্তৰত ছোৱালীৰ শিক্ষাৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী (NPEGEL) আৰু কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, এইবোৰে পিছপৰা অঞ্চলৰ ছোৱালীৰ শিক্ষাৰ ওপৰত বিশেষভাৱে কাম কৰে।

১২.৫.৫ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (২০০৯)

মাধ্যমিক শিক্ষা সাৰ্বজনীন কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে ২০০৯ চনত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ আৰম্ভ কৰে যিয়ে ভাৰতৰ বিকাশ আৰু বৃদ্ধিত সহায় আগবঢ়াব পাৰে। RMSAৰ লক্ষ্য হৈছে মাধ্যমিক স্তৰত ৯০% নামভৰ্তিকৰণ বৃদ্ধি, মাধ্যমিক স্তৰত ৭৫% বৃদ্ধি, এটা নিৰ্দিষ্ট দূৰত্বত প্ৰত্যেক ঘৰকেই মাধ্যমিক স্কুল ঢুকি পোৱাৰ ব্যৱস্থা কৰা। তাৰোপৰি ইয়াৰ লক্ষ্য হৈছে মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ গুণমান বৃদ্ধি কৰা, ২০১৭ চনৰ ভিতৰত প্ৰত্যেক মাধ্যমিক স্কুলৰ নিৰ্দ্ধাৰিত মানদণ্ড থাকিব লাগিব, লিংগবৈষম্য দূৰীকৰণ, আৰ্থ-সামাজিক আৰু অসমৰ্থ প্ৰতিবন্ধকতা দূৰ আৰু মাধ্যমিক স্তৰত সাৰ্বজনীনতাৰ সুবিধা প্ৰদান। RMSAৰ প্ৰধান দিশ হৈছে ছোৱালীৰ বাবে শিক্ষা, অনুসূচিত জাতি আৰু জনজাতিৰ শিক্ষা। এই আঁচনিৰ অধীনত সকলোকে মূল সুঁতিলৈ অনাৰ প্ৰচেষ্টা কৰা হয়। ৰাজ্যিক চৰকাৰে গাঁও, নগৰ, বস্তি,

বসবাস কৰা অঞ্চল, বিশেষভাৱে অনুসূচিত জাতি-জনজাতিৰ আৰু শৈক্ষিকভাৱে পিছপৰা সংখ্যালঘু ক্ষেত্রত সাম্প্রদায়িক গতিশীলতাৰ দায়িত্ব ল'ব লাগে। ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযানৰ লক্ষ্য ১৪-১৮ বছৰ বয়সৰ সকলো যুৱচামে যাতে মাধ্যমিক শিক্ষা ঢুকি পায়, উন্নত গুণমান মাধ্যমিক শিক্ষা প্রদান আৰু সকলোৰে বাবে যাতে এই শিক্ষা সহজলভ্য হয় এইবোৰেই হৈছে RMSAৰ মূল দিশ। এই মূলমন্ত্র আগত লৈ তলত উল্লেখ কৰা দিশবোৰত উপনীত হ'ব লাগিব।

- জনবসতিৰ এক নির্দিষ্ট দূৰত্বত মাধ্যমিক শিক্ষা সহজলভ্য কৰিব লাগিব— ৫ কিঃমিঃত মাধ্যমিক বিদ্যালয় আৰু ৭-১০ কিঃমিঃ ভিতৰত উচ্চতৰ মাধ্যমিক বিদ্যালয় হ'ব লাগিব।
- ২০১৭ চনৰ ভিতৰত মাধ্যমিক শিক্ষা সার্বজনীন হ'ব লাগিব (নামভর্তিৰ অনুপাত ১০০%) আৰু ২০২০ চনত সার্বজনীন সমাপ্তিকৰণ হ'ব লাগিব।
- মাধ্যমিক শিক্ষা সকলোৰে পাব লাগিব বিশেষকৈ সমাজৰ অর্থনৈতিকভাৱে দুর্বল শ্রেণীৰ লোকসকলে, শৈক্ষিকভাৱে পিছপৰা শ্রেণীয়ে, গ্রাম্য অঞ্চলত বাস কৰা ছোৱালী আৰু অসমর্থ শিশুসকল আৰু অন্যান্য শ্রেণী যেনে অনুসূচিত জাতি-জনজাতি, অন্য পিছপৰা জাতি আৰু শৈক্ষিকভাৱে পিছপৰা সংখ্যালঘুসকল।

ছোৱালী শিক্ষাৰ সুবিধাসমূহ ঃ

ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা আঁচনিত থকা ছোৱালী শিক্ষাৰ সুবিধাসমূহ এনেধৰণৰ—

- ৰাষ্ট্রীয় পর্যায়ত, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত ছোৱালীৰ অংশগ্রহণক উৎসাহিত কৰিবলৈ "ছোৱালী মাধ্যমিক শিক্ষাৰ প্রেৰণামূলক ৰাষ্ট্রীয় আঁচনি" ২০০৮ চনৰ জুন মাহত ঘোষণা কৰা হয়। এই আঁচনি অনুসৰি ৩,০০০ টকা যোগ্যতা থকা ছোৱালীৰ নামত জমা কৰি দিয়া হয় আৰু ১৮ বছৰ বয়স সম্পূর্ণ কৰাৰ পিছত সেই ধনৰাশি উলিয়াব পাৰে। এই আঁচনিয়ে সামৰি লোৱা দিশবোৰ হৈছে—

  (১) যোগ্যতাসম্পন্ন সকলো অনুসূচিত জাতি আৰু জনজাতিৰ ছোৱালী যিসকলে অষ্টম শ্রেণী উত্তীর্ণ হয় আৰু (২) কস্তুৰবা গান্ধী বিদ্যালয়ৰ পৰা অষ্টম শ্রেণী উত্তীর্ণ হোৱা সকলো (অনুসূচিত জাতি-জনজাতি যি জাতিয়েই হওঁক) আৰু বিদ্যায়তনিক বর্ষ ২০০৮-০৯ নৱম শ্রেণীত নামভর্তি কৰা চৰকাৰী, চৰকাৰী সাহায্যপ্রাপ্ত আৰু স্থানীয় পৰিচালিত বিদ্যালয়ৰ ছোৱালীসকল।
- খোজকঢ়াৰ দূৰত্ব হ্রাস কৰিবলৈ ৰাজ্যিক চৰকাৰে যোগাযোগৰ সুবিধা আগবঢ়াব লাগে। এনেবোৰ সুবিধা তলত দিয়া ধৰণে কৰিব পাৰি—

  (১) গ্রাম্য অঞ্চলত নৱম শ্রেণীত নামভর্তি কৰা ছোৱালীজনীক চাইকেল, চকা লগোৱা চকী (বিশেষ ভাবে সক্ষম শিক্ষার্থীৰ বাবে) প্রদান কৰিব লাগে। পৰবর্তী শ্রেণীতো তাই এইবোৰ ব্যৱহাৰ কৰিব পাৰিব। ঝাৰখণ্ডৰ চৰকাৰে ইতিমধ্যে ছোৱালীসকলক এই সুবিধা প্রদান কৰিছে।

  (২) গ্রাম্য অঞ্চলত মাধ্যমিক স্কুললৈ যাবলৈ ছোৱালীবোৰক ৰাজ্যিক পৰিবহন বা

বাচ সেৱা সুবিধা প্রদান কৰিব লাগে।

(৩) স্কুললৈ যোৱাৰ পথত ছোৱালীসকল যাতে সুৰক্ষিত হয় তাক চাব লাগে।

- প্রত্যেক শৈক্ষিক খণ্ডবোৰত মূখ্যকার্যালয় এলেকাত অৱস্থিত মাধ্যমিক বিদ্যালয়ৰ প্রাংগণত চৰকাৰী অনুদানৰ দ্বাৰা মহিলা শিক্ষকৰ বাবে ৭০০ বর্গফুটৰ চাৰিটা আবাসগৃহ নির্মাণ কৰাৰ প্রয়োজনীয়তা RMSA য়ে চিনাক্ত কৰে।
- দশম পৰিকল্পনাত মাধ্যমিক স্কুল আৰু উচ্চতৰ মাধ্যমিক স্কুলত ছোৱালী শিক্ষার্থীৰ বাবে থকা খোৱা আৰু আবাসিক সুবিধা শক্তিশালীকৰণৰ আঁচনি নামে এটা কার্যসূচী হাতত লোৱা হয়, য'ত বছৰত ছোৱালী আবাসীৰ বাবে ১৮,০০০ টকা আৰু নির্দিষ্ট সময়ত ৩,০০০ টকা প্রতিগৰাকী ছোৱালীৰ নামত ধার্য কৰা হয়। কিছুমান বেচৰকাৰী সংগঠনেও মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত গ্রাম্যঞ্চল, পাহাৰীয়া অঞ্চল, অকলশৰীয়া অঞ্চলৰ অনুসূচিত জাতি-জনজাতি আৰু শৈক্ষিকভাৱে পিছপৰা সংখ্যালঘুসকলৰ ছোৱালীৰ শিক্ষাৰ বাবে সুবিধা আগবঢ়ায়।

  এই আঁচনিৰ প্রধান উদ্দেশ্য হৈছে যে ছোৱালীসকলে যাতে মাধ্যমিক শিক্ষা গ্রহণ কৰে আৰু লগতে এইটো চাই যে কিছুমান কাৰণত যেনে দূৰত্বৰ বাবে অভিভাৱকে নপঠোৱা, খৰচ দিব নোৱাৰা অন্য কিছুমান কাৰণত ছোৱালীসকল যাতে শিক্ষাৰ পৰা বঞ্চিত নহয়। ১৪-১৮ বছৰৰ ছোৱালী শিক্ষার্থী যিবোৰে নৱমৰ পৰা দ্বাদশ শ্রেণীত পঢ়ে আৰু অনুসূচিত জাতি-জনজাতি আৰু দৰিদ্র সীমাৰেখাৰ তলত বসবাস কৰে তেনে শিক্ষার্থীসকলক এই আঁচনিখনে সামৰি লয়। কমেও ৫০% অনুসূচিত জাতি আৰু জনজাতিৰ ছোৱালী আবাসত ভর্তি হ'ব লাগে।

<u>অনুসূচিত জাতি আৰু জনজাতিৰ শিশুৰ শিক্ষাৰ সুবিধাসমূহ</u> ঃ

অনুসূচিত জাতি আৰু জনজাতিৰ শিশুসকলক উপযুক্ত সূক্ষ্ম পৰিকল্পনাৰ যোগেদি প্রত্যেক শিশুৰ প্রয়োজনীয়তা চাই আগবঢ়াই নিব লাগিব। RMSAয়ে স্থানীয় গোটসমূহক কিছুক্ষেত্রত নমনীয়তা প্রদান কৰে। ইয়াৰে কিছুমান এনেধৰণৰ—

- উচ্চ প্রাথমিক বিদ্যালয়সমূহক ওপৰলৈ নিয়াৰ ক্ষেত্রত আশ্রম স্কুলক অগ্রাধিকাৰ দিব লাগিব।
- শিশুৰ শিক্ষাৰ প্রয়োজনীয়তা সম্পর্কে ঘৰে ঘৰে সজাগতা আনিবলৈ অনুসূচিত জাতি-জনজাতি সম্প্রদায়ৰ সংগঠকসকলক নিয়োগ কৰিব লাগে।
- প্রয়োজন অনুসৰি বিশেষ শিকণ সমর্থন।
- অনুসূচীত জাতি-জনজাতিৰ সম্প্রদায়ক স্কুল পৰিচালনা কমিটিয়ে নিজস্বতাৰ অনুভৰ আনি দিব লাগিব।
- সম্প্রদায়ৰ শিক্ষকক নিয়োগ কৰি স্কুলীয়া শিক্ষাৰ ক্ষেত্রত অভিৰোচন আনিব লাগিব।
- দুর্বল শ্রেণীৰ শিশুসকলক নিয়মিতভাৱে উপস্থিতি পর্যবেক্ষণ কৰিব লাগিব।
- বিশেষভাৱে হোষ্টেল সুবিধা দিব লাগিব আৰু প্রয়োজনমতে বিশেষ সুবিধা প্রদান কৰিব লাগিব।

- অতিৰিক্ত এজন ভাষা শিক্ষক (জনজাতীয় ভাষাৰ) আৰু কমেও এজন প্রশিক্ষণপ্রাপ্ত স্নাতক শিক্ষক (TGT) প্রত্যেক স্কুলত থাকিব লাগিব।
- জনজাতি মন্ত্রালয়ে চোৱা-চিতা কৰা আশ্রম স্কুলৰ শিক্ষক প্রশিক্ষণৰ উপাদান বৃদ্ধি কৰাৰ প্রয়োজনীয়তা আছে। যেতিয়া প্রশিক্ষণ কার্যসূচী পতা হয় তেতিয়া এনেবোৰ স্কুলৰ শিক্ষকক অন্তর্ভুক্ত কৰিব লাগে।
- হোষ্টেল সুবিধা প্রদান।
- বৃত্তিৰ সুবিধা প্রদান।

১২.৫.৬ মধ্যাহ্ন ভোজন আঁচনি

নামভর্তিকৰণ বৃদ্ধি, শিক্ষার্থীৰ উপস্থিতি, বর্তি থকা, শিশুৰ সুষম আহাৰৰ উৎকর্ষতা বৃদ্ধিৰ বাবে ১৯৯৫ চনৰ ১৫ আগষ্টত প্রাথমিক শিক্ষাৰ সুষম আহাৰৰ সমর্থিত ৰাষ্ট্রীয় কার্যসূচী ঘোষণা কৰা হয়।

২০০১ চনত মধ্যাহ্ন ভোজন আঁচনি গ্রহণ কৰা হয় য'ত প্রত্যেক চৰকাৰী আৰু চৰকাৰী সাহার্যপ্রাপ্ত প্রাথমিক স্কুলে শিক্ষার্থীক মধ্যাহ্ন ভোজন দিব লাগিব। ইয়াত কমেও ৩০০ কেলৰি শক্তিযুক্ত আহাৰ, ৪-১২ গ্রাম প্র'টিন প্রতি সাজত ২০০ দিনৰ বাবে প্রদান কৰিব লাগে। এই আঁচনিখন ২০০২ চনত পুনৰ বিস্তৃত কৰা হয় য'ত চৰকাৰী, চৰকাৰী সাহার্যপ্রাপ্ত, স্থানীয় প্রশাসনৰ পৰিচালিত প্রাথমিক স্কুলকে অন্তর্ভুক্ত কৰা হোৱা নাই, এইবোৰৰ উপৰিও সংস্কৃত শিক্ষা আঁচনি (EGS) আৰু বিকল্প আৰু শিক্ষাৰ নতুনত্ব কেন্দ্র (AIE)ত অধ্যয়ন কৰা শিশুসকলকো সামৰি লোৱা হয়।

২০০৪ চনৰ চেপ্তেম্বৰত এই আঁচনিখনক পুনৰীক্ষণ কৰা হয়, কেন্দ্রীয় সাহায্য প্রদানৰ জৰিয়তে প্রত্যেক দিনতে ৰন্ধাৰ বাবদ ১ টকা স্কুল থকা দিনত প্রত্যেক শিশুৰ বাবে দিয়া হয়— ইয়াত মাহজাতীয় শস্য, শাক-পাচলি, ৰন্ধা তেল, ইন্ধন, মচলা, মজুৰি আৰু ইয়াত জড়িত ব্যক্তি বা ৰন্ধাৰ দায়িত্বত থকা এজেন্সিক অর্থ প্রদান কৰা হয়। পৰিবহনৰ অর্থও আগৰ কুইণ্টলত ৫০ টকাৰ ঠাইত ২০০ টকালৈ বৃদ্ধি কৰা হয় বিশেষ শ্রেণীৰ ৰাজ্যসমূহত আৰু অন্য ৰাজ্যবোৰত প্রতি কুইণ্টলত ৭৫ টকালৈ বৃদ্ধি কৰা হয়। প্রথমবাৰৰ বাবে আঁচনি পৰিচালনা, নিৰীক্ষণ আৰু মূল্যায়নৰ বাবে খাদ্য শস্য, পৰিবহন আৰু ৰন্ধা সাহায্যৰ ওপৰত ২% কৈ প্রদান কৰিছিল। দৰিদ্র অঞ্চলত গ্রীষ্ম বন্ধৰ সময়তো মধ্যাহ্ন ভোজন আঁচনি অব্যাহত ৰাখিছিল।

২০০৬ চনৰ জুলাইত এই আঁচনিক পুনৰীক্ষণ কৰা হয় আৰু উত্তৰ-পূৰ অঞ্চলত স্কুল চলি থকা দিনত প্রত্যেক শিশুৰ খাদ্য ৰন্ধাৰ বাবদ ১.৮০ কৈ দিয়া হয় আৰু অন্য ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলবোৰত ইয়াৰ পৰিমাণ ১.৫০ ধার্য কৰা হয়। সুষম আহাৰৰ মান ৪৫০ কেলৰিকৈ আৰু ১২ গ্রামকৈ প্র'টিন বঢ়োৱা হয়। ৰান্ধনি ঘৰ, ভঁৰাল ঘৰৰ সুবিধা বৃদ্ধি আৰু স্কুলৰ ৰন্ধনঘৰৰ সজুঁলি বৃদ্ধিৰ বাবে কেন্দ্রীয় সাহায্য গোটত আৰু প্রত্যেক স্কুলত ৫০০০ টকা কৈ প্রদান কৰা হয়।

২০০৭ চনৰ অক্টোবৰত, এই আঁচনিখনে উচ্চ প্রাথমিক শ্রেণীসমূহত (VI-VIII) অধ্যয়ন কৰা ৩,৪৭৯টা শৈক্ষিকভাৱে পিছপৰা ব্লকৰ (EBB) শিশুসকলক সামৰি লৈছিল আৰু "প্রাথমিক শিক্ষাৰ সুষম আহাৰ সমর্থিত ৰাষ্ট্রীয় কার্যক্রম"ৰ পৰিবর্তে মধ্যাহ্ন ভোজনৰ ৰাষ্ট্রীয় আঁচনি হিচাবে লোৱা হয়। উচ্চ প্রাথমিক স্তৰত সুষম আহাৰৰ মানদণ্ড ৭০০ কেলৰি আৰু ২০ গ্রাম প্র'টিন ধার্য কৰা হয়। এই আঁচনিখন সমগ্র দেশতে ১/৪/২০০৮ তাৰিখৰ পৰা সমগ্র দেশত বিস্তৃত কৰি তোলা হয়।

১২.৫.৭ মহিলা সমক্ষ্যা কার্যসূচী

"শিক্ষাক মহিলাৰ সামাজিক পদমর্যাদা পৰিবর্তনৰ আহিলা হিচাবে ব্যৱহাৰ কৰা হয়। অতীতৰ দু�ৰাৱস্থা গুচাবৰ বাবে মহিলাৰ হকে এক ভাল দিশৰ প্রয়োজন। মহিলা সবলীকৰণৰ ক্ষেত্রত ৰাষ্ট্রীয় শিক্ষা ব্যৱস্থাই এক ইতিবাচক আৰু মধ্যস্থতাকাৰী ভূমিকা গ্রহণ কৰিব লাগে। ই শিক্ষাৰ অনুষ্ঠানসমূহৰ পাঠ্যক্রম, পাঠ্যপুথি, শিক্ষকৰ প্রশিক্ষণ আৰু পুনৰীক্ষণ, সিদ্ধান্ত গ্রহণকাৰী আৰু প্রশাসনিক বিষয়াসকলৰ কার্যক্ষম অন্তর্ভুক্তিৰ নিশ্চয়তা বৃদ্ধি কৰিব পাৰে। ই হৈছে "বিশ্বাস আৰু সামাজিক কাৰিকৰী শিক্ষা" (faith and social engineering) (NPE, ১৯৮৬)।

১৯৮৬ চনৰ নতুন ৰাষ্ট্রীয় শিক্ষানীতি মতে, শিক্ষা প্রক্রিয়াত ছোৱালী আৰু মহিলাৰ অংশগ্রহণৰ প্রাক্ জটিল চর্ত হৈছে মহিলা সবলীকৰণ। ১৯৮৬ চনৰ শিক্ষানীতিৰ উদ্দেশ্য সফল কৰিবলৈ ১৯৪৪ চনত মহিলা সমীক্ষা কার্যসূচীৰ অৱতাৰণা কৰা হৈছিল। ইয়াৰ মতে শিক্ষা হৈছে মহিলা সবলীকৰণৰ ফলপ্রসু আহিলা, এইক্ষেত্রত বিবেচনাধীন দিশবোৰ হৈছে—

- মহিলাৰ আত্মমর্যাদা আৰু আত্মবিশ্বাস বৃদ্ধি কৰা।
- সমাজত, ৰাজনীতিত আৰু অর্থনীতিত মহিলাৰ অৰিহনাক স্বীকৃতি প্রদানেৰে তেওঁলোকৰ ইতিবাচক মনোভাৱ গঢ়ি তোলা।
- জটিল চিন্তাৰ সামর্থ্য বৃদ্ধি কৰা।
- সিদ্ধান্ত গ্রহণ আৰু সাংগঠনিক প্রক্রিয়াৰ কার্যত উৎসাহ প্রদান।
- কিছুমান দিশত যেনে শিক্ষা, নিয়োগ আৰু স্বাস্থ্য (বিশেষকৈ জন্মৰ ক্ষেত্রত) আদিত নিজৰ পচন্দক সুবিধা দিয়া।
- বিকাশমূলক প্রক্রিয়াবোৰত সমানে অংশগ্রহণ কৰা।
- অর্থনৈতিক স্বাৱলম্বিতাৰ ক্ষেত্রত তথ্য, জ্ঞান আৰু কৌশলৰ যোগান ধৰা।
- আইনী স্বাক্ষৰতাৰ সুবিধা প্রদান আৰু অধিকাৰ সম্পর্কে জ্ঞাত কৰা আৰু সমাজৰ সকলো ক্ষেত্রতে অংশগ্রহণ তথা খোজ পেলোৱা।

১২.৫.৮ সহস্ৰাব্দ বিকাশৰ লক্ষ্য

সহস্ৰাব্দ বিকাশৰ লক্ষ্য হৈছে আঠটা আন্তঃৰ্জাতিক বিকাশৰ লক্ষ্য, যিবোৰ ২০০০ চনত ৰাষ্ট্ৰসংঘৰ সহস্ৰাব্দ শীৰ্ষ সম্মিলনক অনুসৰণ কৰি গঠন কৰা হয়। এই আঠটাৰ ভিতৰত ২ আৰু ৩নং লক্ষ্য দুটা প্ৰত্যক্ষভাৱে ক্ৰমে প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ সৈতে আৰু লিংগ সমতা আৰু মহিলা সবলীকৰণৰ সৈতে জড়িত। প্ৰত্যেকটো লক্ষ্যৰে বিশেষ নিৰ্ধাৰিত সীমা আৰু তাৰিখ ধাৰ্য কৰা আছে লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে, সেইবোৰ হৈছে—

লক্ষ্য ২ ঃ সাৰ্বজনীন প্ৰাথমিক শিক্ষাত উপনীত হোৱা

নিৰ্ধাৰিত সময় ২ ক ঃ ২০১৫ চন, ল'ৰা আৰু ছোৱালী সকলোৱে প্ৰাথমিক শিক্ষা সমাপ্ত কৰিব পাৰিব।

- প্ৰাথমিক শিক্ষাত নামভৰ্তিকৰণ।
- প্ৰাথমিক শিক্ষা সমাপ্তিকৰণ।

লক্ষ্য ৩ ঃ লিংগ সমতা আৰু মহিলা সবলীকৰণ

নিৰ্ধাৰিত সময় ৩ ক ঃ ২০০৫ চনৰ ভিতৰত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ পৰা আৰু ২০১৫ চনত সকলো স্তৰৰ পৰা লিংগ বৈষম্য দূৰীকৰণ।

- শিক্ষাৰ প্ৰাথমিক, মাধ্যমিক আৰু সমপৰ্যায়ৰ স্তৰত ল'ৰা আৰু ছোৱালীৰ অনুপাত।
- অ-কৃষিকাৰ্যৰ দিশত মহিলা নিয়োগৰ মজুৰি।
- জাতীয় সংসদত মহিলাৰ আসনৰ অনুপাত।



জানি থোৱা ভাল

- সামাজিক আৰু অৰ্থনৈতিকভাৱে সমাজৰ পিছপৰা শ্ৰেণীয়ে অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা জাতি, সংখ্যালঘু, মহিলাসকল আৰু বিশেষভাৱে সক্ষম শিশুসকলক সামৰি লয়।
- ভাৰত চৰকাৰে মহিলা সবলীকৰণৰ ক্ষেত্ৰত বহুতো নতুনত্ব সম্পন্ন আঁচনি গ্ৰহণ কৰে, ইয়াৰ ভিতৰত মহিলা সমীক্ষা কাৰ্যসূচী অন্যতম।
- ২০০৯ চনৰ চেপ্তেম্বৰ মাহত শিক্ষাৰ অধিকাৰ আইন স্বীকৃত হয় যিখন হৈছে শিশুৰ অধিকাৰ বিনামূলীয়া আৰু বাধ্যতামূলক আইন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১. সমাজৰ পিছপৰা শ্ৰেণীৰ ধাৰণা ডাঙি ধৰক।

.....

প্ৰশ্ন নং ২. মহিলাৰ বাবে কি কি ৰাষ্ট্ৰীয় কাৰ্যসূচী আছে?

.....

প্রশ্ন নং ৩. অনুসূচিত জাতি আৰু জনজাতিৰ বাবে থকা সাংবিধানিক সুবিধাসমূহ চমুকৈ লিখক।

.....

.....

১২.৬ সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ শিক্ষাৰ বাবে পৰামর্শসমূহ

তলত দাঙি ধৰা পৰামর্শসমূহ অনুসূচিত জাতি-জনজাতি আৰু অন্য অপ্রত্যাশিত দলৰ ক্ষেত্রত বিভিন্ন কর্মৰত দলে যুগুত কৰা প্রতিবেদন, বিশেষভাৱে যিবোৰ দশম, একাদশ আৰু দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ অন্তর্গত তাৰ ওপৰত ভিতি কৰি লোৱা হৈছে।

(ক) <u>অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহ</u>

- শৈক্ষিক ক্ষেত্রত উৎসাহিত কৰিবলৈ অনুসূচিত জাতি আৰু জনজাতিৰ শিশুবোৰক বিনামূলীয়া পোচাক, চেণ্ডেল, নগদ ধন প্রদান আৰু শিক্ষা অন্য খৰচ বহন কৰিব লাগে।
- জিলা পর্যায়ত অনুসূচিত জাতি-জনজাতি আৰু অন্য পিছপৰা শ্রেণীৰ শিশুৰ প্রতিকাৰমূলক শিকণৰ বাবে অর্থ ধায্য কৰিব লাগে।
- অনুসূচিত জাতি-জনজাতি অধ্যুষিত অঞ্চলত অধিক প্রাপ্তবয়স্ক শিক্ষাৰ কেন্দ্র স্থাপন কৰিব লাগে।
- গাঁও অঞ্চলৰ যিবোৰ স্কুলে অনুসূচিত জাতি-জনজাতিৰ শিশুক দিয়ে তেনে প্রত্যেক স্কুলক অন্তর্ভুক্তিকৃত শিক্ষাই সামৰি ল'ব লাগে।
- সংৰক্ষিত শ্রেণীৰ শিক্ষার্থীসকলে NET/SLET ত উত্তীর্ণ হ'বলৈ বিশেষ প্রশিক্ষণ ব্যৱস্থা কৰিব লাগে।
- প্রযুক্তি শিক্ষাৰ মাচুল সাধাৰণতে বেছি। এই কথা লক্ষ্য ৰাখি পিছপৰা শ্রেণীৰ ছোৱালীসকলক বৃত্তি প্রদান, ঋণ সুবিধা, চৰকাৰী সাহায্য প্রদান কৰিব লাগে।
- অন্য মন্ত্রালয়ৰ পৰা অনুসূচিত জাতি-জনজাতিৰ প্রশিক্ষণ মানৱ সম্পদ বিকাশ মন্ত্রালয়লৈ হস্তান্তৰ হ'ব লাগে।
- প্রযুক্তিবিদ্যাত Ph.Dৰ আসন সংৰক্ষিত শ্রেণীৰ বাবে বৃদ্ধি কৰিব লাগে।

(খ) <u>মহিলা</u>

- মহিলাৰ বাবে হোষ্টেল সুবিধা বৃদ্ধি আৰু শিক্ষানুষ্ঠানত ইয়াক উপলব্ধ কৰিব পৰা হ'ব লাগে। মহিলা আৰু ছোৱালীৰ আবাস সজোৱাৰ বাবে বিশেষ আঁচনি থাকিব লাগে।
- প্রযুক্তি আৰু অন্য শিক্ষানুষ্ঠানবোৰত ভাগ অনুযায়ী ছোৱালীৰ বাবে ৩৩% কৈ বেছি আসন সংৰক্ষিত হ'ব লাগে।

- নৱ স্বাক্ষৰ হোৱা মহিলাসকলক প্রাপ্তবয়স্ক প্রশিক্ষণ কেন্দ্রত নিয়োগ কৰিব লাগে।
- কম স্বাক্ষৰিত লোক থকা জিলাত বিশেষকৈ মহিলা কম স্বাক্ষৰিত জিলাত অধিক পৰিমাণে অন্তর্ভুক্তিকৃত কার্যসূচী পাতিব লাগে।
- স্থানীয় স্ব-চৰকাৰী অনুষ্ঠান আৰু পঞ্চায়তীৰাজ অনুষ্ঠানসমূহে স্বেচ্ছাসেৰী মহিলা শিক্ষক আৰু আত্ম সহায়ক গোটবোৰক প্রাপ্তবয়স্ক শিক্ষাৰ কেন্দ্রবোৰত অন্তর্ভুক্ত কৰিব লাগে।
- বর্তমানৰ কস্তুৰবা গান্ধী বিদ্যালয়সমূহত দ্বাদশলৈ শ্রেণী বৃদ্ধি কৰিব লাগে।
- প্রত্যেক স্কুল কিছুমান মৌলিক সুবিধা যেনে খোৱা পানী, শৌচাগাৰ আৰু ছোৱালীৰ বাবে আচুতীয়া কোঠা থাকিব লাগে।
- প্রত্যেক বিশ্ববিদ্যালয়/অনুষ্ঠানসমূহে মহিলা সম্পর্কীয় বিষয় অধ্যয়ন কেন্দ্র স্থাপন কৰিব লাগে।
- বৃত্তিগত পাঠ্যক্রম লোৱাৰ বাবে মহিলা/ছোৱালীসকলৰ জল-পানি পৰিমাণ বৃদ্ধি কৰিব লাগে।

(গ) <u>গ্রাম্য জনসংখ্যা</u>

সকলো স্তৰতে গ্রাম্য শিক্ষা শক্তিশালী কৰিবলৈ কিছুমান পৰামর্শ দাঙি ধৰা হ'ল।

- অন্তর্ভুক্তিকৃত শিক্ষাৰ উন্নতিৰ ক্ষেত্রত পঞ্চায়তৰ সদস্যসকলে গুৰুত্বপূর্ণ ভূমিকা বহন কৰিব পাৰে।
- গ্রাম্য শিক্ষা এক অস্থায়ী হিচাবে নাৰাখি ইয়াক পঞ্চায়তত স্থায়ী হিচাবে নির্মাণ কৰিব লাগে।
- বহুতো ৰাজ্যৰ পঞ্চায়তীৰাজ আইনে এনে কমিটিবোৰ গাঁও পর্যায়ত হোৱাত গুৰুত্ব দিয়ে।
- অভিভাৱক আৰু শিক্ষকসকলৰ সঘনে হোৱা আদান-প্রদানে শিক্ষার্থীৰ নামভর্তি সংখ্যা আৰু উপস্থিতিৰ সংখ্যা বৃদ্ধি কৰে। তাৰোপৰি, কেতিয়াবা শিক্ষকসকলে পিতৃ-মাতৃৰ সৈতে ভাব বিনিময় কৰাৰ সময় নাপায় কাৰণ তেওঁলোকৰ হাতত সময় নাথাকে আৰু কেতিয়াবা অন্য দিশৰ পৰা চালে পিতৃ-মাতৃসকল জীৱনধাৰণৰ বাবে অর্থ আহৰণত ব্যস্ত থাকিবলগা হয় বাবে তেওঁলোকে শিক্ষকসকলক বেছি সময় দিব নোৱাৰে।
- শ্রেণী আৰম্ভণিৰ সময়ছোৱাত শিক্ষার্থীসকলৰ বাবে থকা পুৰস্কাৰ বা উপহাৰসমূহ প্রদান কৰিব লাগে। কিতাপ দিওঁতে দেৰি হ'লে শিক্ষার্থীসকলৰ অভিৰোচনত বাধা জন্মে।
- যিবোৰ অভিভাৱকে বিশেষকৈ মহিলাসকলে যেতিয়া ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ সক্ষম নহয় তেনে মাতৃসকলক মহাত্মা গান্ধী ৰাষ্ট্রীয় গ্রাম্য নিয়োগ নিশ্চিত আইনত নিয়োগ কৰিব লাগে। শিক্ষা আৰু MREGA মাজত সংযোগ স্থাপন কৰিব লাগে।
- মধ্যাহ্ন ভোজনৰ মানদণ্ড উন্নত কৰি তুলিব লাগে, যিয়ে সমাজৰ দুর্বল শ্রেণীৰ শিশুসকলক স্কুলৰ প্রতি আকর্ষিত কৰি তুলিব।

- গাঁও নিৰীক্ষকৰ কমিটি গঠন কৰিব লাগে যাতে তেওঁলোকে শিক্ষার্থীৰ নামভর্তিকৰণ আৰু অনুপস্থিতি নিৰীক্ষণ কৰিব পাৰে।
- জনসাধাৰণৰ সম্পূর্ণ মনোভাৰ বিশেষকৈ সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ ছোৱালী শিক্ষাৰ প্রতি থকা মনোভাৰ সলনি হ'ব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪. অনুসূচিত জাতি আৰু জনজাতিৰ শিক্ষাৰ বাবে কিছুমান প্রতিকাৰমূলক পৰামর্শ আগবঢ়াওক।

.....

প্রশ্ন নং ৫. গ্রাম্য জনসাধাৰণ আৰু মহিলাসকলৰ শিক্ষাৰ বাবে কিছুমান উপদেশমূলক পৰামর্শ আলোচনা কৰক।

.....



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ জৰিয়তে সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ বিষয়ে ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। সমাজৰ অর্থনৈতিক আৰু সামাজিকভাৱে পিছপৰা শ্রেণীসমূহ হৈছে অনুসূচিত জাতি, জনজাতি, মহিলা আৰু গ্রাম্যাঞ্চলৰ লোকসকল।
- ভাৰতীয় সংবিধানত অনুসূচিত জাতি/জনজাতি আৰু মহিলা শিক্ষাৰ সমধিকাৰ অনুচ্ছেদ নং ১৪, ৪৫, ২৪৩, ৩৩০ আৰু ৩৩২ আদিৰ দ্বাৰা প্রদান কৰিছে।
- পিছপৰা শ্রেণীৰ শিক্ষাৰ বাবে বিভিন্ন ৰাষ্ট্রীয় নীতি আৰু কার্যসূচীসমূহ দায়বদ্ধ। আমি কিছুমান উদাহৰণ দাঙি ধৰিব পাৰো যেনে- কোঠাৰী কমিছন, ৰাষ্ট্রীয় শিক্ষা নীতি ১৯৮৬-১৯৯২ চন, শিক্ষাৰ অধিকাৰ আইন ২০০৯, সর্বশিক্ষা অভিযান, মাধ্যমিক শিক্ষা অভিযান, মধ্যাহ্ন ভোজন আঁচনি, মহিলা সমীক্ষা আঁচনি, সহস্রাব্দ বিকাশৰ লক্ষ্য ইত্যাদিবোৰে অপ্রত্যাশিত শ্রেণীৰ শিক্ষাৰ বাবে কার্যসূচী হাতত লয়।
- চমুকৈ ক'বলৈ হ'লে— বিভিন্ন কর্মৰত দলে সমাজৰ পিছপৰা শ্রেণীৰ শিক্ষাৰ ক্ষেত্রত থকা জটিলতা আঁতৰ কৰিবলৈ বিভিন্ন ধৰণৰ পৰামর্শ আগবঢ়ায়।



১২.৮ অধিক জানিবলৈ

1. C.N. Shankar Rao (2007): Sociology:Principles of Sociology with an Introduction to Social Thought, S Chand Publishing; 6th Rev. Edn. 2006 edition

2. H. R. Mukhi (1999): A Simple Book of Sociology, Sbd Publishers Distributors.

3. Kuppuswamy.B (2010): Social Change in India, Konark Publication, New Delhi.

4. Mathur. S. S(2000). : Social Psychology,Binod Pustak Publishing, New Delh.

১২.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ পিছপৰা শ্রেণীৰ অর্থ হৈছে যিসকল লোক সমাজৰ অন্য লোকসকলৰ তুলনাত পৃথক আৰু অকলশৰীয়া আৰু যিসকল অন্য লোকৰ তুলনাত ভাল সুবিধাৰ পৰা বঞ্চিত আৰু ভাৰতবর্ষত অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা শ্রেণী, সংখ্যালঘু, মহিলা আৰু গ্রাম্যাঞ্চলৰ লোকসকলক এনে শ্রেণীত অন্তর্ভুক্ত কৰা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ মহিলাৰ বাবে থকা ৰাষ্ট্রীয় কার্যসূচী হৈছে মহিলা সমীক্ষা কার্যসূচী, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, কোঠাৰী আয়োগ, ৰাষ্ট্রীয় শিক্ষা নীতি ১৯৮৬-৯২, শিশু শিক্ষাৰ অধিকাৰ আইন ২০০৯ ইত্যাদি।

৩নং প্রশ্নৰ উত্তৰ ঃ অনুচ্ছেদ ৪৬নং সমাজৰ দুর্বল শ্রেণীৰ লোকৰ শৈক্ষিক আৰু অর্থনৈতিক দিশৰ প্রতি বিশেষ মনোযোগ দিব লাগে, বিশেষকৈ অনুসূচিত জাতি আৰু জনজাতিসকলৰ ক্ষেত্রত। ২৪৩(ঘ) নং অনুচ্ছেদ- পঞ্চায়তত আসন সংৰক্ষণ ৩৩০নং অনুচ্ছেদ- লোকসভাত অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণ ৩৩২নং অনুচ্ছেদ ৰাজ্যৰ বিধানসভাত অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণ।

৪নং প্রশ্নৰ উত্তৰ ঃ শৈক্ষিক সুবিধাসমূহ যেনে বিনামূলীয়া পোচাক, চেণ্ডেল আৰু নগদ ধন অনুসূচিত জাতি আৰু জনজাতিৰ শিশুসকলক দিব লাগে, যিসকল অর্থনৈতিকভাৱে দুর্বল। জিলা পর্যায়ত অনুসূচিত জাতি আৰু জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ শিশুসকলৰ প্রতিকাৰমূলক শিকণৰ বাবে অর্থপুঁজি মুকলি কৰি দিব লাগে। অনুসূচিত জাতি-জনজাতি অধ্যুসিত অঞ্চলত অধিক প্রাপ্তবয়স্ক স্বাক্ষৰতা কেন্দ্র স্থাপন কৰিব লাগে। NET/SET পৰীক্ষাত উত্তীর্ণ হ'বলৈ সংৰক্ষিত শ্রেণীৰ শিক্ষার্থীক বিশেষ প্রশিক্ষণ দিব লাগে। প্রযুক্তিবিদ্যাৰ ক্ষেত্রত মাচুলৰ হাৰ বেছি। সেইবাবে পিচপৰা শ্রেণীৰ ছোৱালীসকলক বৃত্তি, চৰকাৰী ধন, ঋণৰ সুবিধা প্রদান কৰিব লাগে। অনুসূচিত জাতি-জনজাতিৰ শিক্ষার্থীৰ প্রশিক্ষণৰ আঁচনি অন্য মন্ত্রালয়ৰ

পৰা মানৰ সম্পদ বিকাশ মন্ত্রালয়লৈ হস্তান্তৰ কৰিব লাগে।

৫নং প্রশ্নৰ উত্তৰ ঃ প্রযুক্তিশিক্ষা আৰু অন্য শৈক্ষিক অনুষ্ঠানত ছোৱালীবোৰৰ বাবে ৩৩% শতাংশকৈ বেছি আসন সংৰক্ষণ কৰিব লাগে। স্থানীয় স্ব-চৰকাৰ আৰু পঞ্চায়তীৰাজ কার্যালয়ত স্বেচ্ছাসেৰী মহিলা শিক্ষক আৰু আত্ম সহায়ক গোটক অন্তর্ভুক্ত কৰিব লাগে। প্রাপ্তবয়স্ক শিক্ষাকেন্দ্রবোৰত অধিক মহিলা শিক্ষক নিয়োগ কৰিব লাগে। বর্তমানৰ বস্তুৰবা গান্ধী বালিকা বিদ্যালয় আঁচনিক দ্বাদশ শ্রেণীলৈ বঢ়াব লাগে। সকলো স্কুলতে মৌলিক সুবিধাসমূহ যেনে খোৱাপানীৰ সুবিধা, শৌচাগাৰ আৰু ছোৱালীৰ বাবে আচুতীয়া কোঠা থাকিব লাগে।



১২.১০ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে সা-সুবিধাৰপৰা বঞ্চিত শ্রেণী বুলিলে কি বুজে? ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ অনুসূচিত জাতি-জনজাতিৰ ক্ষেত্রত কোঠাৰী আয়োগৰ পৰামর্শৰলী কি আছিল?

প্রশ্ন নং ৩ ঃ ভাৰতত মহিলাসকলৰ বাবে থকা ৰাষ্ট্রীয় কার্যসূচীবোৰ কি কি? ব্যাখ্যা কৰক।

প্রশ্ন নং ৪ ঃ ভাৰতীয় পটভূমিত গ্রাম্য জনসংখ্যাৰ শিক্ষাৰ সুবিধাসমূহ আলোচনা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ সমাজৰ সামাজিক আৰু অর্থনৈতিকভাৱে সা-সুবিধাৰ পৰা বঞ্চিত শ্রেণীৰ ক্ষেত্রত থকা সাংবিধানিক সুবিধাসমূহৰ এটা বিশদ টোকা প্রস্তুত কৰক। এই সুবিধাবোৰৰ দ্বাৰা অৱস্থাৰ উন্নতি হৈছেনে?

প্রশ্ন নং ২ ঃ সমাজৰ বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত শ্রেণীৰ উন্নতিৰ হকে কিছুমান পৰামর্শ আগবঢ়াওক।

****

অধ্যায় ১৩ ঃ শৈক্ষিক সা-সুবিধাৰ সমানীকৰণ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ ধাৰণা

১৩.৩.১ শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ আইনী বিধি-ব্যৱস্থা

১৩.৩.২ শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ বাবে গ্ৰহণ কৰা ভিন্ন পদক্ষেপসমূহ

১৩.৪ শিক্ষাৰ ক্ষেত্ৰত সমসুযোগ প্ৰদানৰ সমস্যাসমূহ

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্ৰগতি খতিয়ান

১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ সংজ্ঞা আগবঢ়াবলৈ সক্ষম হ'ব
- শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ আইনী বিধি-ব্যৱস্থাসমূহ ব্যাখ্যা কৰিব পাৰিব
- বিষয়টোৰ সংক্ৰান্তীয় প্ৰচাৰমুখী পদক্ষেপসমূহ চিনাক্ত কৰাৰ সুবিধা পাব
- শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ ক্ষেত্ৰত থকা বাধাসমূহ চিনাক্ত কৰা সম্ভৱ হ'ব

১৩.২ পৰিচয়

ভাৰতৰ দৰে গণতান্ত্ৰিক দেশ এখনত প্ৰতিজন নাগৰিকৰে নিৰাপদে আৰু মৰ্যদা সহকাৰে জীয়াই থকাৰ অধিকাৰ আছে। ৰাষ্ট্ৰৰ কল্যাণৰ স্বাৰ্থতে, দেশৰ প্ৰতিজন নাগৰিকে সংবিধান প্ৰদত্ত সম-অধিকাৰ তথা সমান সা-সুবিধা উপভোগ কৰাৰ সুযোগ লাভ কৰা উচিত। কোনো এটা সম্প্ৰদায়ৰ উন্নয়নৰ প্ৰসংগ আহিলেই আমি সেই সম্প্ৰদায়ৰ প্ৰতিজন সদস্যই ন্যায়, সমতা আৰু সন্মানৰ আদৰ্শ ৰক্ষা কৰি জীৱন যাপন কৰাৰ ভাবো। কিন্তু, পৰিতাপৰ কথা হ'ল যে সামাজিক বৈষম্য, সামাজিক বৰ্জনীয়তা, একে সম্প্ৰদায়ৰে আন সদস্য সকলৰ দ্বাৰা প্ৰান্তীয়কৰণ আদি ব্যৱস্থাবোৰে একেখন চালিৰ তলতে একেলগে বাস কৰা লোকৰ মাজতো বিভেদ সৃষ্টি কৰে।

এইদৰে এইটো স্পষ্টতঃ হয় যে অনুসূচিত জাতি, জনজাতিৰ বা আন সংখ্যালঘু সমাজৰ মহিলা সকল সংবিধান প্ৰদত্ত সমতাৰ অধিকাৰ বা আন সা-সুবিধা গ্ৰহণৰ সুযোগ প্ৰাপ্তিৰ ক্ষেত্ৰত প্ৰান্তীয়কৰণৰ বলী হৈ পিছপৰি থাকিব লগা হয়। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা, ধৰ্ম, দৰিদ্ৰতা, জাতিভেদ প্ৰথা বা অন্যান্য ৰীতিগত ব্যৱস্থাবোৰে তেওঁলোকক বিশেষাধিকাৰ ৰহিত হিচাপে গঢ় দিয়াৰ লগতে, কেতিয়াবা শোষণ-নিপীড়নো কৰে। সমাজৰ সৰ্বাত্মক বিকাশৰ বাবে উন্নয়নৰ সকলো বিভাগতে ন্যায়ৰ সমতুল্য বিতৰণ ব্যৱস্থাৰ প্ৰয়োজন আছে। সেয়ে সমাজৰ সমন্বিত উন্নয়নৰ গতি ত্বৰান্বিত কৰিবলৈ ফলপ্ৰসু শিক্ষা ব্যৱস্থাৰ অতি প্ৰয়োজন।

শিক্ষা হ'ল এক জীৱন জোৰা প্ৰক্ৰিয়া। শিক্ষাই মানুহক অন্য জীৱৰ তুলনাত উন্নত স্তৰত উপনীত কৰোৱাবলৈ সমৰ্থ হয়। সমালোচনাত্মক চিন্তা বৃদ্ধি কৰাৰ লগতে শিক্ষাই মানুহক জীৱন সম্পৰ্কতো যুক্তিযুক্ততাৰে বিচাৰ কৰি চোৱাৰ শক্তি প্ৰদান কৰে। দৰাচলতে শিক্ষাই মানুহক কিছুমান প্ৰয়োজন ভিত্তিক দক্ষতা আহৰণ কৰোৱাই তেওঁলোকৰ কাম-কাজ সম্পাদন কৰাৰ বাবে এক দক্ষতামূলক স্তৰত উপনীত কৰোৱায়। দক্ষতা বৃদ্ধিৰ লগতে দৃষ্টিভংগী আৰু প্ৰমূল্যবোধ আদি বিষয়বোৰৰ উত্তৰণ ঘটাবলৈ শিক্ষাই জ্ঞান আহৰণৰ মূল উপজীব্য বিষয়। সেই বাবে মানুহৰ জীৱনক উন্নীত কৰি এক অৰ্থবহ জীৱন নিৰ্বাহ কৰিবলৈ জ্ঞান আৰু দক্ষতা প্ৰদান কৰা শিক্ষা মানুহৰ বাবে উল্লেখযোগ্য প্ৰয়োজন। সাম্প্ৰতিক সময়ত 'মানৱ সম্পদ' আৰু জনশক্তি বৃদ্ধিৰ এক ক্ৰমবৰ্দ্ধিত চাহিদা বৃদ্ধি পোৱাটো বিশেষভাৱে লক্ষ্যণীয়। শিক্ষাই দেশ আৰু সমাজৰ মঙ্গলৰ বাবে মানৱ সম্পদ গঠন কৰে। এইবাবেই দেশৰ প্ৰতিজন লোকৰে বাবে সুচলৰূপত শিক্ষাৰ সুবিধাসমূহ সৃষ্টি কৰাটো অতি জৰুৰী কথা। এই কথাৰ গুৰুত্ব তথা মূল্য উপলব্ধি কৰি ভাৰত চৰকাৰে দেশৰ প্ৰতিজন নাগৰিকে শিক্ষাৰ পোহৰ পোৱাটো নিশ্চিত কৰি শিক্ষাক মৌলিক অধিকাৰ হিচাপে গণ্য কৰাৰ বাবে এই দেশত বসবাস কৰা প্ৰতিজন নাগৰিকৰে জন্মস্বত্ব হৈ পৰিছে। ভাৰতৰ দৰে এখন গণতান্ত্ৰিক দেশত বাস কৰা প্ৰতিজন নাগৰিকে সংবিধান প্ৰদত্ত মানৱ অধিকাৰ উপভোগৰ সুবিধা লাভ কৰো।

শিক্ষার্থীসকলৰ বাবে মাধ্যমিক আৰু উচ্চ শিক্ষা লাভৰ প্ৰয়াসত প্ৰাথমিক শিক্ষা এক জখলা স্বৰূপ। সেইবাবে এই স্তৰটোক সমগ্ৰ জীৱন পৰিক্ৰমাৰ অন্যান্য শিক্ষা-দীক্ষাৰ বুনিয়াদ বুলি কোৱা হয়। এই অধ্যায়টোত আমি শিক্ষাৰ গুৰুত্ব, ভাৰতীয় সংবিধানৰ ভিত্তিত শিক্ষাৰ সমঅধিকাৰৰ প্ৰসংগ, আৰু সৰ্বশেষত ভাৰতত শিক্ষাৰ সার্বজনীনকৰণ ৰ ক্ষেত্ৰত কি কি ধৰণৰ সমস্যা আছে এই আটাইবোৰ আলোচনা কৰিম।

১৩.৩ শৈক্ষিক সা-সুবিধা সমানীকৰণৰ ধাৰণা

ভাৰতীয় সংবিধানে প্ৰদান কৰা অধিকাৰ আৰু দায়িত্বৰ ভিত্তিত এক কার্যক্ষম আৰু সু-প্ৰশাসনৰ স্বাৰ্থত ভাৰতৰ প্ৰতিজন নাগৰিক অতি সচেতন হোৱা প্ৰয়োজন। নাগৰিকক তেওঁলোকৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰতি সচেতন কৰি তোলাৰ বাবে শিক্ষা হৈছে এক উল্লেখযোগ্য মাধ্যম।

দেশৰ প্ৰতিজন লোকৰে কল্যাণ সাধিবলৈ শিক্ষাৰ সা-সুবিধাসমূহ সুচলৰূপত গঢ়ি তুলি সকলো নাগৰিককে সু-শিক্ষিত কৰি গঢ়ি তোলা দৰকাৰী।

সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ ভেটি হ'ল বুনিয়াদী বা প্ৰাথমিক শিক্ষা। সাধাৰণতে পাঁচ বা ছয় বছৰ বয়সত এটি শিশুৱে শিক্ষানুষ্ঠানত নাম ভৰ্ত্তি কৰে। এখন শিক্ষানুষ্ঠানৰ মাধ্যমেৰে এই স্তৰতে শিশুৱে আনুষ্ঠানিক শিক্ষাৰ শুভাৰম্ভ কৰে। এই প্ৰাথমিক স্তৰত শিশুৱে পোৱা শিক্ষাৰ জৰিয়তে তেওঁলোকৰ শাৰীৰিক, মানসিক, আৱেগিক, বৌদ্ধিক তথা সামাজিক উত্তৰণ ঘটিব লাগিব। এই স্তৰৰ শিক্ষাই প্ৰতিজন লোকক শিক্ষিত কৰি ব্যৱহাৰিক জ্ঞান প্ৰয়োগেৰে কাৰ্যক্ষম সাক্ষৰতাৰ লগত সংযোগ কৰি অৰ্থনৈতিক উন্নয়ন, সামাজিক পৰিকাঠামোৰ উন্নয়ন আৰু গণতান্ত্ৰিক অনুষ্ঠানসমূহক অধিক কাৰ্যক্ষম কৰাত সাৰ্থক হ'ব লাগিব। সেইবাবে, শৈক্ষিকভাৱে অগ্ৰগণী বিশ্বৰ দেশসমূহে শিক্ষাৰ আন স্তৰৰোৰৰ তুলনাত প্ৰাথমিক শিক্ষাক অধিক গুৰুত্ব প্ৰদান কৰা দেখা যায়। আমাৰ দেশেও কোনোধৰণৰ ভেদাভেদ নকৰি বাধ্যতামূলক, বিনামূলীয়া প্ৰাথমিক শিক্ষা সকলোৰে বাবে উপলব্ধ কৰা উচিত।

ওপৰত উল্লেখ কৰা ধৰণেৰে, প্ৰাথমিক শিক্ষাই আন শিক্ষা ভেটি বা আৰম্ভণি বিন্দু, অথবা চিৰিৰ প্ৰথমটো ঢাপ। ভাৰতত এটি শিশুৱে ছয় বছৰ বয়সত প্ৰাথমিক শিক্ষাৰ বাবে শিক্ষানুষ্ঠানত নাম ভৰ্ত্তি কৰিব কৰিব লাগে আৰু ছয়ৰ পৰা চৈধ্য বছৰৰ বয়সৰ ভিতৰত প্ৰথমৰ পৰা অষ্টম শ্ৰেণী সমাপ্ত কৰিব লাগে। ঘৰত আৰম্ভ হোৱা সামাজিকীকৰণ প্ৰক্ৰিয়াটোত পিছলৈ বিদ্যালয়ো অৰ্ন্তভুক্ত হয়। ইয়াতেই এটি শিশুৱে বহল সমাজ এখনৰ সৈতে মতবিনিময় কৰাৰ সুবিধা লাভ কৰে।

এখন দেশৰ সৰ্বতো প্ৰকাৰৰ আৰ্থ-সামাজিক উন্নয়নৰ ভেটি হ'ল শিক্ষা। ধৰ্ম, সম্প্ৰদায় , গোষ্ঠী, লিংগ নিৰ্বিশেষে সকলো শিশুৰে বাবে শিক্ষাৰ সুবিধা সুচল কৰাৰ লগতে শিক্ষাৰ প্ৰকৃত গণতান্ত্ৰিকতাৰ সোৱাদেৰে শিক্ষা সকলোৰে জন্মস্বত্ব হিচাপে স্বীকৃতি দি ভাৰত চৰকাৰে সময়ে সময়ে বিভিন্ন আঁচনিৰ জৰিয়তে শিক্ষাৰ সাৰ্বজনীনকৰণ কৰাৰ প্ৰয়াস কৰে।

সকলোৰে বাবে শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ সংক্ৰান্তত ভাৰতীয় শিক্ষা নিগম (ইণ্ডিয়ান এডুকেচন কমিছন, ১৯৬৪-৬৬) এ সঠিকভাৱেই মানিছিল যে- "শিক্ষাৰ সামাজিক উদ্দেশ্য সমূহৰ ভিতৰত সা-সুবিধাৰ সমানীকৰণৰ যোগেদি সামাজিকভাৱে পিছপৰা শ্ৰেণী সমূহক সমৰ্থবান কৰি গঢ়ি তোলা, যাতে তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰিব পাৰে।" সেইবাবে ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ পূৰ্ণ সুযোগ পোৱাকৈ শিক্ষাৰ সুবিধাসমূহ আদায় দিব লাগিব। ভাৰতৰ সংবিধানেও দেশৰ প্ৰতিজন নাগৰিকে শিক্ষাৰ সমানীকৰণৰ সুবিধাৰ ব্যৱস্থা কৰা বিষয়টো উল্লেখ কৰিছে। শিক্ষাই সকলো প্ৰকাৰৰ উন্নতিৰ মূল চালিকা শক্তি হোৱা বাবে শিক্ষাৰ যোগেৰেই এজন লোকে উচ্চ পদবী, আসন আৰু স্বীকৃতি লাভৰ আশা পুহিব পাৰে। সেইবাবে প্ৰতিজন লোকে শিক্ষা লাভৰ সমতুল্য সুবিধা পোৱা উচিত।

সাধাৰণ অৰ্থত সুযোগৰ সমতুল্যকৰণ মানে প্ৰতিজন ব্যক্তিকে আত্মবিকাশৰ বাবে সমানে সুবিধা প্ৰদান কৰা। সমানীকৰণৰ সুযোগ প্ৰদানৰ ধাৰণাটো দুই ধৰণে ব্যাখ্যা কৰিব পাৰি; যেনে -

আনুভূমিক সমতুল্যতা আৰু উলম্বিক সমতুল্যতা। আনুভূমিক সমতুল্যতাই সমাজৰ প্ৰতিটো অংশকে সমানে সা-সুবিধা প্ৰদান কৰাটোত গুৰুত্ব দিয়ে। আনহাতে, উলম্বিক সমতুল্যতাই সমাজৰ কিছু অংশক বিশেষ সা-সুবিধা দিয়াৰ কথা বিবেচনা কৰে। এইক্ষেত্ৰত সমাজত সামাজিক মৰ্যদা উন্নত কৰি মানৱ অধিকাৰ পূৰ্ণ শতাংশই উপভোগ কৰিব পৰাকৈ অনুসূচিত জাতি-জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু সংখ্যালঘূ শ্ৰেণীৰ বাবে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সা-সুবিধাসমূহ বিশেষভাৱে উপলব্ধ কৰাটো চৰকাৰৰ এক বিশেষ পদক্ষেপ।

এইদৰে, সমাজৰ সকলো শ্ৰেণীৰ উন্নতিকল্পে দেশত শিক্ষাৰ গণতান্ত্ৰিক কৰণৰ ব্যৱস্থাক প্ৰতিষ্ঠা কৰি বয়স, লিংগ, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোলৈ শিক্ষাৰ সমতুল্য সুযোগ আগবঢ়ালেহে 'সকলোৰে বাবে শিক্ষা' আপ্তবাক্যশাৰী ফলিয়াব। শিক্ষাৰ এই সমতুল্য সা-সুযোগৰ বাবে প্ৰয়োজনীয় বিষয়বোৰ হ'ল -

- জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে সকলোৰে বাবে ন্যায় দান কৰা।
- এক সমমৰ্যদাপূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰা।
- শৈক্ষিক গণতন্ত্ৰক উদগনি দিয়া আৰু
- ৰাষ্ট্ৰৰ ক্ষীপ্ৰ উন্নয়ন নিশ্চিত কৰা। জনগণে শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিলে, তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ জৰিয়তে সমাজক লাভান্বিত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ গুৰুত্ব কি?

.....

.....

১৩.৩.১ শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ আইনী বিধি-ব্যৱস্থা

দেশৰ সংবিধানৰ নিৰ্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰ সমূহৰ জৰিয়তে শিক্ষাৰ সা-সুবিধাসমূহ সকলোৰে বাবে উপলব্ধ কৰিবলৈ ভালেমান উপায় প্ৰদান কৰিছে। এই উপায়সমূহ জনগণৰ ওচৰ চপাবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ে বিভিন্ন দায়িত্বসমূহ ভাগ-বটোৱাৰ কৰি ল'ব লাগিব। যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ এখন দেশ হিচাপে যিকোনো ৰাজ্যত পৰিকল্পনাৰ অৰ্ন্তভুক্তই হওঁক বা পৰিকল্পনা বৰ্হিভূত আঁচনিয়েই হওঁক, এইবোৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কেন্দ্ৰ-ৰাজ্য উভয়ে সমানে জগৰীয়া আৰু কেন্দ্ৰ-ৰাজ্যৰ সু-সম্পৰ্কৰ ওপৰত ভালেমান নিৰ্ভৰ কৰে। শিক্ষা বিষয়টো উভয় সূচীৰ অধীনৰ হোৱা বাবে ৰাজ্যসমূহত ইয়াৰ লগত জড়িত আঁচনিবোৰ কাৰ্যকৰী কৰাত কেন্দ্ৰ আৰু

ৰাজ্য চৰকাৰ সামানে দায়বদ্ধ।

ভাৰতীয় সংবিধান অনুসৰি শিক্ষাৰ ক্ষেত্ৰত প্ৰদান কৰা সা-সুবিধাসমূহৰ ক্ষেত্ৰত দেখা যায় যে ৰাজ্যিক সূচীৰ ৪৫ নং দফা অনুসৰি, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আঁচনি কার্যকৰী কৰাৰ নির্দেশনাৰ ভেটি হ'ল - "ৰাজ্য চৰকাৰে সংবিধানখন কার্যকৰী কৰাৰ দহ বছৰৰ ভিতৰতে দেশৰ প্ৰতিটো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব আৰু এই সুবিধা শিশুটো চৈধ্য বছৰীয়া নোহোৱা পর্যন্ত্য আগবঢ়াই যাব"। ইয়াৰ পৰা এইটো বুজা যাই যে

এটি শিশু চৈধ্য বছৰীয়া নোহোৱা পর্যন্ত্য দেশৰ প্ৰতিটো শিশুৱে বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ সুযোগ লাভ কৰিব; ইয়াৰ বাবে নির্দ্ধাৰিত কৰা সময় হ'ল দহ বছৰ মাত্ৰ।

২০০২ চনত ভাৰতীয় সংবিধানৰ ৮৬ সংখ্যক সংবিধান সংশোধনৰ (অনুচ্ছেদ ২১ক) মতে, ভাৰতীয় সংবিধানৰ নির্দেশাত্মক নীতিৰ তৃতীয় খণ্ডৰ শিক্ষা বিষয়টো মৌলিক অধিকাৰৰ চতুর্থ খণ্ডৰ অধীনলৈ আহে। এইদৰে শিক্ষা ভাৰতীয় নাগৰিকৰ বাবে এক জন্মস্বত্ব হৈ পৰে। ২০১০ চনৰ পহিলা এপ্ৰিলৰ পৰা শিক্ষাৰ অধিকাৰ আইনখন কার্যকৰী কৰিবলৈ লোৱা হয়। ইয়াৰ পিছৰে পৰা দেশৰ ৬ ৰ পৰা ১৪ বছৰীয়া প্ৰতিটো শিশুৰ বাবে শিক্ষা এক মৌলিক অধিকাৰ হৈ পৰে। এইদৰে বর্ণ, লিংগৰ বৈষম্যহীনভাৱে অষ্টম শ্ৰেণী পর্য্যন্ত প্ৰতিটো শিশুক বিনামূলীয়া শিক্ষা দিয়াত চৰকাৰ দায়বদ্ধ হৈ পৰে। এই পদক্ষেপে দেশখনৰ যুৱ শক্তিক বলীষ্ঠ, শিক্ষিত কৰি গঢ়ি তোলাৰ পথ সুগম কৰি তুলিলে।

প্ৰতিখন গণতান্ত্ৰিক দেশেই সকলোৰে বাবে সমানীকৰণৰ সা-সুবিধা প্ৰদানৰ বাবে কার্য কৰাটো এক সাধাৰণ নীতিৰূপে গ্ৰহণ কৰিছে। ডঃ ৰাধাকৃষ্ণনৰ মতে - " একমাত্ৰ গণতন্ত্ৰইহে সকলো লোকৰ অসমতুল্য প্ৰতিভা বিকাশৰ বাবে সমতুল্য সা-সুবিধা আগবঢ়ায়"।

মানৱ সম্পদ উন্নয়নেই শিক্ষাৰ প্ৰধান উদ্দেশ্যৰূপে এই সাংবিধানিক বিধি-ব্যৱস্থাই প্ৰতিষ্ঠা কৰিলে। দেশৰ সর্বতো উন্নয়নৰ আহিলা স্বৰূপে শিক্ষাই গুৰুত্ব পোৱা উচিত।

ভাৰতীয় সংবিধানৰ ৪৫, ২১ক, আৰু ১৬ অনুচ্ছেদৰ উপৰিও, ১৫, ১৬ (১), ১৭, ৩৮, ৩৯ আৰু ৪৬ অনুচ্ছেদৰ সমূহে নিশ্চয়তা দিছে যে কোনো ৰাজ্যই জনগণনৰ মাজত অঞ্চলভেদে, শ্ৰেণী, বর্ণ তথা ধর্মভেদে কোনো ধৰণৰ বৈষম্য আনিব নোৱাৰিব। সংবিধানৰ প্ৰস্তাৱনায়ো সকলো নাগৰিকৰ সমঅধিকাৰ নিশ্চিত কৰিছে। আমাৰ সংবিধানখনে সকলো জনগণৰ সকলো বিষয়তে, সকলো পৰিস্থিতিতে সমতাৰ কথাটো এক নীতি হিচাপে গ্ৰহণ কৰাটো প্ৰণিধানযোগ্য। অনুন্নত আৰু পিছপৰা শ্ৰেণীৰ উন্নয়ন আহিলাৰূপে শিক্ষাক প্ৰয়োগ কৰিব পৰাকৈ, সমতুল্য সা-সুবিধা আদায় দিয়াৰ বাবে সংবিধান প্ৰণেতাসকলে বিধি-ব্যৱস্থা কৰিছে আৰু ইয়াক আইন আৰু চৰকাৰী নির্দেশনাৰে প্ৰয়োগ কৰাৰ বাট প্ৰশস্ত কৰিছে।



জানি থোৱা ভাল

সংবিধানৰ ১৫ (১) অনুচ্ছেদ অনুসৰি - "কোনো ৰাজ্যই জনগণনৰ মাজত লিংগ, বর্ণ, সম্প্রদায়, ধর্ম তথা জন্মস্থানভেদে কোনো ধৰণৰ বৈষম্য আনিব নোৱাৰিব।"

সংবিধানৰ ১৫ (৩) অনুচ্ছেদ অনুসৰি - "কোনো বাধা-নিষেধে ৰাজ্য চৰকাৰ এখনক মহিলা আৰু শিশুৰ বাবে বিশেষ বিধি-ব্যৱস্থা কৰাত বাধা প্রদান কৰিব নোৱাৰিব।"

সংবিধানৰ ১৬ (১) অনুচ্ছেদ অনুসৰি - "ৰাজ্য চৰকাৰৰ অধীনৰ যিকোনো চৰকাৰী কার্যালয়ত নিযুক্তি পোৱাৰ ক্ষেত্রত সকলো নাগৰিকে সমতুল্য সা-সুবিধা পাব লাগিব।"

সংবিধানৰ ৩৯ (এ) অনুচ্ছেদ অনুসৰি - "পুৰুষ-নাৰী ব্যতিৰেকে সকলোৱে সমতাৰে উপযুক্ত জীৱিকা নির্বাহৰ উপায় গ্রহণৰ সুযোগ পাব লাগিব।"

সংবিধানৰ ১৭ অনুচ্ছেদ অনুসৰি - " দেশৰ পৰা 'অস্পৃশ্যতা' ক আঁতৰ কৰা হৈছে, ইয়াৰ প্রয়োগ নীতিবিৰুদ্ধ। অস্পৃশ্যতাৰ দোহাই দি কাৰোবাক অক্ষম বুলি ঘোষণা কৰাটো অক্ষমনীয় অপৰাধ আৰু ইয়াৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱাৰ সুযোগ দিয়া আছে। ৰাজ্য চৰকাৰ সমূহে সংবিধানৰ ৩৮ নং অনুচ্ছেদ অনুসৰি জনকল্যানৰ কার্যসূচী সমূহক উদগনি দিয়াৰ বাবে নিম্নোক্ত সামাজিক নির্দেশনাৰে নিশ্চিত কৰিব -

(১) ৰাষ্ট্রই সমূহ জাতীয় অনুষ্ঠানৰ জৰিয়তে এক সামাজিক ৰীতি হিচাপে জনগণৰ সামাজিক, অর্থনৈতিক, ৰাজনৈতিক জীৱনক নিশ্চয়তা আৰু নিৰাপত্তা প্রদান কৰি জনকল্যানক উন্নত কৰাৰ বাবে সদা যত্নপৰ হ'ব।

(২) ৰাষ্ট্রই জনগণৰ বাবে অর্থনৈতিক অসমতা দূৰ কৰি সমতা স্থাপনৰ লগতে; ব্যক্তি, সমাজ উভয় পৰিসৰতে, বসবাসৰ স্থান বা বৃত্তিগতভাৱে যি কর্মতে নিয়োজিত নহওক লাগে, সমমর্যদা হীনতা আৰু সুযোগ-সুবিধাৰ অসমতুল্যতা দূৰ কৰিবলৈ যত্নপৰ হ'ব।

সংবিধানৰ অনুচ্ছেদ নং ৪৬ ঃ অনুসূচীত জাতি আৰু জনজাতি তথা অন্যান্য পিছপৰা শ্রেণীৰ শৈক্ষিক আৰু অর্থনৈতিক স্বার্থ উন্নীতকৰণৰ বাবে -

ৰাষ্ট্রই সমাজৰ পিছপৰা শ্রেণীৰ শৈক্ষিক আৰু অর্থনৈতিক স্বার্থ সুৰক্ষিত আৰু উন্নীতকৰণৰ বাবে বিশেষ যত্নপৰ হোৱাৰ লগতে, বিশেষভাৱে অনুসূচীত জাতি আৰু জনজাতিৰ সামাজিক ন্যায় আৰু সকলো প্রকাৰৰ শোষণৰ পৰা মুক্ত কৰিবলৈ সকলো ধৰণৰ প্রচেষ্টা হাতত ল'ব।

সেইবাবে ভাৰতীয় সংবিধানত বিশেষভাৱে উল্লেখ আছে যে বর্ণ, সম্প্রদায়, ধর্ম, বৃত্তি তথা লিংগ ভিত্তিত কোনো লোককে বৈষম্যৰ দৃষ্টিৰে চাব নোৱাৰিব।

ভাৰতীয় সংবিধানৰ ২১(এ) আৰু ৪৫ এই দুয়োটা অনুচ্ছেদেই শিশুৰ শিক্ষাৰ লগত জড়িত। কিন্তু, দুয়োটা অনুচ্ছেদৰ মাজত কিছু পার্থক্য নোহোৱাও নহয়; সেইসমূহ হ'ল ঃ-

অনুচ্ছেদ নং ২১ (ক) জৰিয়তে নাগৰিকৰ মৌলিক অধিকাৰসমূহ, আনহাতে ৪৫ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্রৰ নির্দেশাত্মক নীতিসমূহ নিশ্চিত কৰা হয়।

অনুচ্ছেদ নং ২১ (ক) জৰিয়তে দেশৰ ৬ পৰা ১৪ বছৰৰ ভিতৰৰ সকলো শিশুক বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষা প্ৰদান কৰাটো নিশ্চিত কৰে। অন্যহাতে ৪৫ নং সূচীত উল্লেখ অনুসৰি ৬ বছৰ পৰ্য্যন্ত সকলো নবালক শিশুৰ যত্ন লোৱা আৰু বিনামূলীয়া তথা বাধ্যতামূলক অংকুৰণ শিক্ষা দিয়াৰ ক্ষেত্ৰত ৰাষ্ট্ৰ যত্নপৰ হ'ব। ৬ পৰা ১৪ বছৰৰ শিশুৰ বাবে বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰা নহ'লে দেশৰ যিকোনো লোকে সংবিধানৰ ২১ (এ) নং সূচীৰ অধীনত ন্যায় বিচাৰি ন্যায়ালয়ৰ কাষ চাপিব পাৰে। এই বিচাৰ ৪৫ নং সূচীৰ অধীনত নহয়। কোনো ন্যায়ালয়েই নবালক শিশুৰ যতন আৰু বিনামূলীয়া আৰু বাধ্যতামূলক অংকুৰণ শিক্ষা দিয়াৰ বিৰুদ্ধে পদক্ষেপ ল'ব নোৱাৰে। ইয়াৰ কাৰণ, সংবিধানৰ ৪৫ নং সূচী হ'ল ৰাষ্ট্ৰৰ বাবে নিৰ্দেশাত্মক নীতিহে মাত্ৰ, কাৰ্যবাহী বা বিধায়িনী দলে ইয়াৰ বাবে বিশেষ নীতি গ্ৰহণ নকৰা পৰ্য্যন্ত নিৰ্দেশাত্মক নীতি উলংঘনৰ বিৰুদ্ধে কোনো গোচৰ-মোকৰ্দ্দমা বৈধ নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ খালী ঠাই পূৰ কৰকঃ-

(ক) ..... চনত ভাৰতীয় সংবিধানৰ ..... শুদ্ধৰণি অনুসৰি ভাৰতীয় সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ শিক্ষা বিষয়টো মৌলিক অধিকাৰৰ অধীনলৈ আহে। (খালী ঠাই পূৰ কৰা)

(খ) শিক্ষাৰ অধিকাৰ আইন প্ৰণয়নৰ লগে লগে শিক্ষা এক জন্ম স্বত্ব হৈ পৰিল। (শুদ্ধ নে অশুদ্ধ?)

(গ) ভাৰতীয় সংবিধান মতে উভয় সূচীৰ বিষয়বোৰৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে সমানে দায়বদ্ধ। (শুদ্ধ নে অশুদ্ধ?)

(ঘ) ২০১০ চনৰ পহিলা এপ্ৰিলৰ পৰা শিক্ষা অধিকাৰ আইন বলৱত কৰা হয়। (শুদ্ধ নে অশুদ্ধ?)

প্ৰশ্ন নং ৩ঃ সংবিধানৰ ২১ (ক) আৰু ৪৫ নং অনুচ্ছেদৰ মাজৰ পাৰ্থক্যসমূহ কি কি?

.....

.....

১৩.৩.২ শৈক্ষিক সা-সুবিধাৰ সমানীকৰণৰ বাবে গ্ৰহণ কৰা ভিন্ন পদক্ষেপসমূহ

ওপৰৰ আলোচনাৰ পৰা ভাৰতীয় সংবিধানৰ "৪৫ নং অনুচ্ছেদ" আৰু "২১ (ক) নং অনুচ্ছেদৰ" দ্বাৰা প্ৰদত্ত সুবিধাৰ মাজৰ পাৰ্থক্যবোৰৰ লগতে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ আৰু উন্নয়ণৰ বাবে বিধিগত সমৰ্থন সম্পৰ্কে আমি জ্ঞাত হ'লো। চৰকাৰৰ তৰফৰ পৰা সকলোৱে

বাবে শিক্ষাৰ সুবিধা উপলব্ধ কৰিবলৈ বিভিন্ন আঁচনি আৰু পদক্ষেপ গ্ৰহণ কৰা হয়। ১৪ বছৰ বয়সলৈকে দেশৰ প্ৰতিটো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ বাবে চৰকাৰে কেনেধৰণৰ আঁচনি গ্ৰহণ কৰে, তাক জানিবলৈ বিতংভাৱে আলোচনা কৰা হওক।

ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৬৮

শিক্ষা আয়োগৰ (১৯৬৪-৬৬) অনুমোদনত উল্লেখ আছিল যে ৰাজ্য চৰকাৰৰ লগতে স্থানীয় প্ৰশাসনে শিক্ষাৰ আঁচনিসমূহ প্ৰণয়ন আৰু কাৰ্যকৰীকৰণৰ সুবিধা হোৱাকৈ ভাৰত চৰকাৰে এক বিবৃত্তি প্ৰকাশ কৰা উচিত। সেই মৰ্মেই ভাৰত চৰকাৰে ১৯৬৮ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ এখন সংকল্প প্ৰস্তাৱ প্ৰকাশ কৰিলে। ৰাষ্ট্ৰীয় শিক্ষা নীতি (১৯৬৮) এ নিৰীক্ষণ কৰে যাতে "সংবিধানৰ ৪৫ অনুচ্ছেদ নিৰ্দেশাত্মক নীতি অনুসৰি ১৪ বছৰ পৰ্য্যন্ত প্ৰতিটো শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা তাৎক্ষণিকভাৱে লাভ কৰাৰ বাবে পদক্ষেপ লোৱা হয়। বিদ্যালয়সমূহত চলি থকা অপচয় আৰু স্থবিৰতা নাশিবৰ বাবে, লগতে প্ৰতিটো শিশুৱে শিক্ষানুষ্ঠানত নামভৰ্ত্তি কৰি, সম্পূৰ্ণ পাঠ্যক্ৰম সফলতাৰে অন্ত কৰি যাতে ওলাব পাৰে তাৰ বাবে উপযুক্ত আঁচনি প্ৰস্তুতৰ বাবে বদ্ধপৰিকৰ হ'ব লাগিব।"

ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৮৬

বিভিন্ন প্ৰত্যাহ্বান আৰু সামাজিক প্ৰয়োজনৰ খাতিৰত চৰকাৰে এক নতুন শিক্ষা নীতি প্ৰণয়ন তথা কাৰ্যকৰী কৰাৰ প্ৰয়োজন হ'ল, সেইমৰ্মেই দেশৰ বাবে প্ৰস্তুত হ'ল নতুন শিক্ষা নীতি, ১৯৮৬। এই নতুন শিক্ষা নীতিৰ আঁচনিখনে নিম্নোক্ত বিষয়বোৰত গুৰুত্ব প্ৰদান কৰা দেখা যায়-

- ১৪ বছৰ বয়সলৈকে শিক্ষানুষ্ঠানত সাৰ্বজনীন নামভৰ্ত্তি আৰু সাৰ্বজনীন সংৰক্ষণ
- গুণযুক্ত শিক্ষাৰ যথাৰ্থ উন্নয়ন,
- অকালতে বিদ্যালয় এৰি যোৱা ছাত্ৰ, শিক্ষানুষ্ঠান নোহোৱা অঞ্চলৰ শিক্ষানুৰাগীৰ বাবে তাৰোপৰি কৰ্মত নিয়োজিত হৈ দিনৰ ভাগত শিক্ষানুষ্ঠানলৈ যাব নোৱাৰা শিক্ষানুৰাগীৰ বাবে অনানুষ্ঠানিক শিক্ষাৰ সুবিধা আগবঢ়াবলৈ প্ৰণালীৱদ্ধ প্ৰচেষ্টা কৰা
- প্ৰাথমিক শিক্ষানুষ্ঠানৰ সা-সুবিধাসমূহ প্ৰয়োজন অনুসাৰে কৰিবলৈ "অপাৰেচন ব্লেক ব'ৰ্ড" আঁচনিখন কাৰ্যকৰী কৰা।

জিলা প্ৰাথমিক শিক্ষা আঁচনি- (ডি. পি. ই. পি.)

নতুন শিক্ষা নীতি, ১৯৮৬ আঁচনিখন মূল্যায়ণ কৰিবলৈ ১৯৯০ চনত ভাৰত চৰকাৰে এখন কমিটি গঠন কৰি দিলে। ১৯৯০-৯২ চনৰ ভিতৰত ৰাষ্ট্ৰীয় শিক্ষানীতি, ১৯৮৬ আঁচনিখন পুনৰীক্ষণ কৰি সম্পূৰ্ণ কৰা হ'ল। দ্য প্ৰগ্ৰাম অৱ এক্চন, ১৯৯২ প্ৰতিবেদন অনুসৰি পিছপৰা জিলাসমূহত শিক্ষাৰ উন্নয়ন কৰাত গুৰুত্ব দিয়া উচিত। সেই প্ৰতিবেদন অনুসৰণ কৰিয়েই

১৯৯৩ চনত ভাৰত চৰকাৰে "জিলা প্ৰাথমিক শিক্ষা আঁচনি, চমুকৈ ডি. পি. ই. পি." আঁচনিখন প্ৰস্তুত কৰে। ডি. পি. ই. পি. ৰ জৰিয়তে জিলা পৰ্যায়লৈ শিক্ষা আঁচনি সমূহ বিকেন্দ্ৰীভূত কৰিব বিচৰা হ'ল। এই আঁচনিখন এনে দৰে প্ৰস্তুত কৰা হ'ল যাতে ইয়াৰ মাধ্যমেৰে শৈক্ষিক প্ৰয়োজনৰ সৈতে ৰজিতা খোৱাৰ লগে লগে সংশ্লিষ্ট জিলাৰ দাবীসমূহো পূৰ হয়। প্ৰাৰম্ভিক পৰ্যায়ত এই অভিযোজনা- অসম, হাৰিয়ানা, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, উৰিষ্যা, তামিলনাড়ু আৰু কেৰেলাকে ধৰি মুঠতে আঠখন ৰাজ্যৰ ৪৪ খন জিলাৰ বাবে প্ৰস্তুত কৰা হৈছিল। ক্ৰমান্বয়ে এই আঁচনি দেশৰ মুঠ ১৮ খন ৰাজ্যৰ ২৭৩ খন জিলালৈ সম্প্ৰসাৰিত হ'ল।

ডি পি ই পি আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

- প্ৰতিজন শিশুৱে উপভোগ কৰিব পৰাকৈ শিক্ষাৰ সুবিধা আগবঢ়োৱা (শ্ৰেণী - প্ৰথমৰ পৰা চতুৰ্থ, পঞ্চমলৈ)
- অকালতে বিদ্যালয় এৰা শিশুৰ হাৰ শতকৰা ১০ জনৰ তললৈ হ্ৰাস কৰি।
- প্ৰাথমিক পৰ্যায়ত শিক্ষণৰ গড় উৎকৰ্ষ সাধনৰ হাৰ প্ৰচলিত ভিত্তিৰেখাৰ ওপৰত ২৫ শতাংশ পৰ্যন্ত বৃদ্ধি।
- ভিন্ন সামাজিক গোটসমূহৰ মাজত নামভৰ্ত্তিকৰণ, অকালতে বিদ্যালয় এৰা আৰু শিক্ষণৰ উৎকৰ্ষ সাধনৰ মাজৰ ব্যৱধানসমূহ ৫ শতাংতকৈও নিম্নমানলৈ হ্ৰাস কৰি অনা।
- ডি পি ই পিয়ে সৰ্বাত্মক প্ৰক্ৰিয়াৰে চলিত সকলো আঁচনি তথা সম্পদক একীকৰণৰ ব্যৱস্থা কৰাত যত্নৱান হৈছিল।
- একোখন জিলাক ক্ষেত্ৰ ভিত্তিক প্ৰক্ৰিয়াৰে আঁচনি প্ৰস্তুত কৰা তথা কাৰ্যকৰীকৰণ ৰ বাবে সামৰি লোৱা।
- জিলা, মহকুমা কাৰ্যকৰ্ত্তাসকলৰ লগতে শিক্ষক, অভিভাৱক তথা সামূহিক সদস্যৰ সহযোগী প্ৰক্ৰিয়াৰে জিলাসমূহত আঁচনি প্ৰস্তুত কৰা হৈছিল।
- ডি. পি. ই. পি. ৰ প্ৰধান দায়িত্ব আছিল গুণগত প্ৰাথমিক শিক্ষা উপলব্ধ কৰা।
- প্ৰশিক্ষণৰ সংবৰ্দ্ধনকে ধৰি অন্যান্য উপায়েৰে গুণাগুণ বৃদ্ধিত প্ৰধান্য দিছিল।
- শিক্ষাৰ ব্যয় বহনৰ সম্ভাৱনাৰ লগত ডি পি ই পি হৈ পৰিল এক অতিৰিক্ত বোজা স্বৰূপ।

সৰ্ব শিক্ষা অভিযান

২০০২ চনৰ ৮৬ সংখ্যক সংবিধান সংশোধনীৰ পিছৰে পৰা ৬-১৪ বছৰীয়া শিশুৰ বাবে শিক্ষা এক মৌলিক অধিকাৰ হৈ পৰিল। ভাৰত চৰকাৰে ৬-১৪ বছৰীয়া সকলো শিশুৰ বাবে প্ৰাথমিক শিক্ষা আগবঢ়াবলৈ ২০০১ চনত "সৰ্ব শিক্ষা অভিযান" নামৰ আঁচনিখন প্ৰস্তুত কৰিলে। সামগ্ৰীক তথা সংযোগী আঁচনি হিচাপে সৰ্ব শিক্ষা অভিযানে আটাইবোৰ ৰাজ্যাৰ সকলো জিলাকে সামৰি লৈছে। ইয়াৰ জৰিয়তে লিংগ, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে ৬-১৪ বছৰীয়া সকলো শিশুৰ বাবে শিক্ষাৰ সুবিধা আগবঢ়াই সিহঁতৰ অঞ্চলবোৰত থকা সমূহীয়া

শিক্ষা কেন্দ্রবোৰৰ জৰিয়তে সিহঁতৰ সম্ভাৱনীতা বৃদ্ধি কৰাই মূল উদ্দেশ্য। নির্দ্ধাৰিত বয়সৰ সকলো শিশুকে সামৰি, অকালতে বিদ্যালয় এৰা সমস্যাটোৰ উপশম ঘটাই উন্নত বিদ্যায়তনিক আৰু সহযোগী শিক্ষা দান কৰাটোৱেই সর্ব শিক্ষা অভিযানৰ মূলমন্ত্র। এখন সুস্থ সমাজ গঠনৰ বাবে প্রতিটো শিশুৱে যাতে নিজকে সন্মানীয় নাগৰিকৰূপে গঢ় দি বিজ্ঞান, কাৰিকৰী, সাহিত্য, প্রশাসন আদি বিভিন্ন ক্ষেত্রত মূল্যবান অৰিহণা আগবঢ়াব পাৰে, তাৰ বাবে উপযুক্ত পৰিৱেশ গঢ়িবলৈও সর্ব শিক্ষা অভিযান বদ্ধপৰিকৰ। সমগ্র পাঠ্যক্রম প্রক্রিয়াটোক বিকেন্দ্রীকৰণ কৰি তৃণমূল পর্যায়ৰ পৰা জিলা আৰু ৰাজ্যিক পর্যায়লৈ বিভাগ কৰাত এই আঁচনিখনে গুৰুত্ব প্রদান কৰে। শিশু-কেন্দ্রীক আৰু কার্য-ভিত্তিক শিক্ষন প্রক্রিয়াক ইয়াত গুৰুত্ব প্রদান কৰা হৈছে। কর্ম কৰি শিকা, পর্যবেক্ষণৰ পৰা শিকা, কর্ম অভিজ্ঞতা, শিল্পকলা, সংগীত, ক্রীড়া আৰু প্রমূল্যবোধৰ শিক্ষা হ'ল শিকন প্রক্রিয়াৰ অবিচ্ছেদ্য অংগ। মূল্যাংকন ব্যৱস্থাত যথেষ্ট সাল-সলনি কৰা হৈছে, য'ত শিক্ষার্থীৰ অগ্রগতি সম্পর্কে অভিভাৱকৰ লগত নিয়মীয়াকৈ আলোচনা কৰি নিৰীক্ষণৰ ব্যৱস্থা কৰা হয়।

অভিযান হিচাপে সর্ব শিক্ষা অভিযানৰ উদ্দেশ্যসমূহ হ'ল ঃ-

- সকলো শিশু বিদ্যালয়ত, শিক্ষা সুনিশ্চিত কৰণ কেন্দ্র, বিকল্প বিদ্যালয়, ২০০৩ চনৰ ভিতৰত 'বিদ্যালয়লৈ প্রত্যাৱর্ত্' শীর্ষক শিবিৰ ২০০৩ চনৰ ভিতৰত আয়োজন কৰা।
- ২০০৭ চনৰ ভিতৰত সকলো শিশুৱে পাঁচ বছৰৰ প্রাথমিক শিক্ষা সম্পূর্ণ কৰিব
- ২০১০ চনৰ ভিতৰত সকলো শিশুৱে আঠ বছৰৰ মাধ্যমিক শিক্ষা সম্পূর্ণ কৰিব
- প্রথমিক শিক্ষাৰ সন্তোষজনক মানদণ্ড আৰু 'জীৱনৰ বাবে শিক্ষা' এই বিষয়ত গুৰুত্ব প্রদান
- ২০০৭ চনৰ ভিতৰত প্রাথমিক শিক্ষাত আৰু ২০১০ চনৰ ভিতৰত মাধ্যমিক শিক্ষাত লিংগ আৰু অন্যান্য সামাজিক ব্যৱধানসমূহ দূৰ কৰাত গুৰুত্ব প্রদান
- ২০১০ চনৰ ভিতৰত সার্বজনীন সংৰক্ষণ (Retention)।

২০০৯ চনত ভাৰত চৰকাৰে সর্ব শিক্ষা অভিযানৰ দৰেই **ৰাষ্ট্রীয় মাধ্যামক শিক্ষা অভিযান (আৰ এম এছ এ)** গঠন কৰি "সার্বজনীন অংশগ্রহণ" আৰু "মানসম্পন্ন মাধ্যমিক শিক্ষা" প্রাপ্য নিশ্চিত কৰিব বিচৰা হ'ল।

প্ৰাথমিক পৰ্যায়ত বালিকাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা আঁচনি

যিবোৰ অনুন্নত শিক্ষা খণ্ডত বালিকা সকলৰ বিদ্যালয়ত নামভৰ্ত্তিৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ তুলনামূলকভাৱে কম আৰু লিংগ বৈষম্যৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ অধিক, তেনে ক্ষেত্ৰত এই আঁচনি প্ৰয়োগ কৰা হ'ল। দেশৰ মুঠ ২৫ খন ৰাজ্যৰ প্ৰায় ৩২৮৬ টা অনুন্নত শিক্ষা খণ্ড এই আঁচনিৰ অধীনত সামৰি লোৱা হ'ল।

বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ৰাষ্ট্ৰীয় আঁচনি

নামভৰ্ত্তিৰ হাৰ বৃদ্ধিৰ লগতে সংৰক্ষণ আৰু উপস্থিতি নিয়মীয়াকৰণ আদিৰ উপৰি শিশুৰ মাজত পুষ্টিৰ ফলপ্ৰসু উন্নয়নৰ বাবে ১৯৯৫ চনৰ ১৫ আগষ্টৰ দিনা প্ৰাথমিকভাৱে দেশৰ ২৪০৮ টা শিক্ষা খণ্ডত কেন্দ্ৰীয় অৰ্থ সাহাৰ্যৰে প্ৰাথমিক শিক্ষাৰ বাবে পৰিপুষ্টি পৃষ্ঠপোষণৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী (এন পি- এন এচ পি ই) কাৰ্যকৰী কৰা হয়। ১৯৯৭-৯৮ বৰ্ষৰ শেহলৈকে দেশৰ প্ৰায় সকলো খণ্ড বা ব্লক সামৰি এই আঁচনিখন আগবঢ়োৱা হয়। ২০০৭ চনৰ অক্টোবৰ মাহত আঁচনিখন অধিক বহলাই ধৰি পূৰ্বৰ কেৱল পঞ্চম শ্ৰেণীলৈ সামৰাৰ পৰিৱৰ্ত্তে উচ্চ প্ৰাথমিকৰ ষষ্ঠ-অষ্টম শ্ৰেণীলৈকে সামৰাৰ বাবে পদক্ষেপ লয়। ইয়াৰ লগে লগে দেশৰ প্ৰতিটো প্ৰান্তত থকা চৰকাৰী বিদ্যালয়, স্থানীয় নিকায়সমূহৰ অধীনত থকা বিদ্যালয়, চৰকাৰী অনুদানেৰে চলা নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় বিদ্যালয় তথা ই জি এছ-এ আই ই কেন্দ্ৰসমূহ, সৰ্ব শিক্ষা অভিযানে সাহাৰ্য দিয়া মাদ্ৰাছা, মক্তব আদিক সামৰি লোৱা হয়। ২০১৬-১৭ বৰ্ষত ভাৰতৰ মুঠ ১১.৪৩ লাখ প্ৰাথমিক বিদ্যালয়ৰ ৯.৭৮ কোটি ছাত্ৰ-ছাত্ৰী মধ্যাহ্ন ভোজন আঁচনিৰ দ্বাৰা উপকৃত হয়।

কস্তুৰবা গান্ধী বালিকা বিদ্যালয়

সৰ্বশিক্ষা অভিযান আঁচনিৰ লগত সংগতি ৰাখি ২০০৪ চনৰ আগষ্ট মাহত ভাৰত চৰকাৰে শিক্ষাৰ দিশত পিছপৰা খণ্ডসমূহৰ অনুসূচীত জাতি-জনজাতি, অন্যান্য পিছপৰা আৰু সংখ্যালঘু শ্ৰেণীৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ কন্যা সন্তানক শিক্ষাৰ সুবিধা কৰাৰ বাবে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ আঁচনিখনৰ সহায়ত বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰে। কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ আঁচনিখনৰ জৰিয়তে সমাজৰ পিছপৰা লোকসকলৰ বাবে থকা-খোৱাৰ বন্দোৱস্তিৰে গ্ৰহণযোগ্য, বাস্তৱসন্মত আৱাসিক বিদ্যালয় স্থাপন কৰি শিক্ষা আগবঢ়োৱাৰ আঁচনি কৰা হয়।

স্ত্ৰী-শিক্ষাৰ ওপৰত গুৰুত্ব (সাক্ষৰ ভাৰত)

২০০৯ চনত ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান আঁচনিখন 'সাক্ষৰ ভাৰত' নামেৰে পুনৰ নামাকৰণ কৰি দেশৰ মুঠ নিৰক্ষৰ জনতাৰ মাজৰ পৰা প্ৰায় ৭ কোটিক সাক্ষৰ কৰি গঢ়ি, সাক্ষৰতাৰ হাৰ ৮০% পৰ্য্যন্ত স্পৰ্শ কৰি লিংগ বৈষম্যৰ হাৰ ২১% ৰ পৰা ১০% লৈ অৱনমিত কৰাৰ লক্ষ্য স্থিৰ

কৰা হ'ল। ৫০% বা তাৰো কম হাৰত প্ৰাপ্তবয়স্ক মহিলাৰ সাক্ষৰতা থকা দেশৰ ৩৬৫ খন জিলা বাচি উলিয়াই 'সাক্ষৰ ভাৰত' আঁচনিখন কাৰ্যকৰী কৰা হ'ল। পিছলৈ ২৭ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৪১০ খন জিলাৰ প্ৰায় ৬০ নিযুত মহিলাক লক্ষ্য কৰি আঁচনিখনৰ কলেৱৰ বৃদ্ধি কৰা হ'ল।

বিশেষভাৱে সক্ষম শিশুৰ ধৰণ, বিভাগ বা অক্ষমতাৰ মাত্ৰা আদি ব্যতিৰেকে বিশেষভাৱে সক্ষম সকলো ছাত্ৰ-ছাত্ৰীকে সামৰি 'অন্তৰ্ভুক্ত উন্নয়ন'ৰ আৰ্হিৰে অৰ্থপূৰ্ণ আৰু মানসম্পন্ন শিক্ষা আগবঢ়াই 'সহস্ৰাব্দ বিকাশৰ লক্ষ্য' আৰু 'বহনক্ষম উন্নয়নৰ লক্ষ্য' লৈ মানৱ সম্পদ গঠন আৰু মুক্ত বিশ্ব বিদ্যালয় স্থাপন কৰি সকলোৰে বাবে সম-সুবিধাৰ বৈষম্যদূৰীকৰণৰ শৈক্ষিক সামাজিক সুবিধা আদায় দিয়াৰ লক্ষ্য স্থিৰ কৰা হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খালী ঠাই পূৰ কৰক ঃ

(ক) ..... শিক্ষানুষ্ঠানৰ সা-সুবিধাসমূহ প্ৰয়োজন অনুসাৰে কৰিবলৈ "অপাৰেচন ব্লেক ব'ৰ্ড" আঁচনিখন কাৰ্যকৰী কৰা হৈছিল।

খ) ভাৰত চৰকাৰে..... চনত ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰস্তুত কৰিছিল।

গ) ডি পি ই পি (DPEP) ৰ সম্পূৰ্ণ অৰ্থ হ'ল .....।

ঘ) ইউ ই ই (UEE) ৰ সম্পূৰ্ণ অৰ্থ হ'ল .....।

ঙ) ভাৰত চৰকাৰে ইং .....চনত সৰ্ব শিক্ষা অভিযান আঁচনিখন আৰম্ভ কৰিছিল।

প্ৰশ্ন নং ৫ ঃ সৰ্ব শিক্ষা অভিযানৰ মূল মন্ত্ৰ কি?

.....

.....

১৩.৪ শিক্ষাৰ ক্ষেত্ৰত সমসুযোগ প্ৰদানৰ সমস্যাসমূহ

ভাৰত চৰকাৰে প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰণ কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ লগতে শৈক্ষিক সা-সুবিধাৰ সমতুল্যকৰণৰ বাবে প্ৰণয়ন কৰা ভিন্ন আইন আৰু নীতিসমূহৰ বিষয়ে আলোচনা কৰাৰ পিছত, এই অংশটোত আমি ভাৰতত শৈক্ষিক সা-সুবিধাৰ সমতুল্যকৰণত বাধাৰ সৃষ্টি কৰা ভিন্ন সমস্যাসমূৰ বিষয়ে আলোচনা কৰিমহঁক।

২০১১ চনৰ লোক পিয়ল অনুসৰি ভাৰতৰ শিক্ষিতৰ হাৰ আছিল ৭৪.৪% , আনহাতে ১৯৫১ চনৰ পিয়ল মতে এই হাৰ আছিল ১৮.৩৩% । তলৰ তালিকাখনৰ পৰাই আমি ১৯৫১ পৰা ২০১১ চনলৈ বিভিন্ন লোক পিয়ল মতে ভাৰতৰ শিক্ষিতৰ হাৰ জানিব পাৰিম।

তালিকা - ১ ঃ ভাৰতৰ শিক্ষিতৰ শতকৰা হাৰ

লোকপিয়লৰ বর্ষ	মুঠ সংখ্যা	পুৰুষ	মহিলা	পুৰুষ-মহিলাৰ শিক্ষিতৰ ব্যৱধান
১৯৫১	১৮.৩৩	২৭.১৬	৮.৮৬	১৮.৩০
১৯৬১	২৮.৩০	৪০.৪০	১৫.৩৫	২৫.০৫
১৯৭১	৩৪.৪৫	৪৫.৯৬	২১.৯৭	২৩.৯৮
১৯৮১	৪৩.৫৭	৫৬.৩৮	২৯.৭৬	২৬.৬২
১৯৯১	৫২.২১	৬৪.১৩	৩৯.২৯	২৪.৮৪
২০০১	৬৫.৩৮	৭৫.৮৫	৫৪.১৬	২১.৭০
২০১১	৭৪.৪	৮২.১৪	৬৫.৪৬	১৬.৬৮

(উৎসঃ- ভাৰতৰ লোকপিয়ল, ২০১১)

ওপৰৰ তালিকাখনৰ পৰা দেখা যায় যে ১৯৫১ চনত ১০০ লোকৰ ভিতৰত কেৱল ১৮ জনহে শিক্ষিত আছিল। এই সামান্য ১৮% পৰা ৭৪.৪% পাবলৈ দেশখনক ৬০ বছৰ সময়ৰ প্রয়োজন হ'ল। মহিলাৰ শিক্ষিতৰ হাৰ ১৯৫১ চনৰ সামান্য ৮.৯ ৰপৰা ২০১১ চনত ৬৫.৪৬ লৈ বৃদ্ধি পালে। লক্ষ্যনীয় কথাটো হ'ল ১৯৫১ চনৰ লোকপিয়লৰ পৰা ২০১১ চনলৈ মহিলাৰ শিক্ষিতৰ হাৰ আঠ গুণ বৃদ্ধিৰ বিপৰীতে পুৰুষৰ শিক্ষিতৰ হাৰ মাত্র তিনি গুণহে বৃদ্ধি পালে।

প্রাথমিক শিক্ষাৰ বাবে সর্বমুঠ নামভর্ত্তিৰ অনুপাত ২০১৪-১৫ বর্ষটোত ৯৬.৯% লৈ বৃদ্ধি পালে, য'ত ১৯৫০-৫১চনত এইটো আছিল কেৱল ৩২.১% । ৬-১৩ বছৰৰ শিশুৰ অকালতে বিদ্যালয় এৰাৰ শতকৰা হাৰ ২০০৬ চনৰ ৬.৯৪% ৰ পৰা ২০০৯ চনত ৪.২৮% লৈ অৱনমিত হ'ল। ২০১৪ বছৰটোত (৬-১৩ বছৰ বয়সৰ) শিশুৰ প্রাথমিক বিদ্যালয় এৰণৰ শতকৰা হাৰ ২.৯৭% লৈ নিম্নগামী হ'ল। তলৰ তালিকাখনৰ পৰা এইটো লক্ষ্য কৰিব পাৰি যে ভিন্ন কোণৰ ৰপৰা পৰা লক্ষ্য কৰিলে বিদ্যালয় এৰাৰ পৰিমান ভিন্ন হয়।

তালিকা - ২ ঃ ভাৰতত বিদ্যালয়ত প্রৱেশ নঘটা শিশুৰ শতকৰা হাৰ

প্রকাৰ	২০০৬	২০০৯	২০১৪
মুঠতে	৬.৯৪%	৪.২৮%	২.৯৭%
পুৰুষ	৬.১৮%	৩.৯২%	২.৭৭%
মহিলা	৭.৯২%	৪.৭১%	৩.২৩%
অনুসূচিত জাতিৰ শিশু	৮.১৭%	৫.৯৬%	৩.২৪%
অনুসূচিত জন-জাতিৰ শিশু	৯.৫৪%	৫.৬%	৪.২০%
অন্যান্য পিছপৰা শিশু	৬.৯০%	২.৬৭%	৩.০৭%
মুছলিম সংখ্যালঘু শিশু	৯.৯৭%	৭.৬৭%	৪.৪৩%

(উৎস ঃ কেন্দ্রীয় মানৰ সম্পদ উন্নয়ন মন্ত্রালয়ৰ বার্ষিক প্রতিবেদন ২০১৪-১৫)

কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ দৰে কিছুমান অনুষ্ঠানে কন্যা শিশুৰ বাবে শিক্ষাৰ সুবিধা আগবঢ়োৱাৰ বাবে কিছু কাম কৰি আছে; যেনে - যিসকল ছোৱালীয়ে নিয়মীয়াকৈ বিদ্যালয়লৈ যাব নোৱাৰে, যিসকলে দহ বছৰ মান বয়স হোৱাৰ লগে লগে বিদ্যালয় এৰে, যিসকলে প্ৰাথমিক শিক্ষা সমাপ্ত কৰিব নোৱাৰে বা যিসকলে স্থান সলনি হোৱাৰ বাবে নিম্ন প্ৰাথমিক আৰু প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিব নোৱাৰে ইত্যাদি। কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ে তেওঁলোকৰ মুঠ আসনৰ ৭৫% অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে আনহাতে ২৫% আসন দৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে। ২০১৫ চনৰ চেপ্তেম্বৰ মাহ পৰ্য্যন্ত ২৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এই আঁচনি কাৰ্যকৰী কৰি ৩৬০৯ খন কস্তুৰবা গান্ধী বালিকা বিদ্যালয় স্থাপন কৰে। এই ৩৬০৯ খন বিদ্যালয়ৰে ৩৫৯৩ খন বিদ্যালয় এতিয়াও স্বাভাৱিকৰূপত কাৰ্যক্ষম হৈ আছে। কস্তুৰবা গান্ধী বালিকা বিদ্যালয়সমূহত বিভিন্ন পৰ্যায়ত ছোৱালীৰ নামভৰ্ত্তিৰ ধৰণটো লক্ষ্য কৰিলে দেখা পাওঁ যে মুঠ ছোৱালীৰ নামভৰ্ত্তিৰ (৯৫.১%) অনুসূচিত জাতিৰ ছোৱালীৰ শতকৰা হাৰ ২৯.৯%, ইয়াৰ পিছে পিছে অনুসূচিত জাতিৰ শতকৰা হাৰ হ'ল ২৪.৮২% । অন্যান্য পিছপৰা শ্ৰেণীৰ ছোৱালীৰ এই বিদ্যালয়ত নামভৰ্ত্তিৰ হাৰ ৩১.২২% আৰু সংখ্যালঘু সম্প্ৰদায়ৰ ছোৱালীৰ শতকৰা হাৰ হ'ল ৬.১১% আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছোৱালীৰ শতকৰা হ'ল মাত্ৰ ৭.৯৫% (কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ বাৰ্ষিক প্ৰতিবেদন ২০১৪-১৫)। এইদৰে দেখা যায় যে বিদ্যালয়ত ছাত্ৰীৰ নাম ভৰ্ত্তিৰ ধৰণটোৰ বিভিন্ন পৰ্যায়ত বহুত ভিন্নতা আছে।

২০১৪-১৫ বৰ্ষটোত মাধ্যমিক স্তৰত (নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ) সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ ৭৮.৫% আৰু উচ্চতৰ মাধ্যমিক স্তৰত (একাদশ আৰু দ্বাদশ শ্ৰেণীত) এই হাৰ ৫৪.২% । আকৌ, এই আটাইবোৰৰ মাজত অনুসূচীত জাতিৰ মাজৰ পৰা সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ ৮২.৭% (নৱম আৰু দশম শ্ৰেণী), আৰু ৫৪.৩% (একাদশ আৰু দ্বাদশ শ্ৰেণী), যি ক্ষেত্ৰত অনুসূচীত জনজাতিৰ এই হাৰ ক্ৰমে ৭২.২% (নৱম আৰু দশম শ্ৰেণী) আৰু ৩৮.৮% (একাদশ আৰু দ্বাদশ শ্ৰেণী)।

উৎস ঃ (NEUPA, New Delhi, website: http://dise.in)

আমি যদি উচ্চ শিক্ষা ক্ষেত্ৰৰ সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰলৈ চকু দিওঁ তেন্তে দেখা পাওঁ যে বিশ্বৰ উন্নত দেশসমূহৰ সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰৰ তুলনাত ভাৰতৰ এই হাৰ তুলনামূলক ভাৱে নিম্ন। বৰ্ত্তমান ভাৰতৰ উচ্চ স্তৰৰ শিক্ষা খণ্ডৰ (১৮-২৩ বছৰ বয়সৰ) সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ হ'ল ২৪.৩% । ল'ৰাৰ মাজৰ সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ ২৫.৩% আৰু ছোৱালীৰ মাজৰ হিচাপটো হ'ল ২৩.২% । সৰ্বভাৰতীয় ২৪.৩% হাৰৰ তুলনাত অনুসূচীত জাতিৰ মাজৰ এই হাৰ হ'ল ৯.১% আৰু অনুসূচীত জনজাতিৰ মাজৰ হাৰ হ'ল ১৩.৭% (AISHE 2014 -15) । দৰাচলতে ভাৰতত সকলোৰে বাবে উচ্চ শিক্ষা উপলব্ধ কৰাটো এক সপোনহে মাত্ৰ। শিক্ষানুষ্ঠানত নামভৰ্ত্তিৰ ক্ষেত্ৰত লিংগভেদে যথেষ্ট ব্যৱধান থকাৰ লগতে বিভিন্ন শিক্ষাৰ বিভাগবোৰত লিংগ বৈষম্যও বৰ্ত্তমান। ভাৰতৰ ক্ষেত্ৰত সৰ্বমুঠ নামভৰ্ত্তিৰ

অনুপাতিক হাৰটো বৰ্ত্তমানেও এক ভীষণ প্ৰত্যাহ্বান হৈ আছে। বিশ্বৰ নিম্ন মধ্যবিত্তৰ দেশসমূহৰ তুলনাতো আমাৰ দেশৰ বৰ্ত্তমানৰ সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ কম। জনগাঁঠনিৰ ফালৰ পৰা ভাৰতৰ বিস্তৰ সম্ভাৱনা থাকিলেও, ইয়াৰ বৰ্ত্তমানৰ যি ২৫% তকৈও নিম্ন সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ, তুলনামূলকভাৱে জনসংখ্যা বৃদ্ধিৰ হাৰতকৈ কম। ২০২০ চনৰ ভিতৰত ভাৰতে সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ ৩০% পৰ্য্যন্ত কৰাৰ লক্ষ্য স্থিৰ কৰাৰ বিপৰীতে বিশ্বৰ উন্নত দেশৰ মাজত এই হাৰ ৬০% তকৈও অধিক। ভাৰতত উচ্চ শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত আনকি সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰৰ আন্তঃৰাজ্যিক ভিন্নতা থকাটোও পৰিলক্ষিত হয়।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈ পৰে যে সকলোৰে বাবে শিক্ষাৰ সা-সুবিধা উপলব্ধ কৰোৱাবলৈ বিভিন্ন আঁচনি-পৰিকল্পনা গ্ৰহণ আৰু কাৰ্যকৰীকৰণ কৰাৰ পিছতো নিৰ্দ্ধাৰিত লক্ষ্য পূৰণৰ বাবে এতিয়াও বহু দূৰ বাট যাবলৈ বাকী আছে।

শিক্ষাৰ ক্ষেত্ৰত থক সুযোগৰ অসমতাৰ কাৰকসমূহ ঃ-

সমাজত সমতা প্ৰতিষ্ঠাৰে সামাজিক ন্যায় নিশ্চিত কৰাৰ ক্ষেত্ৰত সকলোৰে বাবে শিক্ষাৰ সুবিধা দিয়াটোৱেই হৈছে আটাইতকৈ উত্তম কৌশল। পৰিতাপৰ কথাটো হ'ল সমাজত বৰ্ত্তি থকা অসমতাৰ লক্ষ্যণবোৰৰ মাজত প্ৰচলিত শিক্ষা ব্যৱস্থাটোও এক সংযোজিত বিষয় হৈ ধৰা দিছে। সকলোৰে বাবে শিক্ষাৰ সমান সুযোগ প্ৰদানৰ ক্ষেত্ৰত এইটোৱেই বৰ্ত্তমান প্ৰধান সমস্যা হৈ থিয় দিছে। তলত দিয়া কাৰকবোৰৰ বাবেই শিক্ষাৰ সুযোগৰ অসমতা সৃষ্টি হৈছে ।

- শিক্ষাৰ সুযোগৰ অসমতাৰ এটা প্ৰধান কাৰক হৈছে দৰিদ্ৰতা। দৰিদ্ৰতাৰ বাবে শিক্ষাৰ সুযোগৰ অসমতাৰ সৃষ্টি হয়। দৰিদ্ৰ পৰিয়ালে শিক্ষাৰ ব্যয় বহন কৰিব নোৱাৰে।
- আন্তঃগাঠনি আৰু চহৰ-নগৰৰ বৈষম্য, এইদুটাও শিক্ষাৰ অসমতাৰ উল্লেখনীয় কাৰক। গ্ৰাম্যাঞ্চলৰ সামান্য সা-সুবিধাৰ মাজত পঢ়া ল'ৰা-ছোৱালীয়ে চহৰাঞ্চলৰ উন্নত সা-সুবিধা লৈ পঢ়া ল'ৰা-ছোৱালীৰ লগত ফেৰ মাৰি আগবাঢ়িব লগা হয়। গ্ৰাম্যাঞ্চলত অনুন্নত সা-সুবিধাৰে পঢ়িব লগা হোৱাটোৱেই তেওঁলোকৰ অনুন্নত প্ৰদৰ্শনৰ কাৰক হৈ পৰে। প্ৰাথমিক, মাধ্যমিক বা উচ্চ শিক্ষানুষ্ঠান নোহোৱা অঞ্চলৰ ল'ৰা-ছোৱালীয়ে ওচৰৰ আন ল'ৰা-ছোৱালীয়ে ভোগ কৰা সা-সুবিধাবোৰৰ পৰা বঞ্চিত হ'ব লগা হয়।
- ঘৰুৱা পৰিৱেশৰ ভিন্নতাৰ বাবেও ব্যাপক অসমতা দেখিবলৈ পোৱা যায়। উচ্চ স্তৰৰ শিক্ষিত পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে উপলব্ধ সা-সুবিধাসমূহৰ সমতুল্য সা-সুবিধা গাওঁ বা বস্তি এলেকাৰ ল'ৰা-ছোৱালীয়ে কেতিয়াও লাভ কৰিব নোৱাৰে।
- বহুসময়ত ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত যিবোৰ বাধা-নিষেধ আৰোপ কৰা হয়, তাৰ বাবেও ভাৰতত শিক্ষাৰ ক্ষেত্ৰত লিংগ বৈষম্য সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। সেই বাবেই স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত ল'ৰাৰ সমান গুৰুত্ব আৰু উৎসাহ দিয়া দেখা পোৱা নাযায়।
- উচ্চ সম্প্ৰদায়ৰ মাজত শিক্ষাৰ যিমান গুৰুত্ব সিমান গুৰুত্ব অনুসূচিত জাতি-জনজাতি আৰু আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ মাজত দেখিবলৈ পোৱা নাযায়। সমাজৰ অন্যান্য সম্প্ৰদায়বিলাকৰ তুলনাত এই পৰিয়ালবোৰৰ মাজত শিক্ষাৰ গুৰুত্ব আৰু ইয়াৰ দীৰ্ঘম্যাদী

সু-ফলৰ বিষয়ে উপলব্ধি অতি পুতৌজনক পৰিস্থিতিত আছে।

- প্ৰাকৃতিক দুৰ্যোগ আৰু বিপৰ্যয়েও সমাজলৈ বিভিন্ন বৈষম্য কঢ়িয়াই আনে। সমাজৰ ভিন্ন লোকৰ মাজত থকা-নথকা, ধনী-দুখীয়া আদি ভিন্নতা সৃষ্টি কৰি শিক্ষাৰ অসমতা কঢ়িয়াই আনে।
- চৰকাৰী আঁচনি তথা নীতি-নিয়ম সমূহৰ সফল ৰূপায়ণ নোহোৱাৰ বাবেও সমাজত শিক্ষাৰ ক্ষেত্ৰত সমতা, ন্যায় আৰু মানযুক্ত শিক্ষাৰ সুনিশ্চিতকৰণ হোৱা নাই।
- বিভিন্ন অন্যান্য প্ৰত্যাহ্বানৰ বাবেও সমাজত শিক্ষাৰ সুবিধাৰ ক্ষেত্ৰত সমতা স্থাপনত ব্যাঘাত জন্মে। নিম্ন আয়ৰ পৰিয়ালৰ লোকে আৰ্থিক অনাটন দূৰ কৰাত সকাহ পোৱাৰ আশাত নিজ সন্তানক শ্ৰম কৰিবলৈ উলিয়াই পঠিয়ায়। কম বয়সত বিয়া-বাৰু কৰা, জীৱিকাৰ সন্ধানত ওলাই যোৱা, ছোৱালীৰ তুলনাত ল'ৰাক অধিক গুৰুত্ব দিয়া, ঘৰতে থাকি কনিষ্ঠ সহোদৰৰ যতন লোৱা, অতিৰিক্ত বিদ্যালয়ৰ প্ৰয়োজনীয়তা, এজনীয়া শিক্ষকৰ বিদ্যালয়, শিক্ষাৰ উন্নতিৰকল্পে অৰ্থৰ অভাৱ আদি কাৰক বোৰৰ বাবে সমান শিক্ষাৰ সুবিধা উপলব্ধ ভাৰতত হোৱা নাই।

ভাৰতৰ দৰে এখন গণতান্ত্ৰিক দেশত প্ৰতিজন নাগৰিকে অৰ্থবহ আৰু সফল জীৱন অতিবাহিত কৰিবলৈ হ'লে বৃহৎ সম্ভাৱনীয়তাৰ বৃহদাংশ সামৰি শিক্ষাৰ সুবিধা আগবঢ়োৱাটো অতি প্ৰয়োজন। মানৱ অধিকাৰ নিশ্চিতকৰণৰ লগতে সম্প্ৰসাৰণৰ বাবে দক্ষতা ভিত্তিক শিক্ষাৰ কাৰ্যসূচীৰে জনসাধাৰণক শিক্ষাৰ ফচল লাভৰ বাবে আনুষ্ঠানিক শিক্ষা প্ৰতিষ্ঠানৰ লগতে 'অনলাইন' দূৰ শিক্ষন প্ৰতিষ্ঠান সমূহে এক উল্লেখনীয় ভূমিকা পালন কৰে। একমাত্ৰ শিক্ষাৰ জৰিয়তেই এজন লোকে নিজৰ জ্ঞান-বুদ্ধি, মনোবৃত্তিৰ উত্তৰণ ঘটাই নিজৰ সম্ভাৱনীতা আৰু দক্ষতা বৃদ্ধি কৰিব পাৰে। এই ব্যৱস্থাৰেহে আমি ভাৰতত এখন সাম্যভাৱাপন্ন সমাজ গঢ় দিবলৈ সক্ষম হ'ম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন - ৬) খালী ঠাই পূৰ কৰা ঃ

(ক) ভাৰতত ১৯৫১ চনত শিক্ষিতৰ হাৰ আছিল.....।

(খ) ২০১৪-১৫ বৰ্ষটোত ৬-১৪ বছৰ বয়সৰ মাধ্যমিক স্তৰত সৰ্বমুঠ নামভৰ্ত্তিৰ অনুপাতিক হাৰ ..... আৰু ১৯৫০-৫১ বৰ্ষটোত এই হাৰ আছিল.....।

(গ) ৬-১৩ বছৰৰ শিশুৰ অকালতে বিদ্যালয় এৰা শতকৰা হাৰ ২০০৬ চনত আছিল..... আৰু ২০০৯ চনত এইটো হ'লগৈ.....।

(ঘ) ২০১৪ বছৰটোত ৬-১৩ বছৰ বয়সৰ শিশুৰ অকালতে প্ৰাথমিক বিদ্যালয় এৰা শতকৰা হাৰ ....লৈ অৱনমিত হ'ল ।

(ঙ) কস্তুৰবা গান্ধী বালিকা বিদ্যালয়সমূহত মুঠ ছোৱালীৰ নামভর্ত্তিৰ (৯৫.১%) অনুসূচিত জাতিৰ ছোৱালীৰ শতকৰা হাৰ ..... ইয়াৰ পিছে পিছে অনুসূচিত জাতিৰ শতকৰা হাৰ হ'ল .....%।

(চ) ২০১৪-১৫ বর্ষটোত ভাৰতত উচ্চ স্তৰত (১৮-২৩ বছৰৰ বয়সৰ) সর্বমুঠ নামভর্ত্তিৰ অনুপাতিক হাৰ আছিল.....।

প্রশ্ন - ৭) ভাৰতত কস্তুৰবা গান্ধী বালিকা বিদ্যালয় স্থাপন কৰাৰ উদ্দেশ্য কি?

.....

.....

প্রশ্ন - ৮) ভাৰতত কস্তুৰবা গান্ধী বালিকা বিদ্যালয় স্থাপন কৰাৰ উদ্দেশ্য কি?

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰৰ কল্যাণৰ স্বার্থতে, দেশৰ প্রতিজন নাগৰিকে সংবিধান প্রদত্ত সম-অধিকাৰ তথা সমমান সা-সুবিধা উপভোগ কৰাৰ সুযোগ লাভ কৰা উচিত।
- পৰিতাপৰ কথা হ'ল যে সামাজিক বৈষম্য, সামাজিক বর্জনীয়তা, একে সম্প্রদায়ৰে আন সদস্য সকলৰ দ্বাৰা প্রান্তীয়কৰণ আদি ব্যৱস্থাবোৰে একেখন চালিৰ তলতে একেলগে বাস কৰা লোকৰ মাজতো বিভেদ সৃষ্টি কৰে। এইদৰে এইটো স্পষ্টতঃ ধৰা পৰে যে অনুসূচিত জাতি, জনজাতিৰ বা আন সংখ্যালঘু সমাজৰ মহিলা সকল সংবিধান প্রদত্ত সমতাৰ অধিকাৰ বা আন সা-সুবিধা গ্রহণৰ সুযোগ প্রাপ্তিৰ ক্ষেত্রত প্রান্তীয়কৰণৰ বলী হৈ পিছপৰি থাকিব লগা হয়।
- পুৰুষতান্ত্রিক সমাজ ব্যৱস্থা, ধর্ম, দৰিদ্রতা, জাতিভেদ প্রথা বা অন্যান্য ৰীতিগত ব্যৱস্থাবোৰে তেওঁলোকক বিশেষাধিকাৰ ৰহিত হিচাপে গঢ় দিয়াৰ লগতে, কেতিয়াবা শোষণ-নিপীড়নো কৰে। সমাজৰ দীর্ঘকালীন হিতৰ বাবে উন্নয়নৰ সকলো বিভাগতে ন্যায়ৰ সমানীকৰণৰ বিতৰণ ব্যৱস্থাৰ প্রয়োজন আছে। সেয়ে সমাজৰ সমন্বিত উন্নয়নৰ গতি ত্বৰান্বিত কৰিবলৈ উচিত শিক্ষা ব্যৱস্থাৰ অতি প্রয়োজন।
- শিক্ষাই দেশ আৰু সমাজৰ মঙ্গলৰ বাবে মানৱ সম্পদ গঠন কৰে। এইবাবেই দেশৰ প্রতিজন লোকৰে বাবে সুচলৰূপত শিক্ষাৰ সুবিধাসমূহ সৃষ্টি কৰাটো অতি জৰুৰী কথা। এই কথাৰ গুৰুত্ব তথা মূল্য উপলব্ধি কৰি ভাৰত চৰকাৰে দেশৰ প্রতিজন নাগৰিকে শিক্ষাৰ পোহৰ পোৱাটো নিশ্চিত কৰি শিক্ষাক মৌলিক অধিকাৰ হিচাপে গণ্য কৰাৰ বাবে এই দেশত বসবাস কৰা প্রতিজন নাগৰিকৰে জন্মস্বত্ব হৈ পৰিছে।

- শিক্ষার্থীসকলৰ বাবে মাধ্যমিক আৰু উচ্চ শিক্ষা লাভৰ প্ৰয়াসত প্ৰাথমিক শিক্ষা এক জখলা স্বৰূপ। ভাৰতত ছবছৰত এটি শিশুৱে বিদ্যালয়ত প্ৰথম ভৰি দিব লাগে আৰু এই সময়খিনি ছবছৰৰ পৰা চৈধ্য বছৰ পৰ্যন্ত্য আগুৰি লৈ প্ৰথমৰ পৰা অষ্টম শ্ৰেণীলৈ সামৰে।
- ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ জৰিয়তে বিভিন্ন আঁচনি যেনে- সৰ্ব শিক্ষা অভিযান, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, মধ্যাহ্ন ভোজনৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, সাক্ষৰ ভাৰত, 'অৰ্ন্তভুক্ত উন্নয়ন'ৰ আৰ্হিৰে অৰ্থপূৰ্ণ আৰু মানসম্পন্ন শিক্ষা আগবঢ়াই 'নিযুত উন্নয়নৰ লক্ষ্য' আৰু 'বহনক্ষম উন্নয়নৰ লক্ষ্য' লৈ মানৰ সম্পদ গঠন আৰু মুক্ত বিশ্ব বিদ্যালয় স্থাপন কৰি সকলোৰে বাবে সম-সুবিধাৰ বৈষম্যদূৰীকৰণৰ শৈক্ষিক সামাজিক সুবিধা আদায় দিয়াৰ লক্ষ্য স্থিৰ কৰা হ'ল।
- সকলোৰে বাবে শিক্ষাৰ সমতুল্য বা সমমানবিশিষ্ট সা-সুবিধা সৃষ্টিৰ কিছুমান অন্তৰায় হ'ল অভিভাৱকৰ পাৰ্থক্য, বাল্যবিবাহ, শিশু শ্ৰমিক, দৰিদ্ৰতা আদিৰ দৰে কিছুমান সামাজিক ব্যাধি; প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ঘটনা, চৰকাৰী আঁচনিৰ পূৰ্ণ ৰূপায়ণহীনতা; আকৰ্ষণহীন শিক্ষা ব্যৱস্থা, ৰুচীহীন পাঠ্যক্ৰম, ত্ৰুটিপূৰ্ণ পৰীক্ষা ব্যৱস্থা, একক শিক্ষকৰ বিদ্যালয়, অনুন্নত পৰিকাঠামো ইত্যাদি শৈক্ষিক আসোৱাহসমূহ।



১৩.৬ অধিক জানিবলৈ

1. Position paper, "National Focus Group on Gender Issues in Education". Published by- National Council of Educational Research and Training, 2006.
2. Annual Report, 2014-15, Ministry of Human Resource Development, Government of India.



১৩.৭ অগ্ৰগতি খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এখন দেশৰ সৰ্বতো প্ৰকাৰৰ আৰ্থ-সামাজিক উন্নয়নৰ ভেটি হ'ল শিক্ষা। ধৰ্ম, সম্প্ৰদায় , গোষ্ঠী, লিংগ নিৰ্বিশেষে সকলো শিশুৰে বাবে শিক্ষাৰ সুবিধা সুচল কৰাৰ লগতে শিক্ষাৰ প্ৰকৃত গণতান্ত্ৰিকতাৰ সোৱাদেৰে শিক্ষা সকলোৰে জন্মস্বত্ব হিচাপে স্বীকৃতি দি ভাৰত চৰকাৰে সময়ে সময়ে বিভিন্ন আঁচনিৰ জৰিয়তে শিক্ষাৰ সাৰ্বজনীনকৰণ কৰাৰ প্ৰয়াস কৰে। ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ পূৰ্ণ সুযোগ পোৱাকৈ শিক্ষাৰ সুবিধাসমূহ আদায় দিব লাগিব। শিক্ষাৰ সমানীকৰণৰ সা-সুযোগৰ বাবে প্ৰয়োজনীয় বিষয়বোৰ হ'ল -

- জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে সকলোৰে বাবে ন্যায় দান কৰা।

- এক সমমর্যদাপূর্ণ সমাজ প্রতিষ্ঠা কৰা।
- শৈক্ষিক গণতন্ত্র উদগনি দিয়া আৰু
- ৰাষ্ট্রৰ ক্ষীপ্র উন্নয়ন নিশ্চিত কৰা। জনগণে শিক্ষা গ্রহণৰ সুযোগ লাভ কৰিলে, তেওঁলোকৰ সুপ্ত প্রতিভা বিকাশৰ জৰিয়তে সমাজক লাভান্বিত কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ২০০২ চনৰ, ৮৬ সংখ্যক শুদ্ধৰণি, (খ) শুদ্ধ, (গ) শুদ্ধ, (ঘ) শুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় সংবিধানৰ ২১(ক) আৰু ৪৫ এই দুয়োটা অনুচ্ছেদৰ মাজত পার্থক্যসমূহ হ'ল ঃ-

- অনুচ্ছেদ নং ২১ (ক) জৰিয়তে নাগৰিকৰ মৌলিক অধিকাৰসমূহ নিশ্চিত কৰা হয়, আনহাতে ৪৫ নং সূচী হ'ল ৰাষ্ট্রৰ নির্দেশাত্মক নীতিহে।
- অনুচ্ছেদ নং ২১ (ক) জৰিয়তে দেশৰ ৬ পৰা ১৪ বছৰৰ ভিতৰৰ সকলো শিশুক বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষা প্রদান কৰাটো নিশ্চিত কৰে। অন্যহাতে ৪৫ নং অনুচ্ছেদত উল্লেখ অনুসৰি ৬ বছৰ পর্য্যন্ত সকলো নবালক শিশুৰ যত্ন লোৱা আৰু বিনামূলীয়া তথা বাধ্যতামূলক অংকুৰণ শিক্ষা দিয়াৰ ক্ষেত্রত ৰাষ্ট্র যত্নপৰ হ'ব। ৬ পৰা ১৪ বছৰৰ শিশুৰ বাবে বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰা নহ'লে দেশৰ যিকোনো লোকে সংবিধানৰ ২১ (ক) নং অনুচ্ছেদৰ অধীনত ন্যায় বিচাৰি ন্যায়ালয়ৰ কাষ চাপিব পাৰে। এই বিচাৰ ৪৫ নং অনুচ্ছেদৰ অধীনত নহয়। কোনো ন্যায়ালয়েই নবালক শিশুৰ যতন আৰু বিনামূলীয়া আৰু বাধ্যতামূলক অংকুৰণ শিক্ষা দিয়াৰ বিৰুদ্ধে পদক্ষেপ ল'ব নোৱাৰে। ইয়াৰ কাৰণ, সংবিধানৰ ৪৫ নং সূচী হ'ল ৰাষ্ট্রৰ বাবে নির্দেশাত্মক নীতিহে মাত্র, কার্যবাহী বা বিধায়িনী দলে ইয়াৰ বাবে বিশেষ নীতি গ্রহণ নকৰা পর্য্যন্ত নির্দেশাত্মক নীতি উলংঘনৰ বিৰুদ্ধে কোনো গোচৰ-মোকর্দ্দমা বৈধ নহয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) প্রাথমিক খ) ১৯৮৬ চন
গ) জিলা প্রাথমিক শিক্ষা আঁচনি (ডি পি ই পি)
ঘ) প্রাথমিক শিক্ষা সার্বজনীনকৰণ
ঙ) ২০০১ চন

৫ নং প্রশ্নৰ উত্তৰ ঃ নির্দ্ধাৰিত বয়সৰ সকলো শিশুকে সামৰি, অকালতে বিদ্যালয় এৰা সমস্যাটোৰ উপশম ঘটাই উন্নত বিদ্যায়তনিক আৰু সহযোগী শিক্ষা দান কৰাটোৱেই সর্ব শিক্ষা অভিযানৰ মূলমন্ত্র। এখন সুস্থ সমাজ গঠনৰ বাবে প্রতিটো শিশুৱে যাতে নিজকে সন্মানীয় নাগৰিকৰূপে গঢ় দি বিজ্ঞান, কাৰিকৰী, সাহিত্য, প্রশাসন আদি বিভিন্ন ক্ষেত্রত মূল্যবান অৰিহণা আগবঢ়াব পাৰে, তাৰ বাবে উপযুক্ত পৰিৱেশ গঢ়িবলৈও সর্ব শিক্ষা অভিযান বদ্ধপৰিকৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ক) ১৮.৩০% খ) ৯৬.৯%, ৩২.১%
গ) ৬.৯৪%, ৪.২৮% ঘ) ২.৯৭% ঙ) ২৯.৯%, ২৪.৮২%
চ) ২৪.৩%

৭ নং প্রশ্নৰ উত্তৰ ঃ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ দৰে কিছুমান অনুষ্ঠানে কন্যা শিশুৰ বাবে

শিক্ষাৰ সুবিধা আগবঢ়োৱাৰ বাবে কিছু কাম কৰি আছে; যেনে - যিসকল ছোৱালীয়ে নিয়মীয়াকৈ বিদ্যালয়লৈ যাব নোৱাৰে, যিসকলে দহ বছৰ মান বয়স হোৱাৰ লগে লগে বিদ্যালয় এৰে, যিসকলে প্ৰাথমিক শিক্ষা সমাপ্ত কৰিব নোৱাৰে বা যিসকলে পৰিব্ৰজনৰ বাবে নিম্ন প্ৰাথমিক আৰু প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিব নোৱাৰে ইত্যাদি। কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ে তেওঁলোকৰ মুঠ আসনৰ ৭৫% অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে আনহাতে ২৫% আসন দৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজত সমতা প্ৰতিষ্ঠাৰে সামাজিক ন্যায় নিশ্চিত কৰাৰ ক্ষেত্ৰত সকলোৰে বাবে শিক্ষাৰ সুবিধা দিয়াটোৱেই হৈছে আটাইতকৈ উত্তম কৌশল। পৰিতাপৰ কথাটো হ'ল সমাজত বৰ্ত্তি থকা অসমতাৰ লক্ষ্যণবোৰৰ মাজত প্ৰচলিত শিক্ষা ব্যৱস্থাটোও এক সংযোজিত বিষয় হৈ ধৰা দিছে। সকলোৰে বাবে শিক্ষাৰ সমমান সুযোগ প্ৰদানৰ ক্ষেত্ৰত এইটোৱেই বৰ্ত্তমান প্ৰধান সমস্যা হৈ থিয় দিছে। ঘৰুৱা পৰিৱেশৰ ভিন্নতা, দৰিদ্ৰতা,আন্তঃগাঠনি আৰু চহৰ-নগৰৰ বৈষম্য, ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন বাধা-নিষেধ, প্ৰাকৃতিক দুৰ্যোগ আৰু বিপৰ্যয, চৰকাৰী আঁচনি তথা নীতি-নিয়ম সমূহৰ সফল ৰূপায়ণ নোহোৱা আদি কাৰকবোৰৰ বাবেই শিক্ষাৰ সুযোগৰ অসমতা সৃষ্টি হৈছে ।



১৩.৮ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (উত্তৰসমূহ ৫০ শব্দৰ ভিতৰত দিয়ক))

প্ৰশ্ন নং ১ ঃ সমাজত এজন লোকৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তা কি?

প্ৰশ্ন নং ২ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ৪৫ ৰ বুনিয়াদি নীতি কি?

প্ৰশ্ন নং ৩ ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ মানে কি বুজা?

প্ৰশ্ন নং ৪ ঃ শিক্ষাৰ সমানীকৰণৰ সা-সুবিধাৰ প্ৰয়োজনীয়তা কি?

প্ৰশ্ন নং ৫ ঃ সৰ্ব শিক্ষা অভিযানৰ মূল মন্ত্ৰ কি?

প্ৰশ্ন নং ৬ ঃ সৰ্ব শিক্ষা অভিযানৰ মূল লক্ষ্য আৰু উদ্দেশ্যসমূহ কি কি?

প্ৰশ্ন নং ৭ ঃ ভাৰতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাত 'ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান'ৰ গুৰুত্ব কি?

প্ৰশ্ন নং ৮ ঃ কস্তুৰবা গান্ধী বালিকা বিদ্যালয় স্থাপনৰ উদ্দেশ্য কি, চমুকৈ বিৱৰণ দিয়া।

খ) চমু প্ৰশ্ন (উত্তৰ ১৫০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ ভাৰতত প্ৰতিজন লোকৰ বাবে শিক্ষাৰ সমানীকৰণ সা-সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত কি ধৰণৰ সাংবিধানিক অৱকাশ আছে, বুজাই লিখক।

প্ৰশ্ন নং ২ ঃ সৰ্ব শিক্ষা অভিযানৰ লক্ষ্য আৰু উদ্দেশ্য কি? এই আঁচনিক কিয় ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বাবে সুবিধাজনক পদক্ষেপ বুলি অভিহিত কৰা হয়?

প্ৰশ্ন নং ৩ ঃ সকলোৰে বাবে সমানীকৰণ শিক্ষাৰ সা-সুবিধা আগবঢ়োৱাৰ প্ৰয়োজনীয়তা কি? সকলোৰে বাবে শিক্ষাৰ সমানীকৰণৰ সা-সুবিধা প্ৰদানৰ বাবে চৰকাৰে কেনেধৰণৰ আঁচনি গ্ৰহণ কৰিছে আলোচনা কৰক।

গ) দীঘল প্ৰশ্ন (উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ ডি পি ই পি ৰ বিষয়ে চমুকৈ আলোচনা কৰা। আন্যান্য আঁচনিৰ পৰা ডি পি ই পিক কিদৰে তুমি পৃথক কৰিবা লিখা।

প্ৰশ্ন নং ২ ঃ ভাৰতত শিক্ষাৰ সা-সুবিধাৰ সমানীকৰণ নিশ্চিত কৰিবৰ বাবে কি কি শৈক্ষিক পদক্ষেপ গ্ৰহণ কৰা হৈছে আলোচনা কৰা।

প্ৰশ্ন নং ৩ ঃ শিক্ষাৰ ক্ষেত্ৰত সমসুযোগ প্ৰদানৰ সমস্যাসমূহ কি কি, আলোচনা কৰা।

*** ***** ***

অধ্যায় ১৪ঃ শিক্ষা আৰু গণতন্ত্ৰ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ গণতন্ত্ৰৰ অর্থ
১৪.৪ গণতন্ত্ৰৰ বাবে শিক্ষা ঃ অর্থ
১৪.৪.১ গণতন্ত্ৰত শিক্ষাৰ গুৰুত্ব
১৪.৪.২ শিক্ষাৰ বিভিন্ন দিশত গণতন্ত্ৰৰ প্ৰভাৱ
১৪.৫ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অভিকৰণবোৰৰ ভূমিকা
১৪.৬ গণতন্ত্ৰৰ সফলতাৰ মৌলিক নীতিসমূহ
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্ৰগতিৰ খতিয়ান
১৪.১০ আহিঁ প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণতন্ত্ৰৰ অর্থ আৰু বৈশিষ্ট্য ব্যাখ্যা কৰিব পাৰিব
- গণতন্ত্ৰত শিক্ষাৰ গুৰুত্ব সম্পর্কে বর্ণনা কৰিব পাৰিব
- গণতন্ত্ৰত শিক্ষাৰ লক্ষ্য, পাঠ্যক্ৰম, শিক্ষকৰ ভূমিকা, শিক্ষণ পদ্ধতি আৰু শিকিবলগীয়া বিষয়ৰ প্ৰকাৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- গণতন্ত্ৰত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অভিকৰণবোৰৰ ভূমিকা আলোচনা কৰিব পাৰিব
- সফল গণতন্ত্ৰৰ মৌলিক নীতিবোৰ বুজি পাব

১৪.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপোনাক গণতন্ত্ৰৰ বিভিন্ন দিশৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। বর্তমান বিশ্বৰ বিভিন্ন অংশত গণতন্ত্ৰক চৰকাৰৰ এক শক্তিশালী ৰূপ তথা জীৱন যাপনৰ পন্থা বুলি গণ্য কৰা হয়। এখন গণতান্ত্ৰিক দেশ হিচাপে ভাৰতে সমতা, ন্যায়, স্বাধীনতা, প্ৰেম, ভ্ৰাতৃত্ববোধ, সৌহার্দ্য আৰু সহযোগিতাৰ নীতি মানি চলে। আমি এই নীতিবোৰক আওকাণ কৰি গণতন্ত্ৰক জীয়াই ৰাখিব নোৱাৰোঁ। গণতন্ত্ৰ সফল কৰি তোলাৰ এক গুৰুত্বপূর্ণ আহিলাৰূপে

শিক্ষাই আৰম্ভণিৰে পৰা নিজ বৈশিষ্ট্য আটুট ৰাখিছে। সেয়েহে গণতন্ত্ৰৰ প্ৰধান নীতিবোৰৰ কথা মনত ৰাখি শিক্ষাৰ পাঠ্যক্ৰম, শিক্ষণ পদ্ধতি আদি যুগুত কৰা হয়।

১৪.৩ গণতন্ত্ৰৰ অৰ্থ

শব্দ ব্যুৎপত্তিৰ দিশেৰে গণতন্ত্ৰ বুজোৱা ইংৰাজী শব্দ 'Democracy' মূল দুটা গ্ৰীক শব্দ 'Demos' আৰু 'Kartos' - যাৰ অৰ্থ ক্ৰমে 'মানুহ' আৰু 'ক্ষমতা'। অৰ্থাৎ, গণতন্ত্ৰৰ আক্ষৰিক অৰ্থ হ'ল মানুহৰ শাসন। সৰল ভাষাত গণতন্ত্ৰ হ'ল চৰকাৰৰ এনে এক ৰূপ য'ত দেশৰ সৰ্বোচ্চ ক্ষমতা জনসাধাৰণৰ হাতত সমূহীয়াভাৱে ন্যস্ত থাকে। গণতন্ত্ৰত প্ৰতিগৰাকী ব্যক্তিয়েই নিজ নিজ সম্ভাৱনীয়তৰ পূৰ্ণ পৰ্যায়লৈকে একোটা সম্পূৰ্ণ জীৱন যাপন কৰাৰ সুযোগ পায়। গণতন্ত্ৰই সাধাৰণ মানুহৰ মোলক বিশ্বাস কৰে।

গণতন্ত্ৰ সম্পূৰ্ণৰূপে মানৱীয় আদৰ্শ। সভ্যতাৰ আৰম্ভণিৰ পৰাই মানুহে গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম চলাই আহিছে। এটা সময় আছিল যেতিয়া গণতন্ত্ৰ বুলিলে কেৱল ৰাজনৈতিক গণতন্ত্ৰৰ কথা বুজা গৈছিল। অৰ্থাৎ, গণতন্ত্ৰক 'জনসাধাৰণৰ দ্বাৰা, জনসাধাৰণৰ বাবেআৰু জনসাধাৰণৰ' চৰকাৰ বোলা হৈছিল। বৰ্তমান গণতন্ত্ৰৰ সংজ্ঞা সলনি হৈছে আৰু ধাৰণাটোৰ অধিক ব্যাপ্তি ঘটিছে।

এতিয়া গণতন্ত্ৰক জীৱন যাপনৰ এক উপায় বুলি গণ্য কৰা হয়। ই দৰাচলতে দেখি আৰু জানি জীৱন যাপন কৰা পদ্ধতি। গণতান্ত্ৰিক চিন্তাধাৰাই মানুহক অন্য মানুহক শোষণ কৰাৰ পৰা বিৰত ৰাখে। ই চিন্তাৰ এক ৰূপ যিটোৱে আমাক কোনো হীন-ডেঢ়ি নকৰাকৈ সকলো মানৱ ব্যক্তিত্বকে পৰম জ্ঞান দিবলৈ শিকায়। ব্যক্তিৰ পৃষ্ঠপোষকতা আৰু মানৱ জাতিৰ সমূহীয়া স্বাৰ্থ ৰক্ষা কৰিবলৈ গণতন্ত্ৰ সদাপ্ৰস্তুত। সামাজিক সম্পৰ্কৰ এটা ক্ৰম, বুজাৰ এক উদ্যম, সহানুভূতি, সহযোগিতা আৰু সৌহাৰ্দ্যৰ এক ৰূপ হিচাপে গণতন্ত্ৰক অধিক ভালদৰে বুজিব পাৰি। গণতন্ত্ৰৰ উদ্দীপনাই মানুহক পৰস্পৰৰ সৈতে এক কৰি ৰাখে, মানুহক দায়িত্ব গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে আৰু মানৱীয়তাত বিশ্বাস কৰিবলৈ উৎসাহিত কৰে। গণতন্ত্ৰ হ'ল এনে এক মনোভাৱ যিটোৱে মানুহক অন্যৰ আৰু নিজৰ অধিকাৰবোৰৰ মোল বুজাত সহায় কৰে। ই হ'ল সদিচ্ছা, ভ্ৰাতৃত্ববোধ আৰু দায়িত্ববোধৰ ভেটি গঢ়াৰ দৃঢ় সংকল্প আৰু প্ৰত্যয়ৰ অন্য নাম। অন্য অৰ্থত, গণতন্ত্ৰ হ'ল এনে এখন সমাজ য'ত সাধাৰণ পুৰুষ-নাৰীয়ে নিজ নিজ ব্যক্তিত্বৰ সৰ্বোচ্চ সীমালৈ বিকশিত হোৱাৰ সুযোগ পায়। অৰ্থাৎ, গণতন্ত্ৰ হ'ল মানুহৰ সমাজ, মানুহৰ দ্বাৰা গঠিত সমাজ আৰু মানুহৰ বাবে গঠন হোৱা সমাজ। ইয়াত প্ৰতিগৰাকী ব্যক্তিয়েই নিজ নিজ সম্ভাৱনীয়তা আৰু সামৰ্থ অনুসৰি আত্ম-বিশ্বাস তথা আত্ম-প্ৰকাশৰ সুযোগ পায়। গণতন্ত্ৰত কোনো ব্যক্তি অথবা গোটে অন্য ব্যক্তি অথবা গোটক দমন নকৰে।

গণতন্ত্ৰৰ বহল ধাৰণাটোৱে অৰ্থনৈতিক গণতন্ত্ৰকো সামৰি লৈছে। এই ধাৰণাটোৰ মতে কোনেও কাকো পাৰ্থিৱ লাভালাভৰ বাবে শোষণ নকৰে আৰু সকলোৱে মাজত সামগ্ৰীৰ সম-

বিতৰণ ঘটে। ইয়াত অৰ্থনৈতিক সংস্থাবোৰ প্ৰতিদ্বন্দ্বিতামূলক নহয়, সামূহিক ভিত্তিত প্ৰতিষ্ঠা কৰা হয়। সমূহৰ সকলো সদস্যৰে উপকাৰ হোৱাকৈ অৰ্থনৈতিক প্ৰকল্পবোৰ গ্ৰহণ কৰা হয়। এনে প্ৰকল্পত নিজৰ সামৰ্থ তথা সম্ভাৱনীয়তা অনুসৰি সকলোৱে কাম কৰাৰ সমান সুযোগ পায়।

গণতন্ত্ৰক 'সামাজিক গণতন্ত্ৰ' ৰূপে বুজি চোৱাৰো চেষ্টা কৰিব পাৰি। ই হ'ল জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ব্যক্তিৰ বিকাশৰ বাবে সমান সুযোগ আগবঢ়োৱা পথ। গণতান্ত্ৰিক চিন্তাৰ অধিকাৰো ভাৱ প্ৰকাশৰ অধিকাৰ, কৰ্মৰ অধিকাৰ, সমবেত হোৱাৰ অধিকাৰ আদিৰ দৰে সকলোৰে প্ৰাপ্য মৌলিক অধিকাৰবোৰ। গণতন্ত্ৰই বিশ্বাস কৰে যে প্ৰতিগৰাকী ব্যক্তিয়েই গাইগুটীয়াভাৱে পৰম মূল্যৱান আৰু প্ৰত্যেকেই শাসনৰ ক্ষমতাৰে সৈতে সাৰ্বভৌম।

গণতন্ত্ৰৰ দুটামান সংজ্ঞা তলত দিয়া হল ঃ

বিশেষজ্ঞসকলে ভিন ভিন ধৰণে গণতন্ত্ৰৰ সংজ্ঞা দাঙি ধৰিছে। তলত ইয়াৰে দুটামান সংজ্ঞা তুলি দিয়া হ'ল —

এছ. ৰাধাকৃষ্ণণৰ মতে, "গণতন্ত্ৰৰ মূল হ'ল ব্যক্তিৰ প্ৰয়োজন - আৰু স্বতঃস্ফূৰ্ত-অনুপ্ৰেৰণা তথা উদ্যমেৰে পূৰ্ণ মানুহৰ মুক্ত মানসিক অৱস্থা।"

হেণ্ডাৰছনৰ মতে, "গণতন্ত্ৰ দুটা ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত ঃ মানুহৰ ব্যক্তিত্বৰ অসীম মূল্য আৰু শ্ৰেষ্ঠতা তথা এক বিশ্বাস যে অন্যৰ কল্যাণৰ পোষকতা কৰিব পৰাকৈ নিজৰ কাম-কাজ নিয়ন্ত্ৰণ কৰিবলৈ মানুহ সক্ষম। সেয়েহে এইবোৰ কৰাৰ বাবে মানুহৰ স্বাধীনতা থকা উচিত।

লৰ্ড ব্ৰাইচিৰ মতে, "গণতন্ত্ৰ হ'ল চৰকাৰৰ সেইটো ৰূপ যিটোৰ হাতত ৰাষ্ট্ৰৰ শাসন ক্ষমতা ন্যায়সংগতভাৱে ন্যস্ত থাকে। এই ক্ষমতা কোনো এক নিৰ্দিষ্ট ব্যক্তি অথবা শ্ৰেণীৰ হাতত নাথাকে। সামগ্ৰিকভাৱে সমাজৰ সকলো সদস্য সমূহীয়াভাৱে এই ক্ষমতাৰ অধিকাৰী।

জি.চাৰ্ট'ৰীৰ মতে, "গণতন্ত্ৰ হ'ল অস্তিত্বহীন কিবা এটাৰ বাগাড়ম্বৰপূৰ্ণ নাম।"

জে. আৰ লুকাচৰ মতে, "গমতন্ত্ৰ হ'ল এক আদৰ্শ কিন্তু ই গুণবাচক হোৱা উচিত"।

ক্ৰেনষ্টনৰ ভাষাত, "গণতন্ত্ৰ নামতহে কিন্তু ই হৈছে বিভিন্ন মানুহৰ মনৰ বিভিন্ন মত।"

জে. এছ. মিলৰ ভাষাত, "গণতন্ত্ৰ হ'ল চৰকাৰৰ সেইটো ৰূপ য'ত জনসমষ্টি এটাই অথবা জনসমষ্টিটোৰ কিছুসংখ্যকে নিজেই নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে প্ৰতিনিধি নিৰ্বাচনৰ জৰিয়তে শাসন ক্ষমতাৰ অনুশীলন কৰে।"

ছাৰ জ'ন চীলিৰ মতে, "গণতন্ত্ৰ হ'ল এনে এক চৰকাৰ য'ত প্ৰত্যেকৰে একোটা অংশ থাকে।"

হলৰ ভাষাত, "গণতন্ত্ৰ হ'ল ৰাজনৈতিক সংগঠনৰ সেইটো ৰূপ যিটো জনমতে নিয়ন্ত্ৰণ কৰে।"

চি.বি. মেক্‌ফাৰ্চনৰ মতে, "গণতন্ত্ৰ হ'ল কেৱল এক ব্যৱস্থা যিটোৰ জৰিয়তে চৰকাৰ বাছনি আৰু চৰকাৰক কৰ্তৃত্ব অৰ্পণ কৰা হয় অথবা অন্য কিবা প্ৰকাৰে আইন তথা ৰাজনৈতিক সিদ্ধান্তবোৰ গ্ৰহণ কৰা হয়।"

ওপৰৰ আলোচনাৰ পৰা আমি তলত দিয়া ধৰণে গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ নিৰ্ধাৰণ কৰিব পৰোঁ —

- গণতন্ত্ৰ হ'ল এক ধৰণৰ মূল্যবোধ। এই মূল্যবোধে জীৱনৰ সকলো দিশতে সকলো ব্যক্তিয়ে সমান সুবিধা লাভ কৰাৰ পোষকতা কৰে।
- গণতন্ত্ৰ হ'ল এটা আদৰ্শ অথবা নৈতিকতাৰ। মানুহে সৰ্বোচ্চ ক্ষমতাৰ গৰাকী হ'বলৈ এই আদৰ্শ অথবা নৈতিকতাৰ হকে সংগ্ৰাম কৰে।
- গণতন্ত্ৰত ব্যক্তি কাৰো তলতীয়া নহয়। এই শাসন ব্যৱস্থাটোৱে সামূহিকবাদ, সমতাবাদ, ধৰ্মনিৰপেক্ষতাবোধ আদিৰ বিকাশ ঘটায়।
- গণতন্ত্ৰই ব্যক্তিক একোটা সম্পূৰ্ণ জীৱন কটোৱাৰ সুযোগ দিয়াৰ পোষকতা কৰে। গণতন্ত্ৰত প্ৰতিগৰাকী ব্যক্তিয়েই নিজৰ সম্ভাৱনীয়তা অনুসৰি জীৱন বিকশিত কৰি তোলাৰ সুযোগ পায়।
- গণতন্ত্ৰই মানুহৰ অধিকাৰক সন্মান কৰে। গণতন্ত্ৰত মানুহে সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, ভাৰ প্ৰকাশৰ অধিকাৰ, ভোট দিয়াৰ অধিকাৰ, সমবেত হোৱাৰ অধিকাৰ আদি বিভিন্ন ধৰণৰ অধিকাৰ লাভ কৰে।
- গণতন্ত্ৰৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল ব্যক্তিৰ মৰ্যাদাৰ প্ৰতি গুৰুত্বপ্ৰদান। মৰ্যাদাৰ দিশেৰে প্ৰতিগৰাকী ব্যক্তিয়েই সমান। গণতন্ত্ৰত ব্যক্তিৰ কোনো মৰ্যাদা কাৰণতে খৰ্ব হ'ব নোৱাৰে।
- গণতন্ত্ৰই কেতিয়াও অসহযোগিতাক সমৰ্থন নকৰে। গণতান্ত্ৰিক সমাজ এখনৰ বাসিন্দাই পাৰস্পৰিক সহযোগিতাৰে জীৱন নিৰ্বাহ কৰিলেহে গণতন্ত্ৰ বৰ্তি থাকিব।
- গণতন্ত্ৰই দলীয় জীৱনত বিশ্বাস কৰে। যিহেতু গণতন্ত্ৰত প্ৰতিগৰাকী ব্যক্তিয়েই সমান অধিকাৰ উপভোগৰ সুযোগ পায় সেয়েহে গণতান্ত্ৰিক সমাজত মানুহৰ উচ্চ আৰু নিম্ন শ্ৰেণী বিভাজন এক অৰ্থহীন কথা। সকলো নাগৰিকে সমান ভাৱে দলীয় জীৱন যাপন কৰা উচিত।
- গণতন্ত্ৰই একনায়কত্ববাদৰ বিৰোধিতা কৰে। ই নাগৰিকৰ হাতত ক্ষমতা অৰ্পণ কৰে। সেয়েহে গণতান্ত্ৰিক শাসন ব্যৱস্থাত মানুহক শাসন কৰিবলৈ কোনো স্বেচ্ছাচাৰী শাসন নাথাকে।
- গণতন্ত্ৰই শান্তি আৰু সমন্বয়ত বিশ্বাস কৰে। এই দুয়োটা কথাৰ ওপৰত গণতন্ত্ৰৰ সফলতা নিৰ্ভৰশীল। শান্তি আৰু সমন্বয়ে দেশৰ নাগৰিকৰ মনত জাতীয়তাবোধৰ উন্মেষ ঘটায়।
- গণতন্ত্ৰই সুশাসনৰ পোষকতা কৰে। এখন গণতান্ত্ৰিক দেশে ৰাজহুৱা স্বাৰ্থ পূৰণত মনোনিৱেশ কৰে। যিকোনো ধৰণৰ দূৰ্নীতিৰ অনুপস্থিতিও গণতন্ত্ৰৰ অন্যতম বৈশিষ্ট্য।
- গণতন্ত্ৰই ৰাষ্ট্ৰৰ বিভিন্ন অনুষ্ঠানৰ মাজত ক্ষমতা বিভাজন কৰাৰ ওপৰতো জোৰ দিয়ে। যেনে — চৰকাৰৰ হাতত কাৰ্যবাহী ক্ষমতা, সংসদৰ হাতত বিধায়িনী ক্ষমতা আৰু আদালতৰ হাতত ন্যায়িক ক্ষমতা থাকে।

জানি থোৱা ভাল



থোৱতে গণতন্ত্ৰ হ'ল —

- এটা জীৱন যাপনৰ পন্থা।
- মানুহৰ দ্বাৰা, মানুহৰ বাবে আৰু মানুহৰ চৰকাৰ।

- শান্তি, সমন্বয়, সহযোগিতা আদি আদর্শৰ ভিত্তিত গঢ় লোৱা ব্যৱস্থা।
- দলীয় জীৱনত দৃঢ়বিশ্বাস ৰখা এক ব্যৱস্থা।

১৪.৪ গণতন্ত্ৰৰ বাবে শিক্ষা

এল্ডাচ হাস্কলীৰ ভাষাত, "যদি স্বাধীনতা আৰু গণতন্ত্ৰ আপোনাৰ লক্ষ্য, তেন্তে আপুনি মানুহক মুক্ত হোৱাৰ আৰু নিজেই নিজকে শাসন কৰাৰ কলা শিকাবই লাগিব।" শিক্ষা অবিহনে গণতন্ত্ৰ কেতিয়াও সফল হ'ব নোৱাৰে। শিক্ষাৰ পৰা আঁতৰত গণতন্ত্ৰৰ কথা ভাবিবও নোৱাৰি। আচল কথাটো হ'ল গণতন্ত্ৰ শিক্ষাৰ ফল। শিক্ষা আৰু গণতন্ত্ৰৰ মাজত এক কার্য সম্পাদনকেন্দ্রিক সম্পর্ক আছে। সমগ্ৰ বিশ্বতে শিক্ষাই গণতান্ত্রিক আদর্শ আৰু প্রমূল্যবোৰৰ প্রধান চালিকা শক্তি হিচাপে কাম কৰি আছে। সেয়েহে শিক্ষা অবিহনে গণতন্ত্ৰ বোলা ধাৰণাটো এক পৰস্পৰবিৰোধী মত। শিক্ষাৰ প্রগতিশীল ধাৰাটোৱে সমগ্ৰ বিশ্বৰে গণতান্ত্রিক শক্তিবোৰ সুদৃঢ় কৰি তুলিছে। কথাটোৰ সমর্থনত বিশ্ববিদ্যালয়ৰ শিক্ষা আয়োগ (১৯৪৮) এ কৈছে, "শিক্ষা হ'ল সামাজিক স্বাধীনতাৰ এক মহান আহিলা। ইয়াৰ জৰিয়তে সমাজত গণতন্ত্ৰ প্রতিষ্ঠা হয়, ই সমাজৰ সদস্যসকলৰ মাজত সমতাৰ মনোভাৱ বর্তাই তথা সুৰক্ষিত কৰি ৰাখে।" আয়োগে পুনৰ কৈছে, "মানুহ আৰু বস্তুৰ প্রকৃত পৃথিৱীত গণতন্ত্ৰই প্রতিগৰাকী ব্যক্তিকে সম্পর্ক তথা সম্ভাৱনীয়তাৰ একক অৰু অনন্য অভিযান বুলি নিশ্চিত কৰে।

গণতন্ত্ৰৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল ই মানুহৰ নির্বাচিত প্রতিনিধিৰ দ্বাৰা গঠিত হয়। যদি মানুহবোৰ অশিক্ষিত হয়, তেন্তে তেওঁলোকে কেতিয়াও উপযুক্ত প্রতিনিধি নির্বাচন কৰিব নোৱাৰে। ফলত উপযুক্ত চৰকাৰ এখন গঢ় লৈ নুঠে। সেয়েহে শিক্ষা অবিহনে গণতন্ত্ৰৰ সপোন দেখাটো অমূলক। এগৰাকী সুশিক্ষিত ব্যক্তিয়ে পালন কৰিবলগীয়া কর্তব্য আৰু দায়িত্ববোৰৰ বিষয়ে ভালদৰে বুজে। এই কথাটোৰ সমর্থন কৰি বার্ট্রাণ্ড ৰাছেলে কৈছিল, "যিখন দেশৰ বহুতো মানুহে লিখা-পঢ়া নাজানে সেইখন দেশত আধুনিক ৰূপত গণতন্ত্ৰ প্রতিষ্ঠা কৰাটো প্রায় অসম্ভৱ কাম হ'ব।" অর্থাৎ, গণতন্ত্ৰৰ সফলতাৰ পূর্বচর্ত হ'ল শিক্ষা। শিক্ষাইহে গণতন্ত্ৰৰ নীতিবোৰৰ কার্য সম্পাদনত সহায় কৰিব পাৰে। হিথাৰিংটনৰ ভাষাত, "গণতান্ত্রিক চৰকাৰে অতি কমেও এক শিক্ষিত জনসমষ্টিৰ দাবী কৰে।" বিভিন্ন কমিটি আৰু আয়োগেও সময়ে সময়ে গণতন্ত্ৰৰ বাবে শিক্ষাৰ গুৰুত্বৰ ওপৰত জোৰ দি আহিছে। ১৯৪৯ চনত বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ সভাত ড০ এছ. ৰাধাকৃষ্ণনে কৈছিল যে গণতন্ত্ৰত ব্যক্তিক সর্বোচ্চ স্বীকৃতি প্রদান কৰা হয় আৰু শিক্ষাই হ'ল এনে ব্যক্তিৰ বিকাশৰ প্রক্রিয়া। এখন গণতান্ত্রিক দেশত বাস কৰিবলৈ প্রয়োজন হোৱা গুণবোৰ কেৱল শিক্ষাৰ দ্বাৰাহে আয়ত্ব কৰিব পৰা যায়।

গণতান্ত্রিক শিক্ষা মানে হ'ল এনেধৰণৰ শিক্ষা যিটোৱে মানুহক গণতন্ত্ৰৰ দাবী অনুসৰি জীৱন যাপন কৰিব পৰাকৈ প্রস্তুত কৰি তোলে। শিক্ষাই মানুহক ব্যক্তিগত তথা দলীয় জীৱনৰ অবিৰত পুনর্নির্মাণ, উন্নতকৰণত আৰু বিন্যাসৰ সমৃদ্ধকৰণত অংশগ্রহণ কৰাত সহায় কৰে।

অর্থাৎ, গণতন্ত্রত শিক্ষাৰ প্রধান কাম হ'ল জীৱনৰ গণতান্ত্রিক পন্থাক সমর্থন, বৃদ্ধি, চিৰস্থায়ী আৰু সুদৃঢ় কৰা। ভাৰতীয় সংবিধানৰ প্রস্তাৱনাত এয়া স্পষ্টকৈ উল্লেখ আছে যে চৰকাৰৰ গণতান্ত্রিক ৰূপটোৱেই হ'ব ভাৰতত শাসন চলোৱাৰ আৰ্হি। আমাৰ সংবিধানে নিশ্চিতি প্রদান কৰা কেইটামান মৌলিক অধিকাৰ হ'ল ন্যায়, স্বাধীনতা, সমতা, ভ্রাতৃত্ববোধ ইত্যাদি। শিক্ষাই এই নীতিবোৰ বুজাত মানুহক সহায় কৰে। আমাৰ দেশত এই মূহুর্তত দেখা দিয়া জৰুৰী প্রয়োজন এটা হ'ল মানুহৰ আগত গণতন্ত্রৰ আদর্শবোৰ দাঙি ধৰাটো। এয়া কেৱল শিক্ষাৰ জৰিয়তেহে সম্ভৱ। সমাজৰ সর্বত্র বিয়পি থকা নিৰক্ষৰতাই সামাজিক প্রগতিক বাধা দিয়ে। এই অৱস্থাটোৱে এক সর্বাত্মক সামাজিক অৱনতিৰ ৰূপ লৈছে যিটো ভাৰতীয় গণতন্ত্রৰ বাবে ভাবুকি স্বৰূপ। সেয়েহে, গণতন্ত্রক সফল কৰি তুলিবলৈ উপযুক্ত শিক্ষাৰ প্রসাৰ হ'ল সময়ৰ দাবী। এনে গণতন্ত্র বাহিৰৰ পৰা আৰোপ কৰা বিষয় হ'ব নালাগে। গণতন্ত্রৰ সমাজৰ ভিতৰতে বিকাশ ঘটা উচিত। ১৯৩৫ চনত মহাত্মা গান্ধীয়ে কৈছিল, "মই দৃঢ়ভাৱে কওঁ যে বলপূর্বক পদ্ধতিৰে গণতন্ত্রৰ বিকাশ নঘটে। গণতন্ত্র বাহিৰৰ পৰা আৰোপ কৰিব পৰা নাযায়। এয়া মনৰ ভিতৰৰ উন্মেষ ঘটা ইচ্ছা।" সেয়েহে গণতান্ত্রিক আদর্শৰ হাত ধৰি আগুৱাই যাব পৰা নাগৰিক গঢ়ি তোলা শিক্ষাৰ প্রয়োজন আছে। এনে শিক্ষাই মানুহৰ মনত এখন গণতান্ত্রিক সমাজ গঠনৰ বাবে প্রয়োজন হোৱা গুণবোৰৰ বিকাশ হোৱাত সহায় কৰে।

১৪.৪.১ গণতন্ত্রত শিক্ষাৰ গুৰুত্ব

গণতন্ত্র আৰু শিক্ষাৰ মাজৰ সম্পর্ক আলোচনা কৰাৰ পাচত এইবাৰ আমি গণতন্ত্রত শিক্ষাৰ গুৰুত্ব সম্পর্কে আলোচনা কৰিম। গণতন্ত্রত শিক্ষাই তলত দিয়াধৰণে সহায় আগবঢ়ায় —

- **অধিকাৰ আৰু কর্তব্যৰ বিষয়ে জ্ঞান আহৰণত সহায় কৰে** ঃ গণতন্ত্রই নাগৰিকক কিছুমান অধিকাৰ দিয়ে আৰু কিছুমান কর্তব্য নির্ধাৰণ কৰি দিয়ে। নাগৰিকসকল এই অধিকাৰ আৰু কর্তব্যবোৰৰ প্রতি সজাগ নহ'লে গণতন্ত্র বিফল হ'ব। এই অধিকাৰ আৰু কর্তব্যবোৰৰ প্রতি সচেতন নাগৰিকে ৰাষ্ট্রৰ বিভিন্ন কাম-কাজত সক্রিয় ভূমিকা পালন কৰিব পাৰে। শিক্ষা হ'ল অধিকাৰ আৰু কর্তব্য সম্পর্কে মানুহক জ্ঞান দিয়াৰ এক প্রক্রিয়া।
- **মানৱীয় গুণৰ বিকাশ ঘটায়** ঃ গণতন্ত্রক সফল কৰি তুলিবলৈ প্রতিগৰাকী ব্যক্তিয়েই কিছুমান মানৱীয় গুণৰ অধিকাৰী হ'ব লাগে। নৈতিক চৰিত্র, সহানুভূতি, প্রেম, সৌহার্দ্যতা, ভ্রাতৃত্ববোধ, দয়া, ধৈর্য আদি হ'ল এনে কিছুমান গুণ। শিক্ষাই এনে গুণবোৰৰ বিকাশত সহায় কৰে। ফলত প্রতিগৰাকী নাগৰিকেই গণতন্ত্রৰ প্রকৃত আৰু সক্রিয় সদস্য হৈ পৰে।

➢ **গণতান্ত্ৰিক আদৰ্শত বিশ্বাস ৰাখিবলৈ শিকায়** ঃ প্ৰতিটো দৰ্শনেই কোনো নিৰ্দিষ্ট আদৰ্শৰ ভেটিত গা কৰি উঠে। গণতান্ত্ৰিক আদৰ্শবোৰে গণতন্ত্ৰত একোটা উৎকৃষ্ট জীৱন কটোৱাত আমাক সহায় কৰে। গণতন্ত্ৰ সফল কৰি তুলিবলৈ ব্যক্তিয়ে গণতান্ত্ৰিক আদৰ্শবোৰক বিশ্বাস কৰিব লাগিব। শিক্ষাই প্ৰতিগৰাকী ব্যক্তিকে এই আদৰ্শবোৰ বুজাত সহায় কৰে। শিক্ষিত মানুহে গণতান্ত্ৰিক আদৰ্শবোৰ বৰ্তাই ৰখাৰ প্ৰয়োজনীয়তা বুজি পায়। এনেকৈয়ে তেওঁলোকে এখন গণতান্ত্ৰিক সমাজৰ ভেটি গঢ়ে আৰু এই কথাবোৰে গণতন্ত্ৰত সমস্যাৰ সৃষ্টি কৰা কাৰকবোৰৰ সৈতে যুঁজাত মানুহক সহায় কৰে।

➢ **আমাৰ সাংস্কৃতিক ঐতিহ্য সুৰক্ষিত ৰাখে আৰু প্ৰচাৰ কৰে** ঃ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হৈ সংস্কৃতি জীয়াই থাকে। সংস্কৃতিৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ পৰিৱৰ্তনৰ প্ৰয়োজন। পৰিৱৰ্তন গ্ৰহণ কৰি আৰু কোনো এক নিৰ্দিষ্ট সংস্কৃতিৰ মৌলিক বৈশিষ্ট্যবোৰ অক্ষুন্ন ৰাখি মানুহে সংস্কৃতি সুৰক্ষিত কৰে। সংস্কৃতিৰ সুৰক্ষা আৰু প্ৰচাৰত শিক্ষাই সৰ্বোত্তম আহিলাৰ ভূমিকা লয়।

➢ **কৰ্তব্য আৰু দায়িত্ব পালন কৰিবলৈ শিকায়** ঃ গণতন্ত্ৰত নাগৰিকে চৰকাৰ নিৰ্বাচিত কৰে। অৰ্থাৎ, এখন উত্তম চৰকাৰ বাছনি কৰাৰ সম্পূৰ্ণ দায়িত্ব সাধাৰণ নাগৰিকৰ হাতত ন্যস্ত থাকে। নাগৰিকৰ প্ৰত্যাশা পূৰণ কৰিব পৰা, শোষণ আৰু দূৰ্নীতিৰ পৰা আঁতৰি থাকি আদৰ্শ তথা নৈতিকতাৰ হকে কাম কৰি যোৱা চৰকাৰ এখনকে উত্তম চৰকাৰ বোলে। সেয়েহে এনে এখন চৰকাৰ চলাবলৈ যোগ্য ৰাজহুৱা ব্যক্তি নিৰ্বাচন কৰাটো হ'ল সাধাৰণ নাগৰিকে পালন কৰিবলগীয়া এক মহান কৰ্তব্য। সংস্কৃতি, ধৰ্ম, জাতি, সম্প্ৰদায়, নিৰ্বিশেষে সকলো মানুহে এনে এখনকে চৰকাৰ বাছনি কৰিব লাগে যিখনে আমাৰ দেশক প্ৰগতিৰ চৰম শিখৰলৈ লৈ যাব পাৰে। এইক্ষেত্ৰত শিক্ষাই এক প্ৰধান ভূমিকা পালন কৰে। শিক্ষিত লোকে এখন উন্নততৰ চৰকাৰ নিৰ্বাচিত কৰিব পাৰে।

➢ **শোষণ ৰোধ কৰে** ঃ শোষণে গণতন্ত্ৰৰ ক্ষতি কৰে। গণতন্ত্ৰ হ'ল শোষণৰ বিপৰীত। কাৰণ, গণতন্ত্ৰত প্ৰতিগৰাকী ব্যক্তিয়েই সমান। ইয়াত কোনেও কাকো শোষণ কৰিব নোৱাৰে। সেয়েহে গণতন্ত্ৰ সফল কৰিবলৈ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি সকলো ধৰণৰ শোষণ বন্ধ কৰাটো প্ৰয়োজনীয়। শিক্ষাৰ অভাৱ ঘটিলে সমাজৰ ধনী আৰু ক্ষমতাশালী শ্ৰেণীটোৱে সকলো দিশেৰে দুখীয়া শ্ৰেণীটোক শোষণ কৰাৰ সুযোগ পায়। শিক্ষাৰ সাৰ্বজনীন আৰু বাধ্যতামূলক ব্যৱস্থাই সমাজৰ শিক্ষিত তথা অশিক্ষিত শ্ৰেণী দুটাৰ মাজত থকা ব্যৱধান হ্ৰাস কৰে। ফলত শোষণৰ সম্ভাৱনাও কমি যায়।

১৪.৪.২ শিক্ষাৰ বিভিন্ন দিশত গণতন্ত্ৰৰ প্ৰভাৱ

শিক্ষাৰ বিভিন্ন দিশত গণতন্ত্ৰই তলত উল্লেখ কৰা ধৰণে প্ৰভাৱ পেলায় —

গণতন্ত্ৰ আৰু শিক্ষাৰ লক্ষ্য ঃ অধ্যাপক কে.জি. চৈয়িদিয়াঁৰ মতে, "শিক্ষাৰ এনে এক স্থিৰ লক্ষ্য থাকিব লাগিব যিটোৱে ব্যক্তিক গণতান্ত্ৰিক জীৱনৰ কাৰ্যসম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় আটাইবোৰ মৌলিক গুণৰ বিকাশ ঘটোৱাত সহায় কৰিব।" গণতন্ত্ৰক শিক্ষাৰ বিভিন্ন দিশৰ সৈতে আন্তঃসংলগ্ন কৰা হয়। বিশেষকৈ গণতন্ত্ৰ আৰু শিক্ষাৰ লক্ষ্যৰ মাজত দৃঢ় আন্তঃসংযোগ আছে। তলত গণতান্ত্ৰিক শিক্ষাৰ প্ৰধান লক্ষ্যবোৰ উল্লেখ কৰা হ'ল —

- **ব্যক্তিৰ সৰ্বাত্মক বিকাশ ঃ** গণতান্ত্ৰিক শিক্ষাই ব্যক্তিত্বৰ সুসামঞ্জস্যপূৰ্ণ আৰু সৰ্বাত্মক বিকাশ সাধন কৰা উচিত। ইয়াত শাৰীৰিক, মানসিক, সামাজিক, বৌদ্ধিক, নৈতিক, নান্দনিক আদি বিকাশক সামৰি লোৱা হয়।
- **বাঞ্ছনীয় গুণৰ বিকাশ ঃ** গণতান্ত্ৰিক শিক্ষাই মানুহৰ সেইবোৰ গুণ বিকশিত কৰাৰ লক্ষ্য বান্ধি লোৱা উচিত যিবোৰে মানুহক একোটা সঠিক গণতান্ত্ৰিক জীৱন যাপন কৰাত সহায় কৰে। এনে গুণ দুটামান হ'ল — ভাল-বেয়া বিচাৰ কৰিব পৰা ক্ষমতা, সমস্যা সমাধানৰ দক্ষতা, সৃজনশীলতা, সহানুভূতি, স্বাধীনতা, বিজ্ঞানসন্মত দৃষ্টিভংগী, যুক্তিৰে বিবেচনা কৰিব পৰা দক্ষতা ইত্যাদি।
- **সমস্যা সম্পৰ্কে জ্ঞানৰ যোগান ঃ** এখন গণতান্ত্ৰিক সমাজত শিক্ষাই ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় আৰু অন্য গুৰুত্বপূৰ্ণ দিশত সঠিক জ্ঞানৰ যোগান ধৰা উচিত। এনে জ্ঞান কেৱল নিজ দেশৰ ক্ষেত্ৰত সঠিক হ'লেই ন'হব, বিশ্বৰ অন্য দেশৰ ক্ষেত্ৰতো সঠিক হ'ব লাগিব। ই ব্যক্তিৰ মনত বিভিন্ন সমস্যা অন্বেষণ কৰি চোৱাৰ অনুসন্ধিৎসা জগাই তুলিব। কালক্ৰমত মানুহে সমস্যাৰ সমাধান উলিওৱাৰ সামৰ্থ গঢ়ি তুলিব।
- **সমাজপ্ৰিয়তাৰ বিকাশ ঃ** গণতন্ত্ৰত প্ৰত্যেকেই সমাজৰ একোগৰাকী সক্ৰিয় সদস্য যদিও প্ৰত্যেকেই সমাজৰ পৰা নিজকে বিচ্ছিন্ন কৰিও ৰাখিব পাৰে। সেয়েহে, মানুহৰ মনত সামাজিক দায়বদ্ধতা ধাৰণাটো জাগ্ৰত হোৱা উচিত। তেতিয়াহে মানুহে সমাজৰ কল্যাণৰ বাবে নিজ অৰিহণা আগবঢ়াব পাৰিব আৰু সমাজৰ অন্য সদস্যৰ সৈতে শান্তিপূৰ্বক বাস কৰিব পাৰিব।
- **নেতৃত্ব দিব পৰা দক্ষতা গঢ়াৰ প্ৰশিক্ষণ ঃ** গণতন্ত্ৰত প্ৰত্যেকেই সমাজক কোনোবা নহয় কোনোবা ক্ষেত্ৰত নেতৃত্ব দিয়াৰ ভূমিকা ল'ব পৰাকৈ সক্ষম। সেয়েহে গণতান্ত্ৰিক শিক্ষাই নেতৃত্ব দিব পৰা গুণবোৰৰ বিকাশৰ লক্ষ্য হিচাপে বান্ধি লোৱা উচিত। এনে গুণ কেইটামান হ'ল সহানুভূতি, প্ৰেম, সমতাবাদী চিন্তা ইত্যাদি। এইবোৰ গুণে মানুহক সুস্থ নেতৃত্ব দিব পৰাকৈ সক্ষম কৰি তোলে।

➢ **অৱসৰ কটোৱাৰ প্ৰশিক্ষণ** ঃ গণতান্ত্ৰিক শিক্ষাই অৱসৰ কটোৱাৰ প্ৰশিক্ষণ দিয়াটোকো নিজ লক্ষ্য কৰি লোৱা উচিত। জিৰণি আৰু অৱসৰ বিনোদনে মানুহৰ আত্ম-প্ৰগতিত সহায় কৰে।

ভাৰত গণতান্ত্ৰিক দেশ। ইতিহাসৰ পৰা গম পোৱা যায় যে ভাৰতে সদায় গণতান্ত্ৰিক আদৰ্শ আৰু গণতান্ত্ৰিক জীৱন যাপন পদ্ধতিত বিশ্বাস দেখুৱাই আহিছে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই কয়, "ভাৰতৰ জনগণ দেশৰ প্ৰতিগৰাকী নাগৰিকৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, ভাৱ প্ৰকাশ, ধৰ্মমত, ধৰ্মবিশ্বাস আৰু উপাসনাৰ স্বাধীনতা; সামাজিক প্ৰস্থিতি আৰু সুযোগৰ সমতা সুনিশ্চিত কৰিবলৈ; আৰু সকলো নাগৰিকৰ মাজত ভ্ৰাতৃত্ববোধৰ পোষকতা কৰিবলৈ, প্ৰতিগৰাকী ব্যক্তিৰে মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ আৰু দেশৰ অখণ্ডতা অটুট ৰাখিবলৈ গভীৰভাৱে সংকল্পৱদ্ধ।" ই দেশখনৰ গণতান্ত্ৰিক আদৰ্শৰ প্ৰতি থকা ইতিহাস সমৰ্থিত বিশ্বাসৰ প্ৰমাণ। ভাৰতত শিক্ষাৰ ঈপ্সিত লক্ষ্য নিৰ্ধাৰণ কৰি লোৱাটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। শিক্ষাই নাগৰিকৰ বিবেক বিকশিত কৰিব পাৰিলেহে গণতন্ত্ৰই সুস্থিৰ ৰূপ ধাৰণ কৰে। ভাৰতত শিক্ষাই অন্ধবিশ্বাস আঁতৰোৱাৰ লগতে ধৰ্মনিৰপেক্ষতা আৰু নাগৰিকৰ মনত সৌহাৰ্দপূৰ্ণ অনুভৱ জগাই তুলিব লাগে। উচ্চ শিক্ষা আয়োগ (১৯৫২-৫৩)ৰ মতে, "গণতন্ত্ৰত শিক্ষাৰ তিনিটা লক্ষ্য খাপ খাই পৰে ঃ

১) গণতান্ত্ৰিক সামাজিক শৃংখলা এটাত নাগৰিক হিচাপে সৃজনাত্মকভাৱে অংশগ্ৰহণ কৰিবলৈ শিক্ষাৰ্থীক চাৰিত্ৰিক প্ৰশিক্ষণৰে উপযুক্ত কৰি তোলা, ২) দেশৰ অৰ্থনৈতিক সমৃদ্ধিত নিজ অৰিহণা আগবঢ়াব পৰাকৈ শিক্ষাৰ্থীৰ ব্যৱহাৰিক আৰু বৃত্তিমুখী দক্ষতা উন্নত কৰা আৰু ৩) এটা জীৱন্ত ৰাষ্ট্ৰীয় সংস্কৃতিৰ সৃষ্টি কৰিবলৈ মানৱ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ আৰু আত্ম-অভিব্যক্তি প্ৰকাশৰ বাবে প্ৰয়োজন হোৱা স্বাধীনতা, কলাসুলভতা আৰু সাংস্কৃতিক আগ্ৰহৰ বিকাশ ঘটোৱা হয়।"

গণতন্ত্ৰ আৰু পাঠ্যক্ৰম ঃ পাঠ্যক্ৰমৰ জৰিয়তে গণতান্ত্ৰিক আদৰ্শবোৰক বাস্তৱ ৰূপ দিব পৰা যায়। নৈতিকতা আৰু আদৰ্শবোৰ বাস্তৱায়িত কৰাৰ লক্ষ্যত উপনীত হ'বলৈ একোখন গণতান্ত্ৰিক পাঠ্যক্ৰমৰ পৰিকল্পনা আৰু সজ্জা প্ৰস্তুত কৰাটো আৱশ্যকীয়। গণতান্ত্ৰিক দেশ এখনত 'ব্যক্তিগত সত্ত্বা'ক সৰ্ব্বোচ্চ অধিকাৰ দিয়া হয়। সেয়েহে গণতান্ত্ৰিক পাঠ্যক্ৰমত সেইবোৰ বিষয়বস্তু অন্তৰ্ভুক্ত কৰা উচিত যিবোৰ মানুহৰ ব্যক্তিগত প্ৰয়োজন শিক্ষা গ্ৰহণৰ ক্ষমতা, প্ৰত্যাশা আৰু সম্ভাৱণীয় অনুকূল। এনে পৰিকল্পনা যুগুত কৰোঁতে শিক্ষাৰ্থীয়ে যাতেশিক্ষনৰ বাবে পৰ্যাপ্ত স্বতন্ত্ৰতা লাভ কৰে সেই কথাটোৰ লক্ষ্য ৰাখিব লাগিব। কাৰণ গণতন্ত্ৰই স্বাধীনতাৰ নিশ্চিতি আৰু দমন প্ৰতিহত কৰে। পাঠ্যক্ৰমৰ অধীনত ল'ৰা-ছোৱালীয়ে শিক্ষা লাভ কৰোঁতে স্বাচ্ছন্দ্যতা অনুভৱ কৰিব লাগিব। এনে পাঠ্যক্ৰমে শিক্ষাৰ্থীক নিজাববীয়া শৈক্ষিক কাৰ্যকলাপৰ পৰিকল্পনা কৰিব পৰাকৈ পৰ্যাপ্ত স্বাধীনতা দিব লাগিব।

গণতান্ত্ৰিক পাঠ্যক্ৰম নমনীয় আৰু ভিন্নধৰ্মী। এনে পাঠ্যক্ৰম সংকীৰ্ণভাৱে পৰিকল্পনা কৰিব অথবা গঢ় দিব পৰা নাযায়। ব্যক্তিভেদে প্ৰয়োজন, সম্ভাৱনীয়তা, সামৰ্থ আদি ভিন ভিন

হ'ব পাৰে। সেয়েহে শিক্ষার্থীৰ ব্যক্তিগত প্রয়োজন পূৰাব পৰাকৈ গণতান্ত্রিক পাঠ্যক্রমৰ আৰ্হি প্রস্তুত কৰা হয়। অৱশ্যে গ্রহণযোগ্য নীতি আৰু পৰিসীমাৰ ভিতৰতহে এই নমনীয়তা প্রযোজ্য হ'ব।

গণতন্ত্রই সমাজক গুৰুত্ব দিয়ে। সেয়েহে গণতান্ত্রিক পাঠ্যক্রম এটাই প্রচলিত সামাজিক ক্রম অনুসৰণ কৰা উচিত। সমাজ অবিৰতভাৱে পৰিৱর্তনশীল। সমাজৰ পৰিৱর্তন হ'লে সামাজিক ভাৱে স্বীকৃত বিধি-বিধান, নিয়ম-নীতি, আদর্শ, প্রমূল্য আদিও সলনি হয়। সেয়েহে গণতন্ত্রত পৰিকল্পনাৰ অধীন পাঠ্যক্রম এটা পৰিৱর্তনশীল সামাজিক ক্রমৰ লগতে ই স্থানীয় পৰিৱেশ আৰু চাহিদাৰ অনুকূল হ'ব লাগিব।

গণতান্ত্রিক পাঠ্যক্রমৰ মূল বিচার্য বিষয় হ'ল শিশুৰ সৃজনশীলতা। ল'ৰা-ছোৱালীৰ বুদ্ধিমত্তা আৰু সামর্থৰ অনুকূলকৈ অধ্যয়ন কৰিবলগীয়া পাঠ্য বিষয়বোৰৰ আৰ্হি তৈয়াৰ কৰা উচিত। এনে পাঠ্যবিষয় অধ্যয়ন কৰি ল'ৰা-ছোৱালীয়ে নিজে কিছুমান কথা শিকিব পাৰিব, মনৰ ভাৱ প্রকাশ কৰা উপায় বিচাৰি পাব আৰু সৃজনশীলতাৰ পৰিচয় দিব পাৰিব। ল'ৰা-ছোৱালীক মুখস্থ বিদ্যাত পাকৈত কৰি তোলাৰ চেষ্টা চলোৱা উচিত নহয়। পাঠ্যক্রমে শিক্ষার্থীক শিকাৰ সুযোগ দিব লাগে আৰু সক্রিয় অংশগ্রহণত ব্যস্ত ৰাখিব লাগে। অধ্যয়নৰ বিষয়বোৰ কেৱল বিষয়ভিত্তিক পাঠ্যক্রম হ'ব নালাগে। এনে বিষয়বোৰত ল'ৰা-ছোৱালীয়ে বিদ্যালয় আৰু বিদ্যালয়ৰ বাহিৰত অর্জন কৰিব পৰা সকলোবোৰ কার্যকলাপ তথা অভিজ্ঞতা সন্নিৱিষ্ট কৰা উচিত।

গণতান্ত্রিক পাঠ্যক্রম সংহত হ'ব লাগে। কোনো পাঠ্যবিষয়েই বিচ্ছিন্ন নহয়। বিভিন্ন বিষয় আৰু এটা বিষয়ৰ বিভিন্ন পাঠৰ মাজত সহঃসম্পর্ক থাকে। প্রতিটো বিষয় আমাৰ জীৱনৰ সৈতে জড়িত। সেয়েহে পাঠ্যক্রম যুগুত কৰাৰ সময়ত সংহতকৰণৰ নীতি অনুসৰণ কৰিব লাগে।

শিক্ষার্থীক বৃত্তিমুখী প্রশিক্ষণ দিয়াত গুৰুত্ব আৰোপ কৰাৰ বহল দৃষ্টিভংগীৰে গণতান্ত্রিক পাঠ্যক্রম প্রস্তুত কৰিব লাগে। সমাজৰ প্রতিগৰাকী ব্যক্তিয়েই উৎপাদনক্ষম। তেওঁ নিজৰ সমাজৰ অর্থনৈতিক কল্যাণ সাধন কৰিব পৰাকৈ দক্ষ হৈ উঠাৰ সুযোগ পাব লাগে। সেয়েহে গণতন্ত্রৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল শিক্ষাৰ মাজত এটা সুফলদায়ক সম্পর্ক কৰিব লাগে। পাঠ্যক্রমত কর্মঅভিজ্ঞতাক শিকণৰ এক উৎস হিচাপে স্থান দিব লাগে। ল'ৰা-ছোৱালীৰ শিক্ষা গ্রহণৰ ক্ষমতা অনুসৰি পাঠ্যক্রমত বিভিন্ন ধৰণৰ বৃত্তিমুখী বিষয় অন্তর্ভুক্ত কৰিব লাগে। এনে পাঠ্যক্রমৰ বাবে বিষয়সূচী নির্ধাৰণ কৰাৰ সময়ত শিশুৰ সর্বাংগীন বিকাশৰ দিশটো মনত ৰখা উচিত।

গণতন্ত্র আৰু শিক্ষণৰ পদ্ধতি ঃ গণতন্ত্রই শিক্ষণৰ পদ্ধতিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। এখন গণতান্ত্রিক পদ্ধতিৰে পৰিচালিত বিদ্যালয়ে শিক্ষণ পদ্ধতিবোৰলৈ অভূতপূর্ব পৰিৱর্তন আনিব খোজে। গণতন্ত্রত শিশুহঁতেই হ'ল বিদ্যালয় ব্যৱস্থাৰ মধ্যমণি। 'শিক্ষক', 'পাঠ্যক্রম' অথবা আন কোনো বিষয়েই ইয়াত কেন্দ্রীয় গুৰুত্ব লাভ নকৰে। এই 'শিশুকেন্দ্রিক' বৈশিষ্ট্যটো শিক্ষণৰ পদ্ধতিত প্রতিফলিত হোৱা উচিত। এখন গণতান্ত্রিক বিদ্যালয়ে সেয়েহে শিশুৰ বয়স, প্রয়োজন, মানসিক বিকাশ আদিৰ সৈতে সম্পূর্ণ খাপ খোৱা শিক্ষণ পদ্ধতি ব্যৱহাৰ কৰিব খোজে। অধ্যয়নৰ বিষয়সূচী বুজি পোৱাত শিশুক সহায় কৰিব নোৱাৰা শিক্ষণ পদ্ধতি এটাক গণতান্ত্রিক

ব্যৱস্থাই শিক্ষাদানৰ ফলপ্ৰসূ পদ্ধতি বুলি মানি নলয়। ফলপ্ৰসূ পদ্ধতি এটাই শিক্ষণ পদ্ধতিটো কার্যৰূপায়িত কৰাৰ আগতে শিশুৰ গোটেই জীৱনটোৰ কথা বিবেচনা কৰি চায়। শিক্ষণ পদ্ধতিয়ে শিশুক প্ৰয়োজনীয় জীৱন অভিজ্ঞতাৰে সমৃদ্ধ কৰি তোলা উচিত।

গণতন্ত্ৰই গতিশীলতাক বিশ্বাস ৰাখে আৰু অনমনীয়তাৰ বিৰোধিতা কৰে। শিক্ষণ পদ্ধতি অনমীনয়, পৰম্পৰাগত আৰু অপৰিৱর্তনশীল হ'লে গণতান্ত্ৰিক শিক্ষাৰ লক্ষ্যত কেতিয়াও উপনীত হ'ব পৰা নাযায়। অর্থাৎ, গণতান্ত্ৰিক ব্যৱস্থাত শিক্ষণৰ পদ্ধতিবোৰৰ কোনো স্থান নাই। শিক্ষণ পদ্ধতি বাছি লোৱাৰ সময়ত শিক্ষার্থীৰ ব্যক্তিগত স্বাধীনতাৰ কথাটো মনত ৰখা ভাল। শিশুক শিক্ষাদান কৰাৰ সময়ত দুর্বোধ্য জ্ঞানেৰে সিহঁতৰ মনবোৰ ভৰাই পেলোৱাটো শিক্ষকৰ লক্ষ্য হোৱা উচিত নহয়। শিক্ষকৰ লক্ষ্য হ'ল শিকণ প্ৰক্ৰিয়াৰ জৰিয়তে শিক্ষার্থীৰ জ্ঞানজগত সমৃদ্ধ কৰি তোলা।

গণতান্ত্ৰিক শিক্ষণ হ'ল সহযোগিতামূলক শিক্ষণ। শিক্ষণ, পৰিকল্পনা আৰু বিষয়বস্তুৰ পাঠদান/কার্যৰূপায়ণৰ লগতে অন্য শৈক্ষিক কার্যকলাপবোৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে মিলিজুলি সম্পাদন কৰে। সেয়েহে শিক্ষণ পদ্ধতিটো এনে হোৱা উচিত যিটোৱে শিক্ষাৰ দুই মেৰু 'শিক্ষক' আৰু 'শিক্ষার্থী'ৰ মাজত এক বান্ধোন গঢ়ি তুলিব পাৰে। শিক্ষকে শিক্ষার্থীক কোনো কথা বলপূর্বক জাপি দিব নালাগে। ইয়াৰ সলনি তেওঁ সদায়ে শিক্ষার্থীক মুকলিমূৰীয়াকৈ প্ৰশ্ন সোধা আৰু আলোচনাত ভাল লোৱাৰ বাবে উৎসাহিত কৰিব লাগে। মুখস্থ বিদ্যাক প্ৰশ্ৰয় দিয়া উচিত নহয়। গণতান্ত্ৰিক শিক্ষণ পদ্ধতিৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল দলীয় আলোচনা, সমস্যাৰ সমাধান বাহিৰ কৰা, অভিজ্ঞতাৰ জৰিয়তে শিকা আৰু ফলাফলৰ দলীয় মূল্যয়ণ কৰা। আগমন-নির্গমন যুক্তিযুক্ততা, বিশ্লেষণ, সংশ্লেষণ আদিৰ দৰে বিজ্ঞানসন্মতভাৱে চিন্তা কৰাৰ কলা বিকশিত কৰা হয়। এনে পদ্ধতিয়ে শিক্ষার্থীৰ যুক্তিসংগত সাধাৰণীকৰণ কৰিব পৰা দক্ষতাবোৰ বিকাশ ঘটায়।

গণতান্ত্ৰিক শিক্ষাই জোৰ দিয়া প্ৰধান শিক্ষণ পদ্ধতিটো হ'ল 'হাতে-কামে কৰি শিকা' ()। শিক্ষার্থীক নিজ অভিজ্ঞতাৰ পৰা শিকিবলৈ উৎসাহিত কৰিব লাগে। সিহঁতৰ মৌলিক চিন্তা কৰিব পৰা দক্ষতা বৃদ্ধিত সহায় কৰিব, নতুন অভিজ্ঞতাৰ যোগান ধৰিব আৰু সিহঁতক নতুন বস্তু আৱিষ্কাৰ কৰিবলৈ আগ্ৰহী কৰি তুলিব লাগে। 'স্ব-কার্য'ই শিকণ প্ৰক্ৰিয়াটো অধিক প্ৰাণৱন্ত, আনন্দদায়ক আৰু উৎপাদনক্ষম কৰি তোলে। ই শিশুৰ শিকাৰ আগ্ৰহ দীর্ঘসময়লৈ ধৰি ৰাখে। এনে পদ্ধতিৰে শিক্ষার্থীয়ে 'শিক্ষকে বাধ্য কৰোৱা' ধৰণে নহয় 'নিজে শিকিবলৈ বিচৰা' ধৰণেৰে শিকে।

গণতন্ত্ৰ আৰু শিক্ষক ঃ এগৰাকী শিক্ষকে গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাত মুখ্য ভূমিকা পালন কৰে। তেওঁ শিক্ষার্থীৰ বন্ধু, দার্শনিক আৰু পথ প্ৰদর্শক। সমাজত শিক্ষকে পৰিৱর্তন সাধন কৰাৰ দায়িত্ব পালন কৰা ব্যক্তিগৰাকী হ'ল শিক্ষক। শিক্ষকেই সমাজ একোখনৰ প্ৰগতিৰ দিশেৰে আগবঢ়াই লৈ যায়।

এগৰাকী গণতান্ত্ৰিক শিক্ষকৰ গণতন্ত্ৰৰ গঠন সম্পর্কে উপযুক্ত ধাৰণা থকা উচিত। তেতিয়াহে তেওঁ এই বিষয়ত শিক্ষার্থীসকলৰ ধাৰণা স্পষ্ট কৰিব পাৰিব। শিক্ষকৰ শ্ৰেণীকোঠা

ব্যৱস্থাপনা আৰু শিক্ষণ কৌশল প্ৰয়োগ কৰাৰ দক্ষতা থাকিব লাগে। এনে ব্যৱস্থাপনা আৰু কৌশলৰ ভিতৰত শিক্ষাৰ্থী-শিক্ষক পৰিকল্পনা, দলীয় কাৰ্য, আলোচনা সমস্যা সমাধান আদি কাৰ্যক সামৰি লোৱা হয়।

গণতন্ত্ৰত এগৰাকী শিক্ষকৰ প্ৰকৃতিও গণতান্ত্ৰিক হোৱা উচিত। তেওঁ প্ৰতি গৰাকী শিক্ষাৰ্থীকে সমানে গুৰুত্ব দিব লাগে। শিক্ষকে পক্ষপাতিত্বমূলক আচৰণ কৰা অনুচিত। তেওঁৰ গণতান্ত্ৰিক আচৰণে শিক্ষাৰ্থীসকলক এয়া অনুভৱ কৰিবলৈ দিব যে সিহঁত সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ এটা গুৰুত্বপূৰ্ণ অংশ। শিক্ষকে প্ৰতিটো শিশুকে 'আবেগিক সুৰক্ষা' প্ৰদান কৰা উচিত। শিশুৰ শিকন প্ৰক্ৰিয়াটো আনন্দদায়ক কৰি তোলাৰ দায়িত্বও শিক্ষকৰ হাততে ন্যস্ত থাকে। শিক্ষাৰ্থীয়ে শিক্ষকক মুকলিমুৰীয়াকৈ যিকোনো প্ৰশ্ন সোধাৰ সুযোগ পোৱা উচিত। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনত এই ভাৱ জগাই তুলিব লাগে যে সিহঁতে সকলো সময়তে উচিত দিক্ নিৰ্দেশনা লাভ কৰিব আৰু শিকন প্ৰক্ৰিয়াটো সিহঁতৰ জীৱনৰ সৰ্বোৎকৃষ্ট অভিজ্ঞতা হৈ ৰ'ব।

শিক্ষকে ল'ৰা-ছোৱালীহঁতৰ প্ৰত্যেককে ব্যক্তিগত মনোযোগ দিয়া উচিত। এনে কৰাৰ ফলত তেওঁ প্ৰতি গৰাকী শিক্ষাৰ্থীৰ ব্যক্তিগত সম্ভাৱনীয়তা, সৃজনশীলতা, সামৰ্থ, শিকাৰ ক্ষমতা, সীমাৱদ্ধতা আদি গম পাব। তেতিয়া তেওঁ সিহঁতৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি বিকাশৰ সুযোগ সৃষ্টি কৰি দিব পাৰিব। এগৰাকী গণতান্ত্ৰিক শিক্ষকে ঘৰুৱা আৰু সামাজিক পৰিৱেশ কৰি তুলিব পাৰে। প্ৰতিগৰাকী ব্যক্তিয়েই নৈতিক পছন্দ কৰিব পৰাকৈ সক্ষম; প্ৰতিগৰাকী ব্যক্তিয়েই ভুল-শুদ্ধ, ভাল-বেয়া, ধুনীয়া-আপচু বিষয়ক সিদ্ধান্ত ল'ব পাৰে। 'অধিপত্য' বিস্তাৰৰ চেষ্টা চলোৱাতকৈ শিক্ষকে স্বাধীনতাৰ অধিকাৰ, চিন্তাৰ অধিকাৰ আৰু পছন্দৰ অধিকাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক সজাগ কৰি তুলিব লাগে যাতে সিহঁতে যি বিচাৰে অথবা বিশ্বাস কৰে সেয়া স্পষ্টকৈ প্ৰকাশ তথা কাৰ্যত প্ৰয়োগ কৰিব পৰা হয়।

গণতন্ত্ৰ আৰু নিয়মানুৱৰ্তিতা ঃ বিদ্যালয়ক এক গৱেষণাগাৰ বুলি গণ্য কৰিব পৰা যায়। ল'ৰা-ছোৱালীয়ে ইয়াত গণতান্ত্ৰিক সামাজিক জীৱন যাপনৰ কলা আৰু দক্ষতাবোৰৰ বিষয়ে শিকে। গণতন্ত্ৰত আত্ম-অনুশাসনৰ ওপৰত জোৰ দিয়া হয়। আত্ম-অনুশাসনক সৰ্বোত্তম প্ৰকাৰৰ নিয়মানুবৰ্তিতা বুলি বিবেচনা কৰা হয়। গণতন্ত্ৰত আত্ম-অনুশাসনক অগ্ৰাধিকাৰ দিয়াৰ কাৰণ হ'ল দমন ইয়াৰ আধাৰ নহয়। বাহিৰৰ পৰা জাপি দিয়া অনুশাসনক প্ৰকৃত অনুশাসন বুলি ক'ব নোৱাৰি। শিশু এটিয়ে তেতিয়াহে নিজকে অনুশাসনৱদ্ধ কৰিবলৈ শিকে যেতিয়া ইয়াৰ মনত অনুশাসনবোধ ওপজে। প্ৰকৃত নিয়মানুবৰ্তিতাৰ আধাৰ হ'ল মৰম, সহানুভূতি, সহযোগিতা আৰু মানৱীয় সম্পৰ্ক। এনে পৰিস্থিতিবোৰত নিয়মানুবৰ্তিতাই প্ৰকৃত, স্বাভাৱিক আৰু সুফলদায়ক ৰূপ ধাৰণ কৰে। ছাত্ৰ-ছাত্ৰীক কৰ্তৃত্বৰ অনুগত হ'বলৈ বাধ্য কৰোৱা হয়। কিন্তু গণতন্ত্ৰৰ প্ৰশিক্ষণ লৈ থকা ছাত্ৰ-ছাত্ৰীয়ে বৌদ্ধিক সততা, ভীতিহীন যুক্তিযুক্ততা অন্যৰ প্ৰতি সন্মান আদিৰ দৰে গুণবোৰ শিকে। এনেকৈয়ে অৱশেষত নিজ স্বাধীনতাৰ সুপ্ৰয়োগ কৰি শিক্ষাৰ্থীয়ে স্ব-নিৰ্দেশনাৰ বিষয়ে শিকে। আত্ম-অনুশাসনৰ বাবে স্বাধীনতা অতি প্ৰয়োজনীয়। মাৰিয়া মণ্টেচ্ছ'ৰীৰ ভাষাত, "নিয়মানুৱৰ্তিতা লক্ষ্যত উপনীত হ'বলৈ (ছাত্ৰ-ছাত্ৰীক) স্বাধীনতা দিয়ক।" কিন্তু ইয়াৰ মানে

এইটো নহয় যে শিক্ষার্থীৰ নেতা হিচাপে শিক্ষকৰ আন কোনো কর্তব্য নাই। শিক্ষকে নিয়মানুবর্তিতাৰ প্রয়োজনীয়তাৰ বিষয়ে শিক্ষার্থীক বুজি উঠিবলৈ দিব আৰু নিজকে নিয়ন্ত্রিত কৰাৰ উপায় শিকাব লাগিব। শিক্ষকে কেতিয়াও কঠোৰ শাসকৰ ভূমিকা লোৱা উচিত নহয়। তেওঁ সদায় পর্দাৰ আঁৰৰ পৰা দিহা-পৰামর্শ আগবঢ়াই থকা ব্যক্তিগৰাকী হ'ব লাগিব। ইয়াৰ বাবে প্রতিগৰাকী শিক্ষকেই মৰম, সহানুভূতি আদিৰ দৰে গুণসম্পন্ন সু-পর্যবেক্ষক হ'ব লাগিব।

গণতন্ত্রত শিক্ষার্থীৰ নিজস্ব চৰকাৰৰ জৰিয়তে আত্ম-অনুশাসনৰ অনুশীলন কৰিব পৰা যায়। শিক্ষার্থীক সিহঁতৰ নিজৰ নীতি-নিয়মেৰে পৰিচালিত হ'বলৈ উৎসাহ দিব লাগে। যদি ছাত্র/ছাত্রী পৰিষদ, ছাত্র/ছাত্রী একতা সভা আদি গঠন কৰি সেইবোৰক বিদ্যালয়ৰ নিয়মানুৱর্তিতা তথা বিদ্যালয় প্রশাসনৰ সৈতে জড়িত বিভিন্ন দায়িত্ব অর্পণ কৰা হয়, তেন্তে নিয়মানুৱর্তিতা ভংগৰ পৰিমাণ যথেষ্ট হ্রাস কৰিব পৰা যায়।

গণতান্ত্রিক নিয়মানুবর্তিতা মানে উপদেশ আৰু শাস্তি দিয়া, ভাবুকি অথবা প্রতিশ্রুতি দিয়াক নুবুজায়। ইয়াৰ অর্থ হ'ল ল'ৰা-ছোৱালীক অর্থপূর্ণ আৰু আনন্দদায়ক কাম-কাজত জড়িত কৰোৱা। ল'ৰা-ছোৱালীক যদি অনবৰতে উদ্দীপনাময় আৰু আকর্ষনীয় কাম-কাজত ব্যস্ত ৰখা হয় তেন্তে নিয়মানুবর্তিতা আপোনা-আপুনি বর্তি থাকিব। গণতান্ত্রিক শিক্ষাত নিয়মানুবর্তিতা সঠিক সময়ত সঠিকভাৱে সঠিক কাম কৰাৰ প্রত্যয়ৰ ওপৰত আধাৰিত।

গণতান্ত্রিক শিক্ষাই 'সামাজিক নিয়মানুবর্তিতা'ৰো পোষকতা কৰে। ডিৱীৰ মতে, "সামাজিক নিয়মানুবর্তিতা হ'ল 'এটা সম্প্রদায় ৰূপে সংগঠিত বিদ্যালয়ৰ যৌথ কার্য-কলাপবোৰৰ জৰিয়তে ছাত্র-ছাত্রীৰ মনত সামাজিক মনোভাৱ, অভ্যাস আৰু আচৰণ আদর্শ কর্ষণ কৰা কার্য" সামাজিকীকৃত নিয়মানুবর্তিতাই ছাত্র-ছাত্রীৰ আটাইবোৰ প্রয়োজনীয় সামাজিক গুণৰ বিকাশ সাধন কৰি সিহঁতক সমাজৰ সক্রিয় সদস্য কৰি তোলাত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গণতান্ত্রিক শিক্ষাৰ অর্থ কি?

.....

প্রশ্ন নং ২ঃ গণতন্ত্রত শিক্ষাৰ যিকোনো তিনিটা গুৰুত্বৰ বিষয়ে লিখা।

.....

প্রশ্ন নং ৩ঃ গণতন্ত্রত শিক্ষাৰ দুটা লক্ষ্যৰ বিষয়ে উল্লেখ কৰক।

.....

প্রশ্ন নং ৪ঃ গণতান্ত্রিক শিক্ষাত শিক্ষকৰ ভূমিকা ব্যাখ্যা কৰক।

.....

প্রশ্ন নং ৫ঃ গণতন্ত্রত নিয়মানুবর্তিতাৰ প্রকাৰবোৰ কেনেকুৱা বর্ণনা কৰক।

.....

১৪.৩ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অভিকৰণবোৰৰ ভূমিকা

বিভিন্ন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অভিকৰণে সমাজত পালন কৰা ভূমিকাৰ ওপৰত গণতন্ত্ৰৰ সফলতা বহুখিনি নিৰ্ভৰশীল। এখন গণতান্ত্ৰিক দেশৰ সমৃদ্ধি আৰু প্ৰগতিত এনে অভিকৰণবোৰে নিজ নিজ ধৰণে অৱদান আগবঢ়ায়।

এখন গণতান্ত্ৰিক দেশত শিক্ষা প্ৰদান কৰিব পৰা মুখ্য আনুষ্ঠানিক অভিকৰণটো হ'ল পৰিয়াল। শিশু এটিয়ে নিজ পৰিয়ালৰ পৰিৱেশতেই গণতান্ত্ৰিকভাৱে জীৱন যাপন কৰাৰ প্ৰথম পাঠ আয়ত্ব কৰে। এটি শিশুৱে নিজ পৰিয়ালৰ ভিতৰত একোটা সামগ্ৰিক তথা সম্পূৰ্ণ জীৱন যাপনৰ সুযোগ পায়। পৰিয়ালৰ অন্য সদস্যৰ সামাজিক জীৱনৰ পৰা শিশুৱে অভিজ্ঞতা আহৰণ কৰে। শিশুৰ সামাজিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰো কেন্দ্ৰবিন্দু হ'ল পৰিয়াল। অনুভৱ, আবেগ, ধাৰণা আদিৰ পাৰস্পৰিক আদান-প্ৰদান প্ৰক্ৰিয়াৰ জৰিয়তে শিশুৱে সহযোগিতাৰ মনোভাৱেৰে জীৱন যাপন কৰিবলৈ শিকে। স্বাধীনতা, সৌহাৰ্দপূৰ্ণ মনোভাৱ, মৰম-চেনেহ, ন্যায় আদিৰে ভৰা পৰিৱেশ এটাই শিশুক ভৱিষ্যৎ সমাজৰ একো একোগৰাকী আদৰ্শ নাগৰিক হ'বলৈ অনুপ্ৰাণিত কৰে। পৰিয়ালৰ সদস্যৰ মাজত থকা সমতাপূৰ্ণ মনোভাৱেও শিশুক গভীৰভাৱে প্ৰভাৱিত কৰে। এনে পৰিৱেশত বাস কৰা ল'ৰা-ছোৱালীয়ে ভৱিষ্যতে একোটা আদৰ্শ গণতান্ত্ৰিক জীৱন যাপন কৰিব পাৰে।

গণতন্ত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আন এটা আনুষ্ঠানিক অভিকৰণ হ'ল বিদ্যালয়। শিশুৱে ঘৰুৱা পৰিৱেশত জীৱনৰ প্ৰথম কেইবছৰমান কটোৱাৰ পাচত বিদ্যালয়লৈ আহে। বিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশে শিশুৰ গণতান্ত্ৰিক জীৱনক প্ৰভাৱিত কৰে। ল'ৰা-ছোৱালীয়ে বিদ্যালয়ত লাভ কৰা প্ৰকৃত নাগৰিকৰ প্ৰশিক্ষণে সিহঁতক যথেষ্ট সহায় কৰে। বিদ্যালয়ত শিশুক এটা মুক্ত আৰু উদাৰ পৰিৱেশ দিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত নিজৰ মনৰ ভাৱ প্ৰকাশৰ সুযোগ পাব লাগে। বিদ্যালয়ৰ শিক্ষাৰ আৰ্হি ল'ৰা-ছোৱালীৰ সামৰ্থ অনুসৰি প্ৰস্তুত কৰি ল'ব লাগে। ল'ৰা-ছোৱালীয়ে বিভিন্ন ক্ষেত্ৰত নেতৃত্ব দিয়াৰ সুযোগ পাব লাগে। তেতিয়াহে সিহঁতৰ মাজত নেতৃত্ব দিব পৰা গুণৰ বিকাশ ঘটিব। বিদ্যালয়ৰ ভিতৰত থকা দলীয় জীৱনে ছাত্ৰ-ছাত্ৰীক এনে সফল গণতান্ত্ৰিক জীৱন যাপন কৰাত সহায় কৰে।

ৰাষ্ট্ৰ হ'ল আন এটা গুৰুত্বপূৰ্ণ আনুষ্ঠানিক অভিকৰণ যিটোৱে ব্যক্তিক প্ৰকৃত গণতন্ত্ৰৰ প্ৰশিক্ষণ দিব পাৰে। ৰাষ্ট্ৰই বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰিব পাৰে। ই ছাত্ৰ-ছাত্ৰীক সফলতাৰে উচ্চ আৰু উচ্চতৰ শিক্ষা লোৱাত সহায় কৰিব। ৰাষ্ট্ৰই নিশ্চিত কৰা সামগ্ৰিক বিদ্যায়তনিক সা-সুবিধাবোৰে মানুহক গণতান্ত্ৰিক শিক্ষা আহৰণত সহায় কৰিব। ছাত্ৰ-ছাত্ৰীৰ বাবে ৰাষ্ট্ৰত অপৰ্যাপ্ত সুযোগ থকা উচিত যাতে শিক্ষা আহৰণত কোনো বাধাৰ সৃষ্টি হ'ব নোৱাৰে। ৰাষ্ট্ৰই গণতান্ত্ৰিক সমাজৰ ল'ৰা-ছোৱালীৰ বাবে বিভিন্ন ধৰণৰ কল্যাণমূলক কাৰ্যসূচীৰ আয়োজন কৰিব পাৰে।

ওপৰত উল্লেখ কৰা আনুষ্ঠানিক অভিকৰণবোৰৰ উপৰি গণতান্ত্ৰিক শিক্ষা দিব পৰা

আন বহুতো অনানুষ্ঠানিক অভিকৰণ আছে। এই অভিকৰণবোৰে ৰাজহুৱা সচেতনতা গঢ়া, সুস্থ আৰু বাঞ্ছনীয় জনমত গঢ়া আদি কার্যত সহায় কৰিব পাৰে। শিক্ষা হ'ল এক অন্তহীন জীৱন জো�ৰা প্ৰক্ৰিয়া। একোটা সফল গণতান্ত্ৰিক জীৱন যাপনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ শিক্ষা কেৱল বিদ্যালয়ৰ দৰে আনুষ্ঠানিক অভিকৰণবোৰে দিব নোৱাৰে। বিদ্যালয় জীৱনৰ সামৰণি পৰাৰ পাচতো ব্যক্তিৰ অধিকাৰ আৰু কর্তব্য বর্তি থাকে। মানুহক অধিকাৰ কর্তব্য বিষয়ক শিক্ষা দিয়াত গণমাধ্যমৰ দৰে অনানুষ্ঠানিক অভিকৰণবোৰে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। গণতন্ত্ৰত নাগৰিকসকল বৌদ্ধিকভাৱে আগবঢ়া, শিক্ষিত আৰু আত্ম-সচেতন ভোটদাতা হোৱাটো অতি আৱশ্যক। তেতিয়াহে তেওঁলোকে দেশৰ গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ প্ৰতি আগ্ৰহী হৈ উঠিব। সেয়েহে অনানুষ্ঠানিক অভিকৰণবোৰে মানুহক একোখন উন্নততৰ চৰকাৰ বাছনি কৰিব পৰাকৈ বুদ্ধিমান কৰি তোলাত এক গুৰুত্বপৰ্ণ ভূমিকা পালন কৰিব পাৰে। এনে অভিকৰণবোৰে জনমত উপযুক্তভাৱে সংগঠিত আৰু চৰকাৰী শাসনৰ সৈতে জড়িত বিভিন্ন কার্য-কলাপ নিৰীক্ষণ কৰিব পাৰে। অনানুষ্ঠানিক অভিকৰণবোৰে মানুহক তেওঁলোকৰ সাংবিধানিক দায়ৱদ্ধতাবোৰৰ বিষয়ে সজাগ কৰি তুলিবলৈ উপযুক্ত উদ্যোগ লোৱা উচিত। এইবোৰ দিশেৰে বিবেচনা কৰি চালে দেখা পোৱা যায় যে গণতান্ত্ৰিক শিক্ষা দিয়াত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ অভিকৰণেই সমানেই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

১৪.৪ গণতন্ত্ৰৰ সফলতাৰ মৌলিক নীতিসমূহ

গণতন্ত্ৰত ব্যক্তি নিজ ভাগ্যৰ নির্ণায়ক। সেয়েহে গণতন্ত্ৰই মানুহক নিজ ভাগ্য গঢ়াৰ স্বাধীনতা দিয়াৰ পোষকতা কৰে ইয়াৰ বাবে মানুহ শিক্ষিত হ'ব লাগিব আৰু সামাজিক কল্যাণৰ বাবে অনুশাসনৱদ্ধ হ'ব লাগিব। নহ'লে মানুহে স্বাধীনতাৰ মূল্য ভৰিব লাগিব আৰু সমাজ ব্যৱস্থাই স্বৈৰাছাৰৰ ৰূপ ল'ব। গণতন্ত্ৰৰ সফলতা কিছুমান মৌলিক নীতিৰ ওপৰত নির্ভৰশীল। তলত এই নীতিবোৰৰ আলোচনা কৰা হ'ল —

- **ব্যক্তিৰ মর্যাদা ঃ** জীৱনৰ গণতান্ত্ৰিক দর্শন এটাই মানুহৰ মর্যাদাৰ প্ৰতি সন্মান জনায়। ইয়াত কোনো ব্যক্তি কাৰো তলতীয়া নহয়। সেয়েহে গণতন্ত্ৰত ব্যক্তিক সন্মান জনাবই লাগিব। ব্যক্তিয়ে নিজৰ গুণ তথা সম্ভাৱনীয়তা বিকাশৰ বাবে সকলো সা-সুবিধা পোৱা উচিত। কিন্তু এনে সা-সুবিধাবোৰে অন্য কাৰো স্বার্থত আঘাত কৰা অনুচিত। এনে সা-সুবিধাই ব্যক্তিক নিজৰ সমলপূৰ্ণতা, উদ্যোগ আৰু কার্যঅভিযানবোৰ বিকশিত কৰাত সহায় কৰে। গণতন্ত্ৰত শৈক্ষিক কার্যসূচীবোৰ ব্যক্তিৰ বুদ্ধিমত্তা আৰু সৃজনশীলতাৰ প্ৰতিপালন কৰিব পৰাকৈ যুগুত কৰি লোৱা উচিত। ব্যক্তিয়ে নিজেও নিজৰ সামর্থ, দক্ষতা তথা শিকাৰ ক্ষমতা প্ৰগতিশীল মনোভাৱেৰে বঢ়াই তোলা উচিত। ইয়াৰ ফলতহে সমাজে প্ৰকৃতৰূপে শিক্ষিত ব্যক্তি লাভ কৰিব। এই গুণবোৰে এনে কিছুমান প্ৰমূল্যৰ সৃষ্টি কৰিব যিবোৰে মানুহৰ ব্যক্তিত্ব বৃদ্ধি, সমৃদ্ধ আৰু সম্প্ৰসাৰিত কৰিব। ব্যক্তিগত আৰু সামাজিক স্বার্থৰ মাজত সঠিক সমন্বয় থাকিব লাগিব।

- **সুযোগ লাভৰ সমতা** ঃ গণতন্ত্ৰ সফল কৰি তোলাৰ ই হ'ল সবাতোকৈ গুৰুত্বপূৰ্ণ পূৰ্বচর্ত। সুযোগ লাভৰ সমতা মানে হ'ল সমাজৰ প্ৰতিগৰাকী সদস্যই নিজৰ সামর্থ তথা শিকন ক্ষমতাক বাস্তৱ ৰূপ দিয়াৰ তথা উপভোগ কৰাৰ সমান সুযোগ পোৱা উচিত। গণতন্ত্ৰত ধর্ম, জাতি, বর্ণ, সংস্কৃতি আদিৰ ভিত্তিত কোনো ক্ষেত্ৰতে কোনো ব্যক্তিয়েই কোনোধৰণৰ বৈষম্যৰ বলি হ'ব নোৱাৰে। প্ৰতিগৰাকী ব্যক্তিয়েই সা-সুবিধাবোৰৰ সদ্ব্যৱহাৰ কৰাৰ ন্যায়সংগত সুযোগ পোৱা উচিত। কিন্তু 'সমতাপূৰ্ণকৰণ' মানে 'অ-প্ৰভেদহীনতা' নহয়। প্ৰত্যেক ব্যক্তিয়েই কিছুমান ব্যক্তিগত সামর্থ আৰু একোটা ব্যক্তিগত শিকন সক্ষমতাৰ গৰাকী। কিছুমান প্ৰবল শাৰীৰিক শক্তিৰ অধিকাৰী, কিছুমানৰ বুদ্ধিমত্তা বেছি, কিছুমানৰ সৃজনশীলতা থাকে আৰু কিছুমানৰ অধ্যয়নৰ দক্ষতা থাকে ইত্যাদি। প্ৰতিগৰাকী ব্যক্তিয়েই যদি প্ৰকৃতি প্ৰদত্ত গুণবোৰৰ দ্বাৰা সমাজক নেতৃত্ব দিয়াৰ বাবে প্ৰয়োজনীয় সুযোগ নাপায় তেন্তে কথাটো অন্যায় আৰু অগণতান্ত্ৰিক হ'ব। বিদ্যালয়ে যদি ব্যতিক্ৰমী শিশু এটিৰ গুণবোৰক হেয় দৃষ্টিৰে চায় তেন্তে এয়া শিশুটিৰ গুণবোৰক অপমান কৰাৰ দৰে হ'ব। আমাৰ বিদ্যালয়বোৰে সেয়েহে শিশুক সিহঁতৰ সর্বশ্ৰেষ্ঠখিনি উজাৰি দিব পৰাকৈ সিহঁতৰ আগ্ৰহ অনুসৰি সকলো সা-সুবিধা দিব লাগে।

আকৌ, শিক্ষাৰ 'সমতাকৰণবাদ' মানে শিক্ষাত 'একেৰূপতা' প্ৰক্ৰিয়া নহয়। শৈক্ষিক সুযোগবোৰ সমতাপূৰ্ণহে হোৱা উচিত, একেৰূপী নহয়। কলাৰ প্ৰতি আগ্ৰহ থকা শিশু এটিক কলা শাখাৰ বিষয়বস্তুহে পঢ়িবলৈ দিয়া উচিত। একেদৰে, বিজ্ঞান অথবা স্থাপত্যবিদ্যাত আগ্ৰহী ল'ৰা-ছোৱালীক সেই বিষয়বোৰৰ শিক্ষা লাভৰ সুযোগ দিব লাগে। কিন্তু, প্ৰত্যেকটো ল'ৰা-ছোৱালীকে বিকল্পবোৰৰ মাজৰ পৰা নিজ পছন্দ নির্বাচন কৰাৰ শিক্ষা দিব লাগে। তেতিয়াহে অসফলতাৰ এটা ন্যূনতম সীমা নির্ধাৰণ কৰিব পৰা যাব।

গণতন্ত্ৰৰ দুটামান গুৰুত্বপূৰ্ণ আদর্শ হ'ল —

- **স্বাধীনতা** ঃ স্বাধীনতা হ'ল সফল গণতন্ত্ৰৰ কেন্দ্ৰবিন্দু। গণতান্ত্ৰিক আদর্শই প্ৰতিগৰাকী ব্যক্তিৰে নিজে বিচৰা ধৰণে স্ব-ব্যক্তিত্বৰে মুকলিমুৰীয়া জীৱন কটোৱা উচিত বুলি দাবী জনায়। চিন্তা-অভিব্যক্তি-ধর্মীয় সংস্কাৰ-ধর্মীয় বিশ্বাস আৰু চলা-ফুৰা কৰাৰ স্বাধীনতা উপভোগ কৰাৰ জৰিয়তে গণতান্ত্ৰিক স্বাধীনতা লাভৰ কথাটো বাস্তৱ ৰূপ দিব পৰা যায়। স্বাধীন পৰিৱেশত ব্যক্তিয়ে নিজকে প্ৰকাশ কৰাৰ সুযোগ পায় আৰু নিজস্ব সম্ভাৱনীয়তাবোৰৰ পূৰ্ণ বিকাশ ঘটাব পাৰে। মানুহ স্বভাৱতে স্বাধীনতাপ্ৰিয়। মানুহৰ সম্পূৰ্ণ বিকাশ আৰু বৃদ্ধি স্বাধীনতাৰ ওপৰত নির্ভৰশীল। এগৰাকী ব্যক্তিৰ সামগ্ৰিক ব্যক্তিত্বৰ তেতিয়াহে পূৰ্ণবিকাশ ঘটে যেতিয়া তেওঁ নিজকে স্বাধীনভাৱে আগবঢ়াই নিয়াৰ সুযোগ পায়। অৱশ্যে ইয়াৰ অর্থ এইটো নহয় যে ব্যক্তিগত স্বাধীনতাই প্ৰচলিত স্বীকৃত সামাজিক প্ৰথা আৰু নীতি-নিয়ম আদিক অসন্মান কৰাৰ অনুজ্ঞাপত্ৰ লাভ কৰে। যেতিয়া স্বাধীনতাক উপযুক্ত ধৰনে প্ৰয়োগ কৰা হয় তেতিয়াহে প্ৰকৃত বিকাশ সম্ভৱ হয়।

- **সহিষ্ণুতা** ঃ গণতন্ত্ৰ হ'ল একনায়কত্ববাদৰ বিপৰীত অৱস্থা। সেয়েহে গণতন্ত্ৰৰ বিকাশৰ বাবে সমাজত এক সহিষ্ণুতাৰ পৰিৱেশ বিৰাজ কৰা উচিত। বিভিন্ন সামাজিক পটভূমিত বাস কৰা নাগৰিকৰ মাজত বহুতো পাৰ্থক্য থাকিব পাৰে। তেওঁলোকে পা�ৰস্পৰিক বুজাবুজিৰ ভিত্তিত এই পাৰ্থক্য বৰ্তাই ৰাখিব পাৰে। গণতন্ত্ৰত ধৰ্ম, জাতি, ভাষা, সংস্কৃতি আদিৰ আধাৰত কোনো অসহিষ্ণুতা সৃষ্টি হোৱা অনুচিত। পাৰ্থক্যবোৰ গ্ৰহণ কৰি সকলোৰে মাজত পাৰস্পৰিক আদান-প্ৰদানৰ পৰম্পৰাক আদৰণি জনোৱাজনহে প্ৰকৃত অৰ্থত আচল গণতান্ত্ৰিক ব্যক্তি। সহিষ্ণুতাৰ বাবে গণতান্ত্ৰিক সমাজত শান্তি আৰু সমন্বয় বিৰাজ কৰে।
- **ভ্ৰাতৃত্ববোধ** ঃ গণতন্ত্ৰৰ অস্তিত্ব সফলতাৰে বৰ্তাই ৰাখিবলৈ মানুহৰ মাজত ভ্ৰাতৃত্ববোধ গঢ়ি উঠাটো অতীব প্ৰয়োজনীয়। সেইগৰাকী ব্যক্তিহে প্ৰকৃতাৰ্থত গণতান্ত্ৰিক যিগৰাকীয়ে নিজকে 'মানৱীয়তা' আৰু এই বিশ্বৰ এক অংশ বুলি ভাবিব পাৰে। গণতন্ত্ৰত মানুহে নিজকে কেৱল এটা নিৰ্দিষ্ট ধৰ্ম, জাতি, বৰ্ণ অথবা ভাষা আদিৰ অংশ বুলি ভাবিলে নহ'ব। এই কাৰকবোৰৰ ভিত্তিত কৰা শ্ৰেণীবিভাজন আৰু এই কাৰকবোৰৰ আচিলা লৈ সুযোগ-সুবিধা গ্ৰহণ কৰাটো গণতন্ত্ৰত গ্ৰহণযোগ্য কথা নহয়। যদি সমাজৰ প্ৰতিগৰাকী সদস্যই নিজকে একেজন ঈশ্বৰৰ সৃষ্টি আৰু পৰস্পৰৰ সৈতে একেখন আকাশৰ তলত ভ্ৰাতৃত্বৰ বান্ধোনেৰে বান্ধ খাই থাকিব লাগিব বুলি উপলব্ধি কৰে, তেন্তে সমাজত গণতান্ত্ৰিক ধাৰাৰ কৰ্ষণ হ'ব। এই ধাৰা ভৱিষ্যতৰ গণতান্ত্ৰিক প্ৰজন্মলৈকো কালক্ৰমত প্ৰবাহিত হ'ব। ভ্ৰাতৃত্ববোধৰ আধাৰ হ'ল মৰম-চেনেহ, বিশ্বাস আৰু সমৰ্থন আদি। ই সমাজত জাতীয়তাবোধ আৰু আন্তৰ্জাতিকবোধৰো বিকাশ ঘটায়।
- **পৰিৱৰ্তন বিশ্বাস** ঃ পৰিৱৰ্তন প্ৰকৃতিৰ নিয়ম। কালি যি আছিল সেয়া আজি নহয় আৰু কাইলৈ হ'ব নোৱাৰে। সমাজৰ উন্নতিৰ বাবে পৰিৱৰ্তনৰ প্ৰয়োজন। সময় সলনি হ'লে সমাজৰ আইন-কানুন, পৰম্পৰা, স্বীকৃত প্ৰথা, আদৰ্শ, নৈতিকতা আদিও সলনি হয়। যদি সমাজৰ সদস্যই এনে পৰিৱৰ্তনবোৰ গ্ৰহণ কৰিব নোৱাৰে তেন্তে তেওঁলোকে সমাজৰ সৈতে খাপ খাব নোৱাৰে। আমাৰ ঘৰুৱা পৰিৱেশতো পৰিৱৰ্তন ঘটি থাকে। সেয়েহে পৰিৱৰ্তনক গণতন্ত্ৰৰ অপৰিহাৰ্য বৈশিষ্ট্য বুলি কোৱা হয়। গণতন্ত্ৰৰ অংশ হৈ ৰ'বলৈ সকলোৰে পৰিৱৰ্তনক গ্ৰহণ কৰিব লাগিব। কাৰণ, প্ৰগতি আৰু পৰিৱৰ্তনৰ অৰ্থ একেই। ব্যক্তিয়ে বিজ্ঞানসন্মতভাৱে পৰিৱৰ্তনক গ্ৰহণ কৰা উচিত। জীৱনৰ প্ৰতি ব্যক্তিৰ মনোভাৱো একেই হ'ব লাগে। ব্যক্তিয়ে এই কথা বিশ্বাস কৰা উচিত যে আমাৰ সমাজৰ উন্নতিৰ কাৰণে পৰিৱৰ্তনৰ প্ৰয়োজন। এনে পৰিৱৰ্তনে কিন্তু সমাজৰ অস্তিত্ব বৰ্তাই ৰখা প্ৰমূল্য, আদৰ্শ, চিন্তা আদিৰ দৰে আধাৰবোৰ সম্পূৰ্ণ সলনি নকৰে। পৰিৱৰ্তন এনে হোৱা উচিত যিবোৰে এটা আধুনিক মনৰ আকাংক্ষা পূৰণ কৰে আৰু জীৱনৰ প্ৰতি সুস্থ মনোভাৱ গঢ়ি তোলে। পৰিৱৰ্তনে আমাৰ সমাজৰ লাইখুঁটাত আঘাত হানিব নালাগে পৰিৱৰ্তনক সমাজৰ সকলোৰে গ্ৰহণ কৰিব লাগে। সমাজৰ সামগ্ৰিক উন্নতি সাধন কৰিব পৰা উপাদানবোৰৰহে পৰিৱৰ্তন ঘটোৱা উচিত।
- **সৌহাৰ্দ্যপূৰ্ণতা** ঃ প্ৰকৃত গণতন্ত্ৰৰ দুটা আৱশ্যকীয় কাৰক হ'ল সৌহাৰ্দ্যপূৰ্ণ আৰু

সহযোগিতামূলক মনোভাৱ। গণতন্ত্ৰত মানুহে সকলোৰে সৈতে সহযোগিতামূলক মনোভাৱেৰে বাস কৰা উচিত। সমাজৰ অন্য সদস্যৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ আৱশ্যক হোৱা সামাজিক প্ৰয়োজনবোৰ পূৰণ কৰাত সকলো ব্যক্তিৰে পাৰস্পৰিক সন্মতি থকা উচিত। ব্যক্তিয়ে অন্যৰ অধিকাৰক সন্মান জনোৱা উচিত। অধিকাৰ উপভোগ কৰাৰ ব্যক্তিগত পন্থাবোৰত অইনে আঘাত কৰা অনুচিত। মানুহৰ উমৈহতীয়া ভ্ৰাতৃত্ববোধৰ প্ৰতি সকলোৰে সন্মান জনোৱা উচিত। এনে এক পৰিৱেশতহে গণতন্ত্ৰই একোটা জাতীয় ঐতিহ্য মানৱ জাতিৰ হাতত তুলি দিব পাৰে। এই ঐতিহ্যই মানুহৰ উমৈহতীয়া কল্যাণৰ বাবে সকলোকে সহকৰ্মী হিচাপে কাম কৰি যাবলৈ উদ্বুদ্ধ কৰে।

- **সু-নাগৰিকত্ব** ঃ সফল গণতন্ত্ৰৰ বাবে এক প্ৰয়োজনীয় চর্ত হ'ল সু-নাগৰিকত্ব। যেতিয়া সকলো নাগৰিকেই এটা পৌৰ জীৱনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে তেতিয়াই এখন গণতান্ত্ৰিক সমাজৰ বিকাশ ঘটে। সকলো পৌৰ বৈশিষ্ট্যৰ উন্নয়ণ হ'ল গণতন্ত্ৰত মানুহে কৰা সফল অংশগ্ৰহণৰ ফলাফল। এখন গণতান্ত্ৰিক সমাজৰ সকলো সদস্যইপ্ৰকৃতাৰ্থত গণতান্ত্ৰিক ৰূপে পৰিচয় লাভ কৰিবলৈ সকলো সামাজিক কর্তব্য আৰু দায়ৱদ্ধতাপালন কৰিব লাগিব। মানুহে নিজ অধিকাৰ আৰু কর্তব্য সম্পর্কে সদায় সচেতন হৈ চলিব লাগে। এখন গণতান্ত্ৰিক সমাজত প্ৰগতিশীল দৃষ্টিভংগী আৰু সমাজক নেতৃত্ব দিব পৰা গুণ অতি প্ৰয়োজনীয়। অধিকাৰ আৰু কর্তব্যৰ মাজত সমতা স্থাপন কৰাটো হ'ল এনে সমাজৰ আন এক গুৰুত্বপূৰ্ণ আৱশ্যকতা।
- **উত্তম শিক্ষা** ঃ গণতান্ত্ৰিক সমাজ এখনৰ সকলো সদস্য শিক্ষিত হ'লেহে গণতন্ত্ৰৰ উন্নতি ঘটে। গণতন্ত্ৰত প্ৰতিগৰাকী ব্যক্তিৰে উপযুক্ত শিক্ষা লাভ কৰাৰ অধিকাৰ থাকে। মানুহ আৰু অন্য জন্তুৰ মাজত থকা পার্থক্য এটা হ'ল জন্তুক প্ৰশিক্ষণ দিব পাৰি, কিন্তু শিক্ষিত কৰি তুলিব নোৱাৰি। মানুহে নিজকে উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিব পাৰে। মানুহৰ কেইটামান বিশেষ গুণ আছে, যেনে — যুক্তিসংগত ভাবে চিন্তা কৰিব পৰা ক্ষমতা, বুদ্ধি, সমস্যা সমাধানৰ দক্ষতা, গতিশীলতা, ভাল-বেয়া বিচাৰ কৰিব পৰা সামর্থ আদি। গণতন্ত্ৰত প্ৰত্যেক ব্যক্তিয়েই শিক্ষাক বিশ্বাস কৰিব লাগে আৰু শিক্ষা গণতন্ত্ৰৰ সবাতোকৈ প্ৰয়োজনীয় উপাদানবোৰৰ এটা।
- **ব্যক্তিৰ অৱদানক কৰা প্ৰশংসা** ঃ দলীয় কল্যাণৰ বাবে প্ৰতিগৰাকী ব্যক্তিয়ে আগবঢ়োৱা অৱদানে গণতন্ত্ৰক উন্নতিৰ পথেৰে আগবঢ়াই নিয়ে। এই অৱদানক প্ৰশংসা নকৰিলে মানুহে সমাজৰ সমূহীয়া কল্যাণৰ বাবে কাম কৰি যোৱাৰ উৎসাহ হেৰুৱায়। সমাজৰ প্ৰতিগৰাকী সদস্যই নিজ শক্তি আৰু সামর্থ অনুযায়ী সমাজলৈ কিবা নহয় কিবা অৱদান আগবঢ়ায়। সেয়েহে সমাজৰ সদস্যসকলে ইজনে সিজনক অৱদানক প্ৰশংসা কৰা আৰু স্বীকৃতি দিয়া উচিত।



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গণতন্ত্ৰক জীৱন যাপনৰ এক উপায় বুলি গণ্য কৰা হয়। ই দৰাচলতে দেখি আৰু জানি জীৱন যাপন কৰা পদ্ধতি। আমাৰ মনোভাৱে আমাক মানুহ হৈ অন্য মানুহক শোষণ কৰাৰ পৰা বিৰত ৰাখে।
- শিক্ষা গণতন্ত্ৰৰ এক আহিলা। গণতন্ত্ৰত শিক্ষাৰ গুৰুত্ব আছে। শিক্ষাই মানুহক অধিকাৰ আৰু কৰ্তব্য বিষয়ক জ্ঞান আহৰণত সহায় কৰে, মানৱীয় গুণবোৰৰ বিকাশ সাধন কৰে আৰু আমাৰ সাংস্কৃতিক ঐতিহ্য সুৰক্ষিত তথা প্ৰচাৰ কৰে।
- গণতান্ত্ৰিক শিক্ষাৰ কিছুমান লক্ষ্য আছে। যেনে — ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশ, কাংক্ষিত গুণবোৰৰ বিকাশ, সামাজিকীকৰণৰ বিকাশ, সমস্যা বিষয়ক জ্ঞানৰ যোগান ধৰা আদি।
- গণতান্ত্ৰিক পাঠ্যক্ৰম নমনীয় আৰু বিস্তৃত। ব্যক্তিগত প্ৰয়োজন আৰু প্ৰত্যাশাৰ আধাৰত এনে পাঠ্যক্ৰমৰ আৰ্হি যুগুত কৰা হয়।
- গণতান্ত্ৰিক শিক্ষক এগৰাকী সহানুভূতিশীল আৰু দয়ালু। তেওঁলোকে শিশুৰ লগতে সিহঁতৰ সমস্যাবোৰো বুজাৰ চেষ্টা কৰে।
- গণতন্ত্ৰই আত্ম-অনুশাসনৰ পোষকতা কৰে। মৰম-চেনেহ, সহানুভূতি, সহযোগিতা আৰু মানৱীয় সম্পৰ্ক হ'ল ইয়াৰ আধাৰ।
- গণতন্ত্ৰত নিজ নিজ ভূমিকা পালন কৰা বহুতো আনুষ্ঠানিক তথা অনানুষ্ঠানিক অভিকৰণ আছে।
- সুযোগৰ সমতা, স্বাধীনতা, সহিষ্ণুতা, ভ্ৰাতৃত্ববোধ, পৰিৱৰ্তনত বিশ্বাস, সৌহাৰ্দ্য আদিৰ দৰে নীতিবোৰ হ'ল গণতন্ত্ৰৰ আধাৰ।



১৪.৬ অধিক জানিবলৈ

1. Aggarwal, J.C. (2007). *Theory and Principles of Education.* Agra: Vinod Pustak Mandir.
2. Bhatia, K.K. and Narang, C.L. (2006). *Philosophical and Sociological Bases of Education*. Ludhiana: Tandon Publication.
3. Mathur, S.S. (2006). *A Sociological Approach to Indian Education*. Agra: Vinod Pustak Mandir.
4. Shankar, Rao. C.N. (2012). *Principles of Sociology with an Introduction to Social Thought*. New Delhi: S. Chand & Company Ltd.
5. Taneza,V.R. (1997). *Educational Thoughts and Practice*. New Delhi: Sterling Publishers Pvt. Ltd.



১৪.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ গণতান্ত্রিক শিক্ষা মানে হ'ল সেইবিধ শিক্ষা যিটোৰ ভেটি হ'ল গণতান্ত্রিক নীতি। শিক্ষা আৰু গণতন্ত্রৰ মাজত থকা কার্য সম্পাদনমূলক সম্পর্কৰ ফলতেই গণতান্ত্রিক শিক্ষা পদ্ধতিৰ উন্মেষ ঘটিছে।

২ নং প্রশ্নৰ উত্তৰঃ গণতন্ত্রই আমাক অধিকাৰ আৰু কর্তব্যৰ বিষয়ে শিকায়, গণতন্ত্রই আমাক নেতৃত্ব দিব পৰাকৈ প্রশিক্ষণ দিয়ে আৰু গণতন্ত্রই আমাৰ মানৱীয় গুণবোৰৰ বিকাশ ঘটায়। এই তিনিটা গুৰুত্বপর্ণ কাম সমাধা কৰাৰ বাবে গণতন্ত্রত শিক্ষাৰ প্রয়োজন হয়।

৩ নং প্রশ্নৰ উত্তৰঃ গণতন্ত্রত শিক্ষাৰ লক্ষ্য দুটা হ'ল — ব্যক্তিৰ কাংক্ষিত গুণবোৰ বিকশিত কৰা আৰু ব্যক্তিত্বৰ সর্বাংগীন বিকাশ ঘটোৱা।

৪ নং প্রশ্নৰ উত্তৰঃ গণতন্ত্রত শিক্ষকে বন্ধু, দার্শনিক আৰু পথ পদর্শকৰ ভূমিকা পালন কৰিব লাগে। শিক্ষক দয়ালু আৰু সহানুভূতিশীল হ'ব লাগে। শিক্ষকে শিশু আৰু সিহঁতৰ সমস্যাবোৰ বুজিব লাগে। শিক্ষকে ল'ৰা-ছোৱালীক আবেগিক সুৰক্ষা প্রদানকাৰীৰ ভূমিকাও ল'ব লাগে।

৫ নং প্রশ্নৰ উত্তৰঃ গণতন্ত্রই আত্ম-অনুশাসনৰ পোষকতা কৰে। আত্ম-অনুশাসন ল'ৰা-ছোৱালীক জাপি দিব নালাগে। সিহঁতক নিজকে নিয়মানুৱর্তিতাৰে বান্ধিবলৈ শিকিবলৈ দিয়া উচিত। গণতন্ত্রই সামাজিক অনুশাসনবো পোষকতা কৰে।



১৪.৮ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰে প্রায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ঃ গণতন্ত্র আৰু শিক্ষাৰ মাজত কেনেধৰণৰ সম্পর্ক আছে? আলোচনা কৰক।

প্রশ্ন নং ২ঃ "সফল গণতন্ত্রৰ আধাৰ হ'ল কিছুমান নীতি।" — আলোচনা কৰক।

প্রশ্ন নং ৩ঃ গণতান্ত্রিক শিক্ষাৰ প্রধান লক্ষ্য আলোচনা কৰক।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ঃ গণতন্ত্র সফল কৰি তোলাত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক অভিকৰণবোৰে কেনে ভূমিকা পালন কৰে আলোচনা কৰক।

প্রশ্ন নং ২ঃ 'গণতান্ত্রিক শিক্ষাত শিক্ষকে এটা গুৰুত্বপর্ণ ভূমিকা পালন কৰিব পাৰে।' — বহলাই আলোচনা কৰক।

প্রশ্ন নং ৩ঃ 'আত্ম-অনুশাসন হ'ল সর্বোত্তম প্রকাৰৰ অনুশাসন।' — কিয়? গণতান্ত্রিক শিক্ষাৰ বিশেষ উল্লিখনসহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ঃ সামাজিক নিয়ন্ত্রণ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ সামাজিক নিয়ন্ত্রণৰ অর্থ

- ১৫.৩.১ সামাজিক নিয়ন্ত্রণৰ সংজ্ঞা
- ১৫.৩.২ সামাজিক নিয়ন্ত্রণৰ প্রকৃতি অথবা বৈশিষ্ট্য
- ১৫.৩.৩ সামাজিক নিয়ন্ত্রণৰ প্রকাৰ
- ১৫.৩.৪ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ প্রভেদ
- ১৫.৩.৫ সামাজিক নিয়ন্ত্রণৰ অভিকৰণসমূহ

১৫.৪ সামাজিক নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৬ অধিক জানিবলৈ

১৫.৭ অগ্রগতিৰ খতিয়ান

১৫.৮ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক নিয়ন্ত্রণৰ অর্থ আৰু প্রকৃতিৰ সংজ্ঞা দিব পাৰিব
- সামাজিক নিয়ন্ত্রণৰ প্রকাৰবোৰ ব্যাখ্যা কৰিব পাৰিব
- সমাজিক নিয়ন্ত্রণৰ অভিকৰণবোৰৰ বিষয়ে জানিব পাৰিব
- সামাজিক নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব

১৫.২ পৰিচয়

মানুহে এক সমূহীয়া জীৱন যাপন কৰে। মানুহ সমাজবিচ্ছিন্ন হৈ বাস কৰিব নোৱাৰে যদিও সমাজতো সম্পূর্ণ স্বাধীন ভাৱে চলিব নোৱাৰে। কেৱল সামাজিক বাধ্যবাধকতাৰ পটভূমিতহে মানুহৰ সামাজিক জীৱন যাপন প্রক্রিয়াটো সম্ভৱ হ'ব পাৰে। সামাজিক জীৱনত ব্যক্তিগত জীৱনৰ উদ্দেশ্যবোৰ সমাজৰ সামূহিক উদ্দেশ্যৰ সৈতে সংলগ্ন হৈ থাকে। অর্থাৎ, সামাজিক জীৱনত ব্যক্তিৰ আচৰণক বহু পৰিমাণে সমাজে নিয়ন্ত্রণ কৰে। সামাজিক জীৱনৰ প্রধান লক্ষ্য হ'ল ব্যক্তিগত আনন্দ আহৰণ কৰা। এনে আনন্দ বাধাহীন স্বাধীনতা উপভোগৰ জৰিয়তে নহয়, নিয়ন্ত্রিত আচৰণৰ দ্বাৰাহে আচৰণ কৰিব পৰা যায়। এটা সামাজিক ব্যৱস্থাৰ দ্বাৰা সমাজে ব্যক্তিৰ আচৰণ নিয়ন্ত্রম

কৰে। এনে বাধ্যবাধকতাৰে মানুহৰ আচৰণ নিয়ন্ত্রণ কৰি সমাজত শান্তি বৰ্তাই ৰখা হয়। এই ব্যৱস্থাটোকে সামাজিক নিয়ন্ত্রণ (Social control) বোলে। এই অধ্যায়টোত আমি সামাজিক নিয়ন্ত্রণ কাক বোলে, ইয়াৰ প্রকৃতি, প্রকাৰ আৰু সামাজিক নিয়ন্ত্রণ প্রক্রিয়াটোক শিক্ষাই কেনেদৰে সহায় কৰে সেই বিষয়ে আলোচনা কৰিম।

১৫.৩ সামাজিক নিয়ন্ত্রণৰ অর্থ

প্রতিটো মানৱগোট, প্রতিখন সমাজ আৰু সমাজ ব্যৱস্থাই সমাজৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ আৰু সামাজিক কার্যসম্পাদন পদ্ধতিটো সুচাৰুৰূপে আগবঢ়াই নিয়াৰ সময়ত সদস্যসকলৰ আচৰণ নিয়ন্ত্রণ কৰিবলৈ বিভিন্ন আহিলা ব্যৱহাৰ কৰে। এই নিয়ন্ত্রণে সামাজিক সমন্বয়, সামাজিক ঐক্যতা আৰু সামাজিক শৃংখলাৱদ্ধতা বৰ্তাই ৰখাত সহায় কৰে। সমাজৰ প্রতিগৰাকী ব্যক্তিয়েই সামাজিক সমন্বয় অৰু ভ্রাতৃত্ববোধ সৃষ্টিৰ বাবে দায়বদ্ধ। তেওঁলোকেই সামাজিক শৃংখলাৱদ্ধতাও বৰ্তাই ৰাখে। ইয়াৰ বাবে তেওঁলোকে কিছুমান পূর্বৰেপৰা মানি চলা আচৰণ অথবা স্বীকৃত প্রথাৰ মাপকাঠি অনুসৰণযোগ্য বুলি মানি লয়। অর্থাৎ, সমাজে প্রতিগৰাকী সদস্যৰ ওপৰত নিজৰ শক্তি অথবা নিয়ন্ত্রণ প্রয়োগ কৰি কিছুমান স্বীকৃত মাপ আৰু প্রথা মানি ল'বলৈ বাধ্য কৰে। এনে নিয়ন্ত্রণে সমাজক সুস্থিৰতা প্রদান কৰে আৰু সমাজৰ স্বীকৃত প্রথা, প্রমূল্য তথা পৰম্পৰাবোৰৰ আপডাল কৰে।

সামাজিক নিয়ন্ত্রণ মানে হ'ল ব্যক্তিৰ ওপৰত সমাজৰ নিয়ন্ত্রণ। সমাজে ইয়াৰ সদস্যসকলৰ আচৰণ আৰু কার্যকলাপ নিয়ন্ত্রণৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন সাধনৰ (devices)এক ব্যৱস্থাকে সামাজিক নিয়ন্ত্রণ বোলে। ই.এ. ৰ'ছে ১৯০১ চনত প্রকাশিত তেওঁৰ প্রসিদ্ধ গ্রন্থ (Social control) ত পোন প্রথমবাৰৰ বাবে 'সামাজিক নিয়ন্ত্রণ'ৰ ধাৰণাটো ব্যৱহাৰ কৰিছিল। ৰ'ছে সামাজিক নিয়ন্ত্রণ প্রতিষ্ঠা কৰিবলৈ ৰাজহুৱা মত, আইন, ধর্মীয় বিশ্বাস, পৰামর্শ, ধর্ম, আদর্শ, উৎসৱ-পার্বন আদিৰ ভূমিকাৰ ওপৰত জোৰ দিছিল।

১৫.৩.১ সামাজিক নিয়ন্ত্রণৰ সংজ্ঞা

সমাজতাত্ত্বিকসকলে সামাজিক নিয়ন্ত্রণৰ ভিন ভিন সংজ্ঞা আগবঢ়াইছে। এনে সংজ্ঞা দুটামান তলত দিয়া হ'ল —

- ই.এ. ৰ'ছৰ মতে, "আচৰণৰ স্বীকৃত মান মানি চলিবলৈ সদস্যসকলক বাধ্য কৰিবৰ বাবে সমাজে প্রয়োগ কৰা সাধন ব্যৱস্থা (system of devices) টোকে সামাজিক নিয়ন্ত্রণ বোলা হয়।"
- মেক্আইভাৰ আৰু পে'জৰ মতে, "সামাজিক নিয়ন্ত্রণ মানে হ'ল সেইটো পন্থা যিটোৰ জৰিয়তে সমগ্র সামাজিক শৃংখলাটোৱে নিজকে ঐক্যৱদ্ধ কৰি তথা বৰ্তাই ৰাখি এটা সামগ্রিক তথা পৰিৱর্তনশীল যথার্থ ব্যৱস্থা ৰূপে কেনেদৰে কার্যসম্পাদন কৰি

যাব সেয়া নির্ধাৰণ কৰি লয়।"

➢ ফেয়াৰচাইল্ডৰ মতে, "সামাজিক নিয়ন্ত্রণ হ'ল সেই আটাইবোৰ প্রক্রিয়াৰ সর্বমুঠ ফলাফল যিবোৰৰ জৰিয়তে সমাজ অথবা সমাজ এখনৰ অন্তর্ভুক্ত যিকোনো উপ-গোটে ইয়াৰ বিভিন্ন গঠনকাৰী একক, ব্যক্তি অথবা দলৰ প্রত্যাশা সকলোৱে মানি চলাটো সুনিশ্চিত কৰে।"

ওপৰত উল্লেখ কৰা ধাৰণা আৰু সংজ্ঞাৰ আধাৰত ক'ব পাৰি যে সামাজিক নিয়ন্ত্রণ হ'ল সামাজিক শান্তি, সমন্বয় আৰু ঐক্যতা বর্তাই ৰখাৰ প্রক্রিয়া। সমাজৰ স্বীকৃত নীতি-নিয়ম আৰু স্বীকৃত মানবোৰ মানুহক মানি চলিবলৈ বাধ্য কৰোৱা উপায়টোকে সামাজিক নিয়ন্ত্রণ বোলে। সমূহীয়াভাৱে সমাজৰ সদস্যসকলে দলীয় জীৱনৰ প্রমূল্যবোৰৰ বিষয়ে শিকে। সামাজিক নিয়ন্ত্রণৰ বিভিন্ন ৰূপ আছে, যেনে — পৰম্পৰা (tradition), লোকাচাৰ (customs), আইন (laws), ধর্মীয় আচাৰ (rituals), জনশ্রুতি (myths), কিংবদন্তী (legends) আৰু উপকথা (lores) ইত্যাদি। সামাজিক নিয়ন্ত্রণত আধিপত্য বিস্তাৰ কৰি থকা স্বীকৃত মান (standard) বোৰক সামাজিক সন্ধি (social conventions)ও বোলা হয়।

১৫.৩.২ সামাজিক নিয়ন্ত্রণৰ প্রকৃতি অথবা বৈশিষ্ট্য

ওপৰৰ শিতানত আলোচনা কৰা ধাৰণা আৰু সংজ্ঞাবোৰৰ পৰা সামাজিক নিয়ন্ত্রণৰ যিবোৰ বৈশিষ্ট্য নির্ধাৰণ কৰিব পৰা যায় সেইবোৰ তলত চমুকৈ উল্লেখ কৰা হ'ল —

➢ **সামাজিক নিয়ন্ত্রণ মানে হ'ল ব্যক্তিৰ সমাজে কৰা নিয়ন্ত্রণ** ঃ সামাজিক নিয়ন্ত্রণ মানে হ'ল সমাজৰ প্রতিগৰাকী সদস্যৰে কার্যকলাপ নিয়ন্ত্রণ কৰাৰ প্রক্রিয়া।

➢ **সামাজিক নিয়ন্ত্রণ হ'ল সামাজিক সমন্বয় সাধন কৰাৰ উপায়** ঃ সমাজ এখনৰ অস্তিত্ব আৰু মসৃণ কার্যসম্পাদন তেতিয়াহে সম্ভৱ হ'ব যেতিয়া সমাজখনত সমন্বয় আৰু ভ্রাতৃত্ববোধ থাকিব। সামাজিক নিয়ন্ত্রণ হ'ল সামাজিক সমন্বয় গঢ়ি তোলাৰ উপায়।

➢ **সামাজিক নিয়ন্ত্রণ হ'ল এক ধৰণৰ প্রভাৱ** ঃ সামাজিক নিয়ন্ত্রণে এক ধৰণৰ প্রভাৱ বিস্তাব কৰে। ৰাজহুৱা মত, বল প্রয়োগ, ধর্ম, নৈতিকতা, আদর্শ, নেতৃত্ব আদি হ'ল প্রভাৱ খটুওৱাৰ বিভিন্ন উপায়।

➢ **সামাজিক নিয়ন্ত্রণৰ প্রভাৱ সার্বজনীন** ঃ সমাজ থাকিলে সামাজিক নিয়ন্ত্রণো থাকিব। সেয়েহে সামাজিক নিয়ন্ত্রণৰ প্রভাৱ সার্বজনীন বুলি কোৱা হয়।

➢ **সামাজিক নিয়ন্ত্রণ সমাজৰ অবিচ্ছেদ্য অংশ** ঃ সমাজত শান্তি আৰু সমন্বয় বর্তাই ৰাখিবলৈ ব্যক্তিৰ সম্পূর্ণ স্বাধীনতা নিয়ন্ত্রণ কৰাটো অতি প্রয়োজনীয়। সেয়েহে সামাজিক নিয়ন্ত্রণক সমাজৰ অবিচ্ছেদ্য অংশ বুলি কোৱা হয়। ইয়াৰ অনুপস্থিতিত কোনো সমাজে ইয়াৰ সদস্যসকলক একগোট কৰি ৰাখিব নোৱাৰে।

➢ **সামাজিক নিয়ন্ত্রণ নতুন ধাৰণা নহয়** ঃ সামাজিক নিয়ন্ত্রণৰ ধাৰণাটো নতুন নহয়। ই সমাজৰ সমানেই পুৰণি। সময়ে ঢুকি পোৱাৰো আগৰেপৰা সমাজৰ প্রভাৱৰ অস্তিত্ব আছে। এই প্রভাৱ মানৱ সমাজৰ এক আৱশ্যকীয় চর্ত।

➢ **সামাজিক নিয়ন্ত্রণে সমাজক সুস্থিৰ কৰি ৰাখে** ঃ সমাজৰ সদস্যসকলৰ আচৰণ নিয়ন্ত্রণ কৰি সামাজিক নিয়ন্ত্রণে সমাজক সুস্থিৰতা প্রদান কৰে।

➢ **সামাজিক নিয়ন্ত্রণে সমাজৰ পৰম্পৰাবোৰৰ আপডাল কৰে** ঃ সামাজিক নিয়ন্ত্রণে সমাজৰ স্বীকৃত প্রথা, প্রমূল্য, মান আৰু পৰম্পৰাবোৰ ধৰি ৰাখে তথা এইবোৰৰ আপডাল কৰে।

➢ **সামাজিক নিয়ন্ত্রণৰ পৰিসৰ অতি ব্যাপক** ঃ সামাজিক নিয়ন্ত্রণৰ প্রভাৱ সমাজৰ বিভিন্ন স্তৰত পৰিস্ফুট হয়। এনে প্রভাৱ সৰু অথবা ডাঙৰ মানৱগোট, উপ-গোট আৰু প্রতিগৰাকী ব্যক্তিৰ ওপৰতে পৰা দেখা যায়।

➢ **সামাজিক নিয়ন্ত্রণ হ'ল সমাজৰ সদস্য আৰু শৃংখলাৱদ্ধতাৰ মাজৰ সাঁকো** ঃ সামাজিক নিয়ন্ত্রণক মানুহৰ ব্যক্তিত্ব আৰু সামাজিক শৃংখলাৱদ্ধতা তথা স্বীকৃত প্রথাৰ মাজৰ সাঁকো বুলি কোৱা হয়। সামাজিক নিয়ন্ত্রণৰ যোগেদি সমাজে ইয়াৰ সদস্যসকলক স্বীকৃত প্রথা মানি চলিবলৈ বাধ্য কৰায়।



জানি থোৱা ভাল

সমাজৰ সদস্যসকলৰ আচৰণৰ ওপৰত সমাজে চলোৱা নিয়ন্ত্রণ পদ্ধতিবোৰৰ সর্বমুঠ ফলাফলকে একেলগে সামাজিক নিয়ন্ত্রণ বোলা হয়। সামাজিক নিয়ন্ত্রণৰ সাধাৰণ অর্থ হ'ল ব্যক্তিক সমাজে কৰা নিয়ন্ত্রণ। ই.এ. ৰ'ছে 'সামাজিক নিয়ন্ত্রণ'ৰ ধাৰণাটো পোন প্রথমে ব্যৱহাৰ কৰিছিল। বহুতো সমাজতত্ত্ববিদে 'সামাজিক নিয়ন্ত্রণ'ৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে। ই.এ. ৰ'ছৰ মতে, "আচৰণৰ স্বীকৃত মান মানি চলিবলৈ সদস্যসকলক বাধ্য কৰিবৰ বাবে সমাজে প্রয়োগ কৰা সাধন ব্যৱস্থাটোকে সামাজিক নিয়ন্ত্রণ বোলা হয়।" সামাজিক নিয়ন্ত্রণৰ প্রধান ৰূপ দুটামান হ'ল পৰম্পৰা, ধর্মীয় আচাৰ, লোকাচাৰ, ৰীতি-নীতি আদি। সামাজিক নিয়ন্ত্রণৰ সবাতোকৈ আৱশ্যকীয় বৈশিষ্ট্য হ'ল ইয়াৰ সার্বজনীনতা। ই হ'ল প্রচলিত সামাজিক শৃংখলা মানি চলিবলৈ সমাজৰ সদস্যসকলক বাধ্য কৰোৱাৰ উপায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সামাজিক নিয়ন্ত্রণ মানে কি?

.....

প্রশ্ন নং ২ঃ সামাজিক নিয়ন্ত্রণৰ আৱশ্যকীয় বৈশিষ্ট্যবোৰ কি?

.....

১৫.৩.৩ সামাজিক নিয়ন্ত্রণৰ প্ৰকাৰ

সময় আৰু সামাজিক পটভূমিৰ ওপৰত নিৰ্ভৰ কৰি সমাজে সামাজিক নিয়ন্ত্রণৰ বিভিন্ন পন্থা প্ৰয়োগ কৰে। গাঁৱলীয়া এলেকাৰ সমাজবোৰত ইয়াৰ বাবে লোকপন্থা (folkways) আৰু লোকৰীতি (mores) ব্যৱহাৰ কৰা হয়। আধুনিক নগৰীয়া সমাজত সামাজিক বাধ্যবাধকতা আৰোপ কৰাৰ বাবে ৰেডিঅ', টেলিভিছন, বাতৰি-কাকত, বিদ্যালয় আৰু মহাবিদ্যালয়, আৰক্ষী আদিৰ সহায় লোৱা হয়। অৰ্থাৎ, সমাজবোৰে ইয়াৰ সদস্যসকলৰ আচৰণ নিয়ন্ত্রণ কৰাৰ উদ্দেশ্যেৰে বিভিন্ন সাধন বিকশাই তুলিছে। সামাজিক নিয়ন্ত্রণ মূলতঃ দুই প্ৰকাৰৰ —

(ক) আনুষ্ঠানিক নিয়ন্ত্রণ

(খ) অনানুষ্ঠানিক নিয়ন্ত্রণ

(ক) আনুষ্ঠানিক নিয়ন্ত্রণ ঃ ই সামাজিক নিয়ন্ত্রণৰ এক প্ৰধান প্ৰকাৰ। সমাজবোৰে সামাজিক নিয়ন্ত্রণৰ উদ্দেশ্যেৰে যিবোৰ সাধন পদ্ধতি ব্যৱহাৰ অথবা প্ৰয়োগ কৰে সেইবোৰক আনুষ্ঠানিক নিয়ন্ত্রণ বোলে। আনুষ্ঠানিক নিয়ন্ত্রণ ইচ্ছাকৃতভাৱে সৃষ্টি কৰা হয়। যেনে - ৰাষ্ট্রই নাগৰিকৰ ওপৰত বিভিন্ন ধৰণৰ আইন-কানুন, বিধি-নিষেধ, সামৰিক শক্তি, প্ৰশাসনিক ক্ষমতা আদি প্ৰয়োগ কৰে। একেদৰে বিভিন্ন ৰাজনৈতিক, ধৰ্মীয়, অৰ্থনৈতিক, সাংস্কৃতিক আৰু আন অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠন আদিয়েও নিজ নিজ সদস্যৰ আচৰণৰ ওপৰত আনুষ্ঠানিক নিয়ন্ত্রণ আৰোপ কৰে। এইখিনিতে মনত ৰাখি থোৱা ভাল যে আনুষ্ঠানিক নিয়ন্ত্রণ অথবা নীতি-নিয়ম উলংঘা কৰা লোকক উলংঘাৰ প্ৰকৃতি তথা প্ৰকাৰ অনুসৰি বিভিন্ন শাস্তি প্ৰদান কৰা হয়।

যিবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানে আনুষ্ঠানিক নিয়ন্ত্রণ প্ৰয়োগ কৰে সেইবোৰে এনে নিয়ন্ত্রণ বলবৎ কৰিবলৈ বিভিন্ন বিষয়াৰ একোটা দল গঠন কৰিব পাৰে। এনে দলৰ হাতত নিয়ন্ত্রণ বলবৎ কৰিব পৰাকৈ বিভিন্ন ক্ষমতা অৰ্পণ কৰা হয়। আধুনিক জটিল সমাজবোৰত আনুষ্ঠানিক নিয়ন্ত্রণে এক এৰাব নোৱাৰা আৱশ্যকতাৰ ৰূপ লৈছে। কাৰণ, এনে সমাজৰ আন্তঃক্ৰিয়াবোৰৰ প্ৰকৃতি অধিকাংশ সময়তে নৈৰ্ব্যক্তিক (impersonal) হোৱা দেখা যায়।

(খ) অনানুষ্ঠানিক নিয়ন্ত্রণ ঃ সামাজিক নিয়ন্ত্রণৰ আনটো প্ৰধান প্ৰকাৰ হ'ল অনানুষ্ঠানিক নিয়ন্ত্রণ। সামাজিক নিয়ন্ত্রণৰ যিবোৰ সাধন আনুষ্ঠানিক আৰু উদ্দেশ্য প্ৰণোদিতভাৱে সৃষ্টি কৰা নহয় সেইবোৰকে অনানুষ্ঠানিক নিয়ন্ত্রণ বোলে। অনানুষ্ঠানিক নিয়ন্ত্রণৰ দুটামান উদাহৰণ হ'ল পৰচৰ্চা (gossip), অপযশ (slander), ক্ষোভ (resentment), ৰাজহুৱা মত (sense of justice), সহানুভুতি (public opinion), ন্যায়বোধ (sympathy), লোকপন্থা (folkways), লোকাচাৰ (mores), প্ৰথা (customs), ধৰ্ম (religion), নৈতিকতা (morality) ইত্যাদি। এই অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ সাধনবোৰৰ

নিজে নিজে উত্থান ঘটে। সময় বাগৰাৰ লগে লগে এইবোৰৰ মূল্য আৰু জনপ্রিয়তা বাঢ়ে। এনে সামাজিক নিয়ন্ত্রণবোৰ বলবৎ কৰাৰ কাৰণে কোনো ধৰণৰ অনুষ্ঠান অথবা সংস্থাৰ প্রয়োজন নহয়। মনত ৰাখি থোৱা ভাল যে অনানুষ্ঠানিক নিয়ন্ত্রণ উলংঘা কৰিলে কোনো শাৰীৰিক শাস্তি পোৱাৰ ব্যৱস্থা নাই। অনানুষ্ঠানিক নিয়ন্ত্রণত ধর্মীয় বিশ্বাস, নৈতিক প্রত্যয়, ৰাজহুৱা মত, কলাসুলভ মান আদিক অধিক গুৰুত্ব দিয়া হয়। অনানুষ্ঠানিক নিয়ন্ত্রণ পৰিয়াল, চুবুৰী, জনগোষ্ঠী, গ্রাম্য সম্প্রদায় আদিৰ দৰে প্রাথমিক সামাজিক দলবোৰৰ ক্ষেত্রত অধিক ফলপ্রসূ। কাৰণ, এনে দলবোৰৰ মাজত ঘটা আন্তঃক্রিয়াৰ প্রকৃতি ব্যক্তিগত। বৃহৎ অথবা যৌগিক দলবোৰৰ ক্ষেত্রত এনে নিয়ন্ত্রণে ফলপ্রসূতা দেখু�ৱাব নোৱাৰে।

১৫.৩.৪ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ প্রভেদ

➢ আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণে ব্যক্তিৰ ওপৰত আনুষ্ঠানিক নিয়ন্ত্রণ আৰোপ কৰে। অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণে ব্যক্তিৰ আচৰণৰ ওপৰত অনানুষ্ঠানিক নিয়ন্ত্রণ আৰোপ কৰে।

➢ আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ বলবৎ কৰিবলৈ ৰাজনৈতিক, ধর্মীয় আদিৰ দৰে বিশেষ অনুষ্ঠান-সংগঠনৰ প্রয়োজন হয়। অনানুষ্ঠানিক নিয়ন্ত্রণ বলবৎ কৰাৰ বাবে কোনো অতিৰিক্ত অনুষ্ঠান-প্রতিষ্ঠানৰ প্রয়োজন নহয়।

➢ আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ উলংঘাক অপৰাধ বুলি গণ্য কৰা হয় আৰু উলংঘাকাৰীক শাস্তি দিয়া হয়। অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ উলংঘাকাৰীৰ বাবে কোনো নির্দিষ্ট শাস্তি প্রদানৰ ব্যৱস্থা নাই।

➢ আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ ৰাষ্ট্রকে ধৰি আন সকলোবোৰ গৌণ সামাজিক গোটৰ ক্ষেত্রত সুফলদায়ক। কিন্তু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ কেৱল পৰিয়াল, চুবুৰী অথবা তাৎক্ষণিক সমাজখনৰ দৰে প্রাথমিক অথবা মুখামুখি সামাজিক দলবোৰৰ ক্ষেত্রতহে ফলপ্রসূ।

➢ আনুষ্ঠানিক নিয়ন্ত্রণ ইচ্ছাকৃতভাৱে সৃষ্টি কৰা হয়। অনানুষ্ঠানিক নিয়ন্ত্রণ উদ্ভৱ হোৱাৰ আঁৰত কোনো উদ্দেশ্য নাথাকে। মানুহে এনে নিয়ন্ত্রণ যিমানেই অনুশীলন কৰে সিমানেই ই সমাজত দ'কৈ শিপায়।

➢ আনুষ্ঠানিক নিয়ন্ত্রণৰ সৈতে বিভিন্ন আইন-কানুন, বিধি-নিষেধ, সামৰিক শক্তি, আৰক্ষী বিভাগ আদি জড়িত। অনানুষ্ঠানিক নিয়ন্ত্রণৰ সৈতে পৰচর্চা, ৰাজহুৱা মত, সহানুভূতি, ন্যায়বোধ আদি জড়িত।



জানি থোৱা ভাল

সামাজিক নিয়ন্ত্রণ মূলতঃ দুই প্রকাৰৰ। আন বিভিন্ন ধৰণৰ সামাজিক নিয়ন্ত্রণ পদ্ধতি আছে যদিও এই দুটা প্রকাৰহে সমাজত প্রধানকৈ প্রয়োগ কৰা হয়। প্রকাৰ দুটা হ'ল — আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ। যি সামাজিক নিয়ন্ত্রণ ইচ্ছাকৃতভাৱে সৃষ্টি আৰু আনুষ্ঠানিকভাৱে বলবৎ কৰা হয় তাক আনুষ্ঠানিক নিয়ন্ত্রণ বোলে। যি সামাজিক নিয়ন্ত্রণ সৃষ্টিৰ আঁৰত কোনো উদ্দেশ্য নাথাকে আৰু অনানুষ্ঠানিকভাৱে সমাজৰ প্রাথমিক গোটবোৰৰ মাজত চলি থাকে তাকেই অনানুষ্ঠানিক নিয়ন্ত্রণ বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ সামাজিক নিয়ন্ত্রণৰ প্রকাৰবোৰ কি কি?

.....

প্রশ্ন নং ৪ঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক নিয়ন্ত্রণৰ যিকোনো তিনিটা প্রভেদ উল্লেখ কৰক।

.....

১৫.৩.৫ সামাজিক নিয়ন্ত্রণৰ অভিকৰণসমূহ

সামাজিক নিয়ন্ত্রণ বলবৎ কৰা কার্যত বিভিন্ন অভিকৰণে অংশগ্রহণ কৰে। সমাজ অথবা সামাজিক গোটবোৰে সামাজিক নিয়ন্ত্রণ বলবৎ কৰাৰ বাবে নিজাকৈ কিছুমান অভিকৰণ সৃষ্টি কৰি লয়। এনে দুটামান অভিকৰণ হ'ল পৰিয়াল, শৈক্ষিক অনুষ্ঠান, আইন, পৰম্পৰা, ধর্ম ইত্যাদি। তলত কেইটামান গুৰুত্বপূর্ণ অভিকৰণৰ বিষয়ে আলোচনা কৰা হ'ল —

(ক) পৰিয়াল (Family) ঃ পৰিয়ালৰ দ্বাৰা সামাজিক নিয়ন্ত্রণ বর্তাই ৰখা হয়। পৰিয়ালৰ পৰাই শিশুৱে প্রথমে সমাজৰ ধাৰণা কৰিবলৈ আৰু সামাজিক নীতি-নিয়মবোৰৰ বিষয়ে শিকে।

(খ) শৈক্ষিক অনুষ্ঠান (Educational Institutions) ঃ শৈক্ষিক অনুষ্ঠানে শিশুৰ সামাজিক আচৰণ নিয়ন্ত্রণ কৰে। এনে অনুষ্ঠানে শিশুক সমাজৰ বিভিন্ন সদস্যৰ সৈতে বিভিন্ন ধৰণে আন্তঃক্রিয়া সম্পাদন কৰাৰ কৌশল শিকায়।

(গ) আইন (Law) ঃ আইন হ'ল সামাজিক নিয়ন্ত্রণৰ আন এটা শক্তিশালী অভিকৰণ। সকলো সমাজতে আইনৰ আধাৰ হ'ল নৈতিক ধাৰণা। আৰক্ষী, আদালত আৰু কেতিয়াবা সামৰিক শক্তিৰ সহায়ত আইন বলবৎ কৰা হয়। সামাজিক বিধান, আদর্শ আৰু লোকাচাৰৰ আধাৰত আইন তথা বিধি-বিধানবোৰ যুগুত কৰা হয়।

(ঘ) ৰাজহুৱা মত (Public Opinion) ঃ সামাজিক নিয়ন্ত্রণৰ আন এটা প্রধান

অভিকৰণ হ'ল ৰাজহুৱা মত। ৰাজহুৱা মত হ'ল ধাৰণাৰ সমষ্টি যিবোৰ ৰাইজে কোনো এক প্রদত্ত সমস্যা সন্দর্ভত প্রকাশ কৰে। ৰাজহুৱা মতৰ জৰিয়তে ৰাইজৰ প্রয়োজন, ধাৰণা, বিশ্বাস আৰু প্রমূল্য বিষয়ক জ্ঞান সুনিশ্চিত কৰা হয়। ই মানুহৰ সামাজিক আচৰণক প্রভাৱিত কৰে। ৰাজহুৱা মত গঠন আৰু প্রকাশ কৰিবলৈ বহুতো মাধ্যম থাকে। তেনে দুটামান মাধ্যম হ'ল — ছপা মাধ্যম, অনাতাঁৰ মাধ্যম, কথাছবি আৰু বিধান সভা।

(ঙ) উদ্দেশ্যধর্মী প্রচাৰ (Propaganda) ঃ ই সামাজিক নিয়ন্ত্রণৰ আন এক অভিকৰণ। ইয়াৰ দ্বাৰা তথ্যৰ উপস্থাপন নিজ স্বার্থত সাল-সলনি কৰি মানৱীয় কার্যক প্রভাৱিত কৰা কথা কৌশলেৰে বুজোৱা হয়। ই অন্যক প্রভাৱিত কৰাৰ এটা উপায়। উদ্দেশ্যধর্মী প্রচাৰে মানুহৰ বিশ্বাস, আদর্শ, মনোভাৱ আৰু আচৰণ সলনি কৰিব পাৰে। পুৰণি বিশ্বাস আৰু অনুশীলনৰ প্রচাৰ কৰিবলৈকো উদ্দেশ্যধর্মী প্রচাৰ ব্যৱহাৰ কৰা হয়।

(চ) বলপ্রয়োগ (Coercion) ঃ বলপ্রয়োগ বুলিলে শাৰীৰিক শক্তি প্রয়োগ কৰাৰ কথা বুজোৱা হয়। ইয়ো সামাজিক নিয়ন্ত্রণৰ এটা ৰূপ। কোনো কাম বন্ধ অথবা নিয়ন্ত্রণ কৰিবলৈ বলপ্রয়োগ কৰা হ'ব পাৰে। সামাজিক নিয়ন্ত্রণৰ ক্ষেত্রত বলপ্রয়োগ কৰাৰ কর্তৃত্ব কেৱল ৰাষ্ট্রৰ হাতত ন্যস্ত থাকে। ৰাষ্ট্রই বলপ্রয়োগ কৰি সমাজ বিৰোধী ধাৰা আৰু কার্যকলাপবোৰ দমন কৰে।

(ছ) ধর্ম (Religion) ঃ ধর্ম মানে হ'ল কোনো অতিপ্রাকৃতিক শক্তি অথবা বলৰ ওপৰত থকা মানুহৰ ভক্তি অথবা বিশ্বাস। ই সামাজিক নিয়ন্ত্রণৰ এক শক্তিশালী অভিকৰণ। ধর্মই নিজস্ব ধৰণে মানুহৰ কাম-কাজ নিয়ন্ত্রণ কৰে। ধর্মীয় সংহিতাৰে ই মানুহৰ আচৰণ নিয়ন্ত্রণ কৰে। অশৰীৰি আত্মা (spirits), ভূত (ghosts), সামাজিকভাৱে নিষিদ্ধ কথা-কার্য (taboos), আত্মা (soul), ঐশ্বৰিক আদেশ (divine commandements), ধর্মবাণী (sermon) আদিয়ে মানুহৰ কাম নিয়ন্ত্রণ কৰে আৰু সমাজত শৃংখলাৱদ্ধতা বর্তাই ৰাখে। ইয়াৰ অনুশাসনকেন্দ্রিক মূল্য আছে।

(জ) অনুমোদন (Sanctions) ঃ অনুমোদন হ'ল সামাজিক নিয়ন্ত্রণৰ আন এক অভিকৰণ। অনুমোদনে লোকাচাৰক সমর্থন কৰে। সামাজিক নিয়ন্ত্রণ প্রতিষ্ঠা কৰিবলৈ প্রদান কৰা পুৰস্কাৰ অথবা শাস্তিকে অনুমোদন বোলে। অনুমোদনৰ প্রধান উদ্দেশ্য হ'ল সমাজৰ সদস্যসকলক স্বীকৃত নীতি-নিয়মবোৰ মানি চলিবলৈ বাধ্য কৰোৱা। ব্যক্তি অথবা ব্যক্তিৰ দলক সামাজিক প্রত্যাশা অনুসৰি কিছুমান কথা মানি চলিবলৈ অনুমোদনৰ জৰিয়তে বাধ্য কৰোৱা হয়।

(ঝ) নেতৃত্ব (Leadership) ঃ সমাজৰ প্রমূল্য, নীতি, নিয়ম আদি মানি চলিবলৈ নেতাসকলে মানুহক দিক্ নির্দেশ দিয়ে। ইয়াৰ বাবে সামাজিক আৰু নৈতিকভাৱে উদ্বুদ্ধ তথা সুদক্ষ আৰু আন্তৰিক আগ্রহ থকা ব্যক্তি নেতা হোৱা উচিত। নেতৃত্ব সামাজিক নিয়ন্ত্রণৰ আন এক শক্তিশালী অভিকৰণ।

জানি থোৱা ভাল



সামাজিক নিয়ন্ত্রণৰ বিভিন্ন অভিকৰণ আছে। সমাজ অথবা সামাজিক গোটবোৰে আনুষ্ঠানিক অথবা অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ বাবে নিজ নিজ ধৰণৰ অভিকৰণ গঢ়ি লয়। সামাজিক নিয়ন্ত্রণৰ দুটামান গুৰুত্বপূর্ণ অভিকৰণ হ'ল — পৰিয়াল, শৈক্ষিক, অনুষ্ঠান, উদ্দেশ্যধর্মী প্রচাৰ, আইন, ৰাজহুৱা মত, ধর্ম আদি।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৫ঃ সামাজিক নিয়ন্ত্রণৰ তিনিটা গুৰুত্বপূর্ণ অভিকৰণৰ নাম উল্লেখ কৰক।

.....

১৫.৪ সামাজিক নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা

আগতেই উল্লেখ কৰা হৈছে যে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ বলবৎ কৰিবলৈ সমাজত বহুতো অভিকৰণ আছে। সমাজে নিজেই সামাজিক নিয়ন্ত্রণ বর্তাই ৰাখিব পৰা অভিকৰণবোৰ সৃষ্টি কৰি লয়। আমি এনে কেইটামান অভিকৰণৰ বিষয়ে আগৰ শিতানত আলোচনা কৰিছো। সামাজিক নিয়ন্ত্রণ বর্তাই ৰখাত শিক্ষাই নিঃসন্দেহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। শিক্ষা হ'ল মানুহৰ জীৱনলৈ ঈপ্সিত পৰিৱর্তন কঢ়িয়াই অনাৰ মাধ্যম। সমাজৰ শৃংখলাৱদ্ধতা মানি চলিবলৈ সকলোৰে পৰা সম্মতি আদায় কৰাত শিক্ষাই এক উল্লেখনীয় দায়িত্ব পালন কৰে।

শৈক্ষিক অনুষ্ঠানবোৰে শিশুক সিহঁতৰ সামাজিক আচৰণ নিয়ন্ত্রণ কৰিবলৈ শিকায়। সমাজৰ বিভিন্ন সদস্যৰ সৈতে খাপ খোৱাকৈ আন্তঃক্রিয়া সম্পন্ন কৰাৰ কৌশল ল'ৰা-ছোৱালীয়ে শিক্ষানুষ্ঠানৰ পৰাই শিকে। ডাৰ্খেইমে কৈছিল, "শিশুৱে স্বতঃস্ফূর্তভাৱে কৰিব নোৱাৰা চোৱা (seeing), অনুভৱ কৰা (feeling) আৰু কাম কৰা (action)ৰ দৰে কার্যবোৰৰ সম্পাদন কৌশল সিহঁতৰ মনত আৰোপ কৰাৰ বাবে চলোৱা অবিৰত প্রয়াসটোকে শিক্ষা বোলা হয়। শিক্ষা হ'ল প্রতিটো অভিজ্ঞতাৰ সমষ্টি। এই অভিজ্ঞতা ক্ষুদ্র অথবা গভীৰভাৱে অর্থবহ হ'ব পাৰে। ই মানুহৰ চিন্তা, অনুভৱ আৰু কার্য সংশোধন কৰে।" সামাজিক নিয়ন্ত্রণত শিক্ষাৰ ভূমিকাটো তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰি —

- বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানৰ জৰিয়তে শিক্ষাই ব্যক্তিৰ আচৰণৰ সামাজিকীকৰণ ঘটায়।
- শিক্ষাই আনুষ্ঠানিক অথবা অনানুষ্ঠানিক নির্দেশনাৰ জৰিয়তে ব্যক্তিৰ সামাজিক আচৰণক প্রভাৱিত কৰে।
- শিক্ষাই শৃংখলাৱদ্ধতাৰে বিদ্যালয় তথা সামগ্রিকভাৱে গোটেই সমাজখনতে নিয়মানুবর্তিতা

আৰু শৃংখলাৱদ্ধতা মানি চলাৰ বাবে সকলোকে বাধ্য কৰে।

- শিক্ষাই সমাজৰ সদস্যসকলৰ মাজত সমাজে গ্ৰহণ কৰা প্ৰমূল্য, নৈতিকতা আৰু আদৰ্শ প্ৰচাৰ কৰে।
- শিক্ষাই সমাজৰ আদৰ্শ আৰু প্ৰমূল্যবোৰ মানুহক জনায় আৰু আনুষ্ঠানিক সংগঠনৰ জৰিয়তে ব্যক্তিৰ আচৰণ নিয়ন্ত্ৰণ কৰে।
- শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনক প্ৰশিক্ষিত কৰি তোলে। ইয়াৰ ফলত সিহঁতে বিদ্যালয়ত লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ পৰা সুদ্ধ আৰু ভুলৰ প্ৰভেদ ধৰিব পৰা হয়।
- শিক্ষাই সম্প্ৰদায়ৰ ইচ্ছা অনুসৰি ল'ৰা-ছোৱালীক প্ৰস্তুত কৰে। ইয়াৰ বাবে বিদ্যালয় আৰু অন্য শৈক্ষিক অনুষ্ঠানত বিভিন্ন ধৰণৰ প্ৰশিক্ষণ আগবঢ়োৱা হয়।
- শিক্ষাই মানুহ আৰু সমাজৰ শৃংখলাৱদ্ধতাৰ মাজৰ সাঁকোৰ ভূমিকা লয়। ই সমাজৰ প্ৰমূল্য আৰু আদৰ্শবোৰ ল'ৰা-ছোৱালীক জানিবলৈ দিয়ে।
- শিক্ষাই সামাজিক শৃংখলা, আদৰ্শ আৰু স্বীকৃত বিধি-বিধানবোৰৰ ব্যৱহাৰিক প্ৰয়োগ সম্ভৱপৰ কৰি তোলাৰ লগতে সামাজিক বিধি-বিধানবোৰ প্ৰতিষ্ঠা কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে সামাজিক নিয়ন্ত্ৰণ বৰ্তাই ৰখাত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শৈশৱৰ পৰা প্ৰাপ্তবয়স্ক অৱস্থালৈকে মানুহৰ জীৱনত সামাজিক নিয়ন্ত্ৰণ আৰোপ কৰাৰ প্ৰধান মাধ্যম হ'ল শিক্ষা। শিক্ষাৰ জৰিয়তে শিশুৱে সামাজিক বিধি-বিধান উলংঘা কৰাৰ শাস্তি কি হ'ব পাৰে সেয়া গম পায়। শিক্ষাই সামাজিক নিয়ন্ত্ৰণক আত্ম-সংযমলৈ ৰূপান্তৰিত কৰে। শিক্ষাই সামাজিক নিয়ন্ত্ৰণ সহজ কৰি তোলে। সু-সংগঠিত শিক্ষা ব্যৱস্থা এটা নাথাকিলে সামাজিক নিয়ন্ত্ৰণ কেৱল এক বলপূৰ্বকভাৱে জাপি দিয়া হেঁচা হৈ পৰিব। ইয়াৰ আয়ুস বৰ দীঘলীয়া নহ'ব। অৰ্থাৎ, সামাজিক নিয়ন্ত্ৰণৰ উপযুক্ত অনুশীলনৰ আৱশ্যকীয় চর্ত হ'ল শিক্ষা।



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক নিয়ন্ত্ৰণ মানে হ'ল ব্যক্তিৰ ওপৰত সমাজৰ নিয়ন্ত্ৰণ। সমাজে ইয়াৰ সদস্যসকলৰ আচৰণ আৰু কার্যকলাপ নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন সাধনৰ এক ব্যৱস্থাকে সামাজিক নিয়ন্ত্ৰণ বোলে।
- সামাজিক নিয়ন্ত্ৰণ হ'ল সেই সকলোবোৰ পদ্ধতি অথবা উপায়ৰ সর্বমুঠ ফলাফল যিবোৰৰ দ্বাৰা সমাজে ইয়াৰ সদস্যসকলৰ আচৰণ নিয়ন্ত্ৰণৰ অনুশীলন কৰে। ব্যক্তিৰ ওপৰত সমাজে চলোৱা নিয়ন্ত্ৰণকে সামাজিক নিয়ন্ত্ৰণ বোলে।
- সমাজত বিভিন্ন ধৰণৰ সামাজিক নিয়ন্ত্ৰণৰ উপায় আছে যদিও ইয়াৰ প্ৰধান প্ৰকাৰ হ'ল দুটা। সমাজত এই দুই ধৰণে সামাজিক নিয়ন্ত্ৰণ বলবৎ কৰা হয়। প্ৰকাৰ দুটা হ'ল — আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণ।

- সামাজিক নিয়ন্ত্রণ বলবৎ কৰাত বহুতো অভিকৰণৰ ভূমিকা আছে। সমাজ অথবা সামাজিক গোটবোৰে নিজ নিজ সামাজিক নিয়ন্ত্রণ অভিকৰণ সৃষ্টি কৰি লয়। দুটামান প্ৰধান অভিকৰণ হ'ল পৰিয়াল, শৈক্ষিক অনুষ্ঠান, আইন, পৰম্পৰা, ধৰ্ম ইত্যাদি।



১৫.৬ অধিক জানিবলৈ

1. C.N. Shankar Rao (2007): Sociology:Principles of Sociology with an Introduction to Social Thought, S Chand Publishing; 6th Rev. Edn. 2006 edition
2. H. R. Mukhi (1999): A Simple Book of Sociology, Sbd Publishers Distributors.
3. Kuppuswamy.B (2010): Social Change in India, Konark Publication, New Delhi.
4. Mathur. S. S(2000). : Social Psychology,Binod Pustak Publishing, New Delh.



১৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক নিয়ন্ত্রণ মানে হ'ল ব্যক্তিৰ ওপৰত সমাজৰ নিয়ন্ত্রণ। ই হ'ল সাধনৰ এনে এক ব্যৱস্থা যিটোৰ জৰিয়তে সমাজে মানুহৰ আচৰণ আৰু কার্যকলাপ নিয়ন্ত্রণ কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ সামাজিক নিয়ন্ত্রণৰ আৱশ্যকীয় বৈশিষ্ট্যবোৰ হ'ল —

(ক) সামাজিক নিয়ন্ত্রণে ব্যক্তিৰ ওপৰত সমাজৰ নিয়ন্ত্রণৰ কথা বুজায়।

(খ) সামাজিক নিয়ন্ত্রণ হ'ল সামাজিক সমন্বয় গঢ়াৰ পন্থা।

(গ) সামাজিক নিয়ন্ত্রণে কিছুমান প্ৰভাৱৰ কথা সূচায়।

(ঘ) সামাজিক নিয়ন্ত্রণৰ প্ৰভাৱ সার্বজনীন।

(ঙ) সামাজিক নিয়ন্ত্রণ সমাজৰ অবিচ্ছেদ্য অংগ।

(চ) সামাজিক নিয়ন্ত্রণে সমাজক সুস্থিৰ কৰি ৰাখে।

(ছ) সামাজিক নিয়ন্ত্রণে সমাজৰ পৰম্পৰাবোৰৰ আপডাল কৰে।

(জ) সামাজিক নিয়ন্ত্রণৰ পৰিসৰ অতি বহল।

(ঝ) সামাজিক নিয়ন্ত্রণ হ'ল মানুহ আৰু সামাজিক শৃংখলাৰদ্ধতাৰ মাজৰ সাঁকো।

৩ নং প্ৰশ্নৰ উত্তৰঃ সমাজে ইয়াৰ সদস্যসকলৰ আচৰণ নিয়ন্ত্রণ কৰাৰ বিভিন্ন সাধন বিকশাই

তুলিছে। সামাজিক নিয়ন্ত্রণক বহলভাৱে দুটা প্রকাৰত ভগোৱা হয়। প্রকাৰ দুটা হ'ল — (ক) আনুষ্ঠানিক নিয়ন্ত্রণ আৰু (খ) অনানুষ্ঠানিক নিয়ন্ত্রণ।

৪ নং প্রশ্নৰ উত্তৰঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ মাজত থকা তিনিটা প্রভেদ হ'ল —

(ক) আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণে ব্যক্তিৰ ওপৰত আনুষ্ঠানিক নিয়ন্ত্রণ আৰোপ কৰে। অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণে ব্যক্তিৰ ওপৰত অনানুষ্ঠানিক নিয়ন্ত্রণ আৰোপ কৰে।

(খ) আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ বলবৎ কৰিবলৈ ৰাজনৈতিক, ধর্মীয় আদিৰ দৰে বিশেষ অনুষ্ঠান-সংগঠনৰ প্রয়োজন হয়। অনানুষ্ঠানিক নিয়ন্ত্রণ বলবৎ কৰাৰ বাবে কোনো অতিৰিক্ত অনুষ্ঠান-প্রতিষ্ঠানৰ প্রয়োজন নহয়।

(গ) আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ উলংঘাক অপৰাধ বুলি গণ্য কৰা হয় আৰু উলংঘাকাৰীক শাস্তি দিয়া হয়। অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ উলংঘাকাৰীৰ বাবে কোনো নির্দিষ্ট শাস্তি প্রদানৰ ব্যৱস্থা নাই।

৫ নং প্রশ্নৰ উত্তৰঃ সামাজিক নিয়ন্ত্রণৰ তিনিটা গুৰুত্বপূর্ণ অভিকৰণ হ'ল —

(ক) পৰিয়াল ঃ পৰিয়ালৰ দ্বাৰা সামাজিক নিয়ন্ত্রণ বর্তাই ৰখা হয়। পৰিয়ালৰ পৰাই শিশুৱে প্রথমে সমাজৰ ধাৰণা কৰিবলৈ আৰু সামাজিক নীতি-নিয়মবোৰৰ বিষয়ে শিকে।

(খ) শৈক্ষিক অনুষ্ঠান ঃ শৈক্ষিক অনুষ্ঠানে শিশুৰ সামাজিক আচৰণ নিয়ন্ত্রণ কৰে। এনে অনুষ্ঠানে শিশুক সমাজৰ বিভিন্ন সদস্যৰ সৈতে বিভিন্ন ধৰণে আন্তঃক্রিয়া সম্পাদন কৰাৰ কৌশল শিকায়।

(গ) আইন ঃ আইন হ'ল সামাজিক নিয়ন্ত্রণৰ আন এটা শক্তিশালী অভিকৰণ। সকলো সমাজতে আইনৰ আধাৰ হ'ল নৈতিক ধাৰণা। আৰক্ষী, আদালত আৰু কেতিয়াবা সামৰিক শক্তিৰ সহায়ত আইন বলবৎ কৰা হয়। সামাজিক বিধান, লোকাচাৰ আৰু আদর্শৰ আধাৰত আইন তথা বিধি-বিধানবোৰ যুগুত কৰা হয়।



১৫.৮ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰে প্রায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ঃ সামাজিক নিয়ন্ত্রণৰ সংজ্ঞা দিয়ক। সামাজিক নিয়ন্ত্রণৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্রশ্ন নং ২ঃ সামাজিক নিয়ন্ত্রণৰ প্রকাৰবোৰ আলোচনা কৰক।

প্রশ্ন নং ৩ঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ মাজৰ প্রভেদবোৰ বাহিৰ কৰক।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ঃ সামাজিক নিয়ন্ত্রণৰ অভিকৰণবোৰ আলোচনা কৰক।

প্রশ্ন নং ২ঃ সামাজিক নিয়ন্ত্রণত শিক্ষাৰ ভূমিকা আলোচনা কৰক।

*** ***** ***



প্রসঙ্গ পুথি

কিতাপ ঃ

ডেকা বীৰেন্দ্র (২০০৯ * *শিক্ষা সমাজবিজ্ঞান আৰু শিশু মনোবিজ্ঞান* , শৰাইঘাট ফটোটাইপছ, উদ্যোগপাম, বামুনীমৈদাম, গুৱাহাটী -৭৮১০২১

শইকীয়া, উৎপল (২০০৯ * *সামাজিক পৰিৱর্তন সমাজতত্ত্ব*,বৰকটকী এণ্ড কোম্পানী প্রাইভেট লিমিটেড, মালৌ আলি, যোৰহাট-১

শইকীয়া,ড° জ্যোতিপ্রসাদ (২০০৯ **সামাজিক পৰিৱর্তন সমাজতত্ত্ব*,বৰকটকী এণ্ড কোম্পানী প্রাইভেট লিমিটেড মালৌ আলি, যোৰহাট-১

শইকীয়া,ড° জ্যোতিপ্রসাদ * *সামাজিক সমস্যা* ,অসম প্রিণ্টিং ওৱর্কছ (প্রাঃ) লিঃ যোৰহাট-১

শইকীয়া, উৎপল (২০০৮ * *ভাৰতীয় সমাজ পদ্ধতি,* অসম প্রিণ্টিং ওৱর্কছ, (প্রাঃ) লিঃ যোৰহাট- ৭৮৫০০১

শইকীয়া, উৎপল (২০০৭ * *সমাজতত্ত্ব পৰিচয়,* অসমপ্রিণ্টিং ওৱর্কছ (প্রাঃ) লিঃ যোৰহাট- ৭৮৫০০১

শইকীয়া জ্যোতিপ্রসাদ (২০০৭ **সমাজতত্ত্ব পৰিচয়* ,ৱৰকটকী এণ্ড কোম্পানী প্রাইভেট লিমিটেড মালৌ আলি, যোৰহাট- 1

ভূঞা, চন্দ্র ,দেবেন,

নাথ, চন্দ্র ,আনন্দ্র (২০০৭ * *স্নাতক সমাজতত্ত্ব পৰিচয়,*পৃথা প্রিণ্টিং ওৱার্কছ ১৯ এ, ৰাজা দীনেন্দ্র ষ্ট্রীট, কলকাতা- ৭০০০০৯

শইকীয়া, উৎপল (২০০৬ * *সামাজিক পৰিৱর্তন আৰু সামাজিক নিয়ন্ত্রণ* ,শৰাইঘাট ফটো টাইপ্ছ উদ্যোগ পাম, বামুনীমৈদাম, গুৱাহাটী- ৭৮১০২১

English Books:

1) Shankar Rao, C.N, (2012) Sociology : Principles of Sociology with an Introduction to Social Thought, New Delhi: S.Chand &Company PVT LTD

2) Mathur S.S (2008): “A Sociological Approach to Indian Education” Vinod Pustak Mandir, Dr.Rangeya Raghava Marg, Agra-2

3) Bhattacharya, Srinibas. (2006): Sociological Foundation of Education: Atlantic Publishers

4) Singh, Y.K. (2007): Sociological Foundation of Education: APH Publishing